ৰুদ্ৰ বীণাৰ তান

ৰুদ্ৰ বৰুৱাৰ জীৱন আৰু একুঁকি সোঁৱৰণী

আৰতি বৰুৱা

সম্পাদিকা

লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা স্মৃতি ৰক্ষা সমিতি

RUDRA BINAR TAAN
Rudra Barua's Jeevan aru Akuki 'Sonwarani' *--- a book edited by the Secretary, Luit Konwar Rudra Barua Smriti Raksha Samity depicting the life sketch and his creations as well as reminiscences of his close associates. Published by Luit Konwar Rudra Barua Smriti Raksha Samity, Nabin Nagar, Radha Govinda Barua Road, Guwahati- 781024. first edition - 26 November, 2003. Rs. 150.00 (Rupees one hundred fifty) only.*

প্ৰকাশক ঃ

লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা স্মৃতি ৰক্ষা সমিতি
নবীন নগৰ, ৰাধাগোবিন্দ বৰুৱা পথ,
গুৱাহাটী - ৭৮১০২৪

প্ৰথম প্ৰকাশ ঃ ২৬ নৱেম্বৰ, ২০০৩
(ৰুদ্ৰ বৰুৱাৰ জন্মদিনত)

মূল্য ঃ ১৫০.০০ (এক শ পঞ্চাশ) টকা মাত্ৰ

মুদ্ৰণ ঃ ব্ৰহ্মপুত্ৰ অফচেট
এম. চি. ৰোড, গুৱাহাটী - ৩
ফোন ঃ ২৬৬৩৬৩৭

উচৰ্গা

ৰুদ্ৰ বৰুৱাৰ গীতক আজিও বুকুৰ উমেৰে
জীপাল কৰি ৰখা সেই নতুন দিনৰ
তৰুণ-তৰুণীসকললৈ এই পুথিখনি
উচৰ্গা কৰিলো।

সম্পাদিকা
লুইতকোঁৱৰ ৰুদ্ৰ বৰুৱা স্মৃতি ৰক্ষা সমিতি

"একেষাৰ কবলগীয়া"

প্ৰায় কুৰি বছৰৰ আগেয়েই "প্ৰকাশন পৰিষদ"ৰ জৰিযতে আৰু প্ৰয়াত ৰাজনীতিবিদ মুকুট শৰ্ম্মাদেৱৰ চেষ্টাতে "ৰুদ্ৰ বৰুৱাৰ গীত" নামৰ এটি গীতৰ সংকলন উলিওৱা হৈছিল। সেই কিতাপখনৰ সমাদৰ আজিও সংগীত প্ৰেমীসকলৰ মাজত বিৰাজমান।

এই বেলি লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ জীৱন দৰ্শন, শিল্পী জীৱন, সাংস্কৃতিক সাংগঠনিক জীৱন আৰু এজন কৰ্ম্ম নিষ্ঠা চৰকাৰী চাকৰিয়াল হিচাপে তেওঁ এৰি থৈ যোৱা অৱদানখিনিৰ বিষয়ে এখন কিতাপ আকাৰে ছপা কৰি পঢ়ুৱৈ সমাজলৈ দুলি আগবঢ়ালো। নামাকৰণ কৰা হ'ল "ৰুদ্ৰ বীণাৰ তান।"

ৰুদ্ৰ বৰুৱাৰ শুভাকাংক্ষী আৰু গুণমুগ্ধসকলে তেওঁ অসমৰ সাংস্কৃতিৰ জগতখনলৈ থৈ যোৱা সমলখিনিৰ ওপৰত প্ৰবন্ধ-পাতি লেখি বাতৰি কাকতলৈ পঠিওৱা লেখনীবোৰ যুগুতাই কিতাপ আকাৰে উলিওৱাত হয়তো বহুতো ভুল-ভ্ৰান্তি, আসোঁৱাহ থাকি যাব পাৰে, তাৰোপৰি কিছুমান প্ৰবন্ধ-পাতি মোৰ অজানিতে কাৰোবাৰ হাতত থাকি যাব পাৰে, সেইবোৰ নিজগুণে ক্ষমা কৰিব কাৰণ এইবাৰ আমাৰ প্ৰথম প্ৰচেষ্টা। কোনোবা সদাশয় ব্যক্তিয়ে যদি বাদ পৰি যোৱা প্ৰবন্ধ পাতি তলৰ ঠিকনালৈ পঠিয়াই দিয়ে আমি তাক সাদৰেৰে গ্ৰহণ কৰিম আৰু দ্বিতীয় সংকলনত প্ৰচাৰ কৰিম।

এতিয়াও বহুতো বাতৰি আকাৰে দিয়া লিখনীবোৰ দীঘলীয়া হয় কাৰণে ভৱিষ্যতে প্ৰচাৰ কৰিবলৈ ভাবি থলো।

ৰুদ্ৰ বৰুৱাৰ সান্নিধ্যত অহা আৰু বৰুৱাৰ হয়টো ফটোহে দেখা গুণ মুগ্ধ ব্যক্তিসকলে প্ৰবন্ধ পাতিখিনি নেলেখা হ'লে মই এই কাম কৰিবলৈ আগবাঢ়ি আহিব নোৱাৰিলো হয়, তাৰ বাবে লেখকসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ আৰু ৰুদ্ৰ বৰুৱাৰ পৰিয়াল, "লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা সোঁৱৰণী সন্থা"ৰ হৈ আন্তৰিক শলাগ লৈছো। আগলৈকো এইদৰে সহায় সাৰথি পাম বুলি আশা কৰিলো।

অসমৰ পথাৰত পকাধান থাকে মানে, অসমৰ বাইজে ৰুদ্ৰ বৰুৱাক পাহৰি

নেযায়-এইয়া মোৰ দৃঢ়-বিশ্বাস। প্ৰচাৰ বিমুখ শিল্পী ৰুদ্ৰ বৰুৱাৰ বিষয়ে নতুন প্ৰজন্মৰ সম্যক জ্ঞান নোহোৱাটো স্বাভাৱিক, এই প্ৰজন্মই যাতে "মাটিৰ গোন্ধে" মতলীয়া কৰা শিল্পীজনক চিনি পায় সেই উদ্দেশ্যৰে এই কিতাপখনি নতুন প্ৰজন্মলৈ বুলি উচৰ্গা কৰিলো।

কিতাপখনি নিয়াৰিকৈ সজাই পৰাই ছপা কৰি দিয়াৰ বাবে শ্ৰীমান দীনেশ চক্ৰবৰ্ত্তী আৰু "ব্ৰহ্মপুত্ৰ অফচেটৰ" সমূহ কৰ্ম্মীলৈ মোৰ ধন্যবাদ আৰু আশীৰ্বাদ থাকিল।

লেখনিবোৰত চকু ফুৰাই প্ৰকাশৰ বাবে যুগুতাই দিয়াৰ বাবে শ্ৰীমান প্ৰশান্ত কুমাৰ বৰদলৈ (অনুপ) লৈ আমাৰ শুভেচ্ছা আৰু কৃতজ্ঞতা থাকিল।

ৰাইজৰ সঁহাৰিয়েই মোৰ সম্বল এই আশাৰে আজিলৈ সকলোকে শ্ৰদ্ধা জনাই সামৰিলো।

আপোনালোকৰ

আৰতি বৰুৱা
সম্পাদিকা
লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা সোঁৱৰণী সমিতি
নবীন নগৰ, জু ৰোড
ৰুদ্ৰ বৰুৱা পথ
গুৱাহাটী ৭৮১০২৪

ৰুদ্ৰ বৰুৱাৰ জীৱন আৰু একুঁকি সোঁৱৰণী

কটন কলেজত হোৱা অধিবেশনত বহি থাকোতে এটি ধুনীয়া ডেকাই মিঠা মিঠা গীত গাই সকলোকে মুহিলে "পকা ধানৰ মাজে মাজে সৰু সৰু আলি "ইত্যাদি। সেই ডেকাটি হ'ল গীতিকাৰ আৰু গায়ক ৰুদ্ৰ বৰুৱা।
১৯৭৮ চনত মই অসম এৰি পাঁচ বছৰলৈ পঞ্জাবলৈ যাওঁতে এজন মানুহে দুখ কৰি চকুপানী টুকিছিল - সেয়া হ'ল ৰুদ্ৰ বৰুৱা। কৈছিল "আমাৰ show বিলাকত সৰু বৰ সকলো কথাতে আপোনাৰ পৰা পৰামৰ্শ বিচাৰিছিলো। পাইছিলো, এতিয়া কা[illegible]চৰলৈ যাম?" ১৯৮৩ চনত যেতিয়া মই গুৱাহাটীলৈ ঘূৰি আহিলো তেতিয়া সেই হাঁহিমুখীয়া সাংস্কৃতিক মনে প্ৰাণে ভালপোৱা মানুহজন আৰু নাই। আমাৰ বহুত কলাকাৰেই হৈছে, কিন্তু সেই একাগ্ৰতা আৰু সংস্কৃত আচৰণৰ মানুহজনক কাৰোৰে মাজত ঘূৰাই নাপাওঁ।

"জীৱনৰ দীঘ আৰু বাণী"ত ড মহেশ্বৰ নেওগ।

সূচীপত্ৰ

সংগ্ৰামী শিল্পী ৰুদ্ৰ বৰুৱা (পঞ্চৰ্ম)		০১
পকা ধানে বিচিয়াই মাতে	আৰতি বৰুৱা	০৭
গীতৰ সেউজী আলিত ৰুদ্ৰ বৰুৱা	শৰৎ চন্দ্ৰ সিংহ	১৭
সংগীত-সাংস্কৃতিক আকাশৰ কৰিকেটা মানুহজন	ড° ভূপেন হাজৰিকা	২১
স্মৃতিৰ ৰঙণিত লুইতকোঁৱৰ	বসু গুপ্তা	২২
অসমৰ গীৰৱ সোণ বোটলা শিল্পী ৰুদ্ৰ বৰুৱা	ৰাম গোস্বামী	২৭
সময় পালে আমাৰ ফালে এবাৰ আহি যাবা	কেশৱ মহন্ত	৩৪
অভিনন্দনৰ প্ৰনাম ৰুদ্ৰ বৰুৱালৈ	ড° নিৰ্মল প্ৰভা বৰদলৈ	৪০
লোকশিল্পী ৰুদ্ৰ বৰুৱা	কৃষ্ণমৃত্ত হাজৰিকা	৪২
ৰুদ্ৰ বৰুৱা আৰু পেঞ্চন-ভোগী		
জীৱনৰ প্ৰথমটো দিন	অতুল চন্দ্ৰ বৰুৱা	৪৫
ৰুদ্ৰ বৰুৱা আৰু আধুনিক অসমীয়া সংগীত	চফিকুল আলি	৪৮
নাটকৰ মানুহ ৰুদ্ৰ বৰুৱা	অৰুণ শৰ্মা	৫১
এই যে আহ্বান অসমৰ	দিপালী বৰঠাকুৰ	৫৪
প্ৰথম দেখা পোৱা "প্ৰানবন্ত মহান শিল্পীজনাক"		
শ্ৰদ্ধাৰে সুৱৰিছো	চেতনা দাস	৫৬
বগা বৰফত বগুৰৰ তেজ	নীলমাধৱ মুখাৰ্জী	৬৪
ৰুদ্ৰ বৰুৱা : এক অনন্য সাংগীতিক প্ৰতিভা	কৃষ্ণ গোস্বামী	৬৮
ৰুদ্ৰ বীণাৰ তান	নিকুঞ্জলতা মহন্ত	৭২
ARTISTE LUIT KONWAR RUDRA BARUA : AN APPRAISAL	Profulla Pran Mohanta	৭৪
লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ সোঁৱৰণত	অনিমা চক্ৰৱৰ্তী (ভট্টাচাৰ্য)	৭৮
লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ গীতত		
প্ৰগতিশীল ভাবাদৰ্শৰ প্ৰতিফলন	যোগেশ্বৰ চেতিয়া	৮৬
ৰুদ্ৰ বৰুৱা স্যাৰৰ সোঁৱৰণত	দীপালী দাস	৯২
বিহংগম দৃষ্টিত ৰুদ্ৰ বৰুৱা দেৱৰ গীতৰ বৈশিষ্ট্য	ফণীন্দ্ৰ নাথ শাস্ত্ৰী	৯৬
অগ্ৰজ জীতেন হাজৰিকাৰ স্মৃতিৰ কোঠাত		
'বাপু'ৰ লগত কটোৱা দিনবোৰ	পৰিজ্ঞান কলিতা	৯৮
পকা ধানৰ সোণালী সুঁতিৰে স্মৃতিৰে ৰুদ্ৰ বৰুৱা	বিদ্যুৎ কুমাৰ ভূঞা	১০৩
কুঁৱলীৰে চাদৰ চাই মই থাকোতে	মদন প্ৰদীপ কুমাৰ	১১০
স্মৃতিৰ সেন্দুৰীয়া আলিৰে		
শিল্পী আৰু সাংস্কৃতিক সংগঠক ৰুদ্ৰ বৰুৱা	কুমুদ তালুকদাৰ	১১৪
বিশিষ্ট শিল্পী খগেন মহন্তৰ লগত অন্তৰঙ্গ আলাপ	তপন কুমাৰ বৰা	১২২
মোৰ মৰমৰ বাপু মহা (ৰুদ্ৰ বৰুৱা)	আৰাধনা দাস	১২৪
পকাধানৰ মাজে মাজে সৰু সৰু আলি	অমীয় দাস	১২৬

রুদ্র বৰুৱাৰ গীতি-শিল্প সম্পৰ্কে	বোধন কুমাৰ শইকীয়া	
	অৰ্চনা তালুকদাৰ	১৩১
রুদ্র বৰুৱাৰ গীতত অসমীয়া গ্ৰাম্য জীৱন	হৰেন হাজৰিকা	১৩৪
অসমৰ মাটিৰ গোন্ধ থকা নিভাঁজ শিল্পী রুদ্র বৰুৱা	সদা চৌধুৰী	১৩৮
রুদ্র বৰুৱাৰ গীতত গ্ৰাম্য মুক্তিৰ চেতনা	বিকাশজ্যোতি বৰুৱা	১৪৩
রুদ্র বৰুৱাৰ গীতত মাটি আৰু মানুহ	ৰতিকান্ত পাঠক	১৪৮
REMEMBERING RUDRA BARUA	Manjit Kumar Sarma	১৫০
রুদ্র বৰুৱাৰ শেষৰ গীতটো		১৫৪
রুদ্র বৰুৱাৰ গীত কিছু সাময়িক চিন্তন	আৰতি বৰুৱা	১৫৫
মোৰ আইৰ হিয়াৰ সুৰ	হৰিদেৱ দাস	১৬০
ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ রুদ্র ককাইদেউ	আৰতি বৰুৱা	১৭৭
রুদ্র বৰুৱাৰ সমবেত গীত সমূহৰ বিষয়ে	আৰতি বৰুৱা	১৮১
রুদ্র বৰুৱাৰ গীত আজিও প্ৰাসঙ্গিক কিয়?	চিত্তৰঞ্জন বৰা	১৮৭
লুইত কোঁৱৰ সংগীত একাডেমী আৰু আমি	প্ৰভাত গোস্বামী	১৯০
জনতাৰ শিল্পী রুদ্র বৰুৱা	প্ৰনব কুমাৰ শৰ্মা	১৯৩
'মোৰ আইৰ হিয়াৰ সুৰ'ত মূৰ্ত মাটিৰ সুবাস		
বন কবিৰ জীৱন গাথা স্মৰণ	নবজিৎ দাস	১৯৫
বনগীতৰ ওজা রুদ্র বৰুৱা	কুলধৰ ডেকা	১৯৭
রুদ্র বৰুৱাৰ সপোন কেতিয়া ফলিয়াব	লক্ষ্মী দাস	১৯৯
পুৰণিগুদামত 'কৃষ্টিদল'ৰ উদ্যোগত কৰ্মশালা		
পাহৰণিৰ গৰ্ভত রুদ্র বৰুৱাৰ হেৰাই গৈছে বহুতো গীত	পবিত্ৰজান কলিতা	২০২
মিলিত কণ্ঠে আমি গাওঁ	অমূল্য কাকতি	২০৩
Rudra Barua : A Tribute	Satya Prasad Barua	২০৫
বৰ্ণিল ব্যক্তিত্বৰ মানুহজন "রুদ্র বৰুৱা"	জগত প্ৰসাদ বৰুৱা	২০৮
চিনাকি রুদ্র বৰুৱা	ইলা দাস	২০৯
অমৰ গীতৰ শিল্পী রুদ্র বৰুৱা	সূৰ্য গোস্বামী	২১১
স্বৰ্গীয় রুদ্র বৰুৱা চাৰ	নগেন বাজবংশী	২১২
পাহৰণিৰ গৰ্ভত লুইত কোঁৱৰ রুদ্র বৰুৱা	নবীন বুঢ়াগোহাঁই	২১৪
পকাধনৰ মাজে মাজে সৰু সৰু আলি	হেমেন হাজৰিকা	২১৬
কেঁচা মাটিৰ গোন্ধেৰে আমোল মোল সেই মানুহজন	খগেশ্বৰ পেগু	২১৭
লুইতপাৰৰ পদধ্বনি আৰু রুদ্র বৰুৱাৰ গীত		২১৯
RUDRA BARUA : FIRST DEATH - Anniversary Tribute	Swapnanil Barua	২২১

সংগ্ৰামী শিল্পী ৰুদ্ৰ বৰুৱা

(গন্ধৰ্ব্ব)

সংঘাতে কিছুমানক ভ্ৰুৰুলা কৰে, কিছুমানক বিপথগামী কৰে, কিছুমান সংঘাতৰ তাড়নাত পলায়নবাদী মনোবৃত্তিৰ মাজত হেৰাই যায, কিছুমানে আকৌ নিজৰ ভাগ্যক ধিযাই তপত হুমুনিয়াহ কাঢ়ে। তেওঁলোকৰ কাৰণে তেতিয়া পৃথিৱীখন হৈ পৰে এটা অবুজ সাথৰ – এটা নিমিলা অঙ্ক। আশাৰ নামত আহে হতাশা, আকাঙ্খাৰ নামত জিলিকি উঠে এটা বিৰাট শূন্য ০০০০০০০

কিন্তু প্ৰত্যাহ্বানী মনোবৃত্তিৰে যিজন সংঘাতৰ সম্মুখীন হয়, ক্ষণিকৰ হতাশাই বা সাময়িক দুৰ্যোগে যিজনৰ মুখৰ হাঁহি কাঢ়ি নিব নোৱাৰে; ধৈৰ্য্য, একাগ্ৰতা আৰু মনোবলে যি জনৰ বিবেকক পৰিচালিত কৰে; শেষ মুহূৰ্ত্তলৈকে যিজনক সংঘাতে ভাগৰাব নোৱাৰে, হেজাৰ সংঘাতৰ মাজতো যিজনৰ দৃঢ়তা অটুট থাকে, সংঘাত অতিক্ৰম কৰি সেইজন তেতিয়া জিলিকি উঠে জুয়ে পোৰা সোণৰ দৰে-প্ৰভাতী সূৰুযৰ দৰে। সেইজনৰ মুখত উজ্বলি উঠে তেতিয়া প্ৰত্যয় আৰু তৃপ্তিৰ মধুৰ হাঁহি। সেই হাঁহি ক্ষণিকৰ হাঁহি নহয়, সেয়া বিজয় গৌৰৱৰ অম্লান হাঁহি, সেই হাঁহি পুৰুষাৰ্থৰ হাঁহি।

কোমল শৈশৱৰে পৰা জীৱনৰ বহুতো সংগ্ৰাম বহুতো সংঘাত হাঁহি মুখে অতিক্ৰম কৰি আহি নিজৰ একাগ্ৰতা আৰু পুৰুষাৰ্থৰ বলত আত্ম প্ৰতিস্থা কৰা সকলোৰে পৰিচিত এজন শিল্পীৰ ই এক অচিনাকি সচা কাহিনী। অতীত জীৱনৰ কাহিনী। অতীত জীৱনৰ কৰুণ স্মৃতিয়ে এইজন শিল্পীক দিছে দৃঢ়তা আৰু আগবাঢ়ি যোৱাৰ প্ৰেৰণা। সেই প্ৰেৰণাৰে অনুপ্ৰাণিতহৈ জীৱনৰ বাস্তৱ অভিজ্ঞতাৰে তেওঁ এতিয়া কয়-"সংঘাতহীন জীৱনৰ মূল্য নাই। সংঘাতৰ তাড়নাত দুৰ্ব্বলহৈ পৰাজন কাপুৰুষ। সমস্যাতকৈ নিজক ডাঙৰ বুলি ভাবি আত্ম প্ৰতিষ্ঠাৰ বাবে সংগ্ৰাম কৰা, সফলতাই আপোনা আপুনি ধৰা দিব। প্ৰত্যয়ৰ হাঁহিৰে গোটেই জীৱন হাঁহিব পাৰিবা"..।

বৰ্তমান অসমৰ এই প্ৰখ্যাত শিল্পীজনৰ জন্ম হৈছিল নগাঁও জিলাৰ পুৰণি গুদাম অঞ্চলৰ "ভীমৰ" গাৱঁৰ এটি অখ্যাত কৃষক পৰিয়ালত। কোমল শৈশৱৰ মাত্ৰ ৮ বছৰ বয়সতে এওঁৰ পিতৃ বিয়োগ ঘটে। আপোন বুলিবলৈ মাক, বায়েক আৰু এজনী ভনীয়েক। পিতাক ঢুকুৱাৰ পাচতে এই সৰু পৰিয়ালটোৰ ১২ বছৰলৈ দুৰ্যোগ নুগুচে। এই পৰিয়ালটিকো দুৰ্যোগে আবৰি ধৰিলে। নিঠৰুৱা নাবালক ল'ৰা-ছোৱালী কেইটিক বুকুত সাবটি মাকে দিলে দুখৰ চকুলো টুকে। বাপতি সাহোন বুলিবলৈ ভিতৰৰ পৰাই আকাশৰ তৰা লিখিব পৰা এটি সৰু খেৰী ঘৰ আৰু কেইডৰা মান বৰ্পিত মাটিৰ বাহিৰে একোৱেই

নাছিল এওঁলোকৰ। বাৰিষা বৰষুণৰ দিনত কণ কণ ল'ৰা-ছোৱালী কেইটিক বুকুত সাৱটি মাক উজাগৰে থাকে। ৰাতিটোৰ ভিতৰতে কোঠাটোৰ ইঠাইৰ পৰা সিঠাইলৈ শোৱাপাতি চোচোৰাই ফুৰোতেই কেতিয়াবা ৰাতি পুৱায়। খোৱা পাতত ওপৰৰ পৰা উঁই, জেলুক আদি সৰি সৰি পৰে। শিল্পী হিচাপে প্ৰতিষ্ঠা লাভ কৰি পিচত এই কণমানি পৰিয়ালটোৰ একমাত্ৰ পুত্ৰ সন্তান সকলোৰে পৰিচিত শিল্পী শ্ৰীৰুদ্ৰ বৰুৱাই এৰি অহা দিনৰ স্মৃতি সুঁৱৰি ৰচনা কৰিছিলঃ "চালেদি সৰগ দেখা পঁজাটিত যেন। বাজি উঠে শতসুৰে। মোৰ মন বাঁহী"

বৰুৱা পাছলৈ আছিল অসমৰ একমাত্ৰ মহানগৰী গুৱাহাটীত-উচ্চপদস্থ চৰকাৰী বিষয়া হিচাপে-ৰাজসিক আড়ম্বৰপূৰ্ণ চৰকাৰী বাসভৱনত। ভীমৰ গাৱঁৰ সেই পঁজা কালৰ বুকুত জহি খহি শেষ হৈ গৈছে। পিতৃ পুৰুষৰ জন্মস্থান সেই ভেটিৰ মোহ তেওঁ কেতিয়াও এৰিব পৰা নাছিল। আজৰি সময়ত বিহুৰে সংক্ৰান্তিয়ে গৈ তেওঁ চন পৰি থকা সেই এৰা-বাৰীখনকেই চাই আহেগৈ।

গান্ধীজীৰ "বেক টু দি ভিলেজ" গাৱঁলৈ উভতি যোৱা মহাবাণীৰ আদৰ্শত অনুপ্ৰাণিত হৈ তেওঁ লিখা এটি গীতৰ কথা প্ৰতিজন অসমীয়াৰ নিশ্চয় মনত আছে- "অ' বন্ধু সময় পালে আমাৰ ফালে এবাৰ আহি যাবা, সহজ সৰল গাৱঁৰ জীৱন খন্তেক বৈ চাবা"......

সমস্যা সংগ্ৰাম আৰু সাধনা

পিতৃহীন চালুকীয়া বৰুৱা সময়ৰ গতিত আগবাঢ়িল। মাকে স্কুলত নাম লগাই দিলে। লগ-সমনীয়াৰ লগত তেৰোঁ স্কুললৈ গ'ল। যিটো সময়ত ল'ৰা-ছোৱালীৰ কাৰণে অভিভাৱকৰ প্ৰয়োজন আটাইতকৈ বেছি সেই সময়তে অভিজ্ঞ পৰিচালনাৰ অভাৱত বৰুৱাই ক্ৰমে উদণ্ড হৈ পৰাৰ উপক্ৰম কৰিছিল। অৱশ্যে ঘৰখনৰ দায়িত্বৰ কথা তেওঁ পাহৰা নাছিল। গাৱঁৰ নামঘৰত ভাওনা হ'লে ভাওনাথলীত তামোলপাণৰ দোকান দি, ওচৰৰ হাটবোৰত ৰবাব টেঙা, আলু, কচু, কল আদি বেচি জীৱিকা অৰ্জ্জন কৰিছিল। সেই পইচাৰে স্কুলৰ যাৱতীয় খৰচ বহন কৰাৰ উপৰিও ঘৰখনৰ অন্যান্য কামত খৰচ কৰিব লগা হৈছিল।

নানান সঙ্কট অতিক্ৰম কৰি আহি নিঠৰুৱা বৰুৱাই প্ৰাইভেটকৈ প্ৰবেশিকা পাছ কৰিলে। পৰীক্ষাৰ খবৰ ওলোৱালৈকে সেই সময়ছোৱাত তেওঁ গড়কাপ্তানি বিভাগৰ আলি মহৰী কামত সোমাল। তাৰ পিচত মাহে ২০ টকা দৰ্মহাত নগাৱঁৰ হাৰমনিয়াম দোকান এখনৰ মেনেজাৰ হ'ল।

নতুন পোহৰ

কোনো এটি চৰিত্ৰৰ উত্থান পতনৰ কথা বহুখিনি নিৰ্ভৰ কৰে সময়, পৰিবেশ আৰু সেই চৰিত্ৰৰ ওপৰত কোনো এজন বিশেষ ব্যক্তিৰ প্ৰভাৱৰ ওপৰত। ব্যক্তিগত জীৱনত

কোনো এজন বিশেষ ব্যক্তিৰ প্ৰভাৱ কোনেও অস্বীকাৰ কৰিব নোৱাৰে। ঘৰুৱা পৰিৱেশে এওঁক সংযত কৰিলে, মামীয়েক শ্ৰীমতী পদ্মা বতী হাজৰিকানীয়ে এওঁক দিলে দায়িত্ববোধ আৰু আগবাঢ়ি যোৱাৰ প্ৰেৰণা। মোমায়েক শ্ৰীমাণিক হাজৰিকাৰ বৰপুত্ৰ শ্ৰীঅৰুণ হাজৰিকা সেই সময়তে চৰকাৰী কামত নগাৱলৈ বদলি হৈ আহে বৰুৱাৰ জীৱনত মোমায়েক, তেওঁৰ পুতেক শ্ৰীঅৰুণ হাজৰিকা আৰু মামীয়েকৰ প্ৰভাৱ তেওঁ শ্ৰদ্ধাৰে সোঁৱৰে। মামীয়েক পদ্মাৱতী হাজৰিকানীৰ বিষয়ে নতুন অসমীয়াৰ মহিলা চৰাত অসমৰ গুণী মহিলা হিচাপে ১৯৬৬ চনৰ ১৩ অক্টোবৰ বৃহস্পতিবাৰৰ সংখ্যাত "শ্বিলঙৰ বৰ-মা" শীৰ্ষক এটি পৰিচিতি প্ৰকাশ হৈ গৈছে।

ইয়াৰ উপৰিও স্কুলীয়া অৱস্থাতে বৰুৱাই নগাৱঁত কেইজনমান ৰাজনৈতিক কৰ্মীৰ সংস্পৰ্শ লাভ কৰে। সেই সময়তে ১৯৪৬/৪৭ চনত তেওঁ অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছৰ সংগঠক সম্পাদক নিৰ্ব্বাচিত হয়। এই অনুষ্ঠানে আৰু এই অনুষ্ঠান সম্পৰ্কত লগ পোৱা বিভিন্ন ব্যক্তিৰ সংস্পৰ্শই বৰুৱাক সামাজিক সচেতনতা দান কৰিলে।

১৯৪৮ চনত নগাঁও কলেজৰ পৰা আই, এ, পৰীক্ষা পাছ কৰি তেওঁ গ'ল শ্বিলঙলৈ। শ্বিলঙতেই বৰুৱাৰ চাকৰি জীৱনৰ আৰম্ভ হয়। তেওঁ প্ৰথমতে সমবায় বিভাগত কেৰাণী হিচাপে চাকৰি জীৱনৰ পাতনি মেলি ৰাতিৰ কলেজত নাম লগায় আৰু শ্বিলঙৰ এন্থনী কলেজৰ পৰা বি, এ পৰীক্ষা পাছ কৰে। প্ৰথম অৱস্থাত শ্বিলঙত তেওঁ মোমায়েক শ্ৰীমাণিক হাজৰিকাৰ ঘৰত থাকিবলৈ লয়। মুঠ কথাত কবলৈ হ'লে শিল্পী বৰুৱাই কৰ্মস্থল শ্বিলঙতেই নতুন জীৱন লাভ কৰে।

শিল্পী ৰুদ্ৰ বৰুৱাৰ শিল্পী জীৱনৰ খবৰ বিচাৰি অলপতে তেওঁক লগ ধৰিছিলো। সঙ্গীত সাধনাৰ প্ৰেৰণা তেওঁ প্ৰথমতে ক'ৰ পৰা পাইছিল বুলি কৰা এটা প্ৰশ্নৰ উত্তৰ দি শ্ৰীবৰুৱাই স্বভাৱ -সুলভ হাঁহি মাৰি কৈছিল:

"অসমৰ যি কোনো শিল্পীক যদি প্ৰশ্ন কৰে তেওঁ গীত ক'ত শিকিলে, আপুনি সেই প্ৰশ্নৰ পোনপটীয়া উত্তৰ পোৱা টান। গীত গাবৰ কাৰণে বিজ্ঞান সন্মত ভাবে সঙ্গীত সাধনাৰ যি প্ৰয়োজন তেনেকুৱা এটি নিৰ্ভৰযোগ্য সঙ্গীত বিদ্যালয়ৰ অভাৱ আমাৰ এতিয়াও আঁতৰা নাই। কনৰ চৰাইৰ দৰেই অসমৰ গায়ক-গায়িকা স্বভাৱজাত শিল্পী এনে এটা পৰিবেশৰ মাজত অসমৰ শিল্পীয়ে এটা মানদণ্ড ৰাখিব পৰাটো ভাবিবলগীয়া কথা।

মোৰ নিজৰ বিষয়ে ক'বলৈ হ'লে মই হ'লো গাৱঁৰ ল'ৰা, পৰম্পৰাই মোক গীত গাবলৈ শিকালে। মোৰ ঘৰৰ গাতে লাগি আছিল এটি নামঘৰ। পুৱাৰ পৰা গধূলিলৈকে এই নামঘৰৰ নাম-প্ৰসঙ্গ শুনিছিলো, ভাওনা চাইছিলো, ভাওনাত ভাওলৈ বিলাপ, পয়াৰ আদি গাইছিলো। আনকি নেলাগে মাহ-প্ৰসাদ আৰু পকামিঠৈৰ আশাত নামঘৰত হোৱা গোপিনী সবাহো বাদ দিয়া নাছিলো। গৰু চৰাবলৈ গৈ মুকলি পথাৰত বিহু গাইছো, খৰি

লুৰিবলৈ গৈ বনগীত নাইবা বেমাৰীৰ ওচৰত বহি বুঢ়াসকলৰ লগত কীৰ্ত্তন নামঘোষা আদি সুৰ লগাই গাইছো। এনেবোৰ অভিজ্ঞতাই কব নোৱাৰাকৈ মোক গীত গাবলৈ শিকালে পিচৰ জীৱনত সেয়ে মোৰ কাৰণে সঙ্গীত সাধনাৰ প্ৰেৰণা হ'ল বুলি মই এতিয়া ক'ব পৰা হৈছো।

আধুনিক গীত শিকিবৰ কাৰণে তেতিয়া আমাৰ গাওঁ অঞ্চলত গ্ৰামোফনৰ ৰেকৰ্ড শুনাৰ বাহিৰে অন্য উপায় নাছিল। আমাৰ ঘৰৰ পৰা ২ মাইল মান আঁতৰত আমাৰ সম্পৰ্কীয় এজন অৱস্থাপন্ন মানুহৰ ঘৰত এটা গ্ৰামোফন আছিল। তেওঁ "জেনিথ কোম্পানী"ৰ টিকট বেচি সেই গ্ৰামোফনটো পাইছিল। তেওঁৰ ঘৰলৈ বাট-কুৰি বাই গৈৰেকৰ্ড শুনি শুনি প্ৰথমতে আধুনিক গীত শিকিলো। এনেকৈ শিকিয়েই হাইস্কুলৰ বঁটা বিতৰণী সভাত গান গাব পৰা হ'লো। আমাৰ শিক্ষাগুৰু শ্ৰীনৰেণ শৰ্ম্মাই এটি ভাটিয়ালী গীত লিখি নিজে সুৰ দি মোক গাবলৈ শিকাইছিল। পাচত সেই গীতটোকে আমাৰ গাবঁৰ ওচৰে পাজৰে হোৱা থিয়েটাৰ ভাওনা আদিত গাবলৈ সুবিধা পাইছিলো।

কলেজীয়া জীৱনত খিলঙত থাকোতে মামাইতৰ ঘৰত এটা সঙ্গীত মুখৰ পৰিবেশ পাই পিচত নিয়মীয়াকৈ গীত গোৱা আৰু সঙ্গীত সাধনা কৰাৰ সুবিধা পালো। সেই সময়তে শাস্ত্ৰীয় সঙ্গীতৰ সাধাৰণ জ্ঞান লবৰ কাৰণে দুই এজন শিক্ষকৰ তলত শিক্ষা লোৱাৰ সুবিধা পাওঁ। মামাৰ পুতেক শ্ৰীতৰুণ হাজৰিকা (ৰূপহীৰ নায়ক), কমল হাজৰিকা, অৰ্পণা হাজৰিকা আদি আটাই কেইটাই গান গাইছিল। মামাইতৰ ঘৰৰ সেই সঙ্গীত মুখৰ পাৰবেশেই প্ৰকৃততে মোক গান গোৱাৰ প্ৰেৰণা দিলে।

মই প্ৰথম গীতটো ৰচনা কৰো ১৯৪৬/৪৭ চনত। গীতটো হ'ল –

কাৰ জানো পৰশত
ফুলি উঠি মোৰ
মাধৈ মালতী পাহি

পাচত ১৯৪৮ চনত এই গীতটোকে মই প্ৰথম ৰেডিঅ'ত গাইছিলো। তাৰ পাচত খিলঙত বহা অসম সাহিত্য সভাৰ অধিবেশনত "অ' মইনা চেনাই তোৰ ওঁঠৰ হাঁহি হৰিলে কোনে," কিছুদিন পাচত কটন কলেজত "তাতৰ দোৰেপতি চলাই ঘনে পতি" আদি গীত কেইটা গাইছিলো। এই গীত দুটাৰ যোগেদিয়েই মই অসমীয়া সমাজৰ মৰমৰ মাজত সোমাই পৰিছিলো কিজানি। তেজপুৰত হোৱা আন্তঃকলেজ সঙ্গীত সম্মিলন মোৰ শিল্পী জীৱনৰ পাহৰিব নোৱাৰা কথা। সেই সম্মিলনৰ সঙ্গীতানুষ্ঠানত মই ৰাইজৰ অনুৰোধত শেষ নিশা একাধিক গীত গাব লগা হৈছিল।

১৯৪৮ চনৰ পৰাই অনাতাঁৰ কেন্দ্ৰ আৰু বিভিন্ন ৰাজহুৱা অনুষ্ঠানত মই গান গাই আহিছো। সকলো অনুষ্ঠানত সমানে জনপ্ৰিয়তা অৰ্জন কৰিব পাৰিছো বুলি কোৱা টান

যদিও গীতবোৰত থকা কথিত ভাষাৰ প্ৰাধান্য আৰু চিনাকি অসমীয়া সুৰ-সংযোজনা, সহজ বিষয়বস্তু অসমীয়া ৰাইজে ভাল পায় বুলি মোৰ বিশ্বাস আছে। মই নিজেও এই ধৰণৰ গীতেই ভাল পাওঁ, প্ৰাণদি গাব পাৰো। সেই কাৰণে মোৰ চিন্তাধাৰাৰ লগত মিল থকা কেৱল এজন গীতিকাৰৰ গীতকেই মই গাওঁ ; সৰ্বসাধাৰণ চহা জীৱনক কেন্দ্ৰ কৰি, গাঁওৱা ৰাইজৰ সুখ দুখৰ বৰ্ণনাৰে ৰচনা কৰা বনগীত নামৰ এই শ্ৰেণীৰ গীত মোৰ ভাল লাগে।

মাজতে প্ৰশ্ন কৰিছিলো -- "অসমীয়া শিল্পীসকলৰ মাজত বৰ্ত্তমান বনগীতৰ প্ৰচলন কমি অহাৰ কাৰণ বাৰু আপুনি কি বুলি ভাবে? তেওঁ উত্তৰ দিলে চহৰমুখী সভ্যতাই ঘাই কাৰণ। আজিৰ জগতত সাহিত্য, সঙ্গীত, কলা-সংস্কৃতি সকলোবোৰ চহৰৰ পৰাই গাৱঁলৈ যায়। চহৰত ৰভাদি পতা বিহুৰ অনুকৰণ গাওঁ অঞ্চলতো পৰিলক্ষিত হৈছে। গাৱঁৰ পৰা চহৰত পঢ়িবলৈ অহা নাইবা চাকৰি কৰিবলৈ অহা সঙ্গীতত ৰাপ থকা ল'ৰাবোৰ বিহুৰ সময়ত বেঞ্জ বা 'গীটাৰ' একোখনলৈ ঘৰলৈ যায়; বিহুগীতৰ পৰিবৰ্ত্তে তেওঁলোকে গাৱঁত বিলাই দিয়েগৈ একোটি অচিনাকি নতুন সুৰ।

"যাযাবৰে' ক'বৰ দৰে "ফেশ্বান বস্তুটো পানীৰ দৰে। ই তলৰ পৰা ওপৰলৈ আৰু ওপৰৰ পৰা তললৈ গতি কৰে। ইয়াৰ অহাৰ বাটত কোনো 'কাষ্টম ডিউটি' নাই কোনো 'চেকগেট' নাই"। বোধকৰো গ্ৰাম্য জীৱনৰ পৰা সাহিত্যিক শিল্পী আৰু সঙ্গীত শিল্পীসকল বিচ্ছিন্ন হৈ পৰাৰ লগতে চহৰে সাহিত্য সংস্কৃতিৰ গুৰি ধৰা নিজৰ সুঁতত লোৱাত এনেধৰণৰ গীত মাতৰ চৰ্চ্চা কমি আহিছে। এইবোৰ চৰ্চ্চা কৰিবলৈ হ'লে জন জীৱনৰ লগত শিল্পী সাহিত্যিকৰ ওচৰ সম্বন্ধ গঢ়ি তুলিব লাগিব।

শিল্পী হিচাবে আপোনাৰ উদ্দেশ্য বা চিন্তাধাৰা কি বুলি কৰা আমাৰ এটা প্ৰশ্নৰ উত্তৰত ৰুদ্ৰবাই হাঁহি মাৰি উত্তৰ দিছিলে --

"মই নিজে উপলব্ধি কৰিছো জনজীৱনৰ পৰা মই যেন ক্ৰমে আঁতৰি আহিছো। মোৰ কাৰণে এই পৰিস্থিতি বৰ বেদনাদায়ক হৈ পৰিছে। মই আকৌ কেনেকৈ জনজীৱনৰ ওচৰ চাপিব পাৰো সেই চেষ্টাতে আছো। মোৰ উদ্দেশ্য গীতৰ মাজত জনজীৱনৰ সুখ-দুখ চিত্ৰিত কৰা। মই সংসাৰী শিল্পী। সেয়ে দুটা হাতে দুটা মাণ্ডৰ মাছ ধৰা টানহৈ পৰে। অৱশ্যে গাৰ্হস্থ্য জীৱনে মোৰ সঙ্গীত সাধনাত অকণো ব্যাঘাত জন্মোৱা নাই, বৰঞ্চ এই বিষয়ত পৰিয়ালৰ ত্যাগ আৰু অনুপ্ৰেৰণাই মোক অনুপ্ৰাণিতহে কৰিছে।

বহুতে ভাবে মোৰ বৰ্ত্তমানৰ চাকৰিয়ে সঙ্গীত সাধনাত মোক সহায় কৰিছে। সঁচা কথা অসমৰ আৰু ভাৰতৰ বিভিন্ন অঞ্চলৰ নৃত্য গীতৰ লগত সম্যক পৰিচয়ৰ বাবে মোৰ জীৱন আৰু জীৱিকাই মোক সহায় কৰিছে। কিন্তু কথা হ'ল সুকুমাৰ কলা চৰ্চ্চাৰ বাবে মনটো ভাৱাক্ৰান্ত হৈ থাকিলে ইচ্ছা থাকিলেও সময়ৰ অভাৱত বহু কাম পিচ পৰি

যায়। অল ইণ্ডিয়া ৰেডিঅ' সম্পৰ্কত তেওঁৰ মন্তব্য কি বুলি প্ৰশ্ন কৰাত তেওঁ কলে --

গুৱাহাটী কেন্দ্ৰৰ লগত ঘোষকৰ পৰা আৰম্ভ কৰি– 'প্লে-ৰাইট' গীতিকাৰ, অভিনেতা, গায়ক আদি বিভিন্ন বিভাগত আৰম্ভণিৰে পৰা মই সংশ্লিষ্ট আছো। ইয়াৰ সৰ্ব্বভাৰতীয় নীতি-নিয়ম কিছুমানৰ কাৰণে অসমৰ সঙ্গীত জগতত সীমাবদ্ধতাৰ লগত খাপ খুউৱা বৰ কঠিন। আজি কালি এই নিয়মৰ বহুখিনি শিথিল কৰি দিয়া হৈছে যদিও স্থানীয় অবস্থাৰ লগত খাপ খুৱাব পৰাকৈ কৰিব লগা এতিয়াও বহু বাকী আছে।

লোকগীত প্ৰচাৰৰ কাৰণে ৰেডিঅ' ষ্টেশ্যনে গাওঁ অঞ্চলৰ পৰা যথেষ্ট দল বা শিল্পী মাতি আনি অনুষ্ঠান পৰিবেশন কৰাইছে। কিন্তু তদাৰক কৰিবলৈ মানুহ নহ'লে গাৱঁৰ শিল্পীসকলে আচহুৱা অসহায় অবস্থাত ষ্টুডিঅ'ত সোমাই বিমোৰত পৰাটো অস্বাভাবিক নহয়।

অসমৰ নৃত্য গীতৰ ওপৰত মন্তব্য কৰি বৰুৱাই কয় যে অসমৰ নৃত্য গীতৰ এক স্বকীয় বৈশিষ্ট্য আছে। অসমৰ বাহিৰত এই নৃত্য গীতৰ সমাদৰ আমি সকলো ঠাইতেই পাইছো। মাত্ৰ অসমৰ নৃত্য গীতৰ উৎকৰ্ষ সাধনাৰ কাৰণে এটা সামূহিক প্ৰচেষ্টাৰ দৰকাৰ।

ভাতৰ নিসনি খাই, নাহৰ গুটি জ্বলাই তাৰ পোহৰত শিক্ষাৰম্ভ কৰা শিল্পী ৰুদ্ৰ বৰুৱা এজন শিল্পীয়েই নহয় তেওঁ এতিয়া অসম চৰকাৰৰ তথ্য আৰু জনসম্পৰ্কৰক্ষী বিভাগৰ দায়িত্বপূৰ্ণ উপসঞ্চালক। বিগত দিনৰ দুখপূৰ্ণ দিনবোৰৰ কথা সুঁৱৰি তেওঁ এতিয়া হাঁহি হাঁহি কয়-"তেতিয়া যি কৰিছিলো সেইখিনি কৰ্ত্তব্যৰ আহ্বানত কৰিছিলো। সেই খিনিত দুখ কৰিব লগা কিবা আছে বুলি কোনো দিনেই ভবা নাছিলো। এতিয়াহে ভাবিছো সেইখিনি দুখত পৰিয়েই কৰিব লগা হৈছিল। সেই সংঘাতপূৰ্ণ জীৱন সোঁৱৰণে মোক এতিয়া হাঁহি হাঁহি জীয়াই থকাৰ অনুপ্ৰেৰণা দিছে।

(বিঃদ্ৰঃ ৰুদ্ৰ বৰুৱাৰ জীৱিত কালত লোৱা সাক্ষাৎকাৰ)

❖ ❖ ❖

পকা ধানে ৰিঙিয়াই মাতে

আৰতি বৰুৱা

হালোৱা ল'ৰাৰ পৰা সঞ্চালক হ'লোগৈ। ইয়াতকৈ মই ব্যক্তিগত জীৱনত একো নিবিচাৰো; কিবা নহ'ল বুলি আক্ষেপ কৰিবলৈকো একো নাই।

সঁচাকৈয়ে ৰুদ্ৰ বৰুৱাৰ জীৱন কাহিনী সাঁথৰৰ দৰে, মই যদি লিখিকা হলোহেঁতেন তেনেহ'লে এই কাহিনীবোৰেই নাটক বা গল্পলৈ ৰূপান্তৰিত হ'লহেঁতেন। কিন্তু এই বিষয়ত মই অনভিজ্ঞ; তথাপিও জীৱন লগৰী হিচাপে তেওঁৰ বিষয়ে যিখিনি জানো, তাকেই আজি তেখেতৰ পুণ্যতিথিত পাঠকসকললৈ আগবঢ়ালো।

ৰুদ্ৰ বৰুৱা বুলিলেই বাইজৰ মনলৈ আহিব ' পকা ধানৰ মাজে মাজে সৰু সৰু আলি' বোলা গীতটিলৈ। চকুৰ আগলৈ ভাহি আহে সঁচাকৈয়ে যেন সাত বছৰ বয়সতেই পিতৃহাৰা ল'ৰাজনে পকা ধানৰ মাজৰ সৰু সৰু আলিয়েদি গৈ বালিমাটী চৰাইবোৰলৈ চাই কিবা এটা অনাবিল আনন্দ পাইছিল আৰু কুমলীয়া মনটোৱে গীতৰ উৎস বিচাৰি পাইছিল।

তেওঁৰ অতীতৰ কথা বিশেষকৈ সৰু কালছোৱাৰ কথা যেতিয়া মোক আৰু ল'ৰাকেইটাক খোৱাৰ মজিয়াত বহি কৈ গৈছিল, আমি তবধ মানি নিজকেই প্ৰশ্ন কৰিছিলো এইবোৰ সঁচানে বাৰু?

নিচেই কুমলীয়া কালতেই নিঃসহায় মাতৃক সহায় কৰাৰ উদ্দেশ্যে পথাৰত বোৱা-দোৱা কৰাৰ উপৰিও মেটমৰা ধানৰ ডাঙৰি কটিয়াই ঘৰলৈ নিওঁতে কেতিয়াবা বলে নোৱাৰি কান্দি পেলাইছিল; কেতিয়াবা খংটো গৈ বায়েক, ভনীয়েকৰ ওপৰত জাৰিছিল। খেতিৰ ভাতকেইটা আৰু মাকে বৈ- কাটি বায়েক আৰু ভনীয়েক দুগৰাকীৰ সৈতে কোনোমতে জোৰা টাপলি মাৰি পৰিয়ালটো চলাইছিল। কেতিয়াবা হাঁহাকাৰে এনেকৈ আগুৰি ধৰে যে বাৰীৰ ৰবাবটেঙা, নাৰিকল, তামোল বজাৰত বেচি দুপইচা আনিব লগীয়া হৈছিল। কেৰাচিনৰ অভাৱত নাহৰগুটি জ্বলোৱা, পেটৰ ভোকৰ তাড়ণাত ভাতৰ নিসনি আৰু ভীম কলেৰে ভোক পলুওৱা আদি দুখৰ কথাবোৰ ক'লে কোনোবা ভিক্ষাৰী পিচত ৰজাৰ কোঁৱৰ হোৱা ৰূপ কথা কোৱা যেন লাগে। ঘৰ বুলিবলৈ আছিল টোকোৰা পঁজাটি ছালেদি সৰগৰ তৰা লেখিব পৰা আৰু এই মনোবেদনা প্ৰকাশ পাইছিল অষ্টমমান শ্ৰেণীত থাকোঁতেই তেওঁ লিখা এই গীত কাঁকিত —

'ছালেদি সৰগ দেখা পঁজাটিত মোৰ ৰাতি উঠে শত সুৰে মন বাঁহী।' ঘৰৰ দুখ লগা অৱস্থাৰ কাৰণেই বতাহ-ধুমুহালৈ আছিল ভীষণ ভয়। সেই ভয়ে কুমলীয়া মনত ইমান

দকৈ সাঁচ বহুৱাইছিল যে পিচলৈকো বতাহ-ধুমুহা আহিলে বিচনাৰ তলত সোমাইছিল। তাকে দেখি আমি সমানে ৰঙো পাইছিলো আৰু গালিও খাইছিলো।

মাটিৰ গোন্ধে মতলীয়া কৰা স্বভাব শিল্পীজনে গাৰৈ-ভূঞা, কলঙৰ দুয়োপাৰে নাদুৰি সাতুৰি ভাওনা, সবাহ, বিহু আদিৰ সোৱাদ লৈ ফুৰিছিল। ঘৰৰ ওচৰতে থকা বৰ নামঘৰৰ পৰা ভাঁহি অহা কীৰ্ত্তন, দশম, ঘোষাৰ পদ তেওঁৰ কাণত অহৰহ বাজি আছিল আৰু সেইবোৰকে ভিত্তি কৰি, নিজস্ব শৈলীৰে তেওঁ ৰচিছিল বহুতৰে মন চুই যোৱা আপোন আপোন লগা গীত. নিজৰ গাঁৱৰে এগৰাকী খুজি-মাগি খোৱা তিৰোতাৰ পৰা তেওঁ আহৰণ কৰিছিল বহুতো বিয়া নাম, আইনাম, গোসাঁইৰ নাম আৰু এই বাইটিৰে জীৱন ৰূপ প্ৰতিফলিত কৰিছিল তেওঁৰ 'হঁয়েৰা জেতুকী বাই চুলি তোৰ পকালি, দাঁতবোৰ সৰালি' বোলা জনপ্ৰিয় গীতটিত।

পত্নীৰ সৈতে ৰুদ্ৰ বৰুৱা

ল'ৰালি কালত কৰা দুষ্টালিবোৰৰ কথা এতিয়াও গাঁৱৰ বুঢ়ালোকৰ মুখে মুখে। গৰু চৰাবলৈ গৈ চাপৰিত কৰা উত্তগুলি, বৰ নামঘৰত সজাই থোৱা শৰাইৰ পৰা কল চুৰ কৰি খাই দণ্ড ভৰা আদিৰ কথা কৈ পিচত বৰ আমোদ পাইছিল। স্কুলতো শিক্ষকৰ অনুশাসন মানি নচলাৰ কাৰণে মাজে মাজে চেকনিৰ কোব খাইছিল, ঘৰতো সম্বন্ধীয়া দদায়েক-ককায়েকহঁতৰ পৰা সাৰিব নোৱাৰিছিল।

মাকৰ কঠোৰ শাসনৰ বাবেই বোধকৰো পঢ়া-শুনাৰ দিশটোত আওকাণ কৰিব নোৱাৰিছিল। ঘৰুৱা শিক্ষকৰ অভাৱত বাটেদি যোৱা চিনাকি এজনক দেখিলে মাকে মাতিছে বুলি ঘৰলৈ আনি অঙ্কটো কেনেকৈ কৰে বুজি লৈছিল।

গান-বাজনাৰ প্ৰতি ৰাপ আছিল অগাধ। ঘৰৰ পৰা চাৰি মাইল দূৰৈত থকা এটা গ্ৰামোফ'নত ৰেকৰ্ড বজাই গীত শুনি শিকিবলৈ সদায় বাটকুৰি বাইছিল। গান গাবলৈ পোৱাৰ চখতে এগৰাকী নৱৌৰেকক মাকৰ ঘৰত থবলৈ গৈ সেই অঞ্চলত গান গাই প্ৰায়েই পুৰস্কাৰ আনিছিল।

দুখ, দৈন্যৰ লগত যুঁজি ভাগৰি নপৰা ৰাগ-জাল নাইকিয়া মানুহজনৰ মুখত আছিল এটা হাঁহি। লৰাইতক সদায়ে এইখিনি কথা কৈ সোঁৱৰাই দিছিল - 'সংগ্ৰামহীন জীৱনৰ নাই একো দাম', 'সাঁতোৰ সাঁতোৰ বাউসীৰ বলে সাঁতুৰিব নোৱাৰিলে যা ৰসাতলে।

নিজৰ ভৰিত নিজে থিয় হোৱা মানুহজনে কেনেকৈ এটা সময়ত ২০, ২৫ মাইল বাট চাইকেল মাৰি গৈ ৰ'ড মহৰীৰ কাম কৰিছিল, কেনেকৈ এক অনা পইচাৰ কাৰণে চানচুৰবালাৰ লগত কাগজ সলাই লৈছিল, দেৱালীৰ দিনা ফুলজাৰি এডালৰ কাৰণে সমনীয়াক কিমান বিব্ৰত কৰিছিল — কথাবোৰ ক'লে আমি মুখখনত হাত দি বাধা দিও। মহৰীৰ কাম কাৰ থকা কালছোৰাত আমগুৰি বাগিছাত এজনী বনুৱা ছোৱালীয়ে গা ধুই কাষত কলচী ভৰাই অনা দৃশ্যই তেওঁক এনেকৈ অভিভূত কৰিছিল তাৰ পিচদিনাই তেওঁৰ কণ্ঠৰ পৰা নিগৰি ওলাই আহিছিল — 'কাষত কলচী হালি, জালি কোন মেনকা আহে

কৈশোৰতেই দেশৰ স্বাধীনতা সংগ্ৰামত লাগি ছাত্ৰ কংগ্ৰেছৰ কাম কৰি খেৰণিয়ে বননিয়ে ঘূৰি ফুৰিছিল। তেতিয়াই দেশপ্ৰেমমূলক গীত ৰচি গাবলৈ ধৰিলে। সংগ্ৰামী মনটো ইমান চূড়ান্ত হ'লগৈ যে এদিন খৰম আৰু ধুতি পিন্ধি স্কুললৈ যাওঁতে শিক্ষকে ক্লাছৰ পৰা উলিয়াই দিছিল।

স্কুলীয়া শিক্ষা শেষ কৰি কলেজীয়া শিক্ষালৈ মন মেলিলে কিন্তু আকৌ একে চিন্তা পঢ়াৰ সমল ক'ত? পৰিয়ালৰ কেইবাজনে পৰামৰ্শ দিলে পঢ়া-শুনা বন্ধ দি চাকৰি কৰিবলৈ। কিন্তু ভাগ্যৰ সন্তান বকৰাই ভাগ্যৰ বলতেই আকৌ এগৰাকী মৰমিয়াল নাৰীৰ সংস্পৰ্শলৈ আহিল। মাজু মামীয়েক শ্ৰীমতী পদ্মাৱতী হাজৰিকাই বকৰাক কলেজীয়া শিক্ষাৰ কাৰণে লৈ আহিল নগাৱঁত থকা তেওঁৰ বৰ পুতেকৰ (শ্ৰীঅৰুণ হাজৰিকা) ঘৰলৈ। অনিবাৰ্য্য কাৰণবশতঃ মোমায়েকৰ পৰিয়াল নগাওঁ এৰি শ্বিলঙলৈ গুচি আহিবলগীয়া হোৱাত বৰদেউতাক 'কালীনাথ বকৰাৰ ঘৰত কিছুদিন থাকে আৰু তাৰ পৰাযেই আই-এ পৰীক্ষা পাছ কৰে। এইদৰে ঠাই বাগৰি, হাৰমণিয়ামৰ দোকানত কাম কৰি, ঘৰুৱা শিক্ষকতা কৰি নগাঁৱৰ কলেজীয়া জীৱন কটালে। নগাওঁ কলেজৰ অধ্যক্ষ শ্ৰীমহেশ দেৱ গোস্বামীয়ে তেওঁক আৰ্থিক সহায় কৰি আই -এ পৰীক্ষাৰ সময়ত সকাহ দিলে। মাজু মোমায়েক আৰু সৰু মোমায়েকে শ্বিলঙত চাকৰি যোগাৰ কৰি দিয়াত বকৰা শ্বিলঙলৈ গ'ল আৰু তাতে দিনত চাকৰি কৰি ৰাতি এন্থনী কলেজত পঢ়িবলৈ ল'লে।

প্ৰচাৰ বিমুখ শিল্পী ৰুদ্ৰ বকৰাক নগাঁৱৰ বাইজে তেতিয়াই চিনি পালেও শ্বিলঙলৈ যোৱাৰ পিছতহে তেওঁ অসমৰ এজন আগশাৰীৰ গায়ক হ'ল। এইখিনিতেই উল্লেখযোগ্য

যে শিল্পী, নাট্যকাৰ চন্দ্ৰ ফুকন, শ্ৰীসাৰদা কান্ত বৰদলৈ আদিৰ অমৰ সৃষ্টি 'পিয়লি ফুকন' নাটকত বৰুৱাই সদায়েই বৰাগীৰ গীত গাইছিল আৰু নগাৱঁত থকা দিনকেইটাত আমোলাপট্টি নাট্য মন্দিৰৰ এজন সক্ৰিয় কৰ্মী আছিল। মোমায়েক মানিক চন্দ্ৰ হাজৰিকাৰ শ্বিলঙৰ ময়দান লাবানত থকা ঘৰখনত গান-বাজনাৰ চৰ্চা থকা হেতুকে মোমায়েকৰ ল'ৰা-ছোৱালীৰ লগত গান-বাজনা কৰিবলৈ সুযোগ পাই আৰু তাতেই বৰ্তমান বোম্বাইত থকা কবি নৱ বৰুৱাৰ সান্নিধ্যই গান বাজনাত দুগুণে উৎসাহ জগালে।

বৰ্তমান গুৱাহাটীৰ অনাতাঁৰ কেন্দ্ৰৰ সেইখিনি সময়ত শ্বিলঙতো এটা কেন্দ্ৰ আছিল। চাকৰি আৰু পঢ়াৰ মাজতেই তেওঁ সেই কেন্দ্ৰত গীত পৰিবেশন কৰিবলৈ ল'লে। এটি মিঠা কণ্ঠেৰে সেই কেন্দ্ৰতে প্ৰথম স্বৰচিত গীত গালে— 'আজি কাৰ জানো পৰশত ফুলি উঠে মোৰ মাধৈ মালতী পাহি।'

জীৱনৰ এই কালছোৱায়েই বোধকৰো আটাইতকৈ সঙ্গীত মুখৰ হৈ উঠিছিল। নিজস্ব শৈলী আৰু মাটিৰ গোন্ধ থকা নিভাঁজ থলুৱা ঠাচৰ গীত পৰিবেশন কৰি ৰাইজৰ ভূয়সী প্ৰশংসা পালে। গীতি কবি পাৰ্বতী প্ৰসাদ বৰুৱাই তেতিয়া শ্বিলঙলৈ গ'লেই তেওঁক মতাই আনি গীত শুনে।

শ্বিলঙৰ অসমীয়া সমাজখনত ৰুদ্ৰ বৰুৱা ওৰফে 'ছাৰ বা বাপুদা' ইমানেই জনপ্ৰিয় হ'ল যে সকলোৱে তেওঁৰ ওচৰলৈ আহি গীত শিকিবলৈ লয়। তাৰ মাজতেই আবিষ্কাৰ কৰিলে বৰ্তমানৰ স্বনামধন্য শিল্পী শ্ৰীখগেন মহন্তক। ধনে (খগেনে) অতি সোনকালে তেওঁ বিচৰা মতে গীতবোৰ আয়ত্ব কৰি ল'ব পাৰিছিল কাৰণে বৰ ভাল পাইছিল।

সাধাৰণতে বৰুৱাই স্বৰচিত গীত গালেও, অসমৰ দুই-এক প্ৰখ্যাত গীতিকাৰৰ গানো গাইছিল নিজৰ মনেৰে সুৰদি। তাৰ ভিতৰত শ্ৰীকেশৱ মহন্তৰ জনপ্ৰিয় গীত -- 'কলৰে পাততে কাউৰী পৰে' 'আমাৰ মন পথাৰৰ লহপহীয়া ৰাওধানবোৰ' 'বৰষুণৰ বতৰত মইনা নুঠে মটৰত' উল্লেখযোগ্য।

অসমৰ চুকে-কোণে গৈ গীত গাই, গীতৰ মাজেৰে ভাষণ দি তেওঁ নিজেও তৃপ্তি পাইছিল আৰু আনকো আনন্দ দিছিল। গীত পৰিবেশনৰ বা নিমন্ত্ৰণ কৰি আনি কোনোবাই পাৰিশ্ৰমিক দিলে তেওঁ সদায় হাঁহি মুখে ওভোতাই দিছিল। গীত পৰিবেশন কৰা চাৰিটা স্মৰণীয় দিনৰ কথা প্ৰায়েই উনুকিয়াইছিল। সেইদিনকেইটা হ'ল শ্বিলঙত বহা অসম সাহিত্য সভাৰ অধিবেশন, গীত আছিল "অ মইনা চেনাই তোৰ ওঁঠৰ হাঁহি হৰিলে কোনে।" তাৰ পিছৰ দিনটো হ'ল গুৱাহাটীৰ কটন কলেজত হোৱা আন্তঃ কলেজ সংগীত প্ৰতিযোগিতাত গোৱা গীতটি — "ভাঁতৰ দোৰেপত্তি চলাই ঘনে পত্তি"। তৃতীয়তে তেজপুৰত বহা সদৌ অসম সংগীত প্ৰতিযোগিতাত পৰিবেশন কৰা গীত দুটি — "আমাৰ মন পথাৰৰ লহপহীয়া ৰাও ধানবোৰ" আৰু "গুৰি পথাৰত ঐ আহতৰ তলতে বৈ।"

চতুৰ্থতে শ্বিলঙৰ হাইদৰী পাৰ্কৰ বঙালী বিহু সন্মিলনত গোৱা গীতটি ৰুখা আছিল - "ধিমিক ধামাক সৌ জ্বলে অ' লুইতত, পাতৰ আৰে আৰে চুচুক চামাক"। সেইদিনা তেওঁৰ লগত তবলা সঙ্গত কৰা শ্ৰীবিবেকানন্দ ভট্টাচাৰ্য্যৰ তবলাবাদন আজিও যেন মোৰ কাণত লাগি আছে।

পিচৰ ফাললৈ বৰুবাই এৰাব নোৱাৰা অৱস্থাত পৰিলেহে গান গাইছিল। তেওঁ এটা কথাত সদায়েই সজাগ আছিল – জনপ্ৰিয়তা ৰক্ষা কৰিবলৈ হ'লে বসতে নামটো থব লাগে আৰু উঠি অহা চামক সুযোগ সুবিধা দিব লাগে।

ৰুদ্ৰ বৰুৱাৰ শিল্পী জীৱনটোলৈ উভতি চালে প্ৰথমেই চকুত পৰিব শ্বিলং কলা পৰিষদক জন্ম দি তাত থৈ যোৱা তেওঁৰ অৱদানবোৰলৈ। শ্বিলঙত এ 'কই পাঞ্জনো চাকৰি কৰা বন্ধুৱে গোট খাই একাণপতীয়াকৈ অনুষ্ঠানটোত লাগি বহুতো আঁচনি প্ৰস্তাৱ কৰিলে তাৰে মুখ্য আঁচনি আছিল আওপুৰণি সংস্কৃতিবোৰ বুটলি আনি লোক চাপি জাৰ নতুনকৈ ৰূপ দিয়া। মহাপুৰুষ দুজনৰ অঙ্কীয়া নাটবোৰত নতুনত্ব আনি ৰূপ স্থাপন কৰাত এই পৰিষদ বাটকটীয়া বুলিলে বোধকৰো ভুল নহ'ব। পৰীক্ষামূলক ভাবে পুৰণিৰ আধাৰত নতুনত্ব আনি মঞ্চস্থ কৰা এই পৰিষদৰ নাট সমূহ যেনে ৰুক্মিণীহৰণ, পাৰিজাত হৰণ, ৰামায়ণ বোধকৰো আজিও অসমীয়া কলামোদী ৰাইজে পাহৰিব পৰা নাই। ইয়াৰ উপৰিও কেইবাখনো সামাজিক নাটক, নৃত্য নাট্য ৰচনা কৰি তাহানিৰ শ্বিলঙীয়া ৰাইজক দেশৰ হেৰাই যোৱা সংস্কৃতিবোৰৰ সোৱাদ দিছিল। এই পৰিষদৰ প্ৰত্যেকজন সভ্য আৰু সভ্যাৰ মাজত পাৰস্পৰিক সম্বন্ধ ইমান নিবিড় আছিল যে একেটা পৰিয়ালৰে সকলো ভাই, ককাই, বাই, ভনী। ১৯৬২ চনত তেওঁ চাকৰিৰ দায়ত শ্বিলং এৰি গুৱাহাটীলৈ আহিব লগীয়া হোৱাত পৰিষদৰ লগত ঘনিষ্ঠতা কমি আহিল আৰু লাহে লাহে তেওঁৰ সৃষ্টিৰ প্ৰতি থকা ধাউতিটো যেন হ্ৰাস পালে।

যথেষ্ট সোনকালেই বৰুবাই সংসাৰ পাতিছিল যদিও মানুহজন বৰ সংসাৰী নাছিল। সাংসাৰিক দায়িত্বত মইয়েই আগবাঢ়ি যাব লাগে। সংসাৰী জীৱনৰ সোৱাদ কলা চৰ্চাৰ মাজেৰেই পাইছিল। প্ৰথম সন্তানৰ পিতৃ হবৰ দিনা আছিল সৰস্বতী পূজা। লাবানৰ পূজা ঘৰৰ বঙ্গ মঞ্চত কণমানিহঁতৰ উদ্দেশ্যে এই গানটো লেখি গাইছিল - "অ' বুলবুল, অ' তুলতুল, অ' সেউতী তৰা, লুকা ভাকু ভাল নেলাগে খেল কইনা দৰা।" গীত ৰচনা কৰি সুৰ দি গালে পৰিয়ালৰ সকলোৱে বহি শুনিব লাগিছিল আৰু লগে লগে সৰু পুতেকক সুৰবোৰ মনত ৰাখি যাবলৈ কৈছিল

গতানুগতিকতা তেওঁৰ বৰ প্ৰিয় নাছিল, আনকি ক'ৰবালৈ গ'লে দিনটো কাম কৰি ওৰে নিশাটো গৈছিল। আমাকো এই বিষয়ত অভ্যস্ত কৰি পেলাইছিল। চালচলন খোৱা বোৱা সকলোতে অসমীয়া বিশেষকৈ গাৱঁৰ সোৱাদ বিচৰা বিধৰ আছিল। দেওসৰীয়া ভাতত মাংস, পোলাওৰ সলনি মাটি দাইল, ঔটেঙা আৰেলি জলপানত লুচিভাজিৰ

সৰ্দ্দনি চিৰা, কডাই বিচৰা মনটোৰ কথা ঘনিষ্ঠতা থকা সকলো মানুহে জানিছিল। সহধৰ্মিনী হিচাপে প্ৰথমেই মোক কৈ থৈছিল "মই অসমীয়া ছোৱালীৰ ৰূপ বৰ্ণনা কৰি গীত লিখোঁ, আশাকৰো তুমি তাৰ ব্যতিক্ৰম নহবা।"

গাওঁখনেই আছিল তেওঁৰ প্ৰাণ। "উভতি গাৱঁলৈ ব'লা, নগৰে কৰিলে জ্বলা কলা" গানটো প্ৰায়ে গাই তেওঁৰ নিজৰ মনটো উজাৰি দিছিল। অবসৰৰ পিচত গাৱঁলৈ উভতি যোৱাৰ হেঁপাহটো মনতে পুহি ৰাখিছিল, মাজে মাজে চিন্তা কৰে মই গৈ গাৱঁত থাকিব পাৰিম নে নোৱাৰিম।

জন-জীৱনৰ হাঁহি, কান্দোন, সুখ দুখৰ প্ৰতিচ্ছবিখনিয়েই তেওঁৰ গীতত ফুটি ওলাইছিল। কেতিয়াবা আক্ষেপেৰে কৈছিল গাওঁ এৰি চহৰমুখী হোৱাৰ পৰা গীতৰ সমল আৰু সুৰৰ মাধুৰ্য্য তেওঁ যেন বহুখিনি হেৰুৱাই পেলালে। গাৱঁৰ দৃশ্যাৱলীয়ে তেওঁক এনে ভাবে মুগ্ধ কৰিছিল যে কেতিয়াবা চৰকাৰী কৰ্ত্তব্যৰ খাতিৰত ক'ৰবালৈ গ'লে ধান দোৱা, চাপৰিত গৰু চৰোৱা, গছত কপৌ ফুলৰ থোপা, শাৰি পাতি এজাৰ ফুল ফুলা দেখিলে গাড়ী ৰাখি তন্ময় হৈ চাইছিল। সাৰথি হিচাপে লগত মই প্ৰায়ে গৈছিলো আৰু এইবোৰ কাণ্ড দেখি তুলনামূলক ভাবে নিজকে ইমান বাস্তৱমুখী বুলি ভাবি বৰ লাজ পাইছিলো।

ৰুদ্ৰ বৰুৱাৰ ভাগ্যত আছিল বৃহস্পতি। ভাগ্যৰ চকৰিয়ে নিচাকে বৃত্তি কৰালে। সঞ্চালকৰ পদত অধিষ্ঠিত হৈ অসমৰ চুকে-কোণে গৈ থলুৱা সংস্কৃতিবোৰ উদঘাটন কৰিলে। অঞ্চল বিশেষৰ বাচক বনীয়া নৃত্য-গীতৰ দলবোৰক নিৰপেক্ষভাবে অসমৰ ভিতৰত আৰু বাহিৰত নিজ নিজ কৃষ্টি বিকাশ কৰিবলৈ সুবিধা দিলে আৰু দল সমূহক লৈ ফুৰোৱাৰ গুৰু দায়িত্ব নিজেই বহন কৰিলে। মনত মাথোঁ এটি আশা-"মোৰ অসমৰ সংস্কৃতি আৰু এখোজ আগবাঢ়ক, বাহিৰত মানুহে চিনি পাওক।"

সংগঠনৰ কামত বৰুৱাৰ দক্ষতা দেখি বৰমূৰীয়া সকলো আচৰিত হৈছিল। দুই ঘণ্টাৰ ভিতৰত সাংস্কৃতিক সন্ধিয়া আয়োজন কৰি দাঙি ধৰিছিল। সুদূৰ ইণ্ডোনেছীয়ালৈও খুব কম সময়ৰ ভিতৰত ভাওনাৰ দল গোটাই প্ৰদৰ্শন কৰিহে ক্ষান্ত হ'ল। সঙ্গীত কলা একাডেমীৰ বৈঠকবোৰত সত্ৰীয় নাচ আৰু ওজা সকলক স্বীকৃতি দিয়াৰ হকে মাত মতাত তেওঁ আছিল আগশাৰীত। অসমৰ সাংস্কৃতিক দিশটোত কিবা অভিনৱত্ব আনিবলৈ তেওঁৰ ইচ্ছা আছিল। ১৯৭৬ চনত জৱাহৰনগৰত বহা কংগ্ৰেছ অধিৱেশনত কেইজনমান কলাপ্ৰেমী বন্ধুৰ সৈতে লগ লাগি পাহাৰ কটাই সাতখন ৰাজ্যৰ প্ৰতীক সহ চোং-ঘৰ সজাই সংস্কৃতিৰ ফুলনিবাৰী তৈয়াৰ কৰিছিল। সেই সাংস্কৃতিক কাননৰ আজি চিন-মোকাম নাইকিয়া হ'ল।

চৰকাৰৰ আৰ্থিক অনুদানৰ পৰা যাতে অসমৰ কোনো সাংস্কৃতিক অনুষ্ঠান বঞ্চিত নহয় তাৰ প্ৰতি তেওঁ সতৰ্ক আছিল আৰু ক'ৰবাত চৰকাৰৰ এই আঁচনিৰ বিষয়ে নেজানিলে নিজেই তেওঁ ব্যক্ত কৰিছিল। ইয়াৰ উপৰিও তেওঁ এটা বিষয়ত সম্পূৰ্ণ সজাগ আছিল-

সংস্কৃতিৰ নামত জীৱনৰ সৰ্বস্ব ঢালি দিয়া লোকক যি কোনো উপায়েৰে সহায় কৰা আৰু সমাজত প্ৰাপ্য স্বীকৃতি দিয়া।

জীৱনৰ শেষছোৱাত চৰকাৰী কামৰ একাংশ হিচাপে অসমত এখন পূৰ্ণ পৰ্যায়ৰ সঙ্গীত মহাবিদ্যালয় স্থাপন কৰাৰ মানসেৰে দিহুপুৰৰ দুৱাৰে দুৱাৰে ঘূৰিছিল। সঙ্গীত কলেজ স্থাপন কৰি অসমৰ গুণী আৰু কৃতী শিল্পী সকলক সংস্থান দিবলৈ তেওঁ আন্তৰিকতাৰে খাটিছিল। আমন্ত্ৰিত শিল্পী আৰু সঞ্চালকালয়ৰ শিল্পী সকলক নাট মঞ্চস্থ কৰাৰ পিচতেই সদায় মাতি আনি খা-খবৰ লৈ দু-আষাৰ মৰমেৰে কৈছিল। নাটক উপস্থাপনত কিবা আসোঁৱাহ দেখিলে পৰিচালকৰ লগত সদায়ে নম্ৰভাৱে আলোচনা কৰিছিল। বহিৰাগত শিল্পী সকলে তেওঁৰ অনুৰোধ কেতিয়াও নেপেলাইছিল। মহিলা শিল্পী সকলৰ অভিভাৱক সকলৰ তেওঁৰ ওপৰত আস্থা আছিল অগাধ।

ৰুদ্ৰ বৰুৱা শেষৰ ফালৈ গায়কৰ পৰা অভিনেতা হ'লগৈ। জীৱনৰ কম বা কুৰিৰ মাজতেই দুখনমান কথাছবিৰ সংগীত পৰিচালক হোৱাৰ উপৰিও অভিনয় কৰিছিল তেওঁৰ অভিনীত এখন কথাছবি এতিয়াও মুক্তিৰ অপেক্ষাত। অসমৰেই দুৰ্ভাগ্য নেকি অসমৰ শিল্পীসকলৰ জীৱন বৰ ক্ষণস্থায়ী। স্বাস্থ্যজনিত কাৰণত বৰুৱা ভেলোৰলৈ যাবলগীয়া হ'ল। চিকিৎসাধীন অৱস্থাতে ভেলোৰত থকা খৃষ্টান মেডিকেল কলেজৰ চিকিৎসা আৰু প্ৰশাসনীয় দিশটো দেখি ইমান ভাল পালে যে অনবৰতে চিন্তা কৰিবলৈ ধৰিলে কেতিয়া মানেনো অসমত 'শঙ্কৰ মিছনে' এনেকুৱা এটা অনুষ্ঠান গঢ়ি তুলিব। অসমৰ পৰা প্ৰশিক্ষণ লবলৈ যোৱা ডাক্তৰ সকলৰ লগত একেই আলোচনা, কত জল্পনা, কল্পনা। উভতি আহি অৱসৰৰ পিচত এনেকুৱা এটা অনুষ্ঠান গঢ়াত লাগিব, সহায় হিচাপে চিকিৎসক সকলক লগত লব। কোনো ধৰণৰ ৰাজনৈতিক গা কৰিবলৈ নিদিব, কোনে ঘৰ মাটি বাৰী দান হিচাপে দিব, ইত্যাদি। লগত যোৱা ডাক্তৰী পঢ়া মাজু পুতেকক হাস্পতালৰ প্ৰত্যেকটো বিভাগ তন্ন তন্নকৈ চাবলৈ দিলে। কোনো মহৰা কথাত মনোনিবেশ নকৰি মোক মাজে মাজে নামঘোষাখনৰ পদবোৰ আওঁৰাই তাৰ গুঢ়াৰ্থবোৰ বুজায় আৰু লগে লগে আক্ষেপ কৰে মহাপুৰুষ দুজনাৰ চিন্তাধাৰাক যেন প্ৰকৃত সন্মান আমি দিয়া নাই।

কিন্তু সকলোবোৰ চুৰমাৰ হৈ গ'ল ১৯৮০ চনৰ চৈধ্য ফেব্ৰুৱাৰীৰ দিনা। সেইদিনা আছিল শিৱ-ৰাত্ৰি। বহুতো হিন্দু নাৰীয়ে যেতিয়া শিৱহেন স্বামীক পাবলৈ আৰাধনা কৰিছিল ঠিক তেতিয়াই মই নামে মানুহে শিৱ সদৃশ ৰুদ্ৰ বৰুৱাক হেৰুৱাই হাঁহাকাৰ কৰিছিলো। ডাক্তৰক মাথোঁ এবাৰ কথায়েই কৈছিলো "মোৰেই থকল হেৰোৱা নাই। অসমেও এজন যোগ্য পুৰুষ হেৰুৱালে।" অসমক সৰ্বান্তকৰণেৰে ভাল পোৱা মানুহজনক বাইজৰ দৰ্শনাৰ্থে লৈ আহিলো।

ৰুদ্ৰ বৰুৱাৰ লগত ২৬ বছৰীয়া বিবাহিত জীৱনত মই এটা কথায়েই গভীৰভাৱে

উপলব্ধি কৰিছিলো। বৰুৱা মানুহজন অকল মোৰ পৰিয়ালৰে হেপাহৰ নাছিল বাইজৰো সমানেই আছিল। তাৰ ইংগিত মই পাইছিলো সম্পূৰ্ণ সূৰ্য্য গ্ৰহণৰ দিনা নিজৰ বিপদকো নেওচি মাদ্ৰাজত মোৰ ককাইদেউৰ ঘৰত বৈ থকা স্থানীয় শোকাকুল অসমীয়া বাইজৰ মুখ কেইখনত। কলিকতা বিমান বন্দৰতো একেখন ছবিয়েই দেখা পালো। গুৱাহাটীতটো বৰ্ণাই শেষ কৰিব নোৱাৰি।

এইজনেই আছিল জন-মানসৰ, লুইতৰ দুয়োপাৰ উখল, মাখল লগোৱা থলুৱা গীতৰ শিল্পী। আজিৰ চাম গায়ক-গায়িকাৰ মাজত এই ঠাঁচৰ গীত-মাত শুনিবলৈ নেপায় যদিও কলং নৈ বৈ থাকে মানে, অসমৰ পথাৰত পকা ধান থাকে মানে সেই মাটিৰ গোন্ধ থকা মিঠা সুৰৰ গীতবোৰে জীপাল হৈ থাকিব। নল মৰে গজালি উঠে।

পকা ধানে হালি-জালি

অসমৰ ইমূৰৰ পৰা সিমূৰলৈ চৰকাৰী কামত যেতিয়া ৰুদ্ৰ বৰুৱাই আলিবাটেৰে গৈছিল, ক'ৰবাত যদি সেউজীয়া ধাননিডৰা হালি-জালি টৌ তোলা, এজাৰ, পলাশ, কপৌ ফুল ফুলি থকা, দাৱনীয়ে ধান দাই থকা, বোকা বোৰা আদি দৃশ্য দেখে তেতিয়া হঠাৎ গাড়ীখন ৰখাই আপোন পাহৰা হৈ সেই দৃশ্যবোৰ উপভোগ কৰিছিল, মানুহৰ মনৰ যেন সৃষ্টিশীল মনটোত কিহবাই শিহৰণ তুলি দিলে। মযো লগতে কেতিয়াবা গ'লে মানুহজনৰ মুখলৈ চোবাৰ বাহিৰে ফুটাই কব নোৱাৰিছিলো, - কিন্তু এতিয়া ৰুদ্ৰ বৰুৱা বিহীন জীৱনটোত সেই দৃশ্যবোৰ দেখিলে মোৰ মনটো হাঁহাকাৰ কৰি উঠে, সেই দিনবোৰ ৰোমন্থন কৰি চাওঁ - মানুহজনৰ শিল্পী মনটোৰ আৱেগ অনুভূতিবোৰলৈ, বেজাৰত কলিজা ক'লা পৰি যায়। উভতি যাওঁ সৰু কালত শুনা ৰেকৰ্ডৰ এটি বঙালী গীতলৈ - 'দিনগুলি মোৰ সোনাৰ খাঁচাই ৰৈল না, সেই যে আমাৰ নানা ৰঙেৰ দিনগুলি'। ৰুদ্ৰ বৰুৱাৰ লগত কটোৱা সেই সোণালী দিনবোৰলৈ সৌৱৰণী ৰোমন্থন কৰি ভাগাকেই ধিয়াওঁ।

মাজে মাজে মনলৈ হতাশা আৰু ক্ষোভো নহা নহয়, কুৰিটা বছৰ পাৰ হওঁতেই ৰাইজে বা উঠি অহা চামে এই শিল্পীজনাক পাহৰণিৰ গৰ্ভলৈ ঠেলি দিলে। অৱশ্যে দুই এটা অনুষ্ঠানে স্মৃতি সভা, কিছু গীত বাণীবদ্ধ কৰে, প্ৰাক্তন মন্ত্ৰী মুকুট শৰ্মাৰ তত্বাৱধানত এখন গীতৰ কিতাপ আৰু এখন তেৰটা গীতৰ ৰেকৰ্ড উলিয়ায়। কিন্তু এই সকলোবোৰ আঙুলিমূৰত লেখিব পৰা।

পৰিয়াল পেঞ্চনটো আনিবলৈ যাওঁতে সদায় এটা কথায়েই মোৰ মনত খুন্দিয়াই থাকে, মানুহজনে চিৰ বিদায় লৈও মোক আৰ্থিক ক্ষেত্ৰত পৰোক্ষ ভাবে সহায় কৰি আছে, অথচ মই তেওঁৰ নামত এচলুও দিব পৰা নাই, তাকে চিন্তা কৰি পৰিয়ালৰ তৰফৰ পৰা লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা সৌৱৰণী ন্যাস গঠন কৰিলো আৰু তাৰ পুঁজিৰ

ধনেৰে 'ৰাজিক সঙ্গীত মহাবিদ্যালয়ৰ পাৰম্পৰিক গীতত প্ৰথম স্থান' পোৱা ছাত্ৰ বা ছাত্ৰীক পুৰস্কৃত কৰি আহিছিলো, কিন্তু আজি চাৰি বছৰে সাংস্কৃতিক সঞ্চালকালয়ে সেইকণ আগ্ৰহৰ ফালেও পিঠি দিলে । এইখিনিতে উনুকিয়াই থোৱা ভাল হ'ব যে ৰুদ্ৰ বৰুৱাৰ জীৱন কালত কাৰ্যক্ষম কৰি তোলা এই আঁচনিখনেই তেওঁৰ অন্তিম চেষ্টা ।

বৰ্তমান কলা-সংস্কৃতিৰ জগতখনৰ বেহ-ৰূপ চাই হতাশ হৈ ভাবো, নিজকেই প্ৰশ্ন কৰো -' ৰুদ্ৰ বৰুৱাই এৰি থৈ যোৱা সম্ভাৰখিনি নতুন প্ৰজন্মই বুটলি ল'বনে দলিয়াই পেলাব। সংস্কৃতি বোৰতী সুঁতিৰ দৰে যদিও ঘাই শিপাডাল উভালি পেলাবনে ? বিংশতম মৃত্যু তিথিৰ আগে-পিচে লিখা মনোজ শৰ্মা আৰু সদা শইকীয়াৰ প্ৰবন্ধ দুটি বেচ মনোগ্ৰাহী আৰু গাজত লগা, - বহুতবে ' ৰুদ্ৰ বৰুৱাৰ প্ৰতি থকা সহৃদয়তাখিনি প্ৰতিফলিত কৰিব পাৰিছে ।

কিন্তু সৌ সিদিনা অৰ্থাৎ ৩০ মাৰ্চ ২০০১ চনৰ শুক্ৰবাৰে দুটি অনুষ্ঠানে মোৰ মনৰ ধাৰণা অকণমান হ'লেও সলাই দিলে । প্ৰথম অনুষ্ঠানটো হ'ল দূৰদৰ্শন যোগে প্ৰচাৰিত ৰুদ্ৰ বৰুৱাৰ কৰ্মমুখী জীৱন দৰ্শন । পৰিচালকে বেচ মনোগ্ৰাহীকৈ সজাই পৰাই উলিয়াইছে বোধহয়, কাৰণ বহুতো দৰ্শকে সঁহাৰি জনাই মোলৈ ফোন কৰিছে । দুৰ্ভাগ্যবশতঃ মই ৰবীন্দ্ৰ ভৱনত অন্যটো অনুষ্ঠানত একেটা সময়ত উপস্থিত থাকিবলগীয়া হোৱাত এই দৰ্শনৰ পৰা বঞ্চিত হ'লো। আনখনৰ কথা লেখিবলৈ লৈ মই থমকি ৰৈছো কি বুলি লেখিম, - 'বৰপেটা সাংস্কৃতিক কেন্দ্ৰ আৰু অসম নাট্য সন্মিলনৰ বৰপেটা শাখাৰ উদ্যোগত ৰুদ্ৰ বৰুৱাৰ জীৱন কৃতিৰ ওপৰত যুগুতোৱা 'মোৰ আইৰ হিয়াৰ সুৰ' সংগীতালেখ্যখন ইমান গহীন, থলুৱা ভাবাপন্ন, জাতীয়বোধ নিহিতকৈ পৰিৱেশন কৰিলে স্বৰূপার্থত সঁচা লুইত কোৰঁৰজনক যেন জীৱন্ত ৰূপত উলিয়াই আনিবলৈ সক্ষম হৈছিল। পৰিৱেশটো হৈছিল অতি মধুৰ আৰু সংবেদনশীল । যিসকল শিল্পীয়ে এই সংগীতানুষ্ঠান পৰিৱেশন কৰিলে তেওঁলোকে হয়তো সৌ-শৰীৰেৰে ৰুদ্ৰ বৰুৱা মানুহজনক দেখা পোৱা নাছিল, গীত বা কথা শুনাটো দূৰৈৰে কথা। এটা সুকীয়া পৰিৱেশত ডাঙৰ দীঘল হোৱা এই শিল্পীসকলে মই জনাত এই গীতখিনি আয়ত্ব কৰোঁতে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল। আৰু তাৰ মুখত শুনা, শ্ৰীমতী অনিমা ভট্ট চক্ৰবৰ্তীয়ে কেইটামান গীত কেচেট কৰি দিয়াৰ পৰায়েই তেওঁলোকে গীতৰ কথা আৰু সুৰবোৰ আহৰণ কৰিছিল, সংগীতালেখ্যৰ কথাখিনিৰ অংশও তদ্ৰূপ অৱস্থাই হৈছিল। আয়ুস বেলি সোনকালে মাৰ যোৱাত মাত্ৰ দুটি কমাৰ্চিয়েল ৰেকৰ্ড কৰাৰ বাহিৰে এই শিল্পীজনাৰ আৰু একো নহ'ল, কামৰ মাজতে নিজক বিলাই দিলে। অনাতাঁৰ কেন্দ্ৰত থকা গীতখিনিও মচি পেলালে। প্ৰায় পঁচিশ বছৰে তেওঁ গোৱা গীতৰ ভঁড়ালৰ সংখ্যাও কম নাছিল । সেইবোৰ গালো বালো খোলাকুটিৰ ভাল হ'লগৈ।

অনুষ্ঠানটোৰ শেষৰ ফালে ইমান কৰুণ পৰিৱেশৰ সৃষ্টি হৈছিল যে দৰ্শকে চকুপানী

নোলোৱাকৈ নেথাকিল। মোৰো এনেকুৱা এটা ভাব হৈছিল-ৰবীন্দ্ৰ ভৱনৰ চো-ঘৰত তাহানিৰ ৰুদ্ৰ বৰুৱাই যেন অনিমা, দিপালি, চেতনা, জয়া, ডলী ইতৰ হতুৱাই অনুষ্ঠান পৰিবেশন কৰাত ব্যস্ত হৈ ফুৰিছে, মাজে মাজে মাইকটো ফুঁৱাই লৈ ৰাইজক দুআষাৰ কৈ ক্লান্তিহীন ভাবে ঘূৰি ফুৰিছে ।

এই যে উল্লেখিত এনেকুৱা এটা পৰিবেশ তেওঁলোকে দাঙি ধৰিব পাৰিছিলে এইটোৱেই তেওঁলোকৰ চৰম কৃতকাৰ্যতা, সফলতা। ভৱিষ্যতলৈ আৰু মনোগ্ৰাহী কৰি তুলিবলৈ এই সংগীতালেখনিত থল আছে, আশাকৰো তেওঁলোকে যেন চেষ্টাৰ ত্ৰুটি নকৰে।

অপ্ৰাসঙ্গিক হলেও নেলেখি নোৱাৰিলো, কিয় জানো বৰপেটাবাসী ৰাইজৰ লগত মোৰ ৰাহি-যোৰা ৰাজ-যোৰা বুলিয়েই কব পাৰি। যোৱা ৪০ (চল্লিশ)ৰ দশকত মই কন্যা ৰূপে, ষাঠি-সত্তৰ দশকত মই পত্নী ৰূপে আৰু বৰ্ত্তমানত মই মাতৃৰূপে সত্ৰ-নগৰী বৰপেটাত ভৰি দিছো আৰু এতিয়া যেন বৰপেটাৰ শিল্পী-প্ৰাণ ৰাইজে হিয়া উজাৰি মোৰ মনৰ আপোনজনক পাহৰণিত উটি-বুৰি যাবলৈ নিদি প্ৰাপ্য আসনত বহুৱাইছে, তাৰ বাবে মই চিৰ কৃতজ্ঞ।

এতিয়া প্ৰশ্ন হৈছে ৰুদ্ৰ বৰুৱাই এৰি থৈ যোৱা অৱদানখিনি আহৰণ কৰাৰ দায়িত্ব অকল বৰপেটাবাসী কলা প্ৰেমী ৰাইজৰ নে সমগ্ৰ অসমবাসীৰ। অকল থলুৱা কৃষ্টিৰ হকে ঢাক-ঢোল বজালেই নহ'ব, হাতে-কামে লাগিবৰ হ' ল। জাতীয় বোধ থকা শিল্পীসকলৰ প্ৰতি জাতীয়তাবাদী ৰজাঘৰৰো কোনো কৰণীয় নাইনে?

অকল ৰুদ্ৰ বৰুৱাই নহয়-বৌকিবুদ্দিন আহেমদ, পুৰুষোত্তম দাস, মোহন ঢুলীয়া, মঘাই ওজা, যোগেশ ভড়ালী আদি বহু খ্যাত-অখ্যাত শিল্পীৰ অৱদানক ৰাইজে মৰমৰ চকুৰে চাবৰ হ'ল, থলুৱা কলাকৃষ্টিৰ ভড়ালটো ষেটমৰা কৰিবৰ হ'ল। এইসকল নিভাঁজ শিল্পীক অৱমাননা কৰিলে থলুৱা কলা কৃষ্টিকো অকল অসম্মান জনোৱাই নহয় জীয়াই ৰখাও কঠিন হ'ব।

❖ ❖ ❖

গীতৰ সেউজী আলিত ৰুদ্ৰ বৰুৱা

শৰৎ চন্দ্ৰ সিংহ

ঘৰলৈ গলে খেতিপথাৰৰ কাষত সজা সৰু এটা ঘৰ 'কপোতনীড়'ত আমি থাকোঁ। কপৌতনীড়ৰ দক্ষিণৰ কোঠাত আমি লিখা-পঢ়া কৰোঁ, মেজ আৰু চকীখন পতা আছে - দক্ষিণ খিৰীকীৰ ওচৰত। চকীত বহি খিৰিকীয়েদি চালে চকুত পৰে এটা সৰু পুখুৰী। পুখুৰীৰ পশ্চিম আৰু দক্ষিণত বিস্তীৰ্ণ পথাৰ। আঘোণত ধান পকে। পথাৰৰ সৰু সৰু আলি কেইটা পকা ধানৰ তলত জিলিকি উঠে? মনত পৰে ৰুদ্ৰ বৰুৱাৰ 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি ....' ৰুদ্ৰ বৰুৱাই গীত গাইছিল। ৰুদ্ৰ বৰুৱাৰ গীত যেন এতিয়াও নিবন্ধ লিখকৰ মনোবীণাত ঝংকৃত হয়।

ঐতিহ্যমণ্ডিত পুৰণিগুদাম, গাওঁ হলেও নগৰ। কলঙৰ পাৰত অৱস্থিত। ৰুদ্ৰ বৰুৱা কলঙৰ পাৰত পুৰণি গুদামত ওপজা কাৰণেই হওক বা শিল্পী পৰিয়ালত ভূমিষ্ঠ হোৱা কাৰণেই হওঁক, বা ঈশ্বৰ প্ৰদত্ত প্ৰতিভা গুণেই হওঁক সৰু কালতেই তেওঁৰ সঙ্গীত প্ৰতিভা বিকশিত হৈছিল। সৰু কালতেই গীত গাই শ্ৰোতাসকলক মুগ্ধ কৰিছিল। তেওঁৰ ৰচিত গীত কিছুমান গোটাই 'কলংপৰীয়া গীত' নামৰ গীতৰ কিতাপ এখন প্ৰকাশ কৰিছিল।

ৰুদ্ৰ বৰুৱাই মাটিৰ শ্ৰমজীৱি মানুহৰ কথা কৈছিল, গাঁৱলীয়া সেউজীয়া সংস্কৃতিৰ' কথা কৈছিল আৰু তেওঁলোকৰ জীৱন-সংগ্ৰামৰ গীত ৰচিছিল। তেওঁ আছিল তৃণমূলৰ বাস্তৱতাৰ লগত সম্পৰ্কিত সেউজী সংস্কৃতিৰ সাধক। তেওঁৰ গীতত সেয়ে 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি'ৰ দৰে গাঁৱৰ নিখুঁত ছবি পৰিস্ফুট হৈছিল। গাঁৱৰ মানুহৰ সুখ-দুখ, প্ৰেম-প্ৰীতি, সৌহাদ্য-সম্প্ৰীতি, অভাৱ-অনুভৱ তেওঁৰ গীতত প্ৰকাশিত হৈ আছে।

নিবন্ধ লিখকে ৰুদ্ৰ বৰুৱা অতি ঘনিষ্ঠভাৱে জানিবলৈ সুবিধা পাইছিল। তেওঁ ৰুদ্ৰ বৰুৱাৰ গুণমুগ্ধ। ৰুদ্ৰ বৰুৱা কল্পনা প্ৰৱণ আছিল। শিল্পীকাপে তেওঁৰ সৃষ্টিশীল প্ৰতিভা অতুলনীয় আছিল। ৰুদ্ৰ বৰুৱা সংস্কৃতিক বিভাগৰ যেতিয়া সঞ্চালক আছিল, চৰকাৰৰ বিবিধ আঁচনি, যেনে কৃষি আঁচনি, জলসিঞ্চন আঁচনি, ধান চাউলৰ পাইকাৰী ক্ৰয়ৰ আঁচনি, তাঁত শিল্প আঁচনি আদি কৰ্ম প্ৰচেষ্টা জনসাধাৰণৰ ওচৰত নৃত্য-গীত, ভাওনা আদি সাংস্কৃতিক প্ৰক্ৰিয়া মাধ্যমেৰে সহজবোধ্য আৰু জনপ্ৰিয় কৰি উপস্থাপিত কৰিছিল। চৰকাৰৰ এই আঁচনিবোৰ গাঁৱৰ পৰিবেশত, গাঁৱৰ বাহিৰে নিজা আঁচনি বুলি গ্ৰহণ কৰিব

পৰাকৈ উপস্থাপিত কৰা আন এগৰাকী সঙ্গীত নৃত্য-নাট্য শিল্পীৰ নাম উল্লেখ কৰিব পাৰি। তেওঁ শ্ৰীআনন্দমোহন ভাগৱতী অসম চৰকাৰৰ সাংস্কৃতিক বিভাগত অতি নিষ্ঠাবান বিষয়া আছিল। ৰুদ্ৰ বৰুৱা আৰু আনন্দ মোহন ভাগৱতীৰ দৰে প্ৰতিভাবান শিল্পী বিষয়াৰ নিৰলস অৱদানৰ বাবে অসম চৰকাৰৰ সাংস্কৃতিক বিভাগে দেশ-বিদেশে খ্যাতি অৰ্জন কৰিছিল।

ভাৰতীয় আকাশ বাণী ১৯৪৮ চনত প্ৰতিষ্ঠিত হৈছিল। শ্বিলঙত প্ৰতিষ্ঠিত হোৱা দিনৰ পৰাই ৰুদ্ৰ বৰুৱাই তাত গীত গাইছিল। তেওঁৰ বৰগীত বৰ সুমধুৰ আছিল। তেওঁ আকাশবাণীত বৰগীত, বনগীত গাইছিল। বনগীত, বৰগীত গাই বৰুৱাই এগৰাকী সু-গায়ক বুলি প্ৰসিদ্ধি লাভ কৰিছিল।

সমবায় বিভাগত কাম কৰি থকা কালত শ্বিলঙত সৰু সৰু সঙ্গীত অনুষ্ঠান পাতি তেওঁ সঙ্গীত সাধনা কৰিছিল, খাচী আৰু জয়ন্তীয়া গায়কসকলৰ লগত সঙ্গীত চৰ্চা কৰিছিল। জাতীয় সংহতি চেতনা জাগৃত কৰিবলৈ গীত লিখিছিল, গাইছিল আৰু সংহতিৰ সঙ্গীত মেলা পাতিছিল। সমবায় চিন্তাধাৰাত জনগণক উদ্বুদ্ধ কৰিবলৈ 'মাউখে উটিলে' নাম দি সমবায় নাট লিখিছিল, অভিনীত কৰাইছিল। সমবায় বিভাগত কাম কৰা আন আন বিষয়াৰ দৰে তেওঁ কেৱল সমবায় বিষয়াই নাছিল, সমবায় চিন্তাধাৰাত ৰাইজে উদ্বুদ্ধ কৰিবলৈ গভীৰ চিন্তা কৰিছিল, সমবায় বিভাগত একান্ত আনুগত্যেৰে সমবায় চিন্তানায়কৰূপে সেৱা আগবঢ়াইছিল, সমবায় বিভাগৰ কাৰণে ন ন সৃষ্টি কৰিছিল আৰু ন ন অৱদানেৰে সমবায় বিভাগক সমৃদ্ধ কৰিছিল। সাধনাৰ কাৰণে যি চাৰিত্ৰিক দৃঢ়তা, কঠিনতা আৰু কঠোৰ কষ্ট সহ্য কৰিব পৰা শক্তি লাগে, ৰুদ্ৰ বৰুৱাৰ গাত সকলোটি বিদ্যমান আছিল। পুৰনিগুদাম হাইস্কুলৰ দেওনা পাৰ হৈ ৰুদ্ৰ বৰুৱা শ্বিলংলৈ আহি ঘনিষ্ঠ আত্মীয় মানিক হাজৰিকাৰ লগত আছিল। কিছুদিনৰ ভিতৰতে নিম্নবৰ্গৰ কেৰাণী হৈ সমবায় বিভাগত যোগদান কৰিছিল। স্বপ্ৰতিভা গুণে তেওঁ সহকাৰী সমবায় শিক্ষা বিষয়া পদত উন্নীত হৈছিল। তেওঁ তাৰ পিছত পুণাত থকা সমবায় কলেজত প্ৰশিক্ষণ লৈছিল আৰু তাৰ ভিতৰতে ব্যক্তিগত প্ৰচেষ্টাত বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল। তেওঁৰ সঙ্গীত প্ৰতিভা দেখি অসম চৰকাৰৰ প্ৰচাৰ বিভাগে নকৈ প্ৰতিষ্ঠা কৰা সাংস্কৃতিক বিভাগলৈ তেওঁক আদৰি আনে। পৰৱৰ্তী কালত সাংস্কৃতিক বিভাগৰ ডাইৰেক্তৰ পদত উন্নীত হয়। অসম চৰকাৰৰ প্ৰকল্প, আঁচনি, কৰ্মধাৰা, নৃত্য-গীত, নাট-ভাওনা, ওজাপালি আদি সাংস্কৃতিক প্ৰক্ৰিয়া মাধ্যমেৰে জনবোধগম্য কৰাৰ দায়িত্ব গ্ৰহণ কৰে। এই আঁচনিবোৰক কাৰ্যক্ৰম কৰিবলৈ তেওঁ ডকুমেণ্টৰী ফিল্মও প্ৰযোজনা কৰে। এই আঁচনিবোৰ ৰূপায়ণৰ ৰূপকাৰ আছিল ৰুদ্ৰ বৰুৱা। নিম্নবৰ্গৰ পৰা উন্নীত হৈ ডাইৰেক্তোৰ পদ অলঙ্কৃত কৰা ৰুদ্ৰ বৰুৱা কেৱল এগৰাকী চৰকাৰী বিষয়াই নাছিল, চৰকাৰী বিষয় বাবটো আছিল তেওঁৰ সাধনাৰ ক্ষেত্ৰ, তেওঁ আছিল এগৰাকী প্ৰতিভাবান

সংস্কৃতিৰ সাধক। লোক সংস্কৃতিলৈ তেওঁৰ যি অবদান, সেয়া অনন্য।

কথাছবি প্ৰযোজনা কৰাৰ বাবে সুবিধা দান আৰু কথাছবি উন্নয়নৰ কাৰণে জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ' স্থাপন কৰা হৈছিল। ৰুদ্ৰ বৰুৱা আছিল — তাৰ প্ৰতিষ্ঠাপক সম্পাদক। অসমত কথা-চবি প্ৰযোজনৰ ভেটি শক্তিশালী কৰিবলৈ ৰুদ্ৰ বৰুৱাৰ অৱদান অনস্বীকাৰ্য। অসম চলচ্চিত্ৰ বিত্ত নিগমৰ তেওঁ মেনেজিং ডাইৰেক্টৰো আছিল। বিশেষ প্ৰচেষ্টাৰে তেওঁ কথাছবি প্ৰয়োজনা কৰাৰ ভিত্তি দৃঢ় কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল।

শ্বিলংত থকা কালত শ্বিলং কলা পৰিষদৰ তেওঁ প্ৰতিষ্ঠাপক সদস্য আছিল। শ্বিলং কলা পৰিষদ একালত প্ৰখ্যাত কলা কেন্দ্ৰ আছিল। অকল অসমৰ চুকে কোণেই নহয়, ভাৰতৰ ইমুৰৰ পৰা সিমুৰলৈ, অসমুদ্ৰ হিমাচলত শ্বিলং কলা পৰিষদে অসমৰ সাংস্কৃতিক সৌৰভ বিলাই ফুৰিছিল। এই কলা সংস্কৃতিৰ বিস্তৃতি সাধনত ৰুদ্ৰ বৰুৱা ওতপ্ৰোত আছিল।

নিবন্ধ লিখকে ৰুদ্ৰ বৰুৱাক অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ এগৰাকী ডাইৰেক্টৰৰ ৰূপে যিমান জানিছিল তাতকৈ অধিক জানিছিল এগৰাকী নিৰলস সংস্কৃতিক সাধক ৰূপে। মানুহ হিচাপে তেওঁ সাধাৰণ মানুহৰ লগত, খেতি পথাৰত হাল বাই থকা খেতিয়ক জনৰ লগত শিল্প কাৰখানাত কাম কৰি থকা শ্ৰমিক জনৰ লগত, চাহ বাগিচাত কাম কৰি থকা মজদুৰ জনৰ লগত, কমাৰ শালত কাম কৰা কমাৰজনৰ লগত, মাটিৰ পাত্ৰ তৈয়াৰ কৰা চাকৰ গুৰিত থকা কুমাৰ জনৰ লগত ৰুদ্ৰ বৰুৱা ওতঃপ্ৰোত আছিল। এসময়ত দাৰ্শনিক পণ্ডিত চাক্ৰেটিচে দিনৰ পোহৰত লণ্ঠন হাতত লৈ এথেন্স নগৰত মানুহ বিচাৰি ফুৰিছিল। আজিও আমি মানুহ বিচাৰি ফুৰিছোঁ। মানুহ বিচাৰি নেপাওঁ। ৰুদ্ৰ বৰুৱাৰ কামৰ মাজত আমি সেই মানুহ বিচাৰি পাইছিলোঁ।

ৰুদ্ৰ বৰুৱা আছিল-নিষ্কলুষ, নিৰহঙ্কাৰ, সংস্কৃতি সাধক প্ৰতিভাবান গায়ক, প্ৰযোজক, অভিনেতা, মাটিত ওপজা সুগন্ধে সুগন্ধিত সিদ্ধ পুৰুষ। ৰুদ্ৰ বৰুৱাৰ অপৰিমেয় সংগঠন শক্তি আছিল, সমবায় বিভাগত থকা কালত সমবায় ক্ষেত্ৰত তেওঁৰ সেই শক্তি বিকশিত হৈছিল। পৰৱৰ্তীকালত তেওঁ সাংস্কৃতিক বিভাগত ডাইৰেক্টৰ হৈ চৰকাৰৰ বিবিধ আঁচনি জনবোধগম্য কৰিবলৈ আঁচনিবোৰ ৰাইজৰ মনত খংকাৰ তুলিব পৰাকৈ যি শক্তিৰে তেওঁ সেইবোৰ সংগঠন কৰিছিল, সেয়া অনন্য। তেওঁৰ লগত কাম কৰা সহকৰ্মীসকলৰ লগত তেওঁ বৰ প্ৰিয় আছিল। কৰ্মীসকলক নিষ্ঠাৰে কামত লগাব পৰা তেওঁৰ এক সম্মোহিনী শক্তি আছিল।

ৰুদ্ৰ বৰুৱা কঠোৰ পৰিশ্ৰমী আছিল। বিভাগীয় কাম-কাজ কৰাৰ পদ্ধতি দেখিলে অনুমান হয়, তেওঁ বিভাগৰ আন আন বিষয়াৰ দৰে কেৱল বিষয়া নাছিল, বিভাগটো আছিল তেওঁৰ সাধনা ক্ষেত্ৰ। সেই সাধনা ক্ষেত্ৰত তেওঁ আছিল এগৰাকী সাধক, তপস্বী

বিভাগৰ সাফল্যত তেওঁৰ নিজৰ জীৱনৰ সাফল্য উপলব্ধি কৰিছিল।

গায়ক হিচাপে ৰুদ্ৰ বৰুৱা আছিল অতুলনীয় প্ৰতিভাবান গায়ক। গীত লিখি, গীত গাই, গীতৰ মাজতেই বৰুৱাই তেওঁৰ জীৱন সাৰ্থক কৰি তুলিছিল, গীতৰ মাজতেই তেওঁৰ জীৱন দৰ্শন বিচাৰি পাইছিল। তেওঁ আছিল এগৰাকী সাৰ্থক অভিনেতা। অভিনয়ৰ লগত একাত্ম হৈ তেওঁ দৰ্শকমণ্ডলীৰ কেৱল মনোৰঞ্জন কৰাই নহয়, তেওঁলোকৰ অন্তৰ স্পৰ্শ কৰি ভাবান্তৰ ঘটাব পাৰিছিল।

তেওঁৰ গীত মাত সুৰত গাঁৱৰ এক সেউজী পৰিৱেশ, পথাৰৰ কেঁচা গোন্ধ, বট আঁহতৰ শীতল ছাঁয়াৰ স্নিগ্ধতা, দাৱনী বোৱনীৰ খোজৰ ছন্দানুভূতি, গধূলিৰ গৰুৰ হাম্বা ধ্বনি, গাঁৱৰ সন্ধিয়াৰ নীৰৱতা আদি গাঁৱৰ জীৱন ধাৰাৰ অপূৰ্ব এক ৰেঙণি যেন ছন্দায়িত হয়।

ৰুদ্ৰ বৰুৱাৰ জীৱন দৰ্শন তেওঁ ৰচিত গীতৰ ছন্দে ছন্দে উদাত্ত হৈ আছে। ওপৰত উনুকিউৱা দৰে এই গীতবোৰত আমাৰ সমাজ জীৱনৰ এখন নিখুঁত ছবি প্ৰতিফলিত হোৱা দেখোঁ। মাটিত কাম কৰি থকা মানুহৰ প্ৰেম-প্ৰীতি, জীৱন-সংগ্ৰাম, দুখ-দৈন্য, হা-হমুনীয়া, অভাৱ-অভিযোগ যেন তেওঁৰ গীতৰ সুৰে সুৰে ধ্বনিত, ৰণিত। ৰুদ্ৰ বৰুৱা সঁচাকৈ সাৰ্থক সংস্কৃতি সাধক আছিল।

❖ ❖ ❖

সংগীত-সাংস্কৃতিক আকাশৰ ফৰিংফুটা মানুহজন

ড° ভূপেন হাজৰিকা

অসমৰ সংগীত আৰু কলা-সংস্কৃতি জগতৰ আউ পৰিচিত নাম ৰুদ্ৰ বৰুৱা আৰু নাই। চৈধ্য ফেব্ৰুৱাৰী ৮০ৰ আকাশবাণী আৰু বাতৰি কাকতযোগে প্ৰচাৰ হোৱা তেওঁৰ মৃত্যুৰ বাতৰিয়ে তেওঁৰ প্ৰিয়-পৰিজনৰ লগতে অসমৰ সমূহ ৰাইজক ম্ৰিয়মান কৰি তোলে। স্বৰ্গীয় বৰুৱা চিকিৎসাৰ বাবে ভেলোৰৰ খ্ৰীষ্টান মিছন হাস্পতালত আছিল গৈ আৰু তাতে চৈধ্য ফেব্ৰুৱাৰীৰ আবেলি ৪ ১৫ বজাত তেওঁ শেষ নিশ্বাস পেলায়। তেওঁৰ বয়স ৫৪ বছৰ হৈছিল। ১৯২৬ চনত নগাঁও জিলাৰ পুৰণি গুদামত জন্মগ্ৰহণ কৰা বৰুৱাই সৰুতেই পিতৃ বৰদা বৰুৱাক হেৰুৱায় আৰু অসহায় অৱস্থাত নানান বিপৰ্যয়ৰ মাজেৰে নগাঁৱত স্কুলীয়া আৰু কলেজীয়া জীৱন পাৰ কৰি শিলঙত চৰকাৰী কামত সোমায়গৈ। সমবায় বিভাগত শিক্ষা বিষয়া, প্ৰচাৰ বিভাগৰ উপসঞ্চালক আৰু পাছত সুকীয়াকৈ খোলা সাংস্কৃতিক বিভাগত ক্ৰমে উপ সঞ্চালক আৰু সঞ্চালকৰ পদলৈ উঠাই বৰুৱাই শেষ সময়লৈ অসমৰ সাংস্কৃতিক জগতলৈ বিভিন্ন প্ৰকাৰে অবিস্মৰণীয় বৰঙণি আগবঢ়াই গ'ল। বৰুৱাৰ সৰু কালৰ পৰা সংগীতত ৰাপ আছিল। অসমৰ লোক গীতৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈ তেওঁ বনগীতৰ মাজেৰে ৰাজ্যজুৰি প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁ নিজে এগৰাকী জনপ্ৰিয় গায়ক আছিল। লগতে সেই সময়ছোৱাত তিনিশৰো অধিক বনগীত ৰচনা কৰি সুৰ দিছিল। আনহাতে অসমৰ ৰূপদী সংগীত আৰু লোক নৃত্য-গীততো তেওঁৰ যথেষ্ট ব্যুৎপত্তি আছিল। ৰুক্মিণী হৰণ, কুমাৰ হৰণ, গৌতম বুদ্ধ, নতুন ভাৰত, ৰামায়ন আদি পৌৰাণিক বিষয়ৰ নৃত্য-নাটিকাৰ সংগীত পৰিচালনাত তেওঁ কৃতিত্ব দেখুৱাইছিল। তদুপৰি কেবাখনো চলচ্চিত্ৰৰ অভিনেতা হিচাপেও বৰুৱাৰ দক্ষতা উল্লেখযোগ্য। তাহানি মঞ্চ নাট্য 'পহিলা তাৰিখ'ৰ মূল চৰিত্ৰত আৰু ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত ছবি 'মমতা'ৰ এটা চৰিত্ৰৰ অভিনয়ত দেখুওৱা তেওঁৰ অভিনয় প্ৰতিভা পাহৰিব নোৱাৰা ধৰণৰ। আমাৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত, কিছুমান প্ৰতিষ্ঠানৰ জ্যোতিচিত্ৰবন ষ্টুডিঅ' চ'চাইটিৰ সচিব, কণকপুৰি ফিল্ম নিগমৰ মেনেজিং ডাইৰেক্টৰ, অনাতাঁৰ কেন্দ্ৰৰ সংগীত পৰীক্ষক বৰুৱাৰ অকাল মৃত্যুত অসমৰ সাংস্কৃতিক জগতত অভাবনীয় ক্ষতি হ'ল। সত্ৰীয়া গীত-নৃত্যাদি ভাৰত আৰু ইওৰোপিয়াত প্ৰচাৰ কৰা, চৰকাৰী ভিত্তিত নাট প্ৰতিযোগিতা, ৰাজহুৱা ভাওনা, বিভাগীয় নাট্য দল গঠন, তেজপুৰত জ্যোতিভাৰতী স্থাপন, ৰাজ্যিক সংগীত মহাবিদ্যালয় স্থাপন, আন্তঃ ৰাজ্যিক সাংস্কৃতিক বিনিময় আদিত একনিষ্ঠ ভাৱে লাগি থকা এই গৰাকী অমায়িক, কষ্টসহিষ্ণু শিল্পী তথা কলা সংগঠকৰ মৃত্যুত অসমৰ শিল্পী সমাজ আৰু ৰাইজ মৰ্মাহত হৈছে।

◆ ◆ ◆

স্মৃতিৰ কৰণিত লুইতকোঁৱৰ

বন্ধু ওজা

লুইতকোঁৱৰ ৰুদ্ৰ বৰুৱাৰ সহচৰী স্মৃতিয়ে মোক প্ৰায়েই পুলকিত কৰে। নিভাঁজ অসমীয়া শব্দচয়নেৰে অসমীয়া গীতত অসমীয়া জনজীৱনৰ জীৱন্ত ছবি আঁকোতা গীতিকাৰ-সুৰকাৰ-গায়কগৰাকীৰ বহুতো অবচেতন স্মৃতি সাহচৰ্যৰ পৰশত সচেতন হয়; ধৰা দিয়ে সাঁচতীয়া ছবিৰ ৰূপত।

তাঁতৰ পাটতেই দিনটো কটোৱা অবলা মাহীক এদিন ৰুদ্ৰ বৰুৱাৰ 'তাঁতৰ দোৰেপতি চলায় ঘনেপতি' গীতটি গুণগুণাই সুধিছিলো, 'মাহী দোপতি কোনটো?' 'মই কেনেকে জানিম বাপা, আমাৰ কালত দ্ৰৌপদীহে আছে – দোপতি-চোপতি আমি দেখা নাই।' তাঁতৰ দোৰেপতি ঘনেপতি চলোৱা মাহীৰ কথা মনত পৰিলেই মনলৈ আহে ৰুদ্ৰ বৰুৱাৰ সেই অমৰ গীতটো – যিটো গীতে বৰ্তমান পাহৰণিৰ গৰ্ভত সোমোৱা কাষত এটি মূৰত এটি গুৱাই পৰা কলচীৰে, খোজৰ লাচত কঁকাল হলাই-জলাই নৈৰ ঘাটৰ পৰা পানী অনা অসমীৰ জাক জাক জীয়ৰী-বোৱাৰীৰ ছবিখন অনেকৰ মনত সজীৱ কৰি ৰাখিছে।

তাৰালাংচুতেই হওক বা কোকৰাঝাৰতেই হওক, মাজুলীতেই হওক বা গুৱালকুছিতেই হওক, লুইত-বৰাকৰ পাৰৰ যিকোনো গাঁও-চহৰত আয়োজন কৰা ভ্ৰাম্যমান থিয়েটাৰৰ ছাউনীলৈ দৰ্শকৰ শোভাযাত্ৰা.দেখিলেই মোৰ মনত পৰে বিশ্লেষণাত্মক গুণসমৃদ্ধ লেখক ৰুদ্ৰ বৰুৱাই কোৱা এই কথা –

'জানে ওজা, ভ্ৰাম্যমান থিয়েটাৰৰ জনপ্ৰিয়তাৰ গুৰিতে আছে আমাৰ ভাওনাপ্ৰেমী প্ৰাণটো। ভাওনাৰ প্ৰতি ৰাগ-অনুৰাগ সেই চিহ্নযাত্ৰাৰে পৰা আজিলৈ আমাৰ, অসমীয়া মানুহৰ শিৰাই শিৰাই তেজ হৈ বৈ আছে। আজিৰ ভ্ৰাম্যমান প্ৰীতি তাৰেই প্ৰকাশ।'

কথাবাৰ কৈছিল ছিপাঝাৰ আৰু বাইহাটা চাৰিআলিৰ মাজৰ পথছোৱাত। আমি দুয়ো এখেৰেহেঁতৰ এখনত উভতিছিলো শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সপ্তৰ দশকত গুৱাহাটীৰ জজ খেলপথাৰত অনুষ্ঠিত অধিৱেশনৰ সাংস্কৃতিক বিভাগৰ কৰ্তব্য পালন কৰি। সাংস্কৃতিক সমাৰোহৰ বাবে যোগাযোগ কৰিবলৈ গৈছিলো ছিপাঝাৰৰ স্বনামধন্য ওজাবৃন্দক। বৰুৱা আৰু মই আছিলো সেই অধিৱেশনৰ যুটীয়া সাংস্কৃতিক সম্পাদক। শংকৰী সংস্কৃতিৰ নানান দিশ কথা প্ৰসঙ্গত আলচ কৰিছিলো। বিশেষভাৱে গুলাইছিল আজিৰ পৰিবেশ্য কলাত ভাওনাৰ প্ৰভাৱৰ কথা। এইবিষয়ে ৰুদ্ৰ বৰুৱাই ইংৰাজীত

এটা নিবন্ধ লিখিছিল। সেইটো গাড়ীতেই মোক পঢ়ি শুনাইছিল। ভ্ৰাম্যমাণৰ জনপ্ৰিয়তাত ভাওনাৰ অৱদান সম্পৰ্কীয় বৰুৱাই মুখেৰে কোৱা কথাখিনি সেই প্ৰবন্ধত সৰস-বিশ্লেষণেৰে দাঙি ধৰিছিল। প্ৰবন্ধটো লিখিছিল তেওঁ নিজে কোৱামতে 'ইলাষ্ট্ৰেটেড উইক্‌লি'ৰ বাবে তেওঁলোকৰ অনুৰোধত। উইক্‌লি মই নিয়মীয়াকৈ নপঢ়া বাবে আৰু এটা সময়ত মই আন কামত বৰকৈ ব্যস্ত থাকিবলগীয়া হোৱা বাবে প্ৰকাশ হ'ল নে নাই গম নাপালো।

মোৰ এসময়ৰ সামাজিক-সাংস্কৃতিক কৰ্মস্থলী মালিগাঁৱলৈ গ'লে, ষ্টেডিয়ামৰ বিহু পতা ঠাইডোখৰত এখন্তেক নীৰৱে কটোৱাৰ অৱকাশ পালে গুণগুণাওঁ -

গছৰ পাতত বিহু আহিল
বিহু নাহিল মনত
মনৰ চকুত জুই নজ্বলিল
জ্বলিল পলাশ বনত
বঙালীৰে ভেঁকোভাওনা
চলিল বজাৰ তলত
আচল বিহু ধৰফৰালে
কাল-চিৰৰীৰ শলত।

সেয়া আছিল ১৯৬৮ খ্ৰীষ্টাব্দ। মালিগাঁৱত তিনিনিশাজনীয়া বঙালী বিহু উৎসৱৰ তিনি সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠান পৰিচালনা কৰিছিল ক্ৰমে কদ্ৰ বৰুৱা, লক্ষহীৰা দাস আৰু ভূপেন হাজৰিকাই। অসমৰ নানাবৰণীয়া থলুৱা গীত-নাচেৰে সজোৱা প্ৰথম সন্ধিয়াটো লুইতকোঁৱৰৰ অসমৰ মাটিৰ সুবাসসনা সুৰীয়া সূত্ৰধাৰিত্বই শ্ৰোতা-দৰ্শকৰ চিৰস্মৰণীয় কৰি তুলিছিল। নানান অভাৱ-অভিযোগ, ৰাজনৈতিক দুৰ্নীতি আদিত জুৰুলা অসমীয়া মানুহৰ মনলৈ বিহু নাহিলেও বৰুৱা-দাস-হাজৰিকাৰ অৰ্থপূৰ্ণ পৰিচালনাত পাণ্ডু বিহুতলীলৈ বিহু আহিছিল।

সন্ধিয়া পৰত মালিগাঁৱৰ সৰু সৰু আলিবে অকলশৰে খোজকাঢ়ি ফুৰোতে কাৰোবাৰ কোৱাৰ্টাৰৰ পৰা বৰগীতৰ কলি, কোনোবা ক্লাবঘৰৰ পৰা জ্যোতি সংগীতৰ সুৰ, কোনোবা সংঘৰ পৰা লোক-নৃত্যৰ নূপুৰৰ ধ্বনি শুনা পালে মন মোৰ উৰা মাৰে নানা জাতি-উপজাতিৰ থলুৱা সুৰ আৰু কলাৰে সমৃদ্ধ অসমীয়া সংগীতৰ লুইতৰ দৰে বোৱতী কৰি ৰখাৰ সপোন ৰচোতা কদ্ৰ বৰুৱাই মোক কোৱা এই কথাষাৰলৈ : 'ওজা, মালিগাঁৱৰ সৰ্বভাৰতীয় অসমীয়া সমাজখনত অসমীয়া সংগীত বিদ্যালয় এখনৰ বৰ প্ৰয়োজন। খোলক। আৰ্থিক-সাহায্যৰ বাবে চিন্তা নকৰিব।'

এই কথাকেই সাৰোগত কৰি নৱজ্যোতি কলা পৰিষদৰ যুৱ সদস্যসকলৰ সক্ৰিয় সহযোগত প্ৰতিষ্ঠা কৰা হয় 'কলাগুৰু কলাকেন্দ্ৰ'। শিক্ষা দিয়া হয় বৰগীত, লোকগীত, জ্যোতিসংগীত, বিষ্ণু ৰাভাৰ গীত, বিহুনাচ, শংকৰী নৃত্য, মহোহো গীত আদিৰ। শিক্ষাদানত হোৱা খৰচৰ জোৰা মৰা হয় সাংস্কৃতিক সঞ্চালকালয়ৰ তাহানিৰ মাননীয় সঞ্চালক ৰুদ্ৰ বৰুৱাৰ পৰা পোৱা নিয়মীয়া অনুদানেৰে। তাৰেই ফলশ্ৰুতিত বৰ্তমানৰ পাণ্ডু-মালিগাঁৱৰ সন্তিয়াবোৰ ৰবীন্দ্ৰ সংগীত, নজৰুল গীতিৰ লগতে জ্যোতিসংগীত, বৰগীত, অসমীয়া লোকগীত, বিষ্ণু ৰাভাৰ গীতেৰে আপোন আপোন লগা হৈ থাকে।

শৰাইঘাট দলঙেৰে লুইত পাৰ হ'লেই, বিশেষকৈ ওপৰেৰে মটৰ গাড়ী আৰু তলেৰে ৰে'লগাড়ী গৈ থকা মুহূৰ্তত সহচৰী স্মৃতিয়ে সুৰৰ বোকোচাত কঢ়িয়াই আনে ৰুদ্ৰ বৰুৱাৰ অমৰ কণ্ঠস্বৰত তেওঁৰ আশাভৰা কথা :

অ' ওপৰৰ খলপে মটৰগাড়ী যাব
কাৰেদি মানুহৰ শাৰী
তলৰ খলপেদি ধান-মাহ কঢ়িয়াই
চলিব কত ৰে'লগাড়ী,

লুইতৰ দলঙে আজকাল আঁতৰাই সুখৰে বতৰা আনে। আৰু কলীয়াভোমোৰা সেতুৰ ব্ৰহ্মপুত্ৰ পাৰ হোৱাৰ পৰত মনলৈ আহে –

কলীয়াভোমোৰাই ভোমোৰাগুৰিতে
তাহানি পুতিছিল খুঁটি
এনেতে মৰণে ফুকনক নিলেহি
আশা গ'ল লুইতত উটি.....

আনহাতে অমাবস্যাতো পূৰ্ণিমা হৈ থকা কলকাতাৰ আউটৰাম ঘাটত বহি হাওৰা ব্ৰীজ চাই থেতিয়া টিমিক-টামাক সোঁ জ্বলে (অ' লুইতত) / আশাৰে চাকিটি জ্বলে – গীতটি গুণগুণাওঁ । সেই সময়ত মোৰ কাষতে বহি ৰুদ্ৰ বৰুৱাই যেতিয়া নতুন গীত এটিৰ জন্মবেদনাত নিস্তুপ মাৰি থাকে – তেতিয়া উপলব্ধি হয় লুইতকোঁৱৰৰ লুইতত জ্বলোৱা আশাৰ চাকিটি যেন দেশৰ সকলো বিশাল নদ-নদীৰ দুয়োপাৰৰ মানুহৰ আকাংক্ষাৰ বন্তি। ভাবি ভাল লাগে আমাৰ ভূপেন হাজৰিকাই গংগাৰ পাৰত অস্ত আকাশৰ হেঙুল বৰণত ক্লান্ত লুইতৰ হেঙুলীয়া ছবি আঁকে আৰু আমাৰেই ৰুদ্ৰ বৰুৱাই লুইতৰ দলংত জ্বলা আশাৰ চাকিটিৰে গংগা-যমুনাৰ পাৰ উজলাই তোলে।

◆ ◆ ◆

অসমৰ গাঁৱৰ সোণ বোটলা শিল্পী ৰুদ্ৰ বৰুৱা

ৰাম গোস্বামী

ৰুদ্ৰ বৰুৱা অসমৰ সাংস্কৃতিক জগতত এটা পৰিচিত নাম। পঞ্চাছ আৰু ষাঠি দশকত বিশেষকৈ তেওঁৰ গীতে অসমৰ গাঁৱে-ভূঞে সাৰ্বজনীন আকৰ্ষণ কৰিছিল। 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি', 'তাঁতৰ দোৰেপতি চলাই ঘনেপতি, পলকত টোলোঠা ঘূৰে', 'অ' মইনা চেনাই তোৰ ওঁঠৰ হাঁহি হৰিলে কোনে' প্ৰভৃতি শুৱলা গীত ৰচি, পৰিবেশন কৰি তেওঁ অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে হেজাৰ-বিজাৰ শ্ৰোতাৰ মন মুহিছিল। তেওঁ আছিল গীতি-প্ৰাণ শিল্পী। তেওঁ বহুতো গীত ৰচনা কৰি নিজে সুৰ দিছিল। গীতবোৰ তেওঁৰ সাধনাৰ সৰ্বাপেক্ষা সাৰ্থক পৰিচয়। ক'বলৈ গলে লোকগীতৰ ক্ষেত্ৰত ৰুদ্ৰ বৰুৱাৰ অৱদান অতুলনীয়। তেওঁ ৰচনা কৰা গীতবোৰ আছিল বিভিন্ন বিষয়ক কেন্দ্ৰ কৰি। অকল, মাত্ৰ ভাৱনা-চিন্তাৰ ক্ষেত্ৰতে নহয়, তেওঁৰ গীতবোৰে ব্যৱহাৰিক ক্ষেত্ৰটো অনুপ্ৰেৰণা যোগাবলৈ সমৰ্থ হৈছে। দৈনন্দিন আৰু সামাজিক জীৱনৰ নানা দিশ এই গীতবোৰে দাঙি ধৰিছে। অনেক গীতৰ মাজেদি গাঁৱলীয়া জীৱনৰ ছবি ৰসাল ভাষাৰে মৰ্মস্পৰ্শী হৈ উঠিছে, অসমীয়া জাতিৰ সহজ-সৰল ভাৱনা-চিন্তা প্ৰবাহিত হৈছে। ৰুদ্ৰ বৰুৱা আছিল জাতীয় মৰ্যাদাবোধৰ সচেতন শিল্পী। অসমীয়া জাতীয় জীৱনৰ পৰা উপাদান বুটলি তেওঁ গীত ৰচনা কৰিছিল। সুদীৰ্ঘ অনুশীলনৰ দ্বাৰা তেওঁ কৃতিত্ব লভিছিল আৰু এজন যশস্বী সুৰশিল্পীৰূপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ যোগ্যতা অৰ্জন কৰিছিল।

ৰুদ্ৰ বৰুৱাৰ গীতবোৰৰ নিজস্ব ভূমিকা আছে, সুগভীৰ প্ৰেৰণা থাকে। তেওঁ মিঠা মিঠা শব্দ সংযোগেৰে সৰল-সহজভাৱে গীতবোৰ ৰচনা কৰিছিল। সুমিষ্ট কণ্ঠস্বৰেৰে এই গীতবোৰ গাওঁতে এইবোৰৰ আবেদন সাৰ্থক হোৱাৰ যোগ্য। ৰুদ্ৰ বৰুৱাৰ গীতবোৰ যিসকলে আয়ত্ত কৰিছে তেওঁলোকে এই কথা সহজেই উপলব্ধি কৰিছে যে এইবোৰৰ নিজস্ব ৰূপ যথাৰ্থতে বৈশিষ্ট্যপূৰ্ণ। অসমীয়া জাতিৰ বিবৰ্তনৰ ধাৰা এই গীতবোৰে দাঙি ধৰিছে, ইয়াৰ সুৰ-ৰূপ, শব্দ-উচ্চাৰণ ৰীতি, সহজবোধ্য, পৰিবেশন সহজেই কৰা সম্ভৱপৰ। সাম্প্ৰতিক কালত গীতৰ ৰচনা আৰু সুৰ বহুত বেলেগ হৈছে। গীতৰ লগত কথা যোগ হৈছে, প্ৰাচ্য-পাশ্চাত্য সংযোগ হৈছে, মনোগ্ৰাহিতাৰ বাবে গীতৰ লগত বাদ্যযন্ত্ৰৰ অৱতাৰণা অধিক হৈছে। ৰুদ্ৰ বৰুৱাৰ দিনত মনোৰঞ্জনৰ ধাৰা আছিল বেলেগ। সচৰাচৰ হাৰমোনিয়াম আৰু এযোৰ তবলা সংগতৰ মাজেদিয়েই তেওঁৰ গীতে প্ৰাধান্য লাভ কৰিছিল দৰ্শক, শ্ৰোতাই দীৰ্ঘ সময়ব্যাপী তেওঁৰ অনুষ্ঠান উপভোগ কৰিছিল।

তেওঁৰ গীতত অসমৰ প্ৰাচীন গৌৰৱ উথলি উঠিছিল। জনসাধাৰণে তেওঁৰ গীতৰ মাজত নিজৰ স্বৰূপ উপলব্ধি কৰিছিল। দাৰ্শনিক তত্ত্বৰ মেৰপাকত নোসোমোৱাকৈ ৰুদ্ৰ বৰুৱাৰ গীতে তেওঁলোকৰ হৃদয় দুৱাৰ সহজভাবে মুকলি কৰিছিল। অসমৰ সকলো অঞ্চলৰ কলা-সংস্কৃতিৰ লগত ৰুদ্ৰ বৰুৱাৰ পৰিচয় ঘটিছিল। তেওঁৰ প্ৰায়বিলাক গীততে আমি লক্ষ্য কৰো যে অসমৰ বিভিন্ন অঞ্চলৰ গৌৰৱময় চিত্ৰৰে ৰঞ্জিতা খুৱাই এটা হৃদয়স্পৰ্শী আবেগ ব্যক্ত কৰা হৈছে। এনে এজন শিল্পীৰ ৰচিত গীতবোৰ সংগ্ৰহ কৰি অসম প্ৰকাশন পৰিষদে 'ৰুদ্ৰ বৰুৱাৰ গীত' পুথিখন প্ৰকাশৰ ব্যৱস্থা কৰিছে। এনে ব্যৱস্থা যে নিতান্তই প্ৰশংসনীয় কাম হৈছে সেই বিষয়ে আমি সুনিশ্চিত।

ৰুদ্ৰ বৰুৱাৰ জন্ম হৈছিল ১৯২৬ চনত, নগাঁও জিলাৰ পুৰণিগুদাম অঞ্চলৰ ভীমৰ গাঁৱত। পিতৃৰ নাম আছিল বৰদাকান্ত বৰুৱা। তাহানি ৰজাঘৰীয়া খিতাপ পোৱা কঁহাল-বাখৰ বৰুৱা পৰিয়ালৰ বংশধৰ বুলি এওঁৰ পৰিচয় সৰ্বজনবিদিত। মাতৃৰ নাম আছিল হীৰালতা বৰুৱা। ৰুদ্ৰ বৰুৱাই ন বছৰত ভৰি দিওঁতেই পিতাকৰ মৃত্যু ঘটিছিল। আপোন বুলিবলৈ মাক, এগৰাকী বায়েক আৰু এগৰাকী ভনীয়েক। এই ক্ষুদ্ৰ পৰিয়ালৰ মাজতে ৰুদ্ৰ বৰুৱাৰ আদি কালছোৱা অতিবাহিত হৈছিল দুখ-কষ্ট, অপায়-অথন্তৰৰ মাজেদি। নিৰাশ্ৰয় পৰিয়াল এটিৰ গুৰি ধৰিব লগা হোৱাত ৰুদ্ৰ বৰুৱাৰ জীৱন যাত্ৰা অত্যন্ত কষ্টবহুল হৈ পৰিছিল। তেওঁ ঘৰৰ কাষতে থকা মিকিৰহাট স্কুলৰ পৰা এল পি পৰীক্ষা আৰু পুৰণিগুদাম ৰাধাকান্ত বৰুৱা হাইস্কুলৰ পৰা ১৯৪৫ চনত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। ৰুদ্ৰ বৰুৱাই আৰ্থিক অনাটনত সোমাই আশা কৰা মতে পঢ়া-শুনা কৰিব নোৱাৰি দ্বিতীয় মহাসমৰ চলি থকা সময়ছোৱাত ৰাস্তাৰ মহৰীৰ কামত সোমাই জীৱিকাৰ পথ উলিয়াইছিল। কিন্তু তেওঁৰ মনত শিল্পী প্ৰতিভাই জন্মলাভ কৰিছিল। তেওঁৰ স্বাভাৱিক আকৰ্ষণ থলুৱা গীত-মাতৰ প্ৰতি বিশেষভাবে দেখা দিছিল। ক'বলৈ গ'লে নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত বৃহৎ কলিয়াবৰ অঞ্চলৰ শংকৰী কলা-সংস্কৃতিৰ মুধুৰ পৰিবেশৰ মাজত সোমাই ৰুদ্ৰ বৰুৱাই সৰু কালতে এটা সাংস্কৃতিক জীৱন আৰম্ভ কৰিবলৈ প্ৰেৰণা পাইছিল। তেওঁ সৰুৰে পৰা অঞ্চলটোত হৈ থকা ভাওনা-সবাহ, তিথি-উৎসৱত লাগিছিল আৰু নামঘৰত পতা নাম-প্ৰসংগ, গীত-আখৰা আদিত যোগ দিছিল। ঘৰৰ ওচৰত থকা বৰ নামঘৰটো আছিল তেওঁৰ হেঁপাহৰ বস্তু। তাত হোৱা প্ৰায়বোৰ উৎসৱতে তেওঁ অংশগ্ৰহণ কৰি সংস্কৃতি জগতত প্ৰবেশ কৰিবলৈ উৎসাহ লভিছিল। কোৱা প্ৰয়োজন যে ৰুদ্ৰ বৰুৱাই অষ্টমমান শ্ৰেণীত পঢ়ি থাকোঁতেই গীত লিখিবলৈ আৰম্ভ কৰে। গীত শিকাৰ প্ৰতি তেওঁৰ আগ্ৰহ আছিল প্ৰবল। গাঁৱৰ পৰা ছয়-সাত মাইল নিলগত থকা চহকী মানুহ এজনৰ ঘৰত গ্ৰামোফোন শুনিবলৈ আৰু গীত-মাতৰ আভাস ল'বলৈ তেওঁ সঘনাই অহা-যোৱা কৰিছিল। অসমীয়া লোকগীতৰ সুৰ, বৈচিত্ৰ্যৰ মাজেদি কেনেকৈ আধুনিক গীত ৰূপায়ণ কৰিব পাৰি সেই বিষয়ে ৰুদ্ৰ বৰুৱাই সৰু কালৰে পৰা পথ বিচাৰি ফুৰিছিল।

পৰৱৰ্ত্তী কালত তেওঁ এই পথত যথেষ্ট অগ্ৰসৰ হ'বলৈ সুবিধা পালে। তেওঁৰ পুষ্ঠ জ্ঞানে এই ক্ষেত্ৰত নিভাঁজ অসমীয়া লোক-সংগীতক এটা মোহনীয় ৰূপ দিয়াত পাৰ্যমানে সহায় কৰিলে বুলি ক'ব পাৰি।

ৰুদ্ৰ বৰুৱাৰ কলেজীয়া শিক্ষা আৰম্ভ হৈছিল নগাঁও চহৰত। চহৰৰ গণ্য-মান্য লোকৰ আৰ্থিক সাহাযাত তেওঁ পঢ়া-শুনা কৰিবলৈ সমৰ্থ হৈছিল। ৰুদ্ৰ বৰুৱাৰ অমায়িক আচৰণ আৰু শুৱলা গীত-মাতত সকলো মুগ্ধ হৈছিল। কলেজীয়া জীৱনতো তেওঁৰ প্ৰতিভাই বিকাশ লাভ কৰিছিল। প্ৰায়বিলাক অনুষ্ঠানতে তেওঁ গীত গাইছিল আৰু জনপ্ৰিয়তা অৰ্জন কৰিছিল। নগাঁৱত পঢ়া অৱস্থাতে ৰুদ্ৰ বৰুৱাই অভিনয় জগতত প্ৰবেশ কৰে। নগাঁৱৰ আমোলাপট্টিৰ নাট্য মন্দিৰ আছিল সেই সময়ৰ এটা আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠান, শিল্পী-অভিনেতাসকলৰ দৈনন্দিন মিলন ক্ষেত্ৰ। ইয়াতে ৰুদ্ৰ বৰুৱাৰ অভিনয় সম্ভাৱনাই প্ৰতি ভাৰ পথ বিচাৰি লয়। স্বৰ্গীয় চন্দ্ৰ ফুকন, শ্ৰীসাৰদা বৰদলৈ প্ৰভৃতি খ্যাতনামা অভিনেতাৰ সংস্পৰ্শলৈ আহি তেওঁ নাট্য জগতৰ সোৱাদ লাভ কৰে। মঞ্চসফল নাটক পিয়লি ফুকনত বৰাগীৰ ভাও দি তেওঁ সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। নগাঁও নাট্য মন্দিৰত অনুষ্ঠিত হোৱা অনেক অভিনয়ত ৰুদ্ৰ বৰুৱাই অংশগ্ৰহণ কৰিছিল। কেতিয়াবা গীত গাই, কেতিয়াবা বাদ্যযন্ত্ৰ বজাই আৰু কেতিয়াবা অভিনয়ত নামি তেওঁ নিজৰ পৰিচয় দাঙি ধৰিছিল। সাংস্কৃতিক বাতাৱৰণৰ মাজতে থাকি তেওঁ ১৯৪৭ চনত আই এ পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ১৯৪৮ চনত তেওঁ শিলঙলৈ যায় আৰু চাকৰিৰ অন্বেষণত ঘূৰে। শিলঙত থকা স্বৰ্গীয় মাণিক হাজৰিকা আছিল ৰুদ্ৰ বৰুৱাৰ আত্মীয় লোক। মামীয়েক পদ্মাৱতী হাজৰিকা আছিল সেই সময়ৰ সৰ্বৰ্ৱহী মহিলা; নামে-সবাহে, বিয়া-বাৰুৱে তেখেতৰ উপস্থিতি আছিল সকলোতে আকৰ্ষণীয়। হাজৰিকা পৰিয়ালৰ মাজত অসমীয়া গীত-মাত, অসমীয়া সাজ-পাৰ, অসমীয়া গহনা-গাঁঠৰিৰ আদৰ আৰু পৰম্পৰা সযত্নে ৰক্ষিত হৈছিল। এনে এটা ব্যক্তিত্ব ভৰা পৰিয়ালৰ মাজত সোমাই ৰুদ্ৰ বৰুৱাই অসমীয়া কলা-সংস্কৃতিৰ ফলশ্ৰুতি বিচাৰি পাইছিল। সৰু মোমায়েক স্বৰ্গীয় হেম হাজৰিকাই তেওঁক এটা চাকৰিত ভৰাই দি অৰ্থ চিন্তাৰ পৰা সকাহ দিলে। ৰুদ্ৰ বৰুৱাই দিনত বেতৰ আৰু বয়ন বিভাগত চাকৰি কৰিছিল আৰু সন্ধিয়া চেন্ট এন্থনী কলেজৰ পৰাই নৈশ শ্ৰেণীত শিক্ষা লৈছিল। চেন্ট এন্থনী কলেজৰ পৰাই তেওঁ ১৯৫১ চনত স্নাতক হয়। তেওঁ শিক্ষা সাং কৰি সাংস্কৃতিক বিষয়ত আন্তৰিকতাৰে লাগিবলৈ মন বান্ধে। ক'বলৈ গ'লে শিলঙত থকা কালছোৱাত ৰুদ্ৰ বৰুৱাৰ শিল্পীসুলভ আকাংক্ষাই দোপত দোপে উধাবলৈ সক্ষম হৈছিল। ৰাজকীয় পৃষ্ঠপোষকতা আৰু সামাজিক জনপ্ৰিয়তাত তেওঁ উপযুক্তভাৱে উৎসাহিত হৈ কলা-সংস্কৃতিৰ জগতত আগবাঢ়িছিল। শিলঙত গঢ় লোৱা বিভিন্ন অনুষ্ঠানৰ লগত ৰুদ্ৰ বৰুৱা জড়িত আছিল। অসমৰ নানা ঠাইৰ পৰা গৈ অসমীয়া মানুহে শিলঙত এটা সাংস্কৃতিক বাতাৱৰণ সৃষ্টি কৰিছিল। প্ৰাচীন কামৰূপী নৃত্য সংঘ, বিষ্ণুপুৰৰ শ্ৰীমন্ত শংকৰদেৱ কলা কৃষ্টি কেন্দ্ৰ, লুমলিয়েগুৰ শ্ৰীমাধৱদেৱ নামঘৰ, লাবান

নামঘৰ, লবাৰ জেইল ৰোডৰ অসমীয়া নামঘৰ, শ্বিলং মুকুল সংঘ, শ্বিলং কলা পৰিষদ, শ্ৰীমন্ত শংকৰদেৱ নাট্য সমাজ প্ৰভৃতি অনেক অনুষ্ঠান-প্ৰতিষ্ঠানৰ নাম লব পাৰি যিবোৰৰ যোগেদি অসমীয়া কলা-সংস্কৃতি আৰু সাহিত্যৰ উজ্জ্বল নিদৰ্শন ফুটি ওলাইছিল। শংকৰী কলা সংস্কৃতিৰ লগত ওতঃপ্ৰোতভাবে লাগি থকা কেইবাগৰাকীও সুপ্ৰসিদ্ধ শিল্পীৰ সান্নিধ্যত ৰুদ্ৰ বৰুৱাৰ সাংগীতিক প্ৰতিভাই বিকাশ লাভ কৰাত সুবিধা পাইছিল। স্বৰ্গীয় জীৱেশ্বৰ গোস্বামী, কলিয়াবৰৰ ওজা স্বৰ্গীয় গিৰিকান্ত মহন্তৰ নাম এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। ৰুদ্ৰ বৰুৱা অংকীয়া ভাওনা, সত্ৰীয়া নৃত্য, বৰগীত আদিৰ প্ৰতি বিশেষভাবে আকৃষ্ট হৈছিল। শ্বিলং কলা পৰিষদ গঠিত হৈছিল এচাম উৎসাহী শিল্পীৰ দ্বাৰা। নতুন আৰু পুৰণিৰ সময়োপযোগী সমন্বয়ৰ মাজেদি অসমৰ কলা সংস্কৃতি, নৃত্য-গীত দাঙি ধৰা আছিল তেওঁলোকৰ অন্যতম উদ্দেশ্য। নতুন ৰূপত অংকীয়া ভাওনা উপস্থাপন কৰি সেইবোৰৰ জনপ্ৰিয়তা বঢ়াবলৈ এওঁলোকে চেষ্টা চলাইছিল। শংকৰী কলা-কৃষ্টিৰ বহুল প্ৰচাৰৰ হকে শ্বিলং কলা পৰিষদে ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, কংসবধ, চোৰধৰা-পিম্পৰা গুচোৱা আদি নাটৰ নৃত্য-নাট আজিৰ দৰ্শকৰ লগত ৰজিতা খুৱাই প্ৰদৰ্শন কৰিছিল। এইবোৰৰ বাহিৰেও এই পৰিষদে গৌতম বুদ্ধ, ৰামায়ণ, নতুন ভাৰত আদি নৃত্য নাটিকাৰ সফল প্ৰদৰ্শন কৰি যশস্যা অৰ্জন কৰিছিল। অসমৰ বাহিৰলৈকো কলা পৰিষদক নিমন্ত্ৰণ কৰি নিয়া হৈছিল। ৰুদ্ৰ বৰুৱা আছিল কলা পৰিষদৰ অন্যতম গুৰি ধৰোঁতা। শ্ৰীগণেশ চন্দ্ৰ ফুকন, লীলাধৰ কটকী, স্বৰ্গীয় (ডº) চৈতন্য হাজৰিকা, শ্ৰীভুবনমোহন বৰুৱা, স্বৰ্গীয় জীৱেশ্বৰ গোস্বামী, শ্ৰীধৰ্মানন্দ দাস, শ্ৰীপ্ৰিয়ধৰ বৰুৱা, শ্ৰীবীৰেণ বৰুৱা, শ্ৰীপ্ৰমোদ বৰুৱা, শ্ৰীকৃষ্ণমূৰ্তি হাজৰিকা, শ্ৰীমহেন্দ্ৰ হাজৰিকা, শ্ৰীভীম বৰা, শ্ৰীহেৰম্ব বৰা, শ্ৰীবসন্ত কলিতা, শ্ৰীত্ৰৈলোক্য খাউণ্ড, শ্ৰীযোগেশ্বৰ শইকীয়া, শ্ৰীমাধব ভট্টাচাৰ্য, শ্ৰীসাৰদা ভাগৱতী প্ৰভৃতি অনেক প্ৰবীণ-নবীন ব্যক্তিৰ নাম ল'ব পাৰি যিসকলৰ আন্তৰিক প্ৰচেষ্টাত এই পৰিষদে সুনাম অৰ্জন কৰিছিল। এই লেখকো আছিল অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাবে জড়িত আন এজন উদ্যোক্তা। ৰুদ্ৰ বৰুৱাৰ লগত এই অনুষ্ঠানৰ মাজেদিয়েই আমাৰ সম্পৰ্ক আপোন হৈ পৰে। নৃত্য-নাটিকাৰ সংগীত পৰিচালনাৰ ভাৰ ৰুদ্ৰ বৰুৱাৰ ওপৰতো অৰ্পণ কৰা হৈছিল। সংগীতপ্ৰিয়, নৃত্যপ্ৰিয় অসমীয়া ৰাইজে শ্বিলং কলা পৰিষদৰ দ্বাৰা আয়োজিত নৃত্য সমাৰোহত নতুনত্বৰ সোৱাদ পাইছিল। প্ৰায়বোৰ প্ৰদৰ্শনতে নৃত্য আৰু সংগীতৰ মূল আকৰ্ষণ, সেইবাবে ৰুদ্ৰ বৰুৱাই অত্যন্ত যত্ন সহকাৰে এই সমন্বয় ৰক্ষা কৰিছিল। কলা পৰিষদৰ নৃত্য-নাটিকাত অংকীয়া ভাওনাৰ লগত জড়িত শ্লোক, গীত, বচন আৰু সূত্ৰধাৰ সংযোগ কৰা হৈছিল। এই চাৰিবিধৰ মাজেদি নৃত্যসম্বলিত আখ্যানে সমূহ দৰ্শকৰ হৃদয় স্পৰ্শ কৰিব পাৰিছিল। ৰুদ্ৰ বৰুৱাই সদায় গীতসমূহ শ্ৰুতিমধুৰ কৰাত গুৰুত্ব আৰোপ কৰিছিল। অংকীয়া ভাওনাৰ অনেক গীত, গীতৰ তাল, লয়, মান তেওঁৰ কণ্ঠস্থ আছিল। আনকি অনেক খোলৰ বোলো তেওঁ আয়ত্ত কৰিছিল। শ্বিলং কলা পৰিষদৰ গৌৰৱময় ইতিহাসত ৰুদ্ৰ বৰুৱাৰ নাম

সুদায় উজ্জ্বল হৈ থাকিব। গুৱাহাটীলৈ ৰাজধানী স্থানান্তৰ হোৱাত শ্বিলঙৰ পথ পৰিষদ নমাই অনা হ'ল। গুৱাহাটীত ইয়াক পুনৰ প্ৰতিষ্ঠা কৰি তুলিবলৈ ইয়াৰ লগত জড়িত ভালেকেইজন শিল্পীয়ে চেষ্টা চলাইছিল। ৰুদ্ৰ বৰুৱাই এই বিষয়ত আগভাগ লৈছিল। কিন্তু তেওঁ বেছি দিন জীয়াই নাথাকিল। তেওঁৰ মৃত্যুৰ লগে লগে অনুষ্ঠানবো মৃত্যু ঘটিল। ইয়াৰ সভ্য-সভ্যাসকলে পৰিষদৰ পুঁজিত থকা সমুদায় ধন অসম সাহিত্য সভাক দান দিছে। এই দানেৰে সাহিত্য সভাই শ্বিলং কলা পৰিষদ ন্যাস পুঁজি খুলি অংকীয়া ভাওনা বিষয়ক বক্তৃতামালাৰ আয়োজন কৰিছে।

মৃত্যুৰ আগলৈকে ৰুদ্ৰ বৰুৱাই সাংস্কৃতিক বিভাগৰ সঞ্চালক পদত থাকি কলা সংস্কৃতিৰ উন্নতিৰ হকে বহুতো কাম কৰি গৈছে। ৰবীন্দ্ৰ ভৱনকে কেন্দ্ৰ কৰি বহু ধৰণৰ সাংস্কৃতিক সমাৰোহ ৰুদ্ৰ বৰুৱাই পৰিচালনা কৰিছিল। অনেক অনুষ্ঠানৰ গুৰি ধৰি সেইবোৰৰ জনপ্ৰিয়তা বৃদ্ধি কৰিছিল। অসমৰ বাহিৰত আৰু বিদেশত অসমৰ থলুৱা সংস্কৃতি প্ৰচাৰ, প্ৰসাৰৰ হকে তেওঁ দেহে-কেহে খাটিছিল। তেওঁৰ নেতৃত্বত অসমৰ শিল্পী দলে ইন্দোনেছিয়ালৈকে গৈছিল। ৰুদ্ৰ বৰুৱাই অনেক শিল্পীক ভিতৰুৱা অঞ্চলৰ পৰা বাহিৰলৈ উলিয়াই সমাদৰ জনাইছিল। অনেকক তেওঁ প্ৰতিভা বিকাশত উদগনি দিছিল, অনেকক জীৱিকাৰ উপায় দিছিল।

সাংস্কৃতিক বিভাগৰ সঞ্চালকৰূপে তেওঁ কেইবাখনো আঁচনি চৰকাৰৰ ঘৰত দাখিল কৰিছিল। এইবোৰ ৰূপায়িত কৰিবলৈ চেষ্টা কৰোঁতেই তেওঁ অসুস্থ হৈ পৰিল। চিকিৎসাৰ বাবে তেওঁ ভেলোৰৰ খ্ৰীষ্টিয়ান মেডিকেল হাস্পতাললৈ যায় আৰু তাতে ১৯৮০ চনৰ ১৪ ফেব্ৰুৱাৰী তাৰিখে ইহলীলা সম্বৰণ কৰে। তেওঁৰ নশ্বৰ দেহা বিমানেৰে গুৱাহাটীলৈ আনি নৱগ্ৰহ শ্মশানত সংকাৰ কৰা হ'ল। তেওঁৰ অকাল মৃত্যুত সমগ্ৰ অসম ম্ৰিয়মান হ'ল। অসমৰ সাংস্কৃতিক জগতৰ অপূৰণীয় ক্ষতি হ'ল। জীৱনৰ শেষৰ ফালে ৰুদ্ৰ বৰুৱাই কেইবাখনো অসমীয়া কথাছবিত অভিনয় কৰিছিল। কেইবাখনতো তেওঁ সংগীত পৰিচালনা কৰিছিল। মৃত্যুৰ এমাহৰ আগতে তেওঁ অসমীয়া কথাছবি 'বোৱাৰী'ত শেষ অভিনয় কৰি সুনাম অৰ্জন কৰি গৈছে।

ৰুদ্ৰ বৰুৱাই গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা পথত থকা নবীন নগৰত নিজা বাসভৱন নিৰ্মাণ কৰি বেছি দিন ভোগ কৰিবলৈ নাপালে। এবছৰৰ ভিতৰতে তেওঁৰ মৃত্যু ঘটিল। মৃত্যুৰ সময়ত তেওঁ পত্নী শ্ৰীমতী আৰতি বৰুৱা (১৯৫৫ চনত বিবাহ হৈছিল) পুত্ৰ যথাক্ৰমে স্বপ্নীল বৰুৱা, নভনীল বৰুৱা আৰু অভ্ৰনীল বৰুৱাক এৰি থৈ যায়। 'ৰুদ্ৰ বৰুৱাৰ গীত'ত ১৮৪টি গীত সন্নিবিষ্ট কৰা হৈছে। এই গীতসমূহক প্ৰধানকৈ চাৰি ভাগত বিভক্ত কৰিব পাৰি। সেইবোৰ যথাক্ৰমে বনগীত, দেশপ্ৰেমমূলক গীত, ব্যৱহাৰিক গীত বা কৰ্ম সংগীত আৰু ল'ৰা-ছোৱালীৰ বাবে ৰচনা কৰা গীত। বনগীতৰ মাজত অসমৰ আঞ্চলিক বৈশিষ্ট্য সোমাই থকা বাবে সাধাৰণভাৱে ক'বলৈ গ'লে এই

শ্ৰেণীৰ গীতে ৰুদ্ৰ বৰুৱাৰ জনপ্ৰিয়তা বৃদ্ধি কৰাত প্ৰচুৰ সহায় কৰিছিল। এই গীতসমূহৰ মাজেদি অসমীয়া জাতিৰ সাংস্কৃতিক উপকৰণ আৰু পুৰণি ঐতিহ্য প্ৰকাশ পাইছে। ৰুদ্ৰ বৰুৱাই এই ধৰণৰ গীতৰ মাজেদি অসমৰ পুৰণি গৌৰবৰ লগত আমাক চিনাকি কৰি দি আমাৰ জাতীয় মৰ্যাদা নিৰূপণ কৰিবৰ বাবে যত্ন কৰিছিল। অসমৰ লোক সমাজৰ সাৰ্থক আবেদন -- গাওঁ অঞ্চলৰ সহজ-সৰল ধৰ্মতত্ব, সাংসাৰিক জীৱনৰ বিচিত্ৰ সুখ-দুখ, আশা-আকাংক্ষা এই গীতসমূহে ব্যক্ত কৰিছে। ভালেমান গীতৰ মাজেদি বিবাহিত জীৱনৰ আদৰ্শ, ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতি, সমাজ বান্ধোন, স্ত্ৰী-পুৰুষৰ সামাজিক দায়িত্ব, নাৰী দেহৰ বৰ্ণনা, সাজ-পাৰ, অলংকাৰ, শিল্প-কল্পনা প্ৰভৃতি ৰূপায়িত হৈছে। ৰুদ্ৰ বৰুৱাই আবেগ আৰু অনুভূতিৰে এই শ্ৰেণীৰ গীত ৰচনা কৰিছিল। এই প্ৰসংগত তেওঁ ৰচনা কৰা দুটামান গীতলৈ আঙুলিয়াব পাৰি --

তাঁতৰ দোৰেপতি চলাই ঘনেপতি
পলকত টোলোঠা ঘূৰে,
কোননো সেইগৰাকী চিলনীৰ ঐ জীয়াৰী
চেলেংনো ছকঠীয়া জোৰে।

অসমৰ বোৱনী শিপিনীৰ হাতত তাঁত-শিল্পৰ চমৎকৃত এই গীতে দাঙি ধৰিছে। গীতৰ মাজেদি অসমীয়া গাভৰুৰ স্বাভাবিক ৰূপ লাৱণ্য ব্যক্ত হৈছে। ঠিক তেনেকৈ পকা ধানৰ মাজে মাজে .... গীতটোত অসমৰ পথাৰত দাৱনীয়ে বতৰত ধান কটা মনোৰম দৃশ্য বৰ্ণনা কৰা হৈছে। পকা ধানৰ সোণ বৰণীয়া গুটিবোৰ খাবলৈ সৰু সৰু চৰাইৰ জাক নামি আহে। দাৱনীৰ হাতত শুকান ধানপাত লাগি তেজ ওলায়। তথাপি পকা ধানৰ প্ৰতি তেওঁলোকৰ আগ্ৰহৰ সীমা নাই। তেওঁলোকে ধান কাটি কাটি উলাহতে গায় --

অ' মইনা চেনাই তোৰ ওঁঠৰ হাঁহি হৰিলে কোনে
দেহাৰে তেজ মঙহে দেহাতে ঐ শুকালে।
ক'তেনো তোক ধৰিলে ঘূণে ....

এইটো গীতৰ মাজেদি অসমীয়া মানুহ দুখীয়া অৱস্থাত পৰি কেনেকুৱা হৈছে তাক বৰ্ণনা কৰা হৈছে। এদিন চহকী অসমীয়াৰ সকলো আছিল, আজি কিন্তু বিপৰীত। আজি অসমীয়াই নিজৰ ঘৰতে ভিক্ষাৰী হৈছে, দুবেলা দুমুঠি খাবলৈ বিচাৰি হাহাকাৰ কৰিছে। বনগীতৰ আকাৰত ৰচা অনেক গীত আছে যিবোৰৰ মাজেদি আমি অসমীয়া জাতিৰ বৈচিত্ৰ্যময় কাহিনী, আকৃতি-প্ৰকৃতি, সংস্কৃতিগত ঐক্য-সংহতি প্ৰভৃতিৰ বৰ্ণনা দেখিবলৈ পাওঁ। ঋতু বৰ্ণনাৰ ভিতৰেদি চিত্ৰিত হৈছে অসমৰ লোকনৃতাৰ বিশিষ্ট ৰূপ। অসমীয়া জাতীয় জীৱনত কৃষিবৃত্তিৰ প্ৰভাৱ অত্যন্ত বেছি। ৰুদ্ৰ বৰুৱাই খেতি পথাৰক অৱলম্বন

কৰি ভালেমান গীত ৰচনা কৰিছে। তাৰে এটা উদাহৰণ হ'ল --

বহাগৰ পিছতে আহিল ৰবষুণ
পথাৰ ভৰি পৰিল, একাঠু পানীৰে তল গ'ল
বিহু মাৰি ডেকা-গাভৰু ভাগৰি পৰিছে।
শিপিনীয়ে তাঁত চপাই জিৰণি লৈছে
ঢুলীয়া ডেকাৰ মনত ঘনাই ঘনাই নাচনীজনীলৈ মনত পৰিছে।।

ৰুদ্ৰ বৰুৱাৰ গীতত যৌৱনৰ সুন্দৰ ছবি ফুটি ওলাইছে, তেওঁৰ এটা জনপ্ৰিয় গীত হৈছে :

কাণত জিলিকিল নেজালকৈ থুৰীয়া
খোপাতে কপৌফুল পাহি,
হাতত গামে খাৰু গাঁৱৰে গাভৰু
মুখত মনেহৰা হাঁহি।

এনে গীতবোৰৰ ভাব-ভাষাত ক'তো কঠিনতা নাই। বৰুৱা মিঠা মিঠা শব্দ প্ৰয়োগেৰে এনে গীতবোৰে আবেদন সৃষ্টি কৰিবলৈ সক্ষম হৈছে। ৰুদ্ৰ বৰুৱাই লোক-জীৱনৰ লগত নিবিড়ভাৱে সম্পৰ্ক থকা গীত ৰচি ভাল পাইছিল। এই গীতবোৰৰ মাজেদি তেওঁ অসমৰ উৎসৱ, অনুষ্ঠান, জাতীয় পৰম্পৰা, সামাজিক আচাৰ-বিচাৰ বৰ্ণনা কৰিছিল। লোক পৰম্পৰাৰ বৈচিত্ৰ ফুটাই তুলিবলৈ তেওঁ গাঁৱলীয়া দৃশ্য অংকন কৰিছিল। আনকি গাঁৱৰ গছ-গছনি, খেতি-পথাৰ, ভাওনা সবাহ, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ প্ৰভৃতিকো তেওঁ গীতৰ মাজেদি ৰূপায়িত কৰিছিল। অসমীয়া জাতীয় ৰস-চেতনা অসমৰ মাটিতে, অসমৰ জলবায়ুতে পুষ্টি লাভ হোৱাটো তেওঁ আশা কৰিছিল ('অ' বন্ধু, সময় পালে আমাৰ ফালে এবাৰ আহি যাবা')।

ৰুদ্ৰ বৰুৱাৰ দেশ-প্ৰেমমূলক গীতবোৰত জাতীয় ঐক্য আৰু সম্প্ৰীতিৰ কথা ফুটি ওলাইছে। এই ধৰণৰ গীত ৰচনা কৰি, নিজে সুৰ দি তেওঁ নিজে গাইছিল, আনৰ দ্বাৰাই গোৱাইছিল। এইবোৰৰ যে উপলক্ষ নাছিল এনে নহয়। সাংস্কৃতিক বিভাগে পৰিৱেশন কৰা প্ৰায়বোৰ চৰকাৰী-বেচৰকাৰী অনুষ্ঠানত ৰুদ্ৰ বৰুৱাৰ দেশ-প্ৰেমমূলক গীত শুনিবলৈ পোৱা গৈছিল। আকাশবাণীযোগে তেওঁৰ অনেক গীত পৰিৱেশন কৰা হৈছিল। আজিকালিও মাজে সময়ে এইবোৰ আমাৰ কাণত পৰে। কোৱা বাহুল্য যে ৰুদ্ৰ বৰুৱাই গ্ৰামোন্নয়ন, বয়ন-শিল্প, সমাজ উন্নয়ন, জাতীয় সমন্বয়, ৰাষ্ট্ৰীয় প্ৰচেষ্টা, কুটীৰ শিল্প প্ৰভৃতি বিষয়ত গীত ৰচিছিল। তেওঁৰ গীতৰ মাজেদিয়েই সংহতি, মিলা-প্ৰীতি কামনা কৰিছিল। নানা ব্যৱহাৰিক দিশত তেওঁৰ গীতে জনসাধাৰণৰ মনোযোগ আকৰ্ষণ কৰিছিল। এইবিধক কৰ্ম-সংগীত বা ব্যৱহাৰিক গীত বুলিব পাৰি। ধান কটাৰ সময়ত হাল বোৱা, মাছ মৰা, জাকৈ মৰা, ধান চপোৱা, কাপোৰ বোৱা, নাও বোৱা, এৰি পলু পোহা, দলং নিৰ্মাণ কৰা, আলি বন্ধা বা কোনো আনুষ্ঠানিক তিথি-উৎসৱ উপলক্ষে তেওঁ বিধে বিধে

গীত ৰচিছিল। ইয়াৰ বাহিৰেও তেওঁৰ গীতৰ সমষ্টিত অন্তৰ্ভুক্ত হৈছিল চৰকাৰৰ সৰহ শস্য উৎপাদন, জন্ম নিয়ন্ত্ৰণ, বান নিয়ন্ত্ৰণ, নিৰক্ষৰতা দূৰীকৰণ, অস্পৃশ্যতা বৰ্জন, মাদক দ্ৰব্য নিবাৰণ, পঞ্চবাৰ্ষিক পৰিকল্পনা, ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মিত দলং আদি অনেক বিষয়। এইবোৰে চৰকাৰী আঁচনি জনপ্ৰিয় কৰাত সহায় কৰিছিল। চৰকাৰী চাকৰিয়াল হিচাপে আৰু সাংস্কৃতিক বিভাগৰ গুৰিয়াল হিচাপে তেওঁ এইবোৰ কামত জড়িত হবলগাত পৰিছিল। প্ৰচাৰ ক্ষেত্ৰত এইবোৰ গীতে বিশেষ কাম কৰিছিল। ৰুদ্ৰ বৰুৱাই ৰচা কাহিনী-গীতবোৰ মন কৰিবলগীয়া। এনে গীত হৈছে 'ফুলগুৰিৰ ফুলেশ্বৰ, ৰহাৰ ৰহদৈ'। এনে ধৰণৰ গীতৰ আবেদন সুমিষ্ট, সুৰ-লয়-ৰূপ সহজবোধ্য।

ৰুদ্ৰ বৰুৱাৰ গীতৰ আন এটা উপজীব্য হ'ল নদী। অসম মূলতঃ এখন নদী-মাতৃক দেশ হ'লেও অসমত বিভিন্ন জিলাত থকা নদী বিলাকৰ নিজ নিজ বৈশিষ্ট্য আছে। ৰুদ্ৰ বৰুৱাই এই উদ্দেশ্যে গীত প্ৰণয়ন কৰিছিল। ব্ৰহ্মপুত্ৰৰ বাহিৰেও কলং, কপিলী, ভোগদৈ আদি নদীক কেন্দ্ৰ কৰি তেওঁ গীত লিখিছিল। কলং নদীৰ পাৰত ডাঙৰ-দীঘল হোৱা ৰুদ্ৰ বৰুৱাই নিজৰ স্মৃতিজড়িত অনেক ঘটনাকে গীতৰ আকাৰে বৰ্ণনা কৰিছে। অসমীয়া জাতীয় জীৱনৰ লগত লুইত, দিখৌ, জাঁজী, ধনশিৰি, কপিলী আদিৰ যি মধুৰ সম্বন্ধ তাক তেওঁ গীতত ৰূপায়িত কৰিছে। মন কৰিবলগীয়া কথা যে এই নদীসমূহে অসমীয়া জাতিৰ আৰ্থিক, সামাজিক আনকি ধৰ্মীয় আচৰণতো ক্ৰিয়া কৰি আহিছে। কপিলী নদীৰ প্ৰসঙ্গত এটা গীত এনে ধৰণৰ :

আই মোৰ কপিলী হে
এই বেলি নাবাঢ়িবা
মোৰ খেতি নামাৰিবা
মাতো কাবৌ কৰি,
নহ'লে মই ঘৰে ঘৰোৱাহী
ইবাৰ গ'লো মৰি।

এই গীতটোৰ মাজেদি খেতিক আশ্ৰয় কৰি বৰ্তি থকা চহা অসমীয়াৰ চৰিত্ৰ ফুটি ওলাইছে। বলিয়া বানক সকলো খেতিয়কে ভয় কৰে। খেতি-বাতি সকলোৰে আদৰৰ বস্তু। ইয়াৰ হানি হ'লে তেওঁলোকে দুখ পায়, খেতিড়বা অপায়-অমঙ্গলৰ পৰা ৰক্ষা কৰাৰ অৰ্থে অসমীয়া খেতিয়ক বাইজে ভগৱন্তৰ ওচৰত মিনতি জনায়। তেল-বন্তি জ্বলায়।

ৰুদ্ৰ বৰুৱাক কলংপৰীয়া গীতিকাৰ বুলি আখ্যা দিয়া হয়। এই আখ্যা যুক্তিসঙ্গত। কাৰণ তেওঁৰ শৈশৱ কালছোৱা কলং নদীৰ পাৰতে অতিবাহিত হৈছিল। এই নদীখনৰ লগত তেওঁৰ যোগসূত্ৰ ঘটিছিল অভিন্নভাৱে। তেওঁৰ গীতত সেয়েহে আমি কলং নদীৰ উল্লেখ পাওঁহক :

কলঙৰ কানৰে কঁহুৱা কিজুপি
মিলনৰ মেলালৈ যাওঁ নেযাওঁ কৰি
শুকুলা অলক উৰাই,
বতাহৰ লগতে নাচে ঘনে ঘনে
পানীতে ছবিটি চাই

কলঙৰ পাৰত মেজিঘৰ সাজি কলংপৰীয়া ডেকাইতে ভোজ-ভাত খায়, বং-ৰহইচ কৰে, গীত গায়, নাচে। ৰুদ্ৰ বৰুৱাৰ গীতত এইবোৰ উপাদানে ঠাই লৈছে :

মাঘৰে মেজি মোৰ জ্বলে দপেদপায়
বেৰি সমনীয়াই ধৰো,
সুৰীয়া গীতেৰে হাতৰ চাপৰিৰে
কলঙৰ চৰতে খাইলো বালি-ভাতে
বঙে ঐ ধেমালি কৰো,
পথাৰৰ মাজেদি নাইঁকৈ বাটেদি
মহে যুঁজ চাবলৈ লৰো,
ঘৰত দুবি আহি গুৱা-পাণখনৰে
গিয়াতি সম্ভাজন সোধো।

ৰুদ্ৰ বৰুৱা আছিল একজন নিৰ্ভীক অসমীয়া গীতিকাৰ। থলুৱা মাত-কথাৰ বাছকবনীয়া শব্দবোৰ তেওঁ গীতত সংযোগ কৰিছিল। অসমৰ কলা-সংস্কৃতিৰ প্ৰতি তেওঁ আছিল অত্যন্ত শ্ৰদ্ধাবান, নিষ্ঠাবান ব্যক্তি। সাহিত্য জগতত তেওঁ একজন গীতিকাৰ আৰু সংস্কৃতিবান লোক স্বৰূপে প্ৰৱেশ কৰিছিল। অসম সাহিত্য সভাৰ সাংস্কৃতিক অধিবেশনৰ তেওঁ সভাপতি হৈছিল। তেওঁৰ আলোক সন্ধানী মনটোৱে অসমৰ প্ৰাচীন গৌৰৱ গীতৰ মাজেদি সু-প্ৰতিষ্ঠিত কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। তেওঁ আছিল একজন নিজে গঢ়া সুৰুচিসম্পন্ন শিল্পী।

❖ ❖ ❖

সময় পালে আমাৰ ফালে এবাৰ আহি যাবা

কেশৱ মহন্ত

গাঁৱৰ নতুন ঘৰলৈ আহিছে ন-কইনা। মাকণ বাইটিয়ে হাঁহি হাঁহি গালে –

নাৰ্জ্জি ফুলৰ বাজী ফুল ঐ
তবা ফুলৰ সৰা ফুল ঐ
ৰ মাই ৰ মাই সৰু মাই ঐ
আমাৰে আইদেউ পালেহি ঐ।

দেখাত অসংলগ্ন যেন লগা এই কথাখিনিৰ যিটো উপলব্ধিয়ে গায়িকা তথা শ্ৰোতাক আকুল কৰিছিল সি হ'ল "আমাৰ বাইদেউ পালেহি ঐ"। ৰুদ্ৰ বৰুৱাৰ বুকুৰ ভিতৰখনত কিবা এটাই খুন্দিয়াখুন্দি কৰি গ'ল।

জীৱনৰ আগছোৱাত ঘটনাক্ৰমে পৰিয়ালত দেখা দিয়া আৰ্থিক দুৰ্যোগৰ সন্মুখীন হ'বলৈ ৰুদ্ৰ বৰুৱা আলি-মহৰীৰ কাম এটাকে ল'ব লগাত পৰিল। কিন্তু জীৱনৰ প্ৰেৰণাৰ কোবাল সোঁতৰ মুখত জীৱিকা কেতিয়াবা জাঁজী হয়। আলি-মহৰীৰ চকু আলিবাটতে নাথাকে, তাঁতৰ পাটতো পৰেগৈ, নৈৰ ঘাটতো পৰেগৈ। নৈ লৈ পানী নিবলৈ অহা গাভৰুজাকে ওখ গড়াৰ পৰা ঘাটলৈ নামি গৈ গা ধোৱে।

ল'ৰালিত গৰু চৰাবলৈ গৈ ৰুদ্ৰ বৰুৱা কলংপাৰৰ ভেলেউগুৰি চাপৰি পাইছিলগৈ। গৰখীয়া ৰুদ্ৰ বৰুৱাৰ চকুত জিলিকি উঠিছিল গাঁওখন। গাঁৱৰ পৰা জাক পাতি ওলাই আহিছিল গাভৰু, এটা কলহ মূৰত, এটা কঁকালত। দেখি ৰুদ্ৰ বৰুৱাই লিখিলে-

পুব কোণৰ বেলিয়ে পোহৰ এছাটিৰে
জগালে গাওঁখনি মোৰ
যুৱতীয়া গাগৰিৰে গৰাটি ঐ নামিলে
জাকে জাকে গাভৰুবোৰ।

বিভিন্ন প্ৰান্তত ভ্ৰমি ফুৰে অশান্ত ৰুদ্ৰ বৰুৱা। এদিন তেওঁৰ চকুত পৰিল এজনী 'ছালছিগা' নামতী। নামতীৰ নিজৰ বুলিবলৈ কেও-কিছু নাই। যি বা জীয়েকজনী আছিল, তাইকো 'যমে কাটি নিলে।' তাই পৰৰ বিয়াই বিয়াই নাম গাই লোকৰ আনন্দকে নিজৰ কৰি লয়। বিয়াৰ দিনাই তাইৰ যি আদৰ, বিয়া ভাগিলেই তাই এলাগী। তায়েই ৰুদ্ৰ বৰুৱাৰ "জেতুকী বাই"। তাইৰে একাত্ম হৈ শিল্পীয়ে লিখিলে –

ৰুদ্ৰ বীণাৰ তান

ইযেৰা জেতুকী বাই
চুলি তোৰ পকালি, দাঁতবোৰ সৰালি
পৰৰ ঘৰে ঘৰে নাম-গুণ গাই।
কাৰোবাৰ পুতেকে কোনোবাৰ জীয়েকক
নিগৰে পাতিছে বিয়া
জোৰাইৰ টীকি নাম বোৱা দিহাৰ গাম
তোৰ হে ভৰ নাইকিয়া।

তোৰ যে জীয়েকক যমে কাঢ়ি নিলে
বুকু গুদা পৰি যায়
পৰৰে জীয়েকক জোৰায়ে নিওঁতে
কান্দ তই নামকে গাই।
বৰ্ভাৰৰ গুৰুনী জীয়াৰী জোৰালী
তোলে ঠাইকে নাই
বিয়াৰ তই নামটী দিয়াত হে সোঁৱৰে
পুৱালে পাহৰি যায়।

অসমৰ মনোহৰা প্ৰকৃতি প্ৰকৃতিৰ বুকুত কৰ্মৰত মানুহ মানুহৰ ভালপোৱা, হাঁহি আৰু কান্দোন জীৱন সংগ্ৰাম সকলোৱে চিত্ৰ পাওঁ ৰুদ্ৰ বৰুৱাৰ গীতত। পকা ধানৰ মাজে দি থকা সৰু সৰু আলিবোৰৰ যেন জীৱন আছে। সেই পাহোৱাল বিক্ৰাটো, পদুমৰ চকাৰে জিলিকি থকা গামোচাখনৰ আঁচলৰে পাগ মাৰি অহা পাহোৱাল ডেকাটো। আৰু শাল গুৰুনী গাভৰুজনীৰ চতুৰ্দশ, দোৱপতি তাই ধনে ধনে চলায়, পলকতে ঘূৰে টোলোঠা। আমাৰ কামৰ বাহনবোৰত ওপজা শব্দবোৰ ৰুদ্ৰ বৰুৱাৰ গীতত উঁৰি আহি এনেকৈ পৰেহি - যেন আমাৰে মাহবোৰ নতুনকৈ শুনিছো।। দেশৰ চাঁবিয়াল সকলৰ শাসন আৰু প্ৰশাসনৰ মজ্জাগত অবহেলা আৰু বঞ্চনাৰ ফলত অসমখন সকলো ফালেদি ভুকলা। বাজাজুৰি দুঃখ, দেহাৰ দুঃখ, বুকুৰ দুঃখ, মনৰ দুঃখ। এই সকলো দুঃখ বুকুত লৈ ৰুদ্ৰ বৰুৱাই গালে

অ মইনা চেনাই তোৰ
ওঁঠৰ হাঁহি হৰিলে কোনে?
কোনে তোৰ কথাটি শুনে?

সোণৰ মাটিত সোণ নাই, পথাৰ বাঁজী, আকাশ ভৰি দুখৰ ডাৱৰ। পোহৰ আনিব কোনে?

দুখৰে আকাশত ডাৱৰ হাকুটিয়াই
কোনে উলিয়াব জোন?

দেহা-মন পৰি গ'ল মানুহৰ --
কঁকালৰ টঙালিৰ গাঁঠি তোৰ সোলকে
হেং দাং মামৰে খায়
পশ্চিমৰ বেলিটি লুইতত বুৰ দি
পানীতে টোপনি যায়।
কিন্তু নতুন মনবোৰ আছে আশা লৈ --
গাঁৱৰ ডেকা ল'ৰা ওলোৱা খৰকৈ
লুইতত বুৰ দি বেলিটি আনোগৈ
অসমীৰ মুখলৈ চাই।

লুইতত বেলি মাৰ গৈছিল, লুইততে বেলি ওলাব। শিল্পীৰ হৃদয়ত ভাল পোৱা আছে, কিন্তু যাচিবলৈ যেন সমল নাই --

নাহৰ ফুল ফুলা নাই তগৰ ফুল ফুলা নাই
নাই জেতুকাৰে পাত
লাহৰীৰ খোপাতে কিনো ফুল গুজিবা
কিহেৰে বোলাবা হাত।

মাজে মাজে শিল্পী অসহায় হৈ পৰে। দুঃস্থজনক উদ্ধাৰ কৰিবলৈ শিল্পীৰ মন আছে -- কিন্তু বাটত বাধা --

অ' বগীতৰা মাজত পানীডৰা
দুফালে থিয়কৈ গৰা
তই আছ সিপাৰত মই আছো ইপাৰত
চাই নো চাই নিলগৰ পৰা।

অথচ প্ৰকৃতিৰ কি মোহনীয় ৰূপ। বহাগ আহি আছে। জান দিয়ে ফাগুনে --

ফাগুনৰ পছোৱাই বহাগৰ বাতৰি
কাণে কাণে আহি কৈ যায়
গছৰে আগতে কোমল কুঁহিপাতে
কিনো উলাহতে গীত গায়।

এনেহেন প্ৰকৃতিৰ বুকুত অভগণ সম্পদ। কিন্তু এই সম্পদো যে আহৃত নহৈ লুণ্ঠিত হৈছে --

মোৰ অসমীৰে হাবি-বননিয়ে
চেকুৰা-চেকুৰে সোণ জিকেমিকাই আছে-
কিন্তু, তাকে দেখি বনিক সাউদ
আহে জাকে জাকে

আৰু, মৰমৰ জুতি পাই আলহীৰ শেষ নাই
সময়ৰেছোঁ চাই শোৱাপাটী পাৰে।

অসমত দুখৰ ৰাতি। এই ৰাতি কেতিয়া পুৱাব? যিটো গীতত ৰুদ্ৰ বৰুৱাই এই ৰাতিপুৱাৰ ক্ষণলৈ বাট চাইছে -- সেই গীতত তেওঁ আমাৰ 'গৌৰৱময় অতীতৰ শংকৰ-মাধৱৰ সৃষ্টি, লাচিত্‌-বাঘ হাজৰিকাৰ শৌৰ্য্য-বীৰ্য্যৰ ছবি স্মৰণ কৰিছে। গীতটি এইদৰে আৰম্ভ হৈছে --

দুখৰে নো ৰাতিটো কেতিয়া পুৱাব
অসমী আইৰ মুখখনি কোনে উজলাব।

শিল্পীজনাৰ বুকুত অসমৰ বন্ধা-শ্ৰমিকৰ দুৰ্ভগীয়া দৃশ্যটোৱেও যন্ত্ৰণা দিছে। যিদিনা ভাৰত চৰকাৰে আইন কৰি বন্ধা-প্ৰথা উঠাই দিলে, সেইদিনা শিল্পীৰ বেজাৰ আৰু আনন্দ যুগপৎ ব্যক্ত হৈছে। গীতটোৰ অংশবিশেষ এনেকুৱা --

অকণমানি ছোৱালী তাই
নিচেই সৰুতে আহিল ওলাই
পৰৰ ঘৰত খাটিবলৈ
চকুৰে পানীৰে দুগাল তিয়াই।
তাই পৰৰ ঘৰতে কিশোৰী হ'ল
পৰৰ ঘৰতে যুৱতী হ'ল
পিতৃ-ঋণৰ পৰিশোধৰ মাদ
তথাপি বাকী হে গ'ল
কিন্তু, এনেতে শুনিলে এদিন হঠাৎ
বন্ধা-প্ৰথাৰ পৰিল অন্ত।
তেতিয়া গীতিকাৰৰ আনন্দৰ পাৰ ভাগি গ'ল --
সময়ে সমাজ দিছেহি ধুৱাই
হাজাৰজনৰ লগতে তাই
হাঁহি-মাতি খিলখিলায়।

মানুহৰ দুখৰ ওৰ পৰাতেই যেন শিল্পীৰ স্বপ্নৰ সাৰ্থকতা। সুখৰ দিনৰ সূৰ্যই দুখৰ ৰাতিৰ অন্ধকাৰ আঁতৰালে --

আকাশতে টিপ টিপ
আন্ধাৰে জ্বলোৱা দীপ
এটি এটিকৈ নুমালে
কিয় নুমালে।
পূব কোণত জিলিকিল বন্ধাকেনো কোটাটি
বেঙুনি তাৰ বিয়পি পৰিলে

ৰুদ্ৰ বীণাৰ তান

কলীয়া ডাৱৰে ঢাকি ৰখা জেউতি
আকৌ দেখোন উভতি আহিলে।
ৰাতি জাকি মৰা হাজাৰকৈ বাদুলি
পোহৰত ভাগৰি বহিলে
কঁপি কঁপি থকা পাৰযোৰে দেহি
ৰুণ দি ৰুণ দি উৰিলে
আজি উৰিলে।

অসমত দুখৰ উপৰি দুখ। যাত্ৰীৰ বিলৈ অন্য এটা অবৰ্ণনীয় দুখ। লুইতৰ ইপাৰ-সিপাৰ লগ লগোৱা সেতুৱে সেই বিলৈৰ ভালেখিনি ওৰ পেলালে। ৰুদ্ৰ বৰুৱাৰ কি আনন্দ!!

ঢিমিক-ঢামাক সৌ জ্বলে (অ' লুইতত)
আশাৰ চাকিটি জ্বলে.....

ৰুদ্ৰ বৰুৱাৰ এটা শিশুৰ গীতে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ৰজনজনাই আছে। আজিও। নক'লেও হ'ব, সেই গীতটি --

অ' তুলতুল অ' বুলবুল
অ' সেউতী তৰা
লুকাভাকু ভাল নালাগে
খেল কইনা-দৰা।

ৰুদ্ৰ বৰুৱাৰ সৃজনীশীল কৃতিৰাজিৰ বিষয়ে আলচ কৰিলে শ্বিলংখনক এটা মাইলৰ খুঁটি বুলি ধৰিব লাগিব। অসমৰ তৎকালীন ৰাজধানী শ্বিলঙত জীৱিকাৰ অনুসৰণত বহু কেইখন জিলাৰ পৰা অসমীয়া মানুহৰ সমাবেশ হৈছিল। এই মানুহখিনিয়ে শ্বিলঙত এখন সমাজ পাতি কাম কৰিব খুজিছিল আৰু এই সমাজৰ প্ৰাণশক্তি আছিল নব বৈষ্ণৱ কৃষ্টিৰ অনুশীলন। তেওঁলোকে শংকৰ-মাধৱৰ অমৰ সৃষ্টিৰাজি, যথা — গীত-নাট-নৃত্য আদিৰ চৰ্চাত একান্তচিত্তে লাগিছিল। ফলত তাত কিছুমান প্ৰতিষ্ঠান গঢ় লৈ উঠিছিল; যথা — প্ৰাচীন কামৰূপী নৃত্য-সংঘ, শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি কেন্দ্ৰ, শ্ৰীমাধৱদেৱ নামঘৰ, লাবান নামঘৰ, লবাৰ জেইল ৰোডৰ নামঘৰ, শ্বিলং মুকুল সংঘ, শ্ৰীমন্ত শংকৰদেৱ নাট্য সমাজ, শ্বিলং কলা পৰিষদ। এনে অনুশীলনৰ গৰ্ভতে জন্ম হৈছিল শিল্পী ৰুদ্ৰ বৰুৱাৰ। শ্বিলং কলা পৰিষদ গঢ়ি উঠাত অসমৰ যি কেইগৰাকী উৎসাহী তৰুণ আশাশুধীয়া বৰঙণি আছিল সেইসকলৰ ভিতৰত ৰুদ্ৰ বৰুৱা অন্যতম। শংকৰ-মাধৱৰ অপূৰ্ব সৃষ্টি ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, চোৰ ধৰা পিম্পৰা গুচোৱা আদি নাটবোৰৰ মৌলিক ৰূপ অক্ষুণ্ণ ৰাখিও, গীতবোৰৰ মূল সুৰৰ ভেটিটো ৰাখিও সিবোৰৰ একোটা সময়-সাপেক্ষ আৰু মঞ্চোপযোগী ৰূপ গঢ়ি তোলা হৈছিল। এনেবোৰ নাটৰ নাম দিয়া হৈছিল নৃত্য-নাটিকা। এনে কাব্য-কৃতি সমূহৰ উপস্থাপন আৰু পৰিৱেশনত ৰুদ্ৰ বৰুৱা আছিল আগৰণুৱা।

যোৱা সত্তৰৰ দশকত তেতিয়াৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক ৰুদ্ৰ বৰুৱাই বৰগীতৰ বিভিন্ন গায়কৰ পৰিবেশনেৰে এটি অনিন্দ্যসুন্দৰ অনুষ্ঠান আগবঢ়াইছিল। অনুষ্ঠানটি আৰম্ভ হৈছিল নিকুঞ্জলতা মহন্তৰ 'তেজহুৰে কমলাপতি' বৰগীতটিৰ পৰিবেশনেৰে। এই অনুষ্ঠানৰ আঁত ধৰিছিল ড° মহেশ্বৰ নেওগে। অনুষ্ঠানটিত নিকুঞ্জলতা মহন্তৰ উপৰিও যি কেইগৰাকী যশস্বী গায়ক-গায়িকাই বৰগীত পৰিবেশন কৰিছিল তেখেত সকল হ'ল বীৰেন্দ্ৰ নাথ দত্ত, প্ৰভাত শৰ্মা, খগেন মহন্ত, অৰ্চনা মহন্ত, লক্ষাহীৰা দাস। সংগতকাৰী একলৰ ভিতৰৎ হেমেন্দ্ৰ নাথ মহন্তও আছিল। অনুষ্ঠানটি অত্যন্ত মনোগ্ৰাহী হৈছিল আৰু ঠাহ-খোৱা প্ৰেক্ষাগৃহৰ প্ৰেক্ষক সকলে বিপুল হৰ্ষ ধ্বনিৰে এই অনুষ্ঠানটিলৈ ওলগ জনাইছিল। কৃতিত্বৰ অগ্ৰভাগ স্বাভাবিকতেই ৰুদ্ৰ বৰুৱাৰ।

কলা-কৃষ্টি পৰিবেশন কৰা শিল্পী সকলৰ সংগঠক হিচাপেও ৰুদ্ৰ বৰুৱাৰ দক্ষতা আৰু বিচক্ষণতা আদৰ্শস্থানীয় আছিল।

একেধাৰে গীতিকাৰ, সুৰকাৰ আৰু গায়ক ৰুদ্ৰ বৰুৱাৰ, অভিনেতা ৰুদ্ৰ বৰুৱাৰ, সুদক্ষ সংগঠক ৰুদ্ৰ বৰুৱাৰ সৃজনাত্মক কৃতীৰাজিৰ তন্ন তন্ন বিচাৰ কৰাৰ থল এই সৰু ৰচনাখনিত নাই। তেওঁ মোৰ মনত বহুওৱা সাঁচটোৰহে এটা ধাৰণা দাঙি ধৰিব খুজিছোঁ।

গাঁওৰ জীৱনৰ দুৰ্গতিয়ে আধুনিক ৰুদ্ৰ বৰুৱাৰ শিল্পী সত্তাটোক অতীৱ কাতৰ কৰি তুলিছিল। গৃহ-কাতৰো। গাঁওৰ জীৱনৰ দুখৰ প্ৰতি এক সহানুভূতি তেওঁৰ কলমৰ পৰা ওলাই আহিছিল --

'সময় পালে আমাৰ ফালে এবাৰ আহি যাবা'। খাটি খোৱা দুৰ্গত মানুহৰ দুখ বিমোচনৰ উপলব্ধি তেওঁৰ গীতবোৰত অন্তঃসলিলা হৈ আছে।

শেষত ক'লে বোধকৰোঁ সৰহ কোৱা নহ'ব যে ৰুদ্ৰ বৰুৱাই আমাৰে যি এৰি গ'ল সি অসমৰ মাজেদি ভাৰতৰ, আন নালাগে বিশ্বৰো সম্পদ হ'ব পাৰে। বাথৰ বৰুৱাৰ বংশ-লতাৰ এপাহ বাৰৰুৱা ফুল ৰুদ্ৰ বৰুৱাই পূৰ্বণি ওদামৰ চীম গাঁৱৰ জীৱনৰ মৰ্মত প্ৰৱেশ কৰি যি আপুৰুগীয়া মানিক উদ্ধাৰৰ যাত্ৰা আৰম্ভ কৰিছিল, তাতেই ভাৰত আৰু বিশ্বৰ জীৱনৰ কলাত্মক ৰূপটোও লুকাই আছিল যেন। এই পৰিচয় সম্প্ৰসাৰিত কৰিব পাৰিলে এই স্থানীয় ৰূপ বিশ্বৰো আপোন হ'ব পাৰে।

❖ ❖ ❖

অভিনন্দনৰ প্ৰনাম ৰুদ্ৰ বৰুৱালৈ

ড° নিৰ্ম্মল প্ৰভা বৰদলৈ

ৰুদ্ৰ বৰুৱা এক অসামান্য নাম, এক অনবদ্য প্ৰতিভা। এই নামৰ বেদীত মই প্ৰথমেই যাচিছো মোৰ আন্তৰিক প্ৰনিপাত।

ধাৰাষাৰ বৰষুণ বাগৰি থকা বাৰিষাৰ এই শ্যামল দিনবোৰত মনটো স্বতঃস্ফূৰ্ত্তভাবে গুণ-গুণাই উঠে এজনৰেই কণ্ঠস্বৰ-

"জিলিয়ে মাতে বৈ বৈ পাততে লুকাইলৈ

বাৰিষাৰে বৰষুণ নামে ধাৰাষাৰ হৈ।"

ইমান আপোন কণ্ঠস্বৰ কাৰ হব ৰুদ্ৰ বৰুৱাৰ নহৈ। সোনসেৰীয়া পঠাৰবোৰ দেখিলেই কাৰ গান মনত পৰে বাৰু ?

"পকা ধানৰ মাজে মাজে সৰু সৰু আলি

আলিত পৰি গীত জোৰে ডাক বালি মাহী।"

ৰুদ্ৰ বৰুৱাৰ গীত নহলে যেন আঘোনৰ পঠাৰ খনেই সম্পূৰ্ণ হৈ নুঠে। মানুহজনৰ শিল্পী সত্তা, তেওঁৰ কণ্ঠ আৰু অসমৰ মাটি এই তিনিটাৰ কি যে এক নিবিড় সম্বন্ধ। অসমৰ সকলো মানুহৰ কাৰণে যাউতিযুগলৈ ৰুদ্ৰ বৰুৱা বুকুৰ কুটুম হৈ থাকিব। এই কাৰণেই যে ৰুদ্ৰ বৰুৱাৰ সুৰ এজনৰ সুৰ নহয়, অসমৰ মানুহৰ সুৰ ৰুদ্ৰ বৰুৱাৰ কণ্ঠ, এজনৰ কণ্ঠ নহয়।

অসমৰ নদীৰ সুৰ, অৰণ্যৰ সুৰ, পাহাৰৰ সুৰ, পথাৰৰ সুৰ, তাঁত শাল ঢেকীশালৰ সুৰ তথা সমগ্ৰ সুৰ, একত্ৰ একাত্ম হৈ আছে। অসমৰ স্বকীয় বৈশিষ্ট্য (Typical Pattarn) মাতত, সুৰত আৰু সৃষ্টিশীল সাহিত্যত বিশেষকৈ গীতত সকলো সময়তে অক্ষুণ্ণ ৰাখিব পৰাৰ মূল কাৰণ হ'ল ৰুদ্ৰ বৰুৱাই অসমৰ লোক জীৱনৰ আত্মাটো গভীৰ কৈ চিনি পাইছিল। এইটো সম্ভৱপৰ হোৱাৰ মূলতে আছিল তেওঁৰ অসমৰ জনজীৱনৰ লগত, তেওঁবিলাকৰ কৃষ্টি আৰু সংস্কৃতিৰ লগত থকা অভিন্ন সম্পৰ্ক। বৰুণী বাই, মাছমাৰি, বাতি দুপৰলৈ ভাওনা চাই, বিহু গাই ফুৰা কিশোৰ ৰুদ্ৰ বৰুৱাই জন-জীৱনৰ সৌন্দৰ্য্য, ঐশ্বৰ্য্যৰ লগত গভীৰ ভাৱে মিলিত হৈছিল। মানুহ জন আছিল প্ৰানৱন্ত, কসাল, সেয়ে সংস্কৃতিৰ প্ৰকাশতো আছিল অকৃত্ৰিম, তীক্ষ্ণ অৱলোকাৰৰ। তেওঁ দেশখনৰ

সাংস্কৃতিক বৈশিষ্টবোৰ লক্ষ কৰিব জানিছিল আৰু আয়ত্ত কৰিব পাৰিছিল। এই মহৎ গুণবোৰৰ কাৰণেই তেওঁ নিজা ক্ষেত্ৰ, নিজা ঐশ্বৰ্য্যৰে গঢ়ি তুলিব পাৰিছিল শিলং কলা পৰিষদৰ পৰা সংগীত সত্ৰলৈ তেওঁৰ ভূমিকা আৰু বিচাৰ আছিল প্ৰগতিমুখী। আঠ ঘণ্টা জোৰা ভাওনা এখন দুঘণ্টালৈ চমুৱাই আনিব পৰা পৰিকল্পনা কৰিব পাৰিছিল ৰুদ্ৰ বৰুৱাইহে। সত্ৰীয়া ভাওনাৰ জোৰাবোৰ, সাজপাৰবোৰ অতি ৰুচি সম্মত মাৰ্জিত ৰূপ বৰুৱাইহে। উচ্চমানৰ ভাৰতীয় সংস্কৃতি তথা নৃত্য-নাটৰ জগত সমান মৰ্যাদা পাবলৈ হলে সৰু সৰু কথাৰ পৰা ডাঙৰ কথালৈকে চকু দিব লাগিব, এই কথা কালচাৰেল এফেয়চিৰ সুদক্ষ ডিৰেক্টৰ (সঞ্চালক) ৰুদ্ৰ বৰুৱাই জানিছিল।

নামটোহে আছিল ৰুদ্ৰ, মানুহজন আছিল অতি শান্ত, অমায়িক আৰু দায় বদ্ধ। দায় বদ্ধতা আছিল অসমৰ শাস্ত্ৰীয় সম্পদ খিনিৰ প্ৰতি, দায়বদ্ধ আছিল আনহাতে থলুৱা সুৰ, মাত, কথাৰ নান্দনিক সৌন্দৰ্যৰ প্ৰতি। সেইকাৰণেই ৰুদ্ৰ বৰুৱাই গাওঁ একোখনৰ গৰিমাখিনি ফুটাই তোলাৰ লগতে পিছ পৰি থকাৰ যন্ত্ৰণাখিনিও উদঙাই দিব জানিছিল, "বন্ধু সময় পালে আমাৰ ফালে এবাৰ আহি যাবা।" এনে ক্ষেত্ৰত অতি হৃদয়স্পৰ্শী গীত। সুৰ আৰু কথা এই গীতত অনুপম হৈ উঠিছে।

ৰুদ্ৰ বৰুৱাই কথাৰে যিদৰে চিত্ৰ অতি সুদক্ষভাৱে প্ৰাণবন্ত কৰি আঁকি গল, প্ৰতিটো গীতৰে একোখন বৰ্ণাঢ্য ছবি চিত্ৰৰূপে আঁকিব পাৰে। সময়ৰ গতিশীলতাৰ লগে লগে অহা পৰিবৰ্তিত ৰূপ চিৰযুগমীয়া সনাতন ৰূপ অতিশয় সৌন্দৰ্য মণ্ডিত, আপুৰুগীয়া হৈ উঠিছে, হাড়ে হিমজুৰে অসমীয়া ৰুদ্ৰ বৰুৱাৰ পাকৈত হাতত। চিত্ৰ ধৰ্মী কৌশলৰে অসমৰ বোৱনী, দাৱনী, শিপিনী, নামতী, লাহৰী সকলোৰে ছবি তেওঁ যেন ভৱিষ্যতলৈ সাঁচ মাৰি থৈ গৈছে। ঝিলীৰ সুৰ, পকাধানৰ ৰিব্ ৰিবনি, বৰনামঘৰৰ খোল তালৰ গম গমনি, পথাৰৰ বিহু উদাসী সুৰ, বিয়া হব লগা জীয়ৰিৰ উচুপনি, ডেকা লৰাৰ কিৰীলি, তাঁতৰ দোৰেপতিৰ খৰতকীয়া লৰৰ-আটাইবোৰ যেন মূৰ্ত হৈ ৰৈছে ৰুদ্ৰ বৰুৱাৰ গীতত, সুৰত।

এই শিল্পীজনাৰ কাহিনী-গীত, প্ৰচাৰৰ কাৰণে লিখা সৰহ শস্য উৎপাদন, জন্ম-নিয়ন্ত্ৰণ, বাণ নিয়ন্ত্ৰণ, নিৰক্ষৰতা দূৰীকৰণ, অস্পৃশ্যতা বৰ্জন, মাদক দ্ৰব্য নিবাৰণ, ব্ৰহ্মপুত্ৰৰ ওপৰত দলংনিৰ্মাণ পঞ্চ-বাৰ্ষিক পৰিকল্পনা ইত্যাদি, ইত্যাদি গীতবোৰ। গাম্য সৌন্দৰ্য্যৰ চিত্ৰ ধৰ্মী গীত যিহকেই লিখিছিল এই সকলোবোৰ প্ৰাণৰসেৰে সিক্ত, অসমৰ নিজাৰ সুৰভিৰে পূৰ্ণ কালজয়ী গীত আছিল।

লুইত কোবৰ ৰুদ্ৰ বৰুৱা অমৰ হৈ থাকিব।

◆ ◆ ◆

লোকশিল্পী ৰুদ্ৰ বৰুৱা

কৃষ্ণমূৰ্তি হাজৰিকা

নগাওঁ জিলাৰ পুৰণিগুদামৰ ওচৰত এখন অখ্যাত গাওঁ ভীমৰ গাঁও। গাঁৱৰ অলপ নিলগেদি কলং নৈ বৈ গৈছে। গাঁৱত এটা নামঘৰ। এই নামঘৰতেই পুৰা-গধূলি প্ৰসংগ হয়। ভকতসকলে নাম গায়। মহাপুৰুষৰ তিথিত, জন্মাষ্টমী আদিত গাঁৱত ভাওনা হয়। গাঁওখন সদায় উছৱমুখৰ। এই গাঁৱতেই উপজা এটা ল'ৰা। পঢ়া-শুনাত সমূলি মন নাই। দুপৰীয়া ম'হৰ পিঠিত উঠি ম'হ গুৱালৰ লগত ম'হ চৰাই বিহুগীত টানে, পনিয়ল, বগৰী, আম, তেতেলি বিচাৰি গাঁৱৰ হাবি চলাথ কৰে। মুখত ভাওনাৰ বিলাপ পয়াৰ। ল'ৰাটোৰ ঈশ্বৰপ্ৰদত্ত মিঠা মাত। গাঁৱৰ সকলোৱে ল'ৰাটোক বৰ মৰম কৰে। কীৰ্তনৰ পদ, ভাওনাৰ বিলাপ, পয়াৰ, ভটিমা সকলো কণ্ঠস্থ। ৰুক্মিণীহৰণ ভাও লৈ যেতিয়া বিলাপ জোৰে গাঁৱৰ বুঢ়া-মেথা, বোৱাৰী-জীয়ৰীয়ে উচুপি-উচুপি কান্দে। এই ল'ৰাটোৱেই হ'ল ৰুদ্ৰ বৰুৱা। গাঁৱৰ সকলোৱে মৰমতে 'বাপু' বুলি মাতে। গধূলি ঘৰত সোনকালে নোসোমায়। হয় নামঘৰত ভাওনাৰ আখৰাত ব্যস্ত, নহয় কলঙৰ পাৰত বহি বিহুগীত টনাত ব্যস্ত। বিহুৰ দিনততো কথাই নাই। বাপুৰ টিকনি দেখিবলৈ নোহোৱা হয়। স্কুল বন্ধত কলিয়াবৰলৈ যায়। মোমায়েকৰ ঘৰলৈ। সুৰুক কৰে গুলাই যায় ওচৰতে থকা সত্ৰলৈ গোসাঁই-মহন্ত-ভকতসকলৰ ওচৰলৈ। গীত, নাম, বিলাপ পয়াৰ আদি শিকিবলৈ। শিকিবৰ কাৰণে এটা দুৰ্দান্ত মন। কলং নৈ, মুকলি ধানৰ পথাৰ, নামঘৰ, ভাওনা, সত্ৰ এইবিলাকলৈয়ে শৈশৱৰ সোণালী দিনবোৰ পাৰ কৰে। সময়ে লৈ আহে নগাওঁ চহৰলৈ। চহৰলৈ আহিল হয় কিন্তু লগতে শৈশৱৰ সোণাময় জীৱনত দেখা ধুনীয়া গাৱৰ ছবিৰ টুকুৰাবোৰ মনৰ বেৰত লিপিত খাই লাগি আহিল। প্ৰবেশিকা পৰীক্ষা পাছ কৰি নগাওঁ কলেজ কিন্তু মন নগাওঁ নাট্য মন্দিৰৰ মঞ্চত। পূৰ্ণ উদ্যমেৰে সংগীত চৰ্চা আৰম্ভ কৰে।

'ছাৰ মোৰ দিবলৈ একো নাই, আপোনাৰ হাৰমনিয়ামৰ দোকানৰ হিচাপ চাই দি থাকিম। মোক আপুনি সংগীত শিকাওক।' কথা শুনি নগাৱঁৰ সংগীত শিক্ষক ' সুশীল বেনাৰ্জীয়ে তবধ মানে। এই শিক্ষক গৰাকীয়ে ডেকা ল'ৰাটিৰ অন্তৰত এজন বিৰাট শিল্পী লুকাই থকা দেখিবলৈ পায়। 'ৰুদ্ৰ, মই যি জানো সকলোখিনি তোমাক দিম।'- শিক্ষকে কয়। সমগ্ৰ নগাওঁ জিলাতে গায়ক ৰুদ্ৰ বৰুৱা জনপ্ৰিয় হৈ পৰে। তাৰ পিছত নগাওঁ এৰি খিলং চহৰ। উচ্চ শিক্ষা, জীৱন নিৰ্বাহ আৰু লগতে এটা অদম্য হেঁপাহ-

অসমৰ লোকগীত, গুলুৱা গীত অকল অসমতেই নহয় সমগ্ৰ ভাৰততে জনপ্ৰিয় কৰি তোলে। মূলধন লগতে লৈ অহা লোকগীতৰ মেটমৰা মোনাটো। এটা অফ চাকৰিত সোমাই পৰে। দিনত চাকৰি, ৰাতি কালেজ, আবেলি ছুটীত সংগীত চৰ্চা। শ্বিলঙৰ অনাতাঁৰ কেন্দ্ৰৰ পৰা ৰুদ্ৰ বৰুৱাৰ গীত প্ৰচাৰ হবলৈ আৰম্ভ হয়। অসমৰ শ্ৰোতাই নতুন গীতৰ সুৰৰ গোন্ধ পায়, কথাবোৰ দেখোন আপোন, মাটিৰ অথচ কিবা নতুন বনগীত। ৰুদ্ৰ বৰুৱাৰ বনগীত। ৰুদ্ৰ বৰুৱাৰ বনগীতে গোটেই অসমতে এটি আলোড়নৰ সৃষ্টি কৰে। মানুহৰ মুখে মুখে ৰুদ্ৰৰ বনগীত- ৰুদ্ৰৰ কলমৰ আগেদি নতুন নতুন বনগীত, গীতৰ সৃষ্টি হবলৈ ধৰে। প্ৰতিটো গীত নিজৰ, গীতৰ সুৰ নিজৰ, ৰচিয়া কৰা গীতৰ কথা, ৰচীয়া কৰা গীতৰ সুৰ। তাৰ পিছত এইবাৰ অসমৰ পৰম্পৰাগত নাচ গান, ভাওনা। শ্বিলং কলা পৰিষদ সংগঠন কৰা হয়। মহাপুৰুষৰ অংকীয়া নাটসমূহ নৃত্যনাটিকাৰ মাধ্যমেৰে পৰিবেশন কৰিব লাগিব। দৰ্শকৰ সীমিত সময়ৰ পৰিপ্ৰেক্ষিতত, আধুনিক মঞ্চৰ উপযোগীকৈ, নতুন কৌশল অথচ মৌলিকতা নেহেৰুৱাকৈ মহাপুৰুষৰ অংকীয়া নাটসমূহ পৰিবেশন কৰিবলৈ ওলোৱা এই প্ৰচেষ্টা এফালে আছিল অভিনৱ, আনফালে এটা দুঃসাহ। শ্বিলং কলা পৰিষদে এজনৰ পিছত এজন অংকীয়া নাট পৰিবেশন কৰিলে অতি সফলতাৰে। ক'ত ঠাইত কিমানবাৰ এই নাটবোৰ পৰিবেশন কৰা হ'ল আৰু কিমান মানুহে চাই অদ্ভুতপূৰ্ব আনন্দ লাভ কৰিলে তাৰ লেখ নাই। নাটৰ গীতৰ সুৰে মানুহৰ অন্তৰ জয় কৰিলে। কিন্তু পৰিষদৰ কেইজনমানৰ বাহিৰে আনে জনা নাছিল যে এই নাটবোৰৰ গীত সমূহৰ সুৰ ৰুদ্ৰ বৰুৱাৰ নিজৰ আছিল। শ্বিলং কলা পৰিষদ আৰু ৰুদ্ৰ বৰুৱা একাত্মা বুলি ক'লেও হয়তো ভুল কোৱা নহ'ব। 'যি কোনো কলাৰ প্ৰসাৰৰ ক্ষেত্ৰত প্ৰশিক্ষণ কেন্দ্ৰৰ অতি আৱশ্যক' - ৰুদ্ৰ বৰুৱাই এই কথা মনে প্ৰাণে বিশ্বাস কৰিছিল।

শ্বিলং কলা পৰিষদত সংগীত বিদ্যালয় আৰম্ভ কৰা হ'ল। বিভিন্ন সত্ৰৰ পৰা শিক্ষক আনি সত্ৰীয়া নৃত্য-গীতৰ শিক্ষা দান আৰম্ভ হ'ল। এইদৰে বাৰ বছৰতকৈও বেছি দিন শ্বিলঙৰ সাংস্কৃতিক কাৰ্যকলাপৰ লগত ওতঃপ্ৰোতঃভাৱে নিজকে জড়িত ৰাখি অসমৰ লোকগীত-নৃত্য, সত্ৰীয়া গীত নৃত্যৰ উন্নয়ন আৰু প্ৰসাৰৰ ক্ষেত্ৰত অপৰিসীম অবিহণা দি ৰুদ্ৰ বৰুৱা শ্বিলঙৰ পৰা গুৱাহাটীলৈ নামি আহিল গধুৰ দায়িত্ব লৈ। 'কত কাম বাকী, কত কাম বাকী, অথচ সময় কম'। ককালত টঙালি বান্ধি শিল্পীগোষ্ঠী নামি পৰিল নতুন কৰ্মভূমিত। নিজৰ যোগ্যতাৰ বলত চাকৰি জীৱনতো লাহে লাহে উন্নতিৰ জখলাইদি আগবাঢ়ি গ'ল। সৰু এটা শিল্পীৰ দল গঠন কৰি অসমৰ বাহিৰতো অসমৰ গুলুৱা নৃত্য-গীত-নাট পৰিবেশন কৰিবলৈ লাগি গ'ল। তাৰ পিছত ৰুদ্ৰ বৰুৱাৰ গাত পৰিল এক বিৰাট দায়িত্ব - অসম সাংস্কৃতিক বিভাগৰ কৰ্ণধাৰৰ। গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনেই হৈ পৰিল নিজৰ ঘৰ। এই ভৱনতেই বহি নতুন নতুন সাংস্কৃতিক উন্নয়ন আঁচনি ৰচনা কৰিবলৈ লাগি গ'ল। অকল ৰচনাই নহয়, ৰচনা কৰি তাক ৰূপায়িত কৰিলে। কাহিনীপাৰত

জ্যোতি চিত্ৰবন ষ্টুডিঅ' হৈ পৰিল আন এখন ঘৰ। অসমীয়া কথাছবি উদ্যোগলৈ পৰিণত নহ'লে উন্নতি নাই - ৰুদ্ৰ বৰুৱাই এই কথা ভালদৰে উপলব্ধি কৰি আৰু সেই দিশতেই কাম কৰি গ'ল। নিজে আছিল এজন উচ্চমানৰ অভিনেতা। বহুকেইখন অসমীয়া কথাছবিত বিভিন্ন চৰিত্ৰ সফলতাৰে ৰূপায়িত কৰি তাৰ প্ৰমান থৈ গ'ল। সাংস্কৃতিক বিভাগৰ সঞ্চালকৰ দায়িত্ব গ্ৰহন কৰি এই অতি কম সময়ৰ ভিতৰত অসমৰ সাংস্কৃতিক উন্নয়নৰ দিশত বহুখিনি কাম কৰি থৈ গ'ল।

ৰুদ্ৰ বৰুৱা আছিল অক্লান্ত কৰ্মী। নিজৰ স্বাস্থ্যৰ প্ৰতি কোনো ভ্ৰূক্ষেপ কৰা নাছিল। কেইদিনমান ধৰি গধুলি গধুলি জ্বৰ উঠি আছিল। ভেলোৰত মেডিকেল চেক আপ কৰিবৰ কাৰণে সন্মত হ'ল। ১৫ জানুৱাৰী মাঘৰ বিহুৰ দিনা ৰুদ্ৰ বৰুৱা, আৰতি নবৌ আৰু মাজু ল'ৰা নভনীলক বৰঝাৰ এয়াৰ পৰ্টত থ'বলৈ গ'লো। মটৰত বহু কথা ক'লে, সাংস্কৃতিক বিভাগৰ গুৰিয়াল হিচাপে এজন শিল্পী প্ৰশাসকৰ কল্পনাৰ কথা। বিমানৰ ভিতৰত বহিল। ময়ো ওচৰতে থিয় দি আছিলো। বিমান উৰিবৰ সময় হ'ল। বিমান পৰিচাৰিকাই মোক ওলাই আহিবলৈ ক'লে। বিদায় জনাই ক'লো, সোনকালে আহাঁগৈ। মোলৈ চাই হাঁহিলে। বিমানৰ পৰা ওলাই আহিলোঁ। অলপ পিছতে বিমান উৰা মাৰিলে।

ৰুদ্ৰ বৰুৱা উলতি নাহিল, আহিল তেওঁৰ নশ্বৰ দেহ। নবগ্ৰহ শ্মাশানত লোকে 'লোকাৰণ্য হ'ল বনগীতৰ ৰজা শিল্পী ৰুদ্ৰ বৰুৱাক শেষবাৰৰ কাৰণে চাই ল'বলৈ। ক্ৰমান্বয়ে অগ্নিয়ে সেই নশ্বৰ দেহ আগুৰি ধৰিলে। যিখিনি অগ্নিৰ প্ৰাপ্য অগ্নিয়ে নিলে, নীৰখিনি নিলে পানীয়ে, লগতে কাঢ়ি লৈ গ'ল শিল্পী হৃদয়ৰ কত শত কল্পনা, কিন্তু নিব নোৱাৰিলে শিল্পী গৰাকীৰ সেই বৰঙণিখিনি, যিখিনি অসমৰ সত্ৰীয়া নৃত্য-গীত, ভাওনা, লোকগীত, লোকনৃত্য লোকনাট আদি। বিভিন্ন কলাসমূহৰ উন্নতি আৰু প্ৰসাৰৰ ক্ষেত্ৰত দি থৈ গ'ল। সেই বৰঙণিয়ে ৰুদ্ৰ বৰুৱাক যুগমীয়া কৰি ৰাখিছে।

❖ ❖ ❖

ৰুদ্ৰ বৰুৱা আৰু পেঞ্চন-ভোগী জীৱনৰ প্ৰথমটো দিন

অতুল চন্দ্ৰ বৰুৱা

বাহিৰলৈ খোজ কাঢ়ি গৈ ভালকৈ এপাক ঘূৰি-চাকি আঠমান বজাত ঘৰ সোমাইছোহি, এনেতে বাহিৰৰ পৰা কোনোবা এজনে বৰুৱাদেউ, আছেনে ঘৰত ?-বুলি মাত লগালে আৰু উত্তৰলৈ বাট নাচাই খোলা দুৱাৰেদি বৈঠকখানাত সোমালহি। আগে-পিছেও তেনে কৰে। সেয়ে তেওঁৰ মোৰ লগত থকা নিবিড় সম্পৰ্ক আৰু সৌহৃদ্যৰ সূচনা কৰে। মানুহজন আছিল ৰুদ্ৰ বৰুৱা, সেই সময়ৰ অসম চৰকাৰৰ সাংস্কৃতি আৰু প্ৰচাৰ বিভাগৰ সঞ্চালক, গায়ক, গীতিকাৰ, চলচিত্ৰ-শিল্পী ৰুদ্ৰ বৰুৱা।

বৈঠকখানাত সোমায়েই পোনে-পোনে তেওঁ ক'লে-বৰুৱা ডাঙৰীয়া, কাইলৈ আপোনাৰ দেশলৈ অৰ্থাৎ ছিপাঝাৰলৈ যাব খুজিছো আপুনি মোৰ লগত যাব লাগে-কালিয়েই উভতিম-আপুনি যাম বুলি কওক। ধেমালিতে মযো কলো-যামতেনেহলে-তেওঁ তেতিয়া ক'লে ছিপাঝাৰ হাইস্কুললৈ যাম তালৈ মঙ্গলদৈ অঞ্চলৰ ওজাপালি আৰু লোকগীতৰ গায়ক সকলক নিমন্ত্ৰণ কৰা হৈছে। গীত-মাতৰ প্ৰতিযোগিতা হব। বাৰ মান বজাত যাম। দুই মান বজাৰ পৰা প্ৰতিযোগিতা চলিব। আপোনাক আপোনাৰ ঘৰৰ পৰা মই লৈ যাম আৰু ৰাতি ঘৰতে আনি থৈ যাম। ইয়াকে কৈ তেওঁ আমাৰ গৃহিনিকো মাত লগালে আৰু এক প্ৰকাৰ গৃহ বিভাগৰো অনুমতি ললেই।

ৰুদ্ৰ বৰুৱা তেতিয়া চান্দমাৰিত আমাৰ ঘৰৰ ওচৰৰে চৰকাৰী 'ফ্লেট'ত সপৰিয়ালে থাকে। সদায় আমাৰ ঘৰৰ সন্মুখেদি অহা যোৱা কৰে। অৱসৰী জীৱনৰ পহিলা দিনটোতে তেনে এটা আকস্মিক সংযোগ অনাহূতভাৱে ঘটিব ধৰা দেখি মোৰো ভালেই লাগিল। আগৰে পৰা ভাবিয়ে আছিলো সাহিত্য আৰু সংস্কৃতিৰ অনুষ্ঠানবোৰত পা ঢালি দি যাব পাৰিলে সময় অব্যাহতে কাটি যাব।

১২-৩০ বজাত বৰুৱাৰ লগতে তেওঁৰ সঙ্গী হিচাপে চৰকাৰী মটৰত গৈ ১-৩০ বজাত ছিপাঝাৰ পালো। তাত দেখো যে হাইস্কুলৰ সন্মুখৰ পথাৰত মানুহেই মানুহ। বাটত যাওঁতে বৰুৱাই তেওঁৰ এই যাত্ৰাৰ উদ্দেশ্য মোৰ আগত বিবৰি ক'লে। তেওঁ ক'লে-গএৰ কণ্ঠ-শিল্পীসকলৰ গীত-মাতৰ সহায়ত চৰকাৰৰ সকল আঁচনিবোৰ জনতা প্ৰচাৰ কৰাই এই অভিযানৰ মাই উদ্দেশ্য। মই ক'লো-ওজাপালিয়ে নো কি আঁচনিৰ

কথা কেনেকৈ কব? কি গাব?-গাব নহয়- বুলি তেওঁ কবলৈ ধৰিলে-ধৰক পৰিয়াল পৰিকল্পনা আঁচনি, হাঁহ-কুকুৰা পোহা আঁচনি, অধিক শস্য উৎপাদনৰ আঁচনি-ইত্যাদি। কথা শুনি মই হতভম্ব হলো। ভাবিলো-হায়! ক'ত ওজাপালিৰ মেঘমল্লাৰ সাৰঙ্গ ৰাগ, বন্দনাৰ মধুৰ মালচী গীত আৰু ক'ত চৰকাৰৰ হাঁহ-কুকুৰা পোহা আঁচনি। কালো-বাৰু দেখিলেহে লেখিম। এতিয়া একো নকওঁ।

যথাসময়ত প্ৰযোগিতা আৰম্ভ হ'ল। তাৰৈ দৰ্শক আৰু শ্ৰোতাৰ সোঁত বৰলৈ ধৰিলে। ভাবিবলৈ পৰা নাছিলো যে গএগ্ৰা, অল্প-শিক্ষিত শিল্পীসকলে ইমান কৃতকাৰ্যতা লাভ কৰিব! ৰচনা সৰল আৰু আকৰ্ষণীয়, কণ্ঠ সুললিত, ভাওনি ৰং-ৰহইচপূৰ্ণ আৰু মুদ্ৰা-নৃত্য-অঙ্গি-ভঙ্গি সম্পূৰ্ণ বিয়হীয়া বা সুকনান্নীৰ ওজাপালি সুলভ। ৰগৰ লগাই দাইনা-পালিয়ে মাজে মাজে টীকা-টিপ্পনী, ধেমেলীয়া ভাওনি দিছে। ১০/১২ জোৰা ওজাপালি আৰু ৫/৬ জন লোক গীত গায়কৰ নৃত্য-গীতে ৰং-ৰহইচৰ খলক তুলিছিল। প্ৰতিযোগী সকলৰ ভিতৰত লব্ধ প্ৰতিষ্ঠ শিল্পীও ৩/৪ গৰাকী আছিল।

কেশৱ ভূএগ্ৰা, ভূচন্দ্ৰ বৰুৱা, ৰেৱন নাথ, শিশিৰ চহৰীয়া প্ৰমুখ্যে স্থানীয় গণ্যমান্য লোক ভালেকিজন তাত উপস্থিত আছিল। প্ৰতিযোগিতা চলি থাকোঁতে আমি সেইবোৰ ওপভোগ কৰি থাকিয়ে আলচ কৰিছিলো- এইবোৰে জানো আমাৰ ওজাপালিৰ পুৰণি কৃষ্টি-সম্পদৰ গাত কুঠাৰঘাত নকৰিব? মানুহে এই পাতল কথাবোৰলৈ মন দি ওজাপালিৰ ৰাগ-বাৰ্ণা-নাচ-মুদ্ৰ আদিলৈ আওকাণ নকৰিব জানো? কথাটো আমি ছোগ চাই সঞ্চালক ৰুদ্ৰ বৰুৱাৰো কাণ চোঁৱালো। তেখেতে একে আষাৰেই ক'লে-আমাৰ চৰকাৰী কৰ্তব্য আমি কৰিম, পুৰণি কলা-কৃষ্টি সংৰক্ষণৰ কাৰণে কিবা কৰিব খুজিলে আপোনালোকে কৰক। তাতো আমি সহায় কৰিম।

আমি চল চাই কঠীয়া পাবিবলৈ ললো। তেতিয়া, তেতিয়াই আলচ কৰি লৈ প্ৰতিযোগিত অন্ত পৰাৰ লগে লগে থলুৱা কলা-কৃষ্টিৰ সংৰক্ষণ আৰু বকাশ সাধনৰ উদ্দেশ্যে এখন সভা পাতিবলৈ স্থিৰ কৰিলো। **ৰুদ্ৰ বৰুৱাকে সভাপতিৰ আসনত লৈ সভা বহিল। থলুৱা কলা-কৃষ্টিৰ যাতে অপচয় আৰু অপপ্ৰয়োগ নহয় আৰু কলা-কৃষ্টিবোৰৰ যাতে সৃশ্বলাবদ্ধ চৰ্চা চলে তাৰ কাৰণে সিদিনাই এটা অনুষ্ঠানে গঢ় লৈ উঠিল। তাৰ নাম হ'ল-দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘ। সৰ্বসম্মতিক্ৰমে সভাপতি পাতি তাৰ সংগঠনৰ দায়িত্ব সভাই আমাৰ ওপৰতেই ন্যস্ত কৰিলে। প্ৰখ্যাত শিল্পী দুৰ্গেশ্বৰ নাথ হ'ল উপসভাপতি আৰু উদ্যোগী শিক্ষক লক্ষ্মীৰাম নাথ প্ৰধান সম্পাদক। ৰুদ্ৰ বৰুৱা হ'ল অনুষ্ঠানটোৰ সৰ্বময় উপদেষ্টা। এনেকৈ প্ৰতিষ্ঠা লাভ কৰা অনুষ্ঠানটোৱে দৰঙী কলা কৃষ্টিৰ আজিলৈকে গুৰি ধৰি আছে। জন্মৰেপৰা একেৰাহে তেৰ বছৰতকৈও অধিক কাল এই অনুষ্ঠানটোৰ লগত সভাপতিৰূপে ওপতপ্ৰোতভাবে জড়িত থাকি তাৰ**

দায়িত্বটোকো একপ্ৰকাৰ চাকৰি যেনেই লাগিছিল। এই কালছোৱাৰ ভিতৰতে এই অনুষ্ঠানৰ কৃতি শিল্পী দুজনাই (শ্ৰীদুৰ্গেশ্বৰ নাথ আৰু শ্ৰীললিত চন্দ্ৰ নাথ ওজাদেৱে) চৰকাৰৰ শিল্পী পেঞ্চন লাভ কৰিছে। শ্ৰীললিত চন্দ্ৰ নাথে সঙ্গীত-নাটক একাডেমিৰ পৰা সৰ্বভাৰতীয় সন্মান আৰু স্বীকৃতিও লাভ কৰিছে-দেওধনী নৃত্যৰ পৈণত প্ৰশিক্ষকৰূপে।

সিদিনাৰে আৰু অলপ কথা। সন্ধ্যা ছিপাঝাৰ এৰি আমি মংগলদৈৰ পৰা গুৱাহাটী মুৱা হৈছে। বাটত বৰুৱাক কলো পেঞ্চনাৰৰ জীৱনৰ আজি মোৰ প্ৰথম দিন। দিনটো দেখিছো ভালে ভালেই আৰম্ভ আৰু শেষ হ'ল। পেঞ্চনৰ বাকী জীৱনো এনে কৰ্মনাভ হলে ভাল হয়। বৰুৱাই ক'লে-হাজোত আৰু এখন সভা আছে: তাতে দুয়ো দেখা দি যাওঁগে ব'লক, দিনটো সম্পূৰ্ণ হব।

সেইখন আকৌ কিহৰ সভা?

দেখিব নহয়। আধা ঘণ্টাৰ বেছি নাথাকো তাত।

৭-৩০ মান বজাত আমি হাজো পালোগে। তাত সেইদিনা সদিয়া আছিল-কলাগুৰু বিষ্ণু ৰাভাৰ স্মৃতি-দিৱস। তাতো যথেষ্ট মানুহগোট খাইছিল। আমি গৈ পোৱাৰ লগে লগে সভা আৰম্ভ হ'ল। প্ৰস্তাৱ মতে যন্ত্ৰ-চালিতৰ মতে বৰুৱা হ'ল উদ্বোধক, মই মুখ্য অতিথি। সভাপতি আছিল এগৰাকী স্থানীয় বয়োজ্যেষ্ঠ লোক, নামটো পাহৰিলো। আমি দুয়ো যথা সম্ভৱ নিয়াৰিকৈ দুয়োটা দায়িত্ব সম্পন্ন কৰিলো আৰু ৯ মান বজাত সভা ত্যাগ কৰি ১০-৩০ মানত গুৱাহাটী পালোহি। বাটত মই বৰুৱাক কোৱা মনত আছে- জীৱনৰ এটা গুৰুত্বপূৰ্ণ দিনত আজি মই ও কিচাৰি ওলাই গৈ মৌ পালো! সদায়ে জানো এনে হব? মৌ পাম?

বৰুৱাই কৈছিল-নিজৰ ওপৰত বিশ্বাস আৰু ভগৱানত ভৰসা ৰাখি চলিব, দেখিব আপোনাৰ জীৱন মৌচাকৰ দৰে মধুময় হব!

ৰুদ্ৰ বৰুৱা আজি ইহ জগতত নাই। তেওঁৰ কৰুণ স্মৃতি কিন্তু মোৰ মানস পটত চিৰসেউজীয়া হৈ আছে।

❖ ❖ ❖

ৰুদ্ৰ বৰুৱা আৰু
আধুনিক অসমীয়া সংগীত

তফজ্জুল আলি

নগাঁৱৰ ৰুদ্ৰ বৰুৱা একাধাৰে গীতিকাৰ, সুৰকাৰ, সুকণ্ঠ গায়ক আৰু নিপুণ অভিনেতাও আছিল। পুৰণিগুদামত তেওঁৰ ঘৰ আছিল। ল'ৰা কালৰে পৰা ডেকা কাল পোৱালৈকে তেওঁ এটা চহকী গ্ৰামীণ সাংস্কৃতিক পৰিবেশৰ মাজত ডাঙৰ-দীঘল হৈছিল আৰু সেই সাংস্কৃতিক জীৱনৰ আটাইখিনি ভাল উপাদান তেওঁৰ ব্যক্তিত্বত সমন্বিত হৈছিল,-কাৰণ নিচেই ল'ৰা কালৰে পৰা তেওঁ স্থানীয় সকলো সাংস্কৃতিক কৰ্মতে সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল। মধ্য অসম বুলি পৰিগণিত নগাঁও জিলাত উজনি আৰু নামনি অসমৰ নানা সাংস্কৃতিক উপাদান মিলিত হৈছে আৰু এই মিলনে নগাঁৱৰ সাংস্কৃতিক জীৱনক এক বিশিষ্ট ৰূপ দান কৰিছে। নাগাঁও অসমৰ বৈষ্ণৱ কলা-কৃষ্টি চৰ্চাৰ এটি প্ৰধান কেন্দ্ৰ। বিহুগীত প্ৰমুখ্যে উজনি অসমৰ নানা লৌকিক গীত-মাতো নগাঁৱৰ গাঁৱে-ভূঁয়ে সচিৰতি হৈ আছে। অসাধাৰণ সাংগীতিক প্ৰতিভাসম্পন্ন ৰুদ্ৰ বৰুৱা ল'ৰা কালৰে পৰা অসমীয়া সংগীতৰ পাৰম্পৰিক আৰু লৌকিক-এই দুয়োটা ধাৰাৰ সৈতে নিবিড়ভাৱে পৰিচিত হৈছিল আৰু তেওঁৰ স্বাভাৱিক প্ৰতিভাৰে এই সকলোবোৰ আয়ত্ত কৰি লৈছিল। তেওঁ বৰগীত, নাটৰ গীত, নাম-প্ৰসংগৰে পৰা বিহুগীত, বনগীত আদিলৈকে, দক্ষতাৰে গাব পাৰিছিল আৰু সেয়ে আছিল ৰুদ্ৰ বৰুৱাৰ সংগীত সৃষ্টিৰ পটভূমি বা মূল প্ৰেৰণা।

পঞ্চাছৰ দশকৰ আৰম্ভণিতে ভূপেন হাজৰিকাই অসমৰ সংগীত-ক্ষেত্ৰত নতুন ৰূপত দেখা দিয়াৰ সমসাময়িকভাৱে ৰুদ্ৰ বৰুৱাও সংগীত-শিল্পী হিচাপে জনাজাত হৈ পৰে। বিশেষকৈ সেই সময়ত বনগীতৰ অপ্ৰতিদ্বন্দী শিল্পী বুলি তেওঁ খ্যাতি লাভ কৰে। সংগীতকাৰ হিচাপে ৰুদ্ৰ বৰুৱা আনন্দিৰাম দাসৰ সমধৰ্মী বুলি মই আগতে উল্লেখ কৰিছোঁ। সেই বুলি দুয়োজনৰে সংগীত ৰচনা একে ধৰণৰ বা একে সুৰীয়া আছিল বুলি কলে শুদ্ধ নহ'ব। আনন্দিৰাম দাসে প্ৰচলন কৰা বনগীত আচলতে একশ্ৰেণীৰ আধুনিক গীতেই। সেই গীতবোৰৰ বিষয়বস্তু ঘাইকৈ প্ৰেম আৰু প্ৰকৃতি; সেই অনুভূতি উপস্থাপিত হৈছে গাঁৱলীয়া পৰিবেশত। বিহুগীতৰ সৈতে বিষবস্তুৰ সাদৃশ্য থকা বাবেই বোধহয় আনন্দিৰাম দাসে সেই গীতবোৰৰ সুৰো বিহুগীতৰ সুৰৰ গাঁথনিৰ (কোমল গা আৰু কোমল নি সততে ব্যৱহাৰ কৰি) মাজতে আবদ্ধ ৰাখিছিল আৰু সেই বাবে তেনে সুৰৰ গীতবোৰে এটা চিনাকি-চিনাকি যেন লগা বিশিষ্ট ৰূপ পাইছিল। তাকেই বনগীত আখ্যা

দিয়া হৈছিল। আগতে কিন্তু বিহুগীতৰ শৈলীৰে ৰচনা কৰা, অথচ বিহু উৎসৱৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক নথকা কিছুমান গীতক ফাকিকৰহে বনগীত বা বনঘোষা বোলা হৈছিল। এইবোৰ গীতত প্ৰেম-পীৰিতিৰ উগ্ৰতা থকা বাবে সাধাৰণতে গাঁৱৰ মাজত বা জনসমাজত গোৱা নহৈছিল। ডেকা-গাভৰুৱে পথাৰে-সমাবেশে গাইছিল বিহুগীত আৰু প্ৰাচীন বনগীতৰ এটা প্ৰধান বৈশিষ্ট্য এয়ে যে এইবোৰ একোটা স্বয়ং সম্পূৰ্ণ স্তৱকত ৰচিত গীত (Couplet) আৰু প্ৰতিটো স্তৱকক সুকীয়াকৈ গাব পাৰি। আন কোনো স্তৱকৰ লগত তাৰ অংগাংগী সম্পৰ্ক নাই। এই শ্ৰেণীৰ গীতবোৰ আচলতে একোটা স্বয়ংসম্পূৰ্ণ স্তৱকত ৰচিত এলানি গীতৰ একোটা থুল। আনহাতে আনন্দিৰাম দাসৰ বনগীত কিন্তু একেটা ভাবৰ সূত্ৰেৰে গঁথা তিনিটা বা চাৰিটা স্তৱকৰ একোটা (আধুনিক) গীত। পাৰ্থক্য এইখিনিতেই

আনন্দিৰাম দাস আৰু ৰুদ্ৰ বৰুৱাৰ 'বনগীত'ৰ মাজতো এটি সূক্ষ্ম পাৰ্থক্য আছে। আনন্দিৰাম দাসে বিহু-সুৰৰ (হেমাং বিশ্বাসে যাক Bihu Scale বুলিছে) গাঁথনিটো ভাঙিবলৈ ইচ্ছা কৰা নাছিল আৰু সেয়েহে তেওঁ কোমল গা আৰু কোমল নি সদায় এৰি সদায়ে ব্যৱহাৰ কৰি সুৰ ৰচনা কৰিছিল। তেওঁ লিখা গীতৰ বিষয়বস্তুও প্ৰায় একে ধৰণৰ আছিল। সেয়েহে সুৰজ্ঞ হ'লেও তেওঁৰ গীতবোৰত এটা একঘেয়ামি লগা ভাব (Monotony) আহি পৰিছিল। ৰুদ্ৰ বৰুৱাই কিন্তু ৰচনা আৰু সুৰ দুয়ো দিশতে আনন্দিৰাম দাসৰ সীমাবদ্ধতাক অতিক্ৰম কৰিছিল। উদাহৰণ স্বৰূপে তেওঁৰ অতি বিখ্যাত 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি' আৰু 'হাঁহৰ পোৱালি চৰাই চৰাই পোৱালিটি'- এই গীত দুটালৈ আঙুলিয়াব পাৰি। দুয়োটা গীততেই গাঁৱলীয়া জীৱনৰ পটভূমিত ৰচিত একাধিক স্তৱকৰ আধুনিক গীত। সুৰ ৰচনাত ৰুদ্ৰ বৰুৱাই বিহুগীতৰ ঠাচ (Style) আৰু তাল প্ৰয়োগত যথোচিত মনোযোগ দি ছন্দ ব্যৱহাৰ কৰিছে যদিও স্বৰৰ ব্যৱহাৰত বিহু সুৰৰ গাঁথনিটো ৰক্ষা কৰা নাই। দুয়োটা গীতৰে প্ৰথম ফাকিতে সম্পূৰ্ণৰূপে শুদ্ধ স্বৰ ব্যৱহাৰ কৰি বিহু সুৰৰ গতানুগতিকতা ভাঙি দিছে। সেই কাৰণৰ পৰা চাবলৈ গীত দুটা ভাল আধুনিক গীত। আনফালে আকৌ 'অ' মইনা চেনাই তোৰ মুখৰ হাঁহি হৰিলে কোনে' শিৰোনামৰ জনপ্ৰিয় গীতটোত ৰুদ্ৰ বৰুৱাই সম্পূৰ্ণৰূপে বিহুগীত সুৰৰ গাঁথনি আৰু তালৰ ছন্দ ব্যৱহাৰ কৰিছে। এনেদৰে বনগীত বা বিহুসুৰীয়া গীত বুলি একেটা দলতে সামৰি থ'ব খুজিলেও ৰুদ্ৰ বৰুৱাৰ গীত বৈচিত্ৰহীন নহয়। সুৰৰ ক্ষেত্ৰত তেওঁ কিছু পৰীক্ষা নিৰীক্ষা চলাইছিল। তাৰ ফলতে 'হৰেৰা, জেতুকীলাই', 'কাগজ ফুলটি হালি জালি কোন ফেৰেকা যায়', দুখৰেনো বাতিটো কেতিয়া পুৱাব', 'মেঘ মেঘ সঁ কলা মেঘ' আদি সুন্দৰ গীতবোৰৰ সৃষ্টি হৈছে। ৰুদ্ৰ বৰুৱাৰ সংগীত ৰচনাৰ সীমাবদ্ধতা এয়ে আছিল যে তেওঁ সহজতে লোকসংগীতৰ আবেষ্টনীটো এৰি ওলাই আহিব পৰা নাছিল আৰু তাৰ মাজতে বৈচিত্ৰ্য সম্পাদন কৰিবলৈ যত্ন কৰিছিল। সেই সীমা অতিক্ৰম কৰিবলৈ যে তেওঁ প্ৰয়াস কৰা নাছিল, এনে নহয়। তাৰ

প্ৰমাণ তেওঁৰ 'অ' বুলবুল, 'অ' তুলতুল, অ' সেউতী তৰা', এই অসমৰ মহাজাতি আমি, নাই একো ভিন পৰ', মোৰ অসমৰ হাবি-বননিয়ে', ঢেমিক ঢামাক সৌ জ্বলে অ' লুইতত আশাৰে চাকিটি জ্বলে' ইত্যাদি বহুতো গীতত ফুটি ওলাইছিল। এইবোৰ গীত সুৰৰ গাঁথনি (Form) আৰু বিষয়বস্তু (Content) দুয়োফালৰ পৰাই আধুনিক। এইটো অৱশ্যে মানিব লাগিব যে পুৰণিৰ ভালখিনিক নতুন ৰূপত সজাই-পৰাই মনোমোহাকৈ উলিওৱাত ৰুদ্ৰ বৰুৱাই যিমানখিনি কৃতিত্ব দেখুৱাইছিল, সেই অনুপাতে সম্পূৰ্ণ নতুন (বা আধুনিক) সৃষ্টিৰ ক্ষেত্ৰত তেওঁ সমানে সফল হ'ব পৰা নাছিল। ৰুদ্ৰ বৰুৱাৰ নিজৰ বৈশিষ্ট্যপূৰ্ণ কণ্ঠত তেওঁৰ গীতবোৰ শিল্পীৰ সন্মুখত বহি শুনাটো এটা বৰ আনন্দদায়ক অনুভূতি আছিল। আমাৰ সমনীয়া বহুতৰে নিশ্চয় তেনে আনন্দ উপভোগ কৰাৰ সৌভাগ্য হৈছিল। তেনেদৰে শুনিবলৈ পালেহে যেন সংগীতকাৰগৰাকীৰ ব্যক্তিত্ব-মিশ্ৰিত সুৰৰ সূক্ষ্ম ব্যঞ্জনাবোৰ ভালদৰে বুজিব পৰা যায়। সি যি কি নহওঁক, ৰুদ্ৰ বৰুৱা যে আধুনিক অসমীয়া সংগীতৰ ক্ষেত্ৰত এজন গুৰুত্বপূৰ্ণ সংগীতকাৰ আছিল সেই বিষয়ে সন্দেহৰ অৱকাশ নাই।

❖ ❖ ❖

নাটকৰ মানুহ ৰুদ্ৰ বৰুৱা

অৰুণ শৰ্মা

একোখন সমাজত বহুত মানুহ। সেই মানুহখিনিৰ পৰা একোজন বিশেষজন ৰূপে নিজ পৰিচয়েৰে প্ৰকাশ লাভ কৰে। নিজ কীৰ্ত্তিৰে মহীয়ান হৈ তেওঁৰ কৰ্ম-ব্যক্তিৰ বৈশিষ্টতাৰে স্বীকৃত হৈ এই বিশেষ একোজন, সমাজখনৰ চিৰ সন্মানিত, চিৰ-স্মৰণীয় হৈ ৰয়।

ৰুদ্ৰ বৰুৱা হ'ল তেনে এজন বিশেষ জন। জীৱনৰ সকলো দিশতে কীৰ্ত্তিত্বৰে চিনাকী দিয়া হিচাবে এজন যশস্বী সংগীত শিল্পী আৰু সৰ্বোপৰি প্ৰকৃত মানুহ হিচাবে ৰুদ্ৰ বৰুৱাক আমি কোনোদিনে পাহৰিব নোৱাৰো।

উঁনৈশ ছাপন্ন (১৯৫৬) চনৰ কথা। তেতিয়া আকাশবাণীৰ চিলং-গুৱাহাটী কেন্দ্ৰৰ পৰা প্ৰচাৰিত অনাতাঁৰ অনুষ্ঠান। অসমৰ গাৱেঁ-ভূঞে শুনিবলৈ পোৱা গৈছিল। সকলোৰে ঘৰত নহলেও বহুতৰে ঘৰত ৰেডিঅ' চেট বহা হৈছিল। অনাতাঁৰ যোগে ৰুদ্ৰ বৰুৱাই গীত পৰিৱেশন কৰি সকলোৰে মন মুহিছিল/ আৰু জনপ্ৰিয় হৈছিল। "পকা ধানৰ মাজে মাজে", ৰেডিঅ'ত আৰম্ভ হলেই (জনপ্ৰিয় গীত হিচাপে সঘনাই প্ৰচাৰ হৈছিল) আমি বেগাই ৰেডিঅ'ৰ ওচৰ চাপিছিলোঁহি। তেতিয়া মই গাৱঁৰ স্কুলত চাকৰি কৰিছিলো। ১৯৬০ চনত আকাশবাণী গুৱাহাটী কেন্দ্ৰত মই যোগদান কৰাৰ পিছৰে পৰা নিয়মীয়াকৈ ৰুদ্ৰবৰুৱাৰ সান্নিধ্যলৈ আহিলো, তাৰ পিচলৈ সেই সান্নিধ্য প্ৰসাৰ হৈ পৰিল।

ৰুদ্ৰ বৰুৱাৰ গীতৰ মাধূৰ্য্য, স্বকীয় বৈশিষ্ট্য (Typicality) স্বৰৰ অভিনৱত্ব (Uniqueness) নিভাঁজ গায়ন ৰীতি (Style) এইবিলাক সম্পৰ্কে সংগীতজ্ঞসকলে বিভিন্ন মাধ্যমেৰে বিভিন্ন ঠাইত আলোচনা কৰিছে। তেওঁৰ গীতৰ এজন সাধাৰণ চযমজনাৰ শ্ৰোতা হিচাবে, মই একে আষাৰতে মাত্ৰ কব পাৰো তেওঁৰ গীত যথেষ্ট শুনো লাগে, মোৰ হৃদয় স্পৰ্শ কৰে, মোৰ অস্তিত্বৰ শিপাবিলাকে চুই যায়, কাৰণ মই অনুভৱ কৰো, মোৰ অস্তিত্বৰ শিপাডাল পোত খাই আছে গাঁৱৰ বোকাত, পকাধানৰ পথাৰত। ৰুদ্ৰ বৰুৱাৰ গীত শুনি ভাল পাওঁ – ইয়াত কৈ অধিক মন্তব্য কৰিবৰ বাবে মই যোগ্যজন নহওঁ।

কিন্তু এটা বিষয়ে ৰুদ্ৰবৰুৱাৰ সম্পৰ্কে মই মন্তব্য দিব পাৰো। সেইটো হৈছে, ৰুদ্ৰ বৰুৱাৰ নাট্য প্ৰীতি। আমাৰ আজিকালিৰ স্বৰশিল্পীসকলে সততে নাট্যজগতখনৰ সতে সংযোগ নাৰাখে। মানসিক ভাবে প্ৰায় সম্পৰ্কহীন হৈ বিচিন্ন হৈ থাকে। অতি বেছি দুই

একে হয়তো নিমন্ত্ৰণ কৰিলে, মঞ্চত নাটক চাবলৈ যায়। অৱশ্যে কিছুদিন আগলৈকে অৰ্থাৎ চল্লিশৰ দশকলৈ গীত অসমীয়া নাটকৰ অংগ আছিল। জ্যোতি প্ৰসাদ আগৰৱালা দেবৰ প্ৰায় কেইটা জনপ্ৰিয় গীত নাটকৰ গীত আছিল।

কিন্তু বৰুৱাৰ শিল্পী সত্বাই পুষ্টি লাভ কৰিছিল গীত আৰু নাটক দুয়ো দিশৰ পৰা, হয়তো তিনি ভাগৰ দুভাগ গীত আছিল আৰু এভাগ নাটক আছিল। নাটকৰ প্ৰতি তেওঁৰ আকৰ্ষণ অকল নাছিল দায়বদ্ধতাও আছিল বুলি কব পাৰি। তেওঁৰ এই দায়বদ্ধতাক সাব্যস্ত কৰিবলৈ এটা উদাহৰণ দিব খুজিছো। যিহৰ সৈতে মই নিজেও ব্যক্তিগত ভাবে কিছু জড়িত হৈ পৰিছিলো।

মোৰ "আহাৰ" নামৰ নাটকখন প্ৰথম পাণ্ডুলিপি ৰূপত প্ৰকাশ পাইছিল ১৯৬৪ চনত। ১৯৬৫ চনত প্ৰকাশ পাইছিল "সমকালীন" নামৰ এখন আলোচনীত। ১৯৬৮ চনত প্ৰচাৰিত হৈছিল "আকাশবাণীৰ" গুৱাহাটী কেন্দ্ৰৰ পৰা, ১৯৭২ চনত আকৌ প্ৰকাশ পাইছিল "সংলাপ" নামৰ আলোচনীত। কিন্তু নাটকখন ১৯৭৬ চনলৈকে অসমৰ দৃষ্টিৰে নাটকখনত প্ৰথম চকু পৰিল ৰুদ্ৰ বৰুৱাৰ। তেওঁ তেতিয়া অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক আছিল। ইতিমধ্যে ৰবীন্দ্ৰ ভৱনত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ এটি নিজস্ব নাট্যদল (ৰিৰ্পাটেৰী) তৈয়াৰ হৈছিল। ইতিমধ্যে ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ পৰা স্নাতক হৈ অহা দুলাল ৰয় বিভাগীয় নাট্য প্ৰয়োজক ৰূপে সেই নাট্য দলৰ নেতৃত্ব বহন কৰিছিল। ৰুদ্ৰ বৰুৱাই 'আহাৰ' নাটকখন দুলাল ৰয়ৰ হাতত তুলি দি নাটকখনৰ মঞ্চ নিবেদনৰ কাৰণে বিবেচনা কৰি চাবলৈ ক'লে। দুলাল ৰয়ৰ বিবেচনাত নাটকখন গ্ৰহণযোগ্য হ'ল; আৰু তেওঁৰ সু-দক্ষ পৰিচালনাত নাটকখন ৰবীন্দ্ৰভৱনত সাত বাৰ কৈ মঞ্চস্থ কৰা হ'ল অতি সাৰ্থক ভাবে। প্ৰসংগ ওলালে সেই মঞ্চায়নৰ দৰ্শকে এতিয়াও নাটকখন পাহৰা নাই বুলি কয়।

বিশেষ কাৰণত নাটকখনৰ প্ৰদৰ্শন বন্ধ কৰি দিব লগীয়া হৈছিল, যিটো কথাত ৰুদ্ৰ বৰুৱাই অত্যন্ত দুখ পাইছিল। কিন্তু মূল কথাটো হ'ল বৰুৱাৰ নাটকৰ প্ৰতি থকা আন্তৰিক শ্ৰদ্ধা আৰু আৱশ্যকীয় কলাৰূপে তেওঁৰ সঞ্চালকালয়ত নাট মঞ্চায়নৰ প্ৰতি তেওঁৰ দায়বদ্ধতা আৰু গুৰুত্ব প্ৰদান; আৰু সেইকাৰণেই প্ৰায় বাৰ বছৰ কাল মঞ্চ পৰিচালকসকলৰ দ্বাৰা অনাদৃত এখন নাটক (আহাৰ) তেওঁৰ চকুত পৰিল।

পকাধানৰ মাজে মাজে আৰু জেতুকীবাইক লৈ ব্যস্ত এজন গীতি শিল্পীয়ে, নাটকৰ প্ৰতি তাতে আকৌ যি নাটকৰ ৰচনাশৈলী পাশ্চাত্য ধ্যান-ধাৰণাৰ চিন্তাৰে প্ৰভাম্বিত নিৰ্মিত, য'ত অকণো নিজা মাটিৰ গোন্ধ নাই, তেনে এখন নাটকৰ প্ৰতি আগ্ৰহান্বিত হোৱাই ৰুদ্ৰবৰুৱাৰ শিল্পীমনৰ দিকবলয় গোড়াভাবৰ পৰা মুক্ত মানসিকতা আৰু নতুনত্বৰ প্ৰতি প্ৰশংসামূলক আগ্ৰহকে সূচায়। মোৰ মনত আছে, বৰুৱাই ৰবীন্দ্ৰ ভৱনত প্ৰদৰ্শিত প্ৰায় সকলোবোৰ নাটকেই চাইছিল, মোৰ সতে প্ৰায়েই সেই প্ৰদৰ্শিত নাটকবোৰৰ বিষয়ে

আৰু নাটকৰ অন্যান্য দিশবোৰো আলোচনা কৰিছিল। এটা সময়ত তেওঁলোক যেতিয়া চান্দমাৰীৰ নৱগিৰি চৰকাৰী বাসভৱনত আছিলে আৰু মইও তেতিয়া ৰেডিঅ' চেন্টাৰৰ চৌহদৰ বাসভৱনত আছিলো তেতিয়া সন্ধিয়া সন্ধিয়া প্ৰায়েই আমি পৰস্পৰৰ লগ পাইছিলো আৰু বহুতো আলোচনা, বিলোচনা কৰিছিলো নাটকৰ ও পৰত। প্ৰসংগ ক্ৰমে উল্লেখ কৰিব পাৰি ৰুদ্ৰ বৰুৱাই নিয়মীয়াকৈ নহলেও এজন অভি নেতা আছিল। গাওঁ নাট্যমন্দিৰ মঞ্চত আৰু চিলংৰ অসম ক্লাবৰ মঞ্চত অভিনয় কৰিছিল কথাছবিটো অভিনয় কৰিছিল আৰু জনপ্ৰিয় কথাছবি "বোৱাৰী"ৰ শেষ অভিনয় কৰিলে।

ৰুদ্ৰ বৰুৱাৰ সু-দক্ষ সঞ্চালনাত (Dedicated and Commited) ৰ নেতৃত্বত এসময়ত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ ন-পূৰ্বাণ, অৰ্থাৎ পৰম্পৰাগত আধুনিক আভাগাৰ্ড সকলো তৰহৰ সাংস্কৃতিক বিকাশৰ প্ৰায় কেন্দ্ৰ হৈ উঠিছিল, সেই কথা ভুক্তভোগী সকলৰ এতিয়াও স্পষ্ট মনত আছে।

❖ ❖ ❖

'এই যে আহ্বান অসমৰ'

দিপালী বৰঠাকুৰ

শিৱসাগৰৰ জ্যোতি সংঘই আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠানত ৰুদ্ৰ বৰুৱাদেৱক প্ৰথম লগ পাওঁ। তাৰ আগতে ৰেডিঅ'ত তেখেতৰ গান শুনিছিলো। সেয়া মোৰ কিশোৰী বয়সৰ দিন। মই সেই সময়ত ৭ম মান শ্ৰেণীৰ ছাত্ৰী। তেখেতৰ গানে মোৰ সেই কিশোৰী মনকো চুই গৈছিল। তাৰ্তৰ দোৱেপতি, অ বন্ধু, পকাধানৰ মাজে মাজে ইত্যাদি গানবোৰে আমাক মুগ্ধ কৰিছিল। আমি সেইগীতবোৰ গুণ গুণাই ফুৰিছিলো। সেই গীতবোৰে আমাক পথাৰ সমাৰ, গাওঁ ভূঁই, তাৰ্তৰশাল, জুহাল আদিত ঘুৰাই লৈ ফুৰিছিলো। জ্যোতি সঙ্ঘই আয়োজন কৰা গীতৰ সভাত ময়ো গীত পৰিৱেশন কৰিছিলো। এটা ভৱেশ ঠাকুৰৰ লগত দ্বৈত ভাবে আৰু এটা অকলে গাইছিলো। গীত দুটা ভাবেন দাৰ আছিল। তেখেতে (ৰুদ্ৰ বৰুৱাই) গীত শুনি মোক গীতৰ কাৰণে উৎসাহিত কৰিছিল।

দুবছৰৰ পিছত মই নৱম মান শ্ৰেণীৰ ছাত্ৰী। ৰেডিঅত মই অ' বন্ধু আদি গীত গাও, কথা সুৰ আদিৰে সমৃদ্ধ সেই গীতে আজিও মোক ৰুদ্ৰ বৰুৱাৰ সুৰৰ সোঁতত বোৱাই ৰাখিছে। ৰুদ্ৰ বৰুৱা মোৰ গীতৰ আকাশত ভোটা তৰা হৈ জিলিকি আছে।

'অ' বন্ধু' গীতটি তেখেতৰ অনুমতি সাপেক্ষে H M V ত ৰেকৰ্ড কৰো। গীতৰ শ্ৰোতাই আজি মোক মনত পেলালে 'অ' বন্ধুৰেই' গীতৰ তালিকাৰ ক্ৰম আৰম্ভ কৰে। মূল সুতিলৈ উঠি গৈ নিজক ঘুৰাই চোৱাৰ।

শিৱসাগৰৰ পৰা মোৰ ডাঙৰ দাদা ভূপেন বৰঠাকুৰৰ লগত গুৱাহাটীত থাকিবলৈ লও, শ্বিলংলৈ অহা যোৱাৰ পথত আমাৰ উলুবাৰী ঘৰত সোমাই মোক দুটা এটা গীত শিকাই যায়, সেই গীতৰ কাৰণে আমি বৰ আগ্ৰহেৰে যেন পথলৈ চাই থাকো। মইটো মৱেই; মোৰ দাদা আৰু আমাৰ মাৰ কি আগ্ৰহ; ৰুদ্ৰ বৰুৱাৰ আগমনে যেন গীতৰ সুৰৰ নিজৰা বোৱাই আনে আমাৰ ঘৰলৈ।

এই দিনবিলাকৰ বহুতো গল্পৰ নিচিনা কথা মনত পৰে তাৰে এটা ওজা গীতিকাৰ মুক্তি নাথ বৰদলৈ দেৱৰ এটা গীত ৰুদ্ৰ বৰুৱাই মোক শিকাইছিলে। লেঠা হ'ল গীতটো বৰদলৈ ডাঙৰীয়াই গাবলৈ নিদিয়ে, উচ্চাৰণ আদি ভূল কৰি গীতৰ সৌন্দৰ্য্য নষ্ট কৰো বুলি, গীতটো বৰদলৈ ডাঙৰীয়াৰ, সুৰ আছিল ৰুদ্ৰ বৰুৱাৰ নিজৰ। বহুত কষ্ট কৰি বুজাই বঢ়াই ভুল ক্ৰটিৰ দায়িত্ব নিজৰ কান্ধত লৈ ৰুদ্ৰ বৰুৱাই, বৰদলৈ ডাঙৰীয়াৰ অনুমতি আদায় কৰি গীতটো মোৰ হতুৱাই গোৱালে। বহু শ্ৰোতাই এই গীতক আজিও শ্ৰদ্ধাৰে

গ্ৰহণ কৰি আছিছে। গীত হ'ল 'জোন ধনে জোনালীতে'।

এই বিলাক গীতৰ কথা, সুৰৰ কথা, ৰুদ্ৰ বৰুৱা মাটিৰ মানুহ, মাটি এৰি তেওঁ কাহানিও আকাশত উৰা নাই। মাটিৰ পৃথিৱীত বিচৰণ কৰা মানুহ দুলুহ, চৰাই চিৰিকতি, [illegible] উৰাতি, সমাজ ধৰ্ম্ম, সকলো বিলাক কথা কৰ্ম - গীত সুৰৰ দৰেই গুৰুত্বপূৰ্ণ। পথাৰত খেতিবাতি কৰি গৰু চৰাই মাছ ধৰি হাত বজাৰত ঘূৰি চৰকাৰৰ দায়িত্বশীল পদবী অলংকৰণ কৰালেকে তেওঁক মাটিয়ে কোনো দিন লগ এৰা নাই। পথাৰখন, গাওঁ আৰু গাৱঁৰ সমাজখন গীতৰ সভা আৰু চৰকাৰখন সকলোতে সমানে গুৰুত্ব দিছিল। তেনেকৈ মোৰ শাৰীৰিক অসুস্থতাৰ সময়তো অতি গুৰুত্ব সহকাৰে সাহাৰ্য্য আগবঢ়াইছিল। মই আয়াৰলেণ্ডৰ ডাবলিন চহৰৰ বিচ্‌মণ্ড হাসপতালতে চিকিৎসাৰ কাৰণে যাওতে চৰকাৰী সাহাৰ্য্য পোৱাৰ ক্ষেত্ৰত আগবঢ়োৱা তেখেতৰ সাহাৰ্য্যৰ কথা অতি শ্ৰদ্ধাৰে সোঁৱৰো তেখেতে নিজে কাষ পাতি নধৰা হলে চৰকাৰী সাহাৰ্য্য মোৰ কাৰণে ধুকি নোপোৱা আকাশৰ তৰা যেন হ'লহেঁতেন।

সেই সময়ত শ্বিলং অসমৰ ৰাজধানীয়েই নহয়, জাতীয় জীৱনৰো এক গুৰুত্বপূৰ্ণ স্থান আছিল। মহাসাধক ' জীকেশৱ গোস্বামী আদি কবি সমাজৰ সৰৰ (গাখীৰৰ সৰ) নিচিনা লোকৰ সমজুৱনে গীতে মাতে নাটে ভাটে গোটাই অসমৰ কথা জগতখনৰ ওৰি ধৰি আছিলে শ্বিলঙে। সেই সমাজতে নিজক গঢ় দিয়া ৰুদ্ৰ বৰুৱাৰ সেই সাধনাৰ স্থল শ্বিলংৰ আৰু শ্বিলংৰ সেই সময় চোৱাৰ কথা সময়ে সময়ে কাগজে পত্ৰই দুই চাৰিয়েই লিখিছে যদিও সম্পূৰ্ণকৈ কোনেও লিখা নাই, আশাকৰো অসমৰ জাতীয় জীৱনৰ এই গুৰুত্ব পূৰ্ণ সময়চোৱাৰ সঠিক কাহিনীকে কোনো দায়িত্বশীল লোকে সজাই তুলিব।

আৰু বহুত কিবা-কিবি কবলগীয়া আছে। লিখিব লগীয়া আছে, এই মহান ব্যক্তি গৰাকীৰ বিষয়ে। মোৰ শাৰীৰিক অক্ষমতাৰ কাৰণে সেইটো সহজ নহয় দুটামান কথাৰেই মহাসাধকজনৰ প্ৰতি মোৰ শ্ৰদ্ধাঞ্জলিৰে সামৰণি মাৰিলো।

❖ ❖ ❖

প্ৰথম দেখা পোৱা "প্ৰাণবন্ত মহান শিল্পীজনাক" শ্ৰদ্ধাৰে সুঁৱৰিছো

চেতনা দাস

তেজপুৰত, আইতাহতৰ ঘৰত হাৰমনিয়ামটো লৈ বজায়, একান্তমনে গীত গোৱা শুনিছিলো। ব-লাগি চাই আছিলো। যি গীতৰ মাদকতাই আজিও প্ৰাণ পায় আছে। ৰায় বাহাদুৰ মহীধৰ ৺এ্যাৰ নাতি জোৱাই। লুইত পৰীয়া শিল্পী জনালৈ বাট চায় আমাৰ পৰিয়ালৰ আটাইৰে মন উগুল-থুগুল, কেতিয়া আহিব? জানোচা গান শুনাবলৈ আহবি নোলায় এই ভাবত-সদায় কৰ্মব্যস্ত দহোবন কাটি কৰি যেতিয়া থেউকী ধৰি গীত গায়, সেই অপূৰ্ব দৃশ্য নেদেখাসকলক বুজাবলৈ বৰ টান হয়। বুজন হৈছো অলপ মাথো ....অ' তুল্ তুল্ অ' বুল্ বুল্ অ' সেউতি তৰা, লুকা ভাকু ভাল নালাগে খেল কইনা দৰা—আকৌ এটি গীত চাৰু বাইদেউৱে অনুৰোধ কৰিলে....

গুৰি পথাৰতে ঐ
আইতৰ তলতে বৈ
পিলিঙা দণ্ডুৰাই
কিৰিলি পাৰিছে
গাত তত নোহোৱা হৈ.....

সেই সময়ত চীন ভাৰতৰ যুদ্ধ লাগিছে--সীমান্তত দেশৰ হকে যুজ দিয়া জোৱানসকলৰ সাহায্যৰ বাবে লগত সহ ধৰ্মিনী শ্ৰীযুতা আৰতি বৰুৱা (মোৰ সম্বন্ধত মাহীদেউ হয়) ফুটহিল্‌চৰ পৰা উভতি আহি ঠাইতে এটি গীত লিখিলি আৰু সুৰ দি গাইছিল মোৰ আইটা গৰাকীৰ মুখলৈ চাই.......

আই অ' নেকান্দিবি তই
আই অ' নেকান্দিবি তই
মই হিলৈ মাৰিব পাৰিছো
শত্ৰু নিধন কৰিছো..... .

ডাঙৰকৈ যেতিয়া অনুভব কৰিলো, মহান শিল্পীগৰাকী সৰ্বগুণাকৰ, একেৰাহে গীতিকাৰ, নাট্যকাৰ, সংগীত পৰিচালক, সুঅভিনেতা, সাংস্কৃতিক সংগঠক, অসমৰ গ্ৰাম্য জীৱনৰ ছবিখন তেখেতৰে সৃষ্টিত প্ৰাণ পায় উঠে...... .

এইখন পথাৰ এই মাটি কাৰ
তুমি যদি খেতি কৰা তোমাৰ তোমাৰ
আমি যদি খেতি কৰো আমাৰ আমাৰ
বোকা পানী নগচাকি কয় যদি কোনোবাই
মোৰ মাটি মোৰ অধিকাৰ
সময়ে নামানে সেই দম্ভ আৰু মিছা অহংকাৰ
মাটি খোৱা জঁক আজি আদায় কৰিছে সুবিচাৰ
নাঙল মুঠিৰে যাৰ শস্য শ্যামলা মাটি তাৰ

ৰুদ্ৰদাৰ অতি আপোন নাম। অসমৰ প্ৰতিজন মাটিখোৱা শিল্পীৰ প্ৰাণৰ আপোন, আৰু মনৰহ আপোন, যিজনা শিল্পীৰ গুণৰ উপমাৰে শেষ কৰিব নোৱাৰি

অতি সূক্ষ্মভাৱে সৰলভাৱে জীৱনক উপলব্ধি কৰিব পৰা অসমৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰকৃত শিল্পীৰ সেউজ মনৰ প্ৰাণৰে পৰিচয় হোৱা লোকৰ পদূলি ফুলিকো আদৰ যত্নেৰে দুচুলি আনিবলৈ সক্ষম হোৱা ব্যক্তি জনাই দুইজন পুৰণি আৰু ভাৱিকতিলৈ চহা শিল্পীসকলক দেশৰ বায়ু পানী, মাটিৰ উমৰ মাজত, সোঁৱৰে আমাক গান বুলিবলৈ শিকোৱা ৰুদ্ৰ চাৰ, আদৰণীয় শ্ৰদ্ধাৰ ৰুদ্ৰ বৰুৱা চাৰ।

কংগ্ৰেছ মহাসভাত ইন্দিৰা গান্ধী আৰু দেৱকান্ত বৰুৱাৰ লগত। ১৯৭৫ চনত।

জ্যোতি প্ৰসাদৰ পকী জ্যোতি ভাৰতীৰ সম্পৰ্ক ৰাখি ৰুদ্ৰ চাৰে যেতিয়া প্ৰথমে জ্যোতি প্ৰসাদ আগৰৱালাদেৱৰ পৰিয়ালৰ লোকসকলৰ লগত আৰু হৃদয়েৰে তাৰেক প্ৰজ্ঞেয় কমলা প্ৰসাদ আগৰৱালাদেৱৰ লগত কথাপাতি যোগসূত্ৰ স্থাপন কৰিছিল। পকীঘৰটো উন্মোচন কৰাৰ দিনা আমাৰ গীত পৰিৱেশন কৰিছিলো।

সাধাৰ দুখীয়া নিচলাৰ মনৰ বুজলোৱা এই গৰাকী ৰুদ্ৰবাচাৰে শিল্পীক সন্মান জনাব জানিছিল। শিল্পীক চেনেহ যাচোঁচে কৃপনালী কৰা নাছিল। আত্ম অহংকাৰ নথকা সদা মিঠা কথাৰে বুৰঁগে থকা চাৰ কাৰ্য্যালয়ৰ কামবিলাক অতি তীক্ষ্ণ বুদ্ধিৰে সমাপন কৰিছিল আৰু আছিল ভাল প্ৰসাশক।

কৰ্ম্মচাৰী সকলক মৰম যিমান কৰিছিল শাসনো আছিল অধিক। মিছা কথাক প্ৰশ্ৰয় দিয়া নাছিল। কোনোবাই মিছা কৈ ধৰা পৰিলে বৰ আনন্দ পাইছিল, লগতে সুব্যৱস্থাও কৰিছিল। দেশৰ থলুৱা গীত-মাতৰ আদৰৰ সীমা নাই। নামঘোষা, বনগীত, বিহুগীত ইত্যাদি পৰম্পৰা থকা গীতৰ মূল্যবোধ বাৰুকৈয়ে বুজিছিল, জানিছিল, ভালকৈ গাইছিল, আনকো শিকাইছিল-শব্দৰ উচ্চাৰণ, স্পষ্টতা, সুৰৰ তাল মান ৰাখিবলৈ।

১৯৭৫ চনত মই সাংস্কৃতিক সঞ্চালকালয়, নাট বিভাগৰ শিল্পী হৈ যোগদান কৰো। নাট বিভাগৰ দায়িত্বত আমাৰ সবাৰে শ্ৰদ্ধাৰ মাননীয় দুলাল ৰায় (প্ৰযোজক)। তেখেতৰে সহযোগীহে শ্ৰীযুত হেমন্ত দত্ত আৰু আমিবোৰ ৰবীন নেওগ, প্ৰাঞ্জল শইকীয়া, খালেক চৌধুৰী, মই, ৰুনুদেৱী আৰু পূৰ্ণীমা পাঠক। সেই সময়ত দুলালদাৰ নিৰ্দেশনাত ভাল ভাল নাটক হৈছিল। আমাৰ এই নাটকৰ বিভাগটো ৰুদ্ৰবা চাৰ প্ৰাণৰ আছিল। সকলো সময়তে দিহা পৰামৰ্শ দিছিল। আমাক ভূল ক্ৰটিবোৰ আঙুলিয়াই দিছিল। তেখেতে আখৰা গৃহত সদায় বহি থাকি আমাক উৎসাহিত কৰে। তেখেতৰ লগত সদায় আছিল আমাৰ আটাইৰে বুবুলদা, মাননীয় কৃষ্ণমূৰ্ত্তি হাজৰীকা চাৰ-আমাক বৰ মৰম কৰিছিল। আমি কেতিয়াবা আখৰা কৰি থাকোতে দেৰি হলেও ৰুদ্ৰবাচাৰ কিন্তু আমাৰ লগতেই সদায় আখৰা গৃহত উপস্থিত আছিল। কেতিয়াবা সংগীত, পোহৰ মিলাই থাকোতে নিশা ২ (দুই) বজাত মনত আছে চাৰ কিন্তু ক্লান্ত নোহোৱাকৈ মোৰ বিভাগ, মোৰ লৰা-ছোৱালী-পিতৃসুলভ ভাবৰ বিনীময় কৰিছিল। বহু নিশা হলেও আমাৰ কৰ্ত্তব্য আমি মনৰ আনন্দত হেলাৰঙে পালন কৰিছিলো। শিল্পীসকলৰ দুখত দুখী আৰু সুখত সুখী আছিল। নাটক কৰি থাকোতে ৰুদ্ৰবাচাৰৰ সহযোগীতাই আমাক দুগুনে উৎসাহিত কৰিছিল। সময়মতে কাৰ্য্যালয়ত উপস্থিত নাথাকিলে বেয়া পাইছিল।

ৰুদ্ৰবাচাৰ সঞ্চালকৰ দায়িত্বত থাকোতে গুৱাহাটীত জৱাহৰ নগৰত A.I.C.C. হৈছিল, চাৰ সাংস্কৃতিক বিভাগৰ দায়িত্বত আছিল এই বিভাগত আন এজন চিৰস্মৰণীয় বিৰল ব্যক্তি আছিল ' ক্ষীৰদা কান্ত বিৰয়া। চাৰে সকলোবোৰ কাম ইমান সুন্দৰকৈ পৰিচালনা কৰিছিল যে সকলোৰে ভূয়সী প্ৰশংসাত পঞ্চমুখ হৈছিল। আমাৰ বিভাগীয় কৰ্মচাৰীসকল আৰু শ্ৰীযুত আনন্দমোহন ভাগৱতী চাৰ, সকলোবোৰ সংস্কৃতি প্ৰেমিক ৰুদ্ৰবাচাৰে জড়িত কৰি সুচাৰুৰূপে চলাইছিল কি অপূৰ্ব্ব পৰিকল্পনা আছিল এতিয়া ভাব হয় যেন সপোনপুৰীহে আছিল।

মন্ত্ৰ বীণাৰ তান

১৯৭৫ চনতে সাংস্কৃতিক সঞ্চালকালয়ৰ পৰা বৰুৱাচাৰৰ তত্ত্বাৱধানত কলিকতাৰ ৰবীন্দ্ৰ সদনত All India Kolk Sonk Festival ত অংশ লবলৈ সুযোগ পাইছিলো। লোকগীত গাইছিলো সেই সময়তেই এখন নাটক জনপ্ৰিয় হৈছিল-"বৃক্ষৰ খোজ" নাট্যকাৰ শ্ৰীযুত অতুল বৰদলৈদেৱৰ ৰচনা, পৰিচালনা দুলালসদাৰ আছিল। সেই সময়ত সাংস্কৃতিক বিভাগৰ মন্ত্ৰী আছিল মাননীয় ' হিতেশ্বৰ শইকীয়াদেৱ তেখেতৰো শিল্পীসকলৰ প্ৰতি অসীম শ্ৰদ্ধা আছিল। এই নাটকখন চাবলৈ তেখেতে যতেই নহওক গৈ ওলাইছিলগৈ আৰু আনন্দৰে উপভোগ কৰিছিল, দৰ্শকৰ সৈতে আমাক পৰিচয় কৰাই দিছিল। বৰুৱাচাৰ আৰু মন্ত্ৰী মহোদয়ৰ মাজত মনিকাঞ্চনৰ যোগ আছিল, মিলন আছিল সাংস্কৃতিক প্ৰবাহ। "বৃক্ষৰ খোজ" নাটক আমি অসম তথা ভাৰতৰ বিভিন্ন মঞ্চত ৫০ (পঞ্চাচ) বাৰতো অধিক প্ৰদৰ্শন হোৱাৰ পিছত বৰুৱাচাৰে আমাক কাৰ্য্যালয়ৰ আটাইকে মাতি বৰ্ত্তমানৰ 'Press Club' ত ভোজ মেলৰ আয়োজন কৰিছিল। মাটিত বহি, কলপতুৰা পাৰি সৰু ডাঙৰ আটাইৰে সৈতে তিন পৰ নোহোৱাকৈ ভোজ খাবলৈ দি তেখেতে কি যে আনন্দ পাইছিল। গঠনমূলক কামত নিস্বাৰ্থভাৱে, বিনিময় নিবিচাৰি, তেখেতৰ বহমূলীয়া সাংস্কৃতিক অৰিহণা আগবঢ়াইছিল। এনে দৃষ্টান্ত জগতত বিৰল। আনকি চাৰে আমাৰে সৈতে একেলগে ৰেলভ্ৰমন কৰিছিল। আনবোৰ বাচক বনিয়া শিল্পীকো সদায় ৰেলষ্টেচনত আগবঢ়াই দিয়াতো চাৰৰ কৰ্ত্তব্যত পৰিণত হৈছিল। কোনো শিল্পীয়ে যাতে অকনো অসুবিধাৰ সন্মুখীন হব লগীয়াত নপৰে তেখেতৰে যৎপৰোনাস্তি চেষ্টা কৰিছিল।

স্বনাম ধন্যা ' প্ৰতিমা পাণ্ডে বৰুৱা ' কৰ্মমনী নাজৰী, ' খাৰেন পাম আৰু শ্ৰীললিত চন্দ্ৰ ওজা, শ্ৰীপুলক বেনাৰ্জী, শ্ৰীমতী অনিমা ভট্টাচাৰ্য্য, এই সকলক সমাদৰ জনাই অসম ও ভাৰতৰ বিভিন্ন ঠাইলৈ নিজে লগত লৈ গৈছিল, শ্ৰীখগেন মহন্তদেৱক অনুষ্ঠান পৰিবেশন কৰিবলৈ দিছিল।

১৯৭৬ চন আন্তৰ্জাতিক নাৰীবৰ্ষ আছিল। নাৰীসকলৰ নাট প্ৰতিযোগিতাৰ আয়োজন কৰিছিল, মিতালী কলাকেন্দ্ৰই প্ৰথম হৈ অভিলেখ স্থাপন কৰিছিল। এই প্ৰতিযোগিতাৰ আৰম্ভণী বৰুৱাচাৰে কৰি নাৰিসকলক সকলো কামতে উদগনি যোগালে। মিতালী কেন্দ্ৰৰ সমবেত সংগীতৰ আয়োজনতো বৰুৱাচাৰ হাজৰীকাচাৰৰ অৰিহনাতে প্ৰসিদ্ধ নৃত্য শিল্পী গৰীমা হাজৰীকা বাইদেউকো সন্মান সহকাৰে আগবঢ়াইছিল। অসুৰ গোষ্ঠীৰ পৰা প্ৰতিযোগিতাত সহযোগ কৰা সমবেত সংগীতে ১ম স্থান অধিকাৰ কৰিছিল, গীতৰ ৰচনা কমল নাৰায়ন চৌধুৰীদেৱ, পৰিচালনা মোৰ।

তথ্য আৰু জনসংযোগ বিভাগৰ শিল্পীসকলো চাৰৰ বৰ মৰমৰ আছিল। আন এগৰাকী নিৰ অহংকাৰী লোকশিল্পী শ্ৰীযুত নবেন দাস ডাঙৰীয়াই বৰুৱাচাৰৰ পদানুসৰণেৰে অগ্ৰসৰ হৈছিল। নৃত্য শিল্পী দিপালী দাস, ভনী, জয়া, অনুজা আৰু শ্ৰীমতি সাৱলী শইকীয়াক

নৃত্য প্ৰদৰ্শন কৰিবলৈ লৈ গৈছিল। যাদব বৰকটকী, জীতেন বৰঠাকুৰ, নীল মাধব মুখাৰ্জী এইসকল শিল্পী, কৰ্ম কৰি থকা ব্যক্তি, ভাই-ভনী ককাই-ভায়েক সম্পৰ্ক আছিল। আজিও বৰুৱা চাৰ বুলিলে আত্মহাৰা হৈ পৰে। অসমৰ প্ৰসিদ্ধ বাহীবাদক, সংগীত পৰিচালক শ্ৰীযুত প্ৰভাত শৰ্মাদেৱ তেখেতৰ বৰ আপোন আছিল। প্ৰসিদ্ধ শ্ৰীনীল দত্তই বিহু দলৰ যোগে প্ৰচাৰ পাইছিল। সেই সময়ত গুৱাহাটীত বিহু নাচ নাচিবলৈ ছোৱালী নাছিলেই — শ্ৰীযুতা জয়া দুৱৰাৰ অভিনয় আৰু বিহু নৃত্যই প্ৰসংশা বুটলিবলৈ সক্ষম হয়। শ্ৰীযুতা নিৰু পণ্ডিতৰ একানপতীয়া চেষ্টাত সেই সময়ত শোভালক্ষ্মী পণ্ডিত, বনলক্ষ্মী পণ্ডিত কেইগৰাকী বাইভনীয়ে বিহু নৃত্যৰ জৰিয়তে অসমৰ বাহিৰতো সুনাম অৰ্জন কৰিছিল।

সাংস্কৃতিক সঞ্চালকালয়ত সেই সময়ত আমাৰ এটা গীতৰ অনুষ্ঠান আছিল। কুৰি দফা আঁচনি অনুসৰি চাৰে পৰিচালনা কৰিছিল "নতুন দিনৰ গীত"ৰ মাজেৰে। সঞ্চালকালয়ৰ বিভাগীয় গায়ক গায়িকাই অসমৰ বিভিন্ন ঠাইলৈ গাৱে ভূঞে, চহৰে নগৰে মৌলিক গীত পৰিৱেশন কৰিবলৈ। মোৰো সুযোগ ঘটিছিল গায়ক গায়িকাসকল আছিল — গায়ক, সুঅভিনেতা শ্ৰীবিভূৰঞ্জন চৌধুৰী, ' ৰিদিপ দত্ত, ' ভাস্কৰ দাস, লিখন শৰ্মা, শ্ৰীযুত ৰবীন কলিতা (বৰ্তমান ৰেল বিভাগৰ উচ্চ বিষয়া), শিক্ষক উমেশ শৰ্মা, ইতিমধ্যে বিভাগৰ ৰহমান, পলাশবাৰীৰ বিমলা, নগাওঁৰ ইৰু হাজৰিকা, বোকাখাৰ এগৰাকী গায়িকা আছিল। গীতিমা লহকৰ, কৃষ্ণা লহকৰ, মীৰা দাস, ইবা তহবীলদাৰ আটায়ে মিলি গীত গাইছিলো। আমাৰ অফিচৰ এখন ১৬ জনীয়া মেটাডৰ গাড়ী আছিল। নাটকেই হওক অথবা গীত মাত হওক সেইখনতে অসমৰ ইমুৰৰ পৰা সিমুৰলৈ ঘূৰি ফুৰিছিলো। চাৰে সদায়েই সাংস্কৃতিক দলবিলাকে ভালকৈ আখৰাত মনোযোগ দি ভালদৰে যাতে অনুষ্ঠান পৰিৱেশন কৰিব পাৰে তালৈ লক্ষ ৰাখিছিল-বহু কষ্ট কৰি লগত থাকি আমাক শিকাইছিল। ময়ো এনেবোৰ গীত মাতত অংশ লবলৈ সুবিধা পাইছিলো অসমৰ ও ভাৰতৰ বিভিন্ন মঞ্চত। দিশপুৰৰ জনতা ভৱনটো উদ্বোধন কৰা সময়তো আমাৰ গীতেৰে আৰম্ভনী হৈছিল। গীতৰ ৰচনা সেই সময়ৰ মুখ্য মন্ত্ৰী ডাঙৰীয়া শৰৎ চন্দ্ৰ সিংহদেৱৰ আছিল, সুৰ কৰিছিল বৰুৱাচাৰে—

আনে আশা, আনে আশা

জনতা ভৱনে.................. ..

ভাগিনী শ্ৰীযুতা আৰাধনা দাস (মাধনী বাইদেউ) তেখেতৰ সাংস্কৃতিক মনৰ এপাহী সজীৱ পুষ্প। বাপু মহা বুলিলে পৰিয়ৰা- প্ৰায়েই আমি চাৰৰ গীতৰ বৈঠকী মাধনী বাইদেউৰ ঘৰত কৰিছিলো।

তেখেতৰ সহধৰ্মিণী জেষ্ঠ শিল্পী সুঅভিনেত্ৰী আৰতি বৰুৱা চাৰৰ সকলোবোৰ ঘৰুৱা কাম তথা সামাজিক কামত আজিলৈকে চাৰৰ আৰ্হিৰে অনুসৰণ কৰি সুযোগ্য পুত্ৰবধূ

নাতি-নাতিনীক লৈ সাংস্কৃতিৰ পথাৰত কাম কৰি আছে-মাথো আমি গঢ়ি তুলিছোঁ এইজনা শিল্পীৰ বিভিন্ন দিশৰ মৌলিকতা অক্ষুণ্ণ ৰাখিবলৈ যত্নপৰ হব পৰা নাই।

মই জনাত অসমৰ বাহিৰলৈ সত্ৰীয়া নৃত্যৰ বহুল প্ৰচাৰ বহু বৰবাচাৰে বৰ পায়ন ৰসেশ্বৰ শইকীয়াদেৱৰ যোগে বাষ্ট্ৰীয় যোগ্যতা লাভ কৰিবলৈ সুযোগ কৰি দিছিল। ড° মহেশ্বৰ নেওগ ভাগুৰীয়াৰ সৈতে সত্ৰীয়া নৃত্যৰ বিষয়ে আলোচনা কৰা মই কাণেৰে শুনিছিলো। তেজপুৰৰ নিকামুক্ত সত্ৰৰ সত্ৰ নিকাৰ গহন চন্দ্ৰ গোস্বামীদেৱৰ দিহা পৰামৰ্শ আৰু গুৱাহাটী ভগৱতী প্ৰসাদ ভৱনত বৰগীত পৰ্যালোচনা, উজনি আৰু নামনিৰ সত্ৰ সমূহৰ সবাকে মাতি কেবাবাৰো সঠিক আলোচনা পাতিছিল। উপস্থিত গুৱাহাটীৰ কেইবাগৰাকী গুণীজ্ঞানী ব্যক্তি আছিল আৰু দৰিছিল শিল্পী গায়ক সংগীত নাটক একাডেমী পুৰস্কাৰ বিজেতা থগেন মহন্ত ভাগুৰীয়াদেৱে আৰু মানৱৰ কেশৱ মহন্ত ডাঃ বীণা, নিকুঞ্জ সত্ৰ বাইদেউ উপস্থিত আছিল। বৰবাচাৰৰ প্ৰচেষ্টাত পাল প্ৰথমবাৰৰ বাবে মঙ্গলদৈ, চিপাঝাৰৰ দেওধ্বনি নৃত্য বাষ্ট্ৰীয় পুৰস্কাৰ বিজেতা লক্ষীচন্দ্ৰ ওজাদেৱ, কিনাৰাম নাথ, এই সকলে মৰ্যাদা পাইছিল। গোৱালপৰীয়া নৃত্য কুশান, শাচ নৃত্য মহলাত তাঁৰ ভনিয়তে প্ৰচাৰ লাভ কৰিছিল। মইও কেইবাবাৰো এই শিল্পীৰ লগত অনুষ্ঠান পৰিবেশন কৰি ভাবৰ বিনিময় কৰাৰ সুযোগ বৰবাচাৰৰ অনুগ্ৰহতে হৈছিল মোৰ। চাৰৰ বিশেষ যোগ্যতা আছিল অনুভূতি আছিল প্ৰসংশনীয়, কেৱল সভাসমিতিত মুখি নহয় সাংস্কৃতিক পৰিবেশ সৃষ্টি কৰিব পৰা ক্ষমতা নিৰ্ভিকতা সংস্কাৰ আছিল স্পষ্টবাদীতা যোগ্যজনক যোগ্য সন্মান দিবলৈ, কেৱল চৰকাৰী কাৰ্য্যালয়ৰ দায়িত্ব পালন কৰি ক্ষান্ত নাথাকি, মানুহৰ বাবে কাম কৰি আৰু সাধাৰণ ভাবে সৎকৰ্ম কৰি জীয়াই থকাৰ বাবে আগ্ৰহী আছিল। মানৱ জীৱনক পৰ্যালোচন কৰিব পৰা সুক্ষ্ম অনুভূতি কণ চাৰৰ মাজত সদায় বিচাৰি পাইছিলো।

চাৰে মোক প্ৰায়েই কৈছিল এশাৰ কথা - যৰবা নামেৰে মাতে "যা মন টকা পইচাই মানুহক মাত নিদিয়ে। কৰ্ম কৰি যোৱা ফলাফল বিচুৰ নাহে"

আধৰা গৃহত চাৰ বহি থাকিলে জীপাল হৈ আছিল। আজিও বৰীন্দ্ৰ ভৱনৰ চৌহদতে চাৰৰ আত্মা আত্মা নিষ্ঠীত হৈ থকা যেন অনুভৱ হয়। মোৰ সকলোবোৰ কামতে যেন চাৰে দূৰৰ পৰাই আশীৰ্বাদ কৰি আছে। চাৰৰ ৰসিকতা কৰা সময় সাপেক্ষে আছিল মাজে মাজে ধেমেলীয়া কথাকে আমাক বৰ আনন্দ দিছিল, কথাৰে সজীৱ কৰি ৰখা আনন্দৰ মুহুৰ্ত নিজাক মনত পৰিলে এতিয়াও আনন্দৰ অশ্ৰু বাগৰি আহে।

একদিনৰ এটি সৰু ঘটনা-তেতিয়া কুৰি দশক আচনি অনুসৰি অসমৰ বাহিৰলৈ পঠিয়াব লাগে-শিল্পী ঢোলবাদ, বজাব জানে টী পুণ্য দত্ত আৰু লাখীয়াই অংশ গ্ৰহণ কৰিব লাগে তেওঁলোকৰ মলিনতা গাৰলৈ পুণ্য দত্তক বৰবা চাৰে শিকাইছে-

ৰুদ্ৰ বীণাৰ তান

শুনিয়োক সৰ্ব্বজন আমাৰ বচন
দফা দফা কৰি দফা এইয়ে আমাৰ মূল কথা
জিন্দাবাদ ঐ জিন্দাবাদ

এনে ধৰণেৰে পুণ্যাই মালিতা গায় আছে - এগৰাকী মহিলা শিল্পীয়ে জপিয়াই জপিয়াই তাল বজাই সংগত কৰি আছে। চাৰে মালিতা গোৱা বাদ্য শিল্পী পুণ্যাক এটা সময়ত ক'লে যে সম্মুখত যিসকল সম্মানীয় ব্যক্তি থাকিব সেইসকলৰ নামধৰি যোজনা গায় আপ্লুত কৰিবলৈ দিহা দিলে। সেই সময়ত সুদূৰ দিল্লীত আমাৰ অসমৰে মানুহ ভৰি আছে-A.I.C.C সদৌ ভাৰত কংগ্ৰেছ সম্মিলন, ৰাষ্ট্ৰপতি জনা স্বনামধন্য ফকৰুদ্দিন আলি আহমেদ, শিক্ষাবিভাগ দেবকান্ত বৰুৱাদেৱ ললিত চন্দ্ৰ দলে কংগ্ৰেছ সভাপতি শ্ৰীযুত শৰৎ চন্দ্ৰ সিংহদেৱ অসমৰ মুখ্যমন্ত্ৰী, ভাৰতৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী সম্মুখত পুণ্যাই সকলোকে চাই চাই আনন্দেৰে মালিতা গায় আছে ঢোল বজায় বজায় "জিন্দাবাদ দেববৰুৱা জিন্দাবাদ" তাল বজোৱা গৰাকীয়েও ধৰি গৈ আছে "জিন্দাবাদ ঐ জিন্দাবাদ ইন্দিৰা গান্ধী জিন্দাবাদ" এনে সময়তে প্ৰথম উইংচৰ ওচৰত বৰুৱাচাৰক দেখিলে "আঐ জিন্দাবাদ ঐ জিন্দাবাদ ৰুদ্ৰ বৰুৱা জিন্দাবাদ" আমাৰ বৰুৱা চাৰ কোনফালে যে পলালে যে পলালে আমি হাঁহি হাঁহি সেই মুহূৰ্ত্ত বিলাক সদায়ে মধুৰ কৰি আমাৰ মাজত ৰাখিব পৰা হলে- আকৌ গীত গোৱা গায়ক গায়িকা গৰাকী মিঠা মাতৰ লগতে স্পষ্ট শব্দ উচ্চাৰণ তাল মান সুৰ লয় ৰাখি থোৱা শিল্পীজনা চাৰৰ অতি প্ৰিয় আছিল।

ৰাষ্ট্ৰীয় নাট বিদ্যালয় সম্পৰ্কে কেৱল মই এবাৰ শুনিছিলো শ্ৰীযুত দেব কুমাৰ নাথদেৱৰ পৰা স্কুলীয়া ছাত্ৰী অৱস্থাত। বিজ্ঞান সম্মতভাবে যে নাট্য শিক্ষা লব লাগে ৰবীন্দ্ৰ ভৱনৰ নাটবিভাগত সোমাইহে জানিব পাৰিলো-নাটক সম্পৰ্কে পঢ়িব লগা অনেক বিষয় আছে, জানিব পাৰিলো শ্ৰদ্ধাৰ দুলালদাৰ পৰা। বৰুৱাচাৰ সঞ্চালকৰ দায়িত্ব থকা সময়ত সম্ভৱ হৈছিল-নাটক কৰ্মশালাত ভাগ লোৱাৰ। নিজকে মোৰ সীমাবদ্ধতাৰ মাজত থাকিয়েই অংশলোৱাত অবিহনা যোগালে বৰুৱাচাৰে। কেইবাবাৰো কৰ্মশালাৰ আয়োজন কৰা হৈছিল। প্ৰথম বাৰ ১৯৭৭ চনত বিশিষ্ট ব্যক্তি সকলকলৈ সাংস্কৃতিক সঞ্চালকালয়ৰ দ্বাৰা আয়োজিত প্ৰশিক্ষক সকলৰ সৈতে পৰিচয় হোৱা সৌভাগ্য ঘটিছিল-ক্ৰমে আছিল পঞ্চানন পাঠক, বি. ভি. কাৰেন্থ, জীতেন্দ্ৰ নাথ কৌশল, ৰুদ্ৰ প্ৰসাদ সেনগুপ্ত, তাপস সেন, কুমাৰ ৰয়, সত্য প্ৰসাদ বৰুৱাচাৰ সাহিত্য একাডেমী বটা বিজয়ী অৰুণ শৰ্ম্মা, নাৰায়ণ বেজবৰুৱা, ভবেন বৰুৱা নাট্যকাৰ, শিল্পী যুগল দাস, ড° শৈলেন ভৰালীদেৱ, ড° মহেশ্বৰ নেওগদেৱ, ড° মুকুন্দ মাধব শৰ্ম্মাদেৱ-এখেতসকলে বিভিন্ন বিশেষ বিষয়ত পাঠ দান কৰিছিল-জীৱনৰ এইবোৰ সময় সদায়েই অবিস্মৰণীয় হৈ ৰব। ২ য় বাৰ ১৯৭৯ চনত কৰ্মশালাৰ পিছত দিল্লীৰ NSD ত ' পদ্ম নাথ গোহাঞি বৰুৱাদেৱৰ গাওবুঢ়া নাটকত ভাগ লও। অসম সাহিত্য সভাৰ সভাপতি ড° বীৰেণ দত্ত চাৰ, (এখুদ

মামা-কবি " নৱকান্ত বৰুৱাদেৱ), ৰীতা গাংগুলী জমিল আহমেদ আৰু পংকজ চাকচেনা আছিল। এইবোৰ কৰ্মশালাৰ পৰিচালনাৰ দায়িত্বত আছিল কৌশল চাব। দেশ বিদেশৰ অনেক শিল্পীসকলৰ লগত সাংস্কৃতিক বিনিময় ঘটাৰ সম্পৰ্ক ঘটিছিল-বৰুৱাছাৰৰ দিনতে।

ৰসিকতাৰ মাজৰে বক্তব্য প্ৰকাশ কৰা চাৰৰ অভ্যাস সেই ৰসৰ ভাগজনৰে কেতিয়াও আমনি লগা নাছিল।

চাৰৰ জ্যেষ্ঠ পুত্ৰ শ্ৰীযুত স্বপ্ননীল বৰুৱা তাৰপিছত ড° নৱনীল বৰুৱা আৰু অৰুনীল বৰুৱা। সুযোগ্য পুত্ৰসবে কথা কলে বা গীত গালে তেওঁলোকৰ মাজত চাৰৰ মনটো বহুসময়ত বিচাৰি পাও। চাৰৰ মুখৰ প্ৰতিচ্ছবি উৎভাবিত হৈ উঠে। চাৰৰ চৰণ যুগল চিন্তা কৰি কৰ্ম কৰি আছো।

ৰবীন্দ্ৰ ভৱনত আনবোৰ অনুষ্ঠান উপভোগ কৰোতে বৰুৱাচাৰলৈ কেতিয়াবা ৰবকৈ মনত পৰে। এনেবোৰ কথা কৈ লিখি শেষ কৰিব নোৱাৰি। বাচিয়ান লোকশিল্পী সকল আহিছিল বুলগেৰীয়ান সকলো আহিছিল। আমি বিভিন্ন ঠাইত তেখেতসকলৰ লগতে সমবেত সংগীত পৰিবেশন কৰিছিলো-

"বাচ ভিটালী য়ত্ৰানী প্ৰেছি
পপলিলি মানি নাদ ৰেকৈ
ইউকোদিলা নাবেৰেক ক্ৰুটোছা
অ' ভিছকনা বেৰেকনা ক্ৰুটই"

মই আৰু অভিনেতা প্ৰাঞ্জল শইকীয়াইও এই গীতত ভাগ লৈছিলো।

সেইবাবেই নতুন প্ৰজন্মলৈ যুৱক-যুৱতীসকললৈ অনুৰোধ বৰুৱা চাৰৰ সাংস্কৃতিক জগতলৈ যি অৱিহনা লুইত পৰীয়া মহান শিল্পী জনাৰ মহান অনুভৱ, অসমৰ থলুৱা কৃষ্টিৰ প্ৰতি জাতি, বৰ্ণ, ধৰ্ম নিৰপেক্ষে বৰুৱা চাৰক আমাৰ মাজত সদায় জীয়াই ৰাখক তেখেতৰ কৰ্ম হওক আমাৰ আদৰ্শ।

১৯৮০ চনত চাকৰি কাৰ্য্যকালত জানিব পাৰিলো চাৰ নাৰীয়াত পৰিল, মনটোৱে বৰ বেজাৰ পালে। মাদ্ৰাজলৈ চিকিৎসাৰ বাবে লৈ উভতি আহিল কৰিনৰ মাজত অসমলৈ সেইদিনা শিৱৰাত্ৰি আছিল। ৰবীন্দ্ৰ ভৱনত ৰূপকোঁৱৰ হৰণ ভাওনা-বাহৰিতো পাই আটাইবেলৰ প্ৰাণ কান্দি উঠিল নিষ্ঠুৰ নিয়তিয়ে আমাৰ বৰুৱাচাৰক চিৰদিনৰ বাবে ভগৱানৰ প্ৰিয় কৰি লৈ গ'ল।

◆ ◆ ◆

'বগা বৰফত বঙহৰ তেজ'

নীলমাধৱ মুখাৰ্জী

[নৃত্যাচাৰ্য নীলমাধৱ মুখাৰ্জীয়ে সুদীৰ্ঘ কুৰি বছৰতকৈ অধিক কাল ধৰি সান্নিধ্য লাভ কৰিছিল ৰুদ্ৰ বৰুৱাৰ। ১৯৫৮ চনৰ পৰা মৃত্যুৰ সময়লৈকে লাভ কৰা সান্নিধ্যৰ স্মৃতি পাহৰিব নোৱাৰা বিষ্ণুপ্ৰিয়া মণিপুৰী কলা-কৃষ্টিৰ নীৰৱ সাধক নীলমাধৱ মুখাৰ্জীয়ে ১৯৫৮ চনত ইংৰাজী ছবি Three headed Cobra ত ঢাক বাজনা বজোৱাৰ উপৰিও মণিপুৰী চলনৰ সংগীত সজ্জা কৰিছিল ১৯৫৯ চনত মুক্তি প্ৰাপ্ত হিন্দী ছবি 'চম্পাকলিত' তেওঁ মণিপুৰৰ অংগনাদ নৃত্য পৰিৱেশন কৰিছিল। প্ৰখ্যাত চলচ্চিত্ৰ নিৰ্মাতা ভি শান্তাৰামে বোম্বাই চলচ্চিত্ৰ মহলত তেওঁৰ অংগনাদ নৃত্যৰ প্ৰশংসা কৰিছিল। ইথিওপিয়াৰ ৰজাই তেওঁৰ নৃত্যত মোহিত হৈ মেডেল প্ৰদান কৰিছিল। ১৯৫৪ চনত আৰু ১৯৫৭ চনত ক্ৰমে, কলিকতা আৰু বোম্বাইত অনুষ্ঠিত সৰ্বভাৰতীয় সংগীত সন্মিলনতো তেওঁ অংগনাদ নৃত্য প্ৰদৰ্শন কৰে। তদুপৰি পেৰিছত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় সংগীত সন্মিলনত নীলমাধৱ মুখাৰ্জীয়ে অংশ গ্ৰহণ কৰে। লণ্ডন আৰু ফ্ৰান্সতো তেওঁ অংগনাদ নৃত্য প্ৰদৰ্শন কৰেগৈ। অসমৰ তথ্য আৰু জনসংযোগ বিভাগৰ শিলচৰ শাখাৰ মুখ্য বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰা এই গৰাকী শিল্পীয়ে ৰুদ্ৰ বৰুৱাৰ স্মৃতিচাৰণ কৰিছে নিজে লাভ কৰা সান্নিধ্যৰ দিনবোৰে। চীনা যুদ্ধৰ সময়ৰ সেই বিভীষিকাময়ী দিনত নেফালৈ শিল্পী দল লৈ যোৱা ৰুদ্ৰ বৰুৱাৰ সাহস ধৈৰ্য আৰু সহনশীলতাৰ প্ৰকাশ পায় নীলমাধৱ মুখাৰ্জীৰ বৰ্ণনাত। শিল্পীৰ নিজৰ মুখতে শুনকচোন – (সম্পাদিকা)।]

১৯৫৮ চনৰ কথা। ৰুদ্ৰ বৰুৱা তেতিয়া শ্বিলং কলা পৰিষদৰ সম্পাদক। সেই সময়ত মই শ্বিলঙৰ মণিপুৰী নৃত্যালয়ৰ অধ্যক্ষ পদত আছিলো। সেই সময়ৰ শ্বিলঙৰ প্ৰায়বোৰ সাংস্কৃতিক অনুষ্ঠানতে আমাৰ দেখা দেখি হয় যদিও আমি ইজনে সিজনৰ বিষয়ে তেতিয়াও ভালকৈ নাজানো। বৰুৱাৰ গাত থকা গুণাৱলীৰ তেতিয়াও মই ভালকৈ উমান পোৱা নাছিলো।

এনে সময়তে ১৯৫৯ চনত তেজপুৰত অনুষ্ঠিত হোৱা 'সদৌ অসম আন্তঃ কলেজ সংগীত সমাৰোহ'ত গীত পৰিৱেশন কৰিবৰ বাবে আমন্ত্ৰণ কৰা হয় বৰুৱাক আৰু মোক আমন্ত্ৰণ জনোৱা হৈছিল মণিপুৰী নৃত্য প্ৰদৰ্শনৰ বাবে। বৰুৱা আৰু মই, দুয়ো একেলগে ৰাতি তিনি বজাত শ্বিলঙত গাড়ীত উঠিলো। এতিয়াহে আমাৰ দুয়োৰে চিনাকি হয়। ৰাতি এঘাৰ বজা মানত বৰুৱা মঞ্চত উঠিল মাইকত ঘোষকে বৰুৱাৰ

নাম উচ্চাৰণ কৰাৰ লগে লগে কলাপ্ৰেমী ৰাইজৰ সহস্ৰ হাততাপৰি পৰোতেই বুজি পাইছিলো - ৰুদ্ৰ বৰুৱা কিমান জনপ্ৰিয় শিল্পী হ'ব পাৰে। এটিৰ পিছত এটিকৈ ভালেকেইটা গীত গালে তেওঁ। প্ৰতিটো গীতেই পলুৱা মাটিৰ গোন্ধ থকা কৰুণ সুৰীয়া গীত। চৌচুৰে ধৰা জাৰ নেওচি শ্ৰোতা ৰাইজে তেওঁৰ গীত শুনিবলৈ ধৰিলে। এনে সময়তে ৰাইজলৈ সেৱা জনাই বৰুৱা মঞ্চৰ পৰা নামিল। তেতিয়াই ৰাইজৰ মাজত গুঞ্জন শুনা গৈছিল - এয়েতো সঁচাকৈয়ে বনগীতৰ ওজা।' সেই মঞ্চতে বৰুৱাই প্ৰথমবাৰৰ বাবে পৰিবেশন কৰে কেশৱ মহন্তৰ দুটি কালজয়ী গীত 'কলৰে পাততে কাউৰী পৰে' আৰু 'আমাৰ মন পথাৰৰ লহপহীয়া বাওধানবোৰ'। সেইদিনাই বৰুৱাৰ গুণ দেখা পাই হঠাতে মোৰ মূৰ দোঁ খাইছিল আৰু সেই শ্ৰদ্ধা (তেওঁৰ মৃত্যু পৰ্যন্ত দেখুৱাই আহিছো আৰু আজিও জীয়াই ৰাখিছো) আজিও অবধাৰিত।

১৯৬০ চনৰ কথা। অসম চৰকাৰে সেই বছৰেই জনসংযোগ বিভাগত এটি সাংস্কৃতিক শাখা খোলে। এই শাখাৰ উপ-সঞ্চালক পদত নিযুক্তি দিয়া হয় বৰুৱাক। তেতিয়াই অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহা আৰু উক্ত শাখাৰ সঞ্চালক ঈশ্বৰ চৌধুৰীয়ে মোক সেই শাখাৰ শিল্পী হিচাপে নিযুক্তি দিয়ে। অসমৰ ৰাজধানী আছিল তেতিয়া শিলঙতে।

১৯৬১ চনত জাগীৰোডত 'অসম স্পান চিল্ক মিল' প্ৰতিষ্ঠাৰ উদ্বোধনী অনুষ্ঠানত সাংস্কৃতিক শাখাৰ তৰফৰ পৰা বৰুৱাই নেতৃত্ব লৈ এটি সমবেত কণ্ঠৰ গীত পৰিবেশন কৰোৱাৰ কথা আমাৰ বাৰুকৈ মনত আছে। গীতটিৰ কথা আৰু সুৰ সংযোজনাও আছিল বৰুৱাৰে। সেই গীতটি মোৰ আজিও মনত পৰে-

"জগ্ জগ্ জগ কল চলে
জাগীৰোড জাগি থাক তালে তালে
অ' শিপিনী তোৰ লেটা কটা জোঠাবোৰ
চপাই গোটাই আনি দে।"

১৯৬২ চন। জনসংযোগৰ শাখাটো গুৱাহাটীলৈ তুলি অনা হয়। সেই সময়তে চীনা আক্ৰমণৰ পিছতে ভাৰতীয় জোৱানসকলৰ মনোৰঞ্জনৰ বাবে ৰাজ্য চৰকাৰে আমাৰ এটি শিল্পী দল তেতিয়াৰ নেফা অৰ্থাৎ আজিৰ অৰুণাচললৈ পঠায়। এই শিল্পী দলৰ নেতৃত্বৰ ভাৰ দিয়া হৈছিল বৰুৱাৰ ওপৰত। মই আৰু বৰুৱাই মিলি অসমৰ বিভিন্ন ঠাইৰ শিল্পীক লৈ ত্ৰিশজনীয়া দলটি গঠন কৰিছিলো। সেই শিল্পী দলত ড° বীৰেন্দ্ৰ নাথ দত্ত, নৃত্য-শিল্পী নবীন বৰা, কৌতুক অভিনেতা কমলাৰাম দত্তৰ পৰা জয়ন্ত হাজৰিকালৈকে ভালেকেইগৰাকী খ্যাতনামা শিল্পীও আছিল।

আমি চীনা আক্ৰমণত জৰ্জৰিত ঠাই বিলাকলৈ গৈ অনুষ্ঠান পৰিবেশন কৰিছিলো।

তেতিয়াই আমি অৰুণাচলত বাস কৰা আপাতানি, মিছিমি, গালং, অকা, দফলা আদি ৰাইজৰ মাজত সোমাই তেওঁলোকৰ লগতে খাই মেলি নৃত্য-গীত প্ৰদৰ্শন কৰিছিলো। আমাক অসম চৰকাৰে চাৰিখন জীপ গাড়ী দিছিল। কিন্তু অৰুণাচলৰ দুৰ্গম পথত কেতিয়াবা কেবামাইল দূৰ খোজকাঢ়ি গৈও অনুষ্ঠান পৰিবেশন কৰিবলগীয়া হৈছিল। সৈন্য বাহিনীৰ ফালৰ পৰাও আমাক দুখন 'লাগেজ ভান' দিয়া হৈছিল।

এই ভ্ৰমণৰ শেষযাত্ৰা আছিল বমডিলা হৈ টোৱাং। সৈন্য বাহিনীয়ে আমাক চীন-ভাৰতৰ সীমান্তলৈ লৈ গৈছিল। তাত নিষেধাজ্ঞা বলবৎ থকাত আমি বেছি সময় নাথাকি বমডিলালৈ পুনৰ উভতিলো। বমডিলাত ৰাতিটো কটাই টেঙাবিল হৈ তেজপুৰ অভিমুখে যাত্ৰা কৰিলো। এই যাত্ৰাকালত ৰুদ্ৰদা আছিল একেবাৰে আগৰখন গাড়ীত আৰু মই একেবাৰে পাচৰখনত। ইয়াৰ কাৰণ আছিল আগৰখিনি তেওঁ চম্ভালি পাচৰখিনি মোৰ ওপৰত এৰি দিয়া। মোক খুব বিশ্বাস কৰিছিল বাবেই লগত নিয়া ধনৰ টোপোলা, কাগজ-পত্ৰ, প্ৰোগ্ৰেম ফাইল আদি সমস্ত তেওঁ মোৰ হাতত দিছিল।

টেঙাবিল পালোহি চাৰি বজা মানত, আবেলি। টেঙাবিলতেই চিজফায়াৰ হৈছিল। তাত জোৱানসকলৰ ডাঙৰ কেম্প। তাৰ পৰা ৰুম্পুলৈ 'ৱান বে' হোৱাত জীপকেইখন যাবলৈ দি মালবাহী ভান দুখন যাবলৈ নিদিলে। মই ৰুদ্ৰদাক ক'লো যে, মই ড্ৰাইভাৰ দুজনৰ সৈতে মাল-পত্ৰবোৰ লৈ থাকিম। আপুনি আগবাঢ়ক। দুৰ্গম পাহাৰৰ নিৰ্জনতা, বনৰীয়া জন্তুৰ মাজে মাজে ভাঁহি অহা চিঞৰ আৰু সীমান্তৰ সিপাৰৰ পৰা ভাঁহি অহা বন্দুক-বাৰুদৰ শব্দই মোক ভয়তে পেপুৱা লগালে। ড্ৰাইভাৰ দুজনে গাড়ীৰ পৰা নামি প্ৰধান গেটখনত ধৰি জোৱানসকলক চিঞৰিবলৈ ধৰিলে। অৱশেষত এগৰাকী সৈনিক বিষয়াই আমাৰ অৱস্থা দেখি গেটখন খুলি আমাক চৌহদৰ ভিতৰত সোমোৱাৰ অনুমতি দিলে। ৰাতিটো উজাগৰে কটাই পিচদিনা পুৱা প্ৰায় আঠ বজাত গৈ ৰুম্পু পালোগৈ। তাত গৈ লগত বিচনা-পত্ৰ একো নথকাত সকলো শিল্পী জুই ধৰি বহি থাকিবলগীয়া হৈছিল। তাতে আকৌ ভূতৰ ওপৰতে দানহ পৰাৰ লেখীয়াকৈ বনৰীয়া হাতীয়েও আহি তাণ্ডৱ দেখুৱালেহি।

এই কষ্টকৰ যাত্ৰাত মই ৰুদ্ৰ বৰুৱাৰ এটা কথাই লক্ষ্য কৰিছিলো যে সকলো পৰিস্থিতি তেওঁ সদায় হাঁহিমুখে আৰু হেলাৰঙে গ্ৰহণ কৰিছিল আৰু যেনে তেনে আয়ত্তলৈ আনিছিল। উভতি আহোঁতে ৰুদ্ৰবাই মাথো কৈছিল -- কষ্টৰ মাজতো আনন্দ আছে।

বগা বৰফত বগুহুৰ তেজ
পৰিলে নিগৰি নিজৰি
সেই তেজ লৈ জুইডৰ টৌ
আহিলে বাগৰি বাগৰি।।
এই তেজ মোৰ চিনাকি

দেখি ভয় খোৱা নাই তথাপি
ভীৰু চকুলোক দুইহাতে মই
এইয়া পেলালো মোহাৰি।।

বুকুৰ তেজেৰে ৰঙা কৰি মাটি
ধন্য কৰিলে জীৱন যাৰ
সেই আত্মাৰ শান্তিৰ বাবে
শিৰ নত কৰো আজি আমাৰ

(আৰু) হাজাৰ বীৰৰ ত্যাগৰ কাহিনী
আকৌ এবাৰ সুঁৱৰি
আগবাঢ়ো আমি সেই বাটেদিয়েই
ভয়-সংশয় পাহৰি।।

তুইতেই মোৰ ইতিহাস
(কয়) মই বোলে চিৰ-অবিনাশ
এই পানীতেই শতবাৰ মোৰ
হেৰোৱা সত্তা পখালি
সময় যেতিয়া আহিব আকৌ
এইয়া বান্ধিলো টঙালি।।

❖ ❖ ❖

ৰুদ্ৰ বৰুৱা ঃ এক অনন্য সাঙ্গীতিক প্ৰতিভা

কৃষ্ণ গোস্বামী

অনন্য সাঙ্গীতিক প্ৰতিভাধৰ জ্যোতিপ্ৰসাদে আমাৰ কেঁচা মাটিৰ সুবাসসিক্ত থলুৱা সুৰ সংযোজনাৰে সূচনা কৰা আধুনিক অসমীয়া গীতৰ যুগটোক বিষ্ণু প্ৰসাদ আৰু পাৰ্বতি প্ৰসাদৰ দৰে বহুগুণী সংগীতজ্ঞই স্বকীয় বৈশিষ্ট্যৰে সমৃদ্ধ কৰি যোৱাৰ কথা অসমীয়া সংগীতপ্ৰেমী মাত্ৰেই বিদিত। অসমীয়া আধুনিক গীতৰ নিৰ্মাতা এই তিনি প্ৰসাদৰ পিছতেই গীত ৰচি সেই গীতক তুলি ধৰিব পৰা থলুৱা বৈশিষ্ট্যব্যঞ্জক সুৰেৰে সুৰীয়া কৰি সুমধুৰ কণ্ঠেৰে গাই শ্ৰোতাৰ হৃদয় পৰশিবলৈ সক্ষম হোৱা ৰুদ্ৰ বৰুৱাৰ নাম ল'ব পাৰি। জন্মগত প্ৰতিভা, অভিজ্ঞতা লব্ধ জ্ঞান আৰু ঐকান্তিক সাধনাৰে বৰুৱাই অসমৰ লোক সংগীতৰ আধাৰত সাৰ্থক অসমীয়া আধুনিক গীতৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।

গীত ৰচনা আৰু সুৰ সংযোজনাত আমাৰ ঐতিহ্যময় পৰম্পৰাৰ প্ৰতি সদাসচেতন শিল্পী ৰুদ্ৰ বৰুৱাৰ জন্ম হৈছিল পুৰণিগুদামৰ ভীমৰ গাঁৱত, ১৯২৬ চনত। পুৰণিগুদামৰ মাজেৰে বৈ যোৱা কলঙৰ দুইপাৰে সিঁচৰিত হৈ আছে ভীমৰ গাঁৱৰ বাহিৰেও-"চালত কোমোৰা লাও, জিকা, ভোল ভড়ালত জহা ধান" বুলি কবিয়ে কোৱা শুৱনি গাঁৱৰ সাক্ষ্য সিদিনালৈকে বহন কৰি অহা পানীগাওঁ, সুতাৰগাওঁ, হাতীগাওঁ, মিকিৰহাট প্ৰভৃতি কেইবাখনি গাওঁ। লগতে আছে লেটুগ্ৰাম সত্ৰকে আদি কৰি কেইবাখনিও সত্ৰ। এই গাওঁবোৰৰ বিভিন্ন খেল আৰু সত্ৰৰ নামঘৰ সমূহক কেন্দ্ৰ কৰি চলি অহা ভাওনা, বৰগীত, ঠিয় নাম, ব'ৰাগী নাম আদি শঙ্কৰী গীত মাতৰ চৰ্চা সম্প্ৰতি বহু ক্ষেত্ৰত ম্লান পৰিলেও স্তিমিত হোৱা নাই। বিহু নাম, বিয়া নাম, আই নাম আদি পৰম্পৰাগত লোক সংগীতটো অঞ্চলটো চহকী। সৰুতেই পিতৃহীন হোৱাত দুগৰাকী বাই-ভনীৰ সৈতে মাকৰ আশ্ৰয়ত ডাঙৰ হোৱা বৰুৱাই ল'ৰালি কালৰে পৰা মুকলিমুৰীয়াকৈ ঘূৰি অঞ্চলটোৰ এই সত্ৰীয়া গীত-মাত আৰু লোক সংগীতৰ সুৰ-সম্ভাৰ সমূহ আয়ত্ব কৰিবলৈ সক্ষম হৈছিল। ব'ৰাগী নাম পানীগাওঁ অঞ্চলৰ বিশিষ্ট সাংস্কৃতিক সম্পদ। মাঘ-ফাগুন মাহত গাঁৱৰ নামঘৰ সমূহত পালন কৰা বৰসবাহত এই গীত সমূহীয়াকৈ পৰিৱেশন কৰা হয়। ব্যক্তিগত ভাবেও আগ্ৰহী লোকে এই নাম পতাৰ পৰম্পৰা অঞ্চলটোত এতিয়াও অব্যাহত আছে। বৰুৱাই এই নামৰ গম পালেই তাত উপস্থিত হৈছিল আৰু সেই নামৰ লগত নেগেৰা সঙ্গত কৰি পৰম সন্তুষ্টি লাভ কৰিছিল বুলি অঞ্চলৰ বুঢ়া-মেথাই এতিয়াও কয়। এই নামৰ প্ৰতি বৰুৱাদেৱৰ হেপাহ ইমানেই আছিল যে পিছৰ কালত সাংস্কৃতিক সঞ্চালক

ৰূপে থাকোতে এই নামৰ দল গুৱাহাটীলৈ আমন্ত্ৰণ কৰি নিজে তত্বাৱধান লৈ বিভিন্ন অনুষ্ঠানত পৰিবেশন কৰাইছিল।

বৰুৱাই সৰুৰে পৰাই গান গাইছিল। পুৰণিগুদাম বাধাৰাম বৰুৱা হাইস্কুলত (এতিয়াৰ উচ্চতৰ মাধ্যমিক) পঢ়ি থাকোতে বিদ্যালয়খনিৰ সেই সময়ৰ সংগীত প্ৰেমী শিক্ষক (পিচলৈ অধ্যক্ষ) ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ পুত্ৰ নিলৰঞ্জন বৰঠাকুৰ দেৱে বৰুৱাৰ সংগীত প্ৰতিভাৰ উমান পাই নিজে হাৰমনিয়াম ধৰি গীত গাবলৈ শিকাইছিল। অঞ্চলটোৰ নামঘৰবোৰত ষ্টেজ পাতি কৰা থিয়েটাৰবোৰতো বৰুৱাই পাৰ্শ্ব গায়কৰূপে উপস্থিত থাকি গীত গাই দৰ্শকৰ মন মুহিছিল। বৰুৱাই অভিনয়ো কৰিছিল। পানীগাঁৱত পণ্ডা জ্যোতি প্ৰসাদ আগৰৱালাৰ "কাৰেঙৰ লিগিৰী" নাটত বৰুৱাই "সোণপাহি"ৰ ভূমিকাত অৱতীৰ্ণ হৈ সুন্দৰ অভিনয় কৰি দৰ্শকৰ মন মুহিছিল বুলি অঞ্চলটোৰ প্ৰথিতযশা শিল্পী অশীতিপৰ জিতেন্দ্ৰ নাথ হাজৰিকাৰ পৰা জনা গৈছে। পিতৃহীন ল'ৰাটো উশৃংখল হৈ এইদৰে গান-বাজনা, ভাওনা-সবাহ, থিয়েটাৰত লাগি নষ্ট হ'ব বুলি অঞ্চলৰ কেনোৱে মত প্ৰকাশ কৰিছিল। কিন্তু এই সকলৰ আশংকাক অমূলক প্ৰমাণ কৰি অধ্যৱসায়ৰ বলত ৰুদ্ৰ বৰুৱাই পিচলৈ অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকৰ দৰে উচ্চ পদবীত অধিষ্ঠিত হ'বলৈ সক্ষম হৈছিল। ছাত্ৰাৱস্থাতে সৰুৱা পুৰণিগুদাম এৰি নগাঁও পায়গৈ আৰু হাইস্কুলীয়া শিক্ষা সমাপ্ত কৰে। তাৰ পিছত তেখেতে নগাঁৱতে আহি কলেজীয়া শিক্ষা আৰম্ভ কৰে। নগাঁৱতে কিছুদিন হাৰমনিয়াম মেৰামতি কৰা দোকানত সোমাই নিজৰ খা-খৰচ উলিয়াইছিল। তাৰ পিছত তেখেত শ্বিলং পায়গৈ। ৰুদ্ৰ বৰুৱাৰ এই সংঘাতবহুল জীৱনৰ বিভিন্ন ঘাত-প্ৰতিঘাতে তেখেতক সংগীত সাধনাৰ পৰা ছিন্ন কৰিব পৰা নাছিল। শ্বিলঙৰ সেই সময়ৰ অনুকূল সাংস্কৃতিক পৰিৱেশত ৰুদ্ৰ বৰুৱাৰ সংগীত সাধনাই পৰিপূৰ্ণতা লাভ কৰে। ১৯৮০ চনত তেখেতৰ অকাল বিয়োগ ঘটে। হাইস্কুলত পঢ়ি থাকোতেই গীত ৰচনাত হাত দিয়া ৰুদ্ৰ বৰুৱাই দুশ মান গীত ৰচনা কৰিছিল। ৰাম গোস্বামীৰ সম্পাদনাত অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা "ৰুদ্ৰ বৰুৱাৰ গীত" গ্ৰন্থত মুঠ ১৮৪টা গীত সন্নিবিষ্ট হৈছে। বৰুৱাৰ সৰহভাগ গীতত নিভাঁজ সৰল ভাষাৰে অসমৰ কিন্নীয়া প্ৰকৃতিৰ, গ্ৰাম্য জীৱনৰ বিবিধ ছবি অংকনৰ সাৰ্থক প্ৰয়াস প্ৰত্যক্ষ কৰিব পাৰি। গাঁৱৰ বোকাপানী খচকা প্ৰত্যক্ষ অভিজ্ঞতাপুষ্ট বৰুৱাৰ তালেমান গীতত গাঁৱৰ জীৱনৰ, প্ৰকৃতিৰ বৰণীয়া বৈচিত্ৰৰ সৰস আৰু বাস্তৱ প্ৰতিফলন ঘটিছে।

কৃষি প্ৰধান জন-জীৱনৰ লগত পথাৰৰ সম্বন্ধ অবিচ্ছেদ্য। গ্ৰীষ্মৰ প্ৰখৰ ৰ'দ, বাৰিষাৰ ধুমুহা বতাহ, শীতৰ ঠেঁটুৰে লগা জাৰকো নেওচি গাঁৱৰ কৃষকে মূৰৰ ঘাম পানী কৰি জীৱনৰ সপোন ফলোৱা পথাৰখন আমাৰ সংস্কৃতিৰো পথাৰ। এই পথাৰক কেন্দ্ৰ কৰিয়েই লোক-সংস্কৃতিৰ এজোৰা সমৃদ্ধ হৈছে। অসমৰ লৌকিক গীত-মাতৰ জগতখনতো ইয়াৰ প্ৰতিফলন ঘটিছে। তালৈকেজন অসমীয়া আধুনিক গীতিকাৰৰ

গীততো কমবেছি পৰিমাণে ইয়াৰ প্ৰকাশ নঘটাকৈ থকা নাই। কিন্তু প্ৰত্যক্ষ অভিজ্ঞতাৰ আশ্ৰয়ত কাব্যিক আৰু সাংগীতিক প্ৰতিভাৰ সু-সমন্বয় ঘটাই পথাৰকেন্দ্ৰিক গ্ৰাম্য জীৱনৰ স্বৰূপ প্ৰকাশক গীত সফলতাৰে ৰচিবলৈ সক্ষম হোৱা গীতিকাৰৰ সংখ্যা নিচেই কম। এই সকলৰ ভিতৰত প্ৰথমেই মনলৈ অহা নামটো নিঃসন্দেহে ৰুদ্ৰ বৰুৱা, ইয়াত নিশ্চয় দ্বিমত নাথাকিব।

বৰুৱাৰ বিভিন্ন গীতত ঋতুভেদে পথাৰৰ বিভিন্ন বাস্তৱ ছবিৰ বাঙ্ময় প্ৰকাশ ঘটিছে। "পকা ধানৰ মাজে মাজে সৰু সৰু আলি" গীতটো বৰুৱাৰ এটা বিখ্যাত গীত। গীতটোত জাক জাক দাৱনীয়ে ধান কটা আঘোনৰ পথাৰখনৰ চিনাকি ছবিখন দেখা পাওঁ। ধাননি পথাৰৰ সেউজীয়া ঘাঁহেৰে ভৰা সৰু সৰু আলিবোৰ, সুললিত গীতজোৰা বালিমাহীজাক, ধাননিৰ বুকুফালি উৰিযোৱা সৰু সৰু চৰাই জাকৰ স্বাভাৱিক বৰ্ণনাত আমাৰ মন উৰা মাৰে হিমচেঁচা বতাহত হালিজালি থকা, পকাধানে সোণোৱালী কৰি তোলা আঘোনৰ পথাৰখনৰ বুকুলৈ। গীতটোত গীতিকাৰৰ ধানৰ পাতে কাটি তেজ ডোঙা পতা দাৱনীৰ দুখ ধানে হাঁহি হঁহুৱাই নাইকীয়া কৰাৰ সূক্ষ্ম অনুভূতি প্ৰকাশৰ মৰ্মস্পৰ্শী বৰ্ণনাত শিহৰিত হ'ব লগা হয়।

"পথাৰৰ লখিমী গোটাই আনি কামৰ সামৰণি' মাৰিলেই আহি পায় মাঘৰ ভোগালী বিহু। দপদপাই মেজি জ্বলাই ল'ৰাইতে সুৰীয়া গীতেৰে নৈৰ পাৰ উতলা কৰে। ধান চপাই উদং কৰা পথাৰখনৰ প্ৰতি থকা মোহ কিন্তু আঁতৰি নাযায়। ল'ৰাইতে পথাৰত 'হাৰলি ঘৰ' সাজে। মাঘৰ মেজিৰ গীতত ইয়াৰ সুন্দৰ প্ৰকাশ ঘটিছে

পথাৰৰ মাজতে নৰা কাটি কাটি
টুনৰে হাৰলি সাজো
ৰাতিৰ দুপৰত বিহু উঁকি মাৰি
গঞ্জাৰে টোপনি ভাঙো।

মাঘৰ বিহুত গাঁৱৰ ল'ৰাইতে নৰাভৰা পথাৰত হাৰলি ঘৰ সাজি ভোজ-ভাত খাই বিহুৰ উকিৰে ৰং ৰহইচ কৰাৰ পৰম্পৰা মধ্য অসমত এতিয়াও লোপ পোৱা নাই। ভোগালীৰ আনন্দ উৎসৱত অন্যতম উৎসৱ হ'ল ম'হৰ যুঁজবোৰ। 'পথাৰৰ মাজেদি লাহিকৈ বাটেদি' গাঁৱৰ ল'ৰা-ছোৱালী, ডেকা-বুঢ়াই ম'হৰ যুঁজ চাবলৈ ঢাপলি মেলাৰ কথাও বৰুৱাৰ গীতত প্ৰকাশ পাইছে।

পথাৰখনেই কৃষকৰ আশাৰ থলী। ইয়াতেই হালোৱাই হালৰ মুঠিত ধৰি মাটি ফালি সোণৰ চেকুৰা বিচাৰে। লাহি-শালি-সুৱাগমনি কঠীয়াৰে আহাৰৰ পথাৰখন সোণেৰে ভৰপূৰ হয়। ৰোৱনীয়ে ৰুই যায় বিধে বিধে লাহি আৰু শালি। ৰোৱণীৰ হাতত কঠিয়া, চকুত সপোন। 'হাল বাও মই হালোৱা' গীতটোত এই কথা প্ৰতিফলিত এইদৰে-"আহিন

কাতি আহিনত নাচিব মোৰ পথাৰত"। বোকাৰে লুতুৰি-পুতুৰি হোৱা হালোৱাৰ চকুতো ভাহে আঘোনৰ সপোন-"দাৱনীয়ে কাটিব ধান, মাক কাচিয়ে জুৰিব গান কেৰেচ কেৰেচ কৰি"। পথাৰকেন্দ্ৰিক গ্ৰামাঞ্চলীজীৱনৰ স্বৰূপৰ এনে চিত্ৰণেৰে ৰুদ্ৰ বৰুৱাৰ গীত ভৰপূৰ

গীতিকাৰ ৰুদ্ৰ বৰুৱা আছিল এজন সু-গায়ক আৰু সাৰ্থক সুৰকাৰ। এই কথা কোৱাৰ প্ৰয়োজন নাই। নিজৰ অপূৰ্ব গীত সমূহৰ উপৰিও আন গীতিকাৰৰ গীতবোৰো বৰুৱাদেৱে সুৰ সংযোজনেৰে অমৰ কৰি গৈছে। কেশৱ মহন্তৰ ৰচিত খগেন মহন্তৰ সেউজ কণ্ঠত অমৰ হোৱা 'কলৰে পাততে কাউৰী পৰে' গীতৰ সুৰকাৰ আছিল ৰুদ্ৰ বৰুৱা। এটা গীতৰ সাৰ্থকতা নিৰ্ভৰ কৰে সেই গীতৰ উপযুক্ত ভাব আৰু ভাষাক তুলি ধৰিব পৰা সাৰ্থক সুৰ সংযোজনাত। ৰুদ্ৰ বৰুৱা আছিল এই ক্ষেত্ৰত অতিকৈ সজাগ। 'হঁয়োৰা জেতুকীবাই' গীতৰ ভাব আৰু ভাষাৰ লগতে সাৰ্থক সুৰ সংযোজনাৰ ফলতে সেই গীতে শ্ৰোতাৰ অন্তৰ ভৰাই তোলে। সেইদৰে গাৱলীয়া বন্ধু এজনে নগৰীয়া বন্ধু এজনক গাঁৱলৈ আমন্ত্ৰণ জনোৱা গীতটোৰ মাধ্যমেৰে প্ৰকাশ পোৱা করুণ আবেদনত আমাৰ দুচকু সেমেকাই তোলে।

গাৱলীয়া জীৱনৰ সুখ-দুখ, আশা আকাংক্ষাৰ কথাৰে চিত্ৰণেৰে সজীৱ গীতিকাৰ ৰুদ্ৰ বৰুৱাৰ, জনতাৰ হৃদয় সুৰেৰে ভৰাই তোলা সুৰকাৰ ৰুদ্ৰ বৰুৱাৰ, সুকণ্ঠেৰে সহস্ৰ শ্ৰোতাৰ হৃদয়াংগম কৰা সুগায়ক ৰুদ্ৰ বৰুৱাৰ প্ৰকৃত আৰু সাৰ্থক মূল্যায়ন হোৱা নাই বুলি আক্ষেপ কৰিব পাৰি। এই দিশত পুৰণিগুদামৰ "কুঁহিপাত" নামৰ সাংস্কৃতিক সংগঠনটোৱে অসমত প্ৰথমবাৰৰ বাবে ৰুদ্ৰ বৰুৱাৰ গীতৰ কৰ্মশালা অনুষ্ঠিত কৰি নিঃসন্দেহে এক আকৰ্ষণীয় কাম কৰিছে সংগীতৰ সাধক ৰুদ্ৰ বৰুৱা বহুমুখী সাংগীতিক প্ৰতিভাৰ পুনৰমূল্যায়নত ইয়াক এক সুদৃঢ় পদক্ষেপ বুলিব পাৰি।

❖ ❖ ❖

ৰুদ্ৰ বীণাৰ তান

নিকুঞ্জলতা মহন্ত

বৰগীত গাবৰ কাৰণে মঞ্চত উঠিবলৈ ৰবীন্দ্ৰ ভৱনত, সাহস গোটাব নোৱাৰি 'বাপু'দাক ভয়ে ভয়ে সুধিছিলো 'ইমান ওখ, কেনেকৈ উঠিম'? বাপুদাই কৈছিল,- উঠিব লাগিব সেয়াই বৰগীত।

কেতিয়াবা প্ৰসংগক্ৰমে কৈছিল 'আমাৰ বস্তুখিনি অলপ উন্নত কৰিলেই (সাজ-পোচাক আৰু গীত-মাত আদিত) ই সৰ্বভাৰতীয় মঞ্চত স্থান লাভ কৰিবই।

এইজন 'বাপু'দা প্ৰয়াত ৰুদ্ৰ বৰুৱা যাৰ সোঁৱৰণতেই সকলো শেষ হৈ নাযায়। সোঁৱৰণত লুকাই থকা শিল্পীজনাৰ মহান কাৰ্যাৱলী আৰু আঁচনি সমূহক আন্তৰিক উপলব্ধিৰে খোজ কঢ়াই লৈ যোৱাতহে পৰম শান্তি পোৱা যায়।

ৰুদ্ৰ বৰুৱাৰ প্ৰাণৰ ৰন্ধ্ৰে ৰন্ধ্ৰে লুকাই আছিল অসমীয়া লোক সংস্কৃতিৰ প্ৰতিটো দিশ। তেওঁৰ মাতত, গীতত, সুৰত, অভিনয়ত, ব্যক্তিগতভাবে মই তেওঁৰ সান্নিধ্যত আছিলো প্ৰায় তেৰকুৰি বছৰ কাল। সেইকাৰণেই বোধহয় তেওঁৰ প্ৰাণত থকা মানবীয় প্ৰীতি, সংস্কৃতিৰ প্ৰতি থকা আন্তৰিকতাৰ কথা সামান্য ভাবে হলেও হৃদয়ঙ্গম কৰিব পাৰিছিলো। আজি এই নিবন্ধত তেওঁৰ লগত থাকি যিখিনি উপদেশ, আদেশ পাইছিলো তাকে সুঁৱৰি মন শাঁত কৰিবলৈ বিচাৰিছো।

বাপুদাক আমি স্কুলীয়া কালতে লগ পাওঁ। তেতিয়া বাপুদাৰ গীত আমি কব নোৱাৰাকৈয়ে গুণগুণাও – 'কোবোকাৰে দুৰণিতে চাউল হব বালি; কচুপাতত শলাকানি সেয়ে হব চাকি— পানীপোতাত পানী তুলিম দুৰণি ঘাট গঢ়া—অ' টুলটুল অ' বুলবুল অ' সেউজী তৰা; লুকা ভাকু ভাল নেলাগে খেল কইনা দৰা।

দিনটো ঠিক মনত নাই – ১৯৫০ৰ পৰা ৫১ চনৰ ভিতৰৰ কথা। তেতিয়াৰ অসমৰ ৰাজ্যপাল জয়ৰাম দাস দৌলতৰামৰ বিদায় সভা— শ্বিলং ক্লাবত। বিধায়ক শ্ৰীলীলাধৰ কটকীয়ে মোক সেই সভাত উদ্বোধনী 'বৰগীত' গাবলৈ লৈ যায়। পৰোক্ষভাবে তাতো শুনিতে আছিল বাপুদা। শ্ৰীকটকীৰ পৰামৰ্শমতে মই 'গোপিনী প্ৰাণ কাহেনু গেয়োৰে গোবিন্দ' মাহৰ ধনশ্ৰী ৰাগত গাইছিলো। বাপুদাৰ সাহসতে সেইদিনা মই সেই গুৰু গম্ভীৰ সভাত গীত পৰিৱেশন কৰাৰ সাহস গোটাইছিলো। শ্বিলঙৰ 'দেৱ কুমাৰ হল' প্ৰতিষ্ঠাতো ঠিক সেইদৰে অসমীয়া সমাজখন আৰু বাপুদাৰ বৰগুণ স্বীকাৰ কৰিবই লাগিব।

অসমীয়া সংস্কৃতিৰ প্ৰতি থকা গভীৰ প্ৰেমৰ চানেকি আমি ৰুদ্ৰ বৰুৱাৰ গাত অলেখ পাওঁ। বচন ভঙ্গী, বনগীত, বৰগীত, বিহু গুৰি, জিকিৰ, টোকাৰী আৰু লোকগীতত

সমানে পাৰদৰ্শিতা থকা এইজনা শিল্পীয়ে এই সকলোবোৰ সৰ্বভাৰতীয় মঞ্চত থিয় কৰাবলৈ সমৰ্থ হৈছিল।

মহাপুৰুষ শংকৰদেৱৰ সৃষ্টিৰাজি উজনি অসম, মধ্য অসম আৰু নামনি অসমৰ পদ্ধতিৰ স্বকীয়তা ৰক্ষা কৰি একেখন মঞ্চতে পৰিবেশন কৰি এক সমন্বয়ৰ সেতু ৰচনা কৰিছিল ৰুদ্ৰ বৰুৱাই।

আমি এটা কথা প্ৰায়েই লক্ষ্য কৰিছিলো। সেইটো হ'ল তেওঁ অসমৰ সাংস্কৃতিক অস্তিত্ব প্ৰতিপন্ন কৰাত বদ্ধপৰিকৰ। সংস্কৃতি যে জাতিৰ ঐতিহ্য বাহক আৰু যে গতিশীল তাক বুজা যায় তেওঁৰ গীতবোৰ শুনিলে। ৰুদ্ৰ বৰুৱা একেধাৰে গীতিকাৰ, সুৰকাৰ আৰু গায়ক আৰু সেই সুৰ অসমীয়া ডেকা-গাভৰুৰ মন কাঢ়ি নিয়া।

সামাজিক দায়বদ্ধতাই তেওঁক কৰি তুলিছিল মহান গীতিকাৰ, সুৰকাৰ, গায়ক আৰু লগে লগে অভিনেতা। শিপিনীৰ পৰা আৰম্ভ কৰি পথাৰৰ নাঙলত ধৰা খেতিয়কজনলৈকে তেওঁৰ আছিল আকুল আহ্বান - সেই আহ্বানক মানুহে হাত মেলি গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছিল। চৰকাৰী চাকৰিত থাকিও জনগণৰ লগত ইমান ওতঃপ্ৰোতঃভাৱে জড়িত থকা গীতিকাৰ বা সুৰকাৰ বৰ দুৰ্লভ। শিল্পী ৰুদ্ৰ বৰুৱাৰ সাংগঠনিক কৃতিত্বৰ এটা সামাজিক দিশ উল্লেখ কৰিবলগীয়া। তেওঁ নিজৰ বাসস্থানৰ চাৰিওপাশৰ লোকসকলক সামৰি এটা সংস্থা গঢ়ি তুলিব খুজিছিল। ইয়াৰ মাজেদি চৰকাৰী চাকৰিৰ যোগেদি চিনাকি দিয়া তেওঁৰ সাংগঠনিক ভূমিকা প্ৰতিপন্ন হৈছিল। তাৰেই ফলত প্ৰতিষ্ঠিত হৈছিল জুৰ'ড অঞ্চলৰ সামাজিক সাংস্কৃতিক প্ৰতিষ্ঠান 'পাঞ্চজন্য'। 'পাঞ্চজন্য'ত এনে এটা শক্তিশালী পৰিবেশৰ সৃষ্টি হৈছিল যে- সেই সমাজখনে নিচেই কম দিনতে ভালেকেইটা সমাজ সংগঠনমূলক কাম কৰিছিল।

ৰুদ্ৰ বৰুৱাক 'পাঞ্চজন্য'ই সৰ্ব সম্মতিক্ৰমে সভাপতি নিৰ্বাচন কৰিছিল।

ৰুদ্ৰ বৰুৱাই অৱহেলিত; আৰ্থিক ভাবে বাধাগ্ৰস্ত শিল্পীক শক্তি অনুযায়ী সহায় কৰিছিল। গণকলাকাৰ বিষ্ণুপ্ৰসাদ ৰাভাৰ চিকিৎসাৰ কাৰণে অৰ্থ সংগ্ৰহ কৰিবলৈ অসমত প্ৰথম আয়োজন কৰা 'সুৰৰ দেউল' সংগীতালেখ্য ৰূপায়ণ কৰাৰ ক্ষেত্ৰত গুৱাহাটীত পঞ্চাশজনতকৈ অধিক বাদ্যকৰ্মীয়া শিল্পীৰ সমাবেশত ৰুদ্ৰ বৰুৱাৰ ভূমিকা অগ্ৰণী আছিল। বহুতো প্ৰতিশ্ৰুতিপূৰ্ণ সুগায়কক বহু বহু গীতৰ সুৰ দি গাবলৈ দিছিল। এনে সহায় পোৱাসকলৰ ভিতৰত এতিয়াৰ সুপ্ৰতিষ্ঠিত গায়ক খগেন মহন্ত অন্যতম।

এইজনা ৰুদ্ৰ বৰুৱা আমাৰ চকুৰ আঁতৰ হোৱা প্ৰায় ২৩ বছৰেই হ'ল। কিন্তু তেওঁ মানুহজন কি আৰু তেওঁ কি দি গ'ল সি উঠি অহা চাম গণশিল্পী আৰু শিল্পানুৰাগীৰ কাৰণে এক কালজয়ী অনুপ্ৰেৰণাৰ উৎস হৈ থাকিব। ৰুদ্ৰ বৰুৱাৰ সৃষ্টিৰ তাঁৰ ছিঁগি গ'লেও তাৰ অমিয় জোকাৰে অসমৰ মাটি আৰু মানুহৰ হৃদয় অহা দিনবোৰত উদ্বুদ্ধ কৰি ৰাখিব।

❖ ❖ ❖

ARTISTE LUIT KONWAR RUDRA BARUA : AN APPRAISAL

Prafulla Pran Mahanta

The glorious cultural tradition of Assam has inspired a number of great artistes of the state who have delved into this great past and modelled their own works. They have found a place in the hearts of the people of the state Foremost among them is Rudra Barua who through his songs, has preserved the pristine beauty of the Assamese village and folk life for all times Through his songs Barua urged upon the coming generations to build and face the challenges of the future, remembering our glorious traditions, while he stood behind them as a towering inspiration. Not only through his lyrics Shri Barua shone in the cultural firmament of the state. The sweetness of his voice caressed the Bongeets, Borgeets and various other forms of folk and traditional songs

The name of Rudra Barua will always find a place in the cultural life of Assam In the fifties and sixties his name was a rage from one end of the state to the other Never, till his appearance in the cultural field, had any artist, using the essential elements of Assamese life and weaving them around the simplicity of the village, attempted to write songs and lyrics in a language very own and dear to people. His songs never had the flights of high philosophy but were thoughts on joy and sorrow of the simple village folk, their hopes and aspirations. Barua's songs also reflected the hard side of life and the realities of day to day happenings.

Social concern and love for the state and the country also formed an integral part of Rudra Barua's lyrics. Hemanga Biswas, the revolutionary artist had commented that -- "the beauty of a golden voyage lies in the waters of our own land, one need not go to other lands to sail in boats of gold and silver." It was perhaps this glitter that Rudra Barua saw in the gleaming waters of the Luit, (Brahmaputra) that prompted him to preach the love of the state and its people through his songs.

Rudra Barua was born in 1926 at Puranigudam, Nagaon, in a respectable family which faced hard times Having lost his father at the early age of nine, Barua began his schooling at the village school itself His poverty could not come in the way, as the concerned mother insisted that young Rudra Barua carry on with his education. He passed his Matriculation in 1945. To ease the financial position in the household and for the future of his two sisters, Barua took up the job of a road mohurer. However the future held better days. The beginning of his service career also heralded the beginning of his cultural career By then Rudra Barua began performing in various functions in Nagaon town The music and dance of the Sattras of Kohabar had influenced his young mind and with it he began to cultivate and experiment with folk tunes in modern day music Rudra Barua also won the hearts of the stalwart of the Nagaon cultural arena like Chandra Phukan, Sarada Bardoloi and also got a chance to perform with both of them as an actor and a singer. Gradually his popularity as a singer soared and he soon became a household name

In 1948, helped by his uncle Hem Hazarika, Barua landed up in Shillong with a job in the sericulture Department He enrolled himself at the night classes of St Anthony's College and graduated from there in 1951. All this while, he plunged himself into the cultural activities of the town which was then alive and throbbing with cultural activities. Rudra Barua carved for himself a place in the cultural scene at Shillong by his association with the Pracin Kamrup Nritya Sangha, Smt Sankardeb Kristi Kendra, Shillong Kala Parishad, Asom Silpi Samaj (undivided), the Hydari Park Bihu Sanmilan etc

The Shillong Kala Parishad was the heart and soul of Rudra Barua and through this institution he was able to herald a landmark change in presentation of traditional and folk dances, so much so that the Kala Parishad became an institution synonymous with the resurgent cultural scenario of Assam in the fifties The Parishad had names like--Dharmananda Das, Ganesh Phukan, Liladhar Kotoky, Ram Goswami, Dr Chaitanya Hazarika, Bhuban Mohan Goswami, Jibeswar Goswami, Priyadhar Barua, Dhiren Barua, Nabin Mahanta, Promode Barua, Mahendra Hazarika, Bhimkanta Bora, Heramba Bora, Basanta Kalita, Troilokya Khound, Madhab

Bhattacharjee, Roseswar Saikia, Sarada Bhagwati, Krishnamurty Hazarika, Naba Senapati, Dilip Choudhury, Lila Mahanta, Nabin Sharma, Prafulla Pran Mahanta, Ananda Mohan Bhagawati, Khagen Mahanta, Anima Bhattacharyya and others who were in the centre stage of Assam's cultural history. The Kala Parishad had made the Ankiya Bhaonas the modern day stage and had created a storm by staging the Naats --Parijat Haran, Rukmini Haran, Ramayan etc. in various place within and outside the state. Rudra Barua was the guiding spirit behind this and this writer also had no mean contribution to the venture, guided by Jibeswar Goswami. Rudra Barua will always be a revered name in the glorious chapter of Shillong's cultural history.

Rudra Barua's association with the cultural scene of Assam saw him as Director of Cultural Affairs of the Govt of Assam. In this capacity Barua made sincere efforts to preserve the rich folk and cultural tradition of the state. It was during his tenure that saw the establishment of the State Music College, the Jyoti Bharati, the state Art Gallery and the Govt College of Arts & Crafts He also took steps for the preservation and promotion of Sattriya school of music, dance and drama. It was at Barua's initiative that the first Eastern Zonal Cultural meet was held at Guwahati, which provided a forum for cultural exchange and promotion of national integration. The guiding spirit in all these efforts was the then Cultural Affairs Minister Shri Hiteswar Saikia. This writer also had the privilege of being associated with the founding of the Music College and Jyoti Bharati.

Rudra Barua was a great 'talent scout'. He always encouraged cultural talents of the state, picking them up from distant and remote areas and giving them the platform so that the talents could flower. He always gave a patient hearing to something new and shared the mind of a struggling artist trying to break open. The present director of Cultural Affairs was inducted into this Department by Late Barua, when he saw the artist in Shri Ananda Mohan Bhagwati. This writer was attracted to the songs of Rudra Barua in his school days. Later when I made attempts in presenting Ankia Naats in short adaptations Shri Barua encouraged and appreciated my efforts and also helped in improving the musical score. This association led to a close relationship and it was a part of the

exercise when Rudra Barua adopted and experimented with the Ankia Naats for the modern day stage

A discussion on Rudra Barua's music will be a long drawn affair, so let me limit myself to the basics. Barua's songs can be classified into Devotional songs--those which he had composed on the tunes and lyrics of the Ankia Naats and the Kirttana and other traditional music like the Tokarigeets, the Dehbichar geets etc In his modern songs Rudra Barua not only sang of love and romance of the common people but also highlighted problems of serious concern. His songs are also a picture of Assamese cultural life and living beings in the description of dress, jewellery, agricultural life etc. Rudra Barua's Bongeets became very popular as in each song he focussed on life and living -- pastoral and village living. Barua's songs also focussed on the need for all round development of the villages of Assam, wherein the real people of the state lived. Perhaps the most striking feature of Rudra Barua's songs is the simplicity of expression where he composed his songs in words from everyday parlance and usage. which brought the songs closer to the listener. He strove to create a new future on the basis of our glorious traditions, a point to be noted by our present day lyricists.

Dhimik Dhamak Jale (O' Luitot)
Ahare Chakitie Jale and
Poka Dhanor Maze Maze
Saru Saru Ali.

Rudra Barua's main concern was the poor cultivator -- his problems and hopes along with the beauty of nature Rabindranath Tagore through his universal brotherhood also desired the flowering of his motherland. Likewise Rudra Barua wished the uplift of the downtrodden as also his own state

There was a poet of nature in Rudra Barua and so his songs speak of the beauty of nature in the rivers, the birds and the fields. Like Wordsworth-the seasons may come and seasons may go but Rudra Barua will always be a part of Assam's life and living.

Chahoki Vikahur Vin-por Bhangiba
Pahar Voiyamore Dewal Owlibo
Dhone Dhane Opocibo Desh

❖ ❖ ❖

লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ সোঁৱৰণত

অনিমা চক্ৰৱৰ্ত্তী (ভট্টাচাৰ্য্য)
কানাডা

"ইঁয়েৰা জেতুকী বাই
চুলিবোৰ পকালি
দাঁতবোৰ সৰালি
পৰৰ ঘৰে ঘৰে নাম গুণ গাই"।

অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সকলো ৰাইজৰ মাজত পৰিচিত এই গীতটিৰ গীতিকাৰ, সুৰকাৰ, শিল্পী স্বৰ্গীয় ৰুদ্ৰ বৰুৱা। ৰুদ্ৰ বৰুৱা অসমৰ সংস্কৃতি জগতৰ এজন খ্যাতি সম্পন্ন সু-পৰিচিত ব্যক্তি। তেখেতৰ প্ৰতিটো গীতৰ ভাবধাৰা, বিশেষকৈ থলুৱা গাঁৱলীয়া জীৱনক ভিত্তি কৰি ৰচনা কৰা গীতবোৰৰ ভাষা সহজ সৰল সকলোচামৰ লোকৰ বাবে সহজে বোধগম্য। অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা 'ৰুদ্ৰ বৰুৱাৰ গীত' নামৰ পুথিখনৰ প্ৰায় আধাখিনি গীতেই মোৰ পৰিচিত আৰু সৰহভাগ গীতেই মই আকাশবাণী যোগে প্ৰচাৰ কৰিছো, আৰু গ্ৰামোফোন কোম্পানীতো বাণীবদ্ধ কৰিছো আৰু বিভিন্ন ঠাইৰ বিভিন্ন অনুষ্ঠান আৰু বিহু সন্মিলনতো মই ৰুদ্ৰ বৰুৱাৰ গীত গাই দৰ্শকৰ পৰা যথেষ্ট সমাদৰ লাভ কৰি আহিছো। অসম আৰু ভাৰতৰ বাহিৰেও মই ৰুদ্ৰ বৰুৱাৰ গীত গাই কানাডা আৰু আমেৰিকাত যথেষ্ট সুনাম অৰ্জন কৰিছো। মোৰ গৃহস্থ ডঃ ঈশ্বৰ চন্দ্ৰ চক্ৰৱৰ্ত্তীও নিজে এজন ৰুদ্ৰ বৰুৱাৰ গীতৰ প্ৰধান ভক্ত বুলি কব পাৰি, বিশেষকৈ তেখেতৰ গীতৰ থলুৱা অসমীয়া ভাষা আৰু সুৰবোৰ মোৰ স্বামীৰ বৰ প্ৰিয়। মোৰ দেউতা এজন উদাত্ত বলিষ্ঠ কণ্ঠৰ অধিকাৰী আছিল। নিচেই সৰুতে দেউতাই নিজে হাৰমনিয়াম বজাই গধূলি সদায় মোক গান শিকাইছিল আৰু নিজেও বৰ সুন্দৰকৈ একেধাৰে গীত গাব পাৰিছিল। সৰুৰে পৰা এই দৰেই আমাৰ ঘৰখনত এটা সঙ্গীতৰ পৰিবেশত ডাঙৰ হৈ সঙ্গীতৰ প্ৰতি মোৰ আগ্ৰহ জন্মিছিল। দেউতাৰ যোগেদিয়েই মই ৰুদ্ৰ বৰুৱাক লগ পাওঁ। প্ৰকৃততে মোৰ সঙ্গীত জগতত প্ৰৱেশ ৰুদ্ৰ বৰুৱাৰ যোগেদি। মোৰ শৈশৱ অতিবাহিত হৈছিল শ্বিলঙত (এতিয়াৰ মেঘালয়)। সেই সময়ত শ্বিলঙৰ লাবানত "শ্বিলং কলা পৰিষদ" নামৰ এটা অসমীয়া অনুষ্ঠান স্থাপিত হয়, ৰুদ্ৰ বৰুৱা আৰু তেনে কেইজনমান আন প্ৰতিভাশালী লোকৰ দ্বাৰা। শ্বিলং কলা পৰিষদৰ অনুষ্ঠানৰ আৰম্ভণিৰে পৰাই মই তাৰ এগৰাকী নিয়মীয়া শিল্পী আছিলো। ৰুদ্ৰ বৰুৱাই আছিল শ্বিলং কলা পৰিষদৰ ধাই হোতা। শ্বিলং কলা পৰিষদৰ যোগেদিয়ে সেই সময়ত আমি বহুতো অসমীয়া

নৃত্য-নাটিকা আৰু বিভিন্ন গীত মাতৰ অনুষ্ঠানত ভাগ লৈছিলো। সেইদৰে মই ৰুদ্ৰ বৰুৱাৰ যোগেদি গীত শিকিবলৈ লওঁ, আৰু নৃত্য নাটিকাবোৰত নিয়মিতৰূপে গান গাবলৈ লওঁ। অকল নৃত্য নাটিকাই নহয়, শ্বিলং কলা পৰিষদে এখন সঙ্গীত বিদ্যালয়ো তাতে মুকলি কৰি শনি, দেওবাৰে তাতে গীত-নৃত্য আৰু বাদ্যযন্ত্ৰৰ শিক্ষা দিছিল। বিদ্যালয়ত থলুৱা অসমীয়া বনগীত, বিহুগীতৰ শিক্ষা দিছিল ৰুদ্ৰ বৰুৱাই। গতিকে মোৰ সঙ্গীতৰ গুৰু হৈছে ৰুদ্ৰ বৰুৱা। তেখেতৰ ৰচিত গীত সৰহভাগেই মই সেই স্কুলতে শিকো। আৰু সেই স্কুলৰ পৰা প্ৰতি বছৰে আগতে অসমত হোৱা All Assam music conference আৰু music competition বোৰত যোগদান কৰাৰ সুবিধা পাইছিলো আৰু কৃতকাৰ্যও হৈছিলো।

"গুৰি পথাৰতে ঐ
আইহতৰ ওলাতে ঐ
পিলিঙা দন্তুৱাই কিৰিলি পাৰিছে
গাৰ তত নোহোৱা হৈ"

ৰুদ্ৰ বৰুৱাৰ ৰচিত আন এটি জনপ্ৰিয় গীত। এই গীতটি মই এবাৰ All Assam music Competition ত গাই প্ৰথম পুৰস্কাৰ পাইছিলো। এতিয়াও সেই গীতটি মোৰ আৰু মোৰ স্বামীৰ বৰ প্ৰিয় গীত। য'তে ত'তে মোক গৃহস্থই সেইটো গীতেই গাবলৈ কয়। আনকি অসম আৰু ভাৰতৰ বাহিৰতো অৰ্থাৎ কানাডা আৰু আমেৰিকাতো সেই গীতটি দৰ্শকৰ মাজত যথেষ্ট জনপ্ৰিয় হৈছে। ইয়াৰ বাহিৰেও শ্বিলং কলা পৰিষদৰ পৰা আমি বহুতো নৃত্য নাটিকা অসমৰ বাহিৰতো প্ৰদৰ্শন কৰাৰ সুবিধা পাইছিলো।

ৰুদ্ৰ বৰুৱাক মই কেনেধৰণে লগ পাইছিলো আৰু তেখেতৰ পৰিয়াল আৰু ঘৰখনৰ লগত মই কেনেধৰণে জড়িত আছিলো, সেই সকলোবোৰ কথা লেখিবলৈ হ'লে মই এখন সৰু-সুৰা বুৰঞ্জী লেখিব লাগিব, সেই গোটেইবোৰ লিখা সম্ভৱ নহয়। গতিকে তেখেতৰ লগত গান গাই গাই অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ফুৰোতে মোৰ মনত থকা কেইটামান সৰু সৰু ঘটনাৰ কথা ইয়াত উল্লেখ কৰিলো।

প্ৰথমতে মই কব লাগিব শিক্ষক ৰুদ্ৰ বৰুৱাৰ কথা। শিক্ষক হিচাপে তেখেত এজন অতি মৰমীয়াল লোক আছিল। গান শিকাওঁতে তেখেতৰ কোনোদিনে কাৰো ওপৰত খং উঠা মই কেতিয়াও দেখা নাছিলো। হাৰমনিয়ামটো লৈ তেখেতে আমনি নোপোৱাকৈ গীতবোৰ চকু মুদি গাই গৈছিল আৰু তেখেতে গোৱাৰ পিছতে সেই গানটো মোক গাবলৈ দিছিল। সদায় তেখেতে গান গাওঁতে মই এটা কথাই লক্ষ্য কৰিছিলো, তেখেতৰ কণ্ঠত কিছুমান জন্মগত সুকীয়া গীত গোৱাৰ ষ্টাইল আছিল। যিটোক আমি (In born talent) বুলি কওঁ। সদায় তেখেতে নিভাঁজ অসমীয়া গাঁৱৰ অসমীয়া শব্দৰ উচ্চাৰণ প্ৰকৃত ৰূপে কৰি গীতবোৰ গাবলৈ শিকাইছিল। কোনো দিনা হয়তো মই শিকি শিকি

ভাগৰি গৈছো, কিন্তু ৰুদ্ৰ বৰুৱাই গান শিকাই ভাগৰি যোৱা নাছিল। অসমীয়া শব্দৰ উচ্চাৰণ আৰু সুৰৰ ঠাঁচ সম্পূৰ্ণ ৰূপে আয়ত্ত কৰিব নোৱাৰালৈকে তেখেতে এৰি দিয়া নাছিল। এবাৰ নহয় দুবাৰ নহয়, দৰকাৰ হলে একেটা শাৰীকে তেখেতে দহবাৰো গাই গাই শিকাইছিল। তেখেতৰ সেই এৰাব নোৱাৰা আপ্ৰাণ চেষ্টাৰ বাবেই মই আজি অসমীয়া সমাজত এগৰাকী থলুৱা অসমীয়া সুন্দৰ উচ্চাৰণত গীত গোৱা শিল্পী বুলি স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছো। অনাতাঁৰ কেন্দ্ৰৰ যোগেদি মোৰ প্ৰথম গীত পৰিবেশন শুনি ডঃ ভূপেন হাজৰিকাই এইবুলি তেখেতৰ মত প্ৰকাশ কৰি মোক উৎসাহিত কৰিছিল। Sreemati Anima Bhattacharjee is an universally accepted songtress. Her presentation of song is very fine and her intonations perfect; সঁচাকৈয়ে এগৰাকী শিল্পীৰ বাবে সেইটো এটা বৰ ডাঙৰ আশীৰ্বাদ।

১৯৬০ চনৰ এপ্ৰিল মাহ। তেতিয়াও অসমৰ গুৱাহাটীত শৰাইঘাট দলং হোৱা নাই খুটা পুতিছে মাত্ৰ। আমি শ্বিলং কলা পৰিষদৰ পৰা দিল্লীত হোৱা All India Dance Festival ত যোগদান কৰাৰ আমন্ত্ৰণ পাইছো আৰু তাৰ বাবে আখৰাও কৰিছো যথেষ্ট। অসমত সেই সময়ত দূৰদৰ্শন হোৱা নাই। ৰুদ্ৰ বৰুৱাই সেই সময়তে এই গীতটি ৰচনা কৰিছিল ব্ৰহ্মপুত্ৰ দলংৰ ওপৰত।

"ধিমিক ধামাক সৌ জ্বলে অ' লুইতত
আশাৰে চাকিটি জ্বলে
এটি দুটি কৰি খুটা শাৰী শাৰী
পানীতে জিলিকি থাকে অ' লুইতত"।

দিল্লীত সমাৰোহ এসপ্তাহ ধৰি চলিব, ভাৰতৰ বহুতো ঠাইৰ পৰা শিল্পী আহিছে সমাৰোহত যোগ দিবলৈ। আমাৰ নৃত্য নাটিকাখন হ'ব দুদিন। এদিন হিন্দী আৰু এদিন অসমীয়াত। হিন্দী নাটকখনৰ নাম দিয়া হৈছে 'নয়াভাৰত' আৰু অসমীয়া নাটকখনৰ নাম দিয়া হৈছে 'নতুন ভাৰত'। প্ৰথম নিশা আমাৰ 'নয়াভাৰত' নাটিকাখন হিন্দীতে হ'ল। হিন্দীতে হোৱা বাবে ভাৰতৰ বিভিন্ন ঠাইৰ মানুহৰ বুজিবলৈও সুবিধা হল। নিখুত ভাবে আমাৰ নয়াভাৰত পৰিবেশন কৰা হল, সকলো ৰাইজ আহি শ্বিলং কলা পৰিষদৰ শিল্পীবৃন্দক অভিনন্দন জনালে। সেইনিশাৰ নাটকবোৰৰ ভিতৰত আমাৰ নয়াভাৰতে প্ৰথম পুৰস্কাৰ পালে। অসমৰ দল, হিন্দীতে Dance Drama কৰি প্ৰথম পুৰস্কাৰ পোৱাটো তেতিয়াৰ দিনৰ বাবে বৰ ডাঙৰ খবৰ। তাৰ পিছৰ দিনা আহিল ২য় নিশাৰ নাটক 'নতুন ভাৰত' অসমীয়াতে হ'ব। প্ৰথমবাৰ হিন্দীতে নৃত্য নাটিকা কৰা বাবেই নেকি আমি হিন্দী নাটক খনৰ যথেষ্ট আখৰা কৰিছিলো। কাৰণ উচ্চাৰণ আদিৰ কথা আছে, তাতে গীত আৰু নাটকৰ ৰচনাবোৰো হিন্দীতে আছিলে বাবে আখৰাৰো বেচি প্ৰয়োজন হৈছিল।

অসমীয়া গীতবোৰকে হিন্দীতে কৰা হৈছে। মূলতে নাটক একেখনেই। হিন্দী ভাষাত বেচি আখৰা কৰাৰ কাৰণে হিন্দী গীতবোৰ আমাৰ বেচি কণ্ঠস্থ হৈ পৰিছিল। অসমীয়া নাটকৰ দিনা এটা দ্বৈত কণ্ঠৰ গান মই আৰু বৰুৱাচাৰে গাব লাগে অসমীয়াত। গীতটো আছিল এনে ধৰণৰ --

'অন্ধেৰী ৰাহ মে চলে
হাম দো ৰাহ গীৰ'
আৰু একে সুৰৰ একে গীতৰ অসমীয়া শব্দবোৰ আছিল
"এন্ধাৰ পথৰ আমি দুটি
আজি বটৰুৱা"......।

হিন্দীতে বেচি আখৰা হোৱা কাৰণে, আৰু প্ৰথম নিশা হিন্দীতে নাটকখন হৈ যোৱাৰ কাৰণে হয়তো বৰুৱা চাৰৰ মনত ২য় নিশাও হিন্দী শব্দকেইটাই ভুমুকি মাৰি আছিল। গতিকে চাৰে অসমীয়াৰ ঠাইত গীতটো আৰম্ভ কৰিলে এইদৰে - 'অন্ধেৰী ৰাহ মে' মই গাইছো একে কেইটা শব্দকে অসমীয়াত — চাৰে হিন্দী আৰম্ভ কৰা দেখি মই চাবক চৈলা এটা মাৰি গানৰ বহীখন চাৰৰ আগত দাঙি ধৰিছো আৰু চাৰে লগে লগেই আৰম্ভ কৰিছে আমি দুটি আজি বাটৰুৱা বুলি। অৰ্থাৎ চাৰৰ গানটো এই ধৰণে আৰম্ভ হৈছিল, 'অন্ধেৰী ৰাহ মে, আমি দুটি আজি বাটৰুৱা। সেই ৬০ চনৰে আৰু এটা মনত ৰাখিবলগা কথা এইখিনিতে কৈ থোৱা ভাল হ'ব। আগতেই কৈছো সেই সময়ত অসমত দূৰদৰ্শন হোৱা নাই গতিকে আমি দিল্লীৰ তালকোটৰা গাৰ্ডেনত ৰুদ্ৰ বৰুৱাৰ "আশাৰে চাকিটি জ্বলে অ' লুইতত", গানটো দূৰদৰ্শনত পৰিবেশন কৰিছিলো। ৰুদ্ৰ বৰুৱা, খগেন মহন্ত, মই আৰু মোৰ বাইদেউ নীলিমা চক্ৰৱৰ্ত্তীয়ে সমবেত কণ্ঠত সেই গীতটো গাইছিলো। আৰু খগেন মহন্তৰ লগত মই এটা দ্বৈত কণ্ঠৰ গীত 'আমাৰ মৰমসৃতিৰ বুকুত উঠে বান' এই গীতটি দূৰদৰ্শন যোগে ১৯৬০ চনতে দিল্লীত গাইছিলো। আমিয়ে তেতিয়া দূৰদৰ্শনত গীত গোৱা অসমৰ প্ৰথম শিল্পী। ৰুদ্ৰ বৰুৱাৰ যোগদিয়েই এইৰূপ সুবিধা পাওঁ। সেইদৰে আৰু এবাৰ এটা সাধাৰণ ঘটনাৰ কথা মনত পৰিছে। ৰুদ্ৰ বৰুৱা মানুহজন সময়ৰ প্ৰতি বৰ সজাগ আছিল। যিটো কাম যি সময়ত কৰিম বুলি এবাৰ ভাবিব একেবাৰে ঠিক সময়মতে সেইটো কাম হ'বই লাগিব। ৬ বজাত show আৰম্ভ হ'ব বুলি কলে ৬ বজাত আৰম্ভ কৰিবই। লাগে শিল্পীৰ make up হওক বা নহওক। এবাৰ শিলচৰ দেবকুমাৰ দাস মেমোৰিয়েল হলত হোৱা এখন নৃত্য নাটিকাৰ কথা মনত পৰিছে। অতীয়া নাট। অতীয়া নাটৰ আৰম্ভণিত সূত্ৰধাৰে নাটকৰ গোটেই কাহিনীটো দৰ্শকৰ আগত নৃত্যৰ আকাৰে বুজাই দিয়াৰ নিয়ম। সেই দিনাও নাটকৰ আৰম্ভণিতে ৬ বজাত সূত্ৰধাৰ ওলাই নাচ আৰম্ভ কৰিলে সূত্ৰধাৰ আছিল এজনী চশমা পিন্ধা ছোৱালী। সকলো সাজপাৰ পিন্ধি সূত্ৰধাৰে চশমা পিন্ধি তিতৰত বহি আছিল। বৰুৱাচাৰে ডবা, ভোৰতাল, কাঁহ বজাই নাটকৰ আৰম্ভ কৰিলে। সকলোৰে

বেগত সূত্ৰধাৰে পিন্ধি থকা চশমা খুলিবলৈ পাহৰি চশমাৰে সৈতে নাচ আৰম্ভ কৰিলে। চশমা পিন্ধা সূত্ৰধাৰ দেখি দৰ্শকৰ মাজত বৃ-বৃ বা-বা চলিল, ওপৰৰ গেলেৰীৰ পৰা ডেকা ল'ৰাবোৰে চিঞঁৰিবলৈ ধৰিলে। ইয়ে চশমা পিন্ধা সূত্ৰধাৰ, চশমা পিন্ধা সূত্ৰধাৰ। সূত্ৰধাৰে কথাষাৰ গম পাই এবাৰ নাচৰ মাজতে চশমা ভিতৰলৈ দলিমাৰি দিহে ৰক্ষা পৰিল। নাটকৰ শেষত সেইটোকে লৈ বৰুৱা চাৰে কিমান দিন ৰগৰ কৰিলে, সেই কথাবোৰ আজিও মনত পৰে। আৰু এবাৰ সেইদৰে শ্বিলঙৰ কলা পৰিষদৰ পৰা নয়া বাংলা নামৰ ঠাইত ৰামায়ন নৃত্য নাটিকাখন কৰিবলৈ আহিছো। নয়া বাংলা শ্বিলঙৰ পৰা বৰ দূৰ নহয়, কিন্তু ৰাস্তা বৰ অকোৰা পকোৰা। শ্বিলং গুৱাহাটীৰ ৰাস্তাত আগতে প্ৰায় মানুহেই অহা যোৱা কৰোঁতে বমি কৰে। আমি শ্বিলঙৰ পৰা এখন বাছ ভাড়া কৰি নয়াবাংলাত show কৰিবলৈ আহিছো। ৰামায়ন নাটকত সূৰ্পনখা হোৱা ছোৱালী জনীয়ে ৰাস্তাত বমি কৰিবলৈ বাছৰ খিৰিকীৰে মূৰটো বাহিৰলৈ উলিয়াইছে, এনেতে ৰুদ্ৰ বৰুৱাই দেখি লগে লগে খোল বাদকক খোল বজাবলৈ কৈ নিজেও ব্ৰজাবলী ভাষাত নাটকৰ বচন মাতিবলৈ ধৰিলে। আহে সভাসদ লোক। হামোসবৰ নৃত্য পটিয়সী সূৰ্পনখা দেৱীয়ে নৃত্যৰ তালে তালে বমি কৰইছে, তাহেক সাবধানে দেখহ! শুনহ! নিৰন্তৰে হৰিবোল! হৰিবোল! সেইদৰে যদি কোনোবাই বমি কৰিব খোজে তেখেতে সেইদৰে খোল বজাবলৈ ইঙ্গিত দি নিজে ভাওনাৰ বচন মাতি বমি কৰা বন্ধ কৰিছিল। মোৰ বাবে এইবোৰ পাহৰিব নোৱাৰা মূহূৰ্ত।

ৰুদ্ৰ বৰুৱা অসমৰ গুৱাহাটীৰ তথ্য আৰু জনসংযোগ বিভাগৰ Director হৈ কিছুদিন আছিল, তাৰ পিছত অসম সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালকৰূপে চাকৰি কৰিছিল। সেই সময়ছোৱাতে তেখেতৰ লগত মই বহু ঠাইত গীত পৰিবেশন কৰাৰ সুযোগ পাইছিলো। তেখেতৰ অফিচৰ দলৰ লগতে মইও অসম আৰু ভাৰতৰ বিভিন্ন ঠাইত গৈ গীত গাইছিলো। আৰু যি ঠাইলৈকে গৈছিলো সেই ঠাইৰে সেই ভাষাৰ গীত এটা মোক শিকি আয়ত্ব কৰি লবলৈ তেখেতে মোক সদায় সুবিধা কৰি দিছিল। গতিকে মই অসমৰ বাহিৰত অসমীয়া গীত গোৱাৰ উপৰিও প্ৰত্যেক ঠাইৰ ভাষাৰ গীত শিকি নিশালৈ অনুষ্ঠানত সেই গীত গাই সেই ঠাইত বেচ জনপ্ৰিয়তা অৰ্জন কৰিছিলো। সাধাৰণতে কিবা আখৰা কৰিব লগা হ'লে তেখেতে তেখেতৰ অফিচৰ গাড়ীখনেৰে মোক সদায় অনা নিয়া কৰিছিল। তেখেতৰ যোগেদিয়েই মই পাঞ্জাবী, উৰিয়া, তামিল, মালয়ালম, মনিপুৰী আদি বিভিন্ন ভাষাৰ গীত শিকিবলৈ সক্ষম হৈছিলো। এবাৰ তেখেতে মোক অফিচৰ গাড়ীখনেৰে কিবা এটা আখৰাৰ বাবে লৈ গৈছিল। গাড়ীত উঠি দেখো তেখেতৰ লগত আন এজন ভদ্ৰলোক গাড়ীত বহি আছে। মানুহজনে ৰুদ্ৰ বৰুৱাৰ লগতে চাকৰি কৰিছিল। গাড়ী চলাৰ লগে লগে ভদ্ৰলোকে একেধাৰে ইটোৰ পাছত সিটো গীত যেনেকৈ পাৰে ভুলে, শুদ্ধই গাবলৈ আৰম্ভ কৰিলে। মানুহজনৰ কণ্ঠত সুৰৰ স-টোও নাই। চলন্ত গাড়ীৰ ভিতৰত গানৰ আখৰা দেখি বৰুৱা চাৰে মাজে মাজে মোলৈ চাই মিচিক মাচাকৈ হাঁহিবলৈ ধৰিলে। কথাৰ মাজতে এবাৰ ভদ্ৰলোকজনে বৰুৱাচাৰক ক'লে চাৰ আজিকালি

মই বাতিপুৱা, গধূলি সদায় গানৰ সাধনা কৰো। গতিকে মই আজিকালি বহুত গুণগুণাই থকাকে, বহুত দেৰী টানিব পাৰো আৰু মোৰ একেবাৰে মাত নফঁপে। এইবুলি কৈ গুনৈক চাৰ, বুলি এটা বিকট চিঞৰৰ মাৰি অতি বেসুৰাকৈ 'সা' বুলি কৈ ৪০ ছেকেণ্ড মানেৰে 'সা' তে ৰৈ থাকিল, চাৰেও একো নকৈ মনে মনে থাকিল। কিছুদূৰ গৈ ভদ্ৰলোকজন যেতিয়া গাড়ীৰ পৰা নামিলে তেতিয়া ৰুদ্ৰ বৰুৱা চাৰে মোক ক'লে যে 'সা' বুলি কওঁতেই তাঁৰ কঁপে ১০০° ডিগ্ৰী জ্বৰ উঠিলে আকৌ বেছি আজিকালি তেওঁৰ মাতটো নকঁপে বুলি। চাৰৰ কথা শুনি হাঁহিত মোৰ পেটৰ নাৰী ডাল ডাল হৈছিল। ৰুদ্ৰ বৰুৱা মানুহজন বৰ ৰসিক আছিল আৰু সুন্দৰ কৌতুক অভিনয়ো কৰিছিল। কেবাখনো অসমীয়া বোলছবিত তেখেতে অভিনয় কৰিছে।

আৰু এটা দিনৰ কথা। গুৱাহাটীৰ জনতা ভৱনত মই কিবা এটা অনুষ্ঠানত গান গাব লাগে বুলি মোক চাৰ আহি বাতিপুৱা কৈ গৈছিল। অনুষ্ঠানটো কি আছিল মোৰ মনত পৰা নাই। যেই হওক মই সুন্দৰ গুনাৰ বনকৰা পাটৰ মেখেলা চাদৰ পিন্ধি গান গাবলৈ গৈছো। মোৰ লগত সঙ্গত কৰা সহযোগী শিল্পী কিজনৰ ভিতৰত এজনে এটা চামৰাৰ জেকেট পিন্ধি মোৰ লগত মঞ্চত সঙ্গত কৰিবলৈ যোৱাটো চাৰে মুঠেই ভাল পোৱা নাই। তাতে মোৰ মেখেলা চাদৰৰ লগত সেই চামৰাৰ জেকেটটো বৰ অশুৱনী হ'ব। গতিকে মই মঞ্চলৈ যোৱাৰ আগতেই চাৰে মোক ওচৰলৈ মাতি ক'লে যে সেই ল'ৰাটোক মঞ্চলৈ যাওঁতে গৰুৰ চামৰা ছটা সোলোকাই যাবলৈ কবা, তোমাৰ সুন্দৰ পাটৰ সাজযোৰৰ লগত সেই চামৰা ছটা বৰ অশুৱনী দেখিছে। এইবোৰ ৰুদ্ৰ বৰুৱা চাৰৰ সৈতে মোৰ সঙ্গীত জীৱনৰ একো একোটা পাহৰিব নোৱাৰা মুহূৰ্ত।

আৰু এবাৰৰ ঘটনা এটা মনত পৰিছে, আমি দিল্লীত কিবা এটা অনুষ্ঠান কৰি ঘূৰি আহিছিলো। দিল্লীলৈ মোৰ লগত মোৰ মামা স্বৰ্গীয় যাদৱ বৰুৱা সুত্ৰধাৰী নাচিবলৈ গৈছিল। Train ত উঠাৰ সময়ত মামাই মোৰ কাপোৰৰ বাকচটোৰ ঠাইত একেধৰণৰে আন কাৰোবাৰ এটা বাকচ মোৰ বুলি তুলি লৈ গৈ ঘিলং পালেগৈ। ঘৰলৈ গৈ বাকচৰ তলা খুলিব নোৱাৰি দেখো সেইটো মোৰ বাকচ নহয়, একেবাৰে মোৰ বাকচটোৰ সৈতে একে এটা বাকচ মোৰ মামাই লৈ আহিল। তেতিয়াই মই লবালবিকৈ বৰুৱা চাৰক ঘৰলৈ গৈ তেখেতক বাকচৰ কাহিনীটো ক'লো। তেখেতে বাকচৰ খবৰ কৰিব বুলি ক'লে আৰু লগে লগে মামাৰ নামৰ আগত এটা বিশেষণ লগাই ক'লে যে কি ফপৰীয়া guardian তুমি লগত লৈছা, এই ফপৰীয়া guardian ৰ বাবেই তোমাৰ বাকচটো হেৰাল। পিছত অৱশ্যে খবৰ কাঢ়ি কৰি মোৰ বাকচটো পোৱা গ'ল আৰু বাকচটো গৃহস্থক ঘূৰাই দিলো।

ৰুদ্ৰ বৰুৱা চাৰৰ পৰিয়াল আৰু তেখেতৰ ঘৰখনৰ লগত মই ওতঃপ্ৰোতভাৱে জড়িত আছিলো। যি কোনো সময়তে তেখেতৰ সহধৰ্মিনীয়ে মোক তেখেতৰ ঘৰখনত মাতি

পঠাইছিল। তেখেতৰ লগত মই বজাৰ সমাৰ কৰাৰ পৰা বহুত ঠাইত ফুৰা চকাও কৰিছো। তেখেতৰ পত্নী আৰতি বৰুৱা (মই জুনু বাইদেউ বুলি মাতো) বৰ আদৰ্শনীয় মহিলা তেখেতৰ লগত বহি মই ঘন্টাৰ পাছত ঘন্টা বহুত ধৰণৰ আলোচনা কৰি কটাইছিলো আৰু বহুতো দৰকাৰী মই নজনা কথা শিকিছিলো। জুনু বাইদেউ অতি চাফ-চিকুণ, পৰিপাটি মহিলা, আৰু সেইদৰে বাইদেৱে ঘৰখনো অতি পৰিপাটিকৈ ৰাখিছিল। পৰিস্কাৰ-পৰিছন্ন হৈ পৰিপাটিকৈ থকাটোৱেই হৈছে জুনু বাইদেউৰ জীৱনৰ প্ৰথম লক্ষ্য যেন পাওঁ। কেতিয়াবা বাইদেউ ঘৰত নহলে ল'ৰাকিটাৰে সৈতে ঘৰখন চলোৱাৰ ভাৰ চাৰৰ ওপৰতে পৰিছিল। কেতিয়াবা তেনেকুৱা অৱস্থাত মই চাৰৰ ঘৰলৈ গ'লে দেখোঁ বাইদেউৰ অনুপস্থিতত ঘৰখনৰ বহুত চাফা চিকুণৰ কাম চাৰে কৰিছিল। হাতত ধূলি মচা কাপোৰ এখন লৈ ঘৰৰ আচবাব-পত্ৰবোৰ প্ৰায় বাইদেউৰ দৰেই কাপোৰখনেৰে কোবাই কোবাই চাফা কৰিছিল আৰু মই চাৰ, কি কৰিছে বুলি সুধিলে চাৰৰ উত্তৰ আছিল ৰ'বা জুনু হৈছো, জুনু আহি ঘৰখন লেতেৰা দেখিলে কাকো শুদাই নেৰে। আৰু ঘৰত বনকৰা সৰু ছোৱালীজনীক কয় পিটিকি থাকিব নালাগে। ঘৰটো ইমূৰৰ পৰা সিমূৰলৈকে একেবাৰে সোঁ সোঁ কৰে মূচি নে।

চৰকাৰী চাকৰি কৰি থকা অৱস্থাত বৰুৱা চাৰে কিছুদিন গুৱাহাটীৰ চান্দমাৰীত থকা চৰকাৰী Flat ত আছিল আৰু তাতে থাকিয়ে এতিয়া নবীন নগৰত থকা তেখেতৰ নিজা ঘৰটো সাজিছিল। সেই ঘৰ সজাৰ সময়ৰ এটা সৰু ঘটনাৰ কথা কৈছো। যিদিনা তেখেতৰ নবীন নগৰৰ নিজা ঘৰটোলৈ যাব, সেইদিনা ঘৰ লোৱাৰ বাবে অকণমান পূজাৰ আয়োজন কৰিছে। মোৰ মাইতৰ ঘৰ অম্বিকাগিৰি নগৰত। বৰুৱা চাৰৰ ঘৰৰ পৰা খোজকাঢ়ি অহা-যোৱা কৰিব পৰা দূৰত্বত। গতিকে তেখেতৰ ঘৰ লোৱাৰ পূজাৰ বাবে মোক নিমন্ত্ৰণ কৰিবলৈ, তেখেতৰ এজন ল'ৰাক ক'লে । ল'ৰাই দায়িত্ব লৈ কামটো নকৰিলে মানে মোক ঘৰ লোৱাৰ খবৰটো নিদিলে। মই সেইদিনা চাৰে ঘৰ লোৱাৰ কথা একো গম নাপালো। কিন্তু সাপো ওলাল বেঙেও দেখিলে। মই কিবা কামত ওলাই যাওঁতে বাটতে তেখেতৰ ঘৰ লোৱাৰ পৰা উভতি অহা এগৰাকী মহিলাক লগ পালো। মানুহ গৰাকীয়ে মোক দেখিয়ে ক'লে যে কন্দ্ৰ বৰুৱাৰ আজি ঘৰ লৈছে নহয় তাৰ পৰা আহিলো, তোমাক দেখোন তাত নেদেখিলো। মানুহগৰাকীৰ আগত মই একো নকৈ তেওঁৰ পৰা বিদায় লৈ বৰুৱা চাৰৰ ঘৰৰ অভিমুখে ৰাওনা হ'লো। মোৰ মনটো বৰ বেয়া লাগিল, মই গৈ চাৰৰ ঘৰ পোৱাৰ লগে লগে চৰেই মোক সুধিছে মই কিয় ঘৰ লোৱালৈ নাহিলো। বৰুৱা চাৰে মোক কোৱা কথাষাৰ মোৰ আজিও মনত আছে -- চাৰে মোক কৈছিল তুমি কি মানুহ হে, মোৰ ঘৰৰ চাৰ কামতে তুমি থাকা, মই আজি নিজৰ ঘৰটো লৈছো অথচ তুমি নাই। চাৰে বেয়া পোৱা যেন লাগিল, গতিকে মই চাৰক ক'লো চাৰ মই আজি আপোনালোকে ঘৰ লোৱাৰ কথা একেবাৰে গম নাপাওঁ। মোৰ কথা শুনি

চাৰে আচৰিত হৈ ল'ৰাটোক মাতি-আনি কথাবাৰ সুধিলে, তই অনিমাক নামাতিলি কেলেই, তই নোৱাৰিলে মই মাতিবলৈ গ'লো হয় মোক মক'লি কিয়? মই গম পাইছো চাৰে মনে মনে বৰ বেয়া পাইছে আৰু ল'ৰাৰ ওপৰত খংও কৰিছে' মই চাৰক ক'লো হ'ব চাৰ মই আহিলো নহয়। চাৰে মোক ক'লে নহয় অনিমা, তুমি ইয়াক তাৰ ভুলৰ কাৰণে চকুৰ আগত তাক এটা চৰ মাৰা। ল'ৰাই কৈছে মই মাতিবলৈ বুলি ওলাই গৈছিলো, বাটতে বন্ধু এটা পাই পাহৰিলো কিন্তু চাৰে নামানে, আকৌ মোক ক'লে তুমি তাক আজি চৰ এটা মাৰিবই লাগিব, সি ইমান Irresponsible কিয়? মইও হাঁহি হাঁহি চাৰকে দেখুৱাই ল'ৰাটোৰ গালত হাতখন ?

❖ ❖ ❖

লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ গীতত প্ৰগতিশীল ভাবাদৰ্শৰ প্ৰতিফলন

তোষেশ্বৰ চেতিয়া

প্ৰগতিশীলতা হ'ল এক আপেক্ষিক (Relative) ভাবধাৰা। সেয়ে যুগে যুগে ই গতিশীল, পৰিবৰ্তনশীল। আনকি এটা যুগৰ প্ৰগতিশীল ভাবধাৰাই অন্য এটা যুগত প্ৰগতিশীল ভাবাদৰ্শ হেৰুৱাই প্ৰতিক্ৰিয়াশীল হ'ব পাৰে। আদিমকালৰ নিভাঁজ গ্ৰাম্য জীৱনৰ মাটি বালি তেজ-ঘামৰ শ্ৰম জীৱনৰ প্ৰতিফলন ঘটা শ্ৰমজীৱী মানুহৰ জীৱন সুন্দৰ আৰু উদ্দীপিত কৰিবলৈ স্বতঃস্ফুৰ্ত ভাবে সৃষ্টি হোৱা লোক সংস্কৃতি (Folk culture) ৰ ভাবধাৰাক আমি প্ৰগতিশীল বুলিব পাৰো। পিচত শ্ৰেণী সমাজৰ সৃষ্টি হৈ সামন্ত শ্ৰেণীয়ে ধৰ্ম ঈশ্বৰ জন্মান্তৰবাদ আদি আধ্যাত্মিক ভাবাদৰ্শ সাধাৰণ মানুহৰ ওপৰত আৰোপ কৰি যি প্ৰতিক্ৰীয়াশীল উচ্চ সংস্কৃতিৰ (High Culture) সৃষ্টি কৰিলে তাৰ বিৰুদ্ধেও জনজীৱনৰ নিভাঁজ প্ৰতিফলন লোক সংস্কৃতিয়েই প্ৰগতিশীল চিন্তাদৰ্শন আঁকিবয়া ধৰি থাকিল। অৱশেষত ইউৰোপত বিপ্লৱ আৰম্ভ হোৱাৰ পিচত লোক সংস্কৃতি আৰু উচ্চ সংস্কৃতিক খিচিৰি কৰি যি পন্য সংস্কৃতিৰ (Mass Culture) সৃষ্টি কৰিলে সি শাসক-শোষক বেপাৰী শ্ৰেণীৰেই সেৱা কৰি সম্পূৰ্ণভাবে অপসংস্কৃতিৰ অবক্ষয়ী আৰু ক্ষয়িষ্ণু ৰূপলৈ জনজীৱনকো অসুস্থ কৰি পেলালে। তাৰ বিপৰীতে আধুনিক কালৰ যুক্তি বিজ্ঞানৰ ভিত্তিত লোক সংস্কৃতিৰ সময়চোৱা সমলবোৰক বৰ্জন কৰি আৰু লোক সংস্কৃতিয়ে অদ্যাপিও জনজীৱনক অনুপ্ৰেৰিত কৰা সমলবোৰ গ্ৰহণ কৰি সামন্তবাদী পুঁজিবাদী ভাবাদৰ্শ বিৰোধী গণতান্ত্ৰিক ধৰ্মনিৰপেক্ষ মানবীয় আৰু সংগ্ৰামী চিন্তাধাৰাৰ সংস্কৃতিক প্ৰগতিশীল আখ্যা দিব পাৰো।

শিল্প-সাহিত্য-সংস্কৃতিৰ প্ৰগতিশীল ভাবাদৰ্শৰ এনে পটভূমিতেই 'লুইত কোঁৱৰ' ৰুদ্ৰ বৰুৱাক আমি অসমীয়া গ্ৰাম্য সমাজৰ এজন নিভাঁজ 'গীতিপ্ৰাণ শিল্পী' আখ্যা দিব পাৰো। নিভাঁজ অসমীয়া শব্দ আৰু চিত্ৰৰে তেওঁ আমাৰ জাতীয় অনুভূতি আৰু মৰ্যাদাবোধ সাৰ্থকভাৱে গীতত ৰূপায়িত কৰিছে। অসমীয়া কিনন্দীয়া প্ৰকৃতিৰ সাৰ্থক সমাহাৰ ঘটিছে তেওঁৰ ৰচনাতো। পুৰণি দিনৰ গৌৰৱ কাহিনী ৰোমন্থন কৰি বুকুত সাহস আৰু আশা বান্ধি নতুন দিনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ ৰুদ্ৰ বৰুৱাৰ গীতবোৰে অসমীয়া জাতিৰ প্ৰাণত নতুন প্ৰেৰণাৰ সৃষ্টি কৰিছিল।

চন্দ্ৰ প্ৰসাদ শইকীয়াৰ উপৰি উক্ত সঠিক মন্তব্যৰ লগতে ৰুদ্ৰ বৰুৱাৰ গীতৰ সংকলক ৰাম গোস্বামীয়ে ৰুদ্ৰ বৰুৱাৰ সংকলিত ১৮৪ টা গীতক চাৰিটা ভাগত ভাগ কৰিছে যথাক্ৰমে বনগীত, দেশপ্ৰেমমূলক গীত, ব্যৱহাৰিক গীত সা... সংগীত আৰু লৰা-ছোৱালীৰ বাবে ৰচনা কৰা গীত বুলি। আমিও এইবোৰ গীতৰ মাজত নিভাঁজ অসমীয়া লোকজীৱনৰ চিত্ৰ, বানবিধ্বস্ত মানুহৰ দুখ, দেশ আৰু জাতিপ্ৰেম আৰু ধনী গৰীবৰ শ্ৰেণীভেদৰ শোষণক পৰোক্ষ বা প্ৰত্যক্ষভাবে বিৰোধিতা কৰা প্ৰগতিশীল উপাদান ৰুদ্ৰ বৰুৱাৰ গীতবোৰৰ মাজত লক্ষ্য কৰিছো।

ৰুদ্ৰ বৰুৱাই অনেক গীত ৰচনা কৰি আপোন দৰদী কণ্ঠেৰে গালেও তেওঁৰ অসমীয়া লোকজীৱনৰ ওপৰত ৰচিত আৰু লোকমন কঁপাই যোৱা সুৰাৰোপিত গীতবিলাকে আচলতে জনপ্ৰিয় যিহেতু লোক জীৱনৰ নিভাঁজ প্ৰতিফলন ঘটিছে। তেওঁৰ 'পকা ধানৰ মাজে মাজে', 'অ' মইনা চেনাই তোৰ ওঁঠৰ হাঁহি হৰিলে কোনে', 'ইয়েৰা জেতুকীবাই', 'গামোচাৰে আঁচলতে পদুমৰে চকা', 'গছৰ পাতত বিহু আহিল কিহু লাগিল মনত', 'অ' বন্ধু সময় পালে আমাৰ ফালে এপাক আহি যাবা', 'দুখৰেনো বাটটো কেতিয়া পুৰাব', 'আকৌ ফুলিল কপৌ ফুলৰ থোপা', 'আজি মোৰ তোমাক দেখোন নতুন নতুন লাগিছে' আদি গীত সুৰে ভাগাই জন জীৱনৰ অনুভূতিৰে সোণত সুৱগা চৰাইছে।

পকাধানে হালিজালি দাৰ্বনিক কয় আহা বুলি/ দাৰ্বনিয়ে সেৱা জনাই/ ধানৰ গোছত মাৰে মুঠি আৰু ধানৰ পাতে কাটি তেজে তোতা বাকিলেও দুখ নোপোৱা দাৰ্বনিয়ে হাঁহি হাঁহি ইচ্ছাই তোলা চিত্ৰ কোনে মনোৰম চেনাযে গাম খাৰু আৰু ডিঙিৰ মাদলি বন্ধকত দিব লগা দুৰৱস্থাৰ দুখ্যা দৰদী গীতিকাৰ ৰুদ্ৰ বৰুৱাই তেওঁৰ গীতত প্ৰকাশ কৰিছে

হাতৰ গামে খাৰু ডিঙিৰে ঐ মাদলি
ভাত কাপোৰ কিতাপ গোলাত দিলি বন্ধকী
ৰবহে দুচকুৰ কোনে

অৱশ্যে গীতিকাৰে কাক দায়ী কৰিব আৰু কোনেনো চেনাইৰ দুখৰ কথা শুনিব ঠিক কৰিব নোৱাৰি তেওঁৰ দৃষ্টিৰ সীমাবদ্ধতা গীতটিত প্ৰকাশ কৰিছে। তথাপি পৰৱৰ্তী গীতত তেওঁ সাহসেৰে আহ্বান জনাইছে "গাবিৰ তেকা লৰা ওলোৱা ৰবকে। দুইভতে বুৰোদি বেলিটি আনোগে" বুলি। বলিয়া বানে যে অসমৰ কৃষকৰ জীৱনত জীয়াতু ভোগায় সেইকথা উপলব্ধি কৰি কৃষকপ্ৰাণ ৰুদ্ৰ বৰুৱাই অসহায়ভাৱে কান্দিছিল 'এইবাৰলৈ নেবাচিবা/ মোৰ খেতি নেমাৰিবা' বুলি কাবৌ কৰিছে। কৃষক সমাজ যে ঐক্যবদ্ধভাবে মাউৰে উঠিছে দুখৰ অপাৰ জলধিত ৰক্ষা পাব পাৰিব সেই সমাজ সত্যক উপলব্ধি কৰি গীতিকাৰ ৰুদ্ৰ বৰুৱাই সঠিক ভাৱেই লেখিছে —

মাউৰে উঠিব আজি হাজাৰো ওৰি পকাৰ ডাক
সহজ সৰল জীৱন আমাক কথাত সপোন নাই পাক।

ৰুদ্ৰ বৰুৱাৰ 'হঁয়েৰা জেতুকী বাই' এটা কেৱল অসমীয়া গ্ৰাম্য জীৱনৰ নিভাঁজ প্ৰতিফলনেই নহয়, ই তেওঁৰ স্বচ্ছ শ্ৰেণী ভঙ্গীৰো সুন্দৰ শৈল্পিক প্ৰকাশ। পৰৰ ঘৰৰ বিয়া সবাহত নাম গুণ গাই চুলি পকোৱা আৰু দাঁত সৰোৱা, নিজৰ জীয়েকক যমে কাঢ়ি নিওঁতেও নাম গাই কন্দা জেতুকীবাইৰ আনৰ বিয়াত গাবলৈ সাজিকাচি গাত তৎ নাই। পিচে 'চহকী ঘৰলৈ ছাল ছিগা নামতীক মতাৰে ঠিকনা নাই' আৰু 'ৰভাঘৰ গুৱনি জীয়াৰী-বোৱাৰীৰ মাজত তোলৈ ঠাইকে নাই' আপোন দুখকো আঁতৰাই থৈ পৰৰ হিত সাধিব খোজা অসমীয়া নামতী যে চহকী ঘৰৰ বিয়াত লাঞ্চিতা হ'বলৈ গৈছে তাকেই যেন অগ্ৰিমবাৰ্তা সমাজ সচেতন গীতিকাৰে এই গীতটোত দিব খুজিছে। ৰুদ্ৰ বৰুৱা বিজ্ঞানী মনৰো গীতিকাৰ। গতিকে তেওঁৰ পাহোৱাল ডেকাৰ সাহপিত দেখি দেও-ভূত ফালৰি কাটি যায়।

আমাৰ হজুৱা বনুৱাই যে ওৰে জীৱন সুখৰ মৰীচিকা খেদি কেৱল দুখহে পাইছে সেইকথা ৰুদ্ৰ বৰুৱাৰ জ্ঞাত। কিন্তু তেওঁ দুখৰ সাগৰত উটি ভাহি সন্তুষ্ট নহয়। সেয়ে অতদিনে সুখ বিচাৰি হাবাথুৰি খোৱা হজুৱা বনুৱাক মাতিছে "এইবাৰ ওলালো শেনটি বিচাৰি/সুখৰ যি কাঢ়িলে চান'। কাৰণ তেওঁৰ আশা যে 'ফৰকাল আকাশত কপৌ জাকি মাৰি শান্তিৰ জুৰিব গান। ৰুদ্ৰ বৰুৱাই শোষক অপশক্তিক 'শেন'ৰ লগত সুন্দৰকৈ তুলনা কৰিছে।

অসমীয়াৰ বাপতিসাহোন বিহুটি ক্ৰমে বৰতলৰ পৰা নগৰৰ ৰভা-মঞ্চ পোৱাত গ্ৰাম্যপ্ৰাণ লোকগীতিকাৰ ৰুদ্ৰ বৰুৱাই গভীৰ দুখ কৰি লিখিছে –

বৰতলৰ দুবৰিত ভৰি বোলে পিচলে
খোপনি নবহে তাত
কাঠৰ চাঙৰ ওপৰত ঠেলা-হেঁচা নহ'লে
বিহু বিহু নেলাগে গাত।

নিভাঁজ বিহুৰ গভীৰ প্ৰেমীক ৰুদ্ৰ বৰুৱাই ৰভাতলৰ বিহুৰ ভেকোভাওনাক ব্যঙ্গ কৰিলেখিছে -

বঙালীৰে ভেকোভাওনা / চৰিল ৰভাৰ তলত
আচল বিহু ধৰফৰালে কাল / চিকাৰীৰ শৰত।

লোক গীতিকাৰ ৰুদ্ৰ বৰুৱা ভঙা-গঢ়াৰো শিল্পী। সেয়ে শিল্পীৰ খোজত দেখে ধুমুহাৰ গতি, নিশ্বাসত উঠা দেখে জোৱাৰৰ ঢৌ আৰু প্ৰাচীৰ ভঙাৰ বজ্ৰাঘাত –

অ' তোমাৰ এই বজ্ৰাঘাতত / প্ৰাচীৰ ভাঙি পৰিছে
চূৰ্ণ প্ৰাচীৰ অতিক্ৰমি আজি / মানুহ ওলাই আহিছে।

ফুলেশ্বৰ বহুদৈৰ দুখৰ কাহিনীও ৰুদ্ৰ বৰুৱাই লেখিছে। আধিয়াৰ কৃষকৰ দুৰ্দশা

গীতিকাৰে গভীৰ কাৰুণ্যৰে বৰ্ণনা কৰিছে। কৃষকৰে আধি বনুবাৰ খেতি কৰে। ৰহদৈয়ে যোৰে-দাই, লহপহকৈ বাঢি অহা জীয়েক তৰাদেৱে দুখৰ মাজতো আনন্দ দিয়ে। পিচে দিনে-ৰাতি খাটিও লঘোণে থাকিব লগা হৈ অৱশেষত তী ক তৰাদেক এগৰাক ন-হাকিমক বান্দী খাটিবলৈ দিব লগা হোৱাত কৃষকৰ-ৰহদৈয়ে বুকু ভাঙি কান্দে –

চাই চাই ৰহদৈয়ে কান্দে বাউলী হৈ
সুখৰ পঁজাত আন্ধাৰ নামে চিৰদিনলৈ।

সহজ-সৰল গ্ৰাম্য জীৱন – য'ত যান বাহনৰ সুযোগ নাই, আওহতীয়া ঠাই, যেৰ বাহৰ পঁজা, বুদ্ধ-খৰিয়াল চলে, নাঙঠ শিশুৱে খেলে, অশিক্ষিত ল'ৰা ক মানুহ বাস কৰে আৰু খাল-বিলৰ ঘোলা পানী খায়, তাতে চহৰীয়া বন্ধুক এবাৰ মাতি গীতিকাৰে বিশুদ্ধ গ্ৰাম্য জীৱনৰ চিত্ৰ অংকন কৰিছে। কোনোবা বিদ্ৰোহী বন্ধুৰ নীলা খামৰ গোপন চিঠি পঢি লোক সমাজৰ অন্তৰালৰ অনাহাৰী লোকৰ দুখ দৈন্যৰ প্ৰতি জনদৰদী গীতিকাৰৰো সহানুভূতি জাগে আৰু মনত প্ৰতিশোধৰ বহ্নি জ্বলে –

লোক সমাজৰ অন্তৰালত আছে অনাহাৰী।
চিঠিৰে মোক আমন্ত্ৰিছে সহানুভূতি জাগি
প্ৰতিশোধৰ অগ্নিশিখাই মাৰে জপাই পুৰি
যাওঁ আগুৱাই ক'ঁস্কুৰি বাই যুগৰ আহে বাণী।

বানবিধ্বস্ত বৰ্ষাক্ৰান্ত আৰু মেটমৰা ধানৰ ভঁৰাল উদং হোৱা কৃষক সমাজক প্ৰবল আশা দি গীতিকাৰ মন্দ্ৰ কণ্ঠই সান্ত্বনাৰ বাণীৰে লেখিছে 'কৰবুল এদিন, নতাহো কৰিৰ/পুৱাৰে বেলিটো ৰঙাহে ওলাব/নতুন বতৰা লৈ।' কবি গীতিকাৰ মন্দ্ৰ কণ্ঠৰ কণ্ঠত জনতাৰ দুঢ়দূৰ ভীষণ অঙ্গীকাৰ দিয়াৰ, প্ৰতিজনৰে প্ৰাণত দুৰ্বাৰ সাহস দিয়াৰ, মাতৃক লাঞ্ছিতা কৰিলে সহ্য নকৰা আৰু দস্যুৰ অন্ধকাৰতো ম্লান নোহোৱা প্ৰীতি প্ৰকাশ পাইছে -

উদাত্ত আমি যদিহে লাগে/কৰিব ৰক্তস্নান
মাতৃৰ বাবে মৃত্যুবৰণ/আমাৰ কাৰণে স্বৰ্গ।

আমাৰ মহাজনী ব্যৱস্থাত বনুৱাই শ্ৰম কৰি আনক চহকী কৰা, বনুৱাৰ তেজেৰে তেজপিয়া বাঢ়ি যোৱা, সিহঁতৰ বিলাসৰ বাবে বনুৱা সকলেই বলি হোৱা এই জনতাৰ অনিয়মৰ শোষণ বঞ্চনাৰে ভৰা এই শ্ৰেণী সমাজখনৰ প্ৰতি গীতিকাৰ বৰকৈ সচেতন। সেইবুলি এনে শ্ৰম শোষক বিপ্লৱী গীতিকাৰে নিৰ্বিবাদে মানি ল'ব পৰা নাই। সেয়ে তেওঁ উদাত্ত কণ্ঠে ঘোষণা কৰিছে যে নতুন সূৰ্য আজি উদয় হৈছে, হাজাৰ জনৰ সপোনবোৰ ফুলি উঠিছে আৰু বঞ্চিতজনে বুকুভাঙি কৈছে-

কিমান কৰিবা আৰু বঞ্চনা/
নসহো নসহো আৰু লাঞ্ছনা

শ্ৰমিক কৃষক য'ত/ খাটিখোৱা মানুহে/
বজ্ৰমুঠিৰে হাত তুলিছে
গৃহহীন ভূমিহীন/ সহস্ৰজনে আজি/
সপোন দিঠক হোৱা দেখিছে।

স্বদেশপ্ৰেমী গীতিকাৰ ৰুদ্ৰ বৰুৱাই অসমী আইৰ মুখনি উজ্বলাবৰ বাবে দুখৰ ৰাতিটো কেতিয়া পুৱাব বুলি গভীৰ খেদ প্ৰকাশ কৰিছে। ঢালে-তৰোৱালে ৰণুৱা সাজি অসমী আইৰ জীয়াৰীয়ে দেশৰ খিয়াতি ৰাখি জনমভূমিৰ হকে হাঁহি হাঁহি ৰণৰ থলীত প্ৰাণ বলিদান দিব বুলি তেওঁ গভীৰ আশা পোষণ কৰিছে।

কবি-গীতিকাৰ ৰুদ্ৰ বৰুৱা মাটিৰ মোহত আত্মহাৰা। বৰ্ষাৰ বৃষ্টিত শ্ৰমিকে কৰ্ষণ কৰি গঢ়ে আপোন কৃষ্টি। মাটিৰ উৰ্বৰতাই কৃষকক দিয়ে আশাৰ দৃষ্টি আৰু ধাননিত ৰবিৰ দীপ্তিৰে গৰ্বিত কৰে সৃষ্টি। গতিকে মাটিয়েই দিয়ে মানুহক অসীম জীৱনী শক্তি-

জীয়াই ৰাখিছে মাটিয়ে মানুহ/মাটিয়ে জীৱন দাতৃ
সঞ্জীৱনী সুধা ঢালে অনিৰ্বাৰ/আমাৰ ধৰিত্ৰী মাতৃ

শ্ৰমজীৱী সকলে কেৱল কাম আৰু কাম কৰি যায়। বিনিময়ত পায় কেৱল অনাহাৰীৰ অৱহেলা। গতিকে সমাজ সচেতন গীতিকাৰ ৰুদ্ৰ বৰুৱাই সকিয়নি দিয়ে --

হেই হেই হতভগা যাবি সাবধানে
জীৱন যাব উৰি/চকাৰ তলত পৰি।

সবল আশাবাদী গীতিকবি ৰুদ্ৰ বৰুৱা স্বপ্নাতুৰ, নতুন পৃথিৱীৰ কুশীলৱ, নতুন পৃথিৱী গঢ়াৰ আঁচনি তেওঁৰ মনত সৰ্বদাই বিদ্যমান। দীনতাৰ সতে মহাৰণ কৰি তেওঁ বৰণ কৰে পৰাজয়। তথাপি তেওঁ নতুন স্বপ্নৰ অভিসাৰত মতলীয়া --

তথাপিও হাঁয় সপোনকে মই/
যাম এৰি থৈ অনাগত কাললৈ
যুগ যুগ ধৰি মোৰ সপোনেই/
দীনতা কৰিব জয়।

বিপ্লৱী কবি-গীতিকাৰ জ্যোতি প্ৰসাদৰ দৰে গীতিকবি ৰুদ্ৰ বৰুৱাৰ মনৰ দিগন্তত বিকশিত কেৱল অসমৰেই নহয় তেওঁ ভাৰতৰ আৰু সমগ্ৰ জগতৰ। তেওঁ হ'ল মুক্তি প্ৰয়াসী আৰু মৰতত সৰগ ৰচনা কৰাই গীতিকবিৰ পৰম প্ৰত্যাশা --

মই অসমৰ/মই ভাৰতৰ/আমি জগতৰ
মানৱ মুক্তি লক্ষ্য আমাৰ

জনতাৰ সৈন্য হুৱণৰ বাবে আমি
বৰদৈচিলা হৈ আগুৱাওঁ আগুৱাওঁ/গতি দুৰ্বাৰ

ৰুদ্ৰ বীণাৰ তান

মৰতত সৰগ লম আমিয়ে পাতি।

মানুহৰ সমাজত মানুহেই ৰূপকৰূপে মানুহক ঘৃণাৰে চাই থকি প্ৰগতিৰ সাঙলী প্ৰভাতৰ বেলিটো যে স্তব্ধ কৰি ৰাখিছে আৰু মন্দিৰ, মছজিদ, গীৰ্জা, গুৰুদ্বাৰৰ নামত মানুহক যে ভাগ ভাগ কৰি ৰখা হৈছে, সেই কথাও প্ৰগতিকামী গীতিকবিয়ে প্ৰকাশ কৰিছে। গতিকে ধৰ্মৰ এলান্ধু নাতৰালে 'যত জীৱ তত শিৱ' এবং সৰ্বধৰ্মৰ সমন্বয়ো প্ৰতিষ্ঠিত নহ'ব আৰু ধৰ্মশাস্ত্ৰও ভালদৰে বুজা নহব। ফলত সাম্যভাৱো প্ৰতিষ্ঠা নহব।

বিভিন্ন সামাজিক অসাম্যৰে মলিন এই কদৰ্য পৃথিৱীক নিকা কৰাৰ সু-স্বপ্নও শুভকামী গীতিকবি ৰুদ্ৰ বৰুৱাৰ আছে। গ্ৰীষ্মৰ তাপত দগ্ধ হোৱা বসুন্ধৰাক মেঘে সজল ৰসাল কৰিবলৈ গীতিকাৰে বৰ্ষাক মিনতি জনাইছে-

> বৰ্ষামুখৰ শ্ৰাৱণ আকাশ / বৃষ্টিৰ কণা ছটিয়াই
> পৃথিৱীৰ যত পঙ্কিলতাক / দিয়া দূৰলৈ আঁতৰাই

দেশ গঠনৰ নতুন পৰিকল্পনাৰে গীতিকবিৰ চকুত সেউজীয়া সোণ সনা নতুন সপোন। এতেকে গীতিকাৰৰ চকুত প্ৰচণ্ড আশা। নতুন শস্যৰে পথাৰ ভৰি পৰিব, আলি-পদূলিৰে গাওঁখন শুৱনি হ'ব, গাঁৱে গাঁৱে পঢ়াশালি পাতি জ্ঞানৰ বন্তি জ্বলিব, কুটীৰে কুটীৰে শিল্প প্ৰতিভাৰে কাঙালৰ বেশ আঁতৰাই দেশখন নতুন আভাৰে ভৰি পৰিব আৰু এলান্ধুকলীয়া সমাজ গাঁথনি সমবায়মুখী দৃষ্টিৰে ভাঙি পেলাব। গতিকে --

> অলসতা দিয়া দলিয়াই 'হেৰা ভাই
> আহা আগুৱাই
> সমূহ জীৱন গঢ়ো
> এলান্ধুকলীয়া সমাজ গাঁথনি/
> হাজাৰ বলেৰে ভাঙো।

গাঁৱত জন্ম লালিত পালিত হোৱা আৰু গাঁৱতেই শৈশৱ কৈশোৰ-যৌৱন কটোৱা গীতিকাৰ ৰুদ্ৰ বৰুৱাৰ গাঁওখন বৰ প্ৰিয়। তেওঁ অতিকে ভালপোৱা গাওঁখনতেই ওপজি মৰিব খোজে। গাঁৱৰ মিঠামাত, মিঠা সুৰ আৰু মিঠা চেনেহেৰে সেনে তেওঁ আমৃত্যু বিলীন হৈ থাকিব খোজে। সেইবাবেই পৈণত বয়সত মহানগৰত চাকৰি কৰি বাসস্থান নিৰ্মাণ কৰিলেও চহৰৰ কৃত্ৰিমতাত তেওঁৰ দেহ-মন নভৰে। গতিকে বন্ধুৰ কথাকেই শলাগি তেওঁ লেখিছে –

> তোমাৰ কথাই ঠিক/সেয়া মিছা চিকমিক
> চহৰ মাপেন দিনৰ পাহৰ/নিশা জ্বলা জুই
> মিছা মোহত চেনেহ হেৰাই/ আছিলো মই শুই
> মোৰ গাওঁ মই ঘূৰি পাওঁ।

ৰুদ্ৰ বীণাৰ তান

কবি গীতিকাৰ ৰুদ্ৰ বৰুৱাৰ দৃষ্টি সৰ্বদাই নবীন। বিপ্লবী ভাবাদৰ্শতো তেওঁ আপ্লুত। তেওঁৰ শ্ৰেণী দৃষ্টিভংগীও প্ৰখৰ। সেয়ে জনতাৰে শত্ৰু শোষক শ্ৰেণীক নিপাত ধ্বনিও তেওঁৰ গীতত জ্যোতিস্মান --

নতুন যুগৰ আমি তৰুণ নবীন/
পুৰণি অসম আমি নকৈ গঢ়িম
সৰু বৰ জাতি ভেদ দুখীয়া ধনী/
মোহাৰি গঢ়িম মোৰ অসমখনি
অতীত কিৰীতি আমি ফিৰাই আনিম/
পুঁজিপতি শোষকৰ কৰিম নিপাত
বহুৱাম মৰততে সৰগৰ হাট/
একতাই শক্তি আমাৰ
আমি বিপ্লবী/ বিপ্লৱৰ আমি মূৰ্ত প্ৰতীক।

এনেদৰে নিভাঁজ লোকগীতৰ ৰুদ্ৰ বৰুৱাৰ ৰাম গোস্বামীয়ে 'বনগীত' আখ্যা দিয়া গীতবোৰত অসমীয়া লোক সংস্কৃতি আৰু গ্ৰাম্য জীৱনৰ নিখুঁত আৰু অনাঘ্ৰাত ছবি দেখিবলৈ পাওঁ। আজি ক্ৰমে হেৰাই যাব ধৰা নৈসৰ্গীক প্ৰকৃতি, বিশুদ্ধ গ্ৰাম্য অভিব্যক্তি আৰু লোক সংস্কৃতিৰ অকৃত প্ৰতীতি ৰুদ্ৰবৰুৱাৰ বনগীতবোৰৰ অমূল্য সম্পদ। সেইবোৰে আমাকো অতীত বিভোৰ আৰু স্মৃতিগন্ধা কৰি তোলে আৰু হেৰাব ধৰা অতীত অসমক আমাৰ সম্মুখত সজীৱ কৰি তোলে। ৰুদ্ৰ বৰুৱাৰ কাহিনী গীতবোৰত দৰিদ্ৰ কৃষক বনুৱাৰ দুৰ্দশা আৰু তেওঁলোকৰ ওপৰত ধনী মহাজনৰ অত্যাচাৰ তথা বলিয়া বানৰ উপদ্ৰৱৰ করুণ তথা দৰদী বৰ্ণনা সজীৱ হৈ পৰিছে। তেওঁৰ আধুনিক গীতবোৰ সমাজ সচেতনতা, শ্ৰেণী দৃষ্টিভংগী আৰু সবল আশাৰে প্ৰোজ্জ্বল হৈ উঠিছে। নতুন সমাজ আৰু পৃথিৱী গঢ়াৰ সু-স্বপ্ন আৰু এনে মহতী কাৰ্যত শ্ৰমিক কৃষকৰ মুখ্য অৱদানৰ সম্পৰ্কেও গীতিকবি সচেতন। গীতিকাৰ বৰুৱা কেৱল আধুনিক সমাজৰ নিৰ্মম বৈষম্যৰ কথা কৈয়েই ক্ষান্ত থকা নাই, তেওঁ শোষিত বঞ্চিত জনতাক শোষক-প্ৰৱঞ্চকৰ বিৰুদ্ধে সংগ্ৰামৰ বাবে আহ্বান জনাই শ্ৰেণী দ্বন্দ্বৰ চেতনাৰো পৰোক্ষ ভাৱে প্ৰকাশ কৰিছে। মুঠতে প্ৰগতিশীল ভাবাদৰ্শৰ প্ৰায় সকলোবোৰ উপাদানেই লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ গীতবোৰত বিদ্যমান। চৰকাৰী চাকৰিত ব্যস্ত থাকিও ৰুদ্ৰ বৰুৱাই অনাঘ্ৰাত প্ৰকৃতি তথা গ্ৰাম্য সমাজ আৰু পুঁজিবাদী সামন্তবাদী সমাজৰ অমানৱীয়তাৰ সম্পৰ্কে উন্নত চেতনা তেওঁৰ গীতবোৰত পৰিস্ফুট কৰিব পৰাটো তেওঁৰ এক বিশেষ কৃতিত্ব।

❖ ❖ ❖

ৰুদ্ৰ বৰুৱা ছাৰৰ সোঁৱৰণত

দীপালী দাস

জানুৱাৰী মাহৰ পোন্ধৰ তাৰিখ। ৰুদ্ৰ বৰুৱা ছাৰক আমি থবলৈ গৈছিলো গুৱাহাটী এয়াৰপোৰ্টত। যাত্ৰা আছিল ভেলোৰলৈ। হাঁহি হাঁহি হাত জোকাৰি যেতিয়া আমাৰ পৰা বিদায় লৈ প্লেনত উঠিছিল-তেতিয়া খন্তেকৰ বাবেও আমাৰ মনলৈ অহা নাছিল যে সেই বিদায় আছিল শেষ বিদায়।

অসমৰ চুকে-কোণে সিঁচৰিত হৈ থকা অসমীয়া সংস্কৃতি চালি-জাৰি পতি লগাই দেশ-বিদেশত প্ৰচাৰ কৰা ব্যক্তিজনেই হ'ল ৰুদ্ৰ বৰুৱা। এক কথাত ছাৰ আছিল অসমীয়া সংস্কৃতিৰ মেৰুদণ্ডস্বৰূপ। ছাৰৰ অৱদান বা প্ৰতিভাৰ বিষয়ে কৈ শেষ কৰিব নোৱাৰি। মাত্ৰ মোৰ ব্যক্তিগত জীৱনত ছাৰক কেনেদৰে পাইছিলো সেই বিষয়ে লিখিবলৈ ওলাইছো।

১৯৬৫ চন। দেউতাৰ ওচৰত মোৰ দায়িত্বৰ বাবে অনুমতি লৈ প্ৰচাৰ বিভাগৰ সাংস্কৃতিক শাখাৰ শিল্পী হিচাপে নিযুক্তি দিয়ে। তেতিয়াৰ পৰাই ছাৰক আমি প্ৰচাৰ বিভাগৰ উপ-সঞ্চালক হিচাপেই নহয়, এজন ঘৰুৱা অভিভাৱক হিচাপেও পাই আহিছো। ছাৰৰ মিঠা মাত-কথাই, সজ ব্যৱহাৰে মোক ভাবিবলৈ বাধ্য কৰাইছিল যে সচাকৈয়ে ছাৰ আমাৰ পিতৃতুল্য।

প্ৰথমৰ পৰাই মই লক্ষ্য কৰিছিলো যে যি কোনো কামকে ছাৰে অতি নিষ্ঠাৰে কৰে। মোকো সদায় কৈছিল 'ডিউটি ফাৰ্ষ্ট' প্ৰথমে কাম কৰা। আমাৰ নৃত্যৰ আখৰাত ছাৰে অতি গুৰুত্ব দিছিল। সদায় লক্ষ্য কৰিছিল আমাৰ সকলোৰে মুখ, হাত-ভৰি একেদৰে সঞ্চালিত হৈছে নে নাই। কাৰোবাৰ ভুল হ'লে নিজে ঠিক কৰি দিছিল। নাচ শুদ্ধ নোহোৱা পৰ্যন্ত আমাক এৰি নিদিছিল। অফিচতে খোৱা-বোৱাৰ ব্যৱস্থাও কৰি দিছিল। সত্ৰীয়া নৃত্যৰ ওপৰত গুৰুত্ব বেছি দিছিল আৰু এই নৃত্যৰ বহুল প্ৰচাৰৰ বাবে যথেষ্ট কষ্টও কৰিছিল।

এটা কথা মোৰ এতিয়াও মনত পৰে। এবাৰ এখন নৃত্য-নাটিকাৰ আখৰা কৰি থাকোতে ছাৰে কেইবাবাৰো কোৱা সত্বেও মই নৃত্যৰ পদচালনা কৰিব নোৱাৰি ভাগৰি পৰিছিলো। অৱশেষত মোৰ অৱস্থা দেখি কৈছিল-'দেওবাৰে মোৰ ঘৰলৈ যাবা'। ছাৰে নিজে ঘৰত নাচি দেখুৱাই মোক কৈছিল "এই সাধাৰণ কথাটোকে তুমি বুজি পোৱা নাই। অফিচত মোৰ নাচিবলৈ অসুবিধা হয়।" সঁচাকৈ মই বৰ আনন্দিত হৈছিলো যে ছাৰে আমাক শিকাবৰ বাবে ইমান আগ্ৰহ কৰে।

মোক নাচৰ লগতে গান শিকাবৰ বাবে কৰা চেষ্টাৰ কথা মনত পৰিলে মোৰ এতিয়াও হাঁহি উঠে। ঘৰত হাৰমণিয়ামৰ সন্মুখত থিয় কৰাই মোৰ লাজ ভাঙিবৰ বাবে পৰিয়ালৰ প্ৰত্যেককে আনকি ঘৰৰ কাম কৰা ছোৱালীকো গান গোৱাইছিল।

আমি শিল্পীৰ দলটি 'টুৰ'লৈ গ'লে, বিশেষকৈ আমাৰ ছোৱালী কেইগৰাকীৰ থকা-মেলা, খোৱা-বোৱাৰ বিশেষ যত্ন লৈছিল। বাটতে যাওঁতে গানৰ সুৰ দি আমাক গোৱাই নিছিল। ৰসিক ছাৰে নানাধৰণৰ খুহুতীয়া কথা কৈ আমাক আমনি নলগাকৈ নিছিল। পায়সৰ চৰুটোৰ শেষৰ লাগি থকা অংশ কেনেকৈ চেলেকি খাব লাগে, বিলাহীৰ টেঙা আঞ্জাত ধনিয়া দি কেতিয়া কেঁচা জলকীয়া ফালি দিব লাগে ইত্যাদি কথা কৈ ৰেলত আমাক লোভ লগাই যায়। বাটত যাওঁতে কোন মানুহে কেনেকৈ কথা কয় আদি ভাও দেখুৱাই আমাক হহুঁৱাইছিল। এটা কথাত মই বৰ আচৰিত হৈছিলো, ছাৰে কোনো এটা কথা কাৰোবাক সুধিলে তাৰ উত্তৰ কি হ'ব পাৰে আগতেই কৈ দিব পাৰিছিল। এইটো সম্ভৱ ছাৰৰ অভিজ্ঞতাৰ নিদৰ্শন।

ছাৰৰ জনপ্ৰিয়তাও মন কৰিবলগীয়া। ছাৰৰ অনুপস্থিতিত গাৱেঁ-ভূঞে সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰিবলৈ গ'লে ৰুদ্ৰ বৰুৱাৰ শিল্পী দল বুলি আমি বিশেষ সন্মান পাইছিলো। এবাৰ আমি ৰেলেৰে লামডিঙলৈ যাবলৈ ওলাইছো। ষ্টেচন পাই গম পালো ৰেলৰ সময় পলম আছে। ছাৰে ষ্টেচনতে থাকি আমাক গাড়ীৰে ঘৰাঘৰি পঠিয়াই দিলে ভাত খাই আহিবলৈ বুলি। কিন্তু অলপ সময়ৰ পাচতে ৰেল আহি পোৱাত ষ্টেচন মাষ্টৰক কৈ ৰেল ৰখাই আমাক আকৌ ঘৰৰ পৰা লৈ আহিল। ইমানেই আছিল ছাৰৰ জনপ্ৰিয়তা।

সময়ৰ মূল্য কি ছাৰৰ জৰিয়তে উপলব্ধি কৰিছিলো। সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হোৱাৰ প্ৰায় দহ মিনিট মানৰ আগতে ছাৰৰ গ্ৰীণ ৰুমত প্ৰৱেশ। এমুখ হাঁহিৰে সদায় এটাই প্ৰশ্ন হ'লনে? 'হ'লনে' প্ৰশ্নৰ গুৰুত্ব দি আমিও সদায়েই আগতীয়াকৈ সাজু হৈছিলো। ছাৰে মোক সদায় কৈছিল "শিল্পী সদায় 'বিফোৰ টাইম'ত সাজু হব লাগে।"

ঘৰুৱা জীৱনত মই হৈ পৰিছিলো ছাৰৰ পৰিয়ালৰে এজন। ছাৰৰ ঘৰখনেই আছিল শিল্পীমুখৰ। সেইবাবে ছাৰৰ লগত নানা ঠাইলৈ গৈ নাচ আদি শিকা মোৰ পক্ষে সম্ভৱ হৈ পৰিছিল। অসমৰ চুকে-কোণে সিঁচৰতি হৈ থকা নৃত্য সমূহ শুদ্ধ ভাৱে শিকি আহি বাইজৰ আগত দেখুৱাৰ সুযোগ পাইছিলো ছাৰৰ জৰিয়তে। সত্ৰীয়া নৃত্য, দেৱদাসী, দেওধনি নৃত্য আৰু নানান লোক নৃত্য সমূহ বিভিন্ন ঠাইলৈ নি মোক শিকোৱাৰ ব্যৱস্থা কৰি দিছিল। এনে ধৰণৰ অসমৰ প্ৰসিদ্ধ নৃত্য সমূহ মই শিকি উঠাৰ পাচত, কেৱল যে অসম বা ভাৰতৰ বিভিন্ন ৰাজ্যতহে পৰিবেশন কৰাইছিল এনে নহয়, আনকি ১৯৭৫ চনত সুদূৰ ইন্দোনেচিয়াতো আমি 'ৰামবিজয় নাট' সত্ৰীয়া নৃত্য আৰু বিহু নৃত্য প্ৰদৰ্শনৰ

সুযোগ পাইছিলো। মোৰ নৃত্য চৰ্চ্চাত ছাৰৰ কি অনুপ্ৰেৰণা সিয়েই মোৰ জীৱনৰ আশীষ স্বৰূপ। মোৰ ওপৰত তেখেতে যি ধৰণে আস্থা ৰাখিছিল ঠিক একে ধৰণে আমাৰ ঘৰৰ অভিভাৱক সকলেও তেখেতৰ ওপৰত সম্পূৰ্ণ দায়িত্ব এৰি দিব পাৰিছিল বাবেই হয়তো আমি আজি বহুতো কথা শিকাৰ বা দেখাৰ সুবিধা পালো। এনেকুৱা ঘৰৰ পৰা তেখেতে একোগৰাকী শিল্পীক (বিশেষকৈ ছোৱালীক) বাইৰৰ আগলৈ উলিয়াই আনিছিল। প্ৰত্যেক গৰাকীয়ে যাতে নিজ নিজ সন্মান, পৰিয়ালৰ সন্মান নিখুঁত ৰাখিব পাৰে, সেই বিষয়েও সদায়েই সজাগ আছিল।

ছাৰৰ অকাল বিয়োগত অসহনীয় বেজাৰৰ মাজতো পৰে পৰে কেৱল এনে ধৰণৰ কথাবোৰেই মনলৈ আহি তেখেতক বেছিকৈ জীৱন্ত কৰি তুলিছে।

❖ ❖ ❖

বিহংগম দৃষ্টিত ৰুদ্ৰ বৰুৱা দেৱৰ গীতৰ বৈশিষ্ট্য

ফণীন্দ্ৰ নাথ গায়ন

নগাঁৱৰ গীতিকাৰ ˙ কমলানন্দ ভট্টাচাৰ্য্য, ˙ মলিন বৰা, ˙ দুৰ্গা প্ৰসাদ ভূঞা আদিয়ে গীতি সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই যোৱাৰ দৰেই নগাঁও জিলাৰ পুৰণি সদৰ ঠাই পুৰণিগুদামৰ কলংপৰীয়া গীতিকাৰ লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা দেৱৰ গীতি সাহিত্যই অসমীয়া সঙ্গীতৰ ইতিহাসত এক সন্মানীয় আসন লাভ কৰি আছে। তেওঁৰ গীত সমূহৰ মাজত সোমাই আছে অসমীয়া জন-জীৱনৰ বহুতো মূল্যবান সম্পদ। অসমীয়া বনগীত, লোকগীতৰ মনোমোহা সুৰ, অসমৰ গাঁৱৰ মানুহৰ অন্তৰ ভেদি ওলোৱা অকৃত্ৰিম কথা আৰু গীতিকাৰৰ অন্তৰৰ পৰা নিগৰি ওলোৱা সহজ-সৰল প্ৰাণৰ ভাষাই এই গীত সমূহ সমৃদ্ধ কৰিছে।

"পকা ধানৰ মাজে মাজে সৰু সৰু আলি", "তাঁতৰ দোৱে পতি চলাই ঘনে পতি", "অ' মইনা চেনাই তোৰ ওঁঠৰ হাঁহি হৰিলে কোনে" আদি গীত সমূহৰ মাজত গীতিকাৰজনৰ অসমৰ গাঁৱৰ লগত থকা আন্তৰিক আৰু অকৃত্ৰিম সম্পৰ্কৰ কথা সুন্দৰকৈ প্ৰকাশ হৈছে। এই গীত সমূহে অসমৰ গ্ৰাম্য জীৱনৰ এখনি অনিন্দ্য সুন্দৰ দৃশ্য মানুহৰ আগত ডাঙি ধৰে। গাঁৱৰ বোকা মাটিৰ লগত সম্পৰ্ক নথকা, বৈঠক খানাত বহি কোনো গীতিকাৰে এনে গীত ৰচনা কৰিব নোৱাৰে।

পুৰণিগুদামৰ কলঙৰ পাৰৰ ভীমৰ গাঁৱত ১৯২৬ চনত জন্মলাভ কৰি "কলঙৰ কানৰে কহুৱা কিজুপি"ৰ লগত সখিত্ব পাতি শৈশৱ অতিক্ৰম কৰি "কলঙৰ চৰতে খাইনো বালি ভাতে" বুলি আমাৰ গাঁৱৰ মাটি-পানীৰ লগত জীৱনৰ সম্পৰ্ক স্থাপন কৰি অসমৰ লোক-সংস্কৃতি আৰু লোক-সাহিত্যৰ লগত নিবিড় সম্পৰ্ক স্থাপন কৰি বৰুৱাদেৱে জীৱনত যি পৰিবেশ লাভ কৰিছিল সিয়ে তেওঁক গীত সমূহ ৰচনাত বিশেষ সুযোগ দিছিল। ভূমি আৰু ভূমাৰ লগত থকা নিবিড় সম্পৰ্কই তেওঁৰ সৃষ্টি কৰ্মৰ মূল আধাৰ বুলি ক'ব পাৰি। গাঁৱৰ সৌন্দৰ্য্য আৰু গাঁৱৰ পৰিবেশৰ প্ৰতি শ্ৰদ্ধাশীল গীতিকাৰজনে এটি গীতত লিখিছে-

"অ'মোৰ ওপজা ঠাই
অ' মোৰ চেনেহী আই

তোৰ বুকুৰ উন্মত্ত
ডাণ্ডৱ দীঘলৈ হ'লো
তোৰে বুকুত হ'মে শেষ।"

অকল লোক-সংস্কৃতি অথবা লোকগীতৰ পৰম্পৰাই যে তেওঁৰ সৃষ্টিশীলতাক অনুপ্ৰাণিত কৰিছিল এনে নহয়, অসমীয়া আধুনিক গীতিকাৰ সকলৰ অন্য এক আদৰ্শ আছিল বঞ্চিত-লাঞ্ছিত জনৰ মুক্তিৰ হকে গীতেৰে সংগ্ৰাম কৰাৰ সংকল্প। জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ, ড° ভূপেন হাজৰিকা, শ্ৰীকেশৱ মহন্ত আদি প্ৰখ্যাত গীতিকাৰ সকলে গণ মুক্তিৰ কাৰণে গীতক অস্ত্ৰ হিচাপে গ্ৰহণ কৰিছিল আৰু আমাৰ ৰুদ্ৰ বৰুৱা দেৱো সেই আদৰ্শৰদ্বাৰা অনুপ্ৰাণিত হৈ বহুতো গীত ৰচনা কৰিছিল।

সমাজত সদায় দুষ্ট শ্ৰেণীৰ মানুহ থাকে। এক শ্ৰেণীয়ে শোষকৰ ভূমিকাৰে শোষিত, নিস্পেষিত সকলক সদায় শোষণ কৰি সেই সকল লোকৰ শান্তি বিঘ্নিত কৰি আহিছে। গীতিকাৰ ৰুদ্ৰ বৰুৱা দেৱে সমাজত সেই ৰঘুমলা সমূহক চিনি থকাৰ কাৰণে আহ্বান জনাইছে এনেদৰে "আজি অতদিনে সুখকে বিচাৰি/ হজুৰা বনুৱা খালো হাবাথুৰি সুখৰো নাপালো ঘ্ৰাণ/এইবাৰ ওলালো শেনটি বিচাৰি/ সুখৰ যি কাঢ়িলে চান।"

সমাজৰ ভৱা গব্য নেতা সকলে সদায় প্ৰতিশ্ৰুতি দিয়ে। প্ৰতিশ্ৰুতিৰ ফুলজাৰি মাৰি জনসমাজক ভুৱাৰে ভুলাই থকা নেতাসকলৰ কাৰণেই সমাজত বৰ্তমানে অশান্তি। সেই নেতা সকলৰ স্বৰূপ উপলব্ধি কৰি ৰুদ্ৰ বৰুৱা দেৱে লিখিছে –

"মিঠা মিঠা কথা তুমি কিমান শুনালো/আশাৰে বৰ্তীন ছবি ক'ত তুমি দাঙি ধৰিলা/আটাইবোৰ ফুটুকাৰ ফেন/ ভৈয়াই তোমাৰ চটি ঠেং।"

অসমৰ জনসাধাৰণৰ ওপৰত গীতিকাৰৰ আছে গভীৰ বিশ্বাস। কাৰণ বিবোধ মানুহৰ লগত তেওঁ শৈশৱ আৰু কৈশোৰ অতিক্ৰম কৰিছিল। সেইসকলৰ অসীম শক্তিৰ কথা তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰিছিল। শোষণ ৰক্তনাই হাড়হাড় বেকা কৰিলেও জনসাধাৰণৰ শক্তিক কিন্তু শেষ কৰিব নোৱাৰে কাৰণ মানুহৰ শক্তি অপৰাজেয়। শ্ৰমিক কৃষকৰ অপৰাজেয় শক্তিৰ ওপৰত থকা বিশ্বাসৰ কাৰণে তেওঁ লিখিছিল –

"শ্ৰমিক কৃষক য'ত/খাটি খোৱা মানুহে / বজ্ৰ মুঠিৰ হাত তুলিছে/ গৃহহীন ভূমিহীন/ সহস্ৰজনে আজি সপোন দিঠক হোৱা দেখিছে।"

দেশৰ বঞ্চিত সকলক "শক্তিৰে উভালি পেলোৱা দুৰ্নীতি দুৰাচাৰ" বুলি আহ্বান জনাই তেওঁলোকৰ পক্ষ অৱলম্বন কৰি গীতিকাৰে দৃঢ়ভাৱে লিখিছে "আমি জনতাৰ দৃঢ়কুত দিম/ভীষণ অঙ্গীকাৰ/ প্ৰতিটি প্ৰাণত জাগ্ৰত কৰি, সাহস দুৰ্বাৰ।"

গীতিকাৰে সাধাৰণ মানুহৰ হৃদয়ত যি সাহস যোগান ধৰিছে সেই সাহসৰ ওপৰতে

নির্ভৰ কৰিছে এখন শোষণহীন সমাজ প্রতিষ্ঠাৰ সপোন বাস্তৱত পৰিণত হোৱাৰ লক্ষ্য। তেওঁ দেখিবলৈ পাইছে বাধাৰ প্রাচীৰ ভাঙি জাগ্রত জনসাধাৰণে এদিন এখন নিকা সমাজ গঠন কৰিবই --

"তোমাৰ খোজত দেখিছো মই / ধুমুহাৰ গতি/জোৱাৰৰ ঢৌ উঠিছে / নিশ্বাসে প্রতি / অ' তোমাৰ এই বজ্রাঘাতত / প্রাচীৰ ভাঙি পৰিছে / চূর্ণ প্রাচীৰ লঙিঘ আজি / মানুহ ওলাই আহিছে।"

আমাৰ আশা ৰুদ্ৰ বৰুৱা দেৱে যি "মানুহ" ওলাই অহাৰ কথা কৈছে সেই মানুহ সঁচায়ে ওলাই আহি সমাজখন এক নতুন ৰূপেৰে গঢ়ি তুলিব আৰু সেয়ে হ'ব গীতিকাৰজনৰ প্রতি প্রকৃত শ্রদ্ধাঞ্জলি।

❖ ❖ ❖

অগ্ৰজ জীতেন হাজৰিকাৰ স্মৃতিৰ কোঠাত 'বাপু'ৰ ল'ৰালিৰ দিনবোৰ

পবিত্ৰজ্ঞান কলিতা

'বাপু' ৰুদ্ৰ বৰুৱাৰ এক পৰিচিত নাম। ডাঙৰ সকলৰ বাবে মৰমৰ 'বাপু'; সৰু সকলৰ বাবে শ্ৰদ্ধাৰ 'বাপু দা'। অঞ্চলৰ কোনো ঠাইত উপাংগ, গৰখীয়া, খেলা নাম আদি হ'লে 'বাপু'ৰ অনুপস্থিতি চকুত ধৰা পৰিছিল। তেনেদৰে 'বাপু'ৰে নামৰ ধ্বনি শুনিলে ৰ'ব পৰা নাছিল। লাৰ গৌছিল নাম স্থলীলৈ। বাধাক নেওচি ভাগ লৈছিল কীৰ্ত্তনত। তাল-মানৰ জ্ঞান জন্মগত ভাবে লৈ অহা বুলি দাবী কৰা পুৰণিগুদাম অঞ্চলৰ বিশিষ্ট সমাজসেৱক তথা মুক্তিযোদ্ধা জীতেন হাজৰিকাই এনেদৰে মন্তব্য প্ৰকাশ কৰিলে ভাতৃসম 'বাপু'ৰ স্মৃতি ৰোমন্থন কৰি।

১৯৩৯ চনৰ কথা। জীতেন হাজৰিকা তেতিয়া পুৰণিগুদাম হাইস্কুলৰ দশম মানৰ ছাত্ৰ। সেই সময়ত নৱম-দশম মানৰ ছাত্ৰ সকলে জিৰণিৰ সময়ত বিদ্যালয়ৰ ভিতৰতে হওক বাহিৰতে হওক বিশেষ ঘূৰা পকা নকৰিছিল। শ্ৰেণী কোঠাতে শান্ত হৈ থাকিছিল। সেইদিনা আছিল শুক্ৰবাৰ। হাজৰিকাক লগৰ সহপাঠী একজনে ক'লে যে 'ষষ্ঠ মান শ্ৰেণীত এটা ল'ৰা আছে। বৰ ভাল কিত গায়, শুনিবা নেকি?'

সুৰদী কণ্ঠৰে ল'ৰাটোৱে গীত জুৰিলে। 'কিহৰে বিৰিণা পাতে এ' মইনা ০০০০' শীৰ্ষক বিহুগীতটো শুনি জীতেন হাজৰিকা আপ্লুত হ'ল। নিচলা পৰিয়ালৰ ল'ৰাটোৰ প্ৰতি হাজৰিকাৰ মৰম উপজিল। গীত শুনি সৰু ল'ৰাটোৰ ভৱিষ্যতৰ সম্ভাৱনাক উপলব্ধি কৰি জীতেন হাজৰিকাই ভাবিলে, যদি ইয়াক আমাৰ ঘৰলৈ লৈ যাব পাৰি'। চহকী পৰিয়ালৰ ল'ৰা জীতেন হাজৰিকাৰ মনৰ ইচ্ছা বাস্তৱ হ'ল। শ্ৰেণীকোঠাতে হাজৰিকাই ল'ৰাটোক সুধিলে 'তোৰ নাম কি?' ল'ৰাটোৱে সাহসেৰে উত্তৰ দিলে 'ৰুদ্ৰ কান্ত বৰুৱা'।

ৰুদ্ৰ কান্ত বৰুৱা সেইজনেই এইজন যাক পুৰণিগুদামৰ ইমূৰৰ পৰা সিমূৰলৈ চিনি পাইছিল 'বাপু'দা বুলি। ৰুদ্ৰ বৰুৱাই জন্ম গ্ৰহণ কৰিছিল ১৯২৬ চনত পুৰণিগুদাম উঁয়ৰ গাঁৱত। দেউতাক ৰমাকান্ত বৰুৱা আৰু মাক হীৰামতী বৰুৱা। মাক দেউতাকৰ একমাত্ৰ ল'ৰা সন্তান ৰুদ্ৰ বৰুৱাৰ এগৰাকী ভনীয়েক আৰু এগৰাকী ভায়েক আছিল। সৰুতে পিতৃক হেৰুওৱা ৰুদ্ৰ বৰুৱাই মিকিৰহাট স্কুলৰ পৰা এল পি পৰীক্ষাত পাছ কৰি পুৰণিগুদাম হাইস্কুলত ১৯৩৮ চনত পঞ্চম মান শ্ৰেণীত নামভৰ্তি কৰিছিল।

দুষ্টালি মনৰ ৰুদ্ৰ বৰুৱাই 'বোকা-পানী' আৰু 'গুণ-গুণৰ' লগতে খেল-ধেমালি ভাল পাইছিল। তাৰোপৰি মাছ ধৰি ভাল পাইছিল। বোকা-পানীৰ লগত ধেমালি কৰি ল'ৰালি দিনত ৰুদ্ৰ বৰুৱাই ইমানেই ভাল পাইছিল যে হাইস্কুল পঢ়ি থাকোতে জিৰণি সময়ত কলগুৰ বোকা খচি ফুৰিছিল।

থলুৱা মাটিৰ গোন্ধ থকা ৰুদ্ৰ বৰুৱাৰ গীতৰ সম্পৰ্কত জীতেন হাজৰিকাৰ মন্তব্য আছিল এনেধৰণৰ '১৯৩৯ চনৰ আগলৈকে ৰুদ্ৰ শাস্ত্ৰীয় সংগীতৰ সংস্পৰ্শলৈ অহা নাছিল। মোৰ ভনী ইন্দুবালা হাজৰিকাক যেতিয়া সুশীল ঠাকুৰে সা-ৰে-গা-মা শিকাইছিল তেতিয়া ইন্দুৰ লগত ৰুদ্ৰইও একেলগে বহি সপ্ত স্বৰ আয়ত্ব কৰিছিল। বিশেষকৈ আমাৰ ঘৰত থকা বেহেলা, ভায়লিন, এচৰাজ, হাৰমনিয়াম, বাঁহী আদিৰ প্ৰতি ৰুদ্ৰ আকৃষ্ট হৈছিল আৰু ইয়াৰ দ্বাৰা প্ৰভাবান্বিত হৈ শাস্ত্ৰীয় সংগীতৰ সংস্পৰ্শলৈ আহিছিল। মুখে মুখে চলি অহা আই নাম, বিয়া নাম আদি সুৰৰ সম্পৰ্ক থকা এক নতুন ধাৰাৰ গীতৰ সুৰ সদায় সি গুণ-গুণাইছিল। যাৰ বাবে সৃষ্টি হৈছিল 'গুৰি পথাৰতে ৰৈ/আঁহতৰ তলতে ঐ ০০০।' ইয়াৰ মূল 'কদম তলে তলে ৰৈ/ বংশী বজাবা এ ০০০০।' 'গুৰি পথাৰতে' গীতটো ষষ্ঠ মানতে গুণ গুণাইছিল যদিও পিছলৈহে ই পূৰ্ণ প্ৰকাশ ঘটিছিল।' হাজৰিকাৰ মতে 'বাপুৱে লোক পৰম্পৰাৰ ওপৰতে যে অকল গুৰুত্ব দিছিল তেনে নহয় সেই সময়চোৱাত জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, পাৰ্বতি প্ৰসাদ বৰুৱাৰ একাধিক গীত স্বৰ-তাল-মান ৰাখি সুন্দৰ ভাবে গাব পাৰিছিল। তাৰোপৰি শংকৰ-মাধৱৰ ৰচিত বৰগীত সুন্দৰ ভাবে গাইছিল। ৰুদ্ৰ বৰুৱাৰ মৃত্যুৰ দিন ১৪ ফেব্ৰুৱাৰীত ৰেডিঅ'ৰ জৰিয়তে দুইটিমান বৰুৱাৰ কণ্ঠৰ বৰগীত এতিয়াও শুনিবলৈ পোৱা যায়।

ৰুদ্ৰ বৰুৱাৰ অভিনয়ৰ ক্ষেত্ৰটো দক্ষতা আছিল। সপ্তম মান শ্ৰেণীত পঢ়ি থাকোতে 'কাৰেঙৰ লিগিৰী'ৰ শোৱালি চৰিত্ৰত অভিনয় কৰিছিল ৰুদ্ৰ বৰুৱাই। 'কাৰেঙৰ লিগিৰী'ত অভিনয় কৰাৰ উপৰিও নাটখনত গীতো গাইছিল। নাটখনি পৰিচালনা কৰিছিল তেতিয়াৰ ছাত্ৰ জীতেন হাজৰিকাই। সেই সময়ত হাজৰিকাই তেজপুৰ বান থিয়েটাৰত কাৰেঙৰ লিগিৰীখন উপভোগ কৰি আপ্লুত হৈছিল। তেতিয়া নাটখন পুৰণিগুদামত মঞ্চস্থ কৰাৰ সিদ্ধান্ত লৈছিল। পানীগাওঁ পাঠকৰ চুকৰ নামঘৰত চাঙপাতি মঞ্চ সাজি কাৰেঙৰ লিগিৰী সুন্দৰ ভাৱে অভিনীত কৰাইছিল। নাটখনত অভিনয় কৰা লোকসকলৰ ভিতৰত ৰুদ্ৰ বৰুৱাৰ অভিনয় দৰ্শকে সুন্দৰভাবে মাধুৰ্য পান কৰিবলৈ সক্ষম হৈছিল। নাটখনৰ বাবে প্ৰয়োজনীয় 'বনবীয়া আমি বনৰ চৰাই', 'সোণৰ পালেঙতে' গীত দুটা হাজৰিকাই ৰুদ্ৰ বৰুৱাক শিকাই গোৱাইছিল।

হাজৰিকাৰ মতে বন-বনাই ঘূৰি ফুৰা বাপুৱে দুষ্টালিৰ মাজেৰে সপ্তমমানৰ পৰা অষ্টম মানলৈ সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। বাপুৰ দুষ্টালিৰ সঙ্গ আছিল হাজৰিকাৰ নিজা ভায়েক উপেন হাজৰিকা। দুয়োটা একে শ্ৰেণীৰ আছিল। ঘৰৰ এয়াৰ গানটো মনে মনে

নি গাঁৱৰ হাবিত দুয়োটা চিকাৰ কৰিবলৈ গৈছিল। ঘৰলৈ চিকাৰৰ পৰা ঘূৰি আহি বীৰৰ দৰে সিহঁতে বীৰত্ব প্ৰকাশ কৰি কৈছিল 'এক ইঞ্চি বাঘে চৰাই ...া কাটিল', 'চৰাইটোৰ পাখিত লাগিল দেখিছে গাত লগাহেতেন মৰি থাকিলহেঁতেন' ইত্যাদি ইত্যাদি। দুয়োটাই মনে মনে ঘৰৰ পুখুৰীত মাছ ধৰিবলৈকো গৈছিল। বোকা মাখি ভালুকটো যেন হৈ, হাতত মাছৰ টোপোলা লৈ ঘৰত উপস্থিত হোৱাৰ সময়ত প্ৰায়ে গোচৰ আহিছিল ছোৱালী জোকোৱাক লৈ।

এবাৰ গুই মাৰিবলৈ গৈ এজোপা মদাৰ গছ জ্বলাই দি হাহাকাৰৰ সৃষ্টি কৰিছিল ৰুদ্ৰ উপেনে। দুয়োটাই কেইটামান কাণ সমনীয়াৰ সৈতে এটা গুই খেদি নি থাকোতে ঘৰৰ ওচৰৰ এজোপা মদাৰ গছৰ খোৰোঙত গুইটো সোমাই গ'ল। খোৰোঙত গুইটো সোমোৱাৰ পিছত আটাইকেইটা চিন্তাত পৰিল কি কৰা যায়। আটাইকেইটা গুইটোক মৰাৰ লক্ষ্যৰে গছ-জোপাৰ গুৰিত গছ-পাত-ডাল দি জুই দিলে। কিছু অংশ ফকান হৈ থকা গছ ডাল জ্বলি উঠিল। কথা তেতিয়া ভৰ দুপৰীয়া। তেনেতে মানুহে দেখিলে গছডাল দাও দাও কৈ জ্বলি উঠিছে। ওচৰৰ দুই এঘৰ লোকে ঘৰৰ বয়-বস্তু বাহিৰ কৰাত লাগিল। কোন সময়ত ঘৰত জুই লাগে ঠিক নাই। সকলো ফালে হৈ চৈ। অৱশেষ পিছত কিছু লোকৰ বুধি মতে গছডাল কাটি পেলোৱাত পৰিস্থিতি শান্ত হ'ল। এনে ধৰণৰ অদ্ভুত দুষ্টালি কৰি শাস্তি খাব লগা হৈছিল ৰুদ্ৰ-উপেনে।

বিশেষকৈ ল'ৰালিত ৰুদ্ৰ এৰ-বাক অলৌ-টলৌ কৈ ঘূৰি ফুৰা জীৱনটোৰ পৰা আঁতৰাই আনি এক শৃংখলাময় জীৱনৰ বাট দেখুৱাইছিল বুলি দাবী কৰিছে জীতেন হাজৰিকাই। মৰমৰ বাপুক ভাতৃ স্নেহৰ মাজত আবদ্ধ ৰাখি সংগীতৰ লগতে আনুষ্ঠানিক শিক্ষা দিয়াৰ ক্ষেত্ৰতো তীক্ষ্ণ নজৰ দিছিল হাজৰিকাই। ১৯৪০ চনত উচ্চ শিক্ষাৰ বাবে হাজৰিকা ঘৰ এৰি ঢাকালৈ গৈছিল। উচ্চ শিক্ষাৰ বাবে যি যাত্ৰা পৰা ওলাইছিল সেই যাত্ৰা ১৯৪৭ চনলৈকে অব্যাহত আছিল। একপ্ৰকাৰে ক'বলৈ গ'লে এই সাত বছৰে জীতেন হাজৰিকাৰ ঘৰুৱা সম্বন্ধ হ্ৰাস পাইছিল। ঢাকালৈ যোৱাৰ পিছত ৰুদ্ৰ বৰুৱাৰ যোগাযোগৰ পৰিমাণে শিথিলতালৈ লৈ গৈছিল। ১৯৩৯ চনত নিজৰ কাৰণে আৰু বাপুৰ সম্বন্ধ লিখিলে চিঠিৰ মাজতে সীমাবদ্ধ হৈ পৰিছিল হাজৰিকাৰ লগত।

১৯২৬ত জন্ম গ্ৰহণ কৰি ১৯৪৭ত আই. এ., ১৯৫১ চনত চেণ্ট এড্‌মণ্ড কলেজৰ পৰা স্নাতক হোৱাৰ পিছত অসম সাংস্কৃতিক সমাজকল্যাণৰ সম্পাদক হৈ ১৯৮০ চনৰ ১৪ ফেব্ৰুৱাৰীত ইহলীলা সম্বৰণ কৰা ৰুদ্ৰ বৰুৱাই অসমৰ লোক কলা-সংস্কৃতিলৈ দি থৈ যোৱা অৱদান চিৰস্মৰণীয় যদিও কবিৰ মৃত্যুৰ ২১ বছৰতো ই অনাদৃত হৈ ৰ'ল। এই ক্ষেত্ৰত জীতেন হাজৰিকাৰ মন্তব্য 'সোণ হাজাৰ বছৰ মাটিৰ তলত থকাৰ পিছতো মাটি খান্দি উলিয়াই আনিলে সোণ সোণৰ দৰে উজ্জ্বল হৈয়ে থাকিব।'

◆ ◆ ◆

পকা ধানৰ সোণালী সুৰীয়া স্মৃতিৰে ৰুদ্ৰ বৰুৱা

বিদ্যুৎ কুমাৰ ভূএগ্ৰা

ৰুদ্ৰ বৰুৱা এজন মানুহৰে নাম নহয়, এটি যেন ৰোৱতী সুৰ প্ৰপাতৰ নাম, গাৱঁৰ আকাশত গীত গোৱা এটি চৰাইৰ নাম। বৰগীত আৰু বিহুগীতেৰে চহকী অসমৰ সংগীত ক্ষেত্ৰত এটা সময়ত ৰজনজনাই আছিল বনগীতে। এই বনগীত সমূহেই আছিল আধুনিক অসমীয়াৰ গীতৰ মানস সৰোবৰ। পৰম্পৰাগত কথাৰ সোঁত আৰু স্বতঃস্ফূৰ্ত ছন্দময় সুৰেই যেন বনগীতৰ প্ৰাণ, যাই উপজীব্য। সেই কথা, অসমৰ গাৱঁৰ মানুহৰ মুখৰ মাত-কথা আৰু সেই সুৰ, গাৱঁৰ নৈ, জান, হাবি-বননি, পথাৰ-সমাৰত আপোন মনে বিচৰণ কৰি ফুৰা সুৰ। চিৰ বিনন্দীয়া আই অসমীৰ চেনেহ সনা সেউজীয়া বুকুৰেই বনগীতৰ ওমলা ঘৰ, চাৰণ ভূমি। ইয়াতেই পথাৰৰ বোকা-পানীৰে লেটি লৈ, ধানৰ পাতে কটা হাতেৰে ৰুদ্ৰ বৰুৱাই আলফুলে দাঙি আনিছিল প্ৰাণ ওপচোৱা বনগীতবোৰ, ঢোল-পেঁপা-খোল-তালৰ ছন্দেৰেই যেন বান্ধি গৈছিল সিবিলাকৰ সুৰবোৰ।

অসমৰ ঐশ্বৰ্যশালী পৰম্পৰাত শ্ৰদ্ধাশীল ৰুদ্ৰ বৰুৱাৰ বাবে গাৱঁেই আছিল সৃষ্টিৰ মূল প্ৰেৰণাৰ কঠীয়াতলী। (অসমীয়া জাতীয় জীৱনৰ স্পন্দনভৰা) প্ৰতিটো গীতত তেওঁৰ একোখন সহজ-সৰল ছবি, একোটা সৰল-সহজ চিন্তাৰ প্ৰকাশ ঘটিছিল। 'বনগীতৰ ওজা' বুলি কৈয়েই যদি আমি আমাৰ কৰ্তব্য পালন হ'ল বুলি ভাবো, তেনেহ'লে ইয়াতকৈ আৰু পৰিতাপৰ কথা একো নাথাকিব। পঞ্চাছ আৰু ষাঠীৰ দশকত অসমৰ গাৱেঁ-ভূঁয়ে উপচি পৰা ৰুদ্ৰ বৰুৱাৰ গীতকেইটিৰ সঠিক মূল্যায়ন কিন্তু আজিও নহ'ল। নগৰীয়া সভ্যতাই গাৱঁৰ ঐতিহ্যময় পৰম্পৰাক ক্ৰমে গ্ৰাস কৰি অহাৰ লেখীয়াকৈ যদি আজিৰ প্ৰজন্মই ৰুদ্ৰ বৰুৱাৰ গীতকেইটিকো আলাই আথানি কৰে, তেনেহ'লে ই অতি কৃতঘ্নতাৰ পৰিচায়ক হ'ব।

ৰুদ্ৰ বৰুৱাৰ মহাপ্ৰয়াণৰ আজি সুদীৰ্ঘ চৈধ্য বছৰ হ'লহি। কিন্তু এইছোৱা সময়ত তেওঁৰ সৃষ্টি ৰাশিৰ সংৰক্ষণৰ বাবে কোনো যত্ন চকুত নপৰিল। অসম প্ৰকাশন পৰিষদে 'ৰুদ্ৰ বৰুৱাৰ গীত' কেইটি ছপা আখৰত গোটাই থ'লেই আমাৰ দায়িত্ব শেষ হ'ব নাপায়। তেওঁৰ সেই দৰদী সুৰবোৰ ক'ত পাম? আকাশবাণী যোগে একালত সঘনাই প্ৰচাৰিত ৰুদ্ৰ বৰুৱাৰ গীতবোৰ আজি-কালি সঘনাই নবজা হ'ল কিয়? আকাশবাণীৰ ৰেকৰ্ড লাইব্ৰেৰীৰ পৰা জ্যোতিপ্ৰসাদ, বিষ্ণু প্ৰসাদৰ কণ্ঠ নোহোৱা হোৱাৰ দৰেই ৰুদ্ৰ বৰুৱাৰ কণ্ঠও মচ খাই যাব নেকি? আজিৰ সহজলভ্য মাধ্যম শ্ৰব্য কেছেট যোগে ৰুদ্ৰ বৰুৱাৰ জনপ্ৰিয় গীতবোৰ পুনৰ জনপ্ৰিয় কৰি তুলিব পৰা নাযায়নে? এখন মাত্ৰ 'লং-

প্লে' ৰেকৰ্ড ষ্টৰ ৰুমত থৈ দিলেই ৰুদ্ৰ বৰুৱাৰ গীতৰ সোঁত প্ৰৱাহিত হৈ ৰ'বনে?

ৰুদ্ৰ বৰুৱাৰ প্ৰতিটো গীত যেন আঘোনৰ দাৱনীজনীৰ হাতৰ একো একোমুঠি পকা ধান। প্ৰতিটো গীতৰ গাত লাগি থকা থলুৱা মাটিৰ গোন্ধ সনা শব্দবোৰ যেন ৰ'দত জিকেমিকাই থকা সোণচেকুৰা স্বৰূপ। তেওঁৰ ৰচিত বনগীত, দেশপ্ৰেমমূলক গীত, সৰু ল'ৰা-ছোৱালীৰ বাবে লিখা ওমলা গীত — এই সকলোতেই 'পকাধান'ৰ চেকুৰা সোণৰ জিকমিকনি, যিয়ে ৰুদ্ৰ বৰুৱাৰ গীতবোৰ তেওঁৰ মুখৰ পৰা গাৱৰ মানুহৰ মুখলৈ কাঢ়ি নিছিল, নিব পাৰিছিল।

ৰুদ্ৰ বৰুৱাৰ সুৰৰ বৈশিষ্ট্যপূৰ্ণ দিশটো হ'ল বনগীত আৰু বিহুগীতৰ সুৰৰ পটভূমি। বিষয়গত দিশৰ পৰা ৰুদ্ৰ বৰুৱাৰ গীতমুঠিক ভাগ ভাগ কৰি ল'লেও সকলোকে অন্তৰ্নিহিত সুৰৰ জৰী যেন একেডালেই। গাৱৰ পথাৰৰ এক মনোমোহা চিত্ৰ তেওঁ অংকন কৰিছে এনেকৈ :

পকা ধানৰ মাজে মাজে সৰু সৰু আলি
আলিত পৰি গীত জোৰে ডাক শালিকাই'

এই গীতত হিমচেঁচা বতাহে ঢৌ খেলি যায় সোণবৰণীয়া ধানৰ মুখত চুমা খাই, সুকুমাৰীয়া বাটোৰ হাতত কাচি লৈ ধাই যোৱে গাঁৱৰ দাৱনীয়ে। গাঁৱৰ দাৱনীৰ বাবে সেয়া ধান নহয় আই লখিমী। ধানৰ গোছত মুঠি মৰাৰ আগেয়ে সেয়ে দাৱনীয়ে আই লখিমীলৈ সেৱা জনায় :

পকা ধানে হালি জালি
দাৱনীক কয় আহা দুলি
দাৱনীয়ে সেৱা জনাই
ধানৰ গোছত মাৰে মুঠি'

সোণগুটি ধানৰ ভৰত দাৱনীৰ হাতত সিবা মুঠি পৰিলেও, ধানৰ পাতে হাত কাটিলেও দাৱনীয়ে সেই দুখ পাহৰে।

'তেওঁতো আমাৰ দুখ নাই
ধানে হাঁহি হৃদয়াই
কিয়নো পানে হাঁহিলেহে গাঁৱৰ বাইজেও পেটটোলৈ হাঁহিব পাৰিব।
অসমৰ ঐশ্বৰ্যময়ী বৈভৱে ৰুদ্ৰ বৰুৱাৰ কাণত প্ৰাণ পাই নাচে :
'মোৰ অসমীৰে
হাঁহি-কান্দনিতে
চেকুৰা চেকুৰা সোণ
জিকে-মিকাই থাকে'

অসমৰ ধন সোণ পেৰা ভৰাই থোৱাৰ সকাম নাই। 'পাহাৰে-পৰ্বতে জুৰি, সোণাৰু, শাল শাৰী শাৰী; অগৰু চন্দন আৰু কত ভাগে ভাগে'। এয়াই সোণ! আকৌ 'সেউজীয়া কুমলীয়া চাহ গছৰ পুলিটি'তে লুকাই থাকে পাতে পাতে হেজাৰ টকাৰ জুনজুননি। দূৰৰ বণিক-সাউদে আহি এই সম্ভাৰ শেষ কৰিব পাৰেনে!

'তাকে দেখি বণিজ সাউদ
আহে জাকে জাকে
অসমীৰে ৰূপ চাই
চকুৰে ঘুমটি নাই
দুহাতে সামৰি শেষ
কৰিব নোৱাৰে।'

অকল এয়েনে? নহয়। মাটিৰ বুকু ভৰা ক'লা সোণ, পনীয়া সোণ আৰু কত কি। এই ঐশ্বৰ্যময় অসমলৈও যেতিয়া দুখৰ ৰাতি আহে তেতিয়া ৰুদ্ৰ বৰুৱাই জাতিৰ কাণ্ডাৰী মহাপুৰুষজনাৰ বৰগীতৰ সুৰে ৰে গায় :

দুখৰেনো ৰাতিটো কেতিয়া পুৱাব
অসমী আইৰ মুখনি কোনে উজ্জলাব'

আজিৰ অসমীয়াই অসমৰ অতীত ঐতিহ্যক অবহেলা কৰিলে তেওঁ সোঁৱৰাই [illegible] খোজে : 'খোলে তালে ভৰাই কাহে কীৰ্ত্তন-ঘৰম যোবাই নামে, দুলৰি লেছাৰি পদে' চহকী ঐতিহ্যৰ কালে উভতি চাবলৈ। ভূৰুকাত হাতী ভৰোৱা, মেথোনৰ শিঙত ধৰি নচুওৱা শংকৰ মাধৱৰ দেশ, লুইতৰ নীলা পানী তেজেৰে ৰাঙলী কৰি শত্ৰুক খেদোৱা লাচিত বৰফুকনৰ দেশ এই অসম আৰু এই অসম ঢালে-তৰোৱালে কণুৱা সাজিব পৰা মূলা গাভৰুৰ দেশ।

অসমৰ বোৱনী-শিপিনীৰ তাঁত শিল্পৰ গৌৰৱক তেওঁ প্ৰকাশিত কৰিছে এনেকৈ :

'তাঁতৰ দোৰেপতি চলাই ঘনে পতি
পলকত টোলোঠা ঘূৰে
কোননো সেই পখৰী তিলনীৰে জীয়াৰী
চেলেংনো হুকটীয়া জোৰে'

এই গীতটে তেওঁ অসমৰ জীয়ৰী বোৱাৰীৰ অপৰূপ ৰূপ-লাৱণ্যকো স্পৰ্শ কৰিছে

[illegible] এটি বুকত এটি
[illegible] ভৰা কলচী
[illegible] পানী আনে
[illegible] নে উৰ্বশী'

এই হাঁহি ভৰা জীয়ৰী-বোৱাৰীহঁতৰ মুখৰ হাঁহিও যেতিয়া অৰ্থনৈতিক দুৰ্বলতাৰ বাহুৰে গ্ৰাস কৰে তেতিয়া ৰুদ্ৰ বৰুৱাৰ মন বিষাদে চাতে :

'অ' মইনা চেনাই তোৰ
ওঁঠৰ হাঁহি হৰিলে কোনে
দেহাৰে তেজ-মঙহে দেহাতে ঐ শুকালে
ক'তেনো তোক ধৰিলে ঘুণে'

ৰূপহী বাংঢালী গাঁৱৰ জীয়ৰী-বোৱাৰীৰ অৱস্থা যেতিয়া 'হাতৰ গামে খাৰু ডিঙিৰে মাদলি' ভাত-কাপোৰৰ বাবে মোজাত বন্ধকী দিব লগা হয়, তেতিয়া তেওঁ এই দৰিদ্ৰতাৰ বিৰুদ্ধে ৰাইজক সকীয়াই :

'সোণ তোৰ দেশৰে সোণতই মৰিলে
পথাৰো বাঁজী হ'লে
ৰাইজ লগে লাগি দেশক নতৰিলে
দুখৰতো নপৰে ওৰে'

গাঁৱৰ স্বতঃস্ফূৰ্ত্ত আনন্দ উছাহেৰে ভৰা বছৰেকৰ বিহুটি যেতিয়া নগৰৰ ৰভাতলীলৈ আহে, তেতিয়া ৰুদ্ৰ বৰুৱাৰ আশংকা হয় - ই গাঁৱৰ হাঁহি কাঢ়ি নিব নেকি! মানুহৰ মুখৰ ভাতমুঠিৰ দৰেই হাঁহিটোও কাঢ়ি নিব নেকি আধুনিক নগৰীয়া সভ্যতাই?

'গছৰ পাতত বিহু আছিল
বিহু নাছিল মনত
মনৰ চকুত জুই নজ্বলিল
জ্বলিল পলাশ বনত'

নগৰৰ ৰভাতলীৰ বিহু দেখি তেওঁ অনুভৱ কৰে :

'ৰভালীৰে ভেকো ভাওনা
চৰিল ৰভাৰ তলত
আচল বিহু ধৰফৰালে
কাল-চিকাৰীৰ শৰত'

নানা জাতি, উপজাতি মিলি মিলি গঢ় লোৱা অসমীয়া মহাজাতিৰ এই সাতাম পুৰুষীয়া মিলন প্ৰতিভাত হৈছে ৰুদ্ৰ বৰুৱাৰ গীতত :

'এই অসমৰ মহাজাতি আমি
নাই একো ভিন পৰ'

এই দেশৰ পাহাৰ বুকুত থকা কুটুম্বসকলে তেওঁৰ গীতত পায় :

'অ' লাচেত্‌ কাটি পোং ডেং
ৰ কাকিন ৰ, কোন ড্ৰেম ৰেং'
এই দেশৰ জয়ন্তীয়াই গায় :
'পি পি চাফ্ৰাং, চাফ্ৰাং পায়ো
ইপৰ ইয়া ই এই মনত্ৰো'
খিলঞ্জীয়া সেই নেপালী সম্প্ৰদায়ৰ কুটুমে গায় :
'সূৰ্য লেফি যাও হেৰ
কিৰণ পৃথিবী মে.....
... উন্নতিৰ ৰেলিমায়, একতাক
মাৰ্গমা. ..

কেৱল গাৱঁৰ চিত্ৰ আৰু গাৱঁৰ মানুহৰ মুখৰ ছবিৰেও চহকী হৈছে ৰুদ্ৰ বৰুৱাৰ গীতঃ

'বন্ধু সময় পালে আমাৰ ফালে
এবাৰ আহি যাবা
সহজ সৰল গাৱঁৰ জীৱন
খন্তেক ৰৈ চাবা'

নগৰমুখী আজিৰ মানুহক গাঁৱলৈ আহ্বান জনোৱা ৰুদ্ৰ বৰুৱাই সোঁৱৰাই দিছে :

'যান-বাহনৰ সুযোগ নাই
আওহতীয়া আমাৰ ঠাই...
অনাহাৰে দিন কটাওঁ
তাত গধূলি পুৱা'

চহৰীয়া সভ্যতাক তেওঁ উপলুঙা কৰি কৈছে :

'নাঙঠ শিশুৰ ধূলিৰ খেলা
ৰৈ ৰৈ তাতে চাবা
অশিক্ষিত লাজুক সিহঁত
কাষলৈ নামাতিবা
চহৰৰ পৰা কিবা নিলে
দূৰৰ পৰাই দিবা'

গাৱঁৰ ডেকাৰ ৰূপ বৰ্ণনা কৰিছে তেওঁ এনেকৈ :

'গামোচাৰে আচলডঙে পদুমৰে চকা
মুৰতে মেৰিয়াই আছে গাঁহোৱাল ডেকা'

এইজনা ডেকাৰ খোজত কলাফুল লৰে, উশাহত বুকুৰ মঙহ লৰে, তাৰ পিঠিত ৰ'দ

পৰি ঘামৰ টোপালবোৰ মুকুতা হৈ জিলিকি-জিলিকে উঠে। দুখ ভাগৰত মন নভগা এই ডেকাৰ সাহো কম নহয়। এই সাহস দেখি দেও-ভূতেও বাট এৰি দিয়ে। ভবিৰে বাটৰ সকলো বিপদ-বিঘিনি গচকি যাব পৰা এই ডেকাৰ মুখত হাঁহি, চকুত আশা আৰু সেই মুখ আৰু চকুত লুকাই থকা বহুতো কথাৰ উমান কিমানে পায়! গাৰঁৰ গাভৰুৰ ৰূপ বৰ্ণনাতো ৰুদ্ৰ বৰুৱা সমানেই সিদ্ধ হস্ত। তেওঁৰ গীতৰ গাৱঁৰ ৰূপহীজনী এনে :

'চিকিমিকি ডালিম গুটি
জিকিমিকি কৰে
হাঁহো কি নেহাঁহো সৌৱা
মিচিক মাচাক হাঁহে
সেয়া বাৰু কোন
পূৰ্ণিমাৰে জোন
নৈ ঘাটত দেখি অহা
মোৰে কেঁচা সোণ'

আকৌ গাঁৱৰ বিয়াই সবাহে বিয়ানাম গাই ফুৰা নামতী জেতুকী বাইজনীকো ৰুদ্ৰ বৰুৱাই পাহৰা নাই। পাহৰা নাই জেতুকীবাইৰ সৰল মনটোৰ মাজত দেখা দুখৰ ছবিখন :

'হঁয়েৰা জেতুকী বাই
চুলি তোৰ পকালি,
দাঁতবোৰ সৰালি
পৰৰ ঘৰে ঘৰে
নাম-গুণ গাই'

এইজনী জেতুকী বায়ে মনত পাঙি থাকে কাৰোবাৰ পুতেকে কোনোবাৰ জীয়েকক নিবলৈ পতা বিয়াত যোৱা দি কি গাব, জোঁৱাইৰ বা নাম কি ... পিছে চহকীৰ বিয়ালৈ জানো আগৰে পৰা যোৱা নাম পাঙি থকা জেতুকী বাইক মতাৰ ঠিকনা আছে! নিজৰ জীয়েকক যমে কাঢ়ি নিলেও নকন্দা জেতুকীয়ে 'পৰৰে জীয়াৰীক জোঁৱাইয়ে নিওঁহে' বিয়া নামেৰে কান্দে। সেয়া যেন 'ব্লেক কমেডী'। ধনীৰ প্ৰতি থকা ক্ষোভ ক্ৰন্দন। মহাশ্বেতা দেবীৰ 'ৰুদালি'ৰ ক্ৰোধভৰা চকুপানী। এইজনী জেতুকী বাইৰ বিয়াঘৰত কি অৱস্থা হয়, ৰুদ্ৰ বৰুৱাই দেখিছে :

নিজৰ একমাত্ৰ জীয়েকক অকালতে যমে লৈ যোৱাৰ দুখত মূক হৈ পৰা জেতুকী বায়ে পৰৰ জীয়াৰীক বিয়া দি উলিয়াই দিয়াৰ পৰত নিজৰ দুঃখৰ বহিঃপ্ৰকাশ ঘটাইছে। সেই বেদনাক কিমানেইবা অনুধাৱন কৰিব পাৰে। চহকীৰ ভাইলৈ হয়তো মনটো নপমিব পাৰে। চহকীৰ ভাইলৈ হয়তো মনটো নপমিব পাৰে। বাঢ়ি বিয়াৰ খভাতনীৰ ঠাই হৈ পৰে অনাদৃত।

'ৰভাঘৰ গুৱনি
জীয়াৰী বোৱাৰী
তোলে ঠাইকে নাই
বিয়াৰ তই নামতী
বিয়াত হে সোঁৱৰে
পুৱালৈ পাহৰি যায়'

গাঁৱৰ কণ-কণ শিশুইতৰ খেল-ধেমালিৰ মাজত ৰুদ্ৰ বৰুৱাই নিজকে বিলাই দিছে-

'অ' তুলতুল অ' বুলবুল
অ' সেউজী তৰা
লুকাভাকু ভাল নালাগে
খেল কইনা দৰা

এই দৰা-কইনা খেলত কোৰোকাৰ দুবলী, বালিৰ চাউল, কচুপাতৰ শলাকানিৰে জক্লোৰা চাকিৰে পানী পঁচাত পানী তোলা শিশুপ্ৰাণৰ মনৰ ভাৱৰাশি লক্ষ্য কৰাটো কাৰ বাবে সম্ভৱ!

চাকৰি জীৱনৰ তাগিদাত ৰুদ্ৰ বৰুৱাই লিখা অলেখ গীতৰ মাজতো শিল্পীৰ স্বকীয় বৈশিষ্ট্য ম্লান পৰা নাই। ব্যাবহাৰিক গীত কিম্বা কৰ্ম-সংগীত স্বৰূপে চিহ্নিত কৰিলেও গ্ৰামোদ্যোগ, বয়ন শিল্প, সমাজ উন্নয়ন, ৰাষ্ট্ৰীয় সংহতি, কুটীৰ শিল্প আদি গীতবোৰ বা দলং নিৰ্মাণ, সৰহ শস্য উৎপাদন, বান নিয়ন্ত্ৰণ, নিৰক্ষৰতা দূৰীকৰণ, পঞ্চবাৰ্ষিক পৰিকল্পনা আদিৰ ওপৰত সাময়িক প্ৰসংগমূলক গীতবোৰে এক স্থায়ী আৰু সাৰ্বজনীন ৰূপ লাভ কৰিছে। তাত 'প্ৰপোগেণ্ডা'ৰ গোন্ধ-ভাপ নাই। এনে দুটিমান গীতত তেওঁ কৈছে :

'আমি পণ কৰিছো পথাৰ আমাৰ
পৰিব নিদিওঁ হুন
যন্ত্ৰ যুগৰ মন্ত্ৰ শিকি
বঢ়াম উৎপাদন'

গুৱাহাটীৰ তেল শোধনাগাৰ প্ৰতিষ্ঠাত ৰুদ্ৰ বৰুৱাই লিখিছিল :

গুৱাহাটী ক'ত অ' নুনমাটি ক'ত
পনীয়া তেলৰ ৰূপ সলাই শোধন কৰি
সোণ পানী যেন কৰে য'ত
পাঁঠিৰ ভাঙিলো এন ওকৈৰ কেঁটি
শোধানাগাৰটো ল'লে কঁইছে পাতি
সাৰুৱা তেল হব ইয়াতে শোধন
বছৰি বছৰি চাৰে সাত লাখ টন

হাজাৰ বনুৱা আহি লাগিছে কামত'।

ব্ৰহ্মপুত্ৰত দলং নিৰ্মাণৰ বেলিকা' লিখিছিল :

'টিমিক টামাক সৌ জ্বলে অ' লুইতত
আশাৰে চাকিটি জ্বলে
এটি দুটি কৰি খুটা শাৰী শাৰী
পানীতে জিলিকি থাকে
কলিয়া-ভোমোৰাই ভোমোৰাগুৰিতে
তাহানি পুতিছিল খুঁটি
এনেতে মৰণে ফুকনক নিলেহি
আশা গ'ল লুইতত উটি
আজি অন্তকালে দলংখন নহ'লে
বাইজে জীয়াতু খালে

স্বৰচিত গীতাৱলীৰ উপৰিও কেশৱ মহন্তৰ কেবাটিও গীত ৰুদ্ৰ বৰুৱাই অনুপম সুৰ সংযোজনাৰে ধন্য কৰি থৈ গৈছে। তাৰে ভিতৰত কলবে পাততে কাউৰী পৰে (বিটো গীতে জনপ্ৰিয়তাৰ বাটেৰে স্বৰ্ণজয়ন্তীৰ কালো খোজ পেলাইছে), ৰৰমুণৰ বতৰত, আমাৰ মন পথাৰৰ, সোণৰে গঢ়ালো সচকৰা থাক আদি বিশেষভাৱে প্ৰণিধানযোগ্য। ৰুদ্ৰ বৰুৱাৰ এটি গীতত এনে এক প্ৰকাশ দেখো যে, সেই গীত তেওঁ যেন কেশৱ মহন্তক লৈয়েই ৰচনা কৰিছিল :

'তোমাৰ কবিতা মোৰ সুৰ লৈ
হ'ব যুগমীয়া গান
কালৰ পাতত দুয়োৰে জীৱন
কৰি যাম মহীয়ান'

সংগীত ক্ষেত্ৰতে জীৱনৰ সৰ্বাধিক কাল পাৰ কৰা ৰুদ্ৰ বৰুৱাই অভিনয় কৰিছিল নলীন দুৱাৰৰ 'মমতা' আৰু শিবপ্ৰসাদ ঠাকুৰৰ 'বোৱাৰী'ত। 'মমতা'ৰ অভিনয়ৰ বাবে তেওঁ ভাৰতৰ তদানীন্তন ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলী আহমেদৰ পৰা মেডেল্লো পাইছিল। আমাৰ এই লেখাত মূলতঃ তেওঁৰ গীতিকাৰ জীৱনতহে ৰথৰ্কিকিং আলোকপাত কৰাৰ প্ৰয়াস কৰা হ'ল। আশা কৰো বিজ্ঞজনে ৰুদ্ৰ বৰুৱা আৰু তেওঁৰ অৱদানৰ উচিত মূল্যায়নৰ ভাৰ কান্ধ পাতি ল'বলৈ নাপাহৰিব।।

❖ ❖ ❖

ফুলৰে চানেকী চাই মই থাকোতে...

নয়ন প্ৰতীম কুমাৰ

সীমাহীন আত্মিক সম্বন্ধৰে এখন সহজ- সৰল গাঁৱৰ ছবি আঁকি, অনুভূতিৰ মায়াজালেৰে শ্ৰোতাক বন্দী কৰিব পৰাটো এটা অন্যতম বৈশিষ্ট্য আছিল ৰুদ্ৰ বৰুৱাৰ গীতৰ। থলুৱা ভাব-ভাষা তথা জীৱন ৰঙৰ সমাহাৰেৰে আপোন গাঁৱৰ নান্দনিক চিত্ৰণ ৰুদ্ৰ বৰুৱাৰ গীতত অন্তঃসলিলা ফল্গু সদৃশ। যিটোৰ প্ৰভাৱ আজিও নিৰবধিৰূপে অসমীয়া সংগীতৰ জগতখনত বৈ আছে। কিছুমান নিচেই চিনাকি দৃশ্য অথচ সেইবোৰক কল্পনা আৰু সুৰৰ মাধ্যমেৰে সুন্দৰৰ সাগৰত স্বৰ্গীয় অনুভূতিৰ পানচৈ মেলি দিছিল ৰুদ্ৰ বৰুৱাই। য'ত নাছিল কোনো কৃত্ৰিমতা। যদিহে কিবা এটা আছিল তেনেহ'লে সেইটো হালৰ মুঠিত ধৰি সোণ চেকুৰা বিচৰা ৰুদ্ৰ বৰুৱাৰ আন এটা ৰূপহে, যিটোত খাটি খোৱা হালোৱা তথা দাৱনীৰ আঁৰ-বেৰ নোহোৱা জীৱনৰ দম্ভাবেজ সুন্দৰৰূপে লিপিবদ্ধ হৈ আছে। কি সুন্দৰ শৈলী অপূৰ্ব ভাব আৰু সুৰৰ সবুজ সমলয় ৰুদ্ৰ বৰুৱাৰ এই গীতটি :

'অ' বন্ধু সময় পালে আমাৰ ফালে
এবাৰ আহি যাবা
সহজ-সৰল গাঁৱৰ জীৱন
খন্তেক বৈ চাবা।'

নাঙঠ শিশুৰ ধূলিৰ খেলা হয়তো কোনোবা এখন গাঁৱৰ চিনাকি দৃশ্যও হ'ব পাৰে! গাঁৱত হয়তো জীৱনৰ মিঠা মিঠা ছন্দও থাকিব পাৰে! কিন্তু একোখন গাঁৱৰ দৃশ্যৰাজিক ইমান আপোনভাৱে অথবা ইমান স্পষ্টকৈ খোদিত কৰিব পৰাটো অকল চমৎকাৰেই নহয় দূৰদৃষ্টিও। অথচ তেওঁ সেইটো সহজভাৱে সম্পন্ন কৰি জনৈক বন্ধুক গাঁৱলৈ মাতিছিল এনেদৰে - য'ত গ্ৰাম্য জীৱনৰ সুন্দৰ প্ৰতিচ্ছবি এখন জিলিকি উঠিছিল --

'নাঙঠ শিশুৰ ধূলিৰ খেলা
বৈ বৈ তাতে চাবা
অশিক্ষিত লাজুক সিহঁত
কাষলৈ নামাতিবা
চহৰৰ পৰা কিবা নিজে
দূৰৰ পৰাই দিবা।'..........

অৱশ্যে আমাৰ বাবে দুখৰ বিষয় এয়াই যে ৰুদ্ৰ বৰুৱাই অংকন কৰা অসমীয়া গাঁৱৰ সঁচা ছবিখন আজিও বেছি ভাগ ঠাইতে দুখলগা হৈয়েই আছে। আজি হয়তো তেওঁৰ গীতটো শুনি আমি আপোন পাহৰা হৈছো, কিন্তু গাঁৱলীয়া সমাজখনে হয়তো আমি আনন্দিত হোৱা বুলি শুনিলে খুবেই দুখ পাব। আচলতে, ৰুদ্ৰ বৰুৱাই জনৈক চহৰীয়া বন্ধুক এইবাবেই গাঁৱলৈ নিমন্ত্ৰণ জনাইছিল যে তেওঁ হয়তো খাল-বিলৰ ঘোলা পানী অথবা যান-বাহনৰ সুযোগ নাপাই অলপ চিন্তিত হৈ গাঁৱৰ হকে কাম কৰিলেহেঁতেন। জনৈক বন্ধুৱে যাতে গাঁৱৰ দুৰৱস্থা দেখি চহৰলৈ ভিৰাই লৰ দিব নালাগে তাৰ বাবেহে তেওঁ এনে ধৰণৰ গীতৰ সৃষ্টি কৰিছিল যেন ভাব হয়। ৰুদ্ৰ বৰুৱাই গাঁৱৰ ৰূপ বৰ্ণনা কৰাতেই ক্ষান্ত নাথাকি তাৰ সমস্যা সমাধানৰ অৰ্থেও হয়তো চিন্তা কৰিছিল। আনকথাত গাঁৱত ডাঙৰ-দীঘল হৈ চহৰত থাকিবলৈ যোৱা তথাকথিত চহৰীয়াবোৰলৈ ৰুদ্ৰ বৰুৱাই এই গীতটিৰে আবেদন (গাঁৱৰ উন্নতিৰ কাৰণে) কৰা বুলিও ভাবিবৰ থল আছে।

যি কি নহওক ৰুদ্ৰ বৰুৱাৰ কেঁচা মাটিৰ গোন্ধ বুটলিবলৈ কষ্ট হোৱা নাছিল। সেই গোন্ধৰ লগত একাকাৰ হৈ যোৱা মন এটাও অনবৰতে গাঁৱে-ভূঞে ঘূৰি ফুৰিছিল। সৌন্দৰ্য পিয়াসী ব্যক্তিক আকৰ্ষণ কৰিব পৰাকৈ অসমৰ গাওঁসমূহত সিঁচৰিত হৈ আছে অনেক সাংস্কৃতিক সমল। প্ৰয়োজন হয় মাথোঁ গভীৰ আত্মীয়তা তথা মনৰ সঁফুৰা মেলি জীৱনৰ সংজ্ঞা বিচাৰি যোৱাৰ পূত প্ৰৱণতা। সেয়েহে ৰুদ্ৰ বৰুৱাই সৃষ্টি কৰিব পাৰিছিল-

'পকা ধানৰ মাজে মাজে সৰু সৰু আলি ঐ
সৰু সৰু আলি।
আলিত পৰি গীত জোৰে জাক
বালিমাহী।।
হিম চেঁচা বতাহ আহি ধান গ'লে চুমি
দাৱনীয়ে হাতত কাঁচি খৰাই ল'লে তুলি।'

অৱশ্যে আঘোণমহীয়া পথাৰৰ সোণালী গোন্ধক বুকুত বান্ধিয়েই ৰুদ্ৰ বৰুৱা ক্ষান্ত হোৱা নাছিল। হোজা গাঁৱলীয়া কৃষকে যেতিয়া কপালৰ ঘাম মাটিত পেলাই কৰা শ্ৰমখিনিক কোনোবা শোষক শ্ৰেণীয়ে আত্মসাৎ কৰিব বিচাৰিছিল, তেতিয়া তেওঁৰ সংগ্ৰামী সত্তাটো গৰ্জি উঠিছিল শৈল্পিক দৃষ্টিভংগীৰে। অৰ্থাৎ শিল্পীয়ে শোষক শ্ৰেণীৰ জয়গান নাগায়। কৃষকৰ কেঁচা ঘামখিনিৰ গুৰুত্বতা তেওঁ অনুধাৱন কৰিব পাৰিছিল আৰু সেয়েহে মাৰ্ক্সীয় দৃষ্টিভংগীৰে ঘোষণা কৰিছিল এই বুলি --

'এইখন পথাৰ
এই মাটি কাৰ
তুমি যদি থৈছ কৰা তোমাৰ

আমি যদি খেতি কৰো আমাৰ
বোকা পানী নখচাকে
কয় যদি কোনোবাই
মোৰ মাটি, মোৰ অধিকাৰ
সময়ে নেমানে সেই
দম্ভ আৰু মিছা অহংকাৰ।'..........

'নাঙল মুঠিত যাৰ, শস্য শ্যামলা মাটি তাৰ' - এইটো ৰুদ্ৰ বৰুৱাৰ এটা সংগ্ৰামী ৰূপ যদিও ইয়াতেই আবদ্ধ নহয় তেওঁৰ জীৱন পানচৈ। তেওঁৰ গীতৰ সঁফুৰাত চকু ফুৰালেই দেখিবলৈ পোৱা যায় বিষয়বস্তুৰ বহুৰঙী মালিতা। বিশেষকৈ 'প্ৰেম'ৰ পৃথিৱীত ৰুদ্ৰ বৰুৱা এক প্ৰেমিক অশ্বাৰোহী। কেতিয়াবা যদি 'অ' বুলবুল অ' তুলতুল/ অ'সেউতী তৰা / লুকা-ভাকু ভাল নালাগে/ খেল কইনা-দৰা/..... .হৈ উমলিছে, কেতিয়াবা আকৌ দুৰন্ত প্ৰেমিক হৈ ভৰদুপৰীয়া তাঁতশালত বহি থকা কোনোবা প্ৰেমিকাৰ উগুল-থুগুল ভাবক গীতৰ কথাৰে বৰ্ণনাও কৰিছে —

'তাঁতৰ পাতত বাই গুটি ফুল বাচোঁতে
মাকো সৰি সৰি পৰে
ফুলৰে চানেকি চাই মই থাকোতে
মনে পতি কেনা লাগে।'............

ৰুদ্ৰ বৰুৱাৰ গীতত অভিমানো আছে। নামহীনা প্ৰেয়সীক প্ৰেমৰ বতৰা দিয়া হৃদয়ৰ সংবাদ যেনেকৈ আছে, ঠিক তেনেদৰে কিবা এটা নোপোৱাৰ বেদনায়ো ক্ৰিয়া কৰিছে। তেনে এটা গীতৰ কলিতেই তাৰ আভাস পোৱা যায় -

'মোৰ গান যদি তুমি নুবুজিলা
নেলাগে কোনেও বুজিব
তোমাৰ হিয়াৰ তাঁৰ নকঁপিলে
নেলাগে বতাহো কঁপিব।'............

অৱশ্যে সেই প্ৰেমৰ প্ৰেয়সীৰ সৈতে প্ৰেমৰ সাগৰত সাঁতুৰিবৰ প্ৰকাশ আছে সঁচা কথা। কিন্তু সেয়া দেহসৰ্বস্ব নহয়। সেই প্ৰেমত কামনাও আছে বাসনাও আছে, কিন্তু সেয়াই শেষ সত্য নহয়। আচল সত্যটো হৈছে ধৰণীৰ ধুনীয়া বিচাৰি জীৱন আহুতি দিব খোজা প্ৰেমৰ সাৰ্বজনীন সত্তাহে। তেওঁৰ ভাষাত ক'বলৈ হ'লে —

'জীৱনৰ যত আশা কামনাৰে
মোৰ হৃদয়ৰ ৰং ৰহণেৰে

আঁকিছো নিজকে পাহৰি গৈ।
সেই লিখনিত তোমাৰ ছবিটি
নেদেখা তুমিয়েই যদি
নেলাগে কোনেও দেখিব
মোৰ শিল্পী হৃদয়ে নামানিব পৰাজয়
জীৱন নাপাই সৃষ্টিয়ে যদি
তুলিকা তাতেই নপৰে ভাগৰি
এই ধৰণীৰ ধুনীয়া বিচাৰি
জীৱন আহুতি দিব।'

আচলতে প্ৰেয়সীৰ হাতে হাত ধৰি জীৱনত উপলব্ধি কৰাৰ উদাত্ত আহ্বান আছিল ৰুদ্ৰ বৰুৱাৰ বাসনা। কামনা আছিল সৌন্দৰ্যক ধৰিবলৈ হৃদয় তুলিকাৰে সপোন ৰচাৰ। য'ত নামহীনা প্ৰেয়সী মাথোঁ মন্ত্ৰহে। বীজমন্ত্ৰ আছিল জীৱন-প্ৰেমৰ অহৈতুকী প্ৰীতি।

❖ ❖ ❖

স্মৃতিৰ সেন্দুৰীয়া আলিৰে
শিল্পী আৰু সাংস্কৃতিক সংগঠক ৰুদ্ৰ বৰুৱা

কুমুদ তালুকদাৰ

পকাধানৰ মাজে মাজে
সৰু সৰু আলি অ'
সৰু সৰু আলি..........

তাহানি দিনৰ পৰা শুনি অহা এই চিৰসেউজ গীতটিয়ে আজিও শ্ৰোতাসকলৰ মনত নতুন ৰূপত ধৰা দিয়ে আৰু সৃষ্টি কৰে এক অনন্য নিৰ্যাস। প্ৰকৃতি আৰু সহজ-সৰল গ্ৰাম্য জীৱনৰ অকৃত্ৰিম চিত্ৰসমূহৰ সংমিশ্ৰণে হেন্দোলনি তোলা এনে অসংখ্য গীতৰ বাবেই স্ৰষ্টা ৰুদ্ৰ বৰুৱা আজিও অসমীয়া সমাজ জীৱনৰ বাবে চিৰ তৰুণ। তেওঁ আছিল এগৰাকী স্বভাৱসুলভ শিল্পী। সৰুকালিৰে পৰা প্ৰত্যক্ষ কৰা গ্ৰাম্য জীৱনৰ ভিন্ন উপাদানসমূহক গীত-পদ, নাট আদিৰ মাজেৰে স্বভাৱজাত দক্ষতাৰে সমাজৰ মাজলৈ ঠেলি দিয়াত তেওঁ কৃতকাৰ্যতা লাভ কৰিছিল। ৰৈ থকা নৈৰ পাৰৰ সৰু গাঁওখন, পুৱাৰ কিৰণে উদ্ভাসিত কৰা নৈৰ গৰা, ঘাটলৈ পানী নিবলৈ অহা গাভৰুজাকৰ সৌন্দৰ্য আদিক তেওঁ যিদৰে প্ৰাণবন্তকৈ অংকন কৰিছিল, তেনে দক্ষতা কোনো গীতিকাৰ অথবা লেখকে আজি পৰ্যন্ত দেখুৱাব পৰা নাই।

ৰুদ্ৰ বৰুৱাৰ গীত আৰু লেখাসমূহৰ যে কেৱল অস্থি মজ্জালৈ অসমীয়া সমাজ জীৱনৰ প্ৰতিটো উপাদান অন্তৰ্নিহিত হৈ আছে তেনে নহয়। তেওঁৰ প্ৰতিটো কৰ্ম, চিন্তা-ভাৱনা, পিন্ধন-উৰণ সকলোতে আছিল অসমীয়া সংস্কৃতিৰ অনামী গোন্ধ। পুৰণিগুদামত থকা শিল্পীগৰাকীৰ ঘৰখনতেই নহয়, গুৱাহাটীৰ এ-আই-ডি-চিত থকা তেওঁৰ ঘৰখনৰ সকলোবোৰ বয়বস্তুতে অসমৰ থলুৱা সংস্কৃতিৰ পৰশ বিদ্যমান। এ-আই-ডি-চিত থকা ঘৰত লগ পোৱা বৰুৱাৰ পত্নী আৰতি বৰুৱাই কোৱা মতে সময়ৰ সন্তীয়া বতাহে তেওঁৰ স্বামীক স্পৰ্শ কৰিব পৰা নাছিল। বৈবাহিক জীৱনে আনি দিয়া বিপুল অভিজ্ঞতাৰ বিষয়ে উল্লেখ কৰি শিল্পী পত্নী গৰাকীয়ে কয় যে তেওঁৰ জীৱন কালত পৰিয়ালৰ সকলোৱে কাঁহৰ কাঁহীত ভাত খাইছিল। স্বামীৰ এনে কাম-কাজ আৰু আদৰ্শই আৰতি বৰুৱাক জীৱনৰ বিয়লি বেলাও আজিও উদ্বুদ্ধ কৰি ৰাখিছে

সোণসেৰীয়া কথা, হৃদয় স্পৰ্শ কৰিব পৰা কথা আৰু সুৰেৰে অসমৰ সঙ্গীত জগতত

ৰুদ্ৰ বীণাৰ তান

যুগে যুগে অমৰত্ব লাভ কৰা এই গৰাকী শিল্পীৰ জন্ম হৈছিল নগাঁও জিলাৰ পুৰণিগুদামৰ ভীমৰ গাঁৱত ১৯২৬ চনৰ ২৬ নৱেম্বৰত। পিতৃ ৰবদা কান্ত বৰুৱাক অকালতে হেৰুৱাই ৰুদ্ৰ বৰুৱা শৈশৱতে অকৃত্ৰিম পিতৃ স্নেহৰ পৰা বঞ্চিত হৈ দিশহাৰা হৈ পৰিছিল। অভাৱ অনাটনে জুৰুলা কৰা বৰুৱাৰ স্কুলীয়া জীৱনটো অতিশয় দুৰ্দশাগ্ৰস্ততাৰ মাজেৰে আৰম্ভ হৈছিল। আকাশৰ তৰা লেখিব পৰা উৰুলা পঞ্জাত থাকি তেওঁৰ মন বিষাদেৰে ভৰি পৰিছিল। কিন্তু এই অভাৱ-অনাটন আৰু আৰ্থিক দৈন্যতাই বৰুৱাৰ সৃষ্টিকামী মানসিক প্ৰাণ ধাৰাৰ সৃষ্টি কৰিব পৰা নাছিল। সৰুতে পাল পাতি গৰু চৰাবলৈ যাওঁতে কলং নদীৰ ভেলেউগুৰি চাপৰিত তেওঁৰ মুখেৰে স্বতঃস্ফূৰ্তভাৱে ওলাই আহিছিল অসংখ্য অমৰ সৃষ্টি। কলঙৰ নৈসৰ্গিক সৌন্দৰ্য পান কৰি তেওঁ লিখিছিল-

'পূবে কোণৰ বেলিয়ে
পোহৰ এছাটিৰে জগালে গাঁৱেখনি মোৰ
জুমিয়া সাগৰিৰে গৰাটি ঐ
নামিলে জাকে জাকে গাভৰুবোৰ।'

নিজৰ পল্লীভূমিৰ মোহত মোহাচ্ছন্ন হৈ পৰা শিল্পী বৰুৱাই কলঙৰ পাৰতেই লিখিছিল 'লোকগীত নৱ পাৰতে মোৰ, সৰুতে গাঁওখনি অৱশেষ'। তেওঁৰ এই সৃষ্টি কৰ্মৰ মূলতে অৰ্থাৎ মাতৃ হীৰালতা বৰুৱাৰ প্ৰেৰণা আছিল অপৰিসীম। হীৰালতা বৰুৱাৰ আছিল এটি শিল্পী সুলভ মন। মাতৃগৰাকীয়ে আৰ্দাহ বৰুৱাই কোৱা মতে তেওঁ হেনো পুতেক আৰু ভায়েকলৈ লিখা চিঠি পত্ৰবোৰো কবিতাৰ আকাৰত লিখিছিল। হয়তো ৰুদ্ৰ বৰুৱাই কবিসুলভ মানসিকতা মাতৃ দেৱীৰ পৰাই লাভ কৰিছিল।

দৰিদ্ৰতা আৰু সীমাহীন দুৰ্দশাৰ মাজেদি শৈশৱ কটোৱা ৰুদ্ৰ বৰুৱাই পুৰণি গুদাম হাইস্কুলৰ পৰাই মেট্ৰিকত সুখ্যাতিৰে উত্তীৰ্ণ হয়। আৰ্থিক দীনতাৰ এচৰতো দাব নমনা বৰুৱাই নগাঁও কলেজৰ পৰা আই এ পাছ কৰে। ইয়াৰ পাছতেই যেন তেওঁৰ জীৱনৰ গতিপথৰ কিছু পৰিৱৰ্তন ঘটে। এই পৰিৱৰ্তনৰ পথ নিৰ্দেশনা কৰিছিল মাজু মামীয়েক পদ্মাৱতী হাজৰিকাই। সঁচা অৰ্থত এইগৰাকী নাৰী ৰুদ্ৰ বৰুৱাৰ বাবে মাতৃতকৈ কোনো গুণে কম নাছিল। তেওঁৰ পৰামৰ্শ মতেই শিলঘাটত থকা মাজু মোমায়েক মাণিক হাজৰিকাই ৰুদ্ৰ বৰুৱাক শিলঙলৈ নি সেন্ট এন্থনি কলেজত বি এ পঢ়িবলৈ দিয়ে। সেই সময়তে সৰু মোমায়েক প্ৰেম হাজৰিকাই বৰুৱাক এটি সৰু চাকৰি যোগাৰ কৰি দিয়ে। ফলত চাকৰি কৰি আৰ্থিক দিশত কিছু সকাহ লাভ কৰাৰ লগতে সমানে পঢ়া শুনাও চলাই গৈছিল।

ৰুদ্ৰ বৰুৱা আছিল পিতৃ-মাতৃৰ একমাত্ৰ পুত্ৰ সন্তান। বাইদেউ কুসুম কুমলা আৰু ভনীয়েক স্নেহ বৰুৱা আছিল প্ৰগতিবাদী জোৱাৰী। দেউতাক ৰবদা কান্ত বৰুৱাই ৰক্ষণশীলতাৰ সীমা ভাঙি প্ৰচণ্ড সাহসিকতাৰ পৰিচয় দিছিল। দেশে স্বাধীনতা লাভ

কৰাৰ পূৰ্বে যেতিয়া সমগ্ৰ অসমীয়া জাতিৰ মন-প্ৰাণ অন্ধবিশ্বাস আৰু কু-সংস্কাৰেৰে পৰিপূৰ্ণ আছিল, সেই সময়তো জীয়াৰী দুগৰাকীক নগাঁও মিছন স্কুলৰ ছাত্ৰী নিবাসত ৰাখি পঢ়ুৱাইছিল। ইয়াৰ বাবে সমাজৰ গোড়া, ৰক্ষণশীল জনসাধাৰণৰ দ্বাৰা কৰ্থনাৰ সন্মুখীন হৈছিল। খ্ৰীষ্টানৰ লগত থাকি ছোৱালীৰ জাতি ভ্ৰষ্ট হ'ব বুলি অনেকে নিন্দাও কৰিছিল। কিন্তু নিন্দুকসকলৰ কৰ্থনাৰ প্ৰতি কাণসাৰ নিদি প্ৰগতিশীল মনৰ অধিকাৰী বৰদাকান্ত বৰুৱাই জীয়াৰীহঁতক উপযুক্ত শিক্ষাৰে সু-শিক্ষিত কৰি গঢ় দিছিল। দেউতাকৰ এই প্ৰগতিবাদী আৰু নিৰ্ভীক মানসিকতা ৰুদ্ৰ বৰুৱাৰ চৰিত্ৰতো উদ্ভাসিত হৈ পৰিছিল। নিজৰ দক্ষতা আৰু কৰ্ম প্ৰতিভাৰ বিষয়ে জহাই ফুৰাতকৈ কামৰ গভীৰতা উপলব্ধি কৰোৱাৰ ওপৰত তেওঁ সদায় গুৰুত্ব আৰোপ কৰিছিল।

দেশ আৰু জাতিৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেমৰ বাবেই তেওঁ হাইস্কুলত পঢ়ি থকা সময়তে ভাৰতবৰ্ষৰ স্বাধীনতাৰ যুঁজত মুক্তিকামী সকলৰ স'তে জঁপিয়াই পৰিছিল। স্বাধীনতাৰ হকে যুঁজিবলৈ ছাত্ৰ কংগ্ৰেছত যোগ দিয়া ৰুদ্ৰ বৰুৱাই মেলে-মিটিঙে উদাত্ত ভাষণ দি জনগণক দেশপ্ৰেমেৰে উদ্বুদ্ধ কৰিছিল। তেওঁৰ ভাষণত উদ্ভাসিত হৈছিল প্ৰবল জাতীয়তাবোধ। স্বাধীনতা সংগ্ৰামৰ নেতাসকলে স্কুল কলেজত ভাষণ দিবলৈ কিশোৰ ৰুদ্ৰ বৰুৱাক লগত লৈ গৈছিল। আনকি মাইক লওঁতে লওঁতে তেওঁৰ মুখত চিন বহি গৈছিল। তেওঁ এইবোৰলৈ যাওঁতে সদায় ধুতি আৰু খদ্দৰ পিন্ধিছিল। এদিন এই পোছাক পিন্ধি স্কুললৈ যাওঁতে শিক্ষকে তেওঁক শ্ৰেণী কোঠাৰ পৰা উলিয়াই দিছিল।

সংগীত আছিল ৰুদ্ৰ বৰুৱাৰ চিৰলগৰী। সংগীত সুধা পান কৰিবলৈ তেওঁ সকলো সময়তে উদগ্ৰীৱ হৈ আছিল। সংগীতৰ প্ৰতি থকা ধাউতিৰ কথা উল্লেখ কৰি বৰুৱাৰ সহধৰ্মিণী আৰতি বৰুৱাই কয়, 'বৌয়েকক থ'বলৈ তেওঁ প্ৰায়ে চতিয়ালৈ গৈছিল। ইয়াৰ কাৰণ, তাত আছিল সংগীতৰ এক সুন্দৰ পৰিবেশ। তেওঁ গ'লেই সকলোৱে গান গাবলৈ দিছিল আৰু গান শুনি আপ্লুত হৈ কিবাকিবি পুৰস্কাৰ দিছিল। সেই উৎসাহতে তেওঁ তালৈ প্ৰায়ে গৈছিল।' ৰুদ্ৰ বৰুৱাৰ গানৰ প্ৰতি থকা স্পৃহা দেখিলে আচৰিত হ'ব লাগে। সেই সময়ত আজিকালিৰ নিচিনা ঘৰে ঘৰে ৰেডিঅ' বা গ্ৰাম'ফোন নাছিল। তেওঁলোকৰ ঘৰৰ পৰা ছয় কিলোমিটাৰ দূৰত থকা এঘৰৰ গ্ৰাম'ফোন শুনিবলৈ তেওঁ নিতৌ খোজকাঢ়ি গৈছিল। তাত তেওঁ গানবোৰ শুনি সেইবোৰ শিকিবলৈ যত্ন কৰিছিল।

ৰুদ্ৰ বৰুৱাৰ ঘৰৰ গাতে লাগি আছিল এটি ৰাজহুৱা নামঘৰ। সদায় তাত নাম-কীৰ্তন হৈছিল আৰু সেইবোৰ অতি মনোযোগেৰে শুনি আয়ত্ত কৰিবলৈ যত্ন কৰিছিল। সেইবাবেই হয়তো তেওঁৰ গীতবোৰত সততে কেঁচা মাটিৰ গোন্ধ পোৱা গৈছিল। বৰুৱাৰ গীতবোৰত আছিল একো একোটা সুমধুৰ ঘটনা। ঘৰত কাম কৰা ল'ৰা-ছোৱালীৰ মুখত শুনা ধলুৱা গীত-মাতবোৰো তেওঁ নতুনকৈ কথা আৰু সুৰ সংযোগ কৰি অনন্য ৰূপত সৃষ্টি কৰিছিল।

মাকন বাইটি নামৰ ওচৰ চুবুৰীয়াৰ বিয়া-বাৰুত ঘৰে ঘৰে বিয়ানাম গাই ফুৰা

মানুহজনীক লৈ 'হঁয়েৰা জেতুকী বাই' শীৰ্ষক জনপ্ৰিয় গীতটো লিখিছিল। মাকন বাইৰ কথা মনত পেলাই সহধৰ্মিণী আৰতি বৰুৱাই কয়, 'মই বিয়া হৈ অহাৰ পাছতো মানুহজনীক পাইছিলো। সুন্দৰ সুন্দৰ বিয়া গীত গাব জনা মানুহজনীৰ ঘৰ তেওঁলোকৰ ঘৰৰ একেবাৰে ওচৰতে আছিল। বিয়াই-সবাহে গীত গাই আনক আনন্দ দি ফুৰা মানুহজনীয়ে এদিন নিজৰ ঘৰটো বন্ধকত থ'বলগীয়া হৈছিল। তাইৰ দুৰ্দশাগ্ৰস্ত ৰূপটোক লৈ এওঁ গীতটো লিখিছিল। মোৰ এতিয়াও মনত আছে -- মই ন-কইনা হৈ অহাৰ দিনাই মাকন বাইটিয়ে এটি বৰ সুন্দৰ বিয়াগীত গাইছিল। গীতটো শুনি এওঁ দৰাৰ সাজেৰেই গীতটো লিখি আয়ত্ত কৰি লৈছিল।'

ৰুদ্ৰ বৰুৱাই বিবাহপাশত আবদ্ধ হোৱা আৰতি বৰুৱাৰ জন্ম হৈছিল অভিজাত সম্পন্ন এটি ঐতিহ্যমণ্ডিত ভূঞা পৰিয়ালত। ব্ৰিটিছৰ দিনৰ হাকিম তথা পিতৃ চন্দ্ৰকমল ভূঞাৰ ঘৰ তেজপুৰত হ'লেও আৰতি বৰুৱাৰ জন্ম হৈছিল যোৰহাটত আৰু পঢ়া-শুনা কৰিছিল শ্বিলঙত। ৰুদ্ৰ বৰুৱা শ্বিলঙত থকা সময়তে ১৯৫৫ চনত তাতেই আৰতি বৰুৱাৰ সৈতে বিবাহপাশত আবদ্ধ হয়। আৰতি বৰুৱাৰ ককাদেউতাক মহিধৰ ভূঞা আছিল প্ৰখ্যাত মৌজাদাৰ। ইংলেণ্ডত হোৱা 'বিশ্ব প্ৰদৰ্শনী'ত অসম চৰকাৰৰ অনুৰোধ মৰ্মে তেওঁ কেবাযোৰো পাট-মুগাৰ কাপোৰ পঠিয়াই দি অসমীয়া শিল্প নৈপুণ্যৰে সকলোকে বিস্মিত কৰিছিল। আনকি তেওঁ এই কাপোৰবোৰ কেনেকৈ পিন্ধিব লাগে তাৰ ফটোগ্ৰাফো প্ৰদৰ্শনীলৈ পঠিয়াই দিছিল।

ৰুদ্ৰ বৰুৱা আৰু আৰতি বৰুৱাৰ জীৱনলৈ আহিছিল তিনি গৰাকীকৈ পুত্ৰ সন্তান। দিনে নিশাই সমাজ আৰু দেশৰ বাবে কাম কৰিও ৰুদ্ৰ বৰুৱাই পুতেকহঁতক সু-নাগৰিক কৰি গঢ়ি তোলাত সদায় গুৰুত্ব দিছিল। বৰ্তমান মীন সঞ্চালকৰ নিচিনা গুৰুত্বপূৰ্ণ পদবীত কাৰ্য্যনিৰ্বাহ কৰি থকা সৰুপুত্ৰ স্বপ্নীল বৰুৱাই আজিও দেউতাকৰ আদৰ্শ আৰু পৰামৰ্শৰাজিক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। দেউতাকৰ সেই অমোঘ বাণী আজিও হৃদয়ত সাৰোগত কৰি ৰখা স্বপ্নীল বৰুৱাৰ ভাষাৰে 'দেউতাই সদায় কৈছিল নিজক কেতিয়াও জাহাই নুকৰিবা। নিজৰ গভীৰতা নিজে উপলব্ধি কৰিবলৈ যত্ন কৰিবা। পানত গজা নহ'বা, কামৰ গভীৰতা থাকিলে সি নিজে নিজে এদিন ওলাই পৰিবই।' দেউতাই সদায় কৈছিল 'আমি অসমীয়া সংস্কৃতিৰ ধ্বজাবাহক হ'ব লাগিব। বাহিৰৰ পৰা কোনো মানুহ আহিলে, অসমীয়া সমাজ আৰু সংস্কৃতি মানে কি তাৰ পৰিচয় আমাৰ ঘৰখনত আহি পাব লাগিব।' ইতিমধ্যে উপায়ুক্তৰ নিচিনা মৰ্যাদাসম্পন্ন পদবীতো সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰি অহা স্বপ্নীল বৰুৱাই গভীৰ দুখেৰে কয়, 'আজি আমাৰ সমাজত পানত গজা মানুহৰ পয়োভৰ হৈছে। নিজৰ স্বাৰ্থ বাদ দি কাম কৰা মানুহৰ অভাৱ হৈছে। বিশেষকৈ বুদ্ধিজীৱীসকলে কোনো সংগঠনত কৰ্মী হিচাপে অংশগ্ৰহণ কৰাতকৈ কিবাকবীয়া হিচাপে আগভাগ লোৱাতহে অধিক গুৰুত্ব দিবলৈ লৈছে। কিন্তু এই ক্ষেত্ৰত দেউতা আছিল

এক ব্যতিক্ৰম। স্বপ্নীল বৰুৱাই ১৯৮৭ চনত নগাঁৱৰ প্ৰখ্যাত মজিন্দাৰ বৰুৱাৰ বংশৰ কন্যা অৰুন্ধতী বৰুৱাৰ সৈতে বিবাহ পাশত আবদ্ধ হয়।

ৰুদ্ৰ বৰুৱাৰ দ্বিতীয় সন্তান নভনীল বৰুৱা নিউৰ'ছাৰ্জাৰী বিভাগৰ বিশিষ্ট চিকিৎসক। শৰ্মিষ্ঠা বৰুৱাৰ সতে বিবাহ হোৱা নভনীল বৰুৱা থাকে গুৱাহাটীৰ বামুণীমৈদামত। ৰুদ্ৰ বৰুৱাৰ তৃতীয় তথা কনিষ্ঠ সন্তান অভ্ৰনীল বৰুৱা থাকে সুদূৰ ছানফ্ৰান্সিছক'ত। কম্পিউটাৰ ইঞ্জিনিয়াৰ অভ্ৰনীলে বিয়া কৰাইছে মৃদুস্মিতাক। অভ্ৰনীল বৰুৱা আৰু মৃদুস্মিতা ডেকা বৰুৱাই বিদেশতো পিতৃৰ গীতসমূহৰ চৰ্চা অব্যাহত ৰাখি তাত থকা প্ৰবাসী অসমীয়াসকলক আপ্লুত কৰিছে।

এয়া আছিল শিল্পী ৰুদ্ৰ বৰুৱাৰ জীৱনৰ প্ৰথমচোৱা। তেওঁৰ ৫৪ বছৰীয়া বৰ্ণাঢ্য জীৱনৰ পাছৰছোৱা সাংস্কৃতিক সংগঠক হিচাপে অধিক মহীয়ান। প্ৰচাৰ বিমুখ ৰুদ্ৰ বৰুৱাই অসমীয়া সংস্কৃতিৰ প্ৰসাৰ আৰু পৰিবৰ্ধনৰ বাবে যিমানখিনি অৱদান আগবঢ়াই গৈছে, সিমানখিনি আজিলৈ কোনো সংস্কৃতিপ্ৰেমীয়ে একক ভাৱে আগবঢ়াব পৰা নাই বুলি ক'লেও বঢ়াই কোৱা নহ'ব। তেওঁৰ এই অৱদানৰ কথা অসমীয়া জনসাধাৰণৰ বহুতৰে বাবে অজ্ঞ হ'লেও সিংহ পুৰুষ ৰাধাগোবিন্দ বৰুৱাই অসমৰ ক্ৰীড়াজগতৰ বাবে যিমান অৱদান আগবঢ়াই গৈছে, অসমৰ সাংস্কৃতিক জগতলৈ সিমানেই বৰঙণি আছে ৰুদ্ৰ বৰুৱাৰ আৰু বৰুৱাৰ ছায়াত, তেওঁৰ সৈতে বৈবাহিক জীৱন যাপন কৰি মই উপলব্ধি কৰিছো, মানুহজনে নিজকে বিলাইছিল অসমীয়া জাতিৰ পৰিবৰ্ধনৰ বাবে। ক'ৰবাত সংগীতৰ প্ৰতিভা থকা লৰা এজন দেখিলে তেওঁক গুৱাহাটীলৈ লৈ আহি সুবিধা দিছিল। প্ৰতিষ্ঠিত কৰিবলৈ যত্ন কৰিছিল। সত্ৰীয়া নৃত্যই আজি যি স্বীকৃতি লাভ কৰিছে তাৰ বাবে সৌ তাহানিতে ড° মহেশ্বৰ নেওগ, ৰুদ্ৰ বৰুৱা, মণিৰাম দত্ত, মুক্তিৰাম বায়ন আদিয়ে সংগীত নাটক একাডেমীৰ ওচৰত চেষ্টা দিছিল। সত্ৰীয়া নৃত্যক এওঁলোকেই মঞ্চায়ন কৰাত সফলতা লাভ কৰিছিল।

ৰুদ্ৰ বৰুৱাৰ কৰ্মময় জীৱন আছিল বিচিত্ৰ। তেওঁ অসম চৰকাৰৰ কেবাটাও বিভাগত কাম কৰিছিল। কুটিৰ শিল্প বিভাগৰ কেৰাণী হিচাপে চাকৰি জীৱন আৰম্ভ কৰা বৰুৱাই সমবায় শিক্ষা বিষয়া, তথ্য আৰু জন সম্পৰ্কৰক্ষী বিভাগৰ উপ-সঞ্চালক আৰু পাছলৈ সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালকৰ পদ অলংকৃত কৰিছিল। এগৰাকী বিশিষ্ট সাংস্কৃতিক সংগঠকৰ ৰূপত জীৱন মহীয়ান কৰা বৰুৱাৰ অপৰিসীম চেষ্টাৰ ফলতে চাৰু-কাৰু কলা মহাবিদ্যালয় চৰকাৰীকৰণ হয়। '৬২ চনতে প্ৰতিষ্ঠা হোৱা জ্যোতি চিত্ৰবন ৭০ দশকলৈ এৰাবাৰী হৈ পৰি আছিল। জ্যোতি চিত্ৰবনক এৰাবাৰীৰ কৰাল গ্ৰাসৰ পৰা মুক্ত কৰি তেওঁ নতুন ৰূপ দিয়াত ৰাতিকটীয়া ৰূপত অৱতীৰ্ণ হৈছিল। তদুপৰি বাজিাক সংগীত মহাবিদ্যালয় প্ৰতিষ্ঠাতো বৰুৱাই অগভাগ লৈছিল।

ৰুদ্ৰ বীণাৰ তান

অসমৰ সাংস্কৃতিক জগতলৈ ৰুদ্ৰ বৰুৱাই আগবঢ়োৱা অবদানৰ কথা কৈ শেষ কৰিব নোৱাৰি। সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক হৈ থকা সময়ত তেওঁ অসমত নাট্য আন্দোলনৰ এক নতুন ধাৰা সৃষ্টি কৰিবলৈ সক্ষম হয়। এই ধাৰাৰ পূৰ্ণ বিকাশৰ বাবে তেওঁ একাংশ প্ৰতিভাধৰ শিল্পীক লৈ এটি নাট্যদল গঠন কৰিছিল। এইসকলৰ ভিতৰত আছিল হেমন্ত দত্ত, পূৰ্ণিমা পাঠক, চেতনা দাস আদি। নাট্য দলটোত থকা সকলোবোৰ শিল্পীয়েই অসমৰ সাংস্কৃতিক জগতত এতিয়া লব্ধ প্ৰতিষ্ঠ। ৰুদ্ৰ বৰুৱাই প্ৰায় চাৰে তিনিশ মান গীত লিখি সুৰ দি থৈ গৈছে। তদুপৰি অসংখ্য গীতত সুৰ দি জনপ্ৰিয় কৰি তুলিছে। গীতৰ উপৰি তেওঁ অসংখ্য নাট আৰু নৃত্য নাটিকা লিখি থৈ গৈছে। দিল্লী কেন্দ্ৰৰ পৰা প্ৰথম অসমীয়া অনুষ্ঠান হিচাপে প্ৰচাৰিত 'নতুন ভাৰত' নামৰ নৃত্য নাটিকাখন তেওঁ ৰচনা কৰিছিল। ৰাজ্যিক আৰ্ট গেলাৰী, ৰাজ্যিক কলা বিথিকা তেওঁৰ প্ৰচেষ্টাতে প্ৰতিষ্ঠা হৈছিল। কিন্তু তেওঁ এৰি থৈ যোৱাৰ পাছত আজিও এইবোৰ অনুষ্ঠান একে অৱস্থাতে আছে। অসমৰ গাঁৱে-ভূঞে সিচৰিত হৈ থকা চিত্ৰকৰসকলৰ চিত্ৰ সংগ্ৰহ কৰি তেওঁ অসমীয়া চিত্ৰৰ ইতিহাস সংগ্ৰহৰ ব্যৱস্থা কৰিছিল। কিন্তু তেওঁৰ বিয়োগৰ পাছত সেই প্ৰচেষ্টাত কোনেও হাত উজান দিয়া দেখা নগ'ল। সংস্কৃতিৰ মহান সাধক গৰাকীয়ে সুপ্ত প্ৰতিভাসমূহৰ বিকাশ ঘটাই থলুৱা সংস্কৃতিৰ সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। তেওঁৰ এই প্ৰচেষ্টাৰ ফলতেই বৰ্তমানৰ বিশিষ্ট সংগীত শিল্পী প্ৰভাত শৰ্মা, ৰামেশ্বৰ পাঠক, খগেন মহন্ত, নৃসেশ্বৰ বৰবায়ন আদিয়ে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। সত্ৰীয়া সংস্কৃতিৰ বিকাশ আৰু প্ৰসাৰত ৰুদ্ৰ বৰুৱাৰ অবদান সবাতোকৈ বেছি। নৃসেশ্বৰ বৰবায়নক মাজুলীৰ পৰা আনি সংগীত সত্ৰ স্থাপন কৰাত তেওঁ আগভাগ লৈছিল যিটো সম্প্ৰতি সত্ৰীয়া নৃত্য প্ৰণালীবদ্ধ প্ৰশিক্ষণ আৰু সংৰক্ষণৰ একমাত্ৰ অনুষ্ঠান ৰূপে পৰিগণিত হৈছে। তেওঁ উপলব্ধি কৰিছিল সত্ৰীয়া নৃত্যক সত্ৰৰ চাৰিবেৰৰ মাজৰ পৰা উলিয়াই আনিব নোৱাৰিলে ই ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো মানুহৰ মাজত বিস্তাৰ লাভ কৰিব নোৱাৰিব। সেইবাবেই সত্ৰীয়া নৃত্যক মঞ্চলৈ অনাত তেওঁ বাটকটীয়া ৰূপত অৱতীৰ্ণ হৈছিল। অথচ আজি কোনেও চিন্তা কৰা নাই, সত্ৰীয়া নৃত্যই ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰাৰ পাছত কি কৰা উচিত হ'ব।

ৰুদ্ৰ বৰুৱাই অসমীয়া সংস্কৃতিৰ বিভিন্ন অংগসমূহৰ পৰিবৰ্দ্ধনৰ কথাও চিন্তা কৰিছিল। ছিপাঝাৰ অঞ্চলৰ ঢেপাচুলীয়া, মোহন ভাওৰীয়াৰ প্ৰতিভা, বাদিকাৰ দেওধনী নৃত্য, পুতলা নাচ, বস্তু ভালুকজাৰৰ ভৱিষ্যতে ঢুকিব লগীয়া নৃত্যক তেওঁ মৃত্যুৰ মুখৰ পৰা জীয়াই তুলি জনমানসত তেওঁ বিস্তাৰিত কৰিবলৈ প্ৰচেষ্টাৰ ত্ৰুটি কৰা নাছিল।

ৰুদ্ৰ বৰুৱাৰ ভাষাত, 'ইয়াতেই আছে সোণ, চিনাকিব জানিলে ইয়াতেই পাব।' সঁচা কথা অসমৰ চুকে-কোণে পৰি থকা সংস্কৃতিৰ উপাদানসমূহ সংগ্ৰহ কৰি তাক নতুন ৰূপত সজাই তুলিছিল। বাহিৰা জাক-জমকতাৰ পৰা তেওঁ সংস্কৃতিৰ উপাদান সংগ্ৰহ

কৰা নাছিল। ঘৰত কাম কৰা মানুহজনীয়ে বন কৰোতে গোৱা গীত, মুচিজনে জোতা চিলাই কৰোতে বিৰবিৰাই থকা গীতটোতে তেওঁ বিচাৰি পাইছিল থলুৱা সংগীত আৰু মাটিৰ গোন্ধ। বৰগীতৰ প্ৰসাৰৰ বাবেও তেওঁ যথেষ্ট চেষ্টা কৰিছিল। অন্য অসমীয়া শিল্পীৰ মাজত তেওঁ পোন প্ৰথমবাৰৰ বাবে বৰগীতৰ প্ৰতিযোগিতা পাতিছিল। শিল্পী দিবস, ৰাভা দিবস আদি পোন প্ৰথমে অনুষ্ঠিত কৰাতো তেওঁ আগভাগ লৈছিল।

অসমীয়া সাংস্কৃতিক জগতৰ প্ৰতি থকা তেওঁৰ গভীৰ প্ৰেমৰ উদাহৰণ যথেষ্ট আছে। ১৯৭৬ চনত গুৱাহাটীৰ কংগ্ৰেছ মহাসভা হোৱা সময়ত তেওঁ অসীম কষ্টৰে পাহাৰ কাটি কাটি উত্তৰ পূৰ্বাঞ্চলৰ সাতখন ৰাজ্যৰ বাবে পাচোটা 'গ্ৰীণ ৰুম' সাজিছিল। তাৰ খৰচৰ বাবে দিয়া ধনৰ কিছু অংশ ৰাহি কৰি ক্ষীৰদা বিবয়াৰ স'তে তেওঁ ৰবীন্দ্ৰ ভৱনত লাইট চেটৰ ব্যৱস্থা কৰিছিল। এনে উদাহৰণ হয়তো অসমৰ সাংস্কৃতিক জগতত বিৰল।

অভিনেতা আৰু সংগীত পৰিচালক হিচাপেও ৰুদ্ৰ বৰুৱাৰ খ্যাতি বৈ বৈ যোৱা। আঞ্চলিক ভাষাৰ শ্ৰেষ্ঠ ছবি বিবেচিত হৈ ৰাষ্ট্ৰপতিৰ বঁটা লাভ কৰা 'কপ্ৰোল' ছবিৰ এটি কেন্দ্ৰীয় চৰিত্ৰত অভিনয় কৰাৰ উপৰি চলচিত্ৰখনৰ সংগীত পৰিচালকো আছিল ৰুদ্ৰ বৰুৱা। তদুপৰি মমতা, জয়মতী, জেতুকী আদি ছবিতো তেওঁ সুন্দৰ অভিনয় কৰি দৰ্শকৰ মনত ৰেখাপাত কৰিব পাৰিছিল। ৰুদ্ৰ বৰুৱাই তেওঁৰ অন্তিমখন ছবি 'বোৱাৰী'ত মন হঁীৰা দৈ খ্যাত বিজু ফুকনৰ দেউতাকৰ চৰিত্ৰত অভিনয় কৰে।

ৰুদ্ৰ বৰুৱাৰ গীত সহজ-সৰল, যুক্তাক্ষৰৰ আতিশয্যৰ পৰা সম্পূৰ্ণ মুক্ত। বিষ্ণু ৰাভা, জ্যোতি প্ৰসাদৰ গীতত আছে কাব্যিক সৌন্দৰ্য। কিন্তু ৰুদ্ৰ বৰুৱাৰ গীত অসমীয়া গ্ৰাম্য জীৱনৰ উপাদানেৰে টনমল।

তাঁতশাল, পানী অনা জাক জাক গাভৰু, জাকি, ধান চপোৱা আদি বিষয়ক লৈ বোধহয় বৰুৱাৰ বাহিৰে আন কোনেও গীত লিখা নাই। তেওঁৰ গীত কেৱল প্ৰাকৃতিক সৌন্দৰ্যত সীমাবদ্ধ নাছিল, তেওঁৰ গীতত প্ৰতিফলিত হৈছিল মানুহৰ হাঁহি-কান্দোন, সুখ-দুখ, হৰ্ষ-বিষাদ আদিৰ সজীৱ চিত্ৰ। ৰুদ্ৰ বৰুৱাই যি সময়ত শিল্পীৰ পৃথিৱীখনিত আত্মপ্ৰকাশ কৰিছিল ৫০ আৰু ৬০ দশকটোত তেতিয়া অসমৰ আধুনিক সংগীত জগতখন তিনিজন প্ৰসাদ- জ্যোতি, বিষ্ণু, পাৰ্বতীৰ প্ৰসাদেৰে ধন্য হৈ আছিল। ধুমুহাৰ গতিৰে ড° ভূপেন হাজৰিকাই পদাৰ্পণ কৰিছিল তেনে পৰিৱেশতো লুইত কোৱঁৰে ভীমৰ গাৰৰ সবাহৰ পৰা কলাগুৰুৰে উজাই লুইতৰ বুকুৰেদি অসমৰ বৰসবাহলৈ ওলাই আহিছিল। তেওঁৰ নৈবেদ্য আছিল এই অতুলনীয় অসমৰ প্ৰকৃতিৰ সমাজৰ নৈসৰ্গিক চিত্ৰ অঁকা নিমজ গীত আৰু নিচেই চিনাকি ছিৰাৰ সুৰধ্বনি, সেয়ে তেখেতৰ সৃষ্টি সুকীয়া মহিমাৰে মহিমামণ্ডিত প্ৰাণপ্ৰাচুৰ্যৰে পূৰ্ণ।

ৰুদ্ৰ বৰুৱা আছিল হাড়ে-হিমজুৰে অসমীয়া, অসমীয়া সমাজ আৰু সংস্কৃতিৰ প্ৰতি

থকা তেওঁৰ গভীৰ দায়িত্ববোধৰ কথা পত্নী আৰতি বৰুৱাই আজিও শ্ৰদ্ধাৰে স্মৰণ কৰে। 'মই নকৈ ঘৰখনলৈ অহাৰ দিনা তেওঁ মোক কৈছিল, মই অসমীয়া ছোৱালীৰ ৰূপ বৰ্ণনা কৰি গীত লিখো। গতিকে তুমি অসমীয়া ছোৱালীৰ নিজস্বতা ৰক্ষা কৰিবা। তেওঁৰ আত্মোপলব্ধিকেই সাৰোগত কৰি মই সদায় মেখেলা-চাদৰ পিন্ধিছিলো। তেওঁ নিজৰ ঘৰবাৰী বা টকা-পইচাৰ কথা কাহানিও ভবা নাছিল। অসমৰ সাংস্কৃতিক জগতখনলৈ কেনেদৰে প্ৰাচুৰ্য আনিব পাৰে তাৰ বাবেহে সদায় চিন্তা কৰিছিল।'

দুখৰ বিষয় অসমৰ সাংস্কৃতিক জীয়াই তুলি প্ৰাণ-প্ৰাচুৰ্যৰে ভৰাই তুলিবলৈ অহৰহ চেষ্টা কৰা এইগৰাকী শিল্পী সংগঠকক আমি অকালতে হেৰুৱাব লগা হয়। সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি থকা সময়ত ১৯৮০ চনৰ ১৪ ফেব্ৰুৱাৰীত তেওঁ ৫৪ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। সৌভাগ্যৰ বিষয় চহৰাঞ্চলৰ ছিন্নমূল সমাজখনৰ পৰা ৰুদ্ৰ বৰুৱা হেৰাই গ'লেও অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ সাধক গৰাকী আৰু তেওঁৰ সৃষ্টি কৰ্মৰাজি আজিও গ্ৰাম্য সমাজৰ বাবে অতিশয় প্ৰাসঙ্গিক।

বিশিষ্ট শিল্পী

খগেন মহন্তৰ লগত অন্তৰঙ্গ আলাপ

তপন কুমাৰ বৰা

খগেন মহন্ত। অসম বাসী ৰাইজৰ বাবে এটি চিৰ পৰিচিত নাম। বিহুগীত, বনগীত আদি কৰি থলুৱা সুৰৰ পৰম্পৰা ৰক্ষা কৰি শদিয়াৰ পৰা ধুবুৰীলৈকে নিজৰ কণ্ঠৰে জগত জিনিব বিচৰা খগেন মহন্তক আমি লগ পাইছিলো "কুশীলৱ"ৰ ব্যৱস্থাপনাত অনুষ্ঠিত হৈ থকা "লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা"ৰ গীতৰ প্ৰশিক্ষণত। মই আৰু বন্ধুবৰ দেৱজিৎ তালুকদাৰ যেতিয়া খগেন মহন্তক লগ পাবলৈ পুৰণিগুদাম বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈছিলো তেতিয়া তেখেত ব্যস্ত আছিল সন্মুখত বহুসংখ্যক প্ৰশিক্ষাৰ্থীক ৰুদ্ৰ বৰুৱা দেৱৰ "আকৌ ফুলিল আকৌ ফুলিল/কপৌ ফুলৰ থোপা/ ল' ভনীটি ল' বান্ধি ল'/কলডিলীয়া খোপা" নামৰ গীতটো শিকোৱাত। তেনে এক সময়তে খগেন মহন্তৰ লগত হোৱা আমাৰ অন্তৰঙ্গ আলাপৰ একাংশ পাঠকলৈ আগবঢ়ালো।

তেতিয়াহলে আপুনি সংগীত জগতত কেতিয়াৰ পৰা সোমাই পৰিছিল?

মেট্ৰিক পৰীক্ষাৰ পাছত শিলঙত চেণ্ট এন্থনিজ কলেজত আই. এ. ত নামভৰ্ত্তি কৰিলো। তেনে সময়তে সান্নিধ্য লাভ কৰিছিলো অসমৰ প্ৰখ্যাত গীতিকাৰ কেশৱ মহন্তৰ। কেশৱ মহন্তই মোক গীত গাবলৈ উৎসাহ আৰু প্ৰেৰণা যোগাইছিল। ইয়াৰ উপৰি শিলঙলৈ গৈ খেলাৰ পৰিবৰ্তে হাতত তুলি লবলৈ বাধ্য হৈছিলো হাৰমনিয়ামখনক। শিলঙলৈ যোৱাৰ পিছতেই মই পূৰ্ণ গতিত সংগীত চৰ্চা আৰম্ভ কৰিছিলো। এইক্ষেত্ৰত মোক কলেজৰ অধ্যক্ষ ফাদাৰ ফলিয়ে বিশেষ ভাৱে সহায় কৰিছিল। ফাদাৰ ফলিয়ে ভাৰতৰ বিভিন্ন ঠাইত অনুষ্ঠিত হোৱা আন্তঃকলেজ প্ৰতিযোগিতা বিলাকত মোক কলেজৰ পৰা প্ৰতিনিধিত্ব কৰা সুবিধা কৰি দিছিল আৰু সেই প্ৰতিযোগিতা বিলাকত অংশ গ্ৰহণ কৰি মই সফল হৈছিলো। এই দৰেই মই সংগীতৰ জগতখনত ওতঃপ্ৰোত ভাৱে জড়িত হৈ পৰিছিলো।

এই ক্ষেত্ৰত আপোনাৰ আদৰ্শ ব্যক্তি?

- এই ক্ষেত্ৰত মই মোৰ আদৰ্শ ব্যক্তি কোন বুলি সুধিলে একেকোৱেই বিষ্ণু ৰাভা, ৰুদ্ৰ বৰুৱা, কেশৱ মহন্ত আৰু হেমাঙ্গ বিশ্বাসৰ নাম লওঁ।

ৰুদ্ৰ বৰুৱাক আপুনি কেতিয়া লগ পাইছিল?

◆ ১৯৫৫ চনত, শ্বিলঙত। মই শ্বিলঙত পঢ়ি থকা সময়তে ৰুদ্ৰ (বাপু) দাদাৰ লগত আন্তৰিক আত্মীয়তা গঢ়ি উঠিছিল। বাপুদাই মোক খুব মৰম কৰিছিল আৰু মই দিনটোৰ প্ৰায়খিনি সময়েই বাপুদাৰ লগত কটাইছিলো। যাৰ বাবে বাপুদাই লিখা গীত গোবাৰ আৰু শিকাৰ সুবিধা পাইছিলো। ইয়াৰ ওপৰি বাপুদাৰ লগত থকা আন্তৰিক সম্পৰ্কৰ বাবেই মই কেশৱ মহন্তদেৱৰ বহুগীত বাপুদাৰ ওচৰলৈ নি সুৰ দিয়াই গাব পাৰিছিলো।

আপুনি ৰুদ্ৰ বৰুৱাৰ পুৰণি গীতসমূহ আজিৰ নতুন চামটোৱে আঁকোৱালি ল'ব বুলি ভাবেনে?

◆ এই সম্পৰ্কত মই বিৰাট আশাবাদী। মই ভাবো বাপুদাৰ গীত নতুন চামটোৱে এদিন হ'লেও আঁকোৱালি ল'ব। অসমৰ মাটি আৰু সুৰৰ ওপৰত ভিত্তি কৰি বাপুদাই গীত ৰচনা কৰিছিল। অসমৰ জাতীয় জীৱন আৰু প্ৰকৃতিৰ ৰূপ বাপুদাৰ গীতত সুন্দৰভাৱে প্ৰকাশ ঘটিছে। গতিকে বাপুদাইতে লিখা গীতবিলাক কেতিয়াও কালৰ গভিত বিলীন হৈ যাব নোৱাৰে। মই এতিয়াই বিভিন্ন অনুষ্ঠানত গীত পৰিবেশন কৰোতে এটা হ'লেও বিষ্ণু ৰাভা আৰু ৰুদ্ৰ বৰুৱাৰ গীত গাও। ৰুদ্ৰ বৰুৱা, কেশৱ মহন্ত এই সকলে লিখা গীত যদি বাইজে ভাল নেপালেহেঁতেন বা গ্ৰহণ নকৰিলেহেঁতেন তেতিয়াহ'লে আমাক দেখোন বিভিন্ন অনুষ্ঠানত গীত গাবলৈ নেমাতিলে হয়। কিন্তু এতিয়ালৈকেতো তেনে হোৱা নাই.

অসমীয়া লোক সংগীত তথা কলা-সংস্কৃতিৰ ক্ষেত্ৰত কুশীলৱে গ্ৰহণ কৰা প্ৰচেষ্টাৰ সম্পৰ্কত আপোনাৰ মন্তব্য?

◆ কুশীলৱৰ এই প্ৰচেষ্টা অতি অভিনৱ। কুশীলৱে অসমীয়া কৃষ্টি-সংস্কৃতিৰ বাবে বৰ্তমানলৈ যিখিনি কাম কৰিছে, সেইখিনি অতি শলাগ ল'বলগীয়া। অসমত থলুৱা গীত-মাতৰ শিক্ষাৰ বাবে যি গুৰুকুল ব্যৱস্থাৰ অতি প্ৰয়োজন আছিল সেই ব্যৱস্থা কুশীলৱে কৰিছে। কোনেও এককভাৱে একো কাম কৰিব নোৱাৰে। যাৰ ফলত আজিও ৰুদ্ৰ বৰুৱাৰ গীতৰ চৰ্চা স্থবিৰ হৈ আছিল। কিন্তু কুশীলৱৰ দৰে সংগঠনে ৰুদ্ৰ বৰুৱা, পাৰ্বতি প্ৰসাদ বৰুৱা আদিৰ গীতৰ ক্ষেত্ৰত লোৱা প্ৰচেষ্টাই আজি পুনৰ সেই গীত বিলাক সজীৱ কৰি তুলিব। কুশীলৱৰ এনে ধৰণৰ প্ৰচেষ্টাক আমি সদায় আদৰিম।

◆ ◆ ◆

মোৰ মৰমৰ বাপু মহা (ৰুদ্ৰ বৰুৱা)

আৰাধনা দাস

আজি প্ৰায় ৫০ বছৰ আগৰ কথা। ১৯৫২ চন মান হ'ব। তেতিয়াৰ ৰুদ্ৰ মামা আমাৰ ককা ' চন্দ্ৰকমল ভূঞাৰ ঘৰলৈ নৃত্য নাটিকাৰ আখৰাৰ বাবে বাকী শিল্পীসকলৰ লগত আহে। ডাঙৰ বহা কমত আখৰা হ'ব। মই সদায় ৰুদ্ৰ মামা অহালৈ বাট চাই থাকো। তেখেতে আহিয়েই হাৰমনিয়ামটোৰ ওচৰত বহে আৰু মোলৈ চাই হাতেৰে ইংগিত দি কাবলৈ মাতে। মই উলাহেৰে তেখেতৰ কোলাত বহোগৈ। তেখেতে মোলৈ অনা লজেঞ্চটো উলিয়াই দিয়ে। মোক কোলাত লৈয়ে তেখেতে হাৰমনিয়াম বজাইছিল। মই লজেঞ্চ খাই গানবোৰ শুনো আৰু আখৰা চাওঁ।

নুনু মাহীৰ বিয়াত আমি বাৰুকৈয়ে স্ফূৰ্তি কৰিছিলো। দৌৰ মাৰি গৈ যেতিয়া দৰা চাইছিলো মই ৰুদ্ৰ মামাক দৰাৰ ৰূপত দেখি আচৰিত হৈছিলো। হাৰে-দৰা দেখোন মোৰ নিচেই চিনাকি। তাৰ পিছৰ পৰাই ৰুদ্ৰ মামা মোৰ মৰমৰ বাপু মহা হ'ল।

বাপু মহাই আমাক গানৰ স্কুলত গান শিকাইছিল। গানৰ স্কুলত সা, ৰে, গা, মা...... শিকায়। লাহুমিয়াত ককাৰ ঘৰত এটা বাকচৰ কোঠা আছিলে। তাতে হাৰমনিয়াম বাকচৰ ওপৰত থোৱা হয়। মই এদিন থিয় হৈ হাৰমনিয়ামত সা,ৰে,গা, মা বজাবলৈ চেষ্টা কৰি আছিলো। এনেতে ক'ৰপৰা জানো বাপু মহা আহি মোৰ আঙুলিটো ধৰি সা,ৰে,গা,মা খিনি শিকাই দিলে। সেইখিনি মোৰ মনত ইমানকৈ সোমালে যে মই বহুদিনলৈ বেলেগ বিদৰ পৰাও যে সা,ৰে,গা,মা বজাব পাৰি নেজানিছিলো।

মই মাজে মাজে বাপু মহাৰ 'শিলঙৰ' ঘৰত থাকোগৈ। বাপু মহাৰ হাৰমনিয়ামটো বজাওঁ। বাপু মহা অফিছলৈ যোৱাৰ পিছত তেখেতৰ গানৰ বহীখন উলিয়াই লওঁ আৰু গানবোৰ একেলৰ পৰা গাই যাওঁ। এবাৰ তেখেতৰ গানৰ বহীখনত মই অসমীয়া আখৰেৰে হিন্দি গানৰ কলি ভুলকৈ লিখিছিলো। মই এতিয়া ভাবো বাপু মহাইনো তেখেতৰ মূল্যবান গানৰ বহীখনত মই সেইবোৰ লিখাৰ কাৰণে কিয় নকৰিলে? তেখেতে ল'ৰা ছোৱালী বৰ ভাল পাইছিলে। সেই কাৰণে চাগে মোৰ কথাটো বুজি পালে আৰু একোৱেই নক'লে।

বাপু মহাৰ গানৰ ভিতৰত মোৰ প্ৰিয় গান দুটা হ'ল 'ফুলে ভৰা জিলি মিলি' আৰু 'সোণভৰা মই তোমাৰ দেহাত।'

বাপু মহাই মোক যেনেকৈ মৰম কৰিছিল, মোৰ ছোৱালীকো কৰিছিলে।

ইন্দোনেছিয়ালৈ যাওঁতে তাইলৈ অকণমানি ছাতি এটা আনিছিলে। তাইৰ নামটি দিপলিপ-বাপু মহায় দিয়া।

বাপুই মহাৰ হাঁহি ধেমালিবোৰ মনত পৰি থাকে। ধানৰ পথাৰ গছ গছনি,দেখিলে মনত পৰে।

বাপু মহাৰ স্মৃতি সদায় থাকিব মোৰ মনত। অসমেও এনে এজন মহান পুৰুষক কেতিয়াও পাহৰিব নোৱাৰে। বাপু মহা সদায় যুগমীয়া হৈ ৰ'ব।

❖ ❖ ❖

পকাধানৰ মাজে মাজে সৰু সৰু আলি

অসীম দাস

অসমীয়া গীতি সাহিত্যৰ এক উজ্জ্বল নক্ষত্ৰ ৰুদ্ৰ বৰুৱাৰ গীতে গ্ৰাম্য জীৱনৰ উপলব্ধিৰ গভীৰতা, নিভাঁজ থলুৱা শব্দৰ ব্যৱহাৰ আৰু লোক গাথাৰ বিস্তৰ জ্ঞানৰ গৰিমা কঢ়িয়াই আনে। তেওঁৰ সৰহভাগ গীতত এক সাবলীলতা বিদ্যমান, অকণো জঠৰতা বা কষ্টকৰ কলম চালনাৰ উমান পাবলৈ নাই। ই যে সন্দেহাতীতভাৱে মানুহজনৰ নিৰলস সাধনা আৰু স্বভাৱসিদ্ধ এক কবিৰ প্ৰতিচ্ছবি মনলৈ আনে। এক সহজ সৰল গাঁৱৰ জীৱন আচ্ছন্ন কৰি ৰাখিছে কবিৰ সমগ্ৰ সত্তা, কবি বা গীতিকাৰজন সেই সৰল জীৱন পৰিক্ৰমাৰ মোহাচ্ছন্ন কিন্তু সতৰ্ক অংশীদাৰ। জীৱনক সুন্দৰ কৰাৰ তাগিদা আছে তেওঁৰ গীতত, লগতে এক সংবেদনশীল মানুহৰ সমাজ চেতনা, ন্যায়-অন্যায় আৰু যুগৰ আহ্বানৰ প্ৰতি মূৰ্ত প্ৰতিক্ৰিয়া।

১৯২৬ চনত নগাঁৱ জিলাৰ ভাঁমৰ গাঁৱত বৰুৱাই জন্ম গ্ৰহণ কৰে এক ৰজাঘৰীয়া খিলঞ্জীয়া পোৱা পৰিয়ালত। ন বছৰ বয়সতে পিতৃহাৰা হৈ বৰুৱাই কঢ়া বাস্তৱৰ লগত যুঁজ দি পৰিয়াল তথা নিজৰ প্ৰতিষ্ঠাৰ কথা চিন্তা কৰিবলগীয়া হৈছিল। গাঁৱৰ স্কুলত প্ৰাথমিক শিক্ষা আৰু পূৰ্বণিগুদাম ৰাধাকান্ত হাইস্কুলৰ পৰা ১৯৪৫ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। আৰ্থিক অনাটনৰ বাবে তেওঁ সাময়িকভাৱে দ্বিতীয় মহাসমৰৰ সময়ত ৰাস্তাৰ মহৰীৰ কামত সোমাইছিল। শংকৰী সংস্কৃতিৰ মহিমাবিজড়িত নগাঁও জিলাৰ পৰিবেশত অৱধাৰিতভাৱেই তেওঁৰ শিল্পী সত্তা ভাওনা-সবাহ, নাম-প্ৰসংগৰ মাজত বিকশিত হৈছিল। মহাসমৰে জাতীয় জীৱনক দিয়া জোকাৰণি আৰু উদ্ভুট নতুন পটভূমিৰ বাবে বৰুৱাৰ সৃষ্টিত এক বিবৰ্তনৰ সুৰ বিদ্যমান। তেওঁ সৰুৰে পৰাই হৃদয়ত গানৰ প্ৰতি এক সুকীয়া টান অনুভৱ কৰিছিল।

অষ্টম শ্ৰেণীত পঢ়ি থাকোতেই তেওঁ গীত ৰচনা কৰিবলৈ লয়। ছয় সাত মাইল খোজকাঢ়ি গৈ বৰুৱাই চহকী মানুহৰ ঘৰত গ্ৰামোফোন শুনিবলৈ গৈছিল। কলেজত পঢ়া সময়ত নগাঁও চহৰৰ যিকোনো সাংস্কৃতিক অনুষ্ঠানৰ অংগ হৈ পৰিছিল বৰুৱা। চন্দ্ৰ ফুকন, সাধনা বৰুৱালৈৰ সংস্পৰ্শই বৰুৱাৰ শিল্পী জীৱনক এক নতুন গতি প্ৰদান কৰে আৰু নগাঁও নাট্য মন্দিৰৰ সেই সময়ৰ নাটক কৰা অভিনয়ে দৰ্শকৰ সমাদৰ লাভ কৰে। ১৯৪৭ চনত আই এ পাছ কৰি চৰকাৰ চাকৰিত তেওঁ বিদায় লৈ গায় আৰু এটা

চাকৰিত সোমাই লৈ বাতিৰ ছাত্ৰ হিচাপে পঢ়াশুনা কৰি ১৯৫১ চনত চেন্ট এন্থনী কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। শ্বিলঙৰ সাংস্কৃতিক অনুষ্ঠানবোৰৰ এক এৰাব নোৱাৰা সাংস্কৃতিক কৰ্মীৰূপে বৰুৱা চিহ্নিত হয়। গান লিখা, সুৰ দিয়া, অভিনয় কৰা, ভাওনা পতা আদি কামত তেওঁ একনিষ্ঠ ভাবে লাগি পৰে। সময়ত তেওঁ সৃজনীশীলতাৰ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয় আৰু ১৯৮০ চনত মৃত্যুৰ সময়লৈকে অসমৰ সাংস্কৃতিক সঞ্চালকৰূপে কাৰ্যনিৰ্বাহ কৰে। অতি সংক্ষিপ্ত ভাবেও মানুহ এজনৰ জীৱনৰ এয়া খতিয়ান হ'ব নোৱাৰে। তথাপি বৰুৱাৰ গীতৰ আলচ লেখাটিৰ উদ্দেশ্যে হোৱা বাবে চমু আৰু বিক্ষিপ্ত এক তেনে কামকে কৰা হ'ল যাতে জীৱনৰ ঘাট প্ৰতিঘাত, আলি-কেঁকুৰিয়ে শিল্পী সত্তাৰ বিকাশত পেলোৱা প্ৰভাৱ বিষয়ক প্ৰ-পঞ্চ দাঙি ধৰিবলৈ সহজ হয়।

বনগীতৰ ওজা ৰুদ্ৰ বৰুৱাৰ 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি' গানে এনে এখন চিত্ৰ উদ্ভাসিত কৰে মনৰ মাজত। সেই চিত্ৰ নিৰ্মাণ হৈছে নিৰ্বাচিত শব্দৰ মাধ্যমত, সুৰ অতি ব্যঞ্জনাত্মক আৰু কণ্ঠ দৰদ আকুলতা ভৰা যিটো উপলব্ধিৰ বস্তু আখ্যা দিয়াটোহে সমীচীন।

পকা ধানৰ মাজে মাজে সৰু সৰু আলি ঐ
সৰু সৰু আলি।
আলিত পৰি গীত জুৰে জাক বালিমাহী।।
হিম চেঁচা বতাহ আহি ধান গ'লে চুমি
দাৱনীয়ে হাতত কাচি খৰাই ললে তুলি।

বালিমাহীৰ গীতে ধাননিৰ সৌন্দৰ্য্য-সুষমাক মহিমামণ্ডিত কৰে। নিয়ৰকণা সংপৃক্ত বতাহজাক হিমচেঁচাই হ'ব যি বতাহক নেওচি 'যাওঁ কি নেযাওঁ খোজেৰে' দাৱনী পথাৰত ভৰি দি লোক বিশ্বাসৰ 'লখিমীক' সেৱা জনাই (ধৰ্মীয় উপাদান) 'হালি জালি' থকা ধানত কাচিৰ বেপ দিব। সোণগুটিৰ ভৰত হাতত শিৰামুৰি ধৰা সময়ত পথাৰ মুখৰিত হ'ব। দাৱনীৰ জিৰণি গীতত। এই গীতে চৰাইৰ গীতক ম্লান কৰি দিব, ক্লান্তি আঁতৰি যাব। উলাহ অধীৰ দাৱনীয়ে ধানৰ পাতে কাটি দিয়া কষ্ট ভ্ৰুক্ষেপ নকৰিবৰ কথাই। ধান চপোৱা সময়ৰ এনে সাৰ্থক চিত্ৰণে কৃষিৰ লগত সম্পৰ্কিত মানুহৰ চিত্ত উদ্বেলিত কৰে। কলংপৰীয়া গায়ক বৰুৱাই সাৰ্বজনীন আকৰ্ষণ থকা ভাষা আৰু লোকসংগীতৰ সুৰৰ সমাহাৰ ঘটাই এক অনন্য ব্যঞ্জনা সৃষ্টি কৰিবলৈ সমৰ্থ হৈছে। শব্দৰ চাকচিক্য ৰহিত, আবেগৰ প্ৰাবল্য আৰু উজুটি খোৱাবিধৰ উপস্থাপন বিহীন তেওঁৰ গীত যথাৰ্থতে শুভ্ৰতা-সুষম সফল গীত। শংকৰী সংস্কৃতিৰ চৰ্চাই তেওঁক দিছে সংযম শিক্ষা, সংহত ভাবনা আৰু গভীৰ উপলব্ধিৰ আস্থা আৰু তাহাতে 'সপোন চহৰ' শ্বিলঙৰ নৈসৰ্গিক পৰিবেশৰ দীৰ্ঘদিনীয়া সংস্পৰ্শই সাধনাৰ উপযোগী এক ক্ষেত্ৰ প্ৰদান কৰি বৰুৱাৰ সৃষ্টিত এক নতুন মাত্ৰাৰ সংযোজন কৰি তুলিলে।

স্বাধীনতাৰ পিছত অসমৰ গাঁৱে-ভূঞে সমাজ গঢ়াৰ স্বপ্নই ডেকাশক্তিক উদ্দীপ্ত কৰিছিল। সংঘ, পুথিভঁৰাল স্থাপনৰ মাধ্যমত ডেকাসকল হৈ পৰিছিল সামাজিক দায়বদ্ধতাৰ । সাংস্কৃতিক কৰ্মী: ৰুদ্ৰ বৰুৱা সেইচামৰ পৰা ভিন্ন হ'ব নোৱাৰে। কোৱা বাহুল্য যে ডেকাচামৰ সেই সপোন সপোন হৈয়েই ৰ'ল, উদ্যম হেৰাই গ'ল দুই-তিনিটা দশকতে, অসূয়া-দুৰ্নীতিৰ বাবে অধিকাংশৰে মোহভংগ হ'ল, একাংশ হ'ল দিকভ্ৰান্ত। তাৰ মাজতে বিষ্ণু প্ৰসাদ, জ্যোতিপ্ৰসাদৰ আহ্বানে এচামৰ সৃষ্টি আৰু কৰ্ম প্ৰেৰণাক জীপাল কৰি ৰাখিবলৈ সক্ষম হয়। জ্যোতি-বিষ্ণুৰ কালাতীত আহ্বান আৰু ৰাখ্যাতীত প্ৰেৰণাৰ উৎস তেওঁলোকৰ সৃষ্টিৰ সম্ভাৰে বৰুৱাক প্ৰভাৱান্বিত কৰিছিল :

নতুন যুগৰ আমি তৰুণ নবীন
পুৰণি অসম আমি নকৈ গঢ়িম
সৰু-বৰ জাতিভেদ দুখীয়া ধনী
মোহাৰি গঢ়িম মোৰ অসমখনি
অতীত কিৰীটি আমি ফিৰাই আনিম
পুঁজিপতি শোষকক কৰিম নিপাত
বহুৱাম মৰতত সৰগৰ হাট
একতাই শক্তি আমাৰ
আমি বিপ্লৱী
বিপ্লৱৰ আমি মূৰ্ত প্ৰতীক।
(ৰুদ্ৰ বৰুৱাৰ গীত, প্ৰকাশন পৰিষদ, পৃষ্ঠা ৭৯)

আন এটি গীতত সতীৰ্থ পদাতিকৰ প্ৰতি বৰুৱাৰ আহ্বান হ'ল :

বুলিব লাগিব বাট মোৰ বান্ধ বুলিব লাগিব বাট
মহা অমানিশা বিশাল ধুমুহা আওকাণ কৰি তই ....

জ্যোতিপ্ৰসাদৰ গানৰ অনুৰণন থকা অতীত সুঁৱৰি সৃষ্ট আন এক গীতৰ স্তৱক উল্লেখ কৰা হ'ল :

জাগা অসমৰে জীয়ৰী বোৱাৰী
আজি জাগিবৰে হ'ল
তোৰেই লগৰী কনক তোগোৱৰী
ধৰণী কঁপাই গ'ল।
(ৰুদ্ৰ বৰুৱাৰ গীত, প্ৰকাশন পৰিষদ)

ছিলঙত থকা সংযুক্ত শাসক চাহাব আৰু হতভাগ্য পদাতিকৰ মাজত থকা বৈষম্য নিৰীক্ষণ কৰি ৰুদ্ৰ বৰুৱাই গীত লিখিছিল :

টং টং টং টং / চাবে চাবি বাজে চাবে চাবি
ৰাজধানীৰ ৰাজপথত হতভাগাৰ শাৰী শাৰী

....

পঞ্চাশ মাঠীৰ বেগত চলাই চাহাবে / টেক্সী আছে ভৰি
হেই হেই হতভাগা যাবি সাবধানে / জীৱন যাব উৰি
চকাৰ তলত পৰি।

বৰুৱাৰ গীতত ৰূপকথা আৰু লোকগাঁথাৰ প্ৰযোগ সময় বিশেষে এক বিশেষ চমকৰ সৃষ্টি কৰে। কেবাটাও গীতত চিলনীৰ জীয়েকৰ প্ৰসঙ্গ উপস্থাপন কৰি গীতৰ সৌষ্ঠব বৃদ্ধি কৰা দেখা যায় ঃ

কোননো সেইগৰাকী চিলনীৰ ঐ জীয়াৰী
চেলেংনো ছৰ্কঠীয়া জোৰে।।

(ফেঁচাই কুৰুলিয়াই ঘনে/ কিয়বা সিঁয়াৰিছে শিৰত সেন্দুৰ দি/ তাইবো সোঁ চকু লৰে ঘনে ঘনে)

ৰুদ্ৰ বৰুৱাই ৰচা কাহিনী গীতবোৰে বেজবৰুৱাৰ 'ধনবৰ ৰতনী'ৰ পৰ্যায় নাপালেও 'ফুলগুৰিৰ ফুলেশ্বৰ ৰহাৰ ৰহদৈ', 'লাজ ঢাকি মেখিয়ালে গাত গামোচাখন' আদি মাটিৰ সৌৰভ কঢ়িয়াই অনা সাৰ্থক কাহিনীগীত। বৰুৱাই লিখা বিশেষ কেইটামান গীত কেইগৰাকীমান গায়ক গায়িকাৰ কণ্ঠত চিৰ নতুন হৈ থাকিব। অসমৰ জাতীয় জীৱন গীতবোৰৰ উপজীৱা হোৱা বাবে অম্লান তাৰ আবেদন।

'অ' বন্ধু সময় পালে আমাৰ ফালে এবাৰ আহি যাবা' শীৰ্ষক দিপালী বৰঠাকুৰে কণ্ঠ নিগৰোৱা গীত, 'গছৰ পাতত বিহু আহিল বিহু নাহিল মনত' শীৰ্ষক অনিমা ভট্টাচাৰ্যৰ গীত, 'অ' বুলবুল অ' ভুলতুল অ' সেউতি তৰা' শীৰ্ষক খগেন মহন্তৰ গীত (শিশু গীত), খগেন মহন্তৰ কণ্ঠত প্ৰাণপাই উঠা 'ইয়েৰা জেতুকী বাই, চুলি তোৰ পকালী, দাঁতবোৰ সৰালি' শীৰ্ষক আৰু 'গামোচাৰে আঁচলতে পদুমৰে চকা', অসমীয়া জাতি গঠন আৰু সম্প্ৰীতিৰ এনাজৰীৰ জয়গান, 'এই অসমৰ মহাজাতি আমি নাই একো ভিন পৰ' শীৰ্ষক সমবেত গীত আদি বিশেষ উল্লেখনীয়। তদুপৰি জাতিৰ অতীত গৌৰৱ সুঁৱৰি লিখা 'দুখৰেনো ৰাতিটো কেতিয়া পুৱাব, অসমী আই ৰ মুখখনি কোনেনো উজলাব' খগেন মহন্তৰ কণ্ঠৰ এই গীতটি এক সুকীয়া আবেদনেৰে সমুজ্জল। পৰাইঘাট দলঙক লৈ লিখা 'ডিমিক-ডামাক সোঁ দলে অ' লুইতত, প্ৰশ্নাৰে চাকিটি দলে' বৰুৱাৰ আন এক বহুল সমাদৃত গান।

ৰুদ্ৰ বৰুৱাৰ মুঠতে ১৮৪ টা গান লিখিত ৰূপত 'পোৱা যায়। কলাংপৰীয়া গায়ক ৰুদ্ৰ বৰুৱা আৰু কলাংপৰীয়া কবি দেৱকান্ত বৰুৱা ইংৰাজীতে সৃষ্টিত 'ওঁঠৰ লালিমা', 'মুৰ্চনা'

আদি শব্দৰ প্ৰয়োগ দেখা যায়। এইখিনিতে সঙ্গীত পৰিচালক ৰুদ্ৰ বৰুৱাৰ কথা ক'ম। পদুম বৰুৱাৰ 'গঙাচিলনীৰ পাখি' কথাছবিৰ সঙ্গীত পৰিচালনাৰ দায়িত্ব বহন কৰিছিল ৰুদ্ৰ বৰুৱাই। সত্যজিত ৰায়ে নিজৰ ছবিৰ সঙ্গীত নিজেই পৰিচালনা কৰিছিল যাতে তেওঁৰ বক্তব্য সঙ্গীতে যথাযথভাবে দাঙি ধৰিব পাৰে। পদুম বৰুৱাৰ ছবিত একেই কাম নিটোলভাবে কৰিলে বৰুৱাই। আবহ সঙ্গীতৰ প্ৰয়োগ ছবিখনৰ গ্ৰাম্য পটভূমি পৰিস্ফুটনৰ পৰিপূৰক হৈ পৰিল। ছবিখনত এটিও গান নাই, হয়তো ম'হৰ পিঠিত উঠি ম'হ চৰাবলৈ অহা ল'ৰাই আপোন মনে দুই-এফাকি বনগীত, সুৰীয়া গীত গাইছে। আকৌ বাদ্যযন্ত্ৰৰ প্ৰয়োগ সীমিত, অসমৰ গ্ৰাম্য পটভূমিক তুলি ধৰিবলৈ দুই এপদ থলুৱা বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা হৈছে। উল্লেখনীয় যে ৰুদ্ৰ বৰুৱাৰ সংগীতত বাদ্যযন্ত্ৰৰ প্ৰয়োগ নিতান্ত সীমিত আছিল।

ড° হীৰেণ গোহাঁয়ে অম্বিকাগিৰি ৰায়চৌধুৰী প্ৰসঙ্গত উল্লেখ কৰা মনত পৰে যে প্ৰত্যক্ষভাবে স্বাধীনতা আন্দোলন বা ৰাজনীতিৰ লগত জড়িত হৈ পৰাৰ পিছত (১৯২৫ চন) ৰায়চৌধুৰীৰ কাব্যিক সত্তাৰ বিকাশ স্তিমিত হৈ পৰে পাছে ৰুদ্ৰ বৰুৱাই সাংস্কৃতিক সঞ্চালকৰ পদত থকা সময়তো অবিৰত ভাবে গীত লিখি যায়। চৰকাৰী কাম আঁচনিক প্ৰাধান্য দি বা উপজীব্য ৰূপে লৈও তেওঁ গীত লিখে। তথাপি ক'ব পাৰি তেওঁ আপোচ কৰা নাছিল, দেশ জাতিৰ প্ৰতি থকা নিভাঁজ ভালপোৱাই প্ৰচাৰধৰ্মী গীতবোৰতো প্ৰাণ প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছিল, দুৰন্ত তেওঁৰ আশাবাদ :

অ' সোণ ভায়া'ক নিদিবি লাই, অ' সোণ পুৰালৈ বেছিপৰ নাই, বৰষুণ এৰিব বতাহো কামৰ পুৱাৰে বোলটো ৰঙা হৈ ওলাব, নতুনৰ বতৰা লৈ।

❖ ❖ ❖

ৰুদ্ৰ বৰুৱাৰ গীতি-শিল্প সম্পৰ্কে

বোধন কুমাৰ শইকীয়া
অৰ্চনা তালুকদাৰ

ৰুদ্ৰ বৰুৱা' নামটোতে যেন লুকাই আছে এক মৰ্মস্পৰ্শী সুৰময়তা। ৰুদ্ৰ বৰুৱা অসমৰ সাংস্কৃতিক জগতৰ এক অবিচ্ছেদ্য অংগ। যিদৰে জ্যোতিপ্ৰসাদ আগৰৱালা অথবা বিষ্ণুৰাভাৰ গীতসমূহত এক স্বকীয়তা আছে, ৰুদ্ৰ বৰুৱাৰ গীত সমূহেও এক স্বকীয় মাত্ৰা লাভ কৰি আহিছে। গীতৰ কথা, সুৰ, তাল, লয় প্ৰতিটো অংগতে আছে এক উচ্চতা। সুৰৰ সু-সংমিশ্ৰণেৰে অসমৰ গ্ৰাম্য পৰিস্থিতিৰ লগত খাপ খাই পৰা, সহজ সৰল ভাষাত লিখা ৰুদ্ৰ বৰুৱাৰ গীতত কোনো ধৰণৰ উচ্চ স্তৰৰ দৰ্শন তত্ত্ব অথবা সহজে বোধগম্য নোহোৱা কাল্পনিক চিত্ৰ নাই। ইয়াত আছে অসমৰ গ্ৰাম্য সমাজৰ নিভাঁজ উপাদান, যেনে পথাৰৰ লগত মানুহৰ সম্পৰ্ক, তাঁতশালৰ লগত শিপিনীৰ সম্পৰ্ক খেতিয়কৰ লগত জীৱনৰ সম্পৰ্ক, আমাৰ প্ৰাকৃতিক পৰিবেশ, কলং-কপিলী-লুইৰ কথা। আধুনিক সংগীত শিল্পীসকলে ভাব-ভাষা-সুৰৰ অসংখ্য জটিলতা আৰোপ কৰি বা পাশ্চাত্যৰ সুলভ বৈশিষ্ট্যৰ প্ৰয়োগৰ জৰিয়তে যি এক দুৰ্বোধ্য মায়াজাল সৃষ্টি কৰাৰ প্ৰয়াস কৰে, এইবোৰৰ যেন নীৰৱ প্ৰতিবাদ কৰিছিল লুইতকোঁৱৰে। সহজ-সৰল গীতৰ কথাৰ লগতে সুৰৰ সু-সম্পৰ্কৰ ফল স্বৰূপেই ৰুদ্ৰ বৰুৱাৰ গীতসমূহে সদায় নতুনত্ব দাবী কৰি আহিছে। সকলো বয়সৰ শ্ৰোতাকে সমানে আনন্দ দিব পৰাটোও এজন গীতিকাৰ-সুৰকাৰৰ বাবে কম কৃতিত্বৰ কথা নহয়। অতি সাধাৰণ বাদ্যযন্ত্ৰৰেই (হাৰমনিয়াম আৰু তবলা) মধুৰ সুৰ সৃষ্টি কৰা ৰুদ্ৰ বৰুৱাৰ গীতে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সকলো শ্ৰোতাকে আকৰ্ষণ কৰে। ৰুদ্ৰ বৰুৱাৰ গীত মানেই সুৰৰ এক ঐন্দ্ৰজালিক আবেদন

পকা ধানৰ মাজে মাজে সৰু সৰু আলি ঐ
সৰু সৰু আলি।
আলিৰে পৰি গীত জোনে একাকি বাঁহিমাই।।
হিম চেঁচা বতাহ আহি ধান পকে চুমি
ধাননীয়ে হাতত কাচি ধৰাই ল'লে তুলি।'

• • • • •

ঐ' মোৰ ধানে উৰাল উৰা
ঐ' মোৰ সুখে সকল জিনা
ঐ' মোৰ অসমৰ বুকুতে
একাগী নবাবে সাঁজ ভেলাঘৰে

থাকোঁতে আকুল হৈ
আহিলি বিহুটি ঐ'

সহজ-সৰল ভাষাৰে আউল নলগোৱাকৈ গীতৰ ভাব ব্যক্ত কৰাত ৰুদ্ৰ বৰুৱা পাৰ্গত। ৰুদ্ৰ বৰুৱাৰ গীতসমূহৰ বিষয়বস্তু আৰু মূল ভাব অনুসৰি কিছুসংখ্যক গীতক লোকগীতৰ ভাগত পেলাব পাৰি যদিও আটাইবোৰকে আধুনিক অসমীয়া সংগীত বুলি ক'ব পৰা যায়। অসমীয়া সংস্কৃতিৰ লগত জড়িত বিভিন্ন শব্দক তেওঁ ব্যৱহাৰ কৰিছে সুন্দৰকৈ -

'তাঁতৰ দোৰেপাত চলায় ঘনে পতি
পলকত টোলোঠা ঘূৰে
কোননো সেইগৰাকী চিলনীৰে ঐ জীয়াৰী
চেলেংনো ছুকঠীয়া জোৰে।'

ৰুদ্ৰ বৰুৱাৰ গীতত কেতিয়াবা কোনো ঠাইৰ অতীত কাহিনীৰ নিখুঁত বৰ্ণনা থাকে-

ফুলগুৰিৰ ফুলেশ্বৰ ৰহাৰ ৰহদৈ
দুটি জীৱন সাঙোৰ খালে মনৰে মিল হৈ
ফুলেশ্বৰৰ সুঠাম বাহুত হাজাৰ হাতীৰ বল
ৰহদৈৰ কাজী হাতৰ নাই ক্ষতি-খুন
মাটি সিহঁতৰ একঠা
তাৰেনো গুণা-গঁথা।...

ৰুদ্ৰ বৰুৱাৰ গীতত কোনোবা বিশেষ চৰিত্ৰৰ কথা কোৱা হয়। এগৰাকী বৃদ্ধা, আপোনভোলা পৰোপকাৰী। বৃদ্ধাৰ নিঃস্বাৰ্থ জীৱন ফুটি উঠে কেতিয়াবা শোকৰ সুৰেৰে.

হয়ে হেৰ জেতুকী বাই
চুলিবোৰ পকালি, দাঁতবোৰ সৰালি
পৰৰ ঘৰে ঘৰে নাম-গুণ গাই

... ...

তোৰ যে জীয়েৰক যমে কাঢ়ি নিলে
বুকু গুদা কৰি হায়
পৰৰে জীয়াৰীক কোঁৱাৰে নিওঁতে
কান্দ তই নামকে গাই !'.............

অসমৰ মূল ভেটি গাওঁ। গাঁৱৰ জীৱন সহজ-সৰল, নিভাঁজ। আনহাতে, চহৰৰ ঔদ্যোগিক পৰিস্থিতি আৰু উন্নয়নৰ লগত চহৰীয়া লোকৰ জীৱনতো যান্ত্ৰিকতাই ঠাই লৈছে। ফলত গাঁৱৰ লগত চহৰৰ এক পাৰ্থক্য আহি পৰিছে। তথাপি যেন চহৰৰ মানুহৰ প্ৰতি গাঁৱৰ মানুহৰ এক সুকীয়া আদৰ। ৰুদ্ৰ বৰুৱাৰ গীতত তাৰ সুন্দৰ ছবি ফুটি উঠিছে.....

' বন্ধু -- সময় পালে আমাৰ ফালে
এবাৰ আহি যাবা।'

সহজ-সৰল গাঁৱৰ জীৱন
ক্ষন্তেক বৈ চাবা।
যান-বাহনৰ সুযোগ নাই
আওহতীয়া আমাৰ ঠাই
বাট বোলোঁতে হয়তো বন্ধু
অনেক দুখেই পাবা.

যৌৱন সম্পৰ্কেও গীতিকাৰ সচেতন।

'উৰি যোৱা বগলীয়ে / কিনো গ'লে কৈ
তোমাৰে যৌৱন আমাৰে যৌৱন / নাথাকে বৈ।

কোনোৱে কলংপৰীয়া গীতিকাৰ বুলিও আখ্যা দিয়া এই শিল্পীৰ গীতত কলং, কপিলী, লোহিত, দিখৌৰো কথা আছে। গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক, গায়ক, অভিনেতা আদি বহু গুণৰ মধুৰ সমাবেশ ঘটিছে শিল্পী ৰুদ্ৰ বৰুৱাৰ গাত। গীত-মাতৰ স্বকীয়তাৰে অসমীয়া সংস্কৃতিক গৌৰৱোজ্জ্বল কৰাত ৰুদ্ৰ বৰুৱাই অহোপুৰুষাৰ্থ কৰিছিল। অসমীয়া সমাজৰ নিভাঁজ চিত্ৰ প্ৰদৰ্শনত তেওঁ বোল অনাই সফল আছিল। ১৯৮০ চনৰ ১৪ ফেব্ৰুৱাৰীত শিল্পী বৰুৱাৰ মৃত্যু ঘটে। মৃত্যুৰ ২২ বছৰৰ পিছত এতিয়া বিখ্যাত গীতিকাৰজনৰ কিছুমান গীতৰ সুৰ হেৰাই যোৱাৰ উপক্ৰম হোৱাটো দুঃখজনক। ৰুদ্ৰ বৰুৱাৰ গীতসমূহ উদীয়মান শিল্পীসকলৰ দ্বাৰা নতুনকৈ ৰেকৰ্ডিং কৰাই সযতনে সংগ্ৰহ কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। কাৰণ ৰুদ্ৰ বৰুৱাৰ গীত আৰু সুৰৰ জনপ্ৰিয়তা এতিয়াও অক্ষুণ্ণ। প্ৰসংগতঃ উল্লেখযোগ্য, অলপতে শিল্পী মনজ্যোৎস্না মহন্তই 'এনাজৰী' নামৰ এটি শ্ৰব্য-কেছেটত ৰুদ্ৰ বৰুৱাৰ পাঁচটি গীত আৰু কেশৱ মহন্তৰ তিনিটি গীতৰ আটাইকেইটাকে ৰুদ্ৰ বৰুৱাৰ সুৰেৰে সজাই তুলিছে। কেছেটটো জনপ্ৰিয় হোৱাৰ লগতে নিবেদন কৰা প্ৰতিষ্ঠানটোও ব্যৱসায়িকভাৱে সফল হৈছে। সি যি কি নহওক, গীতৰ মাজেৰেই শ্ৰোতা অসমীয়াৰ প্ৰাণত থাকিব ৰুদ্ৰ বৰুৱা। অসমীয়া সমাজত চলি থকা অস্থিৰতাৰ সময়ত, নিজস্ব কৃষ্টি-সংস্কৃতি-পৰম্পৰাৰ প্ৰতি নতুন প্ৰজন্মৰ আকৰ্ষণ কমি অহাৰ সময়ত ৰুদ্ৰ বৰুৱাৰ সুৰ আৰু গীতৰ যেন প্ৰয়োজন আছে। এই সময়ৰ কথা ভাবিয়েই হয়তো তেওঁ এনেদৰে কৈছিল গীতত –

'দুখৰেনো বাতিটো কেতিয়া পুৱাব
অসমী আইৰ মুখখনি কোনে উজলাব,
খোলে তালে ভৰাই কাঁহে
কীৰ্তন দশম ঘোষাই নামে
তাহানিৰে দিন আকৌ কেতিয়া ঘূৰিব।'

শিল্পী ৰুদ্ৰ বৰুৱালৈ মোৰ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ।

◆ ◆ ◆

ৰুদ্ৰ বৰুৱাৰ গীতত অসমীয়া গ্ৰাম্য জীৱন

হৰেন হাজৰিকা

সম্ভৱতঃ এনে কোনো অসমীয়া সংগীত অনুৰাগী ব্যক্তি নাই যিয়ে ৰুদ্ৰ বৰুৱাৰ নাম অথবা তেওঁ ৰচিত, সুৰাৰোপিত তথা কণ্ঠ সুধাযিত গীত শুনি পোৱা নাই। কিয়নো ৰুদ্ৰ বৰুৱা আছিল অসমীয়া সংগীত জগতৰ এক অনন্য প্ৰতিভা, এক নিশ্ছিদ্ৰ ভোটাতৰা। অৱশ্যে তেওঁক কেৱল সংগীতৰ জগতত্তে আবদ্ধ ৰাখিব নোৱাৰি কাৰণ বহল অৰ্থত সমগ্ৰ অসমীয়া সংস্কৃতিৰ সৈতে তেওঁৰ ওতঃপ্ৰোত সম্বন্ধ আছিল।

'অ' মইনা চেনাই তোৰ ওঠৰ হাঁহি হৰিলে কোনে', 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি', 'গামোচাৰে আঁচলতে পদুমৰে চকা' প্ৰভৃতি মন মোহনীয়া গীতৰ ৰচনাৰে অসমৰ চৌদিশ একাকাৰ কৰা এইজনা গীতিপ্ৰাণ মহান ব্যক্তিৰ জন্ম হৈছিল পুৰণিগুদাম অঞ্চলৰ ভীমৰ গাঁৱত ১৯২৬ চনত, নগাঁও জিলাত। পিতৃৰ নাম বৰদাকান্ত বৰুৱা আৰু জননীৰ নাম আছিল হীৰালতা বৰুৱা। নিচেই কম বয়সতে পিতৃক হেৰুৱাই সংসাৰৰ চিৰসত্য দুখ-কষ্ট, অপায়-অমংগলক মুৰ পাতি লৈ আৰম্ভ কৰা শিক্ষা জীৱনৰ সামৰণি পৰিছিল ১৯৫১ চনত শিলঙৰ চেণ্ট এড্‌মণ্ড কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভেৰে। তেওঁ বিবাহ পাশত আবদ্ধ হয় ১৯৫৪ চনত আৰতি বৰুৱাৰ লগত আৰু ইহলীলা সম্বৰণ কৰে ১৯৮০ চনৰ চৈধ্য ফেব্ৰুৱাৰী তাৰিখে।

অষ্টম শ্ৰেণীত পঢ়ি থকা সময়ৰ পৰাই বুকুৰ অমৃত সুধা সানি গীত ৰচনা কৰি গীতিকাৰ জীৱনৰ পাতনি মেলা ৰুদ্ৰ বৰুৱাৰ গীতবোৰক আমি প্ৰধানত চাৰি ভাগত বিভক্ত কৰিব পাৰো। ক্ৰমে সেই বিভাগকেইটা হৈছে বনগীত, দেশপ্ৰেমমূলক গীত, ব্যৱহাৰিক গীত বা কৰ্ম সংগীত আৰু ল'ৰা-ছোৱালীৰ বাবে ৰচনা কৰা গীত। অৱশ্যে এই লিখনিৰ শিৰোনামাৰ লগত সংগতি ৰাখি ইয়াত কেৱল প্ৰধানকৈ বনগীত সম্পৰ্কেহে আলোচনা কৰিম। কিয়নো এই শ্ৰেণী গীতেৰেই তেওঁ অসমীয়া গ্ৰাম্য জীৱনৰ প্ৰতিচ্ছবি অংকন কৰি অসম তথা অসমৰ গ্ৰাম্য জীৱনৰ পুৰণি ঐতিহ্যৰ লগত আমাক পৰিচয় কৰি দি অসমীয়া জাতীয় জীৱনৰ লগত নিজকে একাত্ম হোৱাত অনুপ্ৰাণিত কৰিছে।

অসমৰ গ্ৰাম্য জীৱন আৰু ইয়াৰ পৰিস্থিতিগত পৰিৱেশ জীৱন ধাৰণৰ বাবে সঁচাকৈয়ে অতি উপযুক্ত আৰু উপলব্ধ। ইয়াত বাস কৰা প্ৰতিজন ব্যক্তিৰ হৃদয় যেন প্ৰকৃত স্নেহৰ অনন্ত সোঁতত ভাঁহি থকা এক জীপাল আৰু নিকাজ পাহাৰী জুৰিৰ অবিকল বন্যা। ইয়াৰ সেউজী পৰিৱেশ, সোণোৱালী শস্যৰ অপৰূপ সৌৰভ, পুৱা-সন্ধিয়াৰ আইনাম-বিয়ানামত নিমজ্জিত সছিদ্ৰ প্ৰীতিৰ এনাজৰীৰে গঢ়ি উঠা গাওঁখন প্ৰতিজন সঁচা তেজ-মঙহেৰে গঢ়া ব্যক্তিৰ বাবে অতি আদৰণীয়। সেয়ে গাঁৱৰ এনে মহিমামণ্ডিত ৰূপত এনে

প্ৰতিজন লোকৰ মনেই অভিব্যক্তিত্বসুলভ। গ্ৰাম্য জীৱনৰ এই পৰিস্থিতিগত অপৰূপ সৌন্দৰ্যই গীতিকাৰ ৰুদ্ৰ বৰুৱাৰ গীতত্তো প্ৰকাশ লাভ কৰিছে।

কোনজন বিধাতাই গাওঁখন স্ৰজিলে
সৰগী গুৱনি বেশ মোৰ গুৰু ঐ
সেউজী গুৱনি বেশ
পুৱা-দুপৰীয়া হাঁহিৰ খিল-খিলনি
সন্ধিয়া নিমাতি বেশ......

অসমীয়া গ্ৰাম্য জীৱন প্ৰধানকৈ কৃষিকেন্দ্ৰীক। কৃষিৰ ওপৰতে নিৰ্বিষ্ট থাকে ইয়াৰ জন জীৱনৰ মাপকাঠি। সেয়ে হেজাৰ সমস্যাক আওকাণ কৰি আহাৰ-শাওণৰ চিৰালফটা ৰ'দত মূৰৰ ঘাম মাটিত পেলাই অথবা ভৰ বাৰিষাৰ দবাপিটা বৰষুণকো নেওচি ঘৰে-ঘৰোৱাহে কামত প্ৰবৃত্ত হয়। আৰু ইয়াৰ ফলাফলস্বৰূপে আঘোণৰ পথাৰত জকমকাই উঠে সোণোৱালী লাহি-শালি ধান। এই লাহি-শালি ধান লখিমী হৈ আগমন কৰে উদং ভঁৰাললৈ। ন-লখিমীৰ আগমনত আপ্লুত হৈ গ্ৰাম্য চহা মন হৈ পৰে উৎফুল্ল। গএগাৰ এই উৎফুল্ল অৱস্থাক ৰুদ্ৰ বৰুৱাই তেওঁৰ গীতত অংকন কৰিছে এনেদৰে

মোৰ পথাৰত লাহি-শালি
সেউজী ধানে ঢৌ খেলি
কিনো ধুনীয়া হিয়া হৰি নিয়া
ৰূপৰ পোহাৰ পাতে
মন উলাহতে নাচে।

সোণগুটি ধান চপাই অনাৰ লগে লগেই ভৰি পৰে উদং ভঁৰাল। তাৰ লগে লগেই আঁতৰি যায় গ্ৰাম্য চহাৰ অভাৱ-অনাটন। ফলত কাতিৰ কঙালিৰ চাটি মাৰি কেনেবাদি পলায়ন হয় আৰু তাৰে সুযোগত কঙালিক খেদি সগৌৰৱে সোমাই আহে ভোগালী অথবা মাঘ বিহু। এই ভোগালী বিহুটি পাতিবৰ বাবে গএগা ডেকাই কলডৰ পাৰত পাতে বৰমেজি আৰু পথাৰত নৰাৰে সাজে ভেলাঘৰ। ভোগালীৰ ভোগৰ এই উৎফুল্ল মনটোৰ শুভ্ৰ প্ৰকাশো সেয়ে ৰুদ্ৰ বৰুৱাৰ গীতত প্ৰতিফলিত হৈ উঠে।

মাঘৰে মেজি মোৰ জ্বলে দপে-দপাই
বেৰি সমনীয়াই ধৰো
সুৰীয়া গীতেৰে হাতৰ চাপৰিৰে
নৈৰে পাৰ উতলা কৰো।

অসমীয়া গাঁৱলীয়া গাভৰুজনী অতিকৈ গুৱনি সুন্দৰী। পকমীৰ জোন যেন তাইৰ মুখৰ গঠন, লাহী দীঘল দেহ, পৰালী আঙুলিৰে লাওনী হাত, পদুমৰ চকা ভৰা বুকু, জিৰবিৰ জ্যোতিৰে এযুৰি উজ্জল চকু, আঁঠুলৈকে পৰা ক'লা কিচকিচিয়া চুলি, ডালিম গুটিয়া দাঁত। এনে মন মোহনীয়া ৰূপৰ (জেউতিয়ে ডেকাৰ মন আজুৰি আজুৰি নিয়ে) প্ৰেয়সীক দেখি আকলুৱা ডেকাই সেয়ে মনৰ পটত গাভৰুৰ ছবিটি গোপনে আঁকে

ফুল-ভৰা তথা পুৱালী আকাশ ৰূপে। এই ক্ষেত্ৰত গ্ৰাম্য গাভৰুৰ দেহৰ সৌন্দৰ্য অথবা ডেকাৰ মনত প্ৰতিষ্ঠিত হোৱা গাভৰুৰ ৰূপৰ প্ৰতিচ্ছবি ৰুদ্ৰ বৰুৱাৰ গীততো সজীৱ হৈ উঠিছে।

আঁঠুলৈকে পৰা ক'লা চিৰ্কমিকীয়া
মোৰ চেনেহীৰ চুলিটাৰি
কাঁকৈয়াই কাঁকৈয়াই খোপাটি বান্ধিলে
ফুলা ফুল পাহি যেন দেখি
আকাশৰ লেখীয়া কণমান কঁপালত
সেন্দুৰৰ ফোঁটটি দেখি
চেনেহীৰ মুখখন থিতাতে ভুল হয়
পুৱাৰ আকাশখনি বুলি।

গ্ৰাম্য গাভৰুৰ ৰূপৰ গুণানুকীৰ্তনৰ লগতে ৰুদ্ৰ বৰুৱাৰ গীতত কৰ্মপটু তেওঁলোকৰ প্ৰভাৱিত হৈছে। ৰূপত চহকী গ্ৰাম্য গাভৰুজনী গুণতো সমানেই চহকী। কাৰণ গাঁৱলীয়া জীৱনত ব্যক্তিৰ প্ৰকৃত মৰ্যাদা গুণতহে ৰূপত নহয়। সেয়ে প্ৰতিগৰাকী অসমীয়া গ্ৰাম্য গাভৰুৱে যতৰ ঘকাই সূতা কাটে, তাঁত বয়, ভুঁই ৰূৱে, ধান দায়, ককালত কলহ লৈ দুৰণিৰ নদীৰ পৰা পানী আনে। এই প্ৰসংগত শিপিনী হিচাপে থকা গ্ৰাম্য গাভৰুৰ চমৎকৃত দক্ষতাৰো অৱলোকন পোৱা যায় তেওঁৰ অনেক গীতত এনেদৰে

তাঁতৰ দোৱেপতি চলাই ঘনেপতি
পলকত টোলোঠা ঘূৰে
কোননো সেইগৰাকী চিলনিৰ ঐ জীয়াৰী
চেলেংনো ছুকঠীয়া জোৰে।

সেইদৰে গ্ৰাম্য বলিষ্ঠ ডেকাৰ কৰ্ম দক্ষতাত পঞ্চমুখ হৈ ৰচনা কৰা গীতো বৰুৱাৰ গীতসমূহৰ এটা বিশেষত্ব। গ্ৰাম্য গাভৰুজনীৰ দৰে অসমীয়া ডেকাচামো ৰূপ আৰু গুণত কোনো প্ৰকাৰেই পিচপৰা নহয়। সিহঁতৰো যে বুকুত আৰু বাহুত জীৱন সংগ্ৰামৰ প্ৰতিটো প্ৰত্যাহ্বান সৎ সাহসেৰে গ্ৰহণ কৰাৰ শক্তি আছে তাৰো আভাস গীতৰ ভাষাৰে তুলি ধৰিছে।

হাল বাওঁ মই হালোৱা হালৰ মুঠিত ধৰি
সোণ চেকুৰা বিচাৰিছো মাটি ফালি ফালি
ওঁহ ওঁহ বগা পোনে পোনে
ওঁহ ওঁহ মুগা কোণে কোণে
ঠাইতে থাকি ঘূৰি....
আকৌ,
উৰুকাৰ পথুলি উদুলি-মুদুলি
গাঁৱৰে পদুলি মোৰ
ক'ত্তে বিলালে কবলৈছিলাম্রে

বহাগী বিহুৰে সুৰ........

অসমীয়া গঞা জীৱন যেনেকৈ ৰং-বহইচৰ বিমোহিত সমাহাৰ তেনেকৈ দুখ-দৈনাও তাৰ সমান্তৰাল অংগ। এদিন চহাই যেনেকৈ আনন্দত হাঁহে ঠিক তেনেকৈ দুর্যোগত পৰি আন এদিন বিষাদত কান্দে। গ্ৰাম্য লোকৰ হৰিষ-বিষাদৰ মৰ্মস্পৰ্শী বৰ্ণনাও কৰিছে বৰুৱাই সাৱলীলভাৱে।

অ' মইনা চেনাই তোৰ ওঁঠৰ হাঁহি হৰিলে কোনে
দেহাৰে তেজ মঙহে দেহাতে ঐ শুকালে
ক'তেনো তোক ধৰিলে ঘুণে .....

গীতিকাৰ হিচাপে ৰুদ্ৰ বৰুৱা 'কলংপৰীয়া গীতিকাৰ' নামেৰেও খ্যাত। এই প্ৰসংগত গ্ৰাম্য জীৱনত নদীৰ সু আৰু কু প্ৰভাৱৰ বৰ্ণনা ভৰা বহু গীতৰ কথা উল্লেখ কৰিব পাৰি। এইসমূহ গীতেৰে বৰুৱাই গ্ৰামীণ জীৱনত নদীৰ লগত গাঁৱৰ মানুহে কিদৰে নিবিড়ভাৱে জড়িত হৈ থাকে তাৰ নমুনা পোৱা যায়। উপমা হিচাপে কৃষিৰ ওপৰত বৰ্তি থকা গঞাৰ কলঙৰ বাৰিবাৰ সংহাৰ মূৰ্তিয়ে যাতে খেতি-বাতি নষ্ট নকৰে তাৰ বাবে গঞাৰ চিন্তিত মনক প্ৰকাশি ৰচনা কৰা এই গীতফাকি উনুকিয়াব পাৰি।

আই মোৰ কপিলী হে এইবেলি নাবাঢ়িবা
মোৰ খেতি নামাৰিবা
মাতো কাবৌ কৰি
নহ'লে মই ঘৰে-ঘৰোৱাহে
ইবাৰ গ'লো মৰি।

লোক জীৱনত এনেকৈ ঘটি থকা বিভিন্ন অস্থিৰ অচল দৈন্যভৰা জড়াগ্ৰস্ততাৰ অৱসান বিচাৰি ৰুদ্ৰ বৰুৱাই সাধাৰণ শত শত চহা কৃষকৰ লগতে এনে দুৰ্দশাগ্ৰস্ত জীৱনৰো অৱসান কামনাৰে গীত ৰচনা কৰিছিল এনেদৰে

দুখৰেনো ৰাতিটো কেতিয়া পুৱাব
অসমী আইৰ মুখখনি কোনে উজলাব ....

এনেদৰে দেখা যায় শিল্পীপ্ৰাণ গীতিকাৰ ৰুদ্ৰ বৰুৱাই বিভিন্ন গীতৰ মাজেদি অসমীয়া গ্ৰাম্য জীৱনৰ সচিত্ৰৰূপ অংকন কৰিছে। গ্ৰাম্য জীৱনৰ সাৰ্থক আবেদন গাঁৱৰ সহজ-সৰল ধৰ্মতত্ত্ব, দেহতত্ত্ব, সাংসাৰিক জীৱনৰ বিচিত্ৰ সুখ-দুখ, আশা-আকাংক্ষা এই গীতসমূহে ব্যক্ত কৰিছে। আনহাতে তেওঁৰ ভালেমান গীতৰ মাজেদি বিবাহিত জীৱনৰ আদৰ্শ, ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতি, সমাজ বান্ধোন, স্ত্ৰী-পুৰুষৰ সামাজিক দায়িত্ব, নাৰী দেহৰ বৰ্ণনা, সাজপাৰ, অলংকাৰ,শিল্প কল্পনা চৰ্চা প্ৰভৃতি ৰূপায়িত হৈছে। ৰুদ্ৰ বৰুৱাৰ এই গীতবোৰৰ দ্বাৰাই অসমীয়া গীতৰ পথাৰখন নতুন ৰং-ৰূপেৰে বাহিৰৰ পৃথিৱীত উজ্জ্বল জ্যোতিৰে জকমকাই উঠিছে। এই কথা কথাৰ ভাষাৰে ব্যক্ত নকৰিলেও গীতৰ ভাষাৰেই সদায় ব্যক্ত হৈ থাকিব।

◆ ◆ ◆

অসমৰ মাটিৰ গোন্ধ থকা নিভাঁজ শিল্পী ৰুদ্ৰ বৰুৱা

সদা চৌধুৰী

অসমৰ সাংস্কৃতিক জগতত অসমৰ মাটিৰ গোন্ধ থকা নিভাঁজ অসমীয়া গীতিকাৰ সুকণ্ঠী গায়ক আমাৰ শ্ৰদ্ধাৰ ৰুদ্ৰ বৰুৱা আৰু আমাৰ বহুতৰে অতি মৰমৰ বাপুদা স্বৰ্গগামী হোৱা আজি ২৩ বছৰেই হ'ল ।

সূক্ষ্ম শিল্পীসুলভ মনৰ গৰাকী ৰুদ্ৰ বৰুৱাক আকৰ্ষণ কৰিছিল অসমৰ সহজ সৰল গাৱঁলীয়া জীৱনৰ থলুৱা গীত মাতৰ প্ৰতি । নগাওঁ জিলাৰ ঐতিহ্যমণ্ডিত বৃহৎ কলিয়াবৰ অঞ্চলৰ শ্ৰীশ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱ দেৱৰ কলা সংস্কৃতিৰ এক অবিস্মৰণীয় মধুৰ পৰিৱেশত ডাঙৰ দীঘল হৈ এক সুস্থ ৰুচিপূৰ্ণ সাংস্কৃতিক জীৱন আৰম্ভ কৰিবলৈ যথেষ্ট প্ৰেৰণা পাইছিল। এই কলিয়াবৰ অঞ্চলটোত হৈ থকা ভাওনা সবাহ শ্ৰীশ্ৰীমন্ত শঙ্কৰদেৱ, শ্ৰীশ্ৰী মাধৱ দেৱৰ তিথি উৎসৱত দেহে-কেহে লাগিছিল । তদুপৰি নামঘৰত আয়োজন কৰা নাম প্ৰসঙ্গ, গীত ভাওনা আথৰা আদিত যোগ দিছিল। তেওঁলোকৰ ঘৰৰ কাষত থকা বৰনামঘৰটো আছিল ৰুদ্ৰ বৰুৱাৰ অতি শ্ৰদ্ধাৰ অতি হেঁপাহৰ বস্তু। অসমীয়া থলুৱা গীত মাত শিকাৰ প্ৰতি প্ৰবল আগ্ৰহ থকা ৰুদ্ৰ বৰুৱাই অষ্টম শ্ৰেণীত পঢ়ি থকা সময়তে গীত ৰচনা, গীত গাবলৈ আৰম্ভ কৰিছিল ।

ঐতিহ্যমণ্ডিত নগাৱঁৰ আমোলাপট্টিৰ নাট্যমন্দিৰ আছিল সেই সময়ৰ এটা অতি সুন্দৰ আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠান। শিল্পী - অভিনেতা, গায়ক-গায়িকা, গীতিকাৰ, অসমীয়া সংস্কৃতি প্ৰেমীৰ আছিল দৈনন্দিন জীৱনৰ এক মধুৰ মিলন ক্ষেত্ৰ । ইয়াতে ৰুদ্ৰ বৰুৱাৰ অভিনয়ে বিকাশ লাভ কৰে ।

মঞ্চ আৰু চলচ্চিত্ৰ অভিনেতা শিল্পপ্ৰাণ চন্দ্ৰফুকন, অভিনেতা, প্ৰখ্যাত নাট্যকাৰ ('মগৰীৰৰ আহ্বান' খ্যাত) সাৰদা কান্ত বৰদলৈ আদি বহুতো খ্যাতনামা শিল্পীৰ সান্নিধ্যলৈ আহি ৰুদ্ৰ বৰুৱা নাট্য জগতৰ প্ৰচুৰ জ্ঞান আহৰণ কৰিছিল। নামভূমিকাত শিল্প প্ৰাণ চন্দ্ৰফুকনে দুৰ্দান্ত অভিনয় কৰা 'পিয়লী ফুকন' নাটকত ৰুদ্ৰ বৰুৱাই বৰাগীৰ ভাও দি অপূৰ্ব অভিনয় কৰিছিল আৰু গীতো গাইছিল । তদুপৰি আমোলাপট্টিৰ নাট্য মন্দিৰত অনুষ্ঠিত হোৱা প্ৰায়বোৰ নাটকতে ৰুদ্ৰ বৰুৱা অভিনেতা, গীতিকাৰ, গায়ক আৰু এজন সুদক্ষ সংগঠক হিচাপে ওত-প্ৰোতভাৱে জড়িত আছিল। অনুষ্ঠানবোৰত ৰুদ্ৰ বৰুৱাই বাদ্য যন্ত্ৰও বজাইছিল ।

সাংস্কৃতিক পৰিবেশৰ মাজতে ডাঙৰ দীঘল হৈ ১৯৪৭ চনত ৰুদ্ৰ বৰুৱাই আই. এ. পাছ কৰে। ১৯৪৮ চনত তেওঁ শ্বিলঙলৈ যায়। তাত তেওঁ চাকৰিৰ সন্ধানত ঘূৰি ফুৰে। শ্বিলঙৰ লাবানত থকা মাণিক হাজৰিকা আছিল ৰুদ্ৰ বৰুৱাৰ মোমায়েক। তেওঁ মোমায়েকৰ ঘৰত থাকিবলৈ লয়। সেই সময়ত মাণিক হাজৰিকাৰ ঘৰখন আছিল এক সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ নিচিনা।

অসমীয়া কলা সংস্কৃতি, নিভাঁজ অসমীয়া সমাজ ব্যৱস্থা আদি পৰম্পৰা অটুট থকা এখন সুন্দৰ ঘৰ। যিখন ঘৰত থাকি শিল্পী সুলভ মনৰ গৰাকী ৰুদ্ৰ বৰুৱাই অসমীয়া কলা সংস্কৃতিৰ এখন সুন্দৰ কৰ্মক্ষেত্ৰ বিচাৰি পাইছিল। মামীয়েক পদ্মাৱতী হাজৰিকা আছিল সেই সময়ৰ শ্বিলঙৰ সৰ্বৱৰ্হী মহিলা। শ্বিলঙৰ বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানবোৰত তেওঁ ওত-প্ৰোতভাবে জড়িত আছিল।

অসমৰ ৰাজধানী শ্বিলঙত থকা সময়ত ৰুদ্ৰ বৰুৱাৰ স্বকীয় সৃজনী প্ৰতিভাই এখন বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছিল। সেই সময়ত শ্বিলঙত অনুষ্ঠিত কৰা বিভিন্ন অনুষ্ঠানৰ লগত জড়িত হৈ সেই অনুষ্ঠানবোৰত নিবেদন কৰা বিভিন্ন সাংস্কৃতিক অনুষ্ঠানত নিজে ৰচা, সুৰ দিয়া গীত পৰিবেশন কৰাৰ উপৰি এজন নিষ্ঠাবান আৰু উদ্যোগী সংগঠকৰ দায়িত্ব সুকলমে পালন কৰিছিল।

শ্ৰীমন্ত শঙ্কৰদেৱ নাট্য সমাজ, শ্বিলং কলা পৰিষদ, শ্বিলং মুকুল সংঘ, জেইল ৰ'ডত অসমীয়া নামঘৰ, লাবান নামঘৰ, ইনিলেওৰ শ্ৰীশ্ৰী মাধৱদেৱ নামঘৰ, লিঙ্কপুৰৰ শ্ৰীশ্ৰীমন্ত শঙ্কৰদেৱ কৃষ্টি সংঘ, প্ৰাচীন কামৰূপী নৃত্য সংঘ আদিত অসমৰ সুপ্ৰসিদ্ধ শিল্পীৰ লগত ৰুদ্ৰ বৰুৱাৰ এক ঘনিষ্ঠ সান্নিধ্য গঢ়ি উঠিছিল। তাৰ ফলস্বৰূপে পৰৱৰ্তী কালত ৰুদ্ৰ বৰুৱা হৈ পৰিছিল অসমৰ সঙ্গীত জগতৰ এক উজ্জ্বল নক্ষত্ৰৰ নিচিনা।

ৰুদ্ৰ বৰুৱাৰ প্ৰতিভা বিকাশ লাভ কৰাত প্ৰেৰণাৰ উৎস আছিল প্ৰয়াত জীৱেশ্বৰ গোস্বামী আৰু কলিয়াবৰৰ শঙ্কৰী কৃষ্টিৰ ওজা প্ৰয়াত গিৰিকান্ত মহন্ত। এওঁলোক দুয়োজনৰ সান্নিধ্যত থাকি ৰুদ্ৰ বৰুৱা অঙ্কীয়া ভাওনা, সত্ৰীয়া নৃত্য, বৰগীত, বনগীত আদিৰ প্ৰতি আকৃষ্ট হৈছিল।

এচাম উৎসাহী অসম প্ৰেমী শিল্পীৰে গঠিত শ্বিলং কলা পৰিষদ আছিল নতুন আৰু পুৰণিৰ সমন্বয়ৰ মাজেদি অসমৰ থলুৱা কলা সংস্কৃতি, নৃত্য গীত আদিক দাঙি ধৰা।

ঐতিহ্যমণ্ডিত শঙ্কৰী কলা কৃষ্টিৰ বহল প্ৰচাৰৰ হকে শ্বিলং কলা পৰিষদে ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, কংসবধ, চোৰধৰা, পিম্পৰা গুচোৱা আদি নাটকৰ নৃত্য নাট প্ৰদৰ্শন কৰিছিল। তদুপৰি কলা পৰিষদে গৌতম বুদ্ধ, ৰামায়ণ, নতুন ভাৰত আদি নৃত্য নাটিকাৰ সফল প্ৰদৰ্শন কৰি এক বিশেষ খ্যাতি অৰ্জন কৰিছিল। অসমৰ চাৰি সীমাৰ বাহিৰতো শ্বিলং কলা পৰিষদক নিমন্ত্ৰণ কৰিছিল। ৰুদ্ৰ বৰুৱা আছিল কলা পৰিষদৰ অন্যতম সংগঠক। সেই সময়ত শ্বিলঙত জীৱিকা নিৰ্বাহ কৰি বসবাস কৰি থকা প্ৰবীণ-নবীন ব্যক্তিসকল আছিল

শ্বিলং কলা পৰিষদৰ একোজন বৰেণ্য ব্যক্তি । সেই সকল আছিল সৰ্বশ্ৰী গণেশ চন্দ্ৰ ফুকন (আধুনিক অসমৰ খনিকৰ আৰ জি বৰুৱাৰ জোৰ্বায়েক) লীলাধৰ কটকী, ধৰ্মানন্দ দাস (অসমৰ প্ৰথম অসমীয়া মুখ্য সচিব) ডঃ চৈতন্য হাজৰিকা, ভুবন মোহন বৰুৱা, জীৱেশ্বৰ গোস্বামী, প্ৰিয়ধৰ বৰুৱা, মহেন্দ্ৰ হাজৰিকা, ধীৰেন বৰুৱা, মাধব ভট্টাচাৰ্য, প্ৰমোদ বৰুৱা, ভীম বৰা, বসন্ত কলিতা, হেম বৰা, ত্ৰৈলোক্য খাউণ্ড, যোগেশ্বৰ শইকীয়া, সাৰদা ভাগৱতী, কৃষ্ণমূৰ্তি হাজৰিকা, ৰাম গোস্বামী আদি বিশিষ্ট ব্যক্তি সকল । এই সকল ব্যক্তিৰ আন্তৰিক প্ৰচেষ্টাত শ্বিলং কলা পৰিষদৰ সুনাম চাৰিও দিশে বিয়পি পৰিছিল ।

কলা পৰিষদে নিবেদন কৰা নৃত্য নাটিকাৰ সঙ্গীত পৰিচালনা কৰিছিল ৰুদ্ৰ বৰুৱাই। ৰুদ্ৰ বৰুৱাই অত্যান্ত যত্ন সহকাৰে অসমৰ থলুৱা গীত-মাতৰ লগত ৰঞ্জিতা খুৱাই নৃত্য নাটিকাৰ সঙ্গীত আৰু সুৰ ৰচনা কৰিছিল। নৃত্য নাটিকাবোৰত অঙ্কীয়া ভাওনাৰ লগত জড়িত শ্লোক, গীত, বচন আৰু সূত্ৰধৰ সংযোগ কৰিছিল। অঙ্কীয়া ভাওনাৰ বহুতো গীত, গীতৰ তাল লয়-মান ৰুদ্ৰ বৰুৱাৰ কণ্ঠস্থ আছিল। বহুতো খোলৰ বোলেও তেওঁ জানিছিল। অসমৰ ৰাজধানী গুৱাহাটীৰ দিছপুৰলৈ অস্থায়ীভাবে স্থানান্তৰ হোৱাত শ্বিলং কলা পৰিষদো গুৱাহাটীলৈ অনা হ'ল। গুৱাহাটীত শ্বিলং কলা পৰিষদ পুনৰ প্ৰতিষ্ঠা কৰিবৰ বাবে ৰুদ্ৰ বৰুৱাই বিশেষভাবে আগভাগ লৈছিল। কিন্তু এই অনুষ্ঠান বেছি দিন জীয়াই নাথাকিল। তেওঁৰ বিয়োগৰ লগে লগে এই অনুষ্ঠানবো সমাপ্তি ঘটিল। পিছত পৰিষদৰ পুঁজিত থকা সমুদায় ধন পৰিষদৰ সদস্য-সদস্যা সকলে 'চিৰ চেনেহী মোৰ ভাষা জননী অসম সাহিত্য সভা'ক দান দিয়ে। পৰিষদৰ এই দানেৰে অসম সাহিত্য সভাই 'শ্বিলং কলা পৰিষদ ন্যাস পুঁজি' খুলি অঙ্কীয়া ভাওনা বিষয়ক এক বক্তৃতামালাৰ আয়োজন কৰিছে।

এসময়ৰ ঐতিহ্যমণ্ডিত শ্বিলং কলা পৰিষদৰ গৌৰৱময় ইতিহাসত ৰুদ্ৰ বৰুৱাৰ নাম সদায় উজ্জ্বল হৈ জিলিকি থাকিব। এই সংসাৰ কাননৰ পৰা চিৰ বিদায় লোৱাৰ আগমুহূৰ্তলৈ এই জনা নিৰহঙ্কাৰী নীৰৱ সঙ্গীত শিল্পীয়ে অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ সঞ্চালকৰ পদ অলঙ্কৃত কৰি অসমীয়া থলুৱা সংস্কৃতিৰ উন্নতি অসমৰ বাহিৰত প্ৰচাৰৰ হকে বহুতো উল্লেখযোগ্য ৰবঙণি আগবঢ়াই গৈছে।

সঞ্চালক পদত থকা কালত গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনকে আদি কৰি অসমৰ বিভিন্ন চহৰ, গাওঁত বাৰে ৰহণীয়া অসমীয়া কলা সংস্কৃতিৰ সমাৰোহবোৰ ৰুদ্ৰ বৰুৱাই নিখুঁতভাবে পৰিচালনা কৰিছিল।

ভাৰতৰ বাহিৰতো অসমৰ থলুৱা সংস্কৃতি ৰকল প্ৰচাৰৰ হকে মেহে-কেহে যাতিছিল। সেই সময়ৰ ভাৰতৰ ৰাষ্ট্ৰপতি অসমৰ সু-সন্তান প্ৰয়াত ফখৰুদ্দিন আলি আহমেদৰ আন্তৰিকতা আৰু সজ প্ৰচেষ্টাত অসমৰ থলুৱা শিল্পীৰ দল এটা ইণ্ডোনেছিয়ালৈও গৈছিল। ৰাষ্ট্ৰপতিৰ লগত একেখন বিমানত ইণ্ডোনেছিয়ালৈ যোৱা এই শিল্পী দলটোৰ নেতৃত্ব দিছিল ৰুদ্ৰ বৰুৱাই।

ৰুদ্ৰ বীণাৰ তান

অসমৰ ভিতৰুৱা অঞ্চলৰ বহু প্ৰতিভাবান শিল্পীক চহৰলৈ আনি প্ৰতিভা বিকাশত উদগণি দিছিল আৰু বহুতো দুখীয়া শিল্পীক জীৱিকাৰ উপায় উলিয়াই দিছিল। অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ সঞ্চালক পদত থকা কালত ৰুদ্ৰ বৰুৱাই কেইবাখনো সুন্দৰ আঁচনি চৰকাৰৰ ওচৰত দাখিল কৰিছিল। চৰকাৰৰ সাংস্কৃতিক বিভাগে আয়োজন কৰা বহু চৰকাৰী অনা চৰকাৰী অনুষ্ঠানত ৰুদ্ৰ বৰুৱাই দেশপ্ৰেমমূলক গীত নিজে ৰচনা কৰি সুৰ দি নিজে গাইছিল আৰু আন আন শিল্পীৰ হতুৱাই গোৱাইছিল। এই দেশপ্ৰেমমূলক গীতত আমাৰ দেশৰ জাতীয় ঐক্য-সংহতি সম্প্ৰীতি ফুটি ওলাইছিল।

আকাশবাণীৰ যোগে তেওঁৰ বহুতো গীত পৰিবেশন হৈছে আৰু এতিয়াও হৈ আছে। (অনাতাঁৰ শিল্পী হিচাপেও আকাশবাণীক তেওঁৰ গীতবোৰে বহু চহকী কৰি থৈ গৈছে।) ৰুদ্ৰ বৰুৱাৰ বহুতো গীতৰ ভিতৰত অতি জনপ্ৰিয় গীতটো 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি ঐ, সৰু সৰু আলি।' যিটো গীতে ৰুদ্ৰ বৰুৱাক সৰ্বকালৰ বাবে জীয়াই ৰাখিব। ৰুদ্ৰ বৰুৱাৰ গীতবোৰ আছিল বনগীত, দেশপ্ৰেমৰ গীত, কৰ্ম সঙ্গীত আৰু ল'ৰা-ছোৱালীৰ বাবে ৰচনা কৰা গীত। ৰুদ্ৰ বৰুৱাই ২০০ টা মান গীত ৰচনা কৰি থৈ গৈছে। সুৰো দি গৈছে। অসমৰ গাৱঁলীয়া জীৱনৰ সহজ সৰল ধৰ্মতত্ব, দেহতত্ব, সাংসাৰিক জীৱনৰ নানা বিচিত্ৰময়, সুখ-দুখ, আশা-আকাংক্ষা, বিবাহিত জীৱনৰ আদৰ্শ, ডেকা গাভৰুৰ প্ৰেমপ্ৰীতি, সমাজ বান্ধোন, স্ত্ৰী আৰু পুৰুষৰ সামাজিক দায়িত্ব, নাৰীদেহৰ বৰ্ণনা, অসমীয়া সাজ-পাৰ, আ-অলঙ্কাৰ, অসমীয়া গাভৰুৰ ৰূপ- লাৱণ্য আদি ৰুদ্ৰ বৰুৱাৰ গীতত সুন্দৰভাবে প্ৰকাশ পাইছে। জাতিৰ পিতা মহাত্মা গান্ধীয়ে তেওঁৰ লিখনিত প্ৰশংসা কৰি যোৱা অসমৰ বোৱনী শিপিনীৰ চমৎকাৰ তাঁত শিল্পৰ ৰূপ তেওঁৰ গীতে দাঙি ধৰিছে।

অসমৰ গাৱঁৰ শুৱনি গছ-গছনি, সোণালী ধানৰ খেতি পথাৰ, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, জাতীয় পৰম্পৰা, জাতীয় উৎসব, ভাওনা সবাহ আদি তেওঁৰ গীতৰ মাজেদি ৰূপায়িত কৰিছিল। চৰকাৰৰ সৰহ শস্য উৎপাদন, জন্ম নিয়ন্ত্ৰণ, বান নিয়ন্ত্ৰণ, নিৰক্ষৰতা দূৰীকৰণ, অস্পৃশ্যতা বৰ্জন, মাদকদ্ৰব্য নিবাৰণ, পঞ্চবাৰ্ষিক পৰিকল্পনা, ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মিত দলং আদি নানা বিষয়ৰ ওপৰত গীত ৰচনা, গীত পৰিবেশন কৰি চৰকাৰী আঁচনি জনপ্ৰিয় কৰাত যথেষ্ট সহায় কৰিছিল।

নদী-মাতৃক দেশ অসমৰ বিভিন্ন জিলাত থকা লুইত, দিখৌ, জাঁজী, ধনশিৰী, কলং, কপিলী, ভোগদৈ আদি অসমীয়া জাতীয় জীৱনৰ লগত যি মধুৰ সম্বন্ধ তাক ৰুদ্ৰ বৰুৱাই গীতেৰে সুৰেৰে ধুনীয়াকৈ ৰূপায়িত কৰিছিল।

ৰুদ্ৰ বৰুৱাক কলংপৰীয়া গীতিকাৰ বুলিও কোৱা হয়। কাৰণ শৈশৱ কালছোৱা তেওঁ কলং নদীৰ পাৰতে বিচৰণ কৰি ফুৰিছিল। কলঙৰ পাৰত উৰুকাৰ দিনা মেজিঘৰ সাজি কলংপৰীয়া ডেকাইতে ভোজভাত খায়, ৰং-ৰহইচ কৰে, গীত গায়, নাচে। ৰুদ্ৰ বৰুৱাৰ গীতত এইবোৰ উপাদানেও ঠাই লৈছে।

ৰুদ্ৰ বীণাৰ তান

অসমৰ চলচ্চিত্ৰ জগতৰ লগতো ৰুদ্ৰ বৰুৱা বিশেষভাৱে জড়িত আছিল । সুদক্ষ চিত্ৰপৰিচালক অতুল বৰদলৈ পৰিচালিত 'কল্লোল' ছবিখনৰ সঙ্গীত পৰিচালক আছিল ৰুদ্ৰ বৰুৱা ।

গোলাঘাটৰ 'নটৰাজ ফিল্মছ'ৰ বেনাৰত নিৰ্মিত ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ প্ৰাপ্ত অসমৰ প্ৰবীণ কেমেৰামেন নলীন দুৱৰাৰ 'মমতা', টংলাৰ শইকীয়া 'ফিল্মছ'ৰ বেনাৰত নিৰ্মিত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত ছবি পৰিচালক সমৰেন্দ্ৰ নাৰায়ণ দেৱৰ 'সোণৰ হৰিণ'ত সুন্দৰ অভিনয় কৰিছিল ।

ৰুদ্ৰ বৰুৱাৰ শেষ অভিনীত অসমীয়া ছবিখন হ'ল গোলাঘাটৰ 'ইন্দ্ৰাণী ফিল্মছ'ৰ বেনাৰত নিৰ্মিত অভিনেতা সাৰ্থক চলচ্চিত্ৰকাৰ শিৱ প্ৰসাদ ঠাকুৰৰ ছুপাৰহিট ৰঙীণ অসমীয়া ছবি 'বোৱাৰী'। মৃত্যুৰ এমাহমানৰ আগেয়ে এই ছবিখনত সুন্দৰ অভিনয় কৰি সুনাম অৰ্জন কৰি গৈছে । 'মমতা' আৰু 'সোণৰ হৰিণ' ছবিৰ পৰিবেশন আৰু প্ৰদৰ্শনৰ কামত মইও বিশেষভাৱে জড়িত আছিলো। পজিটিভ প্ৰিন্ট নষ্ট হৈ যোৱা এই দুখন ছবিৰ নতুন প্ৰিন্ট খুউব কষ্টেৰে তৈয়াৰ কৰি ৬ বছৰমান আগেয়ে দূৰদৰ্শনযোগে প্ৰদৰ্শন কৰাইছো।

অসমৰ কলা সংস্কৃতিৰ অত্যন্ত শ্ৰদ্ধাবান, নিষ্ঠাবান এইগৰাকী ব্যক্তিক বিভিন্ন সময়ত বিভিন্ন সাংস্কৃতিক অনুষ্ঠানত লগ পোৱাৰ সৌভাগ্য মোৰ হৈছিল । তেওঁৰ অনুৰোধত চৰকাৰে নিৰ্মাণ কৰা বহুতো তথ্য-চিত্ৰ, চুটি ছবি মই অসমৰ বহুতো ভিতৰুৱা অঞ্চলত মোৰ নিজা মোবাইল 'চিনেমা'ৰ জৰিয়তে পৰিবেশন আৰু প্ৰদৰ্শন কৰিছো। তেওঁৰ উপস্থিতিত কলিকতাৰ অসম ভৱনতো কেইবাখনো পুৰণি অসমীয়া ছবি বিভিন্ন অনুষ্ঠানত প্ৰদৰ্শন কৰিছো। সেইবোৰৰ ভিতৰত পিয়লী ফুকন, এৰা বাটৰ সুৰ, পুৱেৰুণ, ৰঙা পুলিচ, মাক আৰু মৰম, ইটো সিটো বহুতো, মমতা, সোণৰ হৰিণ আদিয়েই প্ৰধান ।

অসমৰ সাহিত্য জগতত তেওঁ এজন সুৰুচিসম্পন্ন নিজে গঢ়া গীতিকাৰ আৰু সংস্কৃতিবান ব্যক্তি হিচাপে প্ৰবেশ কৰিছিল। 'চিৰ চেনেহী মোৰ ভাষা জননী' অসম সাহিত্য সভাৰ সাংস্কৃতিক অধিবেশনত তেওঁ সভাপতিৰ আসন অলঙ্কৃত কৰিছিল । কোলকাতা আৰু মুম্বাইৰ বহুতো সঙ্গীত শিল্পীৰ লগত তেওঁৰ ভাল চিনাকি আছিল । এইজনা মহান নমস্য শিল্পীৰ অকাল বিয়োগত অসমৰ সাংস্কৃতিক জগতৰ অপূৰণীয় ক্ষতি হ'ল।

❖ ❖ ❖

ৰুদ্ৰ বৰুৱাৰ গীতত গ্ৰাম্য মুক্তিৰ চেতনা

বিকাশজ্যোতি বৰুৱা

ৰুদ্ৰ বৰুৱা। অসমৰ সাংস্কৃতিক জগতৰ এটি সু-পৰিচিত নাম। বৰ্তমান শতিকাটোৰ পঞ্চাশ আৰু ষাঠিৰ দশকত বিশেষকৈ এই শিল্পীগৰাকীৰ গীতে অসমৰ নগৰে-চহৰে, গাঁৱে-ভূঞে সাৰ্বজনীন আকৰ্ষণ লাভ কৰিছিল। ধলুৱা জীৱনৰ নানানটা দিশ সামৰি গীত ৰচনা কৰি বৰুৱাই নিজেই সুৰাৰোপ কৰিছিল। 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি', 'তাঁতৰ দোৰেপতি চলাই ঘনেপতি', 'পাতৰ আঁৰে আঁৰে চুচুক-চামাক', 'অ' মইনা চেনাই তোৰ ওঠৰ হাঁহি হৰিলে কোনে' আদিৰ দৰে অলেখ শুৱলা সংগীত সৃষ্টি কৰি তেওঁ শদিয়াৰ পৰা ধুবুৰীলৈকে শত-সহস্ৰ জনতাৰ মন মুহিছিল।

ৰুদ্ৰ বৰুৱাৰ গীতসমূহৰ এক নিজা বৈশিষ্ট্য আছে আৰু আছে নতুন পুৰুষৰ প্ৰতি সুগভীৰ প্ৰেৰণা। মিঠা মিঠা ধলুৱা শব্দৰ সংযোজনেৰে সহজ-সৰলভাৱে তেওঁ এই গীতসমূহ ৰচনা কৰিছিল। অসমীয়াৰ জাতীয় বিবৰ্তনৰ ধাৰা এটাও তেওঁৰ গীতসমূহে বহন কৰিছে, য'ত সুৰ, শব্দ, উচ্চাৰণৰ ৰীতি আদিও সাধাৰণ শ্ৰোতা মাত্ৰৰে সহজসাধ্য হৈছে। প্ৰাচীন অসমৰ গৌৰৱময় ঘটনাসমূহ সাধাৰণ ৰাইজে বুজি পোৱা ভাষাৰে গীতৰ মাজেৰে প্ৰকাশ কৰি ৰাইজৰ মাজত জাতীয় চেতনা জাগ্ৰত কৰিবলৈ বৰুৱাই অহৰহ প্ৰচেষ্টা চলাইছিল।

এই জাতীয় শিল্পীগৰাকীয়ে তেওঁৰ নাতি দীৰ্ঘ জীৱনকালত ৰচনা কৰা সৰ্বমুঠ ১৮৪ টি গীতৰ সন্ধান পোৱা গৈছে। ভাব, ভাষাৰ ধৰণ অনুসৰি এই গীতসমূহক প্ৰসিদ্ধ সাহিত্য-সমালোচক ৰাম গোস্বামীয়ে চাৰিভাগত বিভক্ত কৰিছে। সেয়া হ'ল – বনগীত, দেশপ্ৰেমমূলক গীত, ব্যৱহাৰিক গীত বা কৰ্ম-সংগীত আৰু শিশুগীত। বৰুৱাৰ বনগীতসমূহেই তেওঁক জাতীয় শিল্পীৰ শাৰীলৈ তুলিলে। অসমীয়া জাতিৰ প্ৰকৃত সাংস্কৃতিক উপকৰণ আৰু পুৰণি ঐতিহ্যৰ সংবাহক বনগীতসমূহৰ মাজত মাটি খোজা মানুহৰ জীৱন চিত্ৰ অংকিত হৈ আছে। তেওঁৰ সৰ্বজন সমাদৃত 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি' শীৰ্ষক গীতটোৰ শেষৰ পংক্তিটোৰ কথাৰে এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি –

'ধানৰ পাতে কাটে
তেজ ডোঙা পাতে।
তেওতো আমাৰ দুখ নাই
ধানে হাঁহি হৰ্ষবায়

উলাহৰে গীত গাওঁ মন সৰ্ফুৰা খুলি।'

ইয়াত খাটি খোৱা অসমীয়াৰ অবসাদহীন দৈনন্দিন জীৱনৰ স্পষ্ট ছবি এখন ফুটি উঠিছে। হাড়ক মাটি, তেজক পানী কৰিও গাঁৱলীয়া লোকসকলে জীয়াই থকাৰ বাবে সমল আহৰণ কৰে। তথাপি তেওঁলোকৰ অন্তৰত আনন্দ চিৰ বিৰাজমান। এই আনন্দ হৈছে শ্ৰম কৰি জীয়াই থকাৰ আনন্দ।

অসমৰ লোকসমাজৰ সুখ-দুখ, বিষাদ-জড়তা, আশা-আকাংক্ষা আদি আনুসংগিক বিষয়সমূহ ৰুদ্ৰ বৰুৱাৰ গীতত বিশেষভাৱে মন কৰিবলগীয়া বিষয়। যেনে --

'দুখৰে নো ৰাতিটো কেতিয়া পুৱাব
অসমী আইৰ মুখখনি কোনে উজ্বলাব?' অথবা
'ল'ৰালি কালৰে সন্ধিয়া বেলা
তুঁহ জুইৰ কাষতে পাতিলো মেলা' আৰু
'সোণতৰাৰ শালখনি উঁয়ে পোকে খায়
চন পৰি আছে সৌৱা কঠিয়াতলী হায়।'

এই গীতসমূহৰ মাজেৰে বৰুৱাই অসমীয়া দৰিদ্ৰ পীড়িত গ্ৰাম্য জীৱনৰ হা-হুতাশসমূহ সুন্দৰকৈ বৰ্ণনা কৰিছে। ভালেমান গীতৰ মাজেদি বৰুৱাই ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতি, নাৰীৰ কষ্টকৰ জীৱন আদিও সুন্দৰভাৱে বৰ্ণনা কৰিছে। অসমীয়া নাৰীয়ে ৰাতিটোৰ ভিঁ[illegible]তে কপাহ কাটি সাজি সেৰা বাটি কাপোৰ বৈ দিয়াৰ ঐতিহ্য ম্লান হোৱা নাই। আমাৰ গাঁৱলীয়া নাৰীয়ে পথাৰত কঠীয়া তোলে, বোকা ৰোৱে আৰু ধান দায়। ৰুদ্ৰ বৰুৱাই সেয়েহে গীতেৰে গাইছিল --

'একাঠু ঐ বোকাতে কোনেনো ঐ কঠিয়া
আখিয়ে আখিয়ে তোলে
ভৰিতনো কোবে পাৰ কালৰে থুৰীয়া
ইফালে-সিফালে লৰে।'

অসমীয়া নাৰীসকলক বৰুৱাই ইমান সুন্দৰ ৰূপত চিত্ৰিত কৰিছে যে জাক পাতি পানী আনিবলৈ যোৱা অসমীয়া ছোৱালী দেখি তেওঁ স্বৰ্গৰ মেনকা, উৰ্বশীহঁত বুলি ভুল কৰিছিল। কিন্তু ওচৰ চাপি যোৱাতহে ভুল ভাগিল।

'চিনিছো ঐ চিনিছো মুখৰ হাঁহিত বুজিছো
অসমীৰে জীয়ৰী, অসমীৰে বোৱাৰী
বাই-ভনী কুটুমী মোৰে।'

কিন্তু অসমীয়া নাৰীৰ ক্ৰমান্বয়ে স্বজাতিৰ প্ৰতি বাঢ়ি অহা বিৰাগ ভাব আৰু ভালপোৱাৰ অভাৱক তেওঁ সহ্য কৰিব পৰা নাই। সেয়েহে তেওঁ অসমীয়া নাৰীক প্ৰশ্ন কৰিছে –

'অসমৰ গাভৰু অ'
তোমাৰ তাঁতশালত আলাহ্ কিয়?
ছাঁতে শুকোৱা মুঠিতে লুকোৱা
চেলেং বৈ দিব নোৱাৰা কিয়?
মাকোটি নামাতে শিপিনীৰ শালত........
...... গোলাৰ সাজে হাড় ছাল ঢাকিলে।'

এইহেন অৱস্থাত ৰুদ্ৰবাই গীতেৰেই অসমীয়া নাৰীক পৰৰ বস্ত্ৰ আদৰি নলৈ নিজৰ মান-সন্মান অটুট ৰাখিবলৈ এইদৰে আহ্বান জনাইছে –

'ওঁঠলৈ গাললৈ নকলি গোলাব বোল
তোমাৰ হ'ল অতিকৈ প্ৰিয়
অ' মোৰ ভনীটি নিজৰ ৰূপ লেৰিবা
পৰক লাই নিদিবা।'

অসমীয়া নাৰীসকলৰ দৰে পুৰুষসকলৰ পাহোৱাল ৰূপ বৰ্ণনাতো গীতিকাৰ ৰুদ্ৰবাই একেদৰেই আগবাঢ়ি গৈ সাফল্যমণ্ডিত হৈছে। অসমীয়া ডেকাৰ সুদৰ্শন ৰূপৰ ছবি তেওঁ এনেদৰে আঁকিছে –

'গামোচাৰ আঁচলতে পদুমৰে চকা,
মুৰতে মেৰিয়াই আছে পাহোৱাল ডেকা।
.... দুখ-ভাগৰত মন নেভাগে সেও নেমানে পৰি
দেও-ভূতে তাৰ সাহটো দেখি যায় ফালৰি কাটি।'

কিন্তু সময় বাগৰি যোৱাৰ লগে লগে অসমীয়া পাহোৱাল ডেকাচামৰ কৰ্মোদ্যম হ্ৰাস পাই অহাত ৰুদ্ৰৰা অত্যন্ত ক্ষোভিত।

এইচাম পুৰুষৰ দেশপ্ৰেমৰ অভাৱতে অসমৰ গৌৰৱ ৰবি চিৰকাললৈ অস্ত যোৱাৰ উপক্ৰম হৈছে। সেয়ে তেওঁ ক্ষোভেৰে গাইছিল –

'কঁকালৰ টঙালিৰ গাঁঠি মোৰ সোলকে
হেংদান মামৰে খায়,
পশ্চিমৰ বেলিটি লুইতত বুৰেনি
পানীতে টোপনি যায়।'

অসমীয়াৰ অসচেতনতাৰ সুযোগ লৈ বহিৰাগত সংস্কৃতিয়ে অসমত গোজেই গজালি হৈ পৰিল। পাহৰণিৰ প্ৰান্তত বুৰ যোৱা গৌৰৱ ৰবিক উদ্ধাৰ কৰিবলৈ সেয়েহে তেওঁ নতুন চামক আহ্বান জনাইছে –

'গাঁৱৰ ডেকা ল'ৰা ওলোৱা খৰকৈ
লুইতত বুৰদি বেলিটি আনোঁগে
অসমীৰ মুখলৈ চাই'
'সেয়ে আজি ইচাট-বিচাট এই বেলিমাৰ চাই
কোৱা, আমি জাতিক জগাও প্ৰেৰণাৰ গীত গাই।'

এনেদৰেই ৰুদ্ৰ বৰুৱাই গীতৰ দ্বাৰা অসম প্ৰেমৰ চূড়ান্ত নমুনা উদ্ভাসিত কৰি থৈ গৈছে।

অসমৰ গ্ৰাম্য অৰ্থনীতি কৃষিৰ ওপৰত প্ৰধানকৈ নিৰ্ভৰশীল। ধানেই অসমীয়াৰ একমাত্ৰ ধন। ৰুদ্ৰ বৰুৱাই ধান আৰু ধাননি পথাৰক কেন্দ্ৰ কৰিও অলেখ বনগীত ৰচনা কৰিছিল। সৰ্বজন সমাদৃত 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি' শীৰ্ষক গীতটোৰ দৰেই তেওঁৰ ধাননি সৰ্বস্ব আন এটি গীত হ'ল --

'বহাগৰ পিচতে আহিল বৰষুণ
পথাৰ ভৰি পৰিল একাঁঠু পানীৰে।'
'অসমী জীয়াৰীৰ হাতৰে চাকিটি
পথাৰত জ্বলিব গৈ,
আহাৰৰ আশাবোৰ আঘোণত পূৰ হ'ব
সুখে যাব বৈ বৈ।'

কিন্তু অসমীয়া প্ৰাণস্বৰূপ খেতি পথাৰখনৰ চিৰ শত্ৰু হৈছে বান। বান উৎপত্তি কৰা নৈসমূহক গীতিকাৰ বৰুৱাই সেয়েহে কৰযোৰে কাবৌ কৰিছে গীতেৰেই।

'আই মোৰ কপিলী হে
এইবেলি নাবাঢ়িবা
মাতো কাবৌ কৰি
নহ'লৈ মই ধৰ-ঘৰোৱাহী
ইবাৰ গ'লো মৰি।'

নগাঁও জিলাৰ পুৰণিগুদামৰ ভীমৰ গাঁৱত জন্ম হোৱা বৰুৱাৰ হিয়াত গাঁৱৰ প্ৰতি এক অজান প্ৰীতি লুকাই আছে। গাঁৱক ভালপোৱাৰ সঁচা স্বাক্ষৰ তেওঁৰ নিম্নোক্ত গীতটোৱে বহন কৰিছে --

'মোৰ গাঁও মই ভাল পাওঁ
উপজিছো গাঁৱত আমি
মৰিম গঞাৰ মাজত
সৌৱা ভোগালী মৰাইতে উঠি

নিশা দোভাগত
হাঁহি হাঁহি চহ্ কৰে সাৰুৱা পথাৰ।'

ৰুদ্ৰ বৰুৱাৰ গীতৰ আন এক প্ৰধান উপাদান হৈছে নদী। নদীমাতৃক দেশ অসমৰ বিভিন্ন নদীসমূহৰ বিভিন্ন বৈশিষ্ট্যৰ বুজ লৈ বৰুৱাই বেলেগে বেলেগে গীতৰ মাজেৰে প্ৰকাশ কৰিছিল। কলং সুঁতিৰ পাৰত উমলি-জামলি ডাঙৰ হোৱা এই গীতিকাৰগৰাকীৰ অধিকাংশ গীততে কলঙৰ বৰ্ণনা অধিক। সেইবাবে তেওঁক কলংপৰীয়া গীতিকাৰ বুলিও অভিহিত কৰা হৈছে। সেইদৰে ব্ৰহ্মপুত্ৰ, কপিলী, ভোগদৈ, উমিয়াম আদিক কেন্দ্ৰ কৰিও তেওঁ বহুতো গীত লিখিছে।

১৯২৬ চনৰ ২৬ নৱেম্বৰ তাৰিখে জন্ম গ্ৰহণ কৰা ৰুদ্ৰ বৰুৱাই মাত্ৰ ন বছৰ বয়সতে পিতাকক হেৰুৱাই মাক আৰু দুজনী বায়েক-ভনীয়েকৰ সৈতে এক কষ্টকৰ জীৱন-যাপন কৰি ডাঙৰ-দীঘল হৈছিল। একমাত্ৰ ধৈৰ্য, অধ্যৱসায় আৰু সাধনাৰ বলতে তেওঁ অৰ্থনৈতিক দুৰৱস্থাৰ মাজতো উচ্চ শিক্ষা আয়ত্ত কৰি শেষত গৈ অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকৰ দৰে উচ্চ পদবীত অধিষ্ঠিত হ'ব পাৰিছিল।

কিন্তু বৰুৱাই নিজেই গাইছিল – 'কালৰ চকৰি ঘূৰে কেনে কৰি, কোনে বাৰু ক'ব পাৰে, কাৰ কপালত কিনো লিখা আছে কোনে খবৰ ৰাখে তাৰে?' সঁচাকৈয়ে এই প্ৰতিশ্ৰুতিপূৰ্ণ গীতিকাৰগৰাকীৰ কালৰ চকৰি কোন দিশে ঘূৰিল তেওঁ নিজেও নাজানিলে। নিষ্ঠুৰ নিয়তিয়ে মাথোন ৫৪ বছৰ বয়সতে তেওঁক আমাৰ মাজৰ পৰা লৈ গুচি গ'ল। ১৯৮০ চনৰ চৈধ্য ফেব্ৰুৱাৰীত ভেলোৰৰ খ্ৰীষ্টান হাস্পতালত বৰুৱাৰ মৃত্যু হয়।

অসমৰ কলা-সংস্কৃতিৰ নিষ্ঠাবান সাধক ৰুদ্ৰ বৰুৱাই অসম সাহিত্য সভাৰ সাংস্কৃতিক অধিৱেশনৰ সভাপতিৰ আসনো অলংকৃত কৰিছিল। প্ৰাচীন গৌৰৱৰ বতৰা গীতৰ মাজেৰে প্ৰকাশ কৰি নতুন পুৰুষৰ অন্তৰত দেশাত্মবোধ জগাই তুলিবলৈ অহোপুৰুষাৰ্থ কৰোঁতা হিচাপে আৰু বনগীতৰ মাজেৰে অসমৰ গ্ৰাম্য সমাজক পোহৰলৈ আনোঁতা হিচাপে ৰুদ্ৰ বৰুৱাৰ নাম চিৰ স্মৰণীয় হৈ ৰ'ব। এই মহান শিল্পীগৰাকীৰ অৱদানসমূহৰ প্ৰকৃত চৰ্চা আৰু বিশ্লেষণেৰেহে তেওঁক অমৰ কৰি ৰাখিব পৰা যাব। বৰ্তমান অসমৰ তৰুণ প্ৰজন্মৰ লগতে সকলো শিল্পী-সাহিত্যিক আৰু সমালোচকসকলে এই বিষয়ত আগবাঢ়ি অহা উচিত।

❖ ❖ ❖

ৰুদ্ৰ বৰুৱাৰ গীতত মাটি আৰু মানুহ

ৰতিকান্ত পাঠক

"পকা ধানৰ মাজে মাজে সৰু সৰু আলি
আলিত বহি গীত জুৰে জাক বালিমাহী।"

আঘোণৰ বতৰত অসমৰ যিকোনো এখন গাঁৱৰ পথাৰৰ মাজৰ সৰু সৰু আলিয়েদি খোজ কাঢ়ি গ'লে মনৰ উলাহতে ল'ৰা-বুঢ়া, ডেকা-ডেকেৰী সকলোৰে এই গীত ফাঁকি গুণগুণাবলৈ মন যাব। কাৰণ, এই গীতৰ কথাত আছে কৃষিজীৱি মানুহৰ হিয়াৰ সংবাদ, সুৰত আছে কেঁচা মাটিৰ গোন্ধ, এক অদ্ভুত যাদুকৰী শক্তি। দেশৰ মানুহ আৰু মাটিক লৈ এনে বহুতো সুৰীয়া গীতৰ স্ৰষ্টা সেই শিল্পী গৰাকীয়ে হ'ল ৰুদ্ৰ বৰুৱা। পঞ্চাশ আৰু ষাঠিৰ দশকত তেওঁৰ গীতে অসমৰ গাঁৱে-ভূঞে যি সাৰ্বজনীন আকৰ্ষণ লাভ কৰিবলৈ সক্ষম হৈছিল, সি এতিয়াও ম্লান হোৱা নাই।

ৰুদ্ৰ বৰুৱাৰ জন্ম হৈছিল নগাওঁ জিলাৰ পুৰণিগুদাম অঞ্চলৰ এখন সৰু গাঁৱত। শৈশৱৰ নানা দুখ-কষ্ট, দাৰিদ্ৰতাৰ মাজেদি ৰুদ্ৰ বৰুৱাই কৃষক-শ্ৰমিকৰ কষ্ট বহুল জীৱনক উপলব্ধি কৰাৰ সুযোগ পাইছিল। সমগ্ৰ নগাওঁ-কলিয়াবৰ অঞ্চলৰ শংকৰী কলা-কৃষ্টিৰ মধুৰ পৰিবেশে গঢ় দিছিল ৰুদ্ৰ বৰুৱাৰ সাংস্কৃতিক জীৱন। হাইস্কুলৰ অষ্টম শ্ৰেণীৰ পৰা গীত লিখি, সুৰ দি গাবলৈ আৰম্ভ কৰাৰ পৰা অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালকৰ পদত থকালৈকে ৰুদ্ৰ বৰুৱাই সময়ৰ সৈতে তাল মিলাই ভিন্নসুৰী গীত-মাতৰ সৃষ্টি কৰি গৈছে। প্ৰকৃতাৰ্থত ৰুদ্ৰ বৰুৱা এগৰাকী সচেতন, সামাজিক দায়বদ্ধ গীতিকাৰ। তেওঁৰ গীতৰ ঘাই বৈশিষ্ট্য হৈছে - সহজ-সৰল প্ৰকাশভঙ্গী, থলুৱা মাত-কথাৰ বাছকবনীয়া মিঠা মিঠা শব্দৰ সংযোজনা আৰু অসমীয়া জনজীৱনৰ মৰ্মস্পৰ্শী প্ৰতিফলন।

ৰাম গোস্বামীৰ দ্বাৰা সম্পাদিত 'ৰুদ্ৰ বৰুৱাৰ গীত' নামৰ সংকলনটিত ৰুদ্ৰ বৰুৱাৰ গীতবোৰক প্ৰধানকৈ বনগীত, দেশপ্ৰেমমূলক গীত, ব্যৱহাৰিক গীত আৰু সৰু ল'ৰাৰ গীত - এই চাৰিটা শ্ৰেণীত ভাগ কৰা হৈছে। গীতবোৰ আলোচনাৰ বা বুজাৰ বাবে এনে বিভাজনৰ প্ৰয়োজন আছে। কিন্তু বহল দৃষ্টিৰে চালে দেখা যায় যে, তেওঁৰ সৰহ সংখ্যক গীতৰ উপজীব্য হৈছে মাটি, মানুহ আৰু মানৱপ্ৰেম। দেশ আৰু মাটিৰ সৈতে মানুহৰ যি সম্বন্ধ, সি অতি নিখুঁত ৰূপত ৰুদ্ৰ বৰুৱাৰ গীতৰ কথা আৰু সুৰত প্ৰতিফলিত হৈছে।

গাঁৱক বাদ দি আমাৰ জাতীয় জীৱনৰ কোনো অস্তিত্ব নাই। ৰুদ্ৰ বৰুৱাই ইয়াক

গভীৰভাবে হৃদয়ঙ্গম কৰিছিল বাবেই তেওঁৰ গীতত অসমৰ গাঁৱৰ শ্ৰমজীৱি, কৃষিজীৱি জনতাৰ হুবহু ছবি পোৱা যায়। বাঁহ খেৰৰ সৰু সৰু পঁজাৰে ভৰা সেই গাওঁবোৰ। তেনেই আওহতীয়া ঠাই। তাত অশিক্ষিত লাজুক শিশুৰে ধূলিত বাগৰি খেলি থাকে। খাল-বিলৰ ঘোলা পানী খাই মানুহে জীৱন ধাৰণ কৰে। অথচ এইচাম দুখীয়া-নিচলা, হালুৱা-হজুৱাই তেওঁলোকৰ শ্ৰমেৰে হাজাৰজনৰ জীয়াই থকাৰ বোজা কঢ়িয়ায় –

"হালবাওঁ মই হালোৱা হালৰ মুঠিত ধৰি
সোণ চেকুৰা বিচাৰিছো মাটি ফালি ফালি।"-

— — — — — — —

"পথাৰৰে বোকাত আমি খেলিম জীৱন খেলা
হাজাৰজনক বচাই ৰখাৰ কান্ধত আমাৰ বোজা।"

❖ ❖ ❖

REMEMBERING
RUDRA BARUA

Manjit Kumar Sarma

I have never met him, have never even talked to him. But still, I feel I know the man, know what he felt and the way he wanted the Assamese people to forge Assam's destiny. Maybe, this is not only me but all these who have gone through his songs will enumerate the same feeling. Those who knew him as a person, might have some other story to recount, but for innumerable fans including me, he is simply magic. And perhaps the underlying impulse within his every number, that thrives to stimulate a sense of nationalism and oneness among the residents of the region and that which are presented in an impromptu, casual manner was what his magic all about. To quote noted writer Sri Chandra Prasad Saikia, " His songs carry the glories of the great Assamèse history and tradition, which continue to enable the Assamese people to face the new day, fearlessly and confidently".

O bandhu, somoi pale/ Amar phale ebar aahi jaaba/ Sahaj saral gawar jeevan/ khyantek roi saba / Jan bahaanar sujog naai/ Auhotia amaar thai/ Baat bolote hoito bandhu Anek dukhei paba/ Ebar ahi jaaba.....

The prototypical Rudra Barua numebers like this one has for decades enthralled people across the valleys and the plains and still contiune to bridge the gap between the rural and urban populace. Every time one listens to his numbers floating in from the radio, they are bound to feel like having understood the man more closely, than ever.

Paka dhanar maje maje/ Soru soru ali oi, soru soru ali/ Alit pori geet jore jaak balimahi /Heem sesa botah ahi dhaan gole sumi/ Dawaniya hatot Kachi khorai lole tuli /Soru soru ali...

Centered around the innocence of the rural populace and their humble lifestyle, Rudra Barua's songs are some of the finest offerings in the field of Assamese music. However, somebody on

the very first hearing may tend to classify his songs as magnificent imagination and soulful fantasy only, but the truth is that they are not. In fact his songs were born out of his closest attachment with the rural background of Assam, an attachement that began from the banks of the river Kollong.

Musician, writer, actor, promoter and above all a great singer, who is known as the Kollongparia geetikaar, Rudra Barua was born in the year 1926 at Bhimor village near Puranigudam in the district of Nagaon. Unfortunately, when his father Barada Kanta Barua predeceased wife Hiralata Barua and two daughters, Rudra Barua was only nine. For the next couple of decades, the family had to pass through some real tough times. Because of financial hardship. Rudra Barua could not excel in his academic life He had to do very hard labour but somehow be managed to continue his studies. And weathering all these storms, he started to write songs while he was only at the eight standard. The Sankari culture and tradition, as was prevalent in the then undivided Nagaon district swayed him immensely and this was when a desire to start a career in culture took place within him

Since his childhood he used to take part in most of the religious and cultural ceremonies of the area that included Bhaona, Naam Prasanga to the auspicious Tithi Utsav (birth and death anniversary) of the great Vaishnavaite saint Sankardeva as well as Madhavdeva.

He began his college education at the Nagaon town, where luckily, he got financial help from a number of well to do families of the town. And it happened only because of his decency and his prized quality that empowered him to sing beautifully. He started singing his songs in most of the functions organised in Nagaon which made him popular day by day. Within that time he began acting too. The local Amolapatty Natya Mandir used to be a prestigious platform for showcasing skills of cultural excellence and it was where Rudra Barua found a secure home for portraying his talents. Slowly, he came in contact with some of the noted actors of that period like Candra Phukan,Sarada Bardoloi and others.

When he passed the IA exam in 1947 he had to proceed for Shillong as the then capital town of Assam was a glittering land of

hope. Immediately, he got a job th ɔugh one of his relatives living in Shillong but he didn't stop his education and got himself admitted into the night shift of the St. Anthony's College. By the time he completed his graduation in 1951 he had became an active cultural worker of Shillong being memɔer of various organisations such as the Shillong Kola Porishad, Shrimanta Sankardav Natya Samaj, Shillong Mukul Sangha, Shreemanta Sankardev Kristi Kendra (Bishnupur), Laban Namghar, Asomiya Namghar (Jail Road), Madhavdev Namghar and others. His popularity among the senior and respected Assamese citizens of Shillong also increased within these time and apart from them he also got influenced by some of the greatest exponents of the Sankari culture of that period like late Jiveshwar Goswami, late Girikanta Mahanta and others, whose guidance enabled him to know more about the great Sankari culture.

As an active member and grassroot worker of Shillong Kola Porishad, Rudra Barua took part in numerous dramas, Bhaonas and dance dramas and even went to far off places of the country for participating in various festivals. Later, when the capital of Assam was shifted to Guwahati, Shillong Kolaporishad too had to be shifted to Guwahati and Rudra Barua also joined the cultural department and settled down in Guwahati. But, the memories of Shillong of its colourful people and the green hills kept on haunting him.

Joining the Cultural Department, Rudra Barua enriching the treasure trove of Assamese music as he got the chance to concentrate wholeheartedly on the same. Apart from singing and writing songs, he also continued acting. in Assamese films and dramas. But perhaps, his greatest contribution to the field of Assamese art will be his untiring efforts to bring out the hidden talents to the forefront. Rudra Barua is one among the few Assamese who left on stone unturned in bringing out the best talents from the abyss of uncertainty. During his lifetime, he helped many singers, actors, performers and artists to come out from the unknown villages and perform their art. For the upliftment of the Assamese artists and performers and also for the development of the overall scenario, he submitted many a proposal to the government and was trying to implement them when he fell

seriously ill and was flown to Madras where on 14 th February, 1980 he left for his heavenly abode. Assam lost one of her worthy sons.

It is really tragic to note that against his life long devotion and sacrifice for the upliftment of Assamese culture, we could pay him nothing. He fought, all through his life for the peoples cause, sang from deep inside his heart where every tune reflected his moribund effort to awaken the Assamese society, and now twenty years have passed since he died, but not even a posthumous recognition has been conferred upon this great singer son of Assam, which clearly proves how selfish and ungrateful we Assamese people are.

There are so many organisations that make a hue and cry in the name of Assamese culture, so many people speaking out in favour of the same, but nobody ever raised a voice in his favour. For the upliftment of the downtrodden, he should have been conferred with a national recognition like Sangeet Natak Academy award or something like that, but how can that happen when the very people for whom he did so much are silent, letting even his memories fade away so easily.

Recently a new cultural organisation under the name and style of Guwahati Silpi Samaj, headed by our respected transport minister Pradip Hazarika felicitated 33 eminent persons for their invaluable contributions towards Assamese culture. But the saddest part is that in that list of noted personalities we could not see the name of late Rudra Barua, which is surely an injustice to the great singer and cultural soul. Perhaps, today people have forgotten him for he is long dead but still Rudra Barua will continue to allure us and every time the Assamese society went through an emergency he will continue to empower us with his golden voice that's still afresh and alive in our hearts.

❖ ❖ ❖

ৰুদ্ৰ বৰুৱাৰ শেষৰ গীতটো

কালৰে চকৰি ঘূৰে কেনে কৰি
কোনে বাৰু ক'ব পাৰে,
কাৰ কপালত কিনো লিখা আছে
কোনে খবৰ ৰাখে তাৰে।।

আজি যাৰ মুখতে হাঁহি
কাইলৈ তাৰ চকুতে পানী
নেদেখাজনেহে জীৱন নাৱেখনিৰ
নেদেখা দীঘল ডাঁৰ মাৰে।।

চাৰি ঢাপেমাৰি বাৰীখন পাতিলো
চালে চকুৰোৱা কৰি,
ওখ ভেঁটি তুলি ঘৰটো সাজিলো
পুত্ৰ পৰিবাৰে ধৰি,
নিশাটোৰ ভিতৰত আটাইকে উটাই নিলে
ধল আহি ভৰিত ধৰে।।

আজি যিজন ৰজা কাইলৈ ভিক্ষাৰী
সিও কপালৰে লিখা,
আজি ৰূপহকোঁৱৰ কাইলৈ আপচু
কি আছে ইয়াত ব্যথা;
ৰজা হব বুলি অধিবাস পাতোতে
বনলৈ যাবলৈ পাচে,
নিদাৰুণ বিধতাই থাকি দূৰে দূৰে
জীৱৰ ভাইগ দেখি হাঁহে।।

❖ ❖ ❖

ৰুদ্ৰ বৰুৱাৰ গীত কিছু সাময়িক চিন্তন

আৰতি বৰুৱা

সংস্কৃতিৰ ৰূপান্তৰ ঘটে। ই সৰ্ব্বজন বিদিত। পৰিবৰ্ত্তনশীল ৰূপত ই পুনৰাবৃত্তিও কৰে। ৰূপ সজ্জা বা সাজসজ্জাতো এনে পৰিবৰ্ত্তন বিৰাজমান। আজি যিটো আমি আও পুৰণি বুলি এৰা দিওঁ কাইলৈ হয়তো সেইটোকে আমি নতুনৰ ৰূপত আকোঁৱালি লওঁ।

পৃথিবীৰ সকলো জাতিৰে এটা নিজস্ব সংস্কৃতি আছে। তাক যদি আমি অৱহেলা কৰো হয়তো সেই জাতিৰ অস্তিত্ব বিপন্ন হৈ পৰিব, নিজৰ ঐতিহ্য আৰু পৰম্পৰাক অৱজ্ঞা কৰো তেনেহলে জাতিটোক ধংসৰ মুখলৈ ঠেলি দিয়া হ'ব। তেনেকুৱা এজন দৰদী মনৰ, নিজৰ মাটিতে ওপজা সংস্কৃতিৰ সমলখিনি অতিকৈ আপোন আৰু চেনেহৰ বুলি লোৱা ৰাইজৰ শিল্পী লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ কিছু মনৰ কথা ব্যক্ত কৰিবলৈ ওলাইছো, এই লেখনীৰ মাধ্যমেৰে। লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ গীতৰ বৈশিষ্ট্য নিভাঁজ অসমীয়া শব্দ যোজনা আৰু জন-জীৱনৰ কথাৰে সজোৱা। তেখেতৰ গীতৰ মানদণ্ড আজিৰ এই প্ৰবন্ধৰ আলোচ্য বিষয় নহয় কাৰণ এই বিষয়ে বহুতো বিজ্ঞ লোকে প্ৰবন্ধ পাতি পঢ়ুৱৈ ৰাইজৰ আগত দাঙি ধৰিছে। কিন্তু মই আজি জীৱন সংগী ৰূপে তেওঁৰ মনত সদায় খু-দুৰাই থকা কিছু কথাহে অৱগত কৰিবলৈ ওলাইছো। সেই নিভাঁজ শিল্পীজনৰ মনৰ অবুজ বেদনা হয়তো তেওঁৰ লগতেই বিলীন হৈ গ'ল।

মানুহজন আছিল প্ৰচাৰ বিমুখ শিল্পী। নিজৰ ঢোল নিজেই কোবাই ফুৰা হ'লে তেওঁ বহুতেই নাম কৰিব পাৰিলেহেঁতেন। ব্যক্তিগতভাবে তাকে নকৰি অসমৰ সংস্কৃতিৰ ভড়ালটো কিছু সমল গোটাই আনি চহকী কৰিব পাৰি নেকি তাকেই আজীৱন চিন্তা কৰি গ'ল। সোৱনশিৰীৰ সোণ বুটলাদি তেওঁ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ কালৰ গৰ্ভত বিলীন হৈ যোৱা প্ৰাচীন সংস্কৃতিবোৰ উদ্ধাৰ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিলে। জুইয়ে পোৰা সোণৰ সন্তানত ক্লান্তি বিহীন ভাবে প্ৰতিভা বিকাশৰ সুযোগ নোপোৱা, প্ৰতিভাবান শিল্পী সকলক সুযোগ, সুবিধা চৰকাৰী বা বে-চৰকাৰী ভাবে দিবলৈ তেওঁ বহু শিল্পীক গুৱাহাটী চহৰলৈ লৈ আহিলে। আজি বহুতো লব্ধ প্ৰতিষ্ঠ শিল্পীয়ে তেওঁক শ্ৰদ্ধাৰে সোঁৱৰে।

ৰুদ্ৰ বৰুৱাই এটা কথা দৃঢ়তাৰে কৈছিল- "কাম কৰি যোৱা, তাৰ প্ৰতিদান নিবিচাৰিবা"। ৰাতিপুৱা কামৰ তালিকাখন জাওৰাই সদায় গীতাৰ শ্লোক এফাকি গাইছিলে,- "কৰ্ম্মন্যেৱাধিকাৰস্তে মা ফলেষু কদাচন"। তেওঁ নিজৰ জীৱনটোক ধূলিকণাৰ বুলিয়েই

ভাবিছিলে আৰু কৈছিলেও মই নহলে পৃথিৱীখন একেদৰে চলি থাকিব। কিছু ঈশ্বৰপ্ৰদত্ত আৰু কিছু কৰ্ত্তব্য নিষ্ঠা নাথাকিলে কোনো শিল্পী প্ৰকৃত শিল্পী হব নোৱাৰে। যি এইখিনি গুণৰ অধিকাৰী হ'ব পাৰে সেই শিল্পী মৰি মৰিও জীয়াই থাকে। ৰাইজৰ সোঁৱৰণীৰ মানসত বঢ়া-টুটা থাকিলেও, সিয়েই হৈছে প্ৰকৃত শিল্পী আৰু এই কাৰণেই ঢোলৰ যাদুকৰ ' মঘাই ওজাৰ নাম শ্ৰদ্ধাৰে সোঁৱৰিছিল।

ৰুদ্ৰ বৰুৱা মানুহজন আছিল হাড়ে হিমজুৰে অসমীয়া, সেইবুলি আনৰ ভালখিনিক কেতিয়াও অৱজ্ঞাৰ চকুৰে নেচাইছিল। তেওঁৰ ঘৰুৱা জীৱন আছিল অসমীয়াৰ ঘৰুৱা জীৱন। কাঁহৰ কাঁহী-বাতিত ভাত-পানী খোৱাৰে পৰা দেওবৰীয়া ভাত-সাজত মাছ, মাংস, পোলাওৰ পৰিবৰ্তে মাটি দাইল, ঔটেঙা, গড়ৈ মাছ পোৱাৰ পিটিকাহে বিচাৰিছিল। শ্বিলঙত থকা হেতুকে ল'ৰাইতক ইংৰাজী মাধ্যমত পঢ়ুৱাইছিল যদিও ঘৰত অসমীয়া খবৰ কাগজ, অসমীয়া গল্প কিতাপ, চিঠি-পত্ৰ লেখিলে অসমীয়াতে লেখিবলৈ শিকাইছিল।

মোৰ দেউতা চৰকাৰী চাকৰিয়াল হিচাবে তেওঁৰ কৰ্ম্ম-ক্ষেত্ৰ আছিল বৰপেটা, গোৱালপাৰা, শদিয়া, কৰিমগঞ্জ আদি ঠাইত য'ত মই প্ৰকৃত অসমীয়া সমাজখনৰ প্ৰতিফলন দেখা পোৱা নাছিলো। কৈশোৰৰ পৰা দুটা ল'ৰাৰ মাক হোৱালৈকে মই শ্বিলঙত ডাঙৰ দীঘল হ'লো। সেই কাৰণে বৰুৱাই বিয়াৰ পিচতে কৈছিল মই অসমীয়া ছোৱালীৰ ৰূপ বৰ্ণনা কৰি গীত লেখি গাওঁ আশাকৰো তুমি তাৰ ব্যতিক্ৰম নহবা।

এই জনতাৰ শিল্পীজনে যি কথা কৈছিল তাক কামেৰেও দেখুৱাইছিল, বক্তৃতাৰ ফুলজাৰি মাৰি কাম নকৰা ব্যক্তিক কোনো কথাত প্ৰশ্ৰয় নিদিছিল। হাঁহি মুখীয়া প্ৰশাসক হ'লেও কলমত তেওঁ যথেষ্ট কঠোৰ আছিল, কামত ফাঁকি কেতিয়াও সহ্য নকৰিছিল। তেওঁলোকৰ দিনত দপদপাই থকা সাংস্কৃতিক বিভাগটোৰ নিশকতীয়া ৰূপটো দেখিলে ভাব হয় সাৰ-পানী দি জীপাল দি উঠা গছ পুলিটো যেন অকালতে মৰহি গৈছে, শ্ৰমখিনিও যেন পণ্ড শ্ৰম হ'ল। সাংস্কৃতিক বিভাগৰ জৰিয়তে, গোটেই অসমৰ সাংস্কৃতিক বাতাবৰণ জগাই তোলাত তেওঁ আছিল সিদ্ধহস্ত আৰু যোগ-সূত্ৰ। কেতিয়াবা এনেকুৱা আছিল দুইঘণ্টাতে শ্ৰীকৃষ্ণ মূৰ্ত্তি হাজৰিকা, আনন্দমোহন ভাগৱতীক লৈ সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰিছিল। তেতিয়াৰ ৰাষ্ট্ৰপতি অসমৰ ফকৰুদ্দিন আলি আহমদ ডাঙৰীয়াৰ আদেশত আৰু সহযোগত হাতত মাত্ৰ এটি সপ্তাহ লৈ অসমৰ চাৰিওকোণৰ সাংস্কৃতিক দলক একগোট কৰাই তাৰ লগে লগে আখৰা কৰাই সুদূৰ ইন্দোনেছিয়ালৈ লৈ গৈছিল। তেতিয়া বৰ্ত্তমানৰ দৰে পাৰ-পত্ৰ, ভিছা আদি কৰাৰ নাম মাত্ৰও সুবিধা নাছিল। ইমান কম সময়ৰ ব্যৱধানত পঞ্চাশজনীয়া দল এটাৰ বিদেশলৈ যোৱাৰ সকলোখিনি প্ৰাৰম্ভিক নিয়ম-নীতি কলিকতা চহৰত অহৰহ খাটি সম্পন্ন কৰা আৰু দলটোৰ মুখীয়াল হিচাবে দায়িত্ব বহন কৰা মুখৰ কথা নাছিল। কিন্তু তেওঁ দেহেকেহে লাগি এই খিনি কৰাৰ

অন্তৰালত আছিল একমাত্ৰ অসমীয়া সংস্কৃতি বিদেশত প্ৰচাৰ আৰু প্ৰসাৰ হওক, বাহিৰা জগতে অসমৰ কিছু সম্যক জ্ঞান লওক।

সাংস্কৃতিক দলৰ নেতৃত্ব বহন কৰি, ভাৰতৰ প্ৰায়বোৰ ঠাইতেই আমাৰ থলুৱা সংস্কৃতি প্ৰদৰ্শন কৰিছিল আৰু আমাৰ সংস্কৃতিৰ চমু আভাস প্ৰদৰ্শনীৰ আগতে সদায়েই কৈহিয়াই দিছিল।

দিল্লীৰ গণৰাজ্য দিৱসত বিশেষকৈ মূল শোভাযাত্ৰাত ভাগ লবলৈ তেওঁ অসমৰ পৰা বিভিন্ন জন-গোষ্ঠীৰ সাংস্কৃতিক দল লৈ প্ৰতি বছৰে গৈছিল। তাত লগ পোৱা ভাৰতৰ বিভিন্ন দেশৰ শিল্পীসকলক অসম সম্পৰ্কে থকা ভুল ধাৰণাবোৰ শুধৰাই দিছিল। দুডাল নগা জাঠিলৈ নৃত্যকৰা লোক নৃত্যাই অসমক প্ৰতিফলন কৰাটোৰেই সাধাৰণতে সকলোৰে ধাৰণা আছিল, এতিয়া সময়ে কিছু সলনি কৰিছে। ইয়াতো তেওঁ নিজে গাই, আনক নচুৱাই আৰু বহুতো যুক্তি দাঙি ধৰি অসমীয়া কৃষ্টিক আগুৱাই নিয়াত থমকি ৰোৱা নাছিল।

এফালে চৰকাৰী দায়িত্ব, আনফালে এজন শিল্পীৰ সেন্দুৰীয়া আলিৰে বাট বোলা শিল্পী হিচাবে অল্প আয়ুসেৰে যি খিনি কৰি থৈ গ'ল আজি তাৰ খতিয়ান অসমৰ বাইজে লৈছেনে নাই সন্দেহ, নতুন প্ৰজন্মৰ কথা দূৰৈতে। অসমী আইৰ দূৰ্ভাগ্য যে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ, কলাগুৰু ৰাভা আদিকে লৈ প্ৰকৃত মহান শিল্পী সকলক আমি অকালতে হেৰুৱাইছো।

গায়ক বা শিল্পী হিচাবে সত্তৰ দশকৰ আৰম্ভনিৰ পৰাই তেওঁ মঞ্চত গীত পৰিবেশন কৰিবলৈ এৰিলে যদিও ৰাইজৰ একান্ত অনুৰোধত ভাষণৰ মাজে মাজে এটি-দুটি তেওঁৰ কালজয়ী গীত গাইছিল। তেওঁৰ ধাৰণা আছিল ৰসতে নামটো থব লাগে, নিজক পাৰ্য্যমানে লোকক বিলাই দিব লাগে যাতে চৰ্চ্চাটো অকালতে হেৰাই নেযায়। সেই উদ্দেশ্যেৰেই তেওঁ মনে চিতে ভালপোৱা শিল্পী সৰ্ব্বশ্ৰী-খগেন মহন্ত, দীপালি বৰঠাকুৰ, অনিমা ভট্ট, নিজৰেই সৰু পুত্ৰ অভ্ৰনীল বৰুৱাক গীত গোৱাবলৈ ল'লে।

অপ্ৰিয় হলেও এটা কথা (মোৰ চিন্তাধাৰাৰে) উত্থাপন কৰিব লাগিব সত্তৰ-আশীদশকত আমাৰ সংগীতৰ ধাৰাটো অলপ খাপচাড়া হৈছিল, যেন ক'ৰবাত বিসংগতিয়ে ঠাই লৈছে। গীতৰ সুৰ আৰু কথাৰ সামঞ্জস্য খুব কমেই আছিল। সুৰবোৰত আধুনিকতাৰ প্ৰলেপ (শাস্ত্ৰীয়সংগীতৰ ভিত্তিটো নহয়) ইমান বেছি পৰিছিল যে নিজৰতাখিনি বজাই ৰাখিবলৈ অপাৰগ হৈছিল। সেই বেজাৰে ৰুদ্ৰ বৰুৱাৰ মন ৰবকৈ জোকাৰি গৈছিল। তেওঁ মৰ্ম্মে-মৰ্ম্মে উপলব্ধি কৰিছিল নিজস্ব সংস্কৃতি আনৰ পৰা ধাৰ কৰি অনা বস্তু নহয়। আনৰ ভালটো লবলৈ নিজক বিসৰ্জ্জন দিব নালাগে বৰঞ্চ নিজত্ব বজাই ৰখা সিংমিশ্ৰণেৰে নতুন সৃষ্টি কৰিব লাগে। তেওঁ কৈছিল ধাৰ কৰি অনা সংস্কৃতি ৰূপহাৰী।

সাময়িকভাৱে তোলপাৰ লগালেও তাক ধৰি ৰাখিব নোৱাৰি, দ'কৈ সাঁচ বহুৱাব নোৱাৰে। আৰু ছিগা চুলি তাৰ ছিগা চুলিৰে নেঘেৰী খোপাটো বান্ধিলে প্ৰথমে ই দেখিবলৈ শুৱনী হ'ব কিন্তু শেষলৈ ই সোলোক-ঢোলোক হৈ আপচু ৰূপ লব। ধাৰ কৰা সংস্কৃতিও তদ্ৰূপ। তেওঁ দৃঢ়তাৰে কৈছিল নিজক যদি চিনি নোপোৱা আনক চিনি পোৱা কঠিন। সংস্কৃতিৰ সমলখিনি বুটলিব জানিলে, মোৰ ওপজা ঠাইখনতেই বিচাৰি পায়, আনলৈ হাকুটিয়াব নেলাগে, সেইকাৰণে ৰসৰাজ বেজবৰুৱাদেৱৰ "প্ৰেম প্ৰেম বুলি" গীতটি আন্তৰিকতাৰে আদৰি লৈছিল।

জীৱনৰ শেষৰ ফালে সাংস্কৃতিক সংগঠক হিচাবে তেওঁ পাৰদৰ্শিতা দেখুৱাইছিল। বৰুৱাই ব্যক্তিগত লাভা-লাভতকৈ অসমৰ সাংস্কৃতিক জগতখনক কিমান চহকী আৰু মেটমৰা কৰিব পাৰি তাৰহে অহোপুৰুষাৰ্থ কৰিছিল।

সাংস্কৃতিক দিশত ৰুদ্ৰ বৰুৱাৰ অবদান এটা সুকীয়া প্ৰবন্ধ হব। সেই দিশটো কেতিয়াবা বেলেগে প্ৰবন্ধ হিচাবে আগবঢ়াম। আজিৰ এই প্ৰবন্ধটোত তেওঁৰ সংবেদনশীল মনৰ কথাহে আগবঢ়ালো। এনেদৰে হয়তো বহুতো জ্ঞাত-অজ্ঞাত শিল্পীয়ে মনৰ বেদনা মনতে লৈয়েই চকু মুদে। যিবোৰ আজিৰ প্ৰজন্মই জনাটো অতি আৱশ্যক।

বনগীত বা মাটিৰ গোন্ধ থকা এই পাৰম্পৰিক গীতবোৰৰ স্থায়ী সংৰক্ষণ, থলুৱা গীত মাতবোৰক জীয়াই ৰখাৰ যি পৰিকল্পনা সি এতিয়াও সন্তোষজনক নহয়। স্বৰ্গীয় বৰুৱা সাংস্কৃতিক সঞ্চালক হৈ থাকোঁতে এনে এটি পদক্ষেপ লৈ উদ্ধাৰৰ অৰ্থে অসমৰ চুকে-কোণে ঘূৰিছিলে সেই কথা মই জানো। কিন্তু তেওঁৰ মৃত্যুৰ পিচত ই ধোঁৱা চাঙত উঠিল, বহুতো পুৰণা ৰেকৰ্ডৰ চিনচাব নোহোৱা হ'ল। এই প্ৰচেষ্টা অব্যাহত থাকক বুলিয়েই, মই বৰুৱাৰ মৃত্যু দিবস অৰ্থাৎ ১৪ ফেব্ৰুৱাৰীত অসমৰ ৰাজ্যিক সংগীত মহাবিদ্যালয়ত পাৰম্পৰিক গীতৰ বাৰ্ষিক পৰীক্ষাত প্ৰথম হোৱা প্ৰাৰ্থীজনক এটি পুৰস্কাৰ প্ৰতি বছৰেই আগবঢ়াইছিলো। কিন্তু সাংস্কৃতিক সঞ্চালকালয়ে পুঁজিৰ অভাৱৰ অজুহাত দেখুৱাই, অনুষ্ঠানটি আয়োজন কৰাত পিঠি দিলে। যিজন মানুহে তেজক পানী কৰি এই সঞ্চালকালয়টো গঢ় দিলে, সেইজন মানুহলৈ চৰকাৰৰ চৰম আন্তৰিকতাৰ নিদৰ্শন ইয়াতকৈ আৰু কি হব পাৰে।?

কিন্তু সুখৰ খবৰ যে ৰুদ্ৰ বৰুৱাৰ জন্মস্থান পুৰণিগুদামৰ এটি স্থানীয় অনুষ্ঠান "কুশীলৱ" আৰু অনিৰ্বান গোষ্ঠীয়ে যথাক্ৰমে বৰুৱাৰ গীতৰ কৰ্মশালা আৰু প্ৰতিযোগিতা পাতি নতুন প্ৰজন্মক সেই সুৰীয়া গীতৰ কিছু আভাষ দিলে। এটি সুকীয়া পৰিবেশৰ আৱেষ্টনীৰ মাজত থাকি বৰপেটাৰ শিল্পীসকলে ৰুদ্ৰ বৰুৱাৰ জীৱন আলেখ্য "মোৰ আইৰ হিয়াৰ সুৰ" আৰু "মিলিত কণ্ঠে আমি গাওঁ" বোলা গীতৰ শৰাই আগবঢ়ালে সেইয়া সচাঁকৈয়ে শলাগিব লগীয়া।

সামৰণিত এটা কথাই উনুকিয়াওঁ এই আপুৰুগীয়া সম্পদখিনি ৰক্ষণা-বেক্ষণৰ কাৰণে অসমৰ ৰাইজ সজাগ হবৰ হ'ল। সংৰক্ষণৰ স্বাৰ্থত এই গীতবোৰে যাতে বিকৃত ৰূপ নলয় তাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব, অন্যথাই নতুন প্ৰজন্মক দোষাৰোপ কৰি লাভ নাই। এই জাতীয় গীত প্ৰচলিত আছিল বুলি আত্মাতৃপ্তি লোৱাৰ বাহিৰে অন্য একো নেথাকিবগৈ। কলাপ্ৰেমী ৰাইজ সজাগ হওক "ৰাইজে নখ জোকাৰিলে নৈ বয়।"

❖ ❖ ❖

মোৰ আইৰ হিয়াৰ সুৰ

হৰিদেৱ দাস

(দোকমোকালিৰ এখন গাওঁৰ পৰিৱেশ। প্ৰভাতী সুৰ বাঁহীত বাজিব। চৰাই চিৰিকটিৰ মাত, গৰুৰ হেম্বেলনি, ষ্টেজত কেইজনীমান দাৱনীৰ প্ৰবেশ। লাহে লাহে সূৰ্য্যোদয়ৰ দৃশ্য তাৰ পিচত সূত্ৰধাৰৰ প্ৰবেশ।)

সূত্ৰঃ সুবাস বিয়পে

আই অসমীয়া শুৱনী গাঁৱৰ
ছন্দোময়ী ছবি দেখিলেই
বিয়পে সুবাস — মাটিৰ সুবাস — পানীৰ সুবাস —
ৰ'দে পোৱা পথাৰত এজাক বৰষুণ পৰাৰ পিছৰ
ঋষভৰো প্ৰিয় সুগন্ধি সুবাস —
তেনেহেন সুবাসৰ বৰ লুইতত অৱগাহন কৰি
উপজিছিল তেওঁ —
শৈশব আৰু কৈশোৰ পাৰ কৰিছিল
সাধাৰণ পৰিয়ালৰ পোৱা-নোপোৱাৰ
লিহিৰি পতীয়া আশা-আকাংক্ষাৰ মাজত
উমলি জামলি —
লুইতৰ দুয়োপাৰৰ আনন্দ আৰু বেদনাক
সুৰেৰে মূৰ্ত কৰা লুইত কোঁৱৰ তেওঁ —
তেৱেঁই ৰুদ্ৰ বৰুৱা
পকাধানৰ মাজে মাজে
সৰু সৰু আলি বগাই
ধানে হাঁহি হঁহউৱা গীত জোৰা
গীত : পকাধানৰ মাজে মাজে সৰু সৰু আলি ও
সৰু সৰু আলি
আলিত পৰি গীত জোৰে জাক বালিমাহী।।
হিমচেঁচা বতাহ আহি ধান প'লে চুমি
দাৱনীয়ে হাতত কাঁচি থবাই ল'লে তুলি।
ও যাওঁ কি নেযাওঁ খোজেৰে

ৰুদ্ৰ বীণাৰ তান

পাওঁ কি নাপাওঁ ভাবেৰে
সৰুকীয়া বাট গ'লে বুলি।।
পকাধানে হালি-জালি
দাৱনীক কয় আহা বুলি
দাৱনীয়ে সেৱা জনাই
ধানৰ গোছত মাৰে মুঠি
সোণগুটিৰ ভৰত হাতৰ ধৰে শিৰামূৰি
জাক দাৱনীৰ জিৰণি গীতে পথাৰ ধৰে জুৰি
সৰু সৰু চৰাইবোৰে
লাজত পলাই উৰা মাৰে
ধান ফালি ফালি।।
ধানৰ পাতে কাটে
তেজ ডোঙা পাতে।
সোণগুটিৰ ভৰত জোন বিৰিয়া ভাগে
তেওঁতো আমাৰ দুখ নাই
ধানে হাঁহি হঁহুৱাই
উলাহেৰে গীত গাওঁ মন সঁফুৰা খুলি।।

সূত্ৰ ঃ সোণোৱালী শইচ ভৰা পথাৰত দাৱনীয়ে ধান কটা মনোৰম দৃশ্য পাঙিৰ বৰ্ণনা কৰি ৰচনা কৰা এই গীতটোৰ পৰাই চিনিব পাৰি ৰুদ্ৰ বৰুৱা মানুহজনৰ মাজত লুকাই থকা সহজ-সৰল শিল্পী সত্বা। সুৰীয়া মাত, সুৱদী সুৰ আৰু গছে গছে অসমীৰ প্ৰাণৰ আশাৰ ফুল ফুলাব পৰা ভাষাৰ অধিকাৰী জনাই জন্মতেই যেন লৈ আহিছিল এই গুণৰাজি।

ৰুদ্ৰ বৰুৱাৰ জন্ম হৈছিল নগাওঁ জিলাৰ পুৰণিগুদাম অঞ্চলৰ ভীমৰ গাঁৱত ১৯২৬ চনত। পিতৃ বৰদাকান্ত বৰুৱা আৰু মাতৃ হীৰালতাৰ সন্তান ৰুদ্ৰ বৰুৱা তাহানিৰ ৰজাদিনীয়া খিতাপ লাভ কৰা কঁহাল বাবৰ বৰুৱাৰ বংশধৰ আছিল। বাল্যকালতে পিতৃহাৰা, পৰিয়ালৰ আটাইৰে মৰমৰ বাপু, পঢ়াশুনাত সমূলি মন-কাণ নাই। গাঁৱৰ কাষেৰে বৈ যোৱা কলং নৈৰ চাপৰিত মহ গুৱালৰ লগত মহৰ পিঠিত উঠি মহ চৰাই, দূৰ-দূৰণীৰ পৰা ভাহি অহা বিহু নাম, বনঘোষা শুনি লগ-সমনীয়াৰ লগত নাচি-বাগি খেল-ধেমালি কৰি কটাইছিল দিনৰ দিনটো। অসমীয়া কৃষ্টিৰ পলসেৰে দুয়োপাৰ উপচোৱা কলঙৰ পালি চাপৰিৰ বিশালতা চাই অনুভৱ কৰি গাইছিল --

গীত ঃ বোৰতী নৈৰ পাৰৰে মোৰ
সৰুকৈ গাওঁখনি

বনজ্ৰ বীণাৰ তান

মাটিৰে সৰগ যেন
সবাতকৈ শুৱনি
খৰালি নৈৰ বালিভৰা
বগা ঢকে ঢকি
ডিঙিৰে মুকুতা যেন
উঠিছে উজলি
পুৱাৰ বেলি আহি তাতে
পেলালে ৰেঙণি।
ৰঙ সলাই বগা বালি
হ'ল যে সোণালী।
কাষতে কলচী লৈ
গাভৰুৰে দল
খোজত খোজে গড়া নামে
উথল মাথল
কাণে কাণে কিনো কথা
মনত কিনো গুণা-গঁথা
হাঁহি কিৰিলিৰে কপাই
কাষৰে জাবণি
বালিৰ চৰত অকণি ঘাঁহ
তাতে দুপৰীয়া
গৰু চৰাই ৰহইচ কৰে
গাঁৱৰ গৰখীয়া
ভাওনাৰে বিলাপ মাতে
ঠেও ধৰি ধৰি।

সূত্ৰ : ঐতিহ্যমণ্ডিত কলিয়াবৰ অঞ্চলৰ সত্ৰীয়া সংস্কৃতিৰ পৰিবেশত ডাঙৰ দীঘল হয় বনজ্ৰ বৰুৱা। গাঁৱৰ বৰ নামঘৰত চৰ্চা হোৱা নাম- প্ৰসঙ্গ, কীৰ্ত্তন-দশম, ঘোষা পদ, নাট-ভাওনাৰ পৰিবেশৰ মাজেৰে পাৰ কৰে শৈশৱৰ সোণসেৰীয়া দিনবোৰ। বয়স বাঢ়ি অহাৰ লগে লগে অঞ্চলটোত চলি থকা গীত, নাট, ভাওনাত ভাগ লোৱা হ'ল তেওঁ।

জয় জয় ৰাম জয় শ্ৰীৰাম
জয় সনাতন হৰি হে।
হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী হে।

ৰুদ্ৰ বীণাৰ তান

শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি হে।
(নাট ধেমালীৰ অংশ)

সূত্ৰ ঃ কলং পাৰৰ কইৰা বনত হিয়াৰ সুৰে পাখি মেলা লুইত কোঁৱৰে অষ্টম মান শ্ৰেণীত পঢ়ি থকা অৱস্থাতে গীত লিখিবলৈ আৰম্ভ কৰে। অসমৰ বোকাপানীৰে সমৃদ্ধ সংগীতৰ বৰপঁজাৰ দুৱাৰ মুকলি ৰাখে — পৃথিৱীৰ চৌদিশৰ বিশুদ্ধ সুৰীয়া বতাহৰ প্ৰবেশৰ বাবে। এই উদ্দেশ্যে ঘৰৰ পৰা ছয়-সাত মাইল নিলগত অৱস্থিত অৱস্থাবান পৰিয়াল এঘৰলৈ গ্ৰামোফোন শুনিবলৈ যায় আৰু অন্তৰপৰশা সুৰবোৰ আয়ত্ব কৰি লয়।

১৯৪৫ চনত ৰুদ্ৰ বৰুৱাই পুৰণিগুদাম হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰি নগাওঁ কলেজত ভৰ্ত্তি হয়। নগাঁৱলৈ আহি বহল সাংস্কৃতিক ক্ষেত্ৰ এখনত প্ৰবেশ কৰে তেওঁ। নগাওঁ চহৰৰ সাংস্কৃতিক অনুষ্ঠান বিলাকত বৰগীত, বনগীতৰ শিল্পী হিচাপে এখন সুকীয়া আসন দখল কৰিবলৈ সক্ষম হয় ৰুদ্ৰ বৰুৱা। দিগন্তে দিগন্তে বিয়পি থকা সুৰৰ সোণত অসমীয়া ঠাচৰ সুৱগা চৰাই চিনাকি চিনাকি ডালিম গুটি যেন চিক্‌মিকাই থকা- সেয়া বাৰু কোন বুলি সুধিবলৈ মন যোৱা গীত জোৰে হাঁহো নে নেহাঁহো সৌৱা- সেয়া বাৰু কোন? চিকিমিকি গুটি জিকি মিকি কৰে —

গীত ঃ চিকিমিকি ডালিম গুটি
জিকিমিকি কৰে
হাঁহো নে নেহাঁহো সৌৱা
মিচিক্ মাচাক্ কৰে চোৱা
সেইয়া বাৰু কোন?
(মোৰ) পূৰ্ণিমাৰে জোন
নৈৰ ঘাটত দেখি অহা মোৰে কেঁচাসোণ।

চিৰিলি ঐ চিৰিলি হাতৰে ঐ আঙুলি
ভৰিৰে ঐ আঙুলি ঘন
কমোৱা তুলাৰে জোলা উৰোঁ উৰোঁ যেন দেহি
তেনে কৰে কুমলীয়া মন।
সেয়া বাৰু কোন?
(মোৰ) তেনেই আপোন
তাঁতৰ পাতত ৰচে এৰেঁ ধুনীয়া সপোন।

হাত দুখনি কিনো চাবা
যেন হাতীৰ শুঁৰ
ৰহণ-চৰাই গোটা খাৰু
বাজে জুনুক জুন
জাংফাই কেৰুযোৰ
পনীয়লি বাখৰবোৰ
কাণৰ লতিত জিলেমিলাই জ্বলে
সেইয়া বাৰু কোন?
মোৰ চিনাকি দেখোন
(যাৰ) পথাৰৰে বোকাত চৰে
ধুনীয়া নাচোন।

সূত্ৰঃ নগাঁবৰ সাংস্কৃতিক পৰিবেশত নিজকে নিমগন ৰাখে। ব্ৰতী হয় সংগীত সাধনাত। অলপ জনাৰ পিছত আৰু অধিক জানিব বিচাৰে। এটা সুৰ শিকাৰ পিছত আৰু এটা শিকিব বিচাৰে। মাটিৰ সুৰ, আকাশৰ সুৰ, লোক সুৰ, ধ্ৰুপদী সুৰ সকলো সুৰে তেওঁক আকুল কৰে। সেই সময়ত সুশীল বেনাৰ্জী নামৰ আছিল এগৰাকী সংগীত শিক্ষক। তেওঁৰ আছিল এখন হাৰমনিয়ামৰ দোকান। তেওঁৰ ওচৰত সংগীতৰ শিক্ষা গ্ৰহণৰ বাবে বৰুৱাৰ বৰ হেঁপাহ। এদিনাখন ডেকা ৰুদ্ৰই দোকানত উপস্থিত হৈ ক'লে-'চাৰ, আপোনাক দিবলৈ মোৰ ফুটা কড়ি এটাও নাই। আপোনাৰ কিন্তু অক্ষয় ভাণ্ডাৰ আছে। তাৰ পৰা মোক অলপ দিবনে? আপুনি মোক সঙ্গীত শিকাবনে? মই আপোনাৰ দোকানৰ হিচাপ-নিকাচকে চাই দিম।' ল'ৰাজনৰ কাতৰ আকুতি শুনি সঙ্গীত শিক্ষক বেনাৰ্জ্জীৰ অন্তৰ উঠলি উঠিল। আবেগত চকু চলচলীয়া হ'ল। থোকাথুকি মাতেৰে শিক্ষক বেনাৰ্জ্জীয়ে ক'লে 'বাপু, মই সঙ্গীতৰ যিখিনি জ্ঞান আহৰণ কৰিছো -- সংগীত কলঙৰ যিটি সোঁত মোৰ প্ৰাণত বৈ আছে -- সেই সকলো তোমাক উজাৰি দিম।' তাৰ পাচতেই আৰম্ভ হ'ল পদ্ধতিগতভাৱে সংগীতৰ প্ৰশিক্ষণ --

গীত : অস্তাচলৰ ৰক্ত ৰবি
সুপ্ত ধৰা তন্দ্ৰা এৰি
পূব গগণত দীপ্ত
জ্যোতিৰ শিখাই কৰ্মী জগাই
কৰ্মত কৰি দিলে লিপ্ত।।

সূত্ৰ : পঢ়ে ক'লেজত কিন্তু মন থাকে নাট্য মন্দিৰত। নগাওঁত পঢ়ি থকা অৱস্থাতে ৰুদ্ৰ বৰুৱাই প্ৰৱেশ কৰে তাৰ অভিনয় জগতখনত। চন্দ্ৰফুকন, সাৰদা বৰদলৈ, জগত বেজবৰুৱা আদি সেই সময়ৰ প্ৰখ্যাত অভিনেতা সকলৰ সান্নিধ্যত ৰুদ্ৰ বৰুৱাই স্ত্ৰী-

পুৰুষৰ বিভিন্ন চৰিত্ৰত সমান পাৰদৰ্শিতাৰে অভিনয় কৰাৰ উপৰিও গীত আৰু অভিনয়ৰ সংমিশ্ৰণৰ বৰাগীৰ ভূমিকাত অভিনয় কৰি জনপ্ৰিয় হৈ পৰে

সময়ে সময়ে বৰদোৱা প্ৰমুখ্যে সত্ৰ সমূহলৈ গৈ ভাওনা চায়। কীৰ্ত্তন-দশম, ভাগৱত-বৰগীতে ৰজনজনাই থকা পৰিবেশৰ দ্বাৰা আকৃষ্ট হৈ থিয়েটাৰ-ভাওনা-কীৰ্ত্তন-দশম-বৰগীত-বনগীত-বিহুনামেৰে পুষ্ট ৰুদ্ৰ বৰুৱা সংগীত জগতৰ মান্যবন্ত পুৰুষ হৈ উঠে।

সময় আগবঢ়াৰ লগে লগে অৰ্বাচীন সংগীতৰ প্ৰবেশৰ মুহূৰ্তে মুহূৰ্তে অনুভৱ কৰে অসমৰ আপুৰুগীয়া সংগীতৰ জগতখন যেন অতীত হ'ল-- বৰ্ত্তমানটো যেন বিজতৰীয়া গীত-মাতে গ্ৰাস কৰিলে -- খোলে-তালে-ডবাই-কাঁহে ৰজনজনাই থকা অসমীৰ চোতালখন যেন নিজম পৰিল। সেয়ে তেওঁ গায় --

গীত : দুখৰেনো ৰাতিটো কেতিয়া পুৱাব
অসমী আইৰ মুখখনি কোনে উজলাব,
খোলে তালে ডবাই কাঁহে
কীৰ্ত্তন দশম ঘোষাই নামে
তাহানিৰে দিন আকৌ কেতিয়া ঘূৰিব।
দুলড়ী লেচাৰী পদে সুৰদী সুৰীয়া মাতে
কাহানিকৈ বতাহত মোৰ কঁপনি তুলিব।
ভুৰুকাতে হাতী ভৰাই কোনে দেখুৱাব
মেঠোনৰে শিঙত ধৰি কোনে নচুৱাব
লুইতৰে নীলা পানী তেজেৰে ৰাঙলী কৰি
কোনে বাৰু আকৌ এবাৰ শতৰু খেদাব।
আছেনে মোৰ ভনীটি অসমী আইৰ জীয়ৰী
ঢালে-তৰোৱালে পাৰে ৰণুৱা সাজিব
দেশৰে খিয়াতি ৰাখি জনমভূমিৰ হকে
হাঁহি হাঁহি ৰণৰ থলীত প্ৰাণ বলি দিব।

সূত্ৰ : ১৯৪৬ চন। ৰুদ্ৰ বৰুৱা নগাওঁ কলেজৰ আই এ মহলাৰ ছাত্ৰ থকা কালতে জিলা কংগ্ৰেছৰ সাংগঠনিক সম্পাদক হিচাপে নিৰ্বাচিত হয়। সেই সময়ত ছাত্ৰ কংগ্ৰেছৰ স্থায়ী কাৰ্য্যালয় নথকাত সাংগঠনিক কাম-কাজত অসুবিধা আহি পৰে। ৰাইজৰ দান-বৰঙণি, খেৰ-বাঁহ গোটাই কাৰ্য্যালয় এটি সাজি লোৱাত আগভাগ লয় তেওঁ। ৰুদ্ৰ বৰুৱাৰ ঐকান্তিক চেষ্টাত জিলাখনৰ প্ৰতিখন স্কুলতে ছাত্ৰ কংগ্ৰেছৰ শাখা গঢ় লৈ উঠে। এই সময়ছোৱাতে তেওঁ ৰচনা কৰে অসমীয়া জাতি আৰু সংস্কৃতি প্ৰেমৰ কইনাটিও উদ্দীপনাময় গীত।

ৰুদ্ৰ বীণাৰ তান

অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ বিশ্লেষণ দিবলৈ গৈ এই উদাৰমনা গীতিকাৰজনাই সমগ্ৰ পূব ভাৰতৰ জনসাধাৰণৰ পৰিচয় ডাঙি ধৰিছে এইদৰে –

এই অসমৰ মহাজাতি আমি
নাই একো ভিন পৰ

গীত ঃ এই অসমৰ মহাজাতি আমি
নাই একো ভিন পৰ
এই আসামের সোণাৰ মাটিতে
বেঁধেছি আম্‌ৰা ঘৰ।
মোৰ দেশৰ পাহাৰ বুকুত শুনো
মিঠা মিঠা যত সুৰ
অ' লাচেত্ কাটি পোং ডেং
ব কাকিন্ ব, কোন ড্ৰেম ৰেং
ব, লাকজিত ও নাম চেৰাং
ব কামিন, চিম্ লাপালাং।।
মোৰ এই দেশৰ জয়ন্তীয়াই আজি গায়, কিনো গায়
পি পি চাঙ্গ্ৰাং পায়ো
ইপৰ ইয়া ই মনব্ৰো।।

এই দেশৰ বাবে যুঁজি যুঁজি আজি
সৌ সিংহতেও গায়,
সূৰ্য্য লেফি জাও হেৰ
কিৰণ পৃথিবী মা
উঠ উঠ সব ত্যাগি অব মিঠু নিদ্ৰালয়
হেৰ' অঘি বড়দৈ যাওঁ
কদ্‌মা কদ্ মীলাদে যাওঁ
উন্নতিৰ বেলিমায়
একভাক মাৰ্গমা
এই অসমৰ মহাজাতি
মিলিত কণ্ঠে আমি গাওঁ
স্বদেশ কি টাকত, বচাউঙ্গী
হম্ সব মিলজুল কৰ।।

সূত্ৰ ঃ অসমৰ সমাজ, ইতিহাস, লোকজীৱন, লোক-সংস্কৃতি আদিক জীৱন্ত ৰূপত প্ৰকাশ কৰা ৰুদ্ৰ বৰুৱাৰ গীত সমূহত-দাপোনত নিজৰ ৰূপ চোৱাৰ দৰে অসমীয়া জাতি-উপজাতিৰ নিজস্ব জাতীয় স্বৰূপ উদ্ভাসিত হৈ উঠে-গাঁৱৰ ছবি, বাটৰ ছবি, ঘাটৰ ছবি -- পথাৰৰ ছবি।

খেতিক আশ্ৰয় কৰি বৰ্ত্তি থাকে চহা লোকসকল। কৃষিয়ে হ'ল তেওঁলোকৰ প্ৰধান জীৱিকা। সেয়েহে সেউজীয়া ধাননীডৰাত ধানে ঢৌ খেলা দেখি মন-প্ৰাণ উলাহতে নাচি উঠে। ৰ'দ-বৰষুণ কাটি কৰি থৈ ঘৰৰ জীয়াৰী-বোৱাৰী সকলোৱে মিলি কপালৰ ঘাম মাটিত পেলাই কৰা খেতিডৰাৰ উন্নতিতেই যেন তেওঁলোকৰ আনন্দ।

গীত ঃ মোৰ পথাৰৰ লাহি শালি
সেউজী ধানে ঢৌ খেলি
ও কিনো ধুনীয়া হিয়া হৰি নিয়া
ৰূপৰ পোহাৰ পাতে
মন নাচে উলাহতে।
জাক বৰষুণ পিঠিত লৈ
দেহাৰে দুখ পাহৰি গৈ
ঘৰ ঘৰুৱাহি সতে
ভৰ বাৰিষাত ভুঁই কৰো
মূৰৰে ঘাম ভৰিত থলো
মনৰ হেঁপাহতে।
আজি লখিমী আই
আমাৰ দুখ দেখা পাই
ও সেউজী দেশৰ আজি মৰমৰ
সেউজী সপোন যাচে
মন নাচে উলাহতে।
পথাৰৰে ধান তাতে আমাৰ প্ৰাণ
ধানৰ লগত হাঁহো নাচো
দাই সামৰি বিহু পাতো
বুকুৰ কুটুমৰ সতে।
আই মাতৃ আমাৰ মাটি
তোমাৰ আগত আঁচল পাতি
জীয়াই থকাৰ আহাৰ মাগো
জনমে জনমে।

সূত্ৰ ঃ গীতেৰে ছবি আঁকা লুইত কোঁৱৰৰ কথা আৰু সুৰৰ ৰং আৰু ৰূপত চাওঁ আহক অসমৰ গাঁৱে-ভূঞে প্ৰচলিত পৰম্পৰা অনুসৰি বিয়ানাম গাই ফুৰা নামতী গৰাকীক। পৰৰ ঘৰে ঘৰে বিয়ানাম গাই লোকক মনোৰঞ্জন দি ফুৰা, লোকৰ আনন্দকে নিজৰ কৰি লোৱা নামতী 'জেতুকী বাই'। বিয়াৰ দিনাখনে তাইৰ আদৰ-সন্মান, বিয়া গ'লেই হ'ল বাহি।

গীত ঃ হঁয়েৰা জেতুকীবাই
চুলি তোৰ পকালি, দাঁতবোৰ সৰালি
পৰৰ ঘৰে ঘৰে নাম-গুণ গাই
কাৰোবাৰ পুতেকে কোনোবাৰ জীয়েকক
নিবলৈ পাতিছে বিয়া
জোঁৱাইৰ বা কি নাম, যোৱা দি কি গাম
তোৰ হে তত নাইকিয়া।
(পিছে) সাজিছ কাচিছ হয়
চাবি আক' বাইটি তই
চহকীৰ বিয়ালৈ ছাল-ছিগা নামতীক
মতাৰে ঠিকনা নাই।
তোৰ যে জীয়েৰক যমে কাঢ়ি নিলে
বুকু-শুদা পৰি যায়
পৰৰে জীয়াৰীক জোঁৱাইয়ে নিওঁতে
কান্দ তই নামকে গাই।
ৰভাঘৰ শুৱনী জীয়ৰী-বোৱাৰী
তোলৈ ঠাইকে নাই
বিয়াৰ তই নামতী খিয়াত হে সোঁৱৰে
পুৱালৈ পাহৰি যায়।

সূত্ৰ ঃ ১৯৪৭ চন। ৰুদ্ৰ বৰুৱা নগাওঁ এৰি অসমৰ তৎকালীন ৰাজধানী ছিলং চহৰ পালেগৈ চাকৰিৰ অন্বেষণত। নিকট আত্মীয় হেম হাজৰিকাই যোগাৰ কৰি দিয়া ৰেচম আৰু বয়ন বিভাগৰ নিম্নবৰ্গৰ সহায়কৰ চাকৰিৰ দ্বাৰা ৰুদ্ৰ বৰুৱাৰ অৰ্থনৈতিক চিন্তাৰ কিছু ওৰ পৰে। নিতে নতুন গীত, নতুন সুৰ সৃষ্টি কৰাত লাগি যায় তেওঁ।

সেই সময়তে ছিলঙত অনাতাঁৰ কেন্দ্ৰ স্থাপন হোৱাত নিয়মীয়াকৈ প্ৰচাৰ হ'ব ধৰে ৰুদ্ৰ বৰুৱাৰ গীত। আহকচোন শিল্পী গৰাকীয়ে নিজে ৰচনা কৰি সৰ দি ছিলং কেন্দ্ৰযোগে গোৱা প্ৰথম গীতটোকে শুনো --

গীত ঃ কাৰ জানো পৰশত ফুলি উঠে মোৰ

ৰুদ্ৰ বীণাৰ তান

মাধৈ-মালতী পাহি
পশ্চিম আকাশখনি ৰঙোবালে ঢকা আজি
তাৰ মাজে আছে মোৰ
সোণৰ সপোন ভাহি ভাহি।
তৰা বছা আকাশৰ লাজুকী জোনে
ওলগ জনায় যেন মিচিকি হাঁহি
চালেদি সৰগ দেখা পঁজাটিত যেন
বাজি উঠে শত সুৰে
মোৰ মন-বাঁহী
মোৰ আকাশৰ ক'লীয়া ডাৱৰ
চমকা চমকে যায় উৰি
নুমাও নুমাও যেন দীপগছি মোৰ
জ্বলি উঠে জ্বলি উঠে
অজানাৰ আগমন জানি।

সূত্ৰ ঃ অসমৰ বিভিন্ন প্ৰান্তৰ পৰা চাকৰিসূত্ৰে অহা মানুহবিলাকে শ্বিলঙত এক সাংস্কৃতিক মিলন ক্ষেত্ৰ ৰচনা কৰে। তেওঁলোকে প্ৰাচীন কামৰূপী নৃত্য সংঘ, শ্ৰীমন্ত শংকৰদেৱ নাট্য সমাজ, অসম ক্লাব, শ্বিলং কলা পৰিষদ আদি বিভিন্ন কলা-সংস্কৃতিৰ কেন্দ্ৰ গঠন কৰি বিজতৰীয়া কৃষ্টিৰ প্ৰবল প্ৰাদুৰ্ভাৱ আতৰাই অসমীয়া জাতিৰ অস্তিত্ব প্ৰতিষ্ঠা কৰাত আগভাগ লয়।

১৯৫৪ চনত জীবেশ্বৰ গোস্বামী, গিৰিকান্ত মহন্ত, ধীৰেণ বৰুৱা, চৈতন্য হাজৰিকা, ৰাম গোস্বামী, কৃষ্ণমূৰ্ত্তি হাজৰিকা, ভীম বড়া আদি সংস্কৃতিৰ সাধকসকলে লগ হৈ ধৰ্মানন্দ দাসক সভাপতি হিচাপে লৈ 'শ্বিলং কলা পৰিষদ' গঠন কৰে।

ৰুদ্ৰ বৰুৱাই কলা পৰিষদৰে সাধাৰণ সম্পাদকৰ দায়িত্বত থাকি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীমাধৱদেৱ বিৰচিত অংকীয়া ভাওনা ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, চোৰধৰা পিম্পৰা গুছোৱা, কংসবধ আদি নৃত্য নাটিকাৰ মাধ্যমেৰে নতুন ৰূপত সজাই পৰাই পৰিবেশন কৰি ৰাইজক মুগ্ধ কৰে --

(ৰুক্মিণী হৰণ নাটৰ এটি দৃশ্য)

গীত ঃ যুদ্ধ দেহু যাদৱ যদুৰায়া
গৰাজে ৰজাসৱ আয়া ৰে।
ধৰি ধৰি শাৰঙ্গ ৰৰষল বান
নৃপ সৱ ভেদক কায়া ৰে।

ৰুদ্ৰ বীণাৰ তান

বাৰি বাৰিষা যচ অম্বুদ বৰিষল
হৰি কৰু শৰ সন্তাপ ৰে।
কাহুক বাহুকাহু উৰু কৰ কাটি
হৃদয় বিদাৰল বান ৰে।।

সূত্ৰ : কেৱল দৰদী কণ্ঠ শিল্পীয়েই আছিল এনে নহয়, সুদক্ষ সঙ্গীত পৰিচালক, সুনিপুণ সুৰকাৰ হিচাপে খ্যাত আছিল ৰুদ্ৰ বৰুৱা।

এদিনাখনৰ কথা, ৰুদ্ৰ বৰুৱাই কবি-গীতিকাৰ কেশৱ মহন্তলৈ গীত এটি খুজি চিঠি দিলে আৰু গীতটো নিজে সুৰ দি চিলঙত পঢ়ি থকা কলেজীয়া ছাত্ৰ খগেন মহন্তৰ হতুৱাই গোৱাবৰ ইচ্ছা প্ৰকাশ কৰিলে --

কেশৱ মহন্তই 'ছো ঘৰৰ কথা' শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰিছে -- ৰুদ্ৰ বৰুৱা নিজেই সুপ্ৰসিদ্ধ গীতিকাৰ, সুৰকাৰ তথা গায়ক। তেওঁ আকৌ মোৰ গীত বিচাৰিছে। সি যি কি নহওক, গীতটো পঠাই দিলো। এদিন পাণবজাৰৰ মাজেদি আহি আছো। দুজন বঙালী ল'ৰাই নিজৰ মাজতে কথা পাতি গৈছে, "আজকে না, খগেন মহন্ত বলে একটি ছেলে কি গান কৰলোৰে, কথাগুলিও সুন্দৰ, সুৰেৰ কথা বলতে হবেনা, আৰ গাইল কি?" ইজনে ক'লে, "গানটা কি?" উত্তৰত সিজনে ক'লে "কি যেন কাউৰী পৰে।" বুজিলোঁ। ৰুদ্ৰ বৰুৱাই কলিজা ভঙা সুৰ কৰিলে।

গীত : কলৰে পাততে কাউৰী পৰে
আগলতি চিত মোৰ লৰে চৰে
ডুম ডুম ডবাতে কোনে কোব মাৰে
আষাৰৰ ডাৱৰৰ আৰে আৰে
অ' অ' জেউতি তোলৈ মোৰ মনত পৰে।।

পাখিত লগাই পাখি জাকি মাৰি উৰে
বগ জাকি মাৰি উৰে
উৰণীয়া মন মোৰ বান্ধিব নোৱাৰো
অ' অ' জেউতি তোৰ কাৰণে উৰা মাৰে।।

অ' অ' অ' অ' পথাৰত বলিছে উঠিছে ঢল
হেৰুৱাই নিদিবি মনৰে বল
ৰাইজে মাৰিব ওখকৈ জেঠা
ঢলে এৰি যাব পলসৰ এঠা
বাৰিষা আহিছে ধাৰাসাৰে

মৈ দিয়া বোকাই মোৰ মন কাঢ়ে।।

চকুৰে নেদেখা দূৰণীতে
আছোঁহি পিয়নৰ চাকৰিতে
কোমল ধানৰ কঠিয়া পৰালি নে নাই
বকুল বৰাৰ গোছ ললি নে নাই
মন মোৰ উচপিছ কৰে।।

চিঠিৰ বোজা মই পিঠিত বান্ধিলৈ
পৰৰ চেনেহ কঢ়িয়াও
মোৰহে চেনেহীয়ে কিনো ভাবিছে
তাৰ একো গমকে নাপাও
যোৱাবেলি আঘোণতে
জেউতিৰে কোলাতে
এৰি অহা সৰু পোনাটিৰ
আজি ঠুনুক্ ঠানাক্ মাতটি
ঘুনুক ঘানাক ফুটি আহে
দেউতা বেগতে আহিবি
আহোঁতে জুনুকা আনিবি
অবুজ চকুলো মোৰ সৰে সৰে।।
জেউতি অ' পোনাটি অ'
কুশলে আছনে ছাগে অ'? অ' অ'?

সূত্ৰ ঃ প্ৰায় এটা যুগৰ অধিক কাল শ্বিলঙত সাংস্কৃতিক জগতখনত নিজকে ওতঃপ্ৰোত ভাৱে জড়িত ৰাখি অসমীয়া কৃষ্টি প্ৰচাৰ আৰু প্ৰসাৰত অপৰিসীম অৰিহণা আগবঢ়োৱাৰ পিছত ৰুদ্ৰ বৰুৱা শ্বিলঙৰ পৰা গুৱাহাটীলৈ আহিল তথ্য আৰু জনসম্পৰ্ক বিষয়া বিভাগৰ সাংস্কৃতিক শাখাৰ উপ-সঞ্চালকৰ দায়িত্ব লৈ। শিল্পীদল লৈ অসমৰ গাঁৱে-ভূঁঞে, নগৰে-চহৰে, পৰ্বতে-ভৈয়ামে সমন্বয়ৰ সংবাদ বিলাব ধৰিলে ধুনীয়া নৃত্য গীতৰ মাধ্যমেৰে --

স্বতঃস্ফূৰ্ত আবেগ, অনুভূতিৰ মাজেদি গীত ৰচনা কৰাৰ উপৰিও গীতিকাৰ জনাই গ্ৰামোদ্যোগ, সমাজ কল্যাণ, বয়ন শিল, কুটিৰ শিল্প, সমবায়, পঞ্চবাৰ্ষিক পৰিকল্পনা, ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ আদি চৰকাৰী আঁচনিৰ অনেক বিষয়ৰ গীত ৰচনা কৰি আঁচনি সমূহ জনমুখী কৰাত সহায় কৰিছিল।

এই আঁচনিৰ বাবে ৰচনা কৰা গীতসমূহ গীতিকাৰ-সুৰকাৰ ৰুদ্ৰ বৰুৱাৰ হাতৰ পৰশত

কন্দ্ৰ বীণাৰ তান

চৰকাৰী প্ৰচাৰ হৈয়ে নেথাকি হৈ পৰিছিল মৌলিক সৃষ্টি, বৰ্ণনা হৈছিল মনোৰম দৃশ্য, গীত হৈছিল গীতি সাহিত্য আৰু বিজ্ঞানো ধৰা দিছিল কলাৰ মাধ্যমেৰে –

গীত : টিমিক্ ঢামাক সৌ জ্বলে (অ' লুইতত)
আশাৰে চাকিটি জ্বলে
এটি দুটি কৰি খুটা শাৰী শাৰী
পানীতে জিলিকি থাকে।
কলীয়াভোমোৰাই ভোমোৰাগুৰিতে
তাহানি পুতিছিল খুঁটি
এনেতে মৰণে ফুকনক নিলেহি
আশা গ'ল লুইতত উটি,
আজি অতকালে দলংখন নহ'লে
ৰাইজে জীয়াতু খালে।।
এইবাৰ ঐ ৰাইজে ৰজা
কান্ধতে ঐ পৰিছে বোজা
ধন সাঁচতীয়া তেজক পানী কৰা
ৰাইজে কামলৈ যাচে
সৌৱা আমিনগাঁৱত সৌৱা বৰহম্‌পুত্ৰত
ৰাইজে দলংখন সাজে।
এটি দুটি বছৰ ঐ থিতাতে যাব
দুই খলপীয়া সৌ দলং হ'ব
খৰছো কোটি কোটি টকা,
শ শ বনুৱাই দিনে ৰাতি খাটি
দলং উলিওৱাৰে কথা।
অ........ ওপৰৰ খলপে মটৰ গাড়ী যাব
কাৰেদি মানুহৰ শাৰী
অ...... তলৰ খলপেদি ধান মাহ কঢ়িয়াই
চলিব কত ৰেল গাড়ী,
লুইতৰ দলঙে আহকাল আঁতৰাই
সুখৰে বতৰা আনে।।

সূত্ৰ : গীতৰ মাধ্যমেৰে লুইতপৰীয়া ৰাইজৰ প্ৰাণত আশাৰ বতৰা কঢ়িয়াই অনা লুইত কোবঁৰে পাহৰা নাছিল কল্পনাৰ বহন প্ৰিয় শিশু মনৰ খোৰাক জগাবলৈ আৰু সেয়েহে তেওঁ শিশু মননশীলতাৰ গতিধাৰাক বিভিন্ন ৰূপত ধৰি ৰাখিবলৈ ৰচনা কৰিছিল-

গীত ঃ অ' তুল তুল অ' বুল বুল
অ' সেউতী তৰা
লুকা-ভাকু ভাল নালাগে
খেল কইনা দৰা।
তুল তুল আমাৰ কইনা হওঁক
বুল বুল হওঁক দৰা
মইনামতী নাম লগাই দিওঁ
দৰাঘৰীয়া যোৰা
অ' সেউতী হ দৰাৰ মাক
ঘট্ টেকেলি ধৰা।
কোৰোকাৰে দুৰলীতে
চাউল হ'ব বালি
কচুপাতত শলাকানি
সেয়ে হ'ব চাকি
পানী-পচাত পানী তুলিম
দুৰণিৰ ঘাট গড়া।
পাতাবাহাৰ পাত আনি
বেইখনি ল'ম সাজি
মিছা-মিছি হালধীৰে
দুইকো নোৱাম আমি
তৰাই লব তুলতুলক
সেউতীয়ে বুলবুলক
দাঙি আনি বহুৱাব বেই তলৰ পৰা।

সূত্ৰ ঃ নিজ যোগ্যতাৰ গুণত দোপত-দোপে আগবাঢ়ি যোৱা ৰুদ্ৰ বৰুৱাই ১৯৭৪ চনৰ ফেব্ৰুৱাৰী মাহৰ পহিলা তাৰিখে সাংস্কৃতিক বিভাগৰ সঞ্চালকৰূপে যোগদান কৰি অসমীয়া কলা-সংস্কৃতিৰ পুনৰোদ্ধাৰ আৰু পুনৰোত্থানত স্মৰণীয় ভূমিকা গ্ৰহণ কৰে।

অসমৰ বিভিন্ন সত্ৰৰ গায়ন শৈলীৰ বৰগীত ভিন্ন ভিন্ন কণ্ঠেৰে গোৱাৰ ব্যৱস্থা কৰাৰ উপৰিও সত্ৰৰ চাৰিবেৰৰ মাজত আবদ্ধ থকা অংকীয়া ভাওনা দেশ-বিদেশৰ মঞ্চত পৰিবেশন কৰাইছিল তেওঁ।

অসমৰ ভিতৰুৱা অঞ্চলৰ শিল্পীসকলক আগবঢ়াই আনি কোনোজনক দিছিল -- আত্মপ্ৰকাশৰ সুবিধা, কোনোজনে লাভ কৰিছিল প্ৰতিভা বিকাশৰ সুযোগ আৰু কোনোজনে পাইছিল জীৱিকা নিৰ্বাহৰ উপায়।

অসমীয়া কথাছবি উদ্যোগলৈ ৰূপান্তৰিত কৰাৰ চেষ্টাত কাহিলীপাৰাত 'জ্যোতি চিত্ৰবন' ফিল্ম ষ্টুডিও নিৰ্মাণ আঁচনি, তেজপুৰত থকা জ্যোতি প্ৰসাদৰ বাসগৃহক 'জ্যোতি ভাৰতী' হিচাপে গঢ় দিয়াৰ আঁচনি, গুৱাহাটীত ৰাজ্যিক সংগীত মহাবিদ্যালয় স্থাপন আদি নিতে নতুন আঁচনি ৰূপায়ণত ৰুদ্ৰ বৰুৱাৰ অৰিহণা আছিল অপৰিসীম।

তেওঁ কেবাখনো কথাছবিত অভিনয় কৰাৰ উপৰিও কেইখনমান কথাছবিত কণ্ঠদান আৰু সঙ্গীত পৰিচালনাও কৰিছিল।

অতুল বৰদলৈ পৰিচালিত 'কল্লোল' কথাছবিত ৰুদ্ৰ বৰুৱাই পৰিচালনা কৰা সঙ্গীত আৰু সুকণ্ঠী গায়িকা নমিতা ভট্টাচাৰ্য্যই কণ্ঠদান কৰা গীত এটিকে শুনো আহকচোন –

গীত ঃ দোলাৰে ভিতৰত বহিব নোৱাৰি
কঁইট পৰা আছে তাত
হীৰা-মুকুতাৰে সজালে পৰালে
দেহা যে নপৰে শাঁত।
জঁয় পৰা ফুল ছিঙিব নোৱাৰি
হেঁপাহেৰে মেলি হাত
আঙুলি পৰশত পাহি সৰি পৰে
লগত সৰি পৰে পাত।
মনৰে কঁপনি কমাব নোৱাৰি
জাপৰে কাপোৰে দি গাত
খাবৰ মন নগ'লে খুৱাব নোৱাৰি
কাঁহীত বাঢ়ি দিয়া ভাত
কথা কব লগা বহুতো থাকিলে
মুখেৰে নোলায় মাত
যাবৰ মন নগ'লে দু-খোজৰ হ'লেও
বহুত দীঘল লাগে বাট।

সূত্ৰ ঃ সময় অতি তাকৰ অথচ বহু কামেই আছে বাকী, কামত সাংস্কৃতিক বিভাগৰ সঞ্চালকৰ গুৰু ভাৰ। দিহিঙে দিপাঙে দৌৰি ফুৰিছে বিভাগীয় কামত – আজি যদি অসম সাহিত্য সভাৰ সাংস্কৃতিক সন্মিলনৰ সভাপতি হৈ বজিয়াত কাইলৈ হয়তো মালিগাওঁ বিহুতলীত সাংস্কৃতিক কাৰ্যক্ৰমৰ পৰিচালক, তাৰ পিচদিনাখন সঙ্গীত মহাবিদ্যালয় মুকলি কৰিছে তেজপুৰত। নিজৰ স্বাস্থ্যৰ প্ৰতি অকণো মন-কাণ নাই। এনেদৰে অসমীয়া সংস্কৃতিৰ কৰ্ণধাৰ গৰাকী হাতকুৰি বাটকুৰি বাই দিহিঙে দিপাঙে ঘুৰি ফুৰি অসুস্থ হৈ পৰে অসমীয়া কথাছবি 'বোৱাৰী'ত অভিনয় কৰি থকা সময়তে। শুটিং শেষ হোৱাৰ কেইদিনমান পিছতে তেওঁৰ শৰীৰৰ অৱস্থা ক্ৰমে বেয়াৰ ফালে ঢাল খোৱাত ১৯৮০

চনৰ ১৫ জানুৱাৰীৰ দিনাখন লৈ যোৱা হয় ভেলোৰৰ খ্ৰীষ্টিয়ান মেডিকেল হস্পিতাললৈ। সময় বৰ নিষ্ঠুৰ, কাল ক্ষমাহীন। ১৯৮০ চনৰ ১৪ ফেব্ৰুৱাৰী তাৰিখে পাৰ্থিব জীৱনৰ মায়ামোহ, জ্বালা-যন্ত্ৰণা ত্যাগি-পৰিয়াল পৰিজন সকলোকে কন্দুৱাই জীৱন-নাটৰ কল্যাণ খৰমান গালে তেওঁ।

ৰুদ্ৰ বৰুৱা আজি আমাৰ মাজত নাই। কিন্তু পৰমাৰ্থত তেওঁৰ সুৰ-বাণীয়ে আজিও জীয়াই ৰাখিছে লুইত কোঁৱৰক আমাৰ মাজত। সাম্প্ৰতিক কালৰ সকলো অশুভ অকল্যাণকামী শক্তিক প্ৰতিহত কৰি সুন্দৰৰ পূজালৈ, শিল্পী সেনানীসকলক জনাই আহিছে আকুল আহ্বান।

গীত ঃ সুৰৰ পূজাৰী অ'
সুৰৰ তালত কণ্ঠ মিলাই
সাধনাৰ মন্ত্ৰ জপা
সুৰলোকৰ অমিয়া পি
সুখৰ সপোন ৰচা।।
দুখৰ বোকাত তোমাৰ সুৰেৰে
পদুম ফুলাই নিয়া
দূষিত বায়ুক শোধন কৰি
সুৰভি বিলাই দিয়া
গোন্ধ ভৰা আমাৰ ধৰা
হৃদয় আকুল কৰা।।
পঙ্কিলতাই তোমাৰ হৃদয়
কৰিব নোৱাৰে স্পৰ্শ
হিংসা-দ্বেষৰ বিলোপ সাধন
তোমাৰ সুৰৰে লক্ষ্য
মানৱতাৰ সেৱক তুমি
হে শিল্পী সেনা।।

(একেটা গীতৰ দুটা সংস্কৰণ পোৱা যায়। মূলত মিল থাকিলেও কিছু অংশ বিশেষত পাৰ্থক্য দেখা যায়)

এই অসমৰ মাটিৰ শিল্পী -- কলং-কপিলী-বৰাক-লুইতৰ দুয়োপাৰৰ জীৱন প্ৰীতি-মিলন ক্ষেত্ৰৰ ঋত্বিকস্বৰূপ সুন্দৰৰ পূজাৰী লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাই অভাৱেৰে পূৰ্ণ জীৱন পাৰমাৰ্থিক সম্পদেৰে পূৰ্ণ কৰি মানৱৰ কল্যাণৰ বাবে সম্পূৰ্ণ ঢালি দি পূৰ্ণ শিল্পী হৈয়েই যোৱা মহান কলাকাৰ গৰাকীৰ পবিত্ৰ স্মৃতিত আমাৰ এয়া অন্তৰৰে অন্তৰৰ শ্ৰদ্ধাঞ্জলি। লুইত কোঁৱৰ জীয়াই থাকক আমাৰ মাজত। চিৰদিন চিৰকাল –

ৰুদ্ৰ বীণাৰ তান

শ্লোক ঃ ওঁ পূৰ্ণমদঃ পূৰ্ণামিদং পূৰ্ণাৎ পূৰ্ণমুদস্যতে।
পূৰ্ণস্য পূৰ্ণমাদায় পূৰ্ণমেবাব শিষ্যতে।। (উপনিষদ)

শুনা বুধজন কেনে সুখে আছা বসি।
কালে আসি পাইল চোৱা মনে বিমৰিষি।।
ইহেন মনুষ্য জন্ম বৃথা যায় আয়ু।
কেতিক্ষণে ছুটে জানা ইটো প্ৰাণবায়ু।। ১৭৮২
জানি হৰি ভকতিত সৱে দিয়া মতি।
হৰি কথা শ্ৰৱণত দৃঢ় কৰা ৰতি।
কলিত কীৰ্ত্তন বিনে গতি নাহি আৰ।
ডাকি হৰি হৰি বোলা তেৰেসে নিস্তাৰ।। ১৭৮৩
(কীৰ্ত্তন ঘোষা, কৃষ্ণ লীলা মালা)

❖ ❖ ❖

ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ ৰুদ্ৰ ককাইদেউ

প্ৰথমে উনুকিয়াইছো — এই কিতাপখনি ছপাখানাত দিয়াৰ সময়ত মই ডঃ শইকীয়াক (সেই মহান কথা শিল্পীজনক মই দেওবৰ দৰেই অনুভৱ কৰিছিলো।) ৰুদ্ৰ ককাৰ বিষয়ে কিছু লেখিবলৈ অনুৰোধ কৰিছিলো। "জীৱন-বৃত্ত" নামৰ গ্ৰন্থখনিত "ৰুদ্ৰ ককাৰ বিষয়ে যি লিখি থৈ গৈছে তাকে তেওঁ এই প্ৰবন্ধটিত লিখিবলৈ মোক অনুমতি দিলে আৰু লগতে ক'লে সময় সুবিধা হ'লে আৰু কিছু লিখি দিব। কিন্তু সেইয়া হৈ নুঠিল। মহাকালে তেওঁক আমাৰ মাজৰ পৰা লৈ গ'ল। ডঃ শইকীয়ালৈ শ্ৰদ্ধাঞ্জলি জনাই তেওঁ ৰুদ্ৰ ককাইদেউক সোঁৱৰি "জীৱন বৃত্তত" লিখা কথাখিনি ইয়াত উদ্ধৃত কৰা হ'ল। গভীৰ শোকৰ মাজতো শ্ৰীমতী প্ৰীতিয়ে (ভবেন শইকীয়াৰ পত্নী) মোৰ অনুৰোধক সমৰ্থন কৰাত মই ধন্যবাদ আৰু সমবেদনা জনালো। — ডঃ শইকীয়াৰ জীৱন কীৰ্তি অমৰ হৈ ৰওঁক এই আশাৰে —

আৰতি

বৌৰ মাকৰ ঘৰ আছিল পুৰণিগুদাম আৰু চামগুৰিৰ মাজৰ ভীমৰ গাওঁ নামে এখন গাৱঁত, পাঠশালা আৰু হাইস্কুলৰ তলৰ শ্ৰেণীৰ দিনবোৰত আমি বছৰত দুবাৰমান ভীমৰ গাৱঁলৈ গৈ আছিলো। ফৌজদাৰী পট্টীৰ পৰা দহমাইল মান দূৰত সেই গাওঁখনলৈ কৰা ভ্ৰমণটোৱেই মোৰ কাৰণে বৰ বিচিত্ৰ আছিল। কেতিয়াবা গৈছিলো বাছত, কেতিয়াবা ৰেলত।

(জীৱন বৃত্ত - পৃষ্ঠা ৪১-৪২)

মোমাইহঁতৰ ঘৰৰ পৰা চামগুৰিৰ কালে ডেৰ ফাৰ্লংমান দূৰত বাটৰ সোঁ-কালে পুখুৰী বুলিব পৰা এটা ডাঙৰ খাল আছিল। এবাৰ গৈ দেখিছিলো-খালটোৰ পাৰত বহি ৰুদ্ৰ ককাই বৰশী বাই আছে। মোৰ ধাৰণা, ৰুদ্ৰ ককাৰ বয়স আমাৰ নগেন ককাইদেউ, নৃপেন ককাইদেউৰ বয়সৰ মাজতে হব। হাফপেন্ট আৰু কামিজ পিন্ধি থকা ল'ৰাজনে মোক মৰম কৰি ওচৰতে বহুৱাই লৈছিল আৰু অলপ সময় কথা পতাৰ পিচতে মোক গান গাবলৈ কৈছিল। প্ৰথমতে লাজ কৰি নাই নাগাও কোৱাৰ পিচত, মই এটাৰ পিচত এটাকৈ কেইবাটাও গান গাই গৈছিলো।

"হিয়া নাওখনি বাই যা তই মন নাৱৰীয়া অ' - গান মোৰ কাঢ়ি লৈ হিয়াখনি ভাঙি থৈ যায় গুচি দূৰলৈ কোন", ৰুদ্ৰ ককাইদেউৱে মন দি মোৰ গান শুনি আছিল। সেয়াই

ৰুদ্ৰ ককাইদেউৰ লগত মোৰ প্ৰথম যোগা-যোগ। পাছলৈ তেখেতৰ লগত যোগা-যোগৰ অধ্যায়টো আহিব পাৰিম। ভীমৰ গাৱঁৰ কথা কৈ থোৱাটো মোৰ কাৰণে এটা প্ৰাসংগিক কাম, কাৰণ ভীমৰ গাওঁ আৰু মোমাইহঁত মোৰ কাৰণে এক ধৰণৰ শিশু সাৰথি আছিল।

(জীৱন বৃত্ত - পৃ ৪৩-৪৪)

মনত পৰে – অসম ছাত্ৰ-সন্মিলনৰ অধিবেশন উপলক্ষে আমাৰ স্কুলৰ হল ঘৰটোত পতা সাংস্কৃতিক অনুষ্ঠানত তেতিয়াৰ সৰু ল'ৰা কৃষ্ণমূৰ্ত্তি হাজৰিকাই চিকাৰী নৃত্য প্ৰদৰ্শন কৰি দৰ্শকক মুগ্ধ কৰিছিল। সেই সভাত ৰুদ্ৰ বৰুৱাই এটা গীত গাইছিল। মই জনাত সেয়াই নগৰৰ অনুষ্ঠানত তেওঁৰ গীত পৰিৱেশনৰ প্ৰথম কাৰ্য্যসূচী আছিল। গীতটো গাওঁতে তেওঁ বিব্ৰত, অপ্ৰস্তুত হৈছিল।

(জীৱন বৃত্ত-পৃ ৫৫)

পাছলৈ কেইবাখনো চলচিত্ৰ নিৰ্মাণ কৰিলো, প্ৰত্যেকখনৰ নিৰ্মাণ পৰ্ব্বৰ লগত কিছুমান বৈশিষ্ট্যপূৰ্ণ, বিচিত্ৰপূৰ্ণ কথা জড়িত আছে, কিন্তু প্ৰথম চলচিত্ৰখনৰ নিৰ্মাণ পৰ্ব্বৰ কথা বোৰ বেচি মৰমৰ, অধিক স্মৰণীয় যেন লাগে আৰু চলচিত্ৰ ক্ষেত্ৰখনৰ কথা ভাবিলে সেইহ কথাবোৰেই বেছিকৈ মনলৈ আহে। গতিকে ঠিক কৰিছো-"সন্ধ্যাৰাগৰ" কথা যি মনলৈ আহে লিখি যাওঁ।

সেই সময়ত অসম ৰাজ্যিক চলচিত্ৰ (বিত্ত-উন্নয়ন) পৰিচালন সঞ্চালক আছিল ৰুদ্ৰ বৰুৱা। তেখেত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালকো আছিল। চিত্ৰনাট্য লেখিবলৈ লওঁতে মই তেখেতক কৈছিলো মই নিগমৰ পৰা ধন ধাৰলৈ বিচাৰিম। অন্ততঃ কিছু ধন নিগমৰ পৰা পালে মই সকাহ পাম। এদিন তেখেত বিশ্ববিদ্যালয়ৰ "ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা" প্ৰেক্ষাগৃহৰ এটা অনুষ্ঠানলৈ আহিছিল। অনুষ্ঠানৰ শেষত, গাড়ীৰ ওচৰত মই চিত্ৰ নাট্যখনৰ চাৰিটা কপি তেখেতক হাতে হাতে দিছিলো। ১৯৭৬ চনৰ বাবে মই যি খন ডায়েৰী কিনি লৈছিলো, সেই খনৰ মতে জুনমাহৰ ত্ৰিশ তাৰিখ বুধবাৰে মই চিত্ৰ নাট্যকেইখন বৰুৱা ককাইদেউক দিছিলো। তাৰ কেইদিনমানৰ পাছতে ধন ধাৰলৈ বিচৰা দৰ্খাস্তখন তেখেতৰ অফিচত জমা দিছিলো। সেই সময়ত ৰুদ্ৰ বৰুৱাই সাংস্কৃতিক সঞ্চালকালয়ৰ বিভিন্ন কামৰ ক্ষেত্ৰত মোৰ লগত এটা সু-সম্পৰ্ক ৰখা কৰিছিল। সঞ্চালকালয়ে নিজৰ নাট-বিভাগ এটা প্ৰতিষ্ঠা কৰিব, তাৰ বাবে অভিনেতা, অভিনেত্ৰী নিৰ্বাচন কৰিব আৰু মই হলো সেই নিৰ্বাচন সমিতিৰ এজন সদস্য।

(জীৱন বৃত্ত - পৃ ৩২২)

সন্ধ্যাৰাগ কথা-ছবিৰ বাবে অভিনেত্ৰী ঠিক কৰিবৰ সময়ত চাৰু-তৰুৰ মাকৰ বাবে ৰুদ্ৰ বৰুৱাৰ পৰিবাৰ 'আৰতি বৰুৱা', উৰ্ম্মিলাৰ কাৰণে মোৰ বন্ধু প্ৰদীপ দত্তৰ পৰিবাৰ 'নানুদত্ত', তৰুৰ বাবে উত্তৰ লক্ষীমপুৰৰ (প্ৰীতিৰ ভতিজাক) ৰাজু বৰদলৈ, ডাঙৰ কান্তাৰ বাবে কাশ্মিৰী শইকীয়া - মুঠতে মই লগ পোৱা মানুহখিনিৰ ভিতৰত চৰিত্ৰৰ লগত যেয়ে খাপ খাব বুলি ধাৰণা হৈছিল, তেওঁকে মই বাচি লৈছিলো। আগতে মুভি ক্যেমেৰাৰ আগত ঠিয় হৈয়েই পোৱা নাই, কেতিয়াও অভিনয় কৰি পোৱা নাই এনেকুৱা কথাৰ ওপৰত মই গুৰুত্ব দিয়া নাছিলো। শিকালে পাৰিব এই ধাৰণা হোৱাৰ পিচত মই তেওঁলোকৰ বাকীবোৰ গুণৰ ওপৰত গুৰুত্ব দিছিলো। নাৰী চৰিত্ৰৰ বাবে মানুহখিনি গোটোৱাৰ সময়ত মই এদিন ৰুদ্ৰ বৰুৱাক কৈছিলো, ককাইদেউ ছিনেমা বুলিলে মানুহে নানান ধৰণৰ কথা কয় আৰু ভাবে। মই এই সম্ভ্ৰান্ত পৰিয়ালৰ মানুহ খিনিৰ ক্ষেত্ৰত এটা কথা মনত ৰাখিম, মোৰ এই ফিল্মখনত অভিনয় কৰাৰ কাৰণে প্ৰত্যেকৰে যেন অকণমান হলেও সন্মান বাঢ়ে, কাৰো অকণো নকমে। প্ৰত্যেকেই যেন অধিক সন্মানেৰে নিজৰ সংসাৰখনৰ আগৰ ঠাইলৈ উভতি যাব পাৰে।

(জীৱন বৃত্ত - পৃ ৩২৩)

আয়োজন অইন সকলো ফালে আগবাঢ়িল, কিন্তু ধনৰ আয়োজনৰ গতিটোৱেই চিন্তাৰ বিষয় হৈ থাকিল। ৰুদ্ৰ ককাইদেউৱে ক'লে নিগমৰ যিখন সমিতিয়ে মোৰ দৰ্খাস্ত খন বিবেচনা কৰি সিদ্ধান্ত লব পাৰে, সেই সমিতিখনত চৰকাৰৰ বিত্ত বিভাগৰ পৰা এজন সদস্য থাকিব লাগে, কিন্তু এতিয়ালৈকে চৰকাৰে সেই সদস্যজন নিয়োগ কৰা নাই, গতিকে সমিতিৰ সভাও বহুৱাব পৰা নাই। চেপ্তেম্বৰৰ সাত তাৰিখে ৰুদ্ৰ ককাইদেউক খাটিলো, আপুনি বিত্ত বিভাগৰ সদস্যজনৰ কাৰণে চৰকাৰক কওক। পাছদিনা তেখেতে ক'লে বিত্ত-বিভাগৰ যুটীয়া সচিব ৰাজখোৱাই ফোন কৰিছিল, সদস্যজনৰ ব্যৱস্থা বোলে সোনকালেই হ'ব, কিন্তু কেতিয়াবাকৈ হ'ব।

(জীৱন বৃত্ত - পৃ ৩২৬)

অনিৰ্ব্বান কথাছবিখনৰ কাৰণেও মই অসম চলচিত্ৰ (বিত্ত আৰু উন্নয়ন) নিগমৰ পৰা ধন ধাৰলৈ বিচাৰি ৰুদ্ৰবৰুৱা ককাইদেউৰ (নিগমৰ মেনেজিং ডিৰেক্টৰ) ওচৰত দৰ্খাস্ত কৰিছিলো। সন্ধ্যাৰাগৰ অভিজ্ঞতাৰ ভেটিত তেখেতে মোক সহায় কৰিব বুলি কৈছিল। এসময়ত তেখেত অসুস্থ হ'ল। ১৯৮০ চনৰ জানুৱাৰী মাহৰ মাজ ভাগত চিকিৎসাৰ কাৰণে তেখেত ভেলোৰলৈ গ'ল। ভেলোৰলৈ বুলি বৰঝাৰ বিমান বন্দৰলৈ যাওঁতে, মই তেখেতক লগ পাবলৈ বুলি ঘৰৰ পৰা ওলাই কটন কলেজৰ হোষ্টেলৰ

ওচৰৰ পাঁচ আলিত বৈ আছিলো। তাতে বৈ থাকিম বুলি টেলিফোনত তেখেতৰ লগত যোগাযোগ কৰিছিলো। এসময়ত গাড়ীখন আহিল, ৰুদ্ৰ ককাইদেউৰ লগত কৃষ্ণমূৰ্ত্তি হাজৰিকা। মই ককাইদেউক সোনকালে ভাল হৈ আহিবলৈ ক'লো। তেখেতে সেমেকা হাঁহি এটাৰে মূৰ দুপিয়ালে। ফেব্ৰুৱাৰী প্ৰথম সপ্তাহত অনিৰ্ব্বানৰ চুটিঙৰ আৰম্ভ হ'ল। এদিন চুটিংৰ পিচত ঘৰত ভাত খাবলৈ লৈছো। এনেতে খবৰ আহিল, ভেলোৰত ৰুদ্ৰ বৰুৱাৰ মৃত্যু হৈছে বুলি। পুৰণি গুদামৰ ওচৰৰ ভীমৰ গাৰঁত পুখুৰী মানে ডাঙৰ খাল এটাৰ পাৰত হাফপেণ্ট পিন্ধা ৰুদ্ৰ বৰুৱাক প্ৰথম লগ পাইছিলো। কটন কলেজৰ হোষ্টেলৰ ওচৰৰ পাঁচ আলিত তেওঁক শেষবাৰৰ কাৰণে লগ পালো। সেই ৰাতি দুয়োটা দৃশ্য মোৰ ঘনে ঘনে মনত পৰি থাকিল। আজিও মনত পৰি থাকে।

(জীৱন বৃত্ত - পৃ ৩৭৩)

মনত পৰা কথাৰ প্ৰসঙ্গতে মোৰ আজিও এটা কথা মনত পৰি বেজাৰ লাগে। দুহেজাৰ দুই চনৰ শ্ৰীশ্ৰী শঙ্কৰদেৱ বটা বিতৰণ অনুষ্ঠানত অৰ্থাৎ কলাক্ষেত্ৰত মোক ডঃ ভবেন শইকীয়াই লগ পাই কৈছিল--'নবৌ কেতিয়াবা আমাৰ ঘৰলৈ আহিবচোন। সকলোৰে লগ হৈ তাহানিৰ কথাবোৰ পাতিম।' কিন্তু কেতিয়াবা, কেতিয়াবা হৈয়েই থাকিল। ডঃ শইকীয়াৰ অন্তিম-যাত্ৰাত এই কথাবাৰে মোক বৰ আঘাত দিছিল। তেখেতৰ আত্মাই চিৰ শান্তি লাভ কৰক।

আৰতি বৰুৱা

❖ ❖ ❖

ৰুদ্ৰ বৰুৱাৰ সমবেত গীত সমূহৰ বিষয়ে

আৰতি বৰুৱা

লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ গীতৰ বৈশিষ্টৰ বিষয়ে পুনৰ ন কৈ দোহাৰিবলৈ প্ৰয়োজন নাই বুলি ভাবিছো, তাৰ পৰিবৰ্ত্তে তেখেতৰ কেইটিমান বাছুক-বনীয়া গীতৰ যাৰ নামাকৰণ কৰা হৈছে। (মিলিত কণ্ঠে আমি গাওঁ) কিছু তাৎপৰ্য্যপূৰ্ণ দিশৰ কথাহে উল্লেখ কৰি ৰুদ্ৰ বৰুৱা প্ৰেমী ৰাইজলৈ উৎসৰ্গা কৰিছো, তেখেতৰ এই বাইশ বছৰীয়া মৃত্যু তিথি উপলক্ষে। পঢ়ুৱৈ ৰাইজে ৰুদ্ৰ বৰুৱাৰ শিল্পী জীৱন তথা সাংস্কৃতিক সাংগঠনিক জীৱনৰ বিষয়ে বহুতো প্ৰবন্ধ পাতি পঢ়িছে কিন্তু তেখেতৰ শিল্পী সত্তাটোক জোকাৰি যোৱা কিছুমান চিত্ৰ-পট যি বোৰেই নেকি তেখেতৰ গীতৰ উৎস আৰু প্ৰেৰণা, যিয়েই নেকি তেখেতৰ কলম, সুৰৰ বহঘৰা আৰু কণ্ঠেৰে নিগৰি অহা যাউতি যুগীয়া গীত হৈ ৰ'ল। সেইবোৰকেই আজি মই মৃত্যু দিবসত শ্ৰদ্ধাঞ্জলি ৰূপে আগবঢ়ালো।

১/ "এই অসমৰ মহাজাতি আমি
নাই একো ভিন্ পৰ
এই আসামের সোণার মাটিতে
বেঁধেছি আমরা ঘর।

এই গীতটি তাহানিৰ অ-বিভক্ত অসমৰ সমন্বয়ৰ প্ৰতীক। অসমীয়া ন-অসমীয়া বৈচিত্ৰময় অসমখনিৰ বঙালী, হিন্দী, খাচি, জয়ন্তীয়া, নেপালী আদি ভাষাক অন্তভূৰ্ক্ত কৰি অসমীয়া গীতৰ সুৰ আৰু ঠাঁচত ৰজিতা খুৱাই ঐক্যৰ এনাজৰীডাল কটকটীয়া কৰি পঞ্চাশৰ দশকত ৰুদ্ৰ বৰুৱাই লেখিছিল। ৬০ ৰ দশকৰ মাজ ভাগত হোৱা ভাষা আন্দোলনত সমন্বৰ গীত হিচাবে অসমৰ চুকে-কোণে সহযোগী শিল্পী সকলকলে গাই ফুৰিছিল- "বিভিন্নতাৰ মাজেৰে একতাৰ দৌল বান্ধি ভিনপৰ নোহোৱাকৈ অসমখনিক সজাই পৰাই তোলো আহাঁ"।

আকাশবাণীৰ সমন্বয়ৰ সমবেত গীত প্ৰতিযোগীতাত এই গীতটিয়ে সৰ্বভাৰতীয় স্বীকৃতি পাই শীৰ্ষস্থান লাভ কৰিছিল।

২/ ধুম, ধুম, ধুম গুৰুম গুৰুম
বতৰে বজাই ঢোল
চিকিমিকি বিজুলীৰে
ওঠতে হাঁহিৰ বোল।

অসমৰ প্ৰকৃতিৰ লগত নিৰ্ভৰশীল খেতিয়ক ৰাইজৰ আশা আকাংক্ষাৰ প্ৰতীকেই এই গীতৰ কথা। বানপানী, ভূইকঁপ, অপৰিকল্পিত পৰিয়ালবে জুৰুলা, গায়ন ৰৰাৰ মাটি এপুৰা আছে, কিন্তু গৰুহাল, নাঙল, যুৱলিৰ যোগাৰ তেওঁৰ নাই। গাঁৱৰ ৰৰনামঘৰত একেটা খেলৰ এখন গাঁৱৰ মানুহে মেলপাতি সিদ্ধান্ত ললে সমিল মিল কৈ কাৰোবাৰ মাটি, কাৰোবাৰ গৰু, নাঙল, বলদ, কঠীয়া গাঁৱৰ ৰোৱণী, দাৱনীইঁতৰ সৈতে সমবায় ভিত্তিত খেতি কৰি নিজেও এমুঠি খাব আনকো খুৱাব। ৰাইজে নখ জোকাৰিলে নৈ বয় লাগে মাথোঁ হেজাৰ হাতীৰ বল, উদ্যম, সাহ আৰু গুৰি পৰুৱাৰ দৰে মিলিত চেষ্টা।

গীতৰ ৰচনা কাল ষাঠী দশকৰ আৰম্ভণীতে "নতুন ভাৰত" বোলা এখন প্ৰগতিমুখী সংগীতালেখ্যৰ বাবে। এই সংগীতালেখ্যৰ স্মৰণীয় দিশটো হৈছে, দিল্লী দূৰদৰ্শনত প্ৰথম অসমীয়া অনুষ্ঠান ৰূপে পৰিগণিত। তেতিয়া মাথোঁ ভাৰতৰ চাৰিখন মহানগৰীতহে দূৰদৰ্শন স্থাপিত হৈছিল। গীতটি ৰুদ্ৰ বৰুৱাই খগেন মহন্তক লগত লৈ পৰিবেশন কৰিছিল।

৩/ "কাৰজানো পৰশত ফুলি উঠে মোৰ
মাধে মালতী পাহি,
পশ্চিম আকাশখনি ৰটোৱালে
ঢকা আজি
তাৰ মাজে আছে মোৰ
সোণৰ সপোন ভাঁহি ভাঁহি।

মাথোঁ ন বছৰতে পিতৃ-হাৰা ৰুদ্ৰ বৰুৱাই, ছালেদি উকথা পঁজাত সকগৰ তৰা লেখিব পৰা, ৰৰষুণ দিলে ঘৰৰ চালৰ মাৰলিৰ ফাঁকেৰে পানী পৰা আদি দৈন্যতাৰে ভৰা তেওঁৰ কুমলীয়া মনটো আৰু জীৱনটোক প্ৰত্যাহ্বান হিচাবে লৈছিল। জীৱন সংগ্ৰামত হাৰ নমনা ৰুদ্ৰ বৰুৱাই আশাৰ ৰেঙনি দেখিছিল, সোণৰ সপোন ৰচিছিল বাস্তৱ জীৱনক উলাই কৰি তেওঁ সৃষ্টি কৰা গীতৰ মাজেৰে। যৌৱনৰ দুৱাৰ ডলিত ভৰি দি তেওঁ আশাৰে গীত লেখিছিল, কাৰোবাৰ পৰশত তেওঁৰ জীৱন কুসুমত "মাধে-মালতী" জোপা ফুলি উঠিব, কাৰণ সকলো সৃষ্টিৰ অন্তৰালত আছে একোজনী নাৰীৰ প্ৰেৰণা।

চল্লিশৰ দশকৰ শেষৰ ফালে লেখা গীতটি ১৯৪৮ চনত স্থাপন হোৱা "চিলং-গুৱাহাটী" অনাতাঁৰ কেন্দ্ৰত প্ৰথম বাৰৰ বাবে আধুনিক গীত হিচাবে গাই, অনাতাঁৰ কেন্দ্ৰৰ এজন আগশাৰীৰ গায়ক হিচাবে স্বীকৃতি পায়।

৪/ "পকা ধানৰ মাজে মাজে সৰু সৰু আলি
আলিত পৰি গীত জোৰে জাক বালি মাহী।"

অসমীয়া সংগীত জগতলৈ মাইলৰ খুঁটি হিচাবে বহুজন সমাদৃত অসমীয়া ৰাইজৰ অতি আপোন-আপোন লগা মৰমৰ এই গীতটি শিল্পী জনাই পঞ্চাশৰ দশকৰ আৰম্ভণীতে

ৰচনা কৰি গাই অসমৰ ইমূৰৰ পৰা সিমূৰলৈ খলক লগাইছিল। তেখেতৰ নিজৰ কথাৰে কওঁ "জীৱিকাৰ তাড়নাত গাৱঁৰ পৰা চহৰমুখী হ'লো যদিও গাওঁখনিৰ সোণোৱালি ধাননি, ধানৰ মেটমৰা বোজা কঢ়িয়াই অনা গাৱঁৰ পাহোৱাল ডেকা, বোৱনী দাৱনীৰ হাতৰ কাঁচিখন, ধানৰ পাতৰ চোকা অংশই কটা আৰু তাতে তেজ-ডোঙা বন্ধা অভিজ্ঞতাই মোক আজৌ মনত পেলাই দিয়ে চহা-জীৱনৰ সহজ, সৰল দিনবোৰলৈ। জন জীৱনৰ হাঁহি কান্দোন, শইচ ভৰা সেউজীয়া পথাৰখন, কলং নৈ, নামতী বাইজনী, তাওনাৰ বচন, বিলাপ আদিৰ পৰা বঞ্চিত হোৱা বেদনাখিনি "বালিমাহী" চৰাই জনীয়ে সৰু আলিত পৰি গীত গাই মোৰ মনৰ কথাকে প্ৰকাশ কৰে। চহৰীয়া সভ্যতাত বন্দী হোৱা মই এজনী বালিমাহী চৰাই যদিও, গাঁৱৰ জীৱনৰ ধৰণী স্নেহ পথাৰখনৰ কঠোৰশ্ৰমৰ বিনিময়ত চপোৱা সোণগুটিৰ আনন্দখিনিৰ লগত মৰো সমভাগী।

৫/ "বাৰীৰে পান পাৰি লৈ
ধনাই ওলাল হাটলে
কান্ধতে তাৰ মেট মৰা ভাৰ।
বেচিকিনি ধনেৰে আনিব হেপাহৰে
কেতেকীলে ডিঙিৰে'হাৰ"।

খেতি খোলাৰ উপৰিও বাৰীত ভামোল পান, কলমূল, শাক-পাচলি উৎপাদন কৰি গাৱঁৰ ওচৰৰ সাপ্তাহিক হাট বজাৰখনত বস্তু বেচি তাৰ বিনিময়ত ঘৰৰ ল'ৰা-তিৰোতালৈ সাজ-পোচাক, মণি কেৰু, গোন্ধতেল অনা প্ৰথা আজিও গাওঁবোৰত আছে। দুখুনী বাৰী বিধবাইও কটনা কাটি বোৱা কাপোৰ খিনিও ওচৰৰ বংমেন বা পুতেকক দিয়ে হাটত বেচিবলৈ আৰু সেই পইচাৰে ঘৰলৈ তেলকণ, নিমখকণ আনিবলৈ। ঠিক তেনেকৈ এদিন ধনাইও ওলাই গৈছিল তাৰ বাৰীৰ পান কেইমুঠি বেচি মৰমৰ মানুহজনীলৈ ডিঙিৰ হাৰ এডাল অনাৰ প্ৰতিশ্ৰুতিৰে। কিন্তু মানুহে পাতে, বিধাতাই ভাঙে। মেটমৰা ভাৰ কঢ়িয়াই নিওঁতে পথৰ ওপৰত গাড়ীৰ খুন্দাত ধনায়ে মৃত্যুক সাৱটি ললে, কেতেকীলৈ বুলি হেপাঁহৰ হাৰডাল অনাৰ আশা বুকুত লৈ। কপালত ডমকা ফোঁট আৰু শিৰত সেন্দুৰ লৈ কেতেকীয়ে ধনাই হাটৰ পৰা ঘূৰি অহাৰ অপেক্ষাত নঙলা মুখত বৈ আছিল। কিন্তু নিয়তিৰ কি পৰিহাস, ধনাইৰ মৃত্যুৰ বাতৰিয়ে তাই কপালখন উকা কৰিলে, চকুৰ পানীৰে বাট-নেদেখা হ'ল, মণিমুকুতাৰ হাৰডালৰ পৰিবৰ্তে তাই চকুলোৰে গৰ্থা হাৰ পিন্ধিলে শুভ্ৰ-বস্ত্ৰ সাজেৰে।

ৰুদ্ৰ বৰুৱাৰ পুৰণিগাওঁত জীৱন গাৱঁৰ ঘৰৰ পিচেই ওচৰেৰে যোৱা ৰাষ্ট্ৰীয় ঘাই-পথৰ ওপৰত হোৱা এটা নিকৰুণ মটৰ দুৰ্ঘটনাৰ প্ৰত্যক্ষদৰ্শী হিচাবে মৰ্মাহত হৈ সেইটো ঘটনাৰ বিৱৰণীটো গীতৰ আকাৰে প্ৰকাশ কৰিছিল।

৬/ "হয়ৌৰা জেতুকী বাই
চুলি তোৰ পকালি
দাঁতবোৰ সৰালি
পৰৰ ঘৰে ঘৰে নামগুণ গাই।"

নিভাঁজ অসমীয়া চহা জীৱনৰ এটি সম্বোধনিক শব্দেৰে জেতুকী বাই বোলা গীতটি ৰুদ্ৰ বৰুৱাৰ আন এটি জনপ্ৰিয় গীত। চুলি পকা, দাঁত সৰা জেতুকী বাইজনী হৈছে বৰুৱাৰ জন্মৰে পৰা দেখি অহা মাকন বাইটিৰ জীয়া কাহিনী জীৱনৰ শেষৰ ফাললৈ লাম-লাকুটি নোহোৱা আনকি নিজৰ ঘৰৰ ভেটি-মাটিকণো বন্ধকত যোৱা মাকন বাইটিৰ আশ্ৰয়স্থল হৈছিল বৰুৱাই এৰি থৈ অহা গাঁৱৰ ঘৰৰ ভেটিটো। কলেৰা মহামাৰীয়ে সৰ্বস্বান্ত কৰা বাইটিৰ পুত্ৰ-কন্যাক হেৰুৱাই আৰু ঘৰত তাৰ ঘৰত গেবাৰি খাটি ভাত মুঠি মোকলোৱা মাকন বাইটিৰ বিয়ানাম, গোঁসাইনাম, বিহুগীত আদিয়ে বৰুৱাক এনেদৰে আকৰ্ষিত কৰিছিল যে দৰা হৈ গাঁৱৰ ঘৰলৈ যাওঁতে মাকন বাইটিয়ে গোৱা বিয়ানামখিনি সেই বেশেৰে আয়ত্ত কৰি লৈছিল। আজিকালি স্বাৰ্থপৰ সমাজত নিজৰ স্বাৰ্থৰ সিদ্ধিৰ হকে নামতীজনীক সময় সাপেক্ষে প্ৰয়োজন হয়। চাল-চিগা নামতীজনী বহা খোৱাৰ চিন্তা কৰিবলৈ কাৰো আহৰি নাই, কিন্তু নামতীজনীৰ জীয়েকক যম ৰজাই কাঢ়ি নিয়া জীয়া বেদনাখিনি, ছোৱালী উলিয়াই দিয়া দুখৰ গীতখিনি গাই তাই খন্তেকলৈ হলেও পাহৰে। প্ৰয়োজনখিনি শেষ হ'লে তাই এলাগী হয়। নিঃসন্দেহে কব পাৰি জেতুকী বাই গীতটিৰ উৎস মাকন বাইটিৰ জীয়া কাহিনী।

৭/ " আই মোৰ নেকান্দিবি তই।
হাজাৰ বিজাৰ জোৱানৰে
আমাৰ দেশৰ সীমান্ততে
কুশলে আছো মই।"

১৯৬২ চনৰ চীনা-যুদ্ধত থৰক্ বৰক্ হোৱা উত্তৰ পূব ভাৰতৰ সীমান্তলৈ যোৱা এজন অসমীয়া সৈনিকৰ ঘৰ ও পৰিয়াল স্বজনৰ পৰা আঁতৰি গৈ শঙ্কিত কিন্তু লগতে গাওঁখনৰ বাবে গৰ্বিত মনৰ ভাৱৰ এখন প্ৰতিচ্ছবি। এফালে 'মাটিলে কণলৈকো যাবা নেমাতিলে ভোজলৈকো নেযাবা' মনোভাব, আনফালে জন্মদাত্ৰী মাকৰ অপত্য স্নেহ আৰু অসহায় ভাব। কোনো মাকে নিজৰ সন্তানক মৃত্যুৰ ঘণ্টা বাজি থকা কণ্টকময় জীৱনলৈ আগবাঢ়ি যাবলৈ নিদিয়ে যদিও দেশ আগতে, জীৱন পিচত বুলি উৎসাহ দিয়া মাকজনীৰ অভয়বাণী আশীৰ্বাদ স্বৰূপে লৈ ৰণ জয় কৰিবলৈ আগবঢ়া পুত্ৰৰ মনোবল, ভনীয়েকে ককায়েকলৈ দিয়া চিঠিত গাৱঁৰ জীয়ৰী বোৱাৰীহঁতে হাতৰ, কাণৰ দান দি দেশৰক্ষা কৰিবলৈ অহা জন-সাধাৰণৰ মনোভাৱ ছবিখন পৰিস্ফুট কৰিছে এইগীতৰ মাজেৰেই।

ভাৰতীয় সৈন্যৰ মনোৰঞ্জন আৰু মনোবল অটুত ৰাখিবলৈ তেতিয়া ভাৰতৰ চৰকাৰে এটি সাংস্কৃতিক দল নেফা (বৰ্ত্তমান অৰুনাচল) লৈ ৰুদ্ৰ বৰুৱাৰ নেতৃত্বত পঠিয়াইছিল। ১৯৬২ চনত এই গীতটি ৰচনা কৰি তাত ৰুদ্ৰ বৰুৱাই নিজেও গাইছিল, আন শিল্পী সকলকো গোৱাইছিল।

৮/ সনসন সন বা বলিছে ভুলুং ভুটুং নাও
বৰ-বৰ সৌ ঢৌ উঠিছে, নাওঁ কেনেকৈ বাও
পচোৱা কুৰুৱা পাৰ বা কেনেকৈ পাওঁ।

এই গীতটি এটি নাৱৰীয়াৰ পাৰ ঘাটৰ কাহিনী এই গীতত যাত্ৰী ইপাৰে সিপাৰ কৰি কোনোমতে পেট প্ৰবৰ্ত্তোৱাৰ দৰিদ্ৰতাৰ এটি বিৱৰণী নাৱৰীয়াজনৰ। নিজৰ বুলিবলৈ নাও এখনো নাই, মহাজনৰ পৰা ভাড়াত লোৱা নাওখনৰ ভাড়াও বহুদিনৰ বাকী, দিনটো হাড় ভঙা পৰিশ্ৰমৰ পিচত মহাজনৰ ভাড়া পৰিশোধ কৰিব নোৱাৰিলে, পৰিস্থিতিৰ ভয়াবহতাৰ প্ৰতি আতঙ্ক নাৱৰীয়াজনৰ। পাৰত থোপা বান্ধি বৈ আছে পাচোটিকৈ পো-নাতি, ককাকে অনা পইচাৰে কিবা কিনি খাই ভোকটো পলুৱাব। ভূতৰ ওপৰতে দানহটো হৈ ডিঙা মেলি দিয়াৰ লগে লগে আহিছে ধুমুহাৰ আগজাননী। বৌ, বৰালী, সদৃশ গাৰঁৰ পকী দলংবোৰ হোৱাত নাৱৰীয়াৰ উপাৰ্জন কমি আহিছে। এই মৰ্ম্ম-বেদনা বুকুত লৈ নাৱৰীয়াই বিপদ বিঘিনি নেওচি ভাটিয়ালী সুৰতে সুৰ মিলাই গাই গৈছে নাওখনি বুৰি মোৰ সলিল সমাধি হ'লে পচোৱা বতাহ জাকে যে কিমান শাও নাতি-পুতিৰ পৰা খাব। পচোৱা বতাহ জাকক সন্ত্ৰাসবাদৰ প্ৰতীক হিচাবে চিহ্নিত কৰিছে।

৯/ "ধিমিক ধামাক সৌ জ্বলে
অ' লুইতত আশাৰে চাকিটি জ্বলে
এটি দুটি কৰি খুটা শাৰী শাৰী
পানীতে জিলিকি থাকে............"

ৰুদ্ৰ বৰুৱাই অসমৰ মাটি-পানী, তৰু-লতা বনক বৰ্ণাই অসমৰ বাৰে বহনীয়া কৃষ্টিৰ সোৱাদ পোৱা গীত লেখাৰ উপৰিও কিছুমান গঠনমূলক, উন্নয়নমূলক আৰু প্ৰেৰণাদায়ক গীত লিখিছিল কাৰণ ৰুদ্ৰ বৰুৱাই জীৱনৰ শেষৰকালে গায়কশিল্পী হিচাবে নাথাকি সাংস্কৃতিক সংগঠক হিচাবেহে সেৱা আগবঢ়াইছিল। ৰসতে নামটো থৈ গীত গাবলৈ এৰি দিলে। সেই অজুহাততেই তেওঁ লিখি গ'ল বহু আকাংক্ষিত শাইজৰ ব্ৰহ্মপুত্ৰৰ ওপৰত শৰাইঘাটৰ দলং, পূৰ্ব্বাঞ্চলৰ সাতভনীৰ ৰাজ্য আৰু নাঙল যাৰ মাটি তাৰ ধ্বজাৰ উদাত্ত গীত।

শৰাইঘাট দলঙত আছে অতীতৰ ইতিহাস। তোমোৰাওনিত বলীয়া তোমোৰাই তাহানিতে পাতিব খোজা দুই পাৰ লগ লগাব খোজা সাহ। তেওঁৰ অকাল মৰণত

দলংখন সজাৰ আশাও লুইতৰ সোঁতত উটি ভাহি গ'ল। সুদীৰ্ঘ দিন ধৰি যাতায়াতৰ আহুকাল অসমৰ ৰাইজে দুই খলপীয়া (ওপৰেদি মটৰ গাড়ী, জনসমাগম, তলৰ খলপেদি ধান, চাহ কঢ়িয়াই যোৱা ৰেলগাড়ী) দলং বাস্তৱ ৰূপত দেখিবলৈ পাই আশা পূৰণৰ আনন্দ। এইটো প্ৰচাৰ ধৰ্ম্মী গীত হ'লেও ইয়াৰ মাজত নিহিত হৈ আছে কথা ও সুৰৰ পাভযোৰা।

১০/ "এইখন পথাৰ এই মাটি কাৰ
তুমি যদি খেতি কৰা তোমাৰ তোমাৰ
আমি যদি খেতি কৰো আমাৰ আমাৰ"

এই গীতটিত আছে শ্ৰমজীবি সকলৰ নায্য-প্ৰাপ্যৰ অধিকাৰ।" নাঙল যাৰ মাটি তাৰ" এই কথাষাৰেই এই গীতত বিদ্যমান। বিনা শ্ৰমে কোনোবাই অধিকাৰ সাব্যস্ত কৰিবলৈ গ'লে তাক সহ্য নকৰি বিদ্ৰোহ কৰিবলৈ খেতিয়ক ৰাইজলৈ জনাইছে এটি বিনম্ৰ অনুৰোধ। খেতিয়ক ৰাইজক আভুৱাভৰাৰ দিন উকলিল, ৰাইজ জাগিবৰ হ'ল।

১১/ "উচ্চ পাহাৰ আৰু বিশাল লুইত
সেউজীয়া তৰু-তৃণে পৰিবেষ্টিত,
ভাৰতৰ আকাশৰ প্ৰথম পোহৰ পোৱা
সেউজীয়া, মনোমোহা পূৰ্বাঞ্চল।"

নীলা পাহাৰ আৰু সূৰুযৰ ৰাঙলী কিৰণে পৰিবেষ্টিত এই ভূমিখণ্ডই হৈছে পূৰ্ব্বাঞ্চল য'ত ভাৰতৰ মাটিত প্ৰথম সূৰুযৰ কিৰণৰ পৰশে ৰাঙলী কৰে। প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ এই পূৰ্ব্বাঞ্চলৰ বৰ্ণনা, ছখন ৰাজ্যৰ নিজস্ব বৈশিষ্টতাৰে ভৰা অপৰূপ বৰ্ণনা এই গীতত বিদ্যমান। প্ৰচণ্ড সাহস আৰু বলৰ প্ৰতিভূ, নগা-ভূমি, শিক্ষাত ভাৰতৰ ভিতৰত অগ্ৰগতি কৰা মিজোৰাম অনাদিকালৰে পৰা ঐতিহ্য বহন কৰা মণিপুৰ, নিজস্ব নিপুণ কলা-কৃষ্টিৰে ভৰা ত্ৰিপুৰা, প্ৰথম সূৰুযৰ স্পৰ্শ পোৱা অগ্ৰগতিৰ পথত অৰুনাচল আৰু লুইতৰ দুয়ো পাৰৰ ঐতিহ্য বহনকাৰী মনোমোহা অসম, মেঘৰ লগত লুকা-ভাকু খেলা মেঘালয় পৰ্য্যটনকাৰীৰ ভূস্বৰ্গ এই পূৰ্ব্বাঞ্চল য'ত আছে নিভাঁজ মৰম আৰু আতিথ্য।

সুকীয়া বৈশিষ্ট্য থকা ৰুদ্ৰবৰুৱাৰ গীতখিনি এটা বিশেষ সংগীতৰ ধাৰা হিচাবে স্বীকৃতি দিব পাৰি নেকি অসমৰ সংগীত প্ৰেমী ৰাইজে চিন্তা কৰিবৰ হ'ল। কাৰণ ৰুদ্ৰ বৰুৱা পৰিয়ালৰে সম্পদ নহয়, অসমৰো সম্পদ। নিজৰ বাবে ঢাক-ঢোল নবজোৱা প্ৰচাৰ বিমুখ শিল্পী জনাৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা যঁচা হ'ব এনেকুৱা গঠনমূলক কামৰ জৰিয়তে। নগাঁও জিলাত জন্মগ্ৰহণ কৰা এই শিল্পী জনাৰ অৱদানখিনি যুগমীয়া কৰি ৰাখিবলৈ নগাৱৰ ৰাইজেই প্ৰথম পদক্ষেপ লওক, এইয়া মোৰ এটি অতি বিনম্ৰ অনুৰোধ।

❖ ❖ ❖

ৰুদ্ৰ বৰুৱাৰ গীত আজিও প্ৰাসঙ্গিক কিয় ?

চিত্তৰঞ্জন বৰা

গীত, সুৰ, নৃত্য, সাহিত্য, ছবি, ভাস্কৰ্য্য বা কলাময় আন যি বিষয়েই নহওক লাগিলে, যদি সেয়া জীয়াই থাকিব লাগে তেন্তে তাত প্ৰথমেই থাকিব লাগিব নান্দনিক সত্য। সেই সত্যৰ প্ৰকাশ ঘটিব লাগিব কলাময় ভাবসাম্যৰ মাজেৰে। আকৌ আৰু দেশ-কাল-পাত্ৰৰ ভিত্তিত গভীৰ আস্থা আৰু বিশ্বাসেৰে যদি সৃষ্টি কৰা নহয় তেন্তে তাৰ জীৱনকাল হৈ পৰিব পাৰে ক্ষন্তেকীয়া। প্ৰতিটো স্থিতিৰ আঁৰত থাকে তাৰ শিপাৰ বিস্তাৰ। সেই শিপা যিমানে দূৰলৈ আৰু গভীৰলৈ বিস্তাৰ লাভ কৰিব সিমানে তাৰ স্থিতি হ'ব মজবুত আৰু অপ্ৰতিৰোধ্য। শিপাৰ বিস্তাৰ নোহোৱাকৈ গোজ পোতা স্থিতিয়ে কেতিয়াবা দিব পাৰে ক্ষণিকৰ চমক। সেই চমকৰ সোৱাদ তেনেই ক্ষণস্থায়ী। সেই সোৱাদৰ ৰাগীত মতলীয়া নহৈ যি সকলে বহু শ্ৰমেৰে নিজৰ ভৰিৰ তলৰ মাটিখিনিৰ চিন উলিয়াই লয়, চৌপাশৰ পৰিৱেশৰ মূল কালিকা আবিষ্কাৰ কৰি লয় সেই সকলৰ সৃষ্টি হৈ ৰয় শাশ্বত। ৰুদ্ৰ বৰুৱাৰ গীত সমূহ আমাৰ দেশৰ, গাওঁ-ভুঁই, সমাজ-জীৱনৰ খুটি-নাটি, চিনাকি প্ৰকৃতি, আমাৰ ঐতিহ্য, দেশপ্ৰেম আদিক লৈ লিখা। গীত সমূহত আছে আমাৰ সমাজৰ গোন্ধ, মাটিৰ গোন্ধ। সেই গোন্ধ স্থায়ী গোন্ধ। তাৰ বিস্তাৰ জাতি জুৰি, দেশ জুৰি বিয়পা। বতাহে ক'ৰবাৰ পৰা বোৱাই অনা ক্ষণিকপৰ স্থায়ী হোৱা গোন্ধ নহয়।

সমাজ এখনে যেতিয়া গঢ় লয় তেতিয়া অৰ্থনৈতিক, সাংস্কৃতিক আৰু সামাজিক আচাৰ-আচৰণৰ বিচিত্ৰ মিলন হয় আৰু সিবোৰৰ প্ৰকৃতি অনুসৰি সমাজৰ চেহেৰাৰ প্ৰকাশ ঘটে। মানুহ সেই বিচিত্ৰ মিলন ক্ষেত্ৰৰ এক জীৱন্ত উপাদান। যদি কোনোবাই নিজৰ ভৰি থোৱা ঠাইখনৰ কথা পাহৰি কিবা সৃষ্টি কৰে তেন্তে স্বৰূপতে তেওঁ বাদ দি যায় নিজৰ চিনাকি চৌপাশ। নিজৰ আবহাৱা বাদ দিয়া সৃষ্টিয়ে সকলো সময়তে অটুত ৰাখিব নোৱাৰে নিজৰ নান্দনিক ভেটি। ৰুদ্ৰ বৰুৱাৰ গীতৰ নান্দনিক সত্যক গাওঁ-ভুঁই, ৰোৱনী-দাৱনী, পথাৰ-সমাৰৰ নিভাজ ছবিয়ে সুন্দৰ ভাবে ঘেৰি আছে। তেখেতৰ গীতত যি পৰিৱেশ বিৰাজ কৰে সেই জীয়া পৰিৱেশ আজিও অসমত অটুত আছে। এতিয়াও অসমত আছে গাঁৱৰ সহজ-সৰল গাভৰু, জেতুকী বাইৰ দৰে হতভাগিনী। সমাজৰ জীয়া ছবিয়ে যি দৰে তেওঁৰ গীতত ভুমুকি মাৰিছে ঠিক সেইদৰে তেখেতৰ গীতৰ নান্দনিক সত্যক ঘেৰি ৰাখিছে আমাৰ সোণালী ইতিহাসে; আমি জীয়াই আছো, ইতিহাস জীয়াই আছে, তেখেতৰ গীতো জীয়াই আছে। ভাওনাৰ খোলৰ চেও, কীৰ্ত্তন-দশমৰ হৃদয় কঁপোৱা টান, বনগীত, বিহুগীতৰ সুৰ আজিও জীয়াই আছে আৰু তেনে লেখীয়া সুৰৰ মায়াবী কোলাতেই জীয়াই আছে ৰুদ্ৰ বৰুৱাৰ গীত।

অসমৰ লোক সমাজৰ সহজ-সৰল ধৰ্মতত্ত্ব, দেহতত্ব, সংসাৰৰ সুখ-দুখ, আশা-নিৰাশাৰ ছবি তেখেতৰ গীতে যেনে সুৰত ধৰি ৰাখিছিল সেই সুৰ সম্পূৰ্ণ ভাৱে আজি অব্যাহত নাথাকিলেও পূৰ্ব পৰিবেশৰ ছাপ আজিও বিদ্যমান।

'অ' পথৰুৱা আলিৰ ওপৰত
কাৰ শুৱলা গীত
জাককৰা গাভৰু হঁতৰ
উলাহ উতলা চিত
খেতিৰ শেষত ভোগালী বিহুৰ
আশাৰ সপোন দেখে
পাঁজিসেৰীয়া আঙুলি মূৰত
দোমাহীৰ দিন লেখে।"

ৰুদ্ৰ বৰুৱাৰ তেজত আছিল কলা-সংস্কৃতিৰ প্ৰতি গভীৰ ভক্তি আৰু আস্থা। জাতিটোৰ কলা-সংস্কৃতিৰ উন্নতি হওক, ই দেশীয় পৰ্য্যায়লৈ যাওক, ই বিশ্বৰ দৰবাৰলৈ যাওক ঠিক এনেধৰণৰ গভীৰ আকাঙ্খ্যাই তেখেতক অহৰহ আচ্ছন্ন কৰি ৰাখিছিল আৰু সেই আকুতি তেখেতৰ গীত-মাততো আওপকীয়াকৈ প্ৰকাশ ঘটিছিল। পূৰ্বৰ হৃত গৌৰৱ পুনৰ উভতি নাহিলে সেয়া যে সম্ভৱ হৈ নুঠিব সেয়া তেখেতে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। সেয়েহে তেখেতে ৰচিছিল

"দুখৰেনো ৰাতিটো কেতিয়া পুৱাব
অসমী আইৰ মুখখনি কোনে উজলাব
খোলে তালে ডবাই কাঁহে
কীৰ্ত্তন দশম ঘোষাই নামে
তাহানিৰ দিন আৰু' কেতিয়া ঘূৰিব।"

আজিৰ যিচাম সচেতন কলা-সংস্কৃতি প্ৰেমী ওলাইছে তেওঁলোকৰ তেজতো স্বাভাৱিক ভাৱে বিৰাজ কৰে ৰুদ্ৰ বৰুৱাৰ আকাঙ্খ্যাৰ দৰে গোটেই দেশ চোৱাৰ আকাঙ্খ্যা, বিশ্ব-স্পৰ্শৰ স্পৃহা। যেতিয়া তেখেতৰ গীতত নিজৰ তেজৰ গান শুনা পায়, তেখেতৰ কাম-কাজত তেনে আকাঙ্খ্যাৰ সুৰ শুনা পায়, তেতিয়া তেওঁলোক বিভোৰ হয়। তেখেতৰ গীত শুনি যায় শ্ৰদ্ধাৰে, অন্তৰেৰে।

ৰুদ্ৰ বৰুৱাৰ গীতৰ আন এক বৈশিষ্ট্য হ'ল বিচিত্ৰ বিষয়ৰ সমাহাৰ। তেখেত এগৰাকী চৰকাৰী চাকৰিয়াল হোৱাৰ বাবে চৰকাৰী কামৰ বিভিন্ন তাগিদাত গীত ৰচনা কৰিছিল। ফলত গীতৰ বিষয় বিচিত্ৰ হৈছিল। সেই বিচিত্ৰতাই তেখেতৰ বহু গীত আজিও প্ৰাসঙ্গিক কৰি ৰাখিছে। তেখেতৰ গীতত যি দৰে জেতুকী বাইৰ কথা আছে ঠিক সেইদৰে আছে মাদক দ্ৰব্য নিবাৰণ বা অস্পৃশ্য বৰ্জন লেখিয়া বিষয়। পথাৰ খনৰ কথা যি দৰে তেখেতৰ গীতত আছে সেইদৰে আছে সৰহ শস্য উৎপাদনৰ কথা —

"বাৰিষাৰ সময়লৈ চাই
পানী পানী পানী বুলি
নাথাকো খিয়াই
আমি পালো যে উপায়।"

অসমৰ সংগীত জগতত আজি ব্যাপক হাৰত পাশ্চাত্য সংগীতৰ ঢৌ উঠিছে। পশ্চিমীয়া সংগীতত গা উটুৱাই দি প্ৰচুৰ জনপ্ৰিয়তা লাভ কৰাৰ মূৰত দুই-এক শিল্পী ঘূৰি আহিছে থলুৱা সুৰলৈ, চেষ্টা কৰিছে নিজৰ মাটিত গীত গাবলৈ। তেওঁলোকে বুজি পাইছে সময়ৰ শক্তি কিমান বিধ্বংসী আৰু নিজক বা নিজৰ জাতিটোক নিচিনাকৈ কিবা কৰিবলৈ গ'লে তাৰ পৰিণাম কি ভয়ঙ্কৰ হয়। আজি নতুন চামে তেখেতৰ গীত শিকিবলৈ আগবাঢ়ি আহিছে। আগবাঢ়ি আহিছে লুইত কোঁৱৰৰ গীত শিকোৱা শিল্পী। এই শিকোৱা, শিকা আৰু সমস্ত প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিবলৈ বিভিন্ন সংগঠনে গুৰি ধৰা এই আটাইকেইটা ক্ৰিয়াৰ মূল অনুপ্ৰেৰণাৰ কেন্দ্ৰ হ'ল সময়ৰ নিষ্ঠুৰ আৱৰণে ঢাকি-মচি পেলাব নোৱাৰাকৈ ৰুদ্ৰ বৰুৱাই সৃষ্টি কৰা গীত সমূহ। পুৰণিগুদামত 'কুশীলৱ'ৰ অনুষ্ঠিত কৰ্মশালাখনিৰ প্ৰসঙ্গই বাৰে বাৰে মনলৈ আনিছে তেখেতৰেই এটি গীতৰ কলি। গীতটোৰ প্ৰসঙ্গ সুকীয়া যদিও ইয়াতো ইয়াক খাপ খুৱাই ল'ব পৰা যায়।

"আজি মোৰ তোমাক দেখোন
নতুন নতুন লাগিছে
তোমাৰ সেই কথাবোৰো
গীত হৈ পৰিছে।

....

তোমাৰ গীতত এজাক মানুহ
সাৰ পাই উঠিছে
সিহঁতে তোমাকে চাই
এটি কথা সুধিছে ......"

শেষত ভিন্ন প্ৰসঙ্গৰ তেখেতৰ আন এটি গীতৰ কলি প্ৰবন্ধৰ প্ৰসঙ্গৰ লগত খাপ খুৱাই ক'ব খুজিছোঁ যে তেখেতৰ গীত কাহানিও মোলান নপৰে

"শুকান গছত শুকান কপৌ শুকাই তিল তিল
সেই ফুলৰে তোৰ জীৱনত কোন খিনিতনো মিল

....

মৰি মৰি নমৰিলে কপৌ ফুলৰ গছ
(সিয়ে) দুখ দৈন্যৰে যুঁজি যুঁজি জীয়াই থকাৰ সঁচ।"

গছৰ ডালত কপৌ ফুল মৰি মৰি জীয়াই থকাৰ দৰে ৰুদ্ৰ বৰুৱাৰ গীত অসম আৰু অসমীয়া জীয়াই থকালৈকে জীয়াই থাকিব। তাত সন্দেহ নাই।

◆ ◆ ◆

লুইত কোঁৱৰ সংগীত একাডেমী আৰু আমি

প্ৰভাত গোস্বামী

দিনটো আছিল চৈধ্য ফেব্ৰুৱাৰী। সমগ্ৰ অসমৰ ডেকা-গাভৰু ব্যস্ত আছিল, বিদেশৰ পৰা আমদানি কৰি, আমাৰ ফাপৰে ধৰা মানসিকতাক প্ৰলেপ দিবলৈ ব্যৱহাৰ কৰা 'ভেলেন্টাইন ডে' উদ্‌যাপন কৰাত। ৰাজনীতিৰ লগত সম্পৰ্ক থকাসকল ব্যস্ত আছিল কলিয়াবৰ উপ-নিৰ্বাচনৰ প্ৰস্তুতি লৈ। বুদ্ধিজীৱীসকল অন্য প্ৰসংগলৈ। প্ৰচাৰ মাধ্যমো কম-বেচি পৰিমাণে 'ভেলেন্টাইন ডে'ক লৈ। এইবোৰৰ পৰা আঁতৰি এচাম ডেকা-গাভৰু আৰু কেইজনমান মানুহ ব্যস্ত আছিল লুইত কোঁৱৰক স্মৰণ কৰাত।

১৪ ফেব্ৰুৱাৰী লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ মৃত্যু দিৱস। অসমৰ কোনো ঠাইতে পালিত নহ'লেও তেওঁৰ জন্মস্থান নগাঁৱৰ পুৰণিগুদামত পালিত হয় ৰুদ্ৰ বৰুৱা দিৱস হিচাপে এই দিনটো। এইবাৰো পালিত হৈছিল। অতি সীমিত সংখ্যক লোকৰ উপস্থিতিত ৰুদ্ৰ বৰুৱাৰ জীৱন সম্পৰ্কে যথেষ্ট আলোচনা হৈছিল তাত।

'পকা ধানৰ মাজে মাজে সৰু সৰু আলি', 'হয়েৰা জেতুকী বাই', 'গামোচাৰে আঁচলতে পদুমৰে চকা, 'অ' বুলবুল অ' তুলতুল' ইত্যাদি এতিয়াও জনপ্ৰিয়তা লাভকৰা গীতসমূহ কোনো দিনেই পুৰণি হ'ব নোৱাৰে। ই সদায়েই নতুন, চিৰ সেউজীয়া নতুন নতুন গীতৰ ভিৰৰ মাজত যদিও ই হেৰাই গৈছে তথাপি কৰবাত কেতিয়াবা এই গীতবোৰ শুনিবলৈ পোৱা যায়।

সংস্কৃতি সদায় প্ৰবহমান। নতুনৰ সৃষ্টি প্ৰতিমূহূৰ্তত হ'ব লাগিছে, হ'বই। নতুনক মানুহে আদৰি ল'ব লাগিব। নতুন নতুন চিন্তাক গ্ৰহণ কৰি আমি আগবাঢ়ি যাব লাগিব। অকল পুৰণিকে সাবটি ধৰি থাকিলে আমাৰ অস্তিত্ব হেৰাই যাব - ই ঠিক কথা, কিন্তু পুৰণিক একেবাৰে নাকচ কৰা, পাহৰি যোৱা বা পুৰণিক উপেক্ষা কৰা জানো উচিত? সচাঁকৈয়ে আমি কি কৰিছো? নতুনক লৈ ইমানেই ব্যস্ত হৈ পৰিছো যে আমাৰ ঐতিহ্যক পাহৰি পেলাইছো। পুৰণি আমাৰ বাবে সম্পদ নহয়নে? পুৰণিক পাহৰিলে জানো চলিব? তেনেহলে আমি কিয় এই গীতসমূহৰ সংৰক্ষণৰ ব্যৱস্থা নাই কৰা? অসমৰ মাটিৰ গোন্ধ থকা, অসমীয়া মানুহৰ কেঁচাঘামৰ গোন্ধ থকা এই গীতসমূহত আছে অসমীয়া সমাজৰ এটা সময়ৰ বুৰঞ্জী। আজি অসমীয়া ডেকাই পদুমৰ চকা থকা গামোচা মূৰত মাৰি নাহে। জেতুকী বায়ে এতিয়া আৰু বিয়াঘৰত বিয়া নাম গাবলৈ নাহে। অসমৰ গাঁৱৰ, নগৰৰ পৰিবেশ সম্পূৰ্ণ বেলেগ হৈ গৈছে। কিন্তু সেই সময়ৰ বুৰঞ্জী অসমীয়া

মানুহৰ বাবে এক সম্পদ। ইয়াক সংৰক্ষণৰ প্ৰয়োজন আছে। তাৰ বাবে এই প্ৰাণজুৰোৱা গীতসমূহতকৈ কি আৰু ভাণ্ডৰ আহিলা হ'ব পাৰে? আমি কিমান সচেতন এই বিষয়ত?

আকাশবাণীত আগতে এই গীতসমূহ শুনিছিলো। এতিয়া ৰুদ্ৰ বৰুৱাৰ কণ্ঠও নাই গীতসমূহো নাই যে আমি শুনিম। যি কাৰণতে নহওক আকাশবাণীৰ পৰা আমি তেওঁৰ গীত আৰু কণ্ঠ মচি নাইকীয়া কৰি পেলালো। প্ৰত্যেক জাতিয়েই অতীত সম্পদসমূহক লৈ গৌৰৱ কৰে। সংৰক্ষণ কৰে। আমি এনে এটা জাতি যে আমাৰ ধৰ্ম হৈছে মাত্ৰ ধ্বংস কৰা। আমি ধ্বংসৰ আদৰ্শত ইমান বিশ্বাসী হৈ পৰিছো যে কেউফালে মাত্ৰ ধ্বংসহে কৰিব বিচাৰো।

মহান শিল্পীগৰাকীৰ প্ৰতি আমি সাধাৰণ শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ বছৰটোত এটা দিনো খৰচ কৰিব নোৱাৰা অৱস্থাত আমাৰ কৰ্তব্য সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়োজন আছে। প্ৰথম কথা হ'ল শিল্পীজনাৰ যদি কৰবাত গীতসমূহৰ বাণীবদ্ধ ৰূপ আছে তাক সংৰক্ষণ কৰিব লাগে। বৰ্ত্তমান কেছেটৰ ব্যৱসায় কৰি থকাসকলে অন্ততঃ ৰুদ্ৰ বৰুৱাৰ গীতৰ কেছেট উলিয়াবলৈ যত্ন কৰা প্ৰয়োজন। অসমৰ এচাম মানুহে এতিয়াও ৰুদ্ৰ বৰুৱাৰ সেই গীতসমূহ আগ্ৰহেৰে শুনিব বিচাৰে। নিজৰ কাষত একোটা কেছেটত ৰাখিব বিচাৰে।

অৱশ্যে গীতসমূহ ছপা ৰূপত ইতিমধ্যে প্ৰকাশ হৈছে। কিন্তু গীতসমূহৰ সুৰবোৰ যাতে সময়ৰ সোঁতত বিকৃত হ'ব নোৱাৰে তাৰ বাবে স্বৰলিপিসমূহো গীতৰ লগত ছপা ৰূপত সংৰক্ষণ কৰা প্ৰয়োজন আছে।

নগাঁৱৰ পুৰণিগুদামত ইতিমধ্যে লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা সংগীত একাডেমী নামেৰে এটা অনুষ্ঠান স্থাপন কৰা হৈছে। তেওঁলোকে ৰুদ্ৰ বৰুৱাৰ গীতসমূহক জনপ্ৰিয় কৰি তোলাৰ চেষ্টাত ব্ৰতী হৈছে যদিও বহুত কাৰণত ইচ্ছা কৰা মতে সকলো কৰিব পৰা নাই। কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীক ৰুদ্ৰ বৰুৱাৰ গীতসমূহ শিকাই লোৱা, বছৰৰ মূৰত ৰুদ্ৰ বৰুৱাৰ গীতৰ প্ৰতিযোগিতা পতা আৰু ৰুদ্ৰ বৰুৱাক স্মৰণ কৰাৰ বাহিৰে বিশেষ একো কৰিব পৰা নাই। প্ৰকৃততে তেওঁলোকৰ ইচ্ছা আছে নিষ্ঠাও আছে। কিন্তু আশা কৰা মতে কামবোৰ হৈ উঠা নাই।

আজি অসমৰ চুকে-কোণে জ্যোতি সঙ্গীত, ৰাভা সঙ্গীত, পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীত, ভূপেন্দ্ৰ সংগীতৰ প্ৰতিযোগিতা বা চৰ্চা হৈ আছে। ৰুদ্ৰ বৰুৱাৰ গীতসমূহকো জানো ইয়াৰ লগতে সামৰি ল'ব নোৱাৰি? ৰবীন্দ্ৰ সঙ্গীত বা নজৰুল গীতৰ প্ৰতিযোগিতা বা চৰ্চা অসমত যিমান হয় ৰুদ্ৰ বৰুৱাৰ গীতৰ চৰ্চা বা প্ৰতিযোগিতা সিমান নহয়। তেওঁৰ গীতসমূহ জানো আমি আকৌ অসমীয়া মানুহৰ মাজলৈ লৈ আনিব নোৱাৰো?

সঙ্গীতৰ লগত জড়িত হৈ থকা অনুষ্ঠান অসমৰ চুকে-কোনে বহুত আছে। সেই অনুষ্ঠানবোৰত সংগীতৰ চৰ্চা যথেষ্ট পৰিমাণে হয়। এই অনুষ্ঠানবোৰৰ লগত বহুত

সংগীতৰ বিষয়ে বেচ জ্ঞান থকা মানুহ জড়িত হৈ আছে। সেইসকলে ৰুদ্ৰ বৰুৱাৰ গীতসমূহৰ প্ৰচাৰ তথা জনপ্ৰিয় কৰাৰ অকণমান চেষ্টা কৰিলেই হ'ব।

কেছেটৰ ব্যৱসায় তথা কেছেটৰ প্ৰকাশৰ লগত সম্পৰ্ক থকাসকলেও এই গীতসমূহৰ সংৰক্ষণ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

সংস্কৃতিৰ লগত জড়িত থকা অনুষ্ঠান, চৰকাৰী হওক বা বেচৰকাৰীয়েই হওক অকণমান আগ্ৰহ কৰিলেই এই গীতসমূহৰ প্ৰচাৰ, প্ৰকাশ আৰু সংৰক্ষণ কৰিব পৰা যাব। জাতি হিচাপে জীয়াই থাকিবলৈ এনেবোৰ কথাৰ প্ৰয়োজন আছে।

❖ ❖ ❖

জনতাৰ শিল্পী ৰুদ্ৰ বৰুৱা

প্ৰনৱ কুমাৰ শৰ্মা

১৪ ফেব্ৰুৱাৰী। লুইত কোঁৱৰ, বনগীতৰ ওজা ৰুদ্ৰ বৰুৱাৰ মৃত্যু দিবস। সেইদিনটোতে যোৱা ১৯৮০ চনত ভেলোৰৰ এক চিকিৎসালয়ত এইগৰাকী জনতাৰ শিল্পীয়ে মৃত্যুক আঁকোৱালি লৈছিল। প্ৰকৃত শিল্পীৰ মৃত্যু নহয়, তেওঁ অমৰ হৈ ৰয় শিল্পকৰ্মৰ জৰিয়তে। ৰুদ্ৰ বৰুৱাও আমাৰ মাজত অমৰ। 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি' গীতৰ স্ৰষ্টা, অসমৰ থলুৱা গীত-মাতৰ মাজেৰে বিশ্বক চিনাকি দিবলৈ বিচৰা এই গৰাকী শিল্পীৰ গীতৰ ভাষা আছিল প্ৰাঞ্জল, অসমৰ মাটিৰ গোন্ধ থকা। তেখেত আছিল একেধাৰে গীতিকাৰ, সুৰকাৰ, নাট্য আৰু চলচিত্ৰ অভিনেতা আৰু দক্ষ প্ৰশাসক।

১৯৬২ চনত ৰুদ্ৰ বৰুৱাৰ জন্ম হৈছিল পুৰণিগুদামত প্ৰখ্যাত বৰদা কান্ত বৰুৱা আৰু হীৰালতা বৰুৱাৰ সংসাৰত। পৰিয়ালৰ একমাত্ৰ পুত্ৰ সন্তান বৰুৱাই শৈশৱতে পিতৃক হেৰুৱাইছিল। বিধবা মাক আৰু বায়েক-ভনীয়েকহঁতকে সাৱথি কৰি অশেষ দুখ-কষ্টৰ মাজেৰে তেওঁৰ শৈশৱ আৰু কৈশোৰ অতিবাহিত হৈছিল। মেট্ৰিক পাছ কৰি কলেজত পঢ়াৰ খৰচ উলিয়াবলৈ তেওঁ ঘৰুৱা শিক্ষকতা আৰু এখন হাৰমনিয়ামৰ দোকানত কাম কৰিছিল। আই এছ পাছ কৰি কৰ্মস্থান বিচাৰি শ্বিলং পাইছিল ১৯৪৮ চনত। শ্বিলঙত দিনত চাকৰি কৰি ৰাতিৰ কলেজত বি এ পঢ়িছিল। সৰুৰে পৰা আছিল তেওঁৰ সংগীতৰ প্ৰতি গভীৰ অনুৰাগ। মানুহৰ জীৱনত কেতিয়াবা সুযোগ আৰু সময় একেলগে আহে । ৰুদ্ৰ বৰুৱাৰ জীৱনটো ভাগ্য সুপ্ৰসন্ন হ'ল। শ্বিলঙত স্থাপন হ'ল অনাতাঁৰ কেন্দ্ৰ। শ্বিলঙ -গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ কণ্ঠশিল্পী হিচাপে তেওঁ জড়িত হৈ পৰিল। তেনেদৰে আৰম্ভ হ'ল সংগীত যাত্ৰা। ভিন্নসুৰীয়া গীতৰ মাজেৰে প্ৰতিষ্ঠা হৈ পৰিল শ্ৰোতাৰ মাজত। শ্বিলঙৰ অসমীয়া মানুহৰ ল'ৰা ছোৱালীক তেওঁ গীত শিকাবলৈ আৰম্ভ কৰিলে। গঠন কৰিলে 'শ্বিলঙ কলা পৰিষদ'। সেই অনুষ্ঠানৰ যোগে আৰম্ভ কৰিলে নাট্যাভিনয়। লগে লগে পাৰদৰ্শিতা দেখুৱালে কাৰ্যালয়ৰ কামতো। সাধাৰণ চাকৰিৰ পৰা ক্ৰমে পদোন্নতি লাভ কৰিব ধৰিলে। ১৯৫৩ চনত সমবায় বিষয়া,১৯৬০ চনত জনসম্পৰ্কৰক্ষী বিভাগৰ সাংস্কৃতিক উপ-সঞ্চালক আৰু ১৯৭৪ চনৰ পৰা মৃত্যু পৰ্যন্ত সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক পদত তেওঁ কাৰ্যনিৰ্বাহ কৰিলে। ইফালে গীতৰ জগতখনতো তেওঁ এটা ধাৰাৰ সৃষ্টি কৰিলে। থলুৱা গীত-মাতখিনি বিচাৰি উলিয়াই আনিলে। ভাওনা আৰু বিহু লৈ গ'ল সুদূৰ ইণ্ডোনেচিয়ালৈ। জীৱনৰ প্ৰতিটো সৎ কৰ্মেৰে মানুহ চিৰকালৰ বাবে সমাদৃত হৈ থাকিব পাৰে। ৰুদ্ৰ বৰুৱাও আছিল স্পষ্টবাদী আৰু মৃদুভাষী। জীৱনত অনুভৱ কৰিছিল 'হালোৱাৰ পৰা জিৰেণীৰ' হোৱাৰ সেই ৰোমাঞ্চকৰ

অভিজ্ঞতা। ১৯৫৫ চনত বিবাহত আবদ্ধ হ'ল শিল্পী আৰতি বৰুৱাৰ সৈতে। তিনিটাকৈ পুত্ৰ সন্তানৰ পিতৃত্বৰে গৌৰৱৰ অধিকাৰী ৰুদ্ৰ বৰুৱাই অৱশ্যে জীৱনটোত সুদীৰ্ঘ দিন নাপালে। অকালতে তেওঁৰ জীৱন-বন্তি নুমাই গ'ল। আমালৈ এৰি থৈ গ'ল চিৰযুগমীয়া গীতৰ এক বিশাল সম্ভাৰ। 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি' গীতটোৱে ৰুদ্ৰ বৰুৱাই অসমৰ শ্ৰোতাৰ মন জয় কৰিছিল যদিও আন আন বহুসংখ্যক গীত হৈছিল জনপ্ৰিয়। সেই জনপ্ৰিয় গীতৰ কলি হ'ল -- 'আকৌ ফুলিল আকৌ ফুলিল কপৌ ফুলৰ খোপা, ল ভনীটি ল বান্ধি কলডিলীয়া খোপা', 'অ' তুলতুল অ' বুলবুল অ' সেউতি তৰা, লুকাভাকু ভাল নেলাগে খেল কইনা-দৰা', 'কাষত কলচী হালি জালি কোন মেনকা আহে' ইত্যাদি। এতিয়াৰ প্ৰখ্যাত সংগীত শিল্পী খগেন মহন্ত আদিও ৰুদ্ৰ বৰুৱাৰে সান্নিধ্যত উঠি অহা শিল্পী। খগেন মহন্তই গোৱা 'কাউৰী পৰে, কলৰে পাততে কাউৰী পৰে' গীতৰ সুৰ ৰুদ্ৰ বৰুৱাৰ।

গাঁৱৰ মানুহ, গাঁৱৰ সমাজক অন্তৰেৰে ভাল পোৱা শিল্পী ৰুদ্ৰ বৰুৱাৰ স্মৃতি সুৰক্ষিত কৰি ৰাখিবলৈ আগবাঢ়ি আহিছে তেওঁৰ পত্নী আৰতি বৰুৱা। গঠন কৰিছে 'লুইত কোঁৱৰ সোঁৱৰণি সন্থা'। শিল্পী পেন্সনৰ নামত লাভ কৰা ধনেৰে প্ৰতি বছৰ ১৪ ফেব্ৰুৱাৰীত আয়োজন কৰা অনুষ্ঠানত একোটিকৈ পুৰস্কাৰ প্ৰদান কৰে বছৰৰ শ্ৰেষ্ঠ স্থান লাভ কৰা এগৰাকী ছাত্ৰ-ছাত্ৰীক। বাজ্যিক সংগীত মহাবিদ্যালয়ৰ পাৰম্পৰিক গীতৰ শাখাত শ্ৰেষ্ঠ স্থান লাভ কৰা ছাত্ৰজনে 'ৰুদ্ৰ বৰুৱা সোঁৱৰণি বঁটা' লাভ কৰে। অসমৰ সংগীত জগতলৈ অমূল্য বৰঙণি যোগাই যোৱা এইগৰাকী শিল্পীৰ প্ৰতি আমাৰ চৰকাৰ আৰু ৰাইজৰো দায়িত্ব নাই জানো? জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতিত তেজপুৰত ৰুদ্ৰ বৰুৱাৰে তৎপৰতাত গঠন কৰা জ্যোতি ভাৰতীৰ আজি কি যে দুখ লগা অৱস্থা! জ্যোতি চিত্ৰবন, ৰবীন্দ্ৰ ভৱন আদিৰ ভিতৰ চ'ৰা সম্পৰ্কে কোন অজ্ঞ। বিষ্ণুপ্ৰসাদ ৰাভাৰ নামতো বছৰি শ্ৰাদ্ধ পতাৰ বাহিৰে আমি স্থায়ী কাম কিবা কৰিলো জানো? ভাৰতৰ চলচ্চিত্ৰৰ প্ৰবীণ পুৰুষ, অসমীয়া চলচ্চিত্ৰৰ স্ৰষ্টা জ্যোতিপ্ৰসাদৰ নামত এটা ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাও আজিকোপতি নহ'ল। বিশ্ববিদ্যালয় কোনো এখনতে জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভাৰ নামত আসন এখন সৃষ্টি নহ'ল। ডঃ ভূপেন হাজৰিকাকো আমি যেতিয়াই মন যায় ('ৰাণ্ডি চাহাব') নিম্ন ৰুচিৰ শব্দেৰে ইতিকিং কৰিছোহঁক। গতিকে সময় থাকোঁতেই এইসকল শিল্পীৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ আমাৰ প্ৰশাসকসকলক ৰাইজে বাধ্য কৰাবৰ হ'ল। সদাহতে লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ জীৱনীখনকে সাংস্কৃতিক বিভাগে প্ৰকাশ কৰি উলিয়াওক, তেখেতৰ জনপ্ৰিয় গীতৰ শ্ৰৱ্য কেছেট এটিও আমাৰ নাই। এই কামটোৰ বাবে যিকোনো এজন আগবাঢ়ি আহিবনে বাৰু? তেতিয়াহে আমি শিল্পীগৰাকীক প্ৰকৃত অৰ্থত জীয়াই ৰখা হ'ব, অন্যথা বছৰি শ্ৰাদ্ধ পাতি থাকি জানো কিবা লাভ আছে ??

◆ ◆ ◆

'মোৰ আইৰ হিয়াৰ সুৰ'ত মূৰ্ত মাটিৰ সুবাস বন কবিৰ জীৱন গাঁথা স্মৰণ

নবজিৎ দাস

'পকা ধানৰ মাজে মাজে সৰু সৰু আলি ঐ, সৰু সৰু আলি। আলিত পৰি গীত জাৰে জাক বালিমাহী...'ৰ দৰে মাটিৰ সুবাস থকা কালজয়ী গীতৰ স্ৰষ্টা বনকবি, কলংপৰীয়া গীতিকাৰ ৰুদ্ৰ বৰুৱা। গীতিকাৰ, হৃদয়স্পৰ্শী সুৰশিল্পী, গায়ক, অভিনেতা, সমাজ সংগঠক, 'লুইত কোঁৱৰ' ৰুদ্ৰ বৰুৱা অসমৰ সাংস্কৃতিক জগতৰ প্ৰাতঃস্মৰণীয় নাম লুইত কোঁৱৰে জন্মতেই যেন লৈ আহিছিল সেই ছন্দোময় সুৰ আৰু সুধাকণ্ঠ। হাড়ে হিমজুৰে সঁচা অসমীয়া ৰুদ্ৰ বৰুৱাৰ গীতৰ মাজত প্ৰতিভাত হৈছিল অসমৰ সমাজ, ইতিহাস, লোক-জীৱন, লোক-সংস্কৃতি আৰু অসমীৰ নৈসৰ্গিক সৌন্দৰ্য।

তেওঁৰ সুৰবোৰৰ মাজত নিহিত হৈ আছে অসমীয়া মাটিৰ গোন্ধ। সুন্দৰৰ পূজাৰী ৰুদ্ৰ বৰুৱাৰ পবিত্ৰ স্মৃতিত বৰপেটা সাংস্কৃতিক কেন্দ্ৰ আৰু অসম নাট্য সন্মিলন, বৰপেটা শাখাই আজি নিবেদন কৰা 'মোৰ আইৰ হিয়াৰ সুৰ'- শীৰ্ষক সংগীতালেখ্যত নিগৰি পৰিছিল অসমীয়া মাটিৰ সুবাস। ৰবীন্দ্ৰ ভৱনত 'ট্ৰিবিউন গোষ্ঠী'ৰ অধ্যক্ষ তুলসীগোবিন্দ বৰুৱাই অনুষ্ঠান মুকলি কৰে। এই অনুষ্ঠানত বৰুৱাৰ সহধৰ্মিণী আৰতি বৰুৱাই বন্তি প্ৰজ্বলন কৰে। হৰিদেৱ দাস ৰচিত 'মোৰ আইৰ হিয়াৰ সুৰ' পৰিচালনা কৰে বিশিষ্ট শিল্পী হেমেন দাসে। অভিনেতা নিৰ্মল কুমাৰ দাস আৰু গীতাঞ্জলি শইকীয়াই আঁত ধৰা সংগীতালেখ্যখনিৰ শিল্পীসকল আছিল গুণীন্দ্ৰ নাথ ওজা, কবিন দাস, গৌতম বায়ন, হেমেন দাস, গীতাঞ্জলি গায়ন, ৰেখা পাঠক, মধুস্মিতা চৌধুৰী, গীতাঞ্জলি হাজৰিকা, তপন ভৰালী, ডালিম দাস, নিৰূপ দাস, বনজিৎ দাস, মুকুলি দাস, বলো পাটোৱাৰী, চন্দন দাস, হানিফ আহমেদ, ৰণজিৎ বায়ন, প্ৰদীপ বায়ন, বিপুল ওজা, দীনেশ দাস, দেৱৰাজ দাস, নিতুমণি দাস, বুদ্ধদেৱ দাস। নৃত্যাংশত-ৰেৱা ভট্ট, নীলাক্ষি দাস আৰু জাহ্নৱী দাস। ভাওনাংশত হিমান মেধি, মণিকেশ দাস আৰু দিগন্ত ওজা। ব্যৱস্থাপনাত শিবাজ দাস আৰু ৰাজেন দাস। ৰুদ্ৰ বৰুৱা আছিল জাতীয় মৰ্যাদাবোধসম্পন্ন সচেতন শিল্পী। অসমীয়া জাতীয় ৰস-চেতনা অসমৰ মাটিতে, অসমৰ জলবায়ুতে পুষ্টিলাভ হোৱাটো ৰুদ্ৰ বৰুৱাই আশা কৰিছিল। 'এই অসমৰ মহাজাতি আমি, নাই একো ভিন পৰ/ এই আসামেৰ সোণাৰ মাটিতে বেঁধেছি আমৰা ঘৰ/' অ' বন্ধু সময় পালে আমাৰ স্মলে এবাৰ আহি যাবা/ সহজ-সৰল গাঁৱৰ জীৱন খন্তেক বৈ চাবা/ ৰ' দাবে সোণত

ৰুদ্ৰ বীণাৰ তান

সুৰগা চৰোৱা কলংপৰীয়া গীতিকাৰ ৰুদ্ৰ বৰুৱাৰ জন্ম হৈছিল ১৯২৬ চনত নগাঁও জিলাৰ পুৰণিগুদাম অঞ্চলৰ ভীমৰ গাঁৱত। শৈশৱতে পিতৃহাৰা ৰুদ্ৰ বৰুৱাই নিজ চেষ্টা আৰু সাধনাৰ বলত সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালকৰ দৰে গুৰুত্বপূৰ্ণ পদবীৰ অধিকাৰী হৈও সততে চিন্তা কৰিছিল অসমীয়া সংস্কৃতিৰ উন্নয়ন আৰু উত্তৰণৰ বাবে। সুনিপুণ সুৰকাৰ হিচাপে খ্যাত ৰুদ্ৰ বৰুৱাই কেশৱ মহন্তৰ 'কলৰে পাততে কাউৰী পৰে' গীতটিত শ্ৰোতাৰ কলিজা ভঙা সুৰ দি খগেন মহন্তৰ হতুৱাই গোৱাইছিল।

❖ ❖ ❖

বনগীতৰ ওজা ৰুদ্ৰ বৰুৱা

কুলধৰ ডেকা

অ' সোণ ভয়কে নিদিবি লাই
অ' সোণ পুৱালে বেছিপৰ নাই
ৰৱৰুণ এৰিব বতাহো কম্বিব
পুৱাৰে বেলিটো ৰঙা হৈ ওলাব
নতুনৰ ৰতৰা লৈ।

দুৰন্ত আশাবাদ ফুটি উঠা উক্ত অমৰ গীতটিৰ স্ৰষ্টা হ'ল মিঠা মিঠা শব্দৰে, সুমিষ্ট গীতক সুমিষ্ট কণ্ঠেৰে গোৱা বনগীতৰ ওজা ৰুদ্ৰ বৰুৱা।

১৯২৬ চনৰ ২৬ নৱেম্বৰত নগাঁও জিলাত জন্মলাভ কৰা ৰুদ্ৰ বৰুৱাই ঐতিহ্যমণ্ডিত বৃহৎ কলিয়াবৰ অঞ্চলৰ শংকৰী কলা সংস্কৃতিৰ মধুৰ পৰিৱেশৰ মাজত সৰু কালতে এটা সাংস্কৃতিক জীৱন লাভ কৰিছিল। ঘৰৰ ওচৰত থকা বৰ নামঘৰটো আছিল তেওঁৰ হেঁপাহৰ বস্তু। কোৱা বাহুল্য যে ৰুদ্ৰ বৰুৱাই অষ্টম শ্ৰেণীত পঢ়ি থাকোতেই গীত লিখিবলৈ আৰম্ভ কৰে। গীত শিকাৰ প্ৰতি তেওঁৰ আগ্ৰহ আছিল প্ৰবল। অসমীয়া লোকগীতৰ সুৰ বৈচিত্ৰৰ মাজেদি কেনেকৈ আধুনিক গীত ৰূপায়ণ কৰিব পাৰি, সেই বিষয়ে ৰুদ্ৰ বৰুৱাই সৰুকালৰে পৰা পথ বিচাৰি ফুৰিছিল। পৰৱৰ্তী কালত তেওঁ নিতান্ত অসমীয়া লোকসংগীতক এটা মোহনীয় ৰূপ দিয়াত পাৰ্যমানে সহায় কৰিলে।

ৰুদ্ৰ বৰুৱাই তেওঁৰ গীতৰ মাজেদিয়েই গাওঁ অঞ্চলৰ সহজ সৰল ধৰ্মতত্ত্ব, সাংসাৰিক জীৱনৰ বিচিত্ৰ সুখ-দুখ, আশা-আকাংক্ষা আদি প্ৰতিফলিত কৰিছে। তেওঁৰ এটা মনোৰম গীত 'পকা ধানৰ মাজে মাজে ...., ৰ যোগেদি অসমৰ পথাৰত দাৱনীয়ে ধান কটাৰ এক সুন্দৰ দৃশ্য বৰ্ণনা কৰিছে। আজি অসমীয়াই নিজৰ ঘৰতে ভিকাৰী হৈছে। দুবেলা-দুমুঠি খাবলৈ হাহাকাৰ কৰিছে। এই কথা প্ৰকাশ কৰিছিল তেওঁ গীতৰ মাজেৰে, সুৰেৰে। ৰুদ্ৰ বৰুৱাৰ দেশপ্ৰেমমূলক গীতবোৰত জাতীয় ঐক্য আৰু সম্প্ৰীতিৰ কথা ফুটি ওলাইছে।

শৈশৱ-কৈশোৰ নানা অভাৱ-অনাটনৰ মাজেৰে পাৰ কৰা ৰুদ্ৰ বৰুৱাই চিনেমাতো অভিনয় কৰিছিল। শিৱ প্ৰসাদ ঠাকুৰৰ 'বোৱাৰী' তেওঁৰ অভিনীত ছবি। ১৯৭৮ চনৰ অতুল বৰদলৈৰ 'কল্লোল' ছবিখনৰ সংগীত পৰিচালক আছিল ৰুদ্ৰ বৰুৱা। দক্ষ প্ৰশাসক বৰুৱাই

কৰ্মজীৱন আৰম্ভ কৰিছিল এটা সাধাৰণ চাকৰিৰে। সমবায় বিষয়া, জনসম্পৰ্কৰক্ষী বিভাগৰ উপ-সঞ্চালক আৰু শেষত অসমৰ সাংস্কৃতিক সঞ্চালকৰ পদত অধিষ্ঠিত ৰুদ্ৰ বৰুৱাই সেয়েহে কৈছিল -- 'মই হালোৱাৰ পৰা ডিৰেক্টৰ হ'লো।'

অসমৰ কলা-সংস্কৃতিৰ প্ৰতি ৰুদ্ৰ বৰুৱা আছিল অত্যন্ত শ্ৰদ্ধাবান, নিষ্ঠাবান ব্যক্তি। ৰুদ্ৰ বৰুৱাই প্ৰথম বিহুনাচ আৰু অসমৰ ভাওনাক ভাৰতৰ বাহিৰলৈ নি আমাৰ থলুৱা সাংস্কৃতিক জগতখনক চহকী কৰি থৈ গৈছে।

এইগৰাকী প্ৰকৃত জনতাৰ শিল্পী আজি আৰু আমাৰ মাজত নাই। ১৯৮০ চনৰ ১৪ ফেব্ৰুৱাৰী তাৰিখে তেওঁৰ দেহাৱসান ঘটে। কিন্তু তেওঁৰ মাটিৰ গোন্ধ থকা 'পকা ধানৰ মাজ মাজে সৰু সৰু আলি', 'অ' তুলতুল অ' বুলবুল অ' সেউতী তৰা, লুকাভাকু ভাল নালাগে খেল কইনা দৰা', "কামত কলচী হালি-জালি কোন মেনকা আহে" 'আকৌ ফুলিল আকৌ ফুলিল কপৌ ফুলৰ থোপা' ইত্যাদি গীতৰ কথা জানো সহজতে পাহৰিব পাৰি?

❖ ❖ ❖

ৰুদ্ৰ বৰুৱাৰ সপোন কেতিয়া ফলিয়াব

লক্ষ্মী দাস

সাংস্কৃতিক অৱক্ষয়ৰ দৃষ্টান্তভূমি হিচাপে খ্যাত অসমত অনেক শিল্প প্ৰতিভাসম্পন্ন ক্ষণিকৰ দৰেই লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱায়ো গোটেই জীৱন সাংস্কৃতিক বনুৱা হৈ মাতৃভূমিৰ শিল্প-সংস্কৃতিৰ প্ৰসাৰ-প্ৰচাৰ আৰু উত্তৰণৰ বাবে শ্ৰম কৰি অনেক অপূৰ্ণ আশা বুকুত লৈ গুচি গৈছিল। জ্যোতি, বিষ্ণু, ফণী শৰ্মা, ব্ৰজ শৰ্মা, মঘাই ওজাৰ দৰেই এক বিশাল আৰু গভীৰ সাংস্কৃতিক পৰিৱেশ গঢ়ি তোলাৰ বাবে ওৰেটো জীৱন হাতে-কামে সৃষ্টিৰ পথাৰত কৃষ্টিৰ বীজ ৰোপণত ব্যস্ত থাকি যোৱাৰ পৰত তেওঁ স্থাপন কৰা আধাৰশিলা উত্তৰপুৰুষে পূৰ্ণ ৰূপত গঢ়ি তোলাৰ আশা কৰিছিল। ধূপৰ দৰে নীৰৱে নিজে জ্বলি জ্বলি অসমৰ সাংস্কৃতিক উপজীৱ্যৰে দেশখন, জাতিটোক সুবাসিত কৰিবলৈ অহোপুৰুষাৰ্থ কৰা বৰুৱাৰ আজি স্মৃতি দিৱসত জাগ্ৰত হোৱা একমাত্ৰ প্ৰশ্নটোৱে হ'ল 'তেওঁলোকে দেখা সাংস্কৃতিক সপোন কেতিয়া ফলিয়াব?'

আমি অসমীয়া জাতিটোৱে কাৰোবাৰ পৰা কিবা এটা পোৱাৰ বিনিময় হিচাপে মাথোন এক আনুষ্ঠানিক প্ৰদৰ্শনসৰ্বস্ব সন্মান বা উপাধি প্ৰদান অথবা মৰণোত্তৰভাৱে স্মৃতি দিৱসৰ আয়োজনতেৰেই কৰ্তব্য সামৰো বা স্মৃতি দিৱসৰ গহীনা লৈ আবেগিক প্ৰশস্তিৰে এই মনীষীসকলৰ কামৰ, সৃষ্টিৰ মূল্যায়নৰ অপচেষ্টা কৰো, যাক প্ৰকৃতাৰ্থত সভ্যতাই হাস্যাস্পদ বুলি গণ্য কৰে। ৰুদ্ৰ বৰুৱাক আমি 'লুইতৰ কোঁৱৰ' উপাধি দিলো আৰু তেওঁৰ বিশাল প্ৰতিভা, তাতোকৈ অধিক অসম আৰু অসমীয়া জাতিটোক অকৃপণভাৱে ভাল পাই এই দেশ আৰু এই দেশৰ মাটিৰ কৃষ্টিৰে মানুহখিনিক জাতিস্কাৰ কৰিবলৈ কৰা চেষ্টা তথা এক নদন-বদন সাংস্কৃতিক পটভূমি ৰচনাৰ সপোনক ইমানতেই সীমিত কৰিলো।

প্ৰাকৃতিক সৌন্দৰ্য্য আৰু সম্পদৰ অফুৰন্ত ভাণ্ডাৰ অসমৰ কন-কনিত অনুৰণিত হোৱা সংগীতৰ উপজীৱ্যৰে ৰচনা হোৱা লোকগীতৰ স্বতঃস্ফূৰ্ত পটভূমিৰ বুকুত তেওঁ বিচাৰি পাইছিল অসমৰ শৈল্পিক ৰসেৰে সিক্ত মাটিৰ বুকু ফালি গজি উঠা সেউজীয়া সংস্কৃতিৰ সপোনৰ অৱধাৰণা। সেয়ে বিহুগীত, বনঘোষাৰ দৰে লোকগীতৰ স্বতঃস্ফূৰ্ত পৰম্পৰাক বোকা-মাটিৰ পৰা বুটলি আনি সংস্কৃতিৰ, চিৰসুন্দৰৰ কাৰেঙত স্থান দিবলৈ দিনে-নিশাই অসমৰ দিহিঙে-দিপাঙে লৰবি ফুৰিছিল। অত-তত সিঁচৰতি হৈ পৰি থকা লোকগীতৰ স্তৱকবোৰ, সুৰৰ টুকুৰাবোৰ বুটলি আনি বিজ্ঞানসম্মতভাৱে পৰিবেশনৰ চেষ্টা তেওঁ গোটেই জীৱন অব্যাহত ৰাখিছিল। অতি প্ৰাচীন কালৰে পৰা

পৰম্পৰাগতভাৱে চলি অহা লোকগীতৰ অন্য এক ধাৰা বনগীতৰ সংগ্ৰহ আৰু সংৰক্ষণৰ প্ৰচেষ্টা সেই কালত নিতান্তই কঠিন আৰু বহুলাংশে অসম্ভৱ সত্বেও তেওঁ ইয়াক এক অনিবাৰ্য্য কৰ্তব্য হিচাপে গ্ৰহণ কৰিছিল আৰু সিদ্ধিলাভৰ বাবে কৰা কঠোৰ তপস্যাসদৃশ দায়িত্ব পালনত নিজকে নিয়োজিত কৰিছিল।

বিহুগীত আৰু নাচক 'অসভ্য জাতিৰ অশ্লীল গীত-নাচ' বুলি তাহানিতে তথাকথিত সভ্য সমাজত গঢ়ি উঠা ধাৰণাৰ দৰে বনগীতৰো সন্মানজনক স্থান আমাৰ সমাজত নাছিল। আনকি বিহুগীত, বনঘোষাৰ দৰে বনগীতৰ পিছে পিছে ঘূৰি ফুৰোঁতাসকলে বহুত ক্ষেত্ৰত অৱজ্ঞা-অপমান সহ্য কৰিবলগীয়া হৈছিল। বনগীতৰ ওজা আনন্দি ৰাম দাসৰ দৰে ৰুদ্ৰ বৰুৱায়ো এনে অৱহেলা আৰু ইতিকিং সহিবলৈ বাধ্য হৈছিল। তথাপি এওঁলোকে মাটিৰ কৃষ্টিৰ সন্মানীয় পৰিক্ৰমা ৰচনাৰ বাবে নিজৰ চেষ্টা অব্যাহত ৰাখিছিল।

বনগীতৰ সংগ্ৰহ, ৰচনা আৰু সুৰৰ অধ্যয়ন কৰাৰ উপৰি ৰুদ্ৰ বৰুৱাই বিজ্ঞানসন্মতভাৱে সংৰক্ষণৰো প্ৰচেষ্টা হাতত লৈছিল। এইবোৰৰ অন্তৰালত তেওঁৰ কোনো ব্যক্তিগত স্বাৰ্থ বা গৱেষণা কৰি পণ্ডিত হোৱাৰ প্ৰৱণতা নাছিল। মাথোন দেশৰ মাটি আৰু মাতৃৰ প্ৰতি সন্মান আৰু মানুহৰ প্ৰতি প্ৰেমেই তেওঁক এই কৰ্তব্যক জীৱনভৰ দায়বদ্ধতা বুলি গ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত কৰিছিল।

অনেক শিল্পীয়ে বহুমুখী প্ৰতিভাসম্পন্ন হোৱা সত্বেও বিশেষ একোটা দিশ বা বিভাগক আজীৱন সংগী কৰি লোৱা দেখা যায়। ৰুদ্ৰ বৰুৱাও এনে এক জীৱন শিল্পীৰ নাম, যি একাধাৰে নৰ্তক, গায়ক, অভিনেতা, গীতিকাৰ, সুৰকাৰ হোৱা সত্বেও বনগীতৰ চৰ্চা আৰু ইয়াৰ প্ৰসাৰ-প্ৰচাৰকে জীৱনৰ বৃত্ত পথ বুলি গ্ৰহণ কৰিছিল। বনগীতৰ প্ৰতি তেওঁৰ এই আকৰ্ষণ আৰু আন্তৰিকতা বা প্ৰেম কিয়? ইয়াৰ উত্তৰ হিচাপে ৰুদ্ৰ বৰুৱাৰ জীৱনজোৰা বনগীতৰ সাধনাৰ নেপথ্যত থকা লোকসংগীতৰ প্ৰতি অসীম প্ৰেমৰ লগতে শিল্পীগৰাকীৰ পৰলোকপ্ৰাপ্তিৰ সন্দৰ্ভত শ্ৰদ্ধাঞ্জলি হিচাপে ড° ভূপেন হাজৰিকাই কোৱা কথাখিনি স্মৰ্তব্য। ড° ভূপেন হাজৰিকাই কৈছিল, 'লোকসংগীতৰ এই ধাৰাটো (বনগীত) লাহে লাহে বিলুপ্তিৰ পথলৈ গৈ আছে। যিখিনি আছে সেয়াও আধুনিক গীতৰ সুৰৰ প্ৰভাৱত বিকৃত হৈ আছে।.... ৰুদ্ৰ বৰুৱাই এনেবোৰ সম্পদক উদ্ধাৰ কৰাৰ বাবে গোটেই জীৱন যুঁজিছিল।'

বনগীতৰ বিজ্ঞানসন্মত সংৰক্ষণ, সংগ্ৰহ আদিৰ বাবে কৰা তেওঁৰ এখন আঁচনিৰ কথা পৰৱৰ্তী কালত লোকগীত, বনগীতৰ সন্দৰ্ভত লেখা অনেকৰ নিবন্ধ আৰু স্মৃতিচাৰণত মাজে মাজে প্ৰকাশ পায়। পিছে এই আঁচনিখন কোন পথেদি কাৰ হাতলৈ গ'ল সেয়া আন বহুতৰ দৰে আমাৰো প্ৰশ্ন।

বনগীতৰ লগতে সত্ৰীয়া সংস্কৃতিৰ ক্ষেত্ৰতো ৰুদ্ৰ বৰুৱাৰ অৱদান কম নাছিল। আজি

সত্ৰবোৰৰ মাজত দেখা দিয়া পাৰ্থক্য, মতানৈক্য, মানদণ্ডৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা অৱক্ষয়ৰ প্ৰসংগটোৰ গুৰুত্ব ক্ৰমাৎ বৃদ্ধি পাইছে। একেজনা শংকৰ গুৰুৰ সৃষ্ট সত্ৰ আৰু সত্ৰীয়া সংস্কৃতিয়ে সত্ৰীয়া পৰম্পৰাৰ বাযজৰী ধৰি ৰখা বুলি দাবী কৰা বৰপেটা, বৰদোৱা আৰু কমলাবাৰী সত্ৰই পৰস্পৰ বিৰোধিতা আৰু অনৈক্যৰ বিতৰ্কৰ সৃষ্টি কৰিছে। এই ক্ষেত্ৰত অনেক প্ৰবীণ শিল্পীয়ে ৰুদ্ৰ বৰুৱাই ঐক্য স্থাপন আৰু বিজ্ঞানসন্মত চৰ্চাৰ প্ৰচেষ্টা চলোৱা বুলি আজিও শ্ৰদ্ধাসহকাৰে স্বীকাৰ কৰে। আনকি ৰুদ্ৰ বৰুৱাই সত্ৰবোৰ ভ্ৰমণ কৰি ইয়াৰ ৰূপগত বৈশিষ্ট্য অধ্যয়ন কৰাৰ লগতে তৎকালীন সত্ৰীয়া পণ্ডিতসকলৰ সহযোগত ঐক্য স্থাপনৰ চেষ্টা চলাইছিল। আজিহে ধ্ৰুপদী স্বীকৃতি পোৱা সত্ৰীয়া সংস্কৃতি বৰ্তমানৰ আঁসোৱাহ আঁতৰাই ধ্ৰুপদী সন্মানৰ উপযোগী কৰি তোলাৰ বাবে তেওঁ তাহানিতেই প্ৰচেষ্টা হাতত লৈছিল।

সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালকৰ দায়িত্বত থাকোতে তেওঁ ৰবীন্দ্ৰ ভৱনটোক এক সৰ্বভাৰতীয় মানদণ্ডবিশিষ্ট শিল্প-সংস্কৃতিৰ গৱেষণা কেন্দ্ৰ কৰি তোলাৰ আঁচনিও প্ৰস্তুত কৰিছিল। লগতে সৰ্বভাৰতীয় শিল্পীয়ে যেন অসমলৈ আহি শিল্প-সংস্কৃতিৰ বিনিময় আৰু গৱেষণা অধ্যয়ন কৰিব পাৰে, তাৰবাবে নানা কৰ্মসূচী হাতত লৈছিল। অৱশ্যে জীৱন কালত তেওঁ ইয়াক পূৰ্ণ ৰূপ দিয়াৰ সুযোগ আৰু সহযোগ নাপালে। সৰ্বভাৰতীয় শিল্পীৰ অতিথিশালা হিচাপে তেওঁৰ পৰিকল্পনাত নিৰ্মিত ৰবীন্দ্ৰ ভৱন পৰিসৰৰ নতুন বিল্ডিংটোত এতিয়া ৰাজ্যিক সংগীত বিদ্যালয়ৰ পাঠদান চলি আছে।

চৰম দুৰ্নীতি আৰু নানা কেলেংকাৰীৰে ভৰি উঠা অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে কিন্তু আজিও ৰুদ্ৰ বৰুৱাৰ সপোনক বাস্তৱত ৰূপ দিয়াৰ কথা ভবা নাই। আনকি লাখ লাখ টকাৰ কেলেংকাৰীৰ অভিযোগত নিলম্বিত হোৱা সঞ্চালকেও এবাৰলৈয়ো নাভাবিলে যে তেওঁ বহি থকা চকীখনত এদিন ৰুদ্ৰ বৰুৱাৰ দৰে মহান শিল্পীয়ে বহি অসমৰ সাংস্কৃতিক বিকাশৰ সপোন দেখিছিল, নতুন নতুন আঁচনি ৰচিছিল।

অইন বহুতৰ দৰে অনিবাৰ্যভাৱে ৰুদ্ৰ বৰুৱাৰ সপোনকো আমি অসন্মান কৰিছো। অইন বহুতৰ দৰে ৰুদ্ৰ বৰুৱাকো আমি মাথোন স্মৃতি দিৱস নামৰ আনুষ্ঠানিক নাটকৰ নায়ক সজাইছো। অইন বহুতো প্ৰশ্নৰ দৰে এই প্ৰশ্নটোও অনাগত ভৱিষ্যতলৈ এৰি থৈছো — ৰুদ্ৰ বৰুৱাৰ সপোন কেতিয়া ফলিয়াব?

❖ ❖ ❖

পুৰণিগুদামত 'কুশীলব'ৰ উদ্যোগত কৰ্মশালা
পাহৰণিৰ গৰ্ভত ৰুদ্ৰ বৰুৱাৰ হেৰাই গৈছে বহুতো গীত

পৰিজ্ঞান কলিতা

'পকা ধানৰ মাজে মাজে সৰু সৰু আলি ঐ'ৰ স্ৰষ্টা বনগীতৰ ওজা লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা আজি পাহৰণিৰ গৰ্ভত। কেঁচা মাটিৰ গোন্ধ, প্ৰকৃতি, প্ৰবাহিত সময়ক মিশ্ৰিত কৰি এক নিজস্ব শৈলীৰে অসমৰ লোক কলা-সংস্কৃতি জগতলৈ ৰুদ্ৰ বৰুৱাই আগবঢ়োৱা অৱদান চিৰস্মৰণীয় যদিও অসমীয়া সংস্কৃতিবান মানুহৰে নহয় অসমীয়াৰে ঈৰ্ষাপৰায়ণ চৰিত্ৰৰ বাবে ৰুদ্ৰ বৰুৱা বিগত একৈশ বছৰে কৃষ্টিৰ পথাৰত অনাদৃত হৈ পৰি ৰ'ল। অষ্টম শ্ৰেণীত পঢ়ি থাকোঁতে 'বোৱতী নৈৰ পাৰৰে মোৰ সৰুকৈ গাওঁখনি মাটিৰে সৰগ যেন সবাতকৈ শুৱনি' শীৰ্ষক গীত ৰচনা আৰু গোৱা পুৰণিগুদাম ভীমৰ গাঁৱৰ সন্তান ৰুদ্ৰ বৰুৱাৰ কণ্ঠ বোধ কৰাইছিল গুৱাহাটীৰ অনাতাঁৰ কেন্দ্ৰই। পৰিয়ালৰ লোকে উত্থাপন কৰা অভিযোগ মতে নিজৰ প্ৰাণতকৈ গীত ভাল পোৱা ৰুদ্ৰ বৰুৱাৰ 'ফুলগুৱিৰ ফুলেশ্বৰী, ৰহাৰ ৰহদৈ' গীতটোৰ ৰেকৰ্ডখন গুৱাহাটী অনাতাঁৰ কেন্দ্ৰই মচি পেলোৱাৰ বাবে মৰ্মাহত ৰুদ্ৰ বৰুৱাই ৰেডিঅ'ত গীত নোগোৱাৰ সিদ্ধান্ত লৈছিল। পত্নীৰ মতে 'ৰেডিঅ'ত ৰুদ্ৰ বৰুৱাই প্ৰায় তিনিশ গীত গাইছিল।' ইয়াৰে কেইটিমান গীতৰ বাদে সকলোবোৰ গীতেই মচি পেলোৱা হ'ল। ৰেকৰ্ডসমূহ মচি পেলোৱাৰ আঁৰত কোন আছে বুলি জানিব বিচৰাত বৰুৱানীয়ে কয়- 'সত্তৰ দশকৰ প্ৰথমৰ পৰাই ভিন্ন ৰেকৰ্ডসমূহ মচা হৈছিল। সেই সময়ত দায়িত্বত আছিল প্ৰয়াত মুকুল বৰুৱা। শেহতীয়াভাৱে ভিন্ন শিল্পীৰ ৰেকৰ্ডসমূহ মচি পেলোৱাৰ বিতৰ্কৰ দোমোজাত সোমাই পৰা শিল্পী খগেন মহন্তৰ নাম উচ্চাৰিত হোৱাত আৰতী বৰুৱাই ক্ষোভেৰে কয়-'খগেন মহন্ত সৃষ্টি ধ্বংস কৰা ঈৰ্ষাপৰায়ণ মনৰ মানুহ নহয়। ১৯৪৮ চনত যেতিয়া গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ প্ৰতিষ্ঠা হৈছিল তেতিয়া ৰুদ্ৰ বৰুৱাই 'আজি কাৰ জানো পৰশত' গীতটো গাইছিল। 'পলাশৰ ৰঙা ফুলে নৱ বতৰা কয়/টৌ খেলি উলাহতে ফাগুনী বা বয়'ৰ জৰিয়তে সংগীতৰ পথাৰলৈ ৰেঙণি কঢ়িয়াই অনা পৰিয়ালটো হাৰি হাৰি যেন জয়ী হৈছে। একৈশ বছৰৰ পিচত স্বেচ্ছাসেৱী অনুষ্ঠান পুৰণিগুদামৰ কুশীলবে অসমৰ ভিতৰত প্ৰথমবাৰৰ বাবে ৰুদ্ৰ বৰুৱাৰ গীতসমূহ সংৰক্ষণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব দি এখনি কৰ্মশালাৰ আয়োজন কৰিছিল। এই ক্ষেত্ৰত ৰুদ্ৰ বৰুৱাৰ পৰিয়ালৰ মন্তব্য 'আমাক চৰকাৰৰ অনুকম্পা নালাগে। নৱ-প্ৰজন্ম কুশীলবে বনগীতৰ ওজা লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাক চিনি পাইছে। আমি সহায় আগবঢ়াম। কুশীলবেই নহয় ৰুদ্ৰ বৰুৱাক জীয়াই ৰাখিবলৈ অসমৰ সকলো নতুন প্ৰজন্ম ওলাই আহিব।'

❖ ❖ ❖

মিলিত কণ্ঠে আমি গাওঁ

অমূল্য কাকতি

২০০১ চনৰ ১২ নৱেম্বৰ সন্ধিয়া ৰবীন্দ্ৰ ভৱনত লুইতকোঁৱৰ ৰুদ্ৰ বৰুৱাৰ পঁইসত্তৰতম জন্ম-জয়ন্তী উপলক্ষে পতা গীত আৰু নৃত্যৰ সেই বৰ্ণাঢ্য অনুষ্ঠানটি চোৱাৰ সৌভাগ্য হৈছিল বুলি ক'ব লাগিব। কিয়নো প্ৰয়োজনীয় প্ৰচাৰৰ অভাৱত বহু ইচ্ছুক দৰ্শকে চাব নোৱাৰা অনুষ্ঠানটি চোৱাৰ সুযোগকণ হেৰুৱালে বুলি ভাবোঁ।

অনুষ্ঠানটি চোৱাৰ সৌভাগ্য বুলি কোৱাৰ আঁৰত লুকাই থকা মোৰ সৰল অনুভৱ এই যে, 'প্ৰতিভাৰ কেঁচা হীৰা সাধনাৰ কষটি শিলত ঘঁহিলেহে বিশ্ব শ্ৰেষ্ঠ 'কহিনুৰ' হয়। বৰপেটাৰ এক অনামী শিল্পীৰ দলে সাধনাৰ বলত এটি প্ৰফেশ্যনেল অনুষ্ঠান প্ৰদৰ্শন কৰি দেখুৱাই গ'ল, আচলতে গীতৰ এনে অনুষ্ঠান কেনেধৰণে উপস্থাপন কৰিলে দৰ্শকক একাত্ম কৰিব পৰা যায়। আঁৰ-কাপোৰ আঁতৰিল, অনুষ্ঠান আৰম্ভ হ'ল আৰু ডেৰ ঘণ্টাৰ মূৰত এখন বোলছবিৰ দৰে অনুষ্ঠানৰ সামৰণি পৰিল একেবাৰে Hall lights on আৰু Hall lights off ক'তো অকণো ৰ'বলৈ নাই, খোৱকৰ বিলম্ব নাই, ইলেক্ট্ৰনিক-যন্ত্ৰণা, সংগীতৰ কোলাহল নাই। আজিৰ গুৱাহাটীৰ দৰ্শকে ভাবিব নোৱাৰাকৈ সেই শিল্পীসকলে এটি সঁচা উপভোগ্য অনুষ্ঠান পৰিৱেশন কৰি গ'ল কেৱল থলুৱা বাদ্যযন্ত্ৰৰ ওপৰত ভৰ দি। আমাৰ থলুৱা বাদ্যযন্ত্ৰৰ চিন্তা কৰি কৰা ব্যৱহাৰৰ শক্তি যে কোনো ইলেক্ট্ৰনিক যন্ত্ৰতকৈ কম নহয় তাক আমি প্ৰকাশ্যে দেখিবলৈ, শুনিবলৈ পালোঁ। আজিৰ দিনত দৰ্শকৰ মন জিনিবলৈ হ'লে আখৰাত কিমান যে সাধনাৰে মন দিব লাগিব আৰু তেনে আখৰাৰ ফলে এটি প্ৰদৰ্শন কিমান উচ্চস্তৰলৈ নিব পাৰে তাকে এইসকল শিল্পীয়ে আমাক দেখুৱাই থৈ গ'ল।

অনুষ্ঠানটিত পৰিচিত গীততকৈ ৰুদ্ৰ বৰুৱাৰ নতুন গীতহে কিছু শুনিব পালোঁ। আৰম্ভণিতে বন্ধু ওজাই ৰুদ্ৰ বৰুৱাক অসমৰ জাতীয় গীতিকবি আখ্যা দিলে। এই কথাই অলপ ভৰাই নোতোলাৰ কথা নহয়। এবা ঘৰখন চিনি পালেহে চুবুৰিটো চিনি পাম, চুবুৰিটো চিনিলেহে গাঁওখন, চহৰখন চিনি পাম। সেই সন্ধিয়া গীতৰ কলি এটিত নতুন শব্দ এটি শুনিলোঁ 'পশ্চিম আকাশখনি ৰটোৱালে ঢকা আজি' ঘৰলৈ আহি অভিধান চাইহে জানিলোঁ হেঙুলীয়াৰ বেছি অসমীয়া অনুশব্দ 'ৰটোৱাল'। এই গীতটি কোনো 'বাহী'ৰ দিনৰ অসমীয়া লেখকৰ ৰচনা নহয় এজন আধুনিক গীতিকাৰৰ শব্দ-চয়ন। আৰু এটি গীতে এটা নতুন চিন্তাৰ খোৰাক দিলে 'বাৰীৰ পাণ পাৰি, ধনাই ওলাল

হাটলৈ ভালপোৱা মালতীলৈ হাৰ এডাল কিনি দিব' । দুখীয়া ধনাইৰ কিন্তু আশা পূৰণ নহ'ল । মটৰে চেপি ধনাইক মাৰিলে । গীতিকাৰে এজন দুখীয়া খেতিয়ক ল'ৰাৰ মনৰ চিন্তাৰ উমান দিছে । ল'ৰাজনৰ সমাজ ব্যৱস্থাৰ ওপৰত ক্ষোভ নাই । তাৰ ধনীৰ তিৰ্‌বিৰ্ চোলাৰ ওপৰত চকু নাই, ভাঙি-কাঢ়ি-আঁজুৰি নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ হাবিয়াস নাই; তাৰ বিশ্বাস আৰু আস্থা আছে নিজৰ কামেৰে আৰু কপালৰ ঘামেৰে নিজক প্ৰতিষ্ঠা কৰাৰ । মনত পৰিল 'গামোচাৰ আঁচলত পদুমৰ চকা, মূৰতে মেৰিয়াই আহে....' পাহোৱাল ডেকাজনলৈ । সেইজনহে অসমীয়া ডেকা । এই কথাকে আকৌ শুনিছিলো 'এই মাটিকাৰ.....' গীতটিত ।

চাৰিশ বছৰৰ আগৰ কলিয়া ভোমোৰা বৰফুকনৰ দিনৰে পৰা অসমীয়াৰ আশা ব্ৰহ্মপুত্ৰৰ ওপৰত দলং হ'ব লাগে । বাটলৈ নামি আহিব লগা হৈছিল অসমৰ ৰাইজ দলংখন বিচাৰি । ১৯৬২ চনত দলংখন মুকলি হ'ল । কিমান যে আশা পূৰণ হ'ল অসমবাসীৰ সেই সময়ৰ আশা আকৌ পালোঁ শিল্পীসকলে আগবঢ়োৱা সেই 'আশাৰে টোকিটি জ্বলে....' গীতটিত । আজি সাতভনী অবিহনে উত্তৰ-পূৰ্বাঞ্চলক ভাবিব নোৱাৰোঁ । অথচ জানিলোঁ যে পঞ্চাশৰ দশকতে ৰুদ্ৰ বৰুৱাই ভাবিছিল সাতভনীৰ কথা তাহানিৰ অবিভক্ত 'এই অসমৰ মহাজাতি আমি...,' 'সুউচ্চ পাহাৰ আৰু বিশাল লুইত...' শীৰ্ষক গীত দুটিত । অসমখন এখন সমজুৰাৰ দেশ, ইজনে-সিজনে আনৰ সুখ-দুখৰ সমভাগী সেই কথাকে পালোঁ সৰ্বাধিক জনপ্ৰিয় 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি'.....', 'টপ টপ বৰষুণ....' আৰু 'মোৰ পথাৰত....' শিল্পীসকলে প্ৰাণঢালি গোৱা গীতকেইটিত, যি গীতে প্ৰেক্ষাগৃহলৈ বাৰিষাৰ বৰষুণ, কেঁচা মাটি আৰু পকা ধানৰ সতেজ সুবাস আনি দিলে । জেতুকী বায়ে আকৌ চকু সেমেকাই তুলিলে ঠিক যেনেকৈ চীনা আক্ৰমণৰ সময়ত লিখা 'আই ঐ নেকান্দিবি তই....' গীতটিৰে....। গীতটিত অন্তৰা সংগীতত ব্যৱহাৰ কৰা ঢোলৰ মালিতাই এক নতুন সংমিশ্ৰণৰ সোৱাদ দিছিল ।

'মিলিত কণ্ঠে আমি গাওঁ' সাবলীল ভাষাৰে গাঁথি ধৰা আলেখ্যখনিৰ গীতৰ লগতে সোণত সুৱগা চৰাইছিল অকণি শিল্পী বৰষা ভট্টই পৰিবেশন কৰা প্ৰাণময়ী, ছন্দময়ী নৃত্যই । ৰুদ্ৰ বৰুৱাৰ জীৱন আৰু সৃষ্টিৰ ওপৰত যুগুতোৱা সুধীয়া অনুষ্ঠানটি হৃদয়গ্ৰাহী হৈছিল । সঁচা অৰ্থত সেইদিনা লুইতকোঁৱৰক জীৱন্ত ৰূপত ৰবীন্দ্ৰ ভৱনৰ মঞ্চলৈ উলিয়াই আনিবলৈ যেন সক্ষম হৈছিল সেই আন শিল্পীসকলে সাধনাৰ বলত । অভিনন্দন ।

❖ ❖ ❖

Rudra Barua : A Tribute

Satya Prasad Barua

The news of the sudden death of Rudra Barua came to all of us as a rude shock. Although I came to know from his doctor that he had been advised to go to Vellore for a thorough check-up I did never expect that the end would come like this so soon. When I met him at his residence before his departure, he looked pale and weak, but that did not give me any indication whets. Ever about the sudden turn in the course of events. Reports received from Vellore rather assured us that he was rallying and would return home, within a couple of days. Yes, his body did come back to Guwahati but alas it was without the flame of life. This sudden shuffling off of his mortal coil has undoubtedly created a void in the socio-cultural life of Assam which can hardly be filled up.

Born in November, 1926; in the Kahaal Barua family of Puranigudam in the district of Nowgong, Rudra Barua had his early education in the Puranigudam High School under the guidance of his teacher Puspa Borkotoky who took keen interest in his studies during the formative period of his life. He showed a knack for social activities from his early age and when only 14 years old he plunged into the mass upsurge of 1942 and worked as a volunteer being pursued by the police at every step. It was during this period that he composed one of his first songs – *Sahid sonite ranjita aaji jaatiya pataakaa mor*. He actively participated in the student movement and became the District Secretary of the Student (Chaatra) Congress. He passed his matriculation and intermediate examinations from Nowgong when he made his debut on the stage in the role of Boragi in the drama *Piyoli Phukan* presented by the Nowgong Natya Samity. He later came to Shillong and stayed with Manik Chandra Hazarika, one of his close relatives, who brought him up since the death of his father Barada Kanta Barua during his childhood. Rudra Barua's mother Hiralata Barua was a lady of liberal ideas with a literary bent of mind. She proved the initial inspiration to Rudra Barua to develop his musical and artistic talents.

At Shillong his musical performances soon caught the imagination of the people and he was in great demand whenever there was a cultural show. His lilting Bongeets captivated not only the Assamese listeners, they attracted even the tribal artistes who started learning Assamese songs from him. It was during this period that he composed several songs on national integration and he was perhaps the first to organise a choral group of Assamese, Khasi and other tribal artistes who sang songs on integration donning their respective costumes.

Rudra Barua joined the Co-operative Department of the Government of Assam as Lower Division Assistant in 1948 and soon attracted the notice of Sri Khanindra Chandra Barua who was then the Secretary-cum-Registrar of Co-operative Societies, Assam. He got a lift as the Assistant Co-operative Education Officer and later become the Co-operative Education Officer in 1954. He had training in cooperation at the Pune Co-operative College in 1958. Meanwhile he took his BA degree as a private candidate.

He has been associated with All India Radio as vocalist since its inception in 1948 and did make his mark as a Bongeet singer. He had also produced a number of musical features for All India Radio and was a member of the local Audition Committee for light music. Rudra Barua not only cultivated his own musical talent through All India Radio Gauhati and other organisations, but he had also trained up some of the young artists who were remarkably successful in the music sphere of Assam. Of some such artistes mention may be made of Anima Bhattacharya, Sri Khagen Mahanta and Smti Dipali Borthakur had also gained considerably through their association with him

As a founder-member of the Shillong Kala Parishad, he contributed largely in preparing the edited versions of the great classics like Parijat Haran, Ramayan Rukmini Haran Kumar Haran, and Kangsabadh and had also taken full responsibility of directing the music for these song and dance features. The Shillong Kala Parishad troupe had travelled throughout Assam and these productions did open up a new avenue for popularising the Ankiyaa Bhaawnaas by re-orienting the presentation technique to suit modern taste. He had also written and produced a play on

cooperation entitled *Maukhe Utile.*

When Sri Iswar Prasad Chowdhury the then Director of Information and Public Relations, Government of Assam thought of having a cultural wing attached to his Directorate, Rudra Barua was brought over from the Co-operative Department and placed as the Deputy Director of Information and Public Relations (Cultural Affairs) in 1960. In this capacity he had organised the cultural media with the able assistance of Sri Ananda Mohan Bhagawati and Jatin Goswami. During the Chinese aggression he was in charge the Government Publicity campaign in the North bank. The cultural wing of the Directorate of Information and Public Relations, Government of Assam made the desired impact on the cultural connoisseurs of Assam and other parts of India as well. Rudra Barua visited almost all the places of Assam and India with the cultural troupe which evolved some significant forms of Sattriya dance such as *Chaali, Jhumura, Dasabataar* etc. besides that of the Bihu dance. He was transferred to the newly established Directorate of Cultural Affairs in 1971 and later became its Director in February, 1974. During the period he was the Director till his untimely death Rudra Barua had seen to the implementation of various schemes such as the College of Music and Dance, the Art Gallery, State Drama Troupe, Jyoti Bharati and to the expansion of the activities of the Directorate by organising Loka Melas and folk dance and drama festivals in a regional basis. He had initiated a training programme in various types of Assamese folk music and dances. He had also led an Ankiyaa Bhaawna troupe to Indonesia. He was a member of the Central Sangeet Natak Akademi and the Treasurer of Artist Welfare Foundation.

Dura Barua was connected with the Jyoti Chitraban Film Studio as its Secretary since its inception and as the Managing Director of the Assam Film Finance Corporation, he took keen interest in the development of the film industry of Assam. He has been taking active interest in the production of Assamese films and has directed the music for some of them. He made his mark as an actor in *Sonar Harin* and in the President's Award winning film *Mamata.*

Rudra Barua's forte was folk music and the songs – about 200 – which he had composed were based on indigenous tunes such

as Bongeet, Bihu geet and other varieties of folk music. He drew inspiration from rural life and his songs reflected the sorrows and happiness of the common men. Of some of his songs which have gained immense popularity among the listeners and connoisseurs of music mention may be made of *Pakaa dhaanar maaje maaje saru saru aali, O moinaa uthor haanhi harile kone, Taatar dorepati salaoi ghanepati,* etc. He had also written some publicity oriented purposeful songs which never lost their musical charm and thematic beauty. His song on the Saraighat Bridge or the Jagiroad Spun Silk Mill, would aways be remembered by the listeners. His attractive tunes have contributed largely in popularising some of the lyrics of Sri Keshab Mahanta and Dr Nirmal Prabha Bordoloi. A collection of his 30 songs entitled *Kalang Paria geet,* was published in 1968. His voice had a rural tinge and cadence, true to the soil, which was very difficult for others to emulate.

An organiser par excellence, a dependable colleague an amiable associate a friend in need, a distinguished lyrist with a racy idiomatic literary style, a singer of rare talent, an impressive actor, a resourceful and hard-working officer, Barua's death has made Assam much poorer in the cultural field today.

May his soul rest in eternal peace !

❖ ❖ ❖

বৰ্ণিল ব্যক্তিত্বৰ মানুহজন "ৰুদ্ৰ বৰুৱা"

জগত প্ৰসাদ বৰুৱা

"ভাগি গ'ল বীন খনি ছিগি গ'ল তাঁৰ,
বৈ গ'ল অৱশেষ অমিয়া জোকাৰ"।

সুৰকাৰ, গীতিকাৰ, সুন্দৰৰ আজীৱন পূজাৰী "লুইত কোঁৱৰ" উপাধিৰে বিভূষিত ৰুদ্ৰ বৰুৱাৰ ক্ষেত্ৰতো ই আখৰে আখৰে প্ৰযোজ্য। এটি কথা সোঁৱৰাৰ প্ৰয়োজন যে ৰুদ্ৰ বৰুৱাৰ সম-সাময়িক যি সকল শিল্পীয়ে সংগীত চৰ্চা কৰিছিল তেওঁলোক সদায় একোই (দুই এজনৰ বাহিৰে) ব্যৱসায়িক দিশটোৰ প্ৰতি আকৃষ্ট হোৱা নাছিল। নিজৰ সৃষ্টিৰে আনকো চুই যাব পৰা আগ্ৰহেই আছিল সেই দিনৰ শিল্পী সকলৰ প্ৰকৃত ধৰ্ম বা উদ্দেশ্য আৰু সাধনা। কিন্তু যুগ পৰিবৰ্ত্তনে সংগীত শিল্পী সকলক ব্যৱসায়িক ৰূপ লবলৈ বাধ্য কৰালে। ৰুদ্ৰ বৰুৱা আছিল এই পথৰ বিপৰীত দিশে বাট বোলোতা, গীত গোৱাৰ পৰিবৰ্ত্তে পাৰিশ্ৰমিক লোৱাটো তেওঁৰ সপোনৰো অগোচৰ আছিল।

নগাওঁ জিলাৰ পূবণি গুভাম অঞ্চলৰ ভীমৰ গাৱত, আহোম স্বৰ্গদেউ সকলে খিতাপ দিয়া কহাঁল বাখৰ বৰুৱা বংশত ১৯২৬ চনৰ ২৬ নৱেম্বৰত বৰুৱা দেৱৰ জন্ম হয়। পিতৃ বঁকলা কান্ত বৰুৱা আৰু মাতৃ ˚ হীৰালতা বৰুৱাৰ একমাত্ৰ পুত্ৰ সন্তান ৰুদ্ৰ বৰুৱাই মাত্ৰ ন-বছৰ বয়সতে পিতৃহাৰা হৈ এগৰাকী বায়েক আৰু এগৰাকী ভনীকে, বিধবা মাকক লৈ নানান বিলাহি - বিপত্তি আৰ্থিক অনাটনৰ মাজতে দিন কটাব লগীয়া হয়। কিন্তু কিশোৰ ৰুদ্ৰ বৰুৱা শিল্পী-প্ৰাণটোৱে এইবোৰৰ ওচৰত হাৰ নেমানিলে।

কলিয়াবৰ অঞ্চলৰ শঙ্কৰী কলা-কৃষ্টি মধুৰ পৰিৱেশ ঘৰৰ কাষতে থকা বৰ নামঘৰৰ ভাওনা, সবাহ, তিথি, পাৰ্ব্বন আদিৰ সান্নিধ্যই আছিল তেওঁৰ অনুপ্ৰেৰণাৰ থলী, জন-জীৱনৰ হাঁহি কান্দোন, জীৱন অতিবাহিত কৰা পদ্ধতি (Life Style), অসমৰ কেঁচা মাটিৰ গোন্ধ আৰু থলুৱা গীত-মাতবোৰৰ কথা আৰু সুৰ সকাৰেই আছিল তেখেতৰ গীতৰ উৎস। তেখেতৰ গীতবোৰ অসমত নোলাগে ভাৰতৰ অন্যঠাইত আনকি সুদুৰ পাশ্চাত্যটো সমাদৰ পোৱা উদাহৰণ কাগজে-পত্ৰই মাজে সময়ে পাও। বিশেষকৈ তেখেতৰ গীতবোৰ মহিলাত কৈ পুৰুষ কণ্ঠতহে শুনিবলৈ বেছি শুৱলা হয়। ৰুদ্ৰ বৰুৱাই আগবঢ়োৱা অবিহনা যিনি সাৰ্থক কণ্ঠ শিল্পী আৰু সংগীত প্ৰেমী ৰাইজৰ অন্তৰত চিৰ বিদ্যমান।

ৰুদ্ৰ বৰুৱাৰ প্ৰকৃত গুণ বাজি মূল্যাঙ্কন কৰিবলৈ হলে, তেখেতৰ ভাগ্য, কষ্ট, সহিষ্ণুতা, ধৈৰ্য্যৰ কথা দেহ্যাৰিব লাগিব। পুৰণিগুডামৰ ৰাধাকান্ত বৰুৱা হাইস্কুলৰ পৰা আৰ্থিক অনাটনে জুৰুলা কৰা ৰুদ্ৰ বৰুৱাই প্ৰৱেশিকা পৰীক্ষা পাচ কৰি, দ্বিতীয় মহা সমৰত ৰাস্তাৰ ম'হৰী কৰি, হাৰমনিয়ামৰ দোকানত নগাওঁ চহৰত কাম কৰি শিক্ষাৰ খৰছ উলিয়াইছিলে, চিলংৰতো তদ্ৰূপ দিনত চাকৰি কৰি ৰাতি কলেজত পঢ়ি স্নাতক ডিগ্ৰী লাভ কৰিছিলে। কঠোৰ জীৱন সংগ্ৰামক আওঁকান কৰি প্ৰকৃত শিল্পীৰ উদাৰতাৰে তেওঁ যি সৃষ্টি কৰিছিল আনকো অকপটো বিলাই থৈ গ'ল। তেওঁ গীতেৰেই কৈছিল আৰু গাইছিল-

"কপৌ ফুলটি খোপাত গুজি এটি কথা জান
সংগ্ৰাম-হীন জীৱনৰে নাই একো দাম"।

চিলং চহৰ অসমৰ ৰাজধানী হৈ থাকোতে তাত থকা অসমীয়া মানুহখিনিৰ মিলা-প্ৰীতি দেখিলে ভাব হয় যেন সকলোবোৰ একেটা পৰিয়ালৰ, মিলনৰ পুণ্য ভূমি। অসমীয়া সমাজখনৰ সামাজিক, সাংস্কৃতিক অনুষ্ঠান সমূহ কেইজনমান লেখত লব লগীয়া ব্যক্তিৰ ভিতৰত বৰুৱাও অন্যতম। "চিলং কলা পৰিষৰ" সমূহ কাৰ্য্যসূচীত তেখেত আছিল ৰাটকটীয়া। চিলংৰ প্ৰায়বোৰ অনুষ্ঠানতেই বৰুৱাই অংশ লব লগীয়া হৈছিল। তেওঁ এজন ভাৱৰীয়া, সুৰকাৰ আৰু এজন অনুকৰণীয় সংগঠক আছিল।

চিলংৰ প্ৰায়বোৰ সাংস্কৃতিক অনুষ্ঠান প্ৰথমে "অসম ক্লাবত তাৰ পিচত দেৱকুমাৰ দা[illegible] মে'মৰিয়েল হলত হৈছিল। (˚ দেৱ কুমাৰ দাস আছিল ˚ নলীনি দাসৰ পুত্ৰ আৰু প্ৰখ্যাত অভিনেতা ˚ বিজয় শঙ্কৰ দাসৰ ভাতৃ, পিতৃয়ে পুত্ৰৰ নামত এই হল অৰ্পন কৰিছিল।) প্ৰথম বাৰৰ কাৰণে সহ অভিনয়, আৰু অঙ্কীয়া নাটবোৰক মঞ্চৰূপ দিয়া ক্ষেত্ৰত ৰুদ্ৰ বৰুৱাই যি অগ্ৰণী ভূমিকা লৈছিল, সেইবোৰ আমি এই "দেৱ কুমাৰ হলতেই" উপভোগ কৰিবলৈ সুবিধা পাইছিলো। ভৈয়ামৰ পৰা গৈ সৰু-সুৰা চাকৰি এটা যোগাৰ কৰি বহু ডেকা লৰাই মেচ পাতি থাকি দিনত লৰালৰিকৈ ভাত এগৰাহ খাই চাকৰি কৰি ৰাতি কলা সংস্কৃতিৰ চৰ্চ্চা কৰিছিল। এই পৰিবেশৰ উমান নিজেও পাইছিলো।

যুগান্তকাৰী কবি ˚ দেৱকান্ত বৰুৱাৰ কবিতা কলং আজিও বয়, ˚নৱকান্ত বৰুৱাৰ "কপিলী পৰীয়া সাধু" আদিৰ প্ৰকৃত অনুগামী ৰুদ্ৰ বৰুৱাও কলংপৰীয়া শিল্পী। তেওঁ জীৱিত অৱস্থাত লেখি থৈ যোৱা এখনি গীতৰ শৰাইৰ পুথিৰ নামো দিছিল "কলংপৰীয়া গীত"। আৰে এটি গীত "পৰা থানৰ মাজে মাজে সৰু সৰু আলি" যুগান্তকাৰী গীত হৈ ৰ'ল।

এনে এজন মহান শিল্পীক ওচৰৰ পৰা লগ পাইছিলো যোৰহাটত বিহুগীত মই বিহু-সন্মিলনৰ কৰ্ম্ম-কৰ্ত্তা হৈ থাকোতেই। লগতে তেখেতৰ পৰিবাৰ কথা ছবি জগতৰ অভিনেত্ৰী শ্ৰীমতী আৰতি বৰুৱাক। যোৰহাট ১৯৭৪-৭৫ চন বৰুৱা তেতিয়া অসম

চৰকাৰৰ সাংস্কৃতিক বিভাগৰ সঞ্চালক। বৰুৱা গৈছিল যোৰহাট তৰাজানৰ বিহু সন্মিলনলৈ নিমন্ত্ৰীত অতিথি হৈ। প্ৰাণ উজাৰি গীত গাইছিল "পকা ধানৰ মাজে মাজে, তাঁতৰ দোৰে পতি, "কানতে জিলিকে নেজাল কৈ থুৰীয়া," 'সেইয়া বাৰু কোন, পূৰ্ণিমাৰে জোন,' 'অ হে'ৰ জেতুকী বাই ', ইত্যাদি। বিহু তলী কাঁহ পৰি জীন গৈছিল, শ্ৰোতাৰ হাত চাপৰি আজিও কানত বাজি আছে। সেই মৰ্ম্ম-স্পৰ্শী গীত বিলাকৰ শব্দ-গাথনি তাৰ বৰলে অৰ্থ এক পাহৰিব নোৱাৰা স্মৃতি।

১৯৭৯-৮০ চন গুৱাহাটীত বৰুৱাক একেবাৰে ওচৰৰ পৰা লগ পালো-নানা সামাজিক কামত। পূব গুৱাহাটী বিহু সন্মিলন এখন আগশাৰীৰ সন্মিলন তাত ৰুদ্ৰ বৰুৱা সাংস্কৃতিক বিভাগৰ সভাপতি হোৱাৰ বাবে অসমৰ বাহিৰৰ বহু নামী-দামী শিল্পী, সামূহিক গোষ্ঠীবোৰক নিমন্ত্ৰণ কৰি আনি এই বিহুতলী তথা গুৱাহাটীৰ প্ৰায়বোৰ বিহুতলীতেই তেওঁলোকৰ অনুষ্ঠান পৰিৱেশন কৰিবলৈ সু-যোগ দিছিল। সাংস্কৃতিক সঞ্চালকৰ দায়িত্বত থকাৰ বাবে তেওঁ এই সুযোগ ৰাইজৰ স্বাৰ্থত খটুৱাইছিল, সেই অতিথি শিল্পীসকলৰ তত্বাৱধান তেখেতে নিজেই গাত পাতি লৈছিল।

ৰাধা গোবিন্দ বৰুৱা পথৰ নবীন নগৰত তেওঁ নিজা ঘৰীয়াকৈ ঘৰ সাজিছিল, কিন্তু ভগৱানে তেওঁক তাত বেছি দিন থাকিবলৈ নিদিলে, নবীন নগৰতে গঢ় লৈ উঠা সাংস্কৃতিক অনুষ্ঠান "পাঞ্চজন্য"ৰ তেওঁ সভাপতি আৰু মই আছিলো উপ-সভাপতি। বৰ্ত্তমান দূৰদৰ্শন কেন্দ্ৰ অৱস্থিত সেই বাকৰিতে মাঘ বিহু পাতি তাৰ লগত বজিতা খুৱাই কেইবাবাৰো সাংস্কৃতিক অনুষ্ঠান পতা হৈছিল।

এই অঞ্চলৰ ৰাইজক একগোট কৰি বহু অনুষ্ঠান, প্ৰতিষ্ঠান গঢ়াৰ সপোন দেখিছিলো, আনকি এখন মিনি-ষ্টেডিয়াম গঢ়াৰো সপোন দেখিছিলো, কিন্তু আকাশ-কুসুম কল্পনা কল্পনা হৈয়ে ৰ'ল। শেষ বাৰলৈ ১৯৮০ চনত জানুৱাৰী মাহত হোৱা মাঘ বিহুৰ আয়োজিত সন্মিলনলৈ তেখেত অসুস্থতাৰ বাবে যোগদান কৰিব নোৱাৰিলে। প্ৰকৃত অসমীয়া আৰু সংস্কৃতিবান ব্যক্তি হিচাবে তেখেতে এই অঞ্চলৰ উন্নতিৰ বাবে বহুতো জল্পনা-কল্পনা কৰিছিলে। চিকিৎসাৰ বাবে ভেলোৰলৈ যোৱাৰ আগেয়ে ৰাইজৰ লগতে একগোট হৈ মেজিত সেৰা এটা জনেৱাৰ আশা পূৰ্ণ হ'ল। কিন্তু সেই মেজিৰ জুইকুৰা বুকুত বান্ধি তেখেতে চিকিৎসাৰ বাবে যাত্ৰা কৰিলে আৰু জুইকুৰাৰ উম্ লৈয়েই প্ৰাণ-হীন দেহটো অসম মাতৃৰ বুকুলৈ ঘূৰি আহিল এটি কফিনৰ মাজত। ১৯৮০ চনৰ ফেব্ৰুৱাৰী মাহৰ ১৪ তাৰিখে সুদূৰ ভেলোৰত সেই জুই কুৰা নুমাল কিন্তু তাৰ তাপ পৰিয়াল আৰু গুণ-মুগ্ধ সকলালৈ এৰি থৈ গ'ল। সেই তাপে আজিও আমাক দহি আছে। মৃত্যুৰ সময়ত তেখেতৰ পত্নী সুদক্ষ অভিনেত্ৰী শ্ৰীমতী আৰতি বৰুৱা, তিনি পুত্ৰ ক্ৰমে সৰ্বশ্ৰী ৰত্ন-নীল বৰুৱা (পাপু) ড° নভ-নীল বৰুৱা (জিপু) অভ্ৰ-নীল বৰুৱা (আবিৰ)ক এৰি থৈ যায়। ৰুদ্ৰ বৰুৱাই অভিনয় কৰা কথাছবি যোৱাৰী, জনী, উজ্জ্বল, সোণৰ হৰিণ ইত্যাদি,

সংগীত পৰিচালনা কৰিছিল "কল্লোল" নামৰ কথা ছবিখনত। বোবাবী কথাছবিত এজন অবহেলিত শহৰৰ ভাও লৈছিল, কিন্তু বাস্তৱত তেখেতে বোবাবীৰ মুখ দেখাৰ আগেয়েই চিৰ বিদায় ললে।

আগতে "ৰবীন্দ্ৰ ভৱন" বুলিলে কদ্ৰ বৰুৱাৰ কথাকে মনত পৰে, সঁচাকৈয়ে তেখেত "ৰবিন্দ্ৰ ভৱনৰ ৰবি" আছিল। অসমৰ এটি সংস্কৃতিৰ বৰ ভেটি স্বৰূপ ৰবীন্দ্ৰ ভৱনত কদ্ৰ বৰুৱাৰ অনুপস্থিতি খুব কমেই আছিল। ইয়াতেই বৰুৱাৰ তত্বাৱধানত কহতো শিল্পী আবিৰ্ভাৱ হ'ল, জীৱন যুদ্ধত জীয়াই থাকিবলৈ সংস্থান পালে। এতিয়া ৰবীন্দ্ৰ ভৱনলৈ অনুষ্ঠান উপভোগ কৰিবলৈ গলে তেখেতৰ অনুপস্থিতি বাৰুকৈয়ে উপলব্ধি কৰো। আজি চৰকাৰেও এই জাতীয়বোধ থকা শিল্পীজনক স্মৰণ কৰিবলৈ পাহৰি গ'ল, যি জনেই নেকি অসম চৰকাৰৰ সাংস্কৃতি বিভাগটো জীপাল দিলে। হাড়ে-হিমজুৰে অসমীয়া, অসমক মনে প্ৰানে ভালপোৱা লুইতকোৰৰ কদ্ৰ বৰুৱাক স্মৰণ কৰি তেখেতৰ শ্ৰদ্ধাঞ্জলীত "মন আকাশী সংঘই" ২০০০ চনৰ ফেব্ৰুৱাৰী মাহত এক অনুষ্ঠান পাতিছিল, বিশতম মৃত্যু বাৰ্ষিকী বাবে।

প্ৰায় তেইশ বছৰৰ আগতেই আমি জনতাৰ শিল্পী কদ্ৰ বৰুৱাক হেৰুৱালো। কিন্তু তেখেতৰ গীত, মাত, সুৰ, সাংস্কৃতিক জগতখনলৈ আগবঢ়োৱা অৱদান, স্বনাম ধন্য শিল্পীৰ মাজত, কণ্ঠত, সংগীত প্ৰেমী ৰাইজৰ মাজত সজীৱ হৈ আছে। নতুন প্ৰজন্মকো ইয়াৰ সোৱাদ দিব লাগিব। এই অজুহাতেই তেখেতৰ হৈ দু-আষাৰ লেখি নিজকে ধন্য মানিছো।

আয়ুৰ বেখাডাল চুটি যদিও তেখেতে জীৱিত অৱস্থাতে বহুখিনি কাম কৰি গ'ল আৰু বহু পৰিকল্পনা বুকুত বান্ধি লৈ গ'ল। নিয়তীৰ আগতীয়া আহ্বানত অসমী আই আৰু আমাৰ সমাজখনে এক বহুমূখী ব্যক্তিত্বক হেৰুৱালে। লুইত কোঁৰৰ কদ্ৰ বৰুৱাৰ স্মৃতি লুইত খনৰ দৰেই চিৰ অবিনাশ হওঁক। তেখেতৰ গীত-মাতে প্ৰভূত বিস্তাৰ লাভ কৰক এই কামনাৰে।

◆ ◆ ◆

চিলংত ৰুদ্ৰ বৰুৱা

ইলা দাস

ৰুদ্ৰ বৰুৱাৰ বিষয়ে লিখিবলৈ গলে মই মোৰ শৈশৱলৈ উভতি যাব লাগিব। সেইয়া অসমৰ পুৰণি ৰাজধানী শ্বিলংৰ কথা ....

আনুমানিক ১৯৫৫ চন মানৰ পৰা মই তেখেতক ভালদৰে লগ পোৱাৰ সুযোগ পাইছিলো। সম্বন্ধত তেখেত মোৰ মাৰ ভায়েক মামা আছিল। সেই গতিকে বাপু মামা বুলিয়েই মাতিছিলো তেখেতক। বাপু মামা তেতিয়া শ্বিলংত, আমিও তেতিয়া দেউতাৰ চাকৰি সূত্ৰে শ্বিলংত আছিলো আৰু তাতেই পঢ়া শুনা কৰি ডাঙৰ হৈছিলো, সেইসময়ত শ্বিলংৰ অসমীয়া সমাজখনৰ এনাজৰী ভালৰ কথা ভাবিলে আজিও অভিভূত হৈ পৰো, ইজনৰ সিজনৰ প্ৰতি যে কিমান মৰম, কিমান আদৰ, স্নেহ। হিন্দু মুছলিম বুলি কোনো কথা নাই সকলোৱেই এক হৈ ঈদ, বিহু, শঙ্কৰ-মাধৱৰ তিথি উদযাপন কৰাৰ লগতে দুৰ্গা পূজাৰ থলীতো মতলীয়া হৈ পৰো সকলোৱে, মনত পৰে লাবান নামঘৰৰ কথা, সকলো কথাই মোৰ মানস পটত উজ্বলি উঠে।

এতিয়া আহো বাপু মামাৰ কথালৈ, এই সকলোবোৰ উৎসৱতে বাপু মামাই আগ ভাগ লৈছিল। বাপু মামাইও সেই সময়ত নিজৰ শিল্পীসুলভ প্ৰাধান্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল, বাপু মামাই সকলোকে সংস্কৃতিবান হোৱাটো বিচাৰিছিল। অনন্য ব্যক্তিত্বত সকলো মোহিত হৈছিল। তেখেতে নিজে গীত ৰচনা কৰি সুৰ দিয়াৰ উপৰিও নিজে নাটকো ৰচনা কৰি, অভিনয় কৰি সচাঁকৈয়ে অভিনৱত্ব আনিছিল। সাধাৰণতে বাপু মামাই সকলোৱে সুখ, দুখ, চিন্তা আদিৰ বিষয়ে গভীৰ ভাবে উপলব্ধি কৰিব বিচাৰিছিল, সেয়েহে তেখেতৰ প্ৰায়বোৰ গীতৰ ৰচনাতে ফুটি উঠিছে সৰ্ব্বসাধাৰণৰ সুখ, দুখ, চিন্তা চৰ্চাৰ প্ৰতিচ্ছবি।

এবাৰ শ্বিলংৰ এক সাংস্কৃতিক অনুষ্ঠানৰ আৰম্ভণি গীতৰ বাবে মামাই ৫/৬ জনী মান ছোৱালী যোগাৰ কৰিব লগা হৈছিল আৰু তাৰে ভিতৰত এজনী মইও আছিলো। বাপু মামাই বৰ মৰমেৰে আমাক আৰম্ভণি গীতটো শিকাই দিছিল সেইয়াই মোৰ গীত গোৱাৰ আৰম্ভণি আছিল। আজিও মনত পৰে শ্বিলংৰ ৰেডিঅ' ষ্টেচনত 'অৰুনিৰ মেল' আৰু চেম্নীয়া চৰাত গীত গোৱা আৰু নাটক কৰাৰ কথা ৰেডিঅ'ৰ General Section ত Audition দিয়াৰ বাবে বাপু মামাই কেনেকৈ সকলো ঠিক ঠাক কৰি মোক ৰেডিঅ' ষ্টেচনলৈ জোৰকৈ লৈ গৈছিল, তেতিয়া মই অষ্টম শ্ৰেণীত পঢ়ি আছিলো মাত্ৰ। মনত ভয় আৰু শংকা, কিন্তু মোৰ ভয় আৰু শংকা দমন কৰি বাপু মামাই মোক দুগুণ উৎসাহেৰেহে

মোক কেৱল অভয় দিছিল আৰু কৈছিল -- তুমি কোনো সঙ্কোচ নকৰাকৈ গানবোৰৰ উচ্চাৰণবোৰ ভালকৈ কৰি নিৰ্ভয়ে গাই যাবা। আজি মোৰ অনুভৱ হয় বাপু মামাৰ সেই প্ৰেৰণা আৰু উৎসাহৰ বাবেই মই Audition ত পাছ কৰিছিলো আৰু পাছ কৰাৰ লগে লগেই মই ৰেডিঅ'ত প্ৰথম গান গোৱাৰ সুযোগ পাইছিলো। বাপু মামাই মোৰ প্ৰথম ৰেডিঅ' গানৰ ৰেকৰ্ডিংত নিজেই পিয়ানো বজাই মোক উৎসাহ দিছিল। বাহী বজাইছিল ˚জীতেনদেৱে আৰু তবলা সঙ্গত কৰিছিল লেবু দাসে। মই কোনো অনুষ্ঠানতে সঙ্গীতৰ শিক্ষা লোৱা নাছিলো। বাপু মামাৰ পৰাই সকলো শিকিছিলো। বিশেষকৈ বাপু মামাৰ বনগীতৰ প্ৰতি বেছি আকৃষ্ট হৈছিলো আৰু বনগীতেই মই বেছিকৈ গাবলৈ লৈছিলো। দ্বিতীয় বাৰলৈ ৰেডিঅ' প্ৰগ্ৰেম পালো, মামাক খবৰ দিলো মামাই 'পকা ধানৰ মাজে মাজে' গানটো শিকাৰ সময়ত মোক কৈছিল -- সেই যে ধাননী পথাৰখনৰ পকা ধানবোৰ সেই ছবিখন চকুৰ আগত আনি প্ৰাণ দি গাই তুমি গানৰ কলিৰ মাজত সোমাই পৰিব লাগিব....... আৰু মনত পৰে 'কাণতে জিলিকে' গানটোৰ ৰচনাৰ কথা ..... মোৰ ৰেডিঅ'ৰ প্ৰগ্ৰেমৰ বাবে মামাই পুণৰ অফিচৰ পৰা বাহিৰে বাহিৰে আহি আমাৰ ধানখেতিৰ ঘৰৰ চিমনীৰ ওচৰত বহি তাতেই লিখি তাতেই সুৰ দি কিদৰে মোক শিকাই দিছিল। যেতিয়ালৈকে মই ভালদৰে শিকিব নোৱাৰো মামাই এৰি নিদিছিল, গানটো শিকোৱাৰ সময়ত তেখেতে মোক কৈছিল কাণত কেৰু মুগাৰ মেখেলাৰ সৈতে নিভাঁজ অসমীয়া গাভৰু এগৰাকী তোমাৰ মনত আঁকি লবা। সঁচা অৰ্থত এয়েই বনগীত গোৱাৰ সময়। সেই কথাবোৰ মনত পৰিলে মোৰ তেখেতৰ প্ৰতি গভীৰ শ্ৰদ্ধাত মূৰ দো খাই পৰে। মোৰ আজিও খেদ থাকি গল যে বাপু মামাই মোক কেইবাবাৰো বনগীতৰ কেছেট কৰিবলৈ কলিকতালৈ যাবলৈ লগ ধৰিছিল। কিন্তু মোৰেই দুৰ্ভাগ্য যে কিছুমান অসুবিধা বশতঃ মই যাব নোৱাৰিলো।

অকল গানেই নহয় মঞ্চত নাটক কৰিবলৈকো বাপু মামাই মোক লৈ গৈছিল আৰু অভিনেত্ৰী হিচাপে গঢ়ি তুলিছিল। বাপু মামাৰ পৰিচালনাতেই মই প্ৰথম নাটক কৰিবলৈ লও শিলংৰ মঞ্চত।

আজি ৪০ বছৰ অতিবাহিত হৈ যোৱাৰ পিছত ˚বাপু মামাৰ সোঁৱৰণত তেখেতৰ ৰচনা আৰু সুৰত প্ৰেমধৰ দত্তৰ কণ্ঠৰে এটি বনগীতৰ কেছেট উলিয়াইছো যদিও ৰাইজৰ হাতত তুলি দিয়া নাই। আগৰ দৰে গাব পৰা নাই যদিও মনৰ বেজাৰতহে গাইছো, কেছেটটোৰ ৰেকৰ্ডিঙৰ সময়ত বাৰে বাৰে বাপু মামালৈ মনত পৰিছিল আৰু দুখ লাগিছিল। সচাকৈয়ে মামা কৰ সোনকালে আমাৰ মাজৰ পৰা আতৰি গল।

অসীম শ্ৰদ্ধা আৰু ভক্তিৰে ˚বাপু মামাৰ মানে ৰুদ্ৰ বৰুৱাদেৱৰ স্মৃতিত এই লিখনী ইয়াতেই সামৰিছো।

❖ ❖ ❖

"অমৰ গীতৰ শিল্পী ৰুদ্ৰ বৰুৱা"

সূৰ্য গোস্বামী

যোৱা শতিকাৰ পঞ্চাশৰ দশকৰ পৰা গীত গোৱা লুইতকোঁৱৰ ৰুদ্ৰ বৰুৱা আছিল একেধাৰে গীতিকাৰ, সুৰকাৰ আৰু গায়ক। ল'ৰালি কালৰ পৰা প্ৰকৃতিৰ বিনন্দীয়া ৰংৰূপ তথা অসমীয়া কলা-সংস্কৃতিৰ ৰস উপভোগ কৰিবলৈ শিকা বৰুৱাদেৱৰ গীতসমূহত অসমীয়া মাটিৰ গোন্ধ আছে। এটা মিঠা আস্বাদ আছে। তেখেতৰ গীতসমূহে আমাক চিৰ পৰিচিত গ্ৰাম্য জীৱনৰ ছবি এখন চকুৰ আগত তুলি ধৰে। অসমীয়া সমাজত যেনিয়ে তেনিয়ে সিচৰিত হৈ থকা সুৱদী শব্দবোৰ একত্ৰিত কৰিছিল তেখেতে গীতৰ মাজত। সুৰুকীয়া, শিৰামুৰি, উলাহ, বোৱতী, ৰংৰহইছ, টোলোঠা, ঘনেপতি, পলক আদি গীতত প্ৰয়োগ কৰা শব্দ সম্ভাৰ সহজ সৰল আৰু মন চুই যোৱা। খাপ খাই পৰা সুৰ। গীতৰ কথাসমূহ যিদৰে মন চুই যোৱা একেদৰে হৃদয়ত তৰংগায়িত হৈ যোৱা গীতৰ সুৰবোৰ। 'কলৰে পাততে কাউৰী পৰে'.... 'পকা ধানৰ মাজে মাজে'. ., 'সময় পালে আমাৰ ফালে' আদি তেনে একো একোটি কালজয়ী গীত।

১৯৭২ চনত মই প্ৰথম ৰুদ্ৰ বৰুৱাদেৱক লগ পাও। ভূপেনদা'ৰ লগত ৰবীন্দ্ৰ ভৱনত প্ৰোগ্ৰাম কৰিবলৈ যাওতে তাতেই তেখেতক লগ পোৱাৰ সৌভাগ্য হৈছিল। সেই অনুষ্ঠানত তেখেতেও গীত গাইছিল। আমি তেখেতৰ লগত তবলা সঙ্গত কৰিছিলো। ৰুদ্ৰ বৰুৱাৰ গীতৰ কথা যিদৰে মন পৰশি যোৱা, তেনেদৰে তেখেতৰ কথাও আছিল ৰসাল। আমনিদায়ক দীঘলীয়া ভ্ৰমণ তেখেতৰ সান্নিধ্যই চমু কৰি তুলিছিল।

বিভিন্ন সময়ত সাংস্কৃতিক সঞ্চালকালয়ৰ তত্বাবধানত যোৱা সাংস্কৃতিক দলত আমিও দুবাৰমান অন্তৰ্ভুক্ত হৈছিলো। অসমৰ শিল্পীদল লৈ, তেখেতে গাৱে-ভূঞে, নগৰে চহৰে অনুষ্ঠান পৰিবেশন কৰি ফুৰিছিল। অসমৰ বাৰেৰহনীয়া কৃষ্টি প্ৰচাৰ আৰু প্ৰসাৰত তেখেতে গুৰুত্ব দিছিল। এবাৰ বম্বেৰ পৰা এটা সাংস্কৃতিক দল আহিছিল। ভূপেনদাৰ সতে আমিও সেই দলটিৰ লগত আছিলো। ভূপেনদাৰ উপৰিও সেইবাৰ অনিমা ভট্টাচাৰ্য্য (চক্ৰবৰ্তী) ও আছিল। অনিমা বাইদেৱে ৰুদ্ৰ বৰুৱাদেৱৰ গীতসমূহ গাইছিল। এই দলটোৰ সতে আমি উজনি অসমৰ ভালেমান ঠাইত অনুষ্ঠান পৰিবেশন কৰিছিলো।

ৰুদ্ৰ বৰুৱাদেৱ আজি আমাৰ মাজত নাই যদিও, তেখেতৰ গীতসমূহ অসমীয়া সংস্কৃতিৰ ইতিহাসৰ একোখিলা জীৱন্ত পাত হৈ জিলিকি আছে। অনিমা ভট্টাচাৰ্য্যৰ উপৰিও ৰুদ্ৰ বৰুৱাদেৱৰ সুৰাৰোপিত গীত সৰ্বশ্ৰী খগেন মহন্ত, দিপালী বৰঠাকুৰ, পাহাৰী দাস, মনজোৎস্না গোস্বামী প্ৰমুখ্যে ভালেমান শিল্পীয়ে কণ্ঠদান কৰিছে। সম্প্ৰতি মনজোৎস্না গোস্বামীয়ে এটি শ্ৰব্য কেছেটত আঠোটি গীত বাণীবদ্ধ কৰিছে।

বৰুৱাদেৱৰ পৰিয়াল বৰ্গৰ হৈ পত্নী শ্ৰীযুতা আৰতি বৰুৱা আৰু ৰবপুত্ৰ স্বপ্নশীল বৰুৱাই সিচৰিত গীতসমূহক প্ৰচাৰ আৰু প্ৰসাৰৰ অৰ্থে যিখিনি কৰিছে সি নিসন্দেহে প্ৰশংসাৰ যোগ্য। আমিও বিচাৰো লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাদেৱৰ অমৰ গীতসমূহ সদায়েই উজলি ৰওক।

স্বৰ্গীয় ৰুদ্ৰ বৰুৱা চাৰ

নগেন ৰাজবংশী

১৯৭২ চনত মই মোৰ ঘৰ নলবাৰীৰ পৰা গুৱাহাটীলৈ আহো চাকৰি বিচাৰি। এদিন ৰবীন্দ্ৰ ভৱনত চাকৰি বিচাৰি যাওঁতে তাতেই বৰুৱা চাৰক লগপাওঁ আৰু তেখেতক মই জোৰ কৰি ধৰিলো যে মোক এটা চাকৰি লাগে। তেখেতেও মোক বাকীবিলাকৰ দৰে দাবী-ধমকি নিদি খেদি ন-পঠিয়ালে বৰঞ্চ মোৰ বিষয়ে সকলো কথা সোধপোচ কৰি ক'লে যে চাকৰি হ'ব কিন্তু দুই এদিন পলম হ'ব। তেখেত তেতিয়া বিভাগৰ উপ সঞ্চালক আৰু সঞ্চালক আছিল ˚ সত্য প্ৰসাদ বৰুৱা। তেখেতে মোক চাকৰি দিম বুলি আশা দিলে হয় কিন্তু মোৰ আকৌ লেঠা -- চাকৰি নোহোৱা পৰ্য্যন্ত মই ক'ত থাকিম, গুৱাহাটীৰ কোনো ঠাইত মোৰ থাকিবলৈ ঠাই নাই। তেখেত ইমানেই দয়ালু আছিল যে মোক তেখেতৰ ঘৰতেই (চান্দমাৰী চৰকাৰী কোৱাৰ্টাৰত) থাকিবলৈ ঠাই দিছিল। তেতিয়া তেখেতৰ ডাঙৰ ল'ৰা কটন কলেজত আৰু মাজু আৰু সৰু ল'ৰা কেন্দ্ৰীয় বিদ্যালয়ত পঢ়ে।

১৯৭৩ চনত জানুৱাৰী মাহত তেখেতৰ কথামতে মই ৰেগুলাৰ হিচাবে চাকৰিত যোগদান কৰিলো। কিছুদিন পিছতে সঞ্চালক ˚ সত্য প্ৰসাদ বৰুৱা চাৰে অৱসৰ লয় আৰু ৰুদ্ৰ বৰুৱাদেৱ সঞ্চালক হয়।

তেখেত এজন সঞ্চালকহৈও আমাৰ দৰে সাধাৰণ মানুহৰ সৈতে কিমান ঘনিষ্ঠতা আছিল। এবাৰ ১৯৭৬ চনত আমাৰ গাওঁত (নলবাৰীৰ ওচৰত) উন্নয়ণ সংঘৰ বাৰ্ষিক অধিবেশন হৈছিল। তালৈকে, মই তেখেতক নিমন্ত্ৰণী জনাইছিলো আৰু তেখেতেও লগে লগে মান্তি হৈছিল। অধিবেশনৰ দিনা চাৰে লগত বাইদেউ, সৰু ল'ৰা আবিৰ আৰু শিল্পী শ্ৰীমতী দিপালী দাসক লগতলৈ নলবাৰী পালেহি। নলবাৰীত সেইদিনা ডবা-পিতা বৰষুণ আছিল। নলবাৰীৰ পৰা দক্ষিণ বেজেৰা গাৱঁলৈ হাতত চেণ্ডেল আৰু লংপেন্ট কোচাই মোৰ লগত খোজকাঢ়ি অকণো কষ্ট অনুভৱ নকৰাকৈয়ে সভাগৃহত উপস্থিত হৈছিলগৈ। বিপুল ৰাইজৰ সভাখন মুকলি কৰাৰ উপৰিও তেখেতে তেতিয়াৰ জনপ্ৰিয় গীত কেইটিমান পৰিবেশন কৰি ৰাইজক আনন্দ দিছিল।

চাৰে প্ৰতি দেওবাৰে বাহিৰলৈ ওলাই গৈ উভতি আহোতে খোৱা বস্তুৰ এটা টোপোলা আনিছিল আৰু সেই টোপোলাত আছিল কেতিয়াবা মিঠাই, কেতিয়াবা চিৰা। তেখেতে

পৰিয়ালৰ প্ৰত্যেককে নিজ হাতেৰে বিলাই খাবলৈ দিছিল আৰু মইও চাৰৰ এই মৰমৰ পৰা বঞ্চিত হোৱা নাছিলো। আমাৰ দৰে সৰু সৰু মানুহবিলাকৰ অন্তৰৰ বুজ লৈছিল। এবাৰ মোৰ জীৱনৰ এটা ঘটনা, চাৰিমাহ মোৰ ৰিটেনচন অৰ্ডাৰ নোহোৱাত মই দৰমহা পোৱা নাছিলো, তেতিয়া চাৰে নিজে আমাৰ কেচিয়াৰ শ্ৰীযুত পৱিত্ৰ বৰুৱাদেৱৰ ওচৰলৈ গৈ কৈছিল — এই নগেনক ঘৰ চলিব পৰাকৈ কেইটামান টকা দিবলৈ ব্যৱস্থা কৰিব। আৰু এবাৰ আমি অফিচৰ আটায়ে হাহিমলৈ বনভোজ খাবলৈ গৈছিলো, চাৰে নিজেই আগভাগ লৈছিল আনকি চাৰে নিজে কাঠআলু ভাজি অফিচৰ গোটেই মানুহকে খুৱাইছিল। এই বনভোজতেই চাৰৰ পৰিয়াল আৰু আমি আটায়ে চেতনা দাস, পূৰ্ণিমা পাঠক, কণু দেৱী, প্ৰাঞ্জল হাজৰিকা, ৰবীন নেওগ, খালেক চৌধুৰী, হেমন্ত দা আৰু দুলাল চাৰ আটায়ে নাচ-গান কৰি বৰ ফুৰ্ত্তি কৰিছিলো। আজিও সেই বনভোজৰ কথা মনত পৰিলে ভাল লাগে।

বৰুৱা চাৰেই ভাৰত চৰকাৰৰ গীত-নাট বিভাগৰ উপ-সঞ্চালক শ্ৰীযুত কৃষ্ণ মূৰ্ত্তি হাজৰিকা চাৰক বিশেষ বিষয়া হিচাবে নিয়োগ কৰি ৰাজ্যিক সংগীত মহাবিদ্যালয় স্থাপন কৰিছিল। চাৰৰ দিনতেই ১৯৭৫ চনত আমাৰ অফিচৰ নাট বিভাগটো খোলা হৈছিল। নাট শাখাৰ মাননীয় শ্ৰীযুত দুলাল ৰয় চাৰক মকৰল কৰিছিল আৰু বাচনি পৰীক্ষা কৰি নাট বিভাগৰ বাবে চেতনা বাইদেউ (চেতনা দাস), কণু বাইদেউ (কণু দেৱী), পূৰ্ণিমা বাইদেউ (পূৰ্ণিমা পাঠক), প্ৰাঞ্জল দা (প্ৰাঞ্জল শইকীয়া), ৰবীন দা (ৰবীন নেওগ), খালেক দা (খালেক চৌধুৰী) আৰু মাননীয় হেমন্ত দত্ত দাক চাকৰিত নিযুক্তি দিছিল।

বৰুৱা চাৰৰ দিনতেই আমি চাৰৰ লগত মই আৰু আমাৰ অফিচৰ মোৰ লগৰেই শ্ৰীঅতুল শৰ্মা প্ৰায়েই শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰৰ বাবে মাটি জুখিবলৈ মণ্ডলৰ লৈতে গৈছিলো। চাৰে মণ্ডলক যি পইচা লাগে নিজৰ পৰাই দিয়া দেখিছিলো। আনকি আমাকো চাৰে চাহপানী খাবলৈ ২০ টকাকৈ হাতত গুজি দিছিল। এনেবিলাক বহু কথাই আছে।

হঠাৎ এদিন জানিব পাৰিলো যে চাৰৰ গাটো বেয়া। চিকিৎসাৰ বাবে মাদ্ৰাজলৈ যাব। মই ঘৰলৈ খবৰ কৰিবলৈ গৈছিলো। চাৰে যোৱাৰ আগদিনা কৈছিল "নগেন - মানুহক অৱহেলা নকৰিবা, ভালদৰে সৎপথেৰে চলিবা"। তেখেতৰ মৃত্যু হোৱা বুলি অফিচত শুনি মই কান্দি দিলো। লগে লগে চাৰৰ ঘৰলৈ আহি দেখিলো — পাপু দাদা (স্বপ্নীল বৰুৱা), শ্ৰীযুত জগত চন্দ্ৰ বৰুৱা আৰু ওচৰতে আমাৰ ডিনদেউ (বিমল দাস), আৰু খবৰ পোৱা বহুতো মানুহে বৈ আছে চাৰৰ শৱদেহটোৰ বাবে বৈ আছে। সকলোৰে চকুত চকুপানী আৰু এটা সময়ত আমাৰ মৰমৰ বাইদেউ (আৰতি বৰুৱা) উভটি আহিছে কফিনৰ মাজত চাৰক লৈ। গোটেই অসম দেশকে কন্দুৱাই চাৰ আমাৰ মাজৰ পৰা আঁতৰি গ'ল। বৰুৱা চাৰ অমৰ হওক।

◆ ◆ ◆

পাহৰণিৰ গৰ্ভত লুইত কোৱঁৰ ৰুদ্ৰ বৰুৱা

নবীন বুঢ়াগোহাঁই

"ৰ'দ কাঁচলি" দ্বিতীয় বছৰ প্ৰথম সংখ্যা। অৰ্থাৎ অক্টোবৰ নবেম্বৰ, ডিচেম্বৰ ২০০৩ চনৰ আলোচনী খন "লুইত কোৱঁৰ ৰুদ্ৰ বৰুৱাৰ" বিশেষ সংখ্যা ৰূপে প্ৰচাৰ কৰা হৈছিল। অসমৰ এজন বৰেণ্য ব্যক্তি যাৰ কণ্ঠ আৰু গীতে অসমৰ কেঁচা মাটিৰ গোন্ধ থকা কথা কয় তেনে এজন মহান ব্যক্তিৰ বিষয়ে দু-আষাৰ মান লেখিবলৈ হেপাহ কৰিছিলে।

১৯২৬ চনত জন্ম গ্ৰহণ কৰি ১৯৮০ চনত ইহ সংসাৰ ত্যাগ কৰা এই মহান শিল্পী জনৰ শিল্প কৰ্ম্ম সমূহ যিমান প্ৰচাৰ আৰু চৰ্চা হব লাগিছিল আজি তেওঁৰ মৃত্যুৰ তেইশ বছৰৰ পাচতো একোৱে প্ৰচাৰ প্ৰসাৰ তেনেকৈ হোৱা নায়। নগাওঁ, পুৰণি গুডাম অঞ্চলৰ সাংস্কৃতিক গোষ্ঠী "কুশিলব"ৰ উদ্যোগত ১৫ দিনীয়া "ৰুদ্ৰ বৰুৱা গীতৰ" কৰ্ম্ম-শালা আয়োজন কৰি প্ৰথম বাৰৰ বাবে তেওঁৰ কৰ্ম্ম সু-সংহত ৰূপত প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে প্ৰচেষ্টা হাতত লয়।

এই কৰ্ম্ম-শালাতে উদ্বোধনী ভাষণত শ্ৰীযুতা আৰতি বৰুৱাই অভিযোগ তথা আক্ষেপ কৰি কয় যে অসমৰ নতুন প্ৰজন্মৰ মাজত থলুৱা গীত-মাতৰ আগ্ৰহ স্তিমিত হৈ পৰিছে। বনগীতৰ ওজা ৰুদ্ৰ বৰুৱাক আজি সকলোৱে পাহৰি পেলাইছে। ১৯৮০ চনত মৃত্যু হোৱা বৰুৱাৰ সম-সাময়িক সাংস্কৃতিক পৰিবেশৰ সৈতে আজিৰ প্ৰজন্মৰ ব্যাপক ব্যৱধান সৃষ্টি হৈছে। আকাশবাণী গুৱাহাটীৰ দ্বাৰা পৰিবেশিত ৰুদ্ৰ বৰুৱাৰ প্ৰায়বোৰ গীতেই মচি পেলোৱা হ'ল। প্ৰয়াত শিল্পী গৰাকীৰ শিল্প কৰ্ম্মবোৰ এনে দুখ লগাকৈ অৱহেলিত হলে আমাৰ সংস্কৃতি সাধকসকলৰ পৰিচয় এসময়ত শেষ হৈ যাব। অতি পৰিতাপৰ বিষয় যি বোৰ প্ৰশ্ন আৰু সাধনা অসমৰ সচেতন সংস্কৃতি প্ৰেমীৰ মাজত দেখা পাব লাগিছিল সেয়া দেখা পোৱা নেযায়। প্ৰয়াত শিল্পী গৰাকীৰ পৰিয়ালে এনে উদ্যোগীমূলক সচেতনতা লোৱা কথাবাৰেই সুচাই লুইত কোৱঁৰৰ শিল্প-কৰ্ম্ম সমূহ কিমান অৱহেলাৰ চকুৰে চোৱা হৈছে। বিশ বছৰত কেৱল এটা তেওঁৰ গানৰ ওপৰত কৰ্ম্ম-শালা অনুষ্ঠিত হোৱা দেখা গ'ল।

লুইত কোৱঁৰ ৰুদ্ৰ বৰুৱাৰ গানৰ সুৰ অতি মধুৰ আৰু সাঁচৰ। অসমৰ মানুহৰ হৃদয়ৰ গভীৰ স্থলৈ প্ৰৱেশ কৰি তাৰপৰা সজীৱতা থকা কেঁচা মাটিৰ বতৰা পোহৰলৈ অনা মানুহজনে হব লাগিব হাড়ে-হিমজুৱে মানুহৰ আপোন। এনে এজন মানুহক বৰ দুখ লগাকৈ অসমীয়াই পাহৰিবলৈ ধৰিছে।

ইতিহাসক পাহৰি যোৱা উচিত নহয়, কিয়নো অতীতৰ বুকুত নিহিত থাকে বৰ্ত্তমান আৰু বৰ্তমানে নিৰ্ণয় কৰে ভৱিষ্যত। যিয়েই ইতিহাসক পাহৰি থাকে সেইজনৰ ভৱিষ্যতৰ পথ বিপথে যোৱাৰ সম্ভাৱনাই প্ৰবল।

সাম্প্ৰতিক পৃথিৱীৰ অশান্ত অৱস্থাই মানুহৰ মন কৰি তুলিছে অত্যন্ত কৃত্ৰিম আৰু যান্ত্ৰিক এনে পৰিবেশত আমি সাংস্কৃতিক মনৰ মানুহ গঢ়া অত্যন্ত প্ৰয়োজন হৈ পৰিছে। এনে পৰিপ্ৰেক্ষিতত সংস্কৃতি সাধক সকলৰ কৰ্ত্তব্য আৰু দায়িত্ব বাঢ়িছে। সমাজৰ তৃণ মূল পৰ্য্যায়ৰ পৰা মানুহঁৰ মন সংস্কৃতিবান কৰি গঢ়ি তুলিবলৈ হলে প্ৰয়াত ৰুদ্ৰ বৰুৱাদেৱৰ দৰে বৰেণ্য ব্যক্তিৰ প্ৰাসংগিকতা সদায়ে থাকিব।

❖ ❖ ❖

পকাধনৰ মাজে মাজে সৰু সৰু আলি

হেমেন হাজৰিকা

ওখোৱা মোখোৱা এই সৰু আলিটিৰ বনগুটি কাহিকন গছকি গছকি অহা পুৰণিগুদামৰ পৰা ১৯৫১ চনত তেতিয়াৰ ৰাজধানী শ্বিলং নগৰৰ লাচু মিএৰ 'অমলান' নামৰ এক বাসগৃহতঃ দুয়ো দুয়োকেই জানিছিলো 'বনগীতৰ' মাজেৰে; কিন্তু পৰিচয় নাছিল-। বিনিময়ত বন্ধুত্ব গঢ়ি উঠিল। জতুৰাঠাচত গীত ৰচা, থলুৱা সুৰক সাবটি লোৱা সঙ্গীত প্ৰেমী সমাজক ন ন ৰস দি প্ৰান্তে প্ৰান্তে বিকাশ কৰা ৰুদ্ৰ বৰুৱা বিহীন অসমীয়া ৰাইজ আজি শোকত ম্ৰিয়মান।

কোনেও নজনাকৈ, কাকো একো নোকোৱাকৈ, এই উদাত্ত কণ্ঠ আজি কিয় স্তব্ধ হ'ল? বন্ধুবৰ এই প্ৰশ্নৰ উত্তৰৰ বাবে মই হামৰাও কাঢ়িছো।

শ্ৰীবৰুৱাৰ অৱদানৰ কথা নকৈ দোহাৰাৰ আৱশ্যক নাই। সঙ্গীত সত্ৰ, সঙ্গীত ক্ষেত্ৰ আৰু সঙ্গীত সূত্ৰৰ মহৰাৰ পাকত এখন ভমকাফুলীয়া বৰখনীয়া তাঁতত এৰি থৈ যোৱা বৰুৱাৰ মাকোটি আজি আৰু আহ-যাহ নকৰে। গৰকা আৰু দোৰপটিৰ সমন্বয়ৰ বাবে বাট চাবই লাগিব।

গুণে যেতিয়া মুগ্ধ কৰে দোষ তেতিয়া এবিধ সোচৰা ব্যাধি হয় মানুহৰ,-এয়া মোৰ মতেৰে এক মত হোৱা বৰুৱা তোমালৈ এটি মই গীত লিখিছো-১৪-২-৮০ পুৱা ৮-৩০ মিঃ। কব নোৱাৰাকৈ এই কথাখিনিয়ে মোক বাৰে বাৰে খুন্দিয়াইছিল- একেই আবেলি ১-১৫ মিঃ এনেকৈ ফলিয়াব ই মনত বিদেহে কৰঃ মই কম বন্ধু বৰুৱা এই গীতটো ভুল হ'লে শুধৰাই দিবা, এই কামনাৰে।

+, -, x, + = কিমান সাংকেতিক চিহ্নই পাৰে জানো দিব সমিধান??

'যোগ' এক যোগাযোগ যোগ সূত্ৰত হয়, যদিহে জনম-

'বিয়োগ'ৰ অন্তৰালত, চিৰসত্য মৰণ নিয়তিৰ নীতি আৰু বিধিৰ বিধান-সমিধান এটি আহ্বান।।

x আপূৰণ হৈ ৰ'ল ওৰাটো জীৱন বহুতো চিত্ৰশ্ট-হল অকন-একা-বেকা এই পথ, যথ দৰ্শন কোনোৱাই কৰে নিয়ন্ত্ৰণ!!

'হৰণ' হৰিণী এক ছন্দ মধুৰ গন্ধ যে আৰু সুমধুৰজীৱন নাটৰ শেষ দৃশ্য পটৰ বিস্মৃতিত মগন নয়ন-!!

+, -, x, + = কিমান মহাশূণ্য পূণ্য বিয়াল্লা এক বিন্দু সমান-!!!

"বন্ধু সময় পালে কেতিয়াবা আকৌ আহিবাহ" — তোমাক আমি সদায়ে বিচাৰিম।

❖ ❖ ❖

কেঁচা মাটিৰ গোন্ধেৰে আমোল মোল সেই মানুহজন

খগেশ্বৰ পেগু

মানুহজনৰ তেজত চিনাকি কেঁচা মাটিৰ গোন্ধ, মানুহজনৰ সৃষ্টিত চিনাকি ফুলৰ সুবাস। মানুহজন কোন হব পাৰে বাৰু?

মোৰ দৃষ্টিত কৈশোৰতেই দৃশ্যমান হোৱা সেই মানুহজন মাটিৰ শিল্পী, গীতিকাৰ, সুৰকাৰ লুইত কোৱঁৰ ৰুদ্ৰ বৰুৱা।

"অ' ভুল ভুল অ' বুল বুল'
অ' সেউতী ভৰা
লুকা ভাকু ভাল নেলাগে
খেল কইনা দৰা।"..................এই গীতটি গুণ গুণাই কৈশোৰতেই চিনাকি হৈছিলো শিল্পীজনৰ সৈতে। ১৯২৬ চনত জন্ম গ্ৰহণ কৰি ১৯৮০ চনত মৃত্যুৰ শীতল পৰশত নশ্বৰ দেহ লীন হোৱা সেই মানুহজনৰ ৫৪ বছৰ জীৱন পৰিক্ৰমাত অসমৰ সাংস্কৃতিক বলয়ত কৃষ্টি-সংস্কৃতিক ভড়াল যেনে ধৰণে টনকিয়াল কৰি থৈ গ'ল সেয়া এতিয়া জীৱন্ত স্মৃতি। স্মৃতি এনেও বৰ মৰ্ম্মস্পৰ্শী, বৰ সংবেদনশীল, তাতেই যদি সেই স্মৃতি জীৱন্তৰূপত আত্ম-প্ৰকাশ কৰি থাকে তেতিয়া সেই স্মৃতিয়ে মানুহৰ জীয়াই থকাৰ কঠিনতম সময়ত বিভিন্ন দিশত অনুপ্ৰেৰণাৰ উৎস হৈ থিয় দিয়ে।

"অ বন্ধু সময় পালে আমাৰ ফালে এবাৰ আহি যাবা
সহজ-সৰল গাৱঁৰ জীৱন কন্তেক বৈ চাবা
পিয়াহ লাগি বন্ধু তুমি নুখুজিবা পানী
খাল-বিল ঘোলা পানী নিদিও তোমাক আনি"।

আঃ কি জীৱন্ত সমাজ-জীৱনৰ চিত্ৰ। বৰুৱাই আঁকি থৈ যোৱা এই নিৰ্ভেজাল চিত্ৰ বাস্তৱত আজিও অসমৰ মানুহক দুবৈৰ পৰয়ে আকৰ্ষণ কৰি ওচৰলৈ টানি আনে। এনে ধৰণৰ চহা শিল্পী আছিল "লুইত কোৱঁৰ ৰুদ্ৰ বৰুৱা।" সমকালীন বাস্তৱিকতাই ৰুদ্ৰ বৰুৱাৰ বিশাল শিল্পী হৃদয়খন মুচৰি দিছিল। সংগীতৰ ৰূপত ওলাই আহিছিল হৃদয়ৰ জালিকটা আৱৰণ কালি

"খেৰ বাঁহৰ অনেক পজা গাওঁভৰি পাবা
দদৰ, খৰিয়াল শুনি শুনি তাতে অৱনা হ'বা
নাঙঠ শিশুৰ ধূলিৰ খেলা বৈ বৈ তাতে চাবা।"

আকৌ—

পকা ধানৰ মাজে মাজে
সৰু সৰু আলি
আলিত পৰি গীত জোৰে
জাক বান্ধি মাহী—ইত্যাদি।

বজ্র বীণাৰ তান

বজ্ৰৱাদেৱৰ সমকালীন সমাজত আৰ্থ সামাজিক সমস্যাই শিল্পীজনক হাহাকাৰ কৰি তুলিছিল। শিল্পী প্ৰাণ মানুহজনৰ কলম আৰু কণ্ঠেৰে নিগৰি আহিছিল হৰ্ষ-বিষাদেৰে পৰিপূৰ্ণ সমাজ জীৱনৰ ছবি। সেইকাৰণেই তেওঁ গাইছিল আৰু লিখিছিল—

"হাতৰ গামে খাৰু ডিঙিৰেই মাদলি
ভাত-কাপোৰ বিচাৰি সোণাক দিলি বন্ধকী
বৰষে তোৰ দু-চকুৰ কোনে।"

এই শিল্পীজনৰ সৃষ্টিয়ে কিহত আচোৰ পেলোৱা নাই? অসমীয়া সমাজ জীৱন-যৌৱনৰ উচ্ছাস ভৰা পথাৰ খনৰ পৰা আৰম্ভ কৰি অসমীয়া চহা জীৱনৰ পথাৰ হৈ জাতীয় ঐক্য আৰু সম্প্ৰীতিৰ গানেৰে অসমৰ সমাজ জীৱনৰ কঠিনতম দিশসমূহতো তেওঁ সংগীতৰ হাত মেলি দিছে, তেওঁ সমাজ জীৱনৰ আনন্দত মতলীয়া হৈছে, দুখত ম্ৰীয়মান হৈছে, শিশুৰ সৈতে খেলিছে, যৌৱনৰ সৈতে ধেমালি কৰিছে আৰু কৃষকৰ সৈতে সমাজ জীৱনৰ বহল পথাৰখনত কৰ্ষণ কৰিছে, তেওঁৰ সংগীতেৰে তেওঁ সকলোলৈকে গৈছে।

নদ-নদীক উপজীৱ্য হিচাপে বাচি লৈছে ঃ
"আই মোৰ কপিলীহে
এইবেলি নেবাঢ়িবা
মোৰ খেতি নেমাৰিবা
মাতো কাবৌ কৰি
নহলে মই ঘৰে ঘৰোৱাহী
ইবাৰ গলো মৰি।"

কেচা মাটিৰ গোন্ধত আমোল-মোলোৱা তেওঁৰ গীতৰ পৰা শৰতৰ শেৱালীৰ গোন্ধ যাওঁ বুলিও আঁতৰি যাব নোৱাৰে। সৰ্ব্বশেষত ইয়াকে কওঁ, এইবোৰেই তেওঁৰ গীতৰ বিশেষত্ব। তেওঁৰ গীতৰ দেশ-প্ৰেমৰ চানেকীৰে এই লিখনী সামৰিছো।

"গাবৰে ডেকা ল'ৰা ওলোৱা খৰৈকে
লুইতত বুৰে দি বেলিটি আনেগে
অসমীৰ মুখলৈ চাই।"
"বগা বৰফত বগুহৰ তেজ
পৰিলে নিগৰি নিগৰি
এই তেজ লৈ লুইতৰ ঢৌ
আহিলে বাগৰি বাগৰি।
লুইতেই মোৰ ইতিহাস
(কয়) বোলে মই চিৰ অবিনাশ
এই পানীতেই [illegible] মোৰ
হেংডাং ললো [illegible]
সময় বেতিয়া আহিল আকৌ
এইয়া বাজিলো টঙালি।

লুইতপাৰৰ পদধ্বনি আৰু ৰুদ্ৰ বৰুৱাৰ গীত

অসমৰ বৃহৎ জাতীয় অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰই যোৱা ৯ নৱেম্বৰৰ দিনা তিনি বছৰ সম্পূৰ্ণ কৰিলে। বিগত তিনিটা বছৰত অসমৰ শিল্প, সাহিত্য-সংস্কৃতিৰ জগতলৈ কলাক্ষেত্ৰই কি অৰিহণা যোগাইছে আমি এই শিতানত সময়ে সময়ে পাঠকক জনাই আহিছো। বিভিন্ন অনুষ্ঠানৰ মাজেৰে কলাক্ষেত্ৰই নিজৰ সফলতা দাবী কৰিব পৰা হৈছে। আৰ্থিক সংকটে কলাক্ষেত্ৰক সময়ে সময়ে আমনি কৰিলেও প্ৰতিগৰাকী বিষয়া-কৰ্মীৰ ঐকান্তিক প্ৰচেষ্টাত ই সজীৱ হৈ আছে।

'এই অসমৰ মহাজাতি আমি নাই কোনো ভিন পৰ ...., ধুম ধুম গুকুম গুকুম, বতৰে বজায় ঢোল ...., পকা ধানৰ মাজে মাজে সৰু সৰু আলি ঐ সৰু সৰু আলি ...., অ' হেৰা জেতুকী পাই, চুলিবোৰ সৰালি দাঁতবোৰ পকালি পৰৰ ঘৰে ঘৰে নাম গুণ গাই ......,' আদি জনপ্ৰিয় গীতৰ গীতিকাৰ-সুৰকাৰ লুইতকোঁৱৰ ৰুদ্ৰ বৰুৱাৰ স্মৃতিত যোৱা ১১ নৱেম্বৰৰ সন্ধিয়া কলাক্ষেত্ৰৰ ৰংঘৰ বাকৰিৰ মুকলি মঞ্চত স্বৰ্গীয় ৰুদ্ৰ বৰুৱা সোঁৱৰণী সন্থাৰ সৌজন্যত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত অনুষ্ঠিত হৈছিল শিল্পীজনৰ ৭৫ তম জন্ম-বাৰ্ষিকী।

প্ৰয়াত শিল্পী ৰুদ্ৰ বৰুৱাৰ পত্নী আৰতি বৰুৱাৰ চমু ভাষণ আৰু কলাক্ষেত্ৰ সমাজৰ সচিব গৌতম শৰ্মাৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা অনুষ্ঠানত পৰিবেশন কৰা হয় 'মিলিত কণ্ঠে আমি গাওঁ' নামৰ গীতি-নৃত্যালেখ্য এখন। ৰুদ্ৰ বৰুৱাই বিভিন্ন সময়ত লিখা গীতসমূহৰ সুন্দৰ পৰিবেশন কৰে ৰৰপেটাৰ পৰা অহা এচাম শিল্পীয়ে। হৰিদেৱ দাসৰ ৰচনা আৰু হেমেন দাসৰ পৰিচালনাৰে সংগীতালেখ্যখন হৈছিল অতি উপভোগ্য। শিশু নৃত্যশিল্পী ৰৰষা ভট্টৰ নৃত্যৰ ছন্দই অনুষ্ঠানটিৰ সোণত সুৰগা চৰাইছিল।

কবিন দাস, গুণীন্দ্ৰ নাথ ওজা, গৌতম বায়ন, হেমেন দাস, মধুস্মিতা চৌধুৰী, গীতাঞ্জলি গায়ন, কাকলি দাসৰ কণ্ঠদানেৰে সংগীতালেখ্যখনি জীপাল হৈ উঠিছিল। নিৰূপ দাস, ডালিম দাস, ৰনজিৎ দাস, মুকুল দাস, চন্দন দাস, দীনেশ দাস, ৰণজিৎ বায়ন আৰু প্ৰদীপ বায়নৰ সংযত আৰু যথাযথ বাদ্যযন্ত্ৰৰ সংগতে গীতসমূহ শ্ৰুতিমধুৰ কৰি তুলিছিল। আলেখ্যখনিত সূত্ৰধাৰৰ ভূমিকা লৈছিল নিৰ্মল দাস আৰু গীতাঞ্জলি শইকীয়াই। ধীৰাজ দাস আৰু ৰাজেন দাসে ব্যৱস্থাপনাৰে দলটিক সহায় কৰিছিল।

* * *

लुइत कोंवर रुद्र बरुवा का प्लेटिनम जयंती समारोह

बरपेटा के कलाकारों ने गुवाहाटी में कला प्रतिभा की पहचान करायी

महान कला शिल्पी लुइत कोंवर रुद्र बरुवा का प्लेटिनम जयंती समारोह हेरिटेज नार्थ इस्ट आगामी २६ नवंबर को संध्या छह बजे से विवेकानंद केंन्द्र में मनाने जा रहा है। यहां पर उल्लेखनीय है कि स्वगीय रुद्र बरुवा का जन्म २६ नवंबर १९२६ को हुआ था। उनकी स्थापना थी कि हम असमिया होते हुए भौगोलिक और राजनीतिक रुप से ही भारतीय नहीं है, बल्कि सांस्कृतिक तौर पर भी भारत से जुडे-बंधे हैं। उन्हें ममता में अभिनय के लिए १९७३ में राष्ट्रपति से राष्ट्रीय फिल्म पुरस्कार प्राप्त हुआ था।

स्वगीय रुद्र बरुवा का यह प्लेटिनम जयंती वर्ष होने के कारण बीते २२ नवंबर को शंकरदेव कलाक्षेत्र में और २२ नवंबर को रवींद्र भवन में हुए संगीत आलेख्य को मिलित कंठे आमि गांऊ शीर्षक से बरपेटा के कलाकारों ने प्रस्तुत किया। रचना और परिकल्पना हरिदेव दास की थी। निर्देशक हेमेन दास थे। सुत्रधार निर्मल दास, दीतांजलि सहरिया और गायक-गायिका गुनीन्द्र नाथ ओजा, कबिन दास, गौतम बायन, हेमेन दास, गीतांजलि गायन, गीतांजलि हाजरिका, मधुस्मिता चौधरी और रेखा पाठक तथा वाद्य कलाकार भूपेन भराली, डालिम दास, निरुप दास, बनजीत दास, मुकुल दास, बेला पटवारी, चंदन दास, हनीफ अहमद, बनजीत वायन, अजय वायन, दिनेश दास थे। नृत्य वर्षा भट्ट, नीलाक्षी दास और जाहनवी दास ने प्रस्तुत किया। भाउना अंश मनिकेश दास, दिगंत उजा, हिमान मेधी तथा मंच सज्जा यतीन दास, धीरज दास और राजेन दास के थे।

खास बात यह रही कि बरपेटा के कलाकारों ने राज्य की राजधानी में अपनी कला प्रतिभा की पहचान करा दी। दर्शक शंकरदेव कलाक्षेत्र और रवीन्द्र भवन से झूमते हुए बाहर आये।

(পূর্বাঞ্চল বাতৰিত প্ৰকাশিত)

❖ ❖ ❖

RUDRA BARUA : FIRST DEATH

Anniversary Tribute

Swapnanil Barua

"Life sans struggle is of no value" wrote Rudra Barua and how true it was when he told us of his own life in his reflective moods. His father had died very young and then began the struggle for existence of the family of four. The long trudge to hat- bazar sitting all day with odd works in front till it was too dark to see the long journeys into still nights. With the only sound coming from the jingling bells of the bullocks they wert all sweet memories in a life of abject poverty and his face would light up when the family was told about the endless stories of his childhood. Everything was so near and dear and they meant so much to him all his life. It was the the excitement in this life that made him forget the hardships he had to face and imbibed in him to see only the bright side of life and never crib for misfortunes and hardships.

The musical ear in father was God-given and as far as he remembered he was always in the midst of it be it in the village 'Bhaona' or a cultural function. He would cycles miles to listen to the gramophone in someone's house play the record over and over again till he knew the songs by heart. It was because of being so much in the midst of song and drama that both singing and acting came so naturally to him. Even the strong national feeling must have been god given for the only things that really meant to him was the village and the countryside and he always told us that the real Assam lay there. In the political field also he was active since his early years.

There was the interesting incident when after the' 42 movement the young khadi clad satyagrahi was thrown out of class when he made noisy entrance wearing 'khoroms' (clod-hoppers), year later the active student Congress Secretary would grope for the definition of democracy while the lecturer would point to the

impression of the megaphone around his mouth from shouting all day long in the meetings of student Congress. The iauguration of the Radio station in Shillong found him in police custody for demonstrating against the absence of Assam in the national anthem.

নতুন দিল্লীত গণৰাজ্য দিৱসত অসমৰ শিল্পীসকলৰ নেতা হিচাপে
জৱাহৰলাল নেহৰু আৰু কৃষ্ণমেননৰ সৈতে ৰুদ্ৰ বৰুৱা, ১৯৬০ চনত।

Father was a man who lived for others and they too saw him through the hard days lending a helping hand as a music mart apprentice or a private tutor for the family children. The help which others lent to him made an indelible impression in his life and even till his last days he would leave no stone unturned When it came to helping others and his going out of the way at the cost of his own work would often initate us but we chose the desciiption of silence than aeter him The mystery was never solved what was the driving force behind father's zealous approach to his work. The indomitable physical energy apart he was of the brand of people who worked not for any reward but for the pure joy of getting something done The approach was very professional without being so when it came to money. The Government of Assam could never possibly have a more concentious worker. So devout was his urge to be in the midst of work that he would go about in sincere earnest we felt avoidable as much as his colleagues did but no amount of persuasion could deter him from what was

his job. So many incidents cross my mental plane when I remember his working style. The Vice-president of India was to visit Gauhati and Rabindra Bhavan had to be readied for the show. He shifted the logs with his juniors and there it was ready after an overnight's work of tea and no sleep. Jyoti-Chitraban was a non-starter and within months of father taking charge its wheels were groaning to a start. His juniors would bear testinomy of the art of organisation they learnt under him.

In the cultural field I remember in the cold of Shillong the artistes were made to rehearse till they could no longer stand on their feet Over the years many had to go through the rigours but he was always there to guide them and lend them a helping hand. Of himself in his last days he would leave for Golaghat in the Night Super spend the whole day shooting for the film 'Bowari' and be back by the next day without rest and often when no other transport was available he would make it in trucks and that too at the age of 50. His zeal for work often bordered on madness when I remember the last part of 1979. On a November down he left for Sibsagar returned the same night left for Gauripur the next day and coming back from Gauripur he left for Delhi the next morning. Only grim determination could sustain such energy.

Father was always for the talented especially in the cultural field where it was virtrually left unrecognized. He always made it a point to attend all cultural functions big or small and whenever any talent crossed his eyes he ensured whatever possible on his part to bring it to light. We all know of so many established names who all were so lovingly nurtured by him. His diary was always full of names of talent and he also asked us to bring it to his notice if we came across any. He would also encourage positive enthusiasm and mother has many stories , of having in sit through functions which were best avoided but for the enthusiasm of the organizers. Farther would always stay behind to offer his suggestions in any cultural ventures. Often in his journeys he would stop on the way to encourage cultural efforts in villages and small towns.

The best known side of father was his keen sense of humour and his adherence to routine. His humour was seen at its peak when it came to stealing the words from someones mouth. On

seeing a person he could tell us how he would begin his conversation and in most cases it tallied to the exact. Or on another occassion when I had just entered college he was curious to know how many girl friends I had for he in that age used to write letters in carbon copies. The best part of his humour lay on its presentation and we pitied our mother who being of a more serious nature was at the receiving end. The amount of noise he created would make new comers wonder how many people were there in our house. His adherence to routine was another marked character be it in behaviour food dress -- all of which made him unpredictable all times. Often so embarrassingly he would dismiss people who only talked of themselves or their pay-scales etc. making the whole affair obvious. Otherwise he was a very friendly person easily taken into by words and lot many exploited this goodness in him along with us.

Now that he is dead and gone and death not always brings one near to anyone can only remember of him as Shakespeare said- 'That was a man.

❖ ❖ ❖